অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম

AS-01-1.1

# অসমীয়া সাহিত্যৰ বুৰঞ্জী

## (আদি আৰু মধ্য যুগ)

## প্ৰথম কাকত



গুৱাহাটী বিশ্ববিদ্যালয়
দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

# দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

## গুৱাহাটী বিশ্ববিদ্যালয়

## স্নাতকোত্তৰ পাঠ্যক্ৰম

## বিষয় : অসমীয়া

অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম চাৰিটা ষাণ্মাসিকত সম্পন্ন হ'ব। প্ৰত্যেকটো ষাণ্মাসিকত পাঁচোটাকৈ পাঠ্যবিষয় (Course) থাকিব। প্ৰথম আৰু দ্বিতীয় ষাণ্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় আৰু তৃতীয় ষাণ্মাসিকৰ প্ৰথম চাৰিটা পাঠ্যবিষয় উমৈহতীয়া। সকলো বিদ্যাৰ্থীয়ে এই পাঠ্যবিষয়সমূহ অধ্যয়ন কৰিব লাগিব। তৃতীয় ষাণ্মাসিকৰ পঞ্চম পাঠ্যবিষয় (৩.৫)টো আৰু চতুৰ্থ ষাণ্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় দুটা শাখাত বিভক্ত হ'ব—সাহিত্য শাখা (ক) আৰু ভাষা শাখা (খ)। বিদ্যাৰ্থীসকলে যিকোনো এটা শাখাৰ পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব।

সমগ্ৰ পাঠ্যক্ৰমৰ সৰ্বমুঠ নম্বৰ : ১৬০০। প্ৰতিটো পাঠ্যবিষয়ৰ বাবে মুঠ নম্বৰ থাকিব : ৮০। পাঠ্যবিষয়সমূহৰ মূল্যায়ন দুই ধৰণে হ'ব—আভ্যন্তৰীণ আৰু মূল পৰীক্ষা। দুয়োটা শিতানত নম্বৰ থাকিব এনেধৰণে—

আভ্যন্তৰীণ : ১৬ (মুঠ নম্বৰৰ ২০ শতাংশ)।

মূল পৰীক্ষা : ৬৪ (মুঠ নম্বৰৰ ৮০ শতাংশ)।

মূল পৰীক্ষাত বৰ্ণনাধৰ্মী আৰু চমু প্ৰশ্ন অথবা চমু টোকা—এই দুই ধৰণৰ প্ৰশ্ন থাকিব। দুয়ো প্ৰকাৰৰ প্ৰশ্নৰ বাবে নম্বৰৰ গঠন তলত দিয়া ধৰণৰ :

বৰ্ণনাধৰ্মী প্ৰশ্ন : ৪৮।

চমু প্ৰশ্ন/চমু টোকা : ১৬।

এই পাঠ্যক্ৰমৰ মূল্যায়ন Credit and Grading পদ্ধতিৰে সম্পন্ন হ'ব। প্ৰতিটো পাঠ্যবিষয়ৰ Credit Point হ'ব ৮।

ষাণ্মাসিক অনুসৰি এই পাঠ্যক্ৰম তলত দিয়া ধৰণৰ—

### প্ৰথম ষাণ্মাসিক

| | | |
|---|---|---|
| পাঠ্যবিষয় | ১.১ | অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদি আৰু মধ্যযুগ) |
| পাঠ্যবিষয় | ১.২ | অসমীয়া কবিতা |
| পাঠ্যবিষয় | ১.৩ | প্ৰাচ্য সাহিত্য সমালোচনা |
| পাঠ্যবিষয় | ১.৪ | অসমৰ সংস্কৃতি |
| পাঠ্যবিষয় | ১.৫ | ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয় |

### দ্বিতীয় ষাণ্মাসিক

| | | |
|---|---|---|
| পাঠ্যবিষয় | ২.১ | অসমীয়া সাহিত্যৰ বুৰঞ্জী (আধুনিক যুগ) |
| পাঠ্যবিষয় | ২.২ | অসমীয়া নাটক |
| পাঠ্যবিষয় | ২.৩ | পাশ্চাত্য সাহিত্য সমালোচনা |
| পাঠ্যবিষয় | ২.৪ | সাহিত্যৰ তত্ত্ব আৰু ধাৰা |
| পাঠ্যবিষয় | ২.৫ | সংস্কৃত সাহিত্যৰ বুৰঞ্জী |

### তৃতীয় ষাণ্মাসিক

| | | |
|---|---|---|
| পাঠ্যবিষয় | ৩.১ | অসমীয়া গদ্য |
| পাঠ্যবিষয় | ৩.২ | অসমীয়া উপন্যাস |
| পাঠ্যবিষয় | ৩.৩ | অসমীয়া চুটিগল্প |
| পাঠ্যবিষয় | ৩.৪ | লিপি আৰু পাঠ-সমীক্ষা |
| পাঠ্যবিষয় | ৩.৫ (ক) | তুলনাত্মক সাহিত্য আৰু অনুবাদ প্ৰসঙ্গ |
| | ৩.৫ (খ) | ভাষাবিজ্ঞান আৰু ইয়াৰ অধ্যয়ন ক্ষেত্ৰ |

### চতুৰ্থ ষাণ্মাসিক

| | | |
|---|---|---|
| পাঠ্যবিষয় | ৪.১ (ক) | ভক্তি সাহিত্য |
| | ৪.১ (খ) | মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ |
| পাঠ্যবিষয় | ৪.২ (ক) | সংস্কৃত সাহিত্য |
| | ৪.২ (খ) | ভাৰতীয় আৰ্যভাষাৰ তুলনামূলক ব্যাকৰণ |
| পাঠ্যবিষয় | ৪.৩ (ক) | পাশ্চাত্য সাহিত্য |
| | ৪.৩ (খ) | অসমীয়া ভাষাৰ ঐতিহাসিক বিকাশ আৰু ইয়াৰ সাম্প্ৰতিক গাঁথনি |
| পাঠ্যবিষয় | ৪.৪ (ক) | ভাৰতীয় সাহিত্য অধ্যয়ন |
| | ৪.৪ (খ) | সমাজ-ভাষাবিজ্ঞান, উপভাষা-বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা |
| পাঠ্যবিষয় | ৪.৫ (ক) | বিশেষ লিখকৰ নিৰ্বাচিত ৰচনা |
| | ৪.৫ (খ) | অসমৰ তিব্বত-বৰ্মীয় ভাষা আৰু ভাষাতত্ত্ব |

৮) The European Modernism : J.P.S. Uberoi
৯) Western Influence on Assamese Drama : Pona Mahanta
১০) Western Influence on Bengali Literature : P.R. Sen
১১) Post War Assamese Drama : Umesh Deka
১২) ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ : ত্ৰৈলোক্যনাথ গোস্বামী
১৩) উপন্যাসৰ আধুনিক সমালোচনা : হীৰেণ গোহাঁই
১৪) কবিতাৰ বিচাৰ আৰু নতুন সমালোচনা : হীৰেণ গোহাঁই
১৫) অসমীয়া নাটক : স্বাধীনোত্তৰ কাল : শৈলেন ভৰালী
১৬) বাণীকান্ত কাকতিৰ পৰা ভবেন বৰুৱালৈ : শৈলেন ভৰালী
১৭) সাহিত্য তত্ত্ব আৰু সমালোচনা : নাহেন্দ্ৰ পাদুন
১৮) সাহিত্যৰ ৰূপ বৈচিত্ৰ্য : (সম্পাঃ) বিভা দত্ত আৰু নিবেদিতা বৰা শইকীয়া
১৯) অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ : অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়
২০) সাহিত্যৰ বাদ-বৈচিত্ৰ্য : (সম্পাঃ) নগেন শইকীয়া
২১) সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ : বিমল মজুমদাৰ

## পাঠ্যবিষয় ২.৫
## সংস্কৃত সাহিত্যৰ বুৰঞ্জী

গোট ১ : সংস্কৃত কাব্য সাহিত্য
সংস্কৃত কাব্য সাহিত্যৰ প্ৰাৰম্ভিক কাল
সংস্কৃত কাব্য সাহিত্যৰ ধাৰা
সংস্কৃত কাব্যৰ অভ্যুত্থান : কালিদাসৰ যুগ

গোট ২ : কালিদাসোত্তৰ যুগৰ মহাকাব্য

গোট ৩ : সংস্কৃত নাট্য সাহিত্য

গোট ৪ : সংস্কৃত গদ্য কাব্য আৰু চম্পূ কাব্য

প্ৰসংগ পুথি :

১) History of Sanskrit Literature : A.B. Keith
২) History of Indian Literature : M. Winternitz
৩) Survey of Sanskrit Literature : C.K. Raja
৪) Indian Campu Literature : Its Origin and Growth : R.N. Bandopadhyaya
৫) সংস্কৃত সাহিত্যৰ ইতিবৃত্ত : থানেশ্বৰ শৰ্মা
৬) সংস্কৃত সাহিত্যৰ ইতিহাস : গৌৰীনাথ শাস্ত্ৰী
৭) পাৰিজাত হৰণ চম্পূ (ভূমিকা আৰু প্ৰথম অধ্যায়) : দীপক কুমাৰ শৰ্মা
৮) অপাৰে কাব্যসংসাৰে : দীপক কুমাৰ শৰ্মা
৯) সাহিত্য বিতান : মঞ্জুলা দেৱী

## তৃতীয় ষাণ্মাসিক
## পাঠ্যবিষয় ৩.১
## অসমীয়া গদ্য

গোট ১ : অসমীয়া গদ্যৰ উদ্ভৱ আৰু বিকাশ :
অসমীয়া গদ্যৰ উদ্ভৱ আৰু বিকাশ, ভট্টদেৱৰ গদ্য : কথাভাগৱতৰ তৃতীয় স্কন্ধৰ দ্বিতীয় অধ্যায়

গোট ২ : চৰিত পুথি আৰু বুৰঞ্জীৰ গদ্য :
গুৰুচৰিত কথা, গুৰুচৰিতৰ কথাৰ নিৰ্দেশিত পাঠ্যক্ৰম (অনুচ্ছেদ ৩১-১০০) বুৰঞ্জীৰ গদ্য, আসাম বুৰঞ্জী : দিহিঙীয়া ৰজা

গোট ৩ : অৰুণোদইৰ অসমীয়া গদ্য; অৰুণোদইৰ চলফটি :
আসাম দেসৰ সংক্ষেপ কথা : আনন্দৰাম ঢেকিয়াল ফুকন
অসমিয়া ভাসা : এজন অসমিয়া লোক

গোট ৪ : আধুনিক অসমীয়া গদ্য :
হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰং চং ভিতৰে কোৱা-ভাতুৰী'
লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' (প্ৰথম আৰু দ্বিতীয় অধ্যায়)
বাণীকান্ত কাকতিৰ 'নাৰী হৃদয়'

অনুমোদিত পাঠ্যপুথি :

১) কথা-ভাগৱত : (সম্পাঃ) মহেশ্বৰ নেওগ
২) গুৰুচৰিত কথা : (সম্পাঃ) মহেশ্বৰ নেওগ
৩) অসম বুৰঞ্জী : সুকুমাৰ মহন্ত
৪) অৰুণোদইৰ চলফটি : (সম্পাঃ) বিৰিঞ্চি কুমাৰ বৰুৱা
৫) অৰুণোদই : (সম্পাঃ) মহেশ্বৰ নেওগ
৬) বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী : হেমচন্দ্ৰ বৰুৱা
৭) মোৰ জীৱন সোঁৱৰণ : লক্ষ্মীনাথ বেজবৰুৱা
৮) সাহিত্য আৰু প্ৰেম : বাণীকান্ত কাকতি

প্ৰসংগ পুথি :

১) অসমীয়া কথা-সাহিত্য (পুৰণি ভাগ) : বিৰিঞ্চি কুমাৰ বৰুৱা
২) আধুনিক অসমীয়া সাহিত্য : মহেশ্বৰ নেওগ
৩) বাণীকান্ত কাকতিৰ ৰচনাৱলী : (সম্পাঃ) মহেশ্বৰ নেওগ
৪) সাহিত্যৰ আভাস : সত্যেন্দ্ৰনাথ শৰ্মা
৫) ৰামায়ণৰ ইতিবৃত্ত : সত্যেন্দ্ৰনাথ শৰ্মা
৬) অসমীয়া গদ্য সাহিত্যৰ গতিপথ : হৰিনাথ শৰ্মা দলৈ
৭) ক্ৰমবিকাশত অসমীয়া কথাশৈলী : প্ৰফুল্ল কটকী
৮) জীৱনী আৰু আত্মজীৱনী : গোবিন্দপ্ৰসাদ শৰ্মা
৯) অসমীয়া সাহিত্যলৈ মিছনাৰীসকলৰ অৱদান : বাণীকান্ত শৰ্মা

১০) প্ৰসংগ : ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্য : উমেশ ডেকা
১১) মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ নেওঁনি : দীপ্তি ফুকন পাটগিৰি
১২) অৰুণোদই (১৮৪৫-১৮৬৮) নিৰ্বাচিত সংকলন : (সম্পাঃ) অৰূপজ্যোতি শইকীয়া

## পাঠ্যবিষয় ৩.২
## অসমীয়া উপন্যাস

গোট ১ : অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি
গোট ২ : ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী'
গোট ৩ : বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত'
গোট ৪ : বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়'
গোট ৫ : চৈয়দ আব্দুল মালিকৰ 'সুৰুযমুখীৰ স্বপ্ন'

প্ৰসংগ পুথি :

১) The Art of the Novel : E.M. Forster
২) The Rise of the Novel : Jan Watt
৩) Post-War Assamese Novel : Umesh Deka
৪) অসমীয়া উপন্যাসৰ ভূমিকা : সত্যেন্দ্ৰনাথ শৰ্মা
৫) অসমীয়া ঐতিহাসিক উপন্যাস : শৈলেন ভৰালী
৬) উপন্যাসৰ আধুনিক সমালোচনা : হীৰেণ গোহাঁই
৭) স্বাধীনোত্তৰ অসমীয়া উপন্যাসৰ সমীক্ষা : প্ৰফুল্ল কটকী
৮) উপন্যাস আৰু অসমীয়া উপন্যাস : (সম্পাঃ) গোবিন্দ প্ৰসাদ শৰ্মা
৯) এশ বছৰৰ অসমীয়া উপন্যাস : (সম্পাঃ) নগেন ঠাকুৰ
১০) অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড) : (সম্পাঃ) হোমেন বৰগোহাঞি
১১) অসমীয়া জীৱনীমূলক উপন্যাস : জাহ্নবী দেৱী

## পাঠ্যবিষয় ৩.৩
## অসমীয়া চুটিগল্প

গোট ১ : অসমীয়া চুটিগল্পৰ গতি প্ৰকৃতি
লক্ষ্মীনাথ বেজবৰুৱাৰ 'কাশীবাসী'
গোট ২ : ৰমা দাসৰ 'অবুজ মায়া'
যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ'
গোট ৩ : মহিম বৰাৰ 'এখন নদীৰ মৃত্যু'
ভবেন্দ্ৰনাথ শইকীয়াৰ 'টোপনি'
গোট ৪ : হোমেন বৰগোহাঞিৰ 'ভয়'
মামনি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ'

অনুমোদিত পাঠ্যপুথি :
১) গল্পমঞ্জৰি : (সম্পাঃ) শৈলেন ভৰালী
২) অসমীয়া চুটিগল্পৰ প্ৰবাহ : (সম্পাঃ) লীলাৱতী শইকীয়া বৰা

প্ৰসংগ পুথি :
১) আধুনিক গল্প সাহিত্য : ত্ৰৈলোক্যনাথ গোস্বামী
২) অসমীয়া গল্প সংকলন (ভূমিকা) : (সম্পাঃ) হোমেন বৰগোহাঞি
৩) অসমীয়া চুটিগল্পৰ অধ্যয়ন : প্ৰহ্লাদ কুমাৰ বৰুৱা
৪) চুটিগল্প : উদয় দত্ত
৫) অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড) : (সম্পাঃ) হোমেন বৰগোহাঞি
৬) যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্প : কুমুদ গোস্বামী

## পাঠ্যবিষয় ৩.৪
## লিপি আৰু পাঠ সমীক্ষা

গোট ১ : অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ
লিপিৰ উৎপত্তি আৰু পৃথিৱীৰ প্ৰাচীন লিপি
ভাৰতীয় লিপিৰ উৎপত্তি আৰু বিকাশ
অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ
গোট ২ : অসমীয়া লিপিৰ গঠন আৰু লিপ্যন্তৰ
(এই শিতানত বিদ্যাৰ্থীসকলে পুৰণি অসমীয়া লিপিৰ এটা পাঠ অধ্যয়ন কৰি পাঠটিক আধুনিক অসমীয়া লিপিলৈ লিপ্যন্তৰ কৰিব লাগিব।)
গোট ৩ : পাঠ-সমীক্ষাৰ সাধাৰণ পৰিচয়
পাঠ-সমীক্ষাৰ সাধাৰণ পৰিচয় আৰু ইয়াৰ প্ৰয়োজনীয়তা
পুৰণি পুথিৰ সাধাৰণ বৈশিষ্ট্য আৰু লিখন-সামগ্ৰী
পুথি অনুলিপিকৰণৰ পৰম্পৰা
পাঠৰ স্বৰূপ আৰু পাঠ-প্ৰমাদ
গোট ৪ : পাঠ-সমীক্ষাৰ সূত্ৰ আৰু পদ্ধতি
পাঠ-সমীক্ষা পদ্ধতি
অধি-সমীক্ষা
উপস্থাপন পদ্ধতি

প্ৰসংগ পুথি :

১) Development of Script of Ancient Kamrupa : T.P. Verma
২) Introduction to Indian Textual Criticism : S.M. Katre
৩) Evolution of Assamese Script : Mahendre Bora
৪) অসমীয়া প্ৰাচীন লিপি : সৰ্বেশ্বৰ কটকী
৫) অসমীয়া লিপি : উপেন্দ্ৰনাথ গোস্বামী

৬) বিশ্বলিপিৰ ভূমিকা : নাৰায়ণ দাস
৭) পাঠ-সমীক্ষা : মহেশ্বৰ নেওগ
৮) পাঠ-সমীক্ষাৰ প্ৰসংগত : ৰামচৰণ ঠাকুৰীয়া
৯) পাঠ-সমীক্ষা : সূত্ৰ আৰু প্ৰয়োগবিধি : মালিনী গোস্বামী

## পাঠ্যবিষয় ৩.৫ (ক)

## তুলনাত্মক সাহিত্য আৰু অনুবাদ প্ৰসঙ্গ

গোট ১ : তুলনাত্মক সাহিত্যৰ সংজ্ঞা, পদ্ধতি, প্ৰয়োগ ইত্যাদি

গোট ২ : তুলনাত্মক সাহিত্যৰ ঐতিহাসিক প্ৰেক্ষাপট
ভাৰতীয় প্ৰেক্ষাপট

গোট ৩ : তুলনাত্মক সাহিত্যৰ বিভিন্ন সংহতি
সংকট আৰু সম্ভাবনা

গোট ৪ : অনুবাদ প্ৰসঙ্গ

প্ৰসংগ পুথি :

১) Comparative Literature : Theory and Practices : Amiya Dev
২) Comparative Indian Literature : K.M. George
৩) Translation Studies : Susan Bassnett
৪) Translation Studies Reader : (Ed.)Lawrence Venuti
৫) Introduction : Translation Studies : Theory and Applications . Jeremy Munday
৬) A Textbook of Translation : P. Mewmark
৭) Translation and Understanding : Sukanta Choudhury
৮) Translation Across Culture : (Ed.) Katharina Reiss
৯) তুলনাত্মক সাহিত্যতত্ত্ব প্ৰসংগ : বিমল কুমাৰ মুখাৰ্জী
১০) তুলনামূলক ভাৰতীয় সাহিত্য : নীৰাজনা মহন্ত বেজবৰা
১১) তুলনাত্মক সাহিত্য : দিলীপ বৰা
১২) অনুবাদ কথা : আবুল লেইছ
১৩) অনুবাদ পৰিক্ৰমা : প্ৰফুল্ল কটকী
১৪) তুলনামূলক সাহিত্য আৰু অনুবাদৰ বিচাৰ : নীৰাজনা মহন্ত বেজবৰা
১৫) তুলনামূলক সাহিত্য আৰু অনুবাদ কলা : শৰবী ডেকা শুক্লবৈদ্য

## পাঠ্যবিষয় ৩.৫ (খ)

## ভাষাবিজ্ঞান আৰু ইয়াৰ অধ্যয়ন ক্ষেত্ৰ

গোট ১ : ভাষাবিজ্ঞানৰ আধুনিক ধাৰা
বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics)
গঠনাত্মক ভাষাবিজ্ঞান (Structural Linguistics)
ৰূপান্তৰ-সৃজন বা ৰূপান্তৰ-উৎপাদক ব্যাকৰণ (Transformational Generative Grammar)

গোট ২ : ভাষাবিজ্ঞানৰ ক্ষেত্ৰ
নৃ-তাত্ত্বিক-ভাষাবিজ্ঞান (Antropological / Entholinguistics)
মনোভাষাবিজ্ঞান (Psycholinguisics)
সমাজ-ভাষাবিজ্ঞান (Sociolinguistics)
শৈলীবিজ্ঞান (Stylistics)
অন্যান্য ক্ষেত্ৰ

গোট ৩ : প্ৰায়োগিক ভাষাবিজ্ঞান (Applied Linguistic)
সাধাৰণ পৰিচয় (সংজ্ঞা, পৰিসৰ আদি)
অভিধান প্ৰণয়ন কলা, কথা-বিন্যাস

গোট ৪ : অসমত ভাষাবৈজ্ঞানিক চৰ্চা

প্ৰসংগ পুথি :

১) Language, Culture and Society : E. Sapir
২) Society, Language and Sociolinguistic : (Ed.) M.K. Verma
৩) Sociolinguistic : (Ed.) J.B. Pride and Janate Homes
৪) Social and Cultural Anthropology : A very Short Introduction : J. Monaghan and P. Just
৫) Linguistic and Neighbouring Disciplines : R. Bantsch and T.Vennemann
৬) Language, Psychology and Culture : W.E. Lambert
৭) The Acquisition of Language :D. Mcneill
৮) Aspects of the Theory of Syntax : Noam Chomsky
৯) Applied Linguistic : P. Corder
১০) Language Teaching : R. Lado
১১) Stylistics : R.Bradford
১২) লোকভাষা : লোক-সংস্কৃতি : পি. চৰকাৰ
১৩) উপভাষাবিজ্ঞান : দীপংকৰ মৰল
১৪) প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা : ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা
১৫) বাভাষিজ্ঞ : ভাষা আৰু নিদৰ্শন : উপেন ৰাভা হাকাচাম
১৬) ভাষা আৰু সমাজ : সত্যেন দুৱৰা

## চতুৰ্থ ষাণ্মাসিক

## পাঠ্যবিষয় ৪.১ (ক)

## ভক্তি সাহিত্য

গোট ১ : ভক্তি আৰু ভক্তি জাগৰণ
ভক্তিৰ স্বৰূপ, ভক্তি জাগৰণ আৰু পুৰাণ-সাহিত্য

গোট ২ : অসমীয়া ভক্তি ধৰ্ম আৰু ভক্তি সাহিত্য :
অসমীয়া বৈষ্ণৱ ভক্তি সাহিত্যৰ সাধাৰণ আভাস (শংকৰদেৱৰ পৰা উত্তৰ বৈষ্ণৱ যুগলৈ)

শংকৰদেৱৰ 'ভক্তি-প্ৰদীপ'
মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী'

গাট ৩ : শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য :
শৈৱ ধৰ্ম আৰু অসমীয়া শৈৱ সাহিত্য
ৰুদ্ৰসিংহৰ 'শিৱ-পুৰাণ'

গাট ৪ : শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য :
শাক্ত ধৰ্ম আৰু অসমীয়া শাক্ত সাহিত্য
ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰী চণ্ডী'
নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' (ভাটিয়ালী খণ্ড)

প্ৰসংগ পুথি :

১) Bhakti Yoga :Swami Vivekananda
২) Bhakti Rahashya : Swami Vivekananda
৩) Vaisnavite Myths and Legends : Banikanta Kakati
৪) Mother Goddess Kamakhya : Banikanta Kakati
৫) Sankaradeva and His Times : M. Neog
৬) Bhakti Ratnakara of Sankaradeva and History of the Concept of Bhakti (Introduction only) : (Ed.) M. Neog
৭) Neo-Vaisnavite Movement and the Satra Institution of Assam : S.N. Sarma
৮) ভক্তিবাদ : তীৰ্থনাথ শৰ্মা
৯) বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকথা : উপেন্দ্ৰনাথ গোস্বামী
১০) মনসা কাব্য (মনকৰি আৰু দুৰ্গাবৰী) : (সম্পাঃ) বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰনাথ শৰ্মা
১১) পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা : বাণীকান্ত কাকতি
১২) অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য : হৰিনাথ শৰ্মাদলৈ
১৩) শ্ৰীশ্ৰীচণ্ডী : (সম্পাঃ) পৰীক্ষিৎ হাজৰিকা
১৪) শ্ৰীশ্ৰীচণ্ডী : (সম্পাঃ) নবীন চন্দ্ৰ শৰ্মা
১৫) পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি : মহেশ্বৰ নেওগ
১৬) অসমৰ দৰমাৰ বুৰঞ্জী : আহ্বান আৰু পোহৰ : মহেশ্বৰ নেওগ
১৭) দেৱী : নিৰ্মলপ্ৰভা বৰদলৈ
১৮) শিৱ : নিৰ্মলপ্ৰভা বৰদলৈ
১৯) শিৱপুৰাণ : (সম্পাঃ) নবীন চন্দ্ৰ শৰ্মা
২০) লোক-দেৱতা শিৱ : বীৰেন্দ্ৰ কুমাৰ গোহাঁই
২১) পুৰাণৰ পৰিচয় : বিমল মজুমদাৰ
২২) ভক্তি সাহিত্য : বিমল মজুমদাৰ

## পাঠ্যবিষয় ৪.১ (খ)
## মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ

গোট ১ : পালি ভাষা আৰু সাহিত্য
পালি ভাষা
অশোকৰ অনুশাসনমালা (১ আৰু ২ নং গিৰ্ণাৰ)
ধম্মপদ (চিত্তবৰ্গৰ ১ম - ৮ম শ্লোক আৰু পণ্ডিত বৰ্গৰ ১ম - ৮ম শ্লোক)

গোট ২ : প্ৰাকৃত ভাষা আৰু সাহিত্য
প্ৰাকৃত ভাষা
গাহাসত্তসঈ (১, ২, ৭, ৯, ১০, ১৬, ১৯ আৰু ২০)
কৰ্পুৰমঞ্জৰী (১ম যৱনিকাৰ ২২-৩২ নং শ্লোক)

গোট ৩ : অপভ্ৰংশ ভাষা সাহিত্য
অপভ্ৰংশ ভাষা
সন্দেশ-ৰাসক (২য় প্ৰক্ৰমৰ ১-১০ নং শ্লোক)
কীৰ্তিলতা (১-৮ নং শ্লোক)

প্ৰসংগ পুথি :

১) Asokan Edicts : Amulya Sen
২) The Structure and Development of Middle Indo-Aryan Dialects : Vit Bubenik
৩) অশোকৰ অনুশাসনমালা : নগেন ঠাকুৰ
৪) প্ৰাকৃত সাহিত্য : সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী
৫) প্ৰাকৃত সাহিত্যৰ অধ্যয়ন : নগেন ঠাকুৰ
৬) প্ৰাকৃত সাহিত্য চয়ন : নগেন ঠাকুৰ
৭) ধম্মপদ : (সম্পাঃ) সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী
৮) প্ৰাকৃত পাঠ-মঞ্জুসা : (সম্পাঃ) সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী
৯) কৰ্পুৰমঞ্জৰী : (সম্পাঃ) কেশৱানন্দ দেৱগোস্বামী

## পাঠ্যবিষয় ৪.২ (ক)
## সংস্কৃত সাহিত্য

গোট ১ : কাব্য
কালিদাসৰ 'ৰঘুবংশম্' (প্ৰথম আৰু দ্বিতীয় সৰ্গ)

গোট ২ : নাটক
কালিদাসৰ 'অভিজ্ঞানশকুন্তলম্'

গোট ৩ : প্ৰকৰণ
শূদ্ৰকৰ 'মৃচ্ছকটিকম্' (প্ৰথম - দশম অংক)

প্ৰসংগ পুথি :

১) History of Sanskrit Literature : A.B. Keit
২) Sanskrit Drama : A.B. Keit
৩) History of Sanskrit Drama (Vol. 1) : M. Winternitz
৪) Types of Sanskrit Drama : D.R. Manking

৫) Law and Practice of Sanskrit Drama : S.N. Shastri
৬) উপমা কালিদাসস্য : মুকুন্দ মাধৱ শৰ্মা
৭) অভিজ্ঞান শকুন্তলম্ : এক সমীক্ষা : ধ্যানেশ্বৰ শৰ্মা
৮) মৃচ্ছকটিকমীমাংসা : মালিনী গোস্বামী
৯) বধূৰূপি কাব্যম্ : মালিনী গোস্বামী

## পাঠ্যবিষয় ৪.২ (খ)

## ভাৰতীয় আৰ্যভাষাৰ তুলনামূলক ব্যাকৰণ

গোট ১ : সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ ধ্বনি বিচাৰ
ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয়
সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়াৰ স্বৰ আৰু ব্যঞ্জনৰ তুলনা
সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ সন্ধি বিচাৰ

গোট ২ : সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়া ৰূপতাত্ত্বিক বিচাৰ
সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ শব্দৰূপ
সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ধাতুৰূপ

প্ৰসংগ পুথি :

১) A Sanskrit Grammar for Students : A.A. Macdonell
২) The Sanskrit Language : T. Burrou
৩) Sanskrit Grammar : W.D. Whitney
৪) Pali Prakash : B. Shastri
৫) Pali Language and Literature : W. Geiger
৬) Prakrit Grammar of Vararuchi : (Ed.) E.D. Cowell
৭) The Structure and Development of Middle Indo-Aryan Dialects : Vit. Bubenict
৮) Introduction to Prakrit : A.C.Woolner
৯) সমগ্ৰ ব্যাকৰণ কৌমুদী : ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ
১০) সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ : পৰেশ চন্দ্ৰ মজুমদাৰ
১১) পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য : নগেন ঠাকুৰ
১২) সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ : লীলাৱতী শইকীয়া বৰা

## পাঠ্যবিষয় ৪.৩ (ক)

## পাশ্চাত্য সাহিত্য

গোট ১ : পাশ্চাত্য কবিতা
ৱৰ্ডছৱৰ্থৰ 'টিন্টাৰ্ণ এবি'
শেলীৰ 'অ'ড টু দ্য ৱেষ্ট উইণ্ড'
ব্ৰাউনিঙৰ 'মাই লাষ্ট ডাচেচ'
এলিয়টৰ 'প্ৰিলিউদছ'

গোট ২ : পাশ্চাত্য নাটক
ছেমুৱেল বেকেটৰ 'ৱেইটিং ফৰ গডো'
হেনৰিক্ ইবছেনৰ 'এন এনিমি অব দ্য পিপুল'

গোট ৩ : পাশ্চাত্য উপন্যাস
আৰ্ণেষ্ট হেমিংৱেৰ 'দ্য অ'ল্ড মেন এণ্ড দ্য চি'
এলবাৰ্ট কেমুৰ 'দ্য প্লেগ'

গোট ৪ : পাশ্চাত্য চুটিগল্প
ডি এইচ্ লৰেন্সৰ 'দ্য লাষ্ট লাফ',
এলেন্ পোৰ 'দ্য কাস্ক এমোণ্টিলেদো'

অনুমোদিত পাঠ্যপুথি :

১) The Winged Word : David Green
২) Short Stories of the Ninteen Century : J.G. Fyfe

প্ৰসংগ পুথি :

১) Romanticism : L. Abercrombie
২) The Design of T.S. Eliot's Poetry : Elizabeth Drew
৩) Key to Modern Poetry : L. Dorrel
৪) Twentieth Century Drama : B. Gascoigne
৫) Albert Camues : Philip Thody
৬) ৰমন্যাসবাদ : মহেন্দ্ৰ বৰা
৭) পশ্চিমৰ প্ৰতীকবাদ : (অনুঃ) শৈলেন ভৰালী
৮) ইবচেনৰ নাট্য প্ৰতিভা : তাৰিণীকান্ত ভট্টাচাৰ্য
৯) সাহিত্যৰ চিন্তা-চৰ্চা : বীৰেণ বৰকটকী

## পাঠ্যবিষয় ৪.৩ (খ)

## অসমীয়া ভাষাৰ ঐতিহাসিক বিকাশ আৰু ইয়াৰ সাম্প্ৰতিক গাঁথনি

গোট ১ : অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ
অসমীয়া ভাষাৰ ক্ৰমবিকাশ
অসমীয়া ভাষাৰ ঐতিহাসিক বিচাৰ
অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশত সম্ভাব্য আৰ্যেতৰ প্ৰভাৱ

গোট ২ : অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্ব
অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব
অসমীয়া ভাষাৰ ৰূপতত্ত্ব : শব্দ গঠন
অসমীয়া ভাষাৰ ৰূপতত্ত্ব : কাৰক আৰু ক্ৰিয়া
অসমীয়া ভাষাৰ ৰূপতত্ত্ব : 'ব্যাকৰণগত বিধয়া'

গোট ৩ : অসমীয়া ভাষাৰ অৰ্থতত্ত্ব আৰু বাক্যতত্ত্ব
অসমীয়া ভাষাৰ অৰ্থতত্ত্ব
অসমীয়া ভাষাৰ বাক্যতত্ত্ব

গোট ৪ : মগধীয় ভাষা হিচাপে অসমীয়া ভাষা
মগধীয় ভাষাসমূহৰ উদ্ভৱ আৰু বিকাশ
অসমীয়া ভাষাৰ স্বতন্ত্ৰতা

প্ৰসংগ পুথি :

১) Assamese : Its Formation and Development : Banikanta Kakati
২) Introduction to Assamese Phonology : G.C. Goswami
৩) Historical Linguistics and Indo-Aryan Language : A.M. Ghattage
৪) Growth of the Assamese Language : D. Neog
৫) Origin and Development of the Bengali Language (Vol. I) : S.K. Chetterjee
৬) Structure of Assamese : G.C. Goswami
৭) An Introduction to Assamese : U.N. Goswami
৮) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব : কালিৰাম মেধি
৯) অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি : দেৱানন্দ ভৰালি
১০) অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ : গোলোকচন্দ্ৰ গোস্বামী
১১) অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ : উপেন্দ্ৰনাথ গোস্বামী
১২) অসমীয়া ভাষাৰ ব্যাকৰণ : উপেন্দ্ৰনাথ গোস্বামী
১৩) বৰ্ণ-প্ৰকাশ : গোলোকচন্দ্ৰ গোস্বামী
১৪) অসমীয়া ব্যাকৰণ প্ৰবেশ : গোলোকচন্দ্ৰ গোস্বামী
১৫) অসমীয়া ভাষাৰ ইতিহাস : ৰমেশ পাঠক

## পাঠ্যবিষয় ৪.৪ (ক)
## ভাৰতীয় সাহিত্য অধ্যয়ন

গোট ১ : বাংলা সাহিত্য
কবিতা : ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ভাৰততীৰ্থ'
জীৱনানন্দ দাশৰ 'বনলতা সেন'
চুটিগল্প : ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কাবুলিৱালা'
শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ 'অভাগীৰ স্বৰ্গ'
উপন্যাস : বিভূতিভূষণ বন্দোপাধ্যায়ৰ 'পথেৰ পাঁচালী'

গোট ২ : হিন্দী সাহিত্য
কবিতা : সুমিত্ৰানন্দন পন্তৰ 'মৌন নিমন্ত্ৰণ'
মৈথেলীশৰণ গুপ্তৰ 'সাকেত' (নৱম সৰ্গ)
চুটিগল্প : প্ৰেমচন্দৰ 'নিৰ্মলা'
উষা প্ৰিয়ম্বদাৰ 'ৱাপচী'
উপন্যাস : চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ 'উসনে কঁহা থা'

অনুমোদিত পাঠ্যপুথি :

১) আধুনিক কাব্য সংগ্ৰহ : (সম্পাঃ) বিজয়েন্দ্ৰ স্নাতক
২) সঞ্চয়িতা : ৰবীন্দ্ৰনাথ ঠাকুৰ
৩) বনলতা সেন : জীৱনানন্দ দাশ
৪) শ্ৰেষ্ঠ কাহানিয়াঁ : (সম্পাঃ) বিজয়পাল সিং
৫) কথাগুচ্ছ : (সম্পাঃ) এইচ, চি, চৰকাৰ

প্ৰসংগ পুথি :

১) Comparative Indian Literature : K.M. George
২) Comparative Literature : Theory and Practices : Amiya Dev
৩) Comparative Indian Literature : K.M. George
৪) তুলনাত্মক সাহিত্যতত্ত্ব প্ৰসংগ : বিমল কুমাৰ মুখাৰ্জী
৫) আধুনিক ভাৰতীয় সাহিত্য : শৈলেন ভৰালী
৬) তুলনামূলক ভাৰতীয় সাহিত্য : নীৰাজনা মহন্ত বেজবৰা
৭) তুলনাত্মক সাহিত্য : দিলীপ বৰা
৮) ৰবীন্দ্ৰ প্ৰতিভাৰ পৰিচয় : ভবানন্দ দত্ত
৯) আধুনিক বাংলা কাব্য পৰিচয় : দীপ্তি ত্ৰিপাঠী
১০) বাংলা উপন্যাসেৰ কালান্তৰ : শ্ৰীকুমাৰ বেনাৰ্জী
১১) হিন্দী উপন্যাস : শিৱনাৰায়ণ শ্ৰীবাস্তৱ
১২) প্ৰেমচান্দ ওউৰ উনকা যুগ : ৰামবিলাস শৰ্মা
১৩) সাকেত : এক অধ্যয়ন : নগেন্দ্ৰ
১৪) নয়া কাহানী কি ভূমিকা : কমলেশ্বৰ

## পাঠ্যবিষয় ৪.৪ (খ)
## সমাজ ভাষাবিজ্ঞান, উপভাষা-বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা

গোট ১ : সমাজ ভাষাবিজ্ঞান
সমাজ-ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়
অসমীয়া নৃ-গোষ্ঠীয় উপভাষা (ৰাভামিজ, তিৱামিজ, সোনোৱাল কছাৰীৰ কথিত অসমীয়া, মিচিং অসমীয়া, আহোম অসমীয়া, হাজং অসমীয়া)

গোট ২ : উপভাষা-বিজ্ঞান
উপভাষা
উপভাষা-বিজ্ঞানৰ তত্ত্ব

গোট ৩ : অসমীয়া ভাষাৰ উপভাষা
উজনি অসমৰ উপভাষা
কামৰূপী উপভাষা
গোৱালপৰীয়া উপভাষা
মধ্য অসমৰ উপভাষা
নৱজী উপভাষা

প্ৰসংগ পুথি :

১) Dialectology : An Introduction to : W.N. Francis
২) Dialectology : Chambers and Trudgill
৩) Language : L. Bloomfield
৪) Language Issue of the Assam Academy Review 1971 : (Ed.) B. Baruah

৫) A Study on Kamrupi : A Dialect of Assamese : U.N. Goswami
৬) অসমীয়া ভাষা আৰু উপভাষা : উপেন্দ্ৰনাথ গোস্বামী
৭) ভাষা-সমাজ আৰু সংস্কৃতি : উপেন্দ্ৰনাথ গোস্বামী
৮) ভাষা আৰু ভাষাধিকা : গোলোকচন্দ্ৰ গোস্বামী
৯) আধুনিক ভাষাবিজ্ঞান পৰিচয় : ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা
১০) ভাষা-সংস্কৃতিৰ জলঙাইদি : বীৰেন্দ্ৰনাথ দত্ত
১১) উপভাষাবিজ্ঞানৰ ভূমিকা : ৰমেশ পাঠক
১২) অসমীয়া ভাষাৰ উপভাষা : (সম্পাঃ) দীপ্তি ফুকন পাটগিৰি
১৩) উপভাষাবিজ্ঞান : দীপংকৰ মৰল
১৪) ৰাভামিজ : উপেন ৰাভা হাকাচাম
১৫) কামৰূপী উপভাষা : এটি অধ্যয়ন : বিভা ভৰালী
১৬) গোৱালপৰীয়া উপভাষা : ৰূপ বৈচিত্ৰ : (সম্পাঃ) বিভা ভৰালী আৰু কল্পনা তালুকদাৰ

## পাঠ্যবিষয় ৪.৫ (ক)

## বিশেষ লিখকৰ নিৰ্বাচিত ৰচনা

গোট ১ : মাধৱদেৱ আৰু অসমীয়া ৰামায়ণী সাহিত্য
মাধৱদেৱ আৰু তেওঁৰ সাহিত্য-কৃতি
অসমীয়া ৰামায়ণী সাহিত্য
মাধৱদেৱৰ 'আদিকাণ্ড ৰামায়ণ'

গোট ২ : মাধৱদেৱৰ নাটক
অঙ্কীয়া নাট
মহাপুৰুষ মাধৱদেৱৰ নাট
'অৰ্জুন-ভঞ্জন' নাটক

গোট ৩ : জ্যোতিপ্ৰসাদ আগৰৱালা
জ্যোতিপ্ৰসাদ আগৰৱালা আৰু তেওঁৰ ৰচনাসম্ভাৰ
জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা
জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক, 'শোণিত কুঁৱৰী', 'ৰূপালীম', 'লভিতা'

প্ৰসংগ পুথি :

১) Madhavadeva : Life, Art and Thought : Karabi Deka Hazarika
২) মাধৱদেৱৰ বাক্যামৃত : (সম্পাঃ) প্ৰফুল্ল চন্দ্ৰ গোস্বামী
৩) জ্যোতিপ্ৰসাদ ৰচনাৱলী : (সম্পাঃ) হীৰেণ গোহাঁই
৪) মাধৱদেৱৰ ৰচনাৱলী : (সম্পাঃ) ভৱপ্ৰসাদ চলিহা
৫) মাধৱদেৱ আৰু সংস্কৃতি : (সম্পাঃ) ভৱপ্ৰসাদ চলিহা
৬) জ্যোতি অন্বেষণ : (সম্পাঃ) লীলাৱতী শইকীয়া বৰা আৰু নমিতা ডেকা
৭) মাধৱদেৱ : সাহিত্য, কলা আৰু দৰ্শন : কৰবী ডেকা হাজৰিকা

## পাঠ্যবিষয় ৪.৫ (খ)

## অসমৰ তিব্বত-বৰ্মীয় ভাষা আৰু ভাষাতত্ত্ব

গোট ১ : অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষা
অসমীয়া আৰু অসমৰ ভাষা-উপভাষা
অসমীয়া ভাষাত তিব্বত-বৰ্মীয় উপাদান
তিব্বত-বৰ্মীয় ভাষাত আৰ্য উপাদান

গোট ২ : অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষাৰ ৰূপতত্ত্ব (১)
অসমীয়া আৰু তিব্বত-বৰ্মীয় ভাষাৰ সম্বন্ধবাচক শব্দ
অসমীয়া আৰু তিব্বত-বৰ্মীয় ভাষাৰ সংখ্যাবাচক শব্দ
অসমীয়া আৰু তিব্বত-বৰ্মীয় ভাষাৰ সৰ্বনাম

গোট ৩ : অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষাৰ ৰূপতত্ত্ব (২)
অসমীয়া আৰু তিব্বত-বৰ্মীয় ভাষাৰ বিশেষণ
অসমৰ তিব্বত-বৰ্মীয় ভাষাৰ ক্ৰিয়া পদ
অসমীয়া ভাষাৰ ক্ৰিয়া আৰু তিব্বত-বৰ্মীয় ভাষাৰ লগত ইয়াৰ তুলনা

প্ৰসংগ পুথি :

১) Linguistic Survey of India : (Ed.) G.A. Geirson
২) North-East Indian Linguistics : Stephen Morey and Mark Post
৩) Garo Grammar : R. Buring
৪) Sino-Tibetan : A Conspectus : Paul K. Benedict
৫) Outline of Tibeto-Burman Linguistic Morphology : S.N. Welfenden
৬) A Descriptive Analysis of Boro Language : P.C. Bhattacharya
৭) Languages of North-East : (Ed.) P.N. Dutta Baruah
৮) Boro Vacubulary : D.N. Bhatt
৯) Assamese and Boro : A Comparative and Contrastive Study : Madhuram Boro
১০) Studies in Sino-Tibetan Languages : S.N. Goswami
১১) অসমৰ ভাষা : ভীমকান্ত বৰুৱা
১১) মিচিং ভাষাৰ পৰিচয় : নাহেন্দ্ৰ পাদুন
১১) অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষা : উপেন ৰাভা হাকাচাম
১১) ৰাভা ভাষা আৰু সাহিত্য : উপেন ৰাভা হাকাচাম

★★★

AS-01-1.1

দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান
**Institute of Distance and Open Learning**

গুৱাহাটী বিশ্ববিদ্যালয়
**Gauhati University**

অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)
**M. A. in Assamese (01)**

পাঠ্যবিষয় : ১.১ (Course : 1.1)
# অসমীয়া সাহিত্যৰ বুৰঞ্জী ( আদি আৰু মধ্য যুগ )
**History of Assamese Literature (Early and Medieval Period)**

বিষয়সূচী


প্ৰথম খণ্ড : আদি যুগ আৰু প্ৰাক্ শঙ্কৰী যুগৰ অসমীয়া সাহিত্য

দ্বিতীয় খণ্ড : শঙ্কৰী যুগৰ অসমীয়া সাহিত্য

তৃতীয় খণ্ড : শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য

**Course Advisor**
Prof. Kandarpa Das
Dr. Apurba Kr. Deka

**Contributors**

**Block 1**

**Unit-1**
Dr. Nabin Ch. Sarma — Retd. Professor, Dept. of Folklore Research, Gauhati University

**Unit- 2 & 3**
Dr. Lilabati Saikia Bora — Retd. Professor, Department of Assamese, Gauhati University

**Block 2**

**Unit-1, 2, 3 & 4**
Dr. Nabin Ch. Sarma — Retd. Professor, Department of Folklore Research, Gauhati University

**Block 3**

**Unit - 1 & 2**
Dr. Apurba Kr. Deka — Asstt. Professor in Assamese, IDOL, Gauhati University

**Unit- 3 & 4**
Dr. Rashna Das — Assistant Professor, KKH Govt. Sanskrit College, Guwahati

**Content Editing**
Dr. Nabin Ch. Sarma — Retd. Professor, Dept. of Folklore Research, Gauhati University

**Reviewer :**
Dr. Jayanta Pathok — NEF College, Guwahati, Gauhati University

**Cover Page Design**
Naba Kr. Choudhury — Dept. of Anthropology, Gauhati University

© Institute of Distance and Open Learning, Gauhati University.
All rights reserved. No part of this work may be reproduced in any form, by mimeograph or any other means, without permission in writing from the Institute of Distance and Open Learning, Gauhati University.
Further information about the Institute of Distance and Open Learning, Gauhati University courses may be obtained from the office of Institute of Distance and Open Learning, Gauhati University, Guwahati-14.
Published on behalf of the Institute of Distance and Open Learning, Gauhati University by Prof. Amit Choudhury, Director and Printed under the aegis of G.U. Press as per procedure laid down for the purpose. Copies Printed 5,000

ISBN: 978-93-84018-38-2
Re print:September 2018

# অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম

অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম (Programme) চাৰিটা ষাণ্মাসিকত সম্পন্ন হ'ব। প্ৰত্যেকটো ষাণ্মাসিকত পাঁচোটাকৈ পাঠ্যবিষয় (Course) থাকিব। প্ৰথম আৰু দ্বিতীয় ষাণ্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় আৰু তৃতীয় ষাণ্মাসিকৰ প্ৰথম চাৰিটা পাঠ্যবিষয় উমৈহতীয়া। সকলো বিদ্যাৰ্থীয়ে এই পাঠ্যবিষয়সমূহ অধ্যয়ন কৰিব লাগিব। তৃতীয় ষাণ্মাসিকৰ পঞ্চম পাঠ্যবিষয় (৩.৫) টো আৰু চতুৰ্থ ষাণ্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় দুটা শাখাত বিভক্ত হ'ব —(ক) সাহিত্য শাখা আৰু (খ) ভাষা শাখা। বিদ্যাৰ্থীসকলে যিকোনো এটা শাখাৰ পাঠ্যবিষয়হে অধ্যয়ন কৰিব লাগিব।

সমগ্ৰ পাঠ্যক্ৰমৰ সৰ্বমুঠ নম্বৰ ঃ ১৬০০। প্ৰতিটো পাঠ্যবিষয়ৰ বাবে মুঠ নম্বৰ থাকিব ঃ ৮০। পাঠ্যবিষয়সমূহৰ মূল্যায়ন দুই ধৰণে হ'ব— আভ্যন্তৰীণ আৰু মূল পৰীক্ষা। দুয়োটা শিতানত নম্বৰ থাকিব এনেধৰণে —

| | | |
|---|---|---|
| আভ্যন্তৰীণ | ঃ | ১৬ (মুঠ নম্বৰৰ ২০ শতাংশ) |
| মূল পৰীক্ষা | ঃ | ৬৪ (মুঠ নম্বৰৰ ৮০ শতাংশ)। |

মূল পৰীক্ষাত বৰ্ণনাধৰ্মী আৰু চমু প্ৰশ্ন অথবা চমু টোকা — এই দুই ধৰণৰ প্ৰশ্ন থাকিব। দুয়ো প্ৰকাৰৰ প্ৰশ্নৰ বাবে নম্বৰৰ গঠন তলত দিয়া ধৰণৰ ঃ

| | | |
|---|---|---|
| বৰ্ণনাধৰ্মী প্ৰশ্ন | ঃ | ৪৮ |
| চমু প্ৰশ্ন/চমু টোকা | ঃ | ১৬ |

এই পাঠ্যক্ৰমৰ মূল্যায়ন **Credit and Grading** পদ্ধতিৰে সম্পন্ন হ'ব। প্ৰতিটো পাঠ্যবিষয়ৰ **Credit Point** হ'ল ৮।

ষাণ্মাসিক অনুসৰি এই পাঠ্যক্ৰম তলত দিয়া ধৰণৰ —

### প্ৰথম ষাণ্মাসিক

- পাঠ্যবিষয় ১.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদি আৰু মধ্য যুগ)
- পাঠ্যবিষয় ১.২ অসমীয়া কবিতা
- পাঠ্যবিষয় ১.৩ প্ৰাচ্য সাহিত্য সমালোচনা
- পাঠ্যবিষয় ১.৪ অসমৰ সংস্কৃতি
- পাঠ্যবিষয় ১.৫ ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়

### দ্বিতীয় ষাণ্মাসিক

- পাঠ্যবিষয় ২.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আধুনিক যুগ)
- পাঠ্যবিষয় ২.২ অসমীয়া নাটক
- পাঠ্যবিষয় ২.৩ পাশ্চাত্য সমালোচনা
- পাঠ্যবিষয় ২.৪ সাহিত্যৰ তত্ত্ব আৰু ধাৰা
- পাঠ্যবিষয় ২.৫ সংস্কৃত সাহিত্যৰ বুৰঞ্জী

### তৃতীয় ষাণ্মাসিক

- পাঠ্যবিষয় ৩.১ অসমীয়া গদ্য
- পাঠ্যবিষয় ৩.২ অসমীয়া উপন্যাস
- পাঠ্যবিষয় ৩.৩ অসমীয়া চুটিগল্প
- পাঠ্যবিষয় ৩.৪ লিপি আৰু পাঠ-সমীক্ষা
- পাঠ্যবিষয় ৩.৫ (ক) তুলনাত্মক সাহিত্য আৰু অনুবাদ প্ৰসংগ
- ৩.৫ (খ) ভাষাবিজ্ঞান আৰু ইয়াৰ অধ্যয়ন ক্ষেত্ৰ

চতুৰ্থ ষাণ্মাসিক

| | | |
|---|---|---|
| পাঠ্যবিষয় ৪.১ (ক) | | ভক্তি সাহিত্য |
| | ৪.১ (খ) | মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ |
| পাঠ্যবিষয় ৪.২ (ক) | | সংস্কৃত সাহিত্য |
| | ৪.২ (খ) | ভাৰতীয় আৰ্যভাষাৰ তুলনামূলক ব্যাকৰণ |
| পাঠ্যবিষয় ৪.৩ (ক) | | পাশ্চাত্য সাহিত্য |
| | ৪.৩ (খ) | অসমীয়া ভাষাৰ ঐতিহাসিক বিকাশ আৰু ইয়াৰ সাংস্কৃতিক গাঁথনি |
| পাঠ্যবিষয় ৪.৪ (ক) | | ভাৰতীয় সাহিত্য অধ্যয়ন |
| | ৪.৪ (খ) | সমাজ-ভাষাবিজ্ঞান, উপভাষা-বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা |
| পাঠ্যবিষয় ৪.৫ (ক) | | বিশেষ লেখকৰ নিৰ্বাচিত ৰচনা |
| | ৪.৫ (খ) | অসমৰ তিব্বত-বৰ্মীয় ভাষা আৰু ভাষাতত্ত্ব |

## পাঠ্যবিষয় : ১.১
## অসমীয়া সাহিত্যৰ বুৰঞ্জী ( আদি আৰু মধ্য যুগ )

গোট ১ : **আদি আৰু প্ৰাক্ শংকৰী যুগৰ অসমীয়া সাহিত্য :**

লোক সাহিত্য বা মৌখিক সাহিত্য

অসমীয়া লিখিত সাহিত্যৰ কেঁহজালি : চৰ্যাপদ আৰু মিশ্ৰ-অসমীয়া সাহিত্য

মাধৱ কন্দলি আৰু সমকালীন অসমীয়া সাহিত্য

গোট ২ : **শঙ্কৰী যুগৰ অসমীয়া সাহিত্য :**

শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ পটভূমি

শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য

শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ ধাৰা আৰু প্ৰকাৰ

পাঁচালী সাহিত্য

গোট ৩ : **শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য :**

ৰাজপৃষ্ঠপোষকতাত শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য

শঙ্কৰোত্তৰ যুগৰ সাহিত্যত নতুন ৰূপৰ অভ্যুদয়

বুৰঞ্জী সাহিত্য

চৰিত পুথি

## বিষয়সূচী

পৃষ্ঠা


পাঠ্যবিষয়ৰ পৰিচয় ৭

গোট ১ ঃ আদি আৰু প্ৰাক্ শঙ্কৰী যুগৰ অসমীয়া সাহিত্য ঃ

খণ্ডৰ পৰিচয় ৮

লোক সাহিত্য বা মৌখিক সাহিত্য ৯

অসমীয়া লিখিত সাহিত্যৰ কেঁচুৱালি ঃ চৰ্যাপদ আৰু মিশ্ৰ-অসমীয়া সাহিত্য ৩২

মাধৱ কন্দলি আৰু সমকালীন অসমীয়া সাহিত্য ৪৫

গোট ২ ঃ শঙ্কৰী যুগৰ অসমীয়া সাহিত্য ঃ

খণ্ডৰ পৰিচয় ৬১

শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ পটভূমি ৬২

শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য ৭২

শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ ধাৰা আৰু প্ৰকাৰ ৮৮

পাঁচালী সাহিত্য ১১৪

গোট ৩ ঃ শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ

খণ্ডৰ পৰিচয় ১৩৫

ৰাজপৃষ্ঠপোষকতাত শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ১৩৭

শঙ্কৰোত্তৰ যুগৰ সাহিত্যত নতুন ৰূপৰ অভ্যুদয় ১৪৯

বুৰঞ্জী সাহিত্য ১৬২

চৰিত পুথি ১৮২

## পাঠ্যবিষয়ৰ পৰিচয়

# অসমীয়া সাহিত্যৰ বুৰঞ্জী

প্ৰত্যেক জাতিৰ সাহিত্যৰ নিচিনাকৈ অসমীয়া সাহিত্যতো লিখিত ৰূপ পোৱাৰ আগতে পৰম্পৰাগতভাৱে মৌখিক সাহিত্যৰ প্ৰচলন আছিল। এই মৌখিক সাহিত্যই পৰৱৰ্তী কালত লিখিত সাহিত্যৰ ৰূপ পৰিগ্ৰহণ কৰে। চৰ্যাপদৰ যোগেদি অসমীয়া লিখিত সাহিত্যৰ পৰম্পৰা আৰম্ভ হয়। চৰ্যাপদৰ পাছতে অসমীয়া লিখিত সাহিত্যৰ প্ৰতিনিধিত্ব কৰা গ্ৰন্থ হ'ল *শ্ৰীকৃষ্ণ-কীৰ্তন*। পণ্ডিতসকলৰ মতে অসমীয়া, বাংলা আদি ভাষা স্পষ্ট হৈ ওলোৱাৰ আগৰ ভাষাসমূহৰ মিটো সাধাৰণ ৰূপ আছিল *শ্ৰীকৃষ্ণ-কীৰ্তন*ৰ ভাষা তাৰে প্ৰতিভূ। বিশুদ্ধ অসমীয়া সাহিত্যৰ নিদৰ্শন হ'ল *শ্ৰীকৃষ্ণ-কীৰ্তন*ৰ পাছৰ হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, মাধৱ কন্দলি, ৰুদ্ৰ কন্দলি আদি কবিসকলৰ ৰচনাৰাজি। এইসকলৰ ৰচনাত অসমীয়া ভাষাৰ সাহিত্যিক ৰূপ বা সাধু ভাষাই এটা নিৰ্দিষ্ট গঢ় লয়। এইসকল কবিৰ পাছতে শঙ্কৰদেৱৰ সময়ত অসমীয়া ভাষা-সাহিত্যই কাব্য, নাট আদি দিশত পৰিপূৰ্ণতা লাভ কৰে। শঙ্কৰদেৱৰ পৰৱৰ্তী ভট্টদেৱৰ হাতত অসমীয়া গদ্যই জন্ম লাভ কৰে। এই সময়ছোৱাৰ পৰৱৰ্তী কালত বিভিন্ন ৰাজপৃষ্ঠপোষকতাত অসমীয়া সাহিত্যত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আদি নতুন ৰূপৰ অভ্যুদয় হোৱাৰ লগতে সাহিত্যৰ বিষয়বস্তুৱে নতুন ৰূপ গ্ৰহণ কৰে।

এই পাঠ্যবিষয়টিত মৌখিক সাহিত্যৰ যুগৰপৰা শঙ্কৰোত্তৰ যুগলৈ অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰা আৰু বৈশিষ্ট্যসমূহ সন্নিৱিষ্ট কৰা হৈছে। আলোচনাৰ সুবিধাৰ কাৰণে এই কাকতখনৰ বিষয়বস্তুক তিনিটা খণ্ডত খণ্ডিত কৰা হৈছে—

প্ৰথম খণ্ড : আদি আৰু প্ৰাক্ শঙ্কৰী যুগৰ অসমীয়া সাহিত্য

দ্বিতীয় খণ্ড : শঙ্কৰী যুগৰ অসমীয়া সাহিত্য

তৃতীয় খণ্ড : শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য

প্ৰথম খণ্ড

# আদি আৰু প্ৰাক্ শঙ্কৰী যুগৰ অসমীয়া সাহিত্য

## খণ্ডৰ পৰিচয়

শঙ্কৰদেৱৰ পূৰ্বৰ অসমীয়া সাহিত্যৰ পৰিধি অতি ব্যাপক। এই যুগৰ সাহিত্য দুটা ৰূপত পোৱা যায়— মৌখিক আৰু লিখিত। মানুহৰ মুখে মুখে চলি অহা মৌখিক সাহিত্যই বহুকাল পাছতহে লিখিত ৰূপ পাইছে। লিখিত সাহিত্যৰ পৰম্পৰা আৰম্ভ হৈছে চৰ্যাপদ বা চৰ্যাগীতৰ লগে লগে। চৰ্যাপদৰ পাছতে অসমীয়া সাহিত্যক প্ৰতিনিধিত্ব কৰা গ্ৰন্থখন হ'ল *শ্ৰীকৃষ্ণ-কীৰ্তন*। সেই সময়তে নাথ সাহিত্যৰো উদ্ভৱ হয়। এই সাহিত্যৰাজিকে আদি যুগৰ অসমীয়া সাহিত্য বুলি ক'ব পাৰি। ইয়াৰ পাছৰে পৰা শঙ্কৰদেৱৰ পূৰ্বলৈকে এই সময়ছোৱাত ৰচিত সাহিত্যৰাজিক প্ৰাক্ নৱবৈষ্ণৱ যুগৰ সাহিত্য বা প্ৰাক্ শঙ্কৰী যুগৰ সাহিত্য আখ্যা দিয়া হয়। এই কালছোৱাৰ অসমীয়া সাহিত্যই হেম সৰস্বতী, মাধৱ কন্দলি, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী আৰু ৰুদ্ৰ কন্দলিৰ কাব্য-কৃতিক সামৰে। বিশুদ্ধ লিখিত অসমীয়া সাহিত্যৰ নিদৰ্শন এই কবিসকলৰ ৰচনাৱলীত পোৱা যায়।

এই খণ্ডত অসমীয়া মৌখিক সাহিত্যৰ লগতে শঙ্কৰপূৰ্ব অসমৰ লিখিত সাহিত্যৰ বিষয়ে আলোচনা কৰা হ'ব। শঙ্কৰদেৱৰ পূৰ্বে অসমীয়া ভাষা-সাহিত্য কি ৰূপত আছিল, কোন কোন কবি-সাহিত্যিকে কি ধৰণৰ বিষয় লৈ এই যুগৰ ভাষা-সাহিত্য সমৃদ্ধ কৰিছিল, সেয়া পৰ্যায়ক্ৰমে আলোচনা কৰা হ'ব। এই আলোচনাৰ পৰা প্ৰতীয়মান হ'ব যে এই যুগতে অসমীয়া ভাষা-সাহিত্যই পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰিছিল।

আলোচনাৰ সুবিধাৰ কাৰণে এই খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰা হৈছে—

**প্ৰথম বিভাগ** ঃ লোক সাহিত্য বা মৌখিক সাহিত্য

**দ্বিতীয় বিভাগ** ঃ অসমীয়া লিখিত সাহিত্যৰ ফেঁহুজালি ঃ চৰ্যাপদ আৰু মিশ্ৰ-অসমীয়া সাহিত্য

**তৃতীয় বিভাগ** ঃ মাধৱ কন্দলি আৰু সমকালীন অসমীয়া সাহিত্য

প্ৰথম বিভাগ

# লোক সাহিত্য বা মৌখিক সাহিত্য

বিভাগৰ গঠন :


১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ লোক সাহিত্য

১.৪ শ্ৰেণী বিভাজন

১.৪.১ লোক কবিতা বা লোকগীত

১.৪.২ গদ্যধৰ্মী লোককথা

১.৪.৩ প্ৰবচন লোকোক্তি

১.৪.৪ সাঁথৰ

১.৪.৫ লোক ভাষা

১.৫ গালি-গালাজ, শাও-শপনি

১.৬ মালিতা বা কাহিনী গীত

১.৬.১ মালিতাৰ শ্ৰেণী বিভাজন

১.৬.২ বাৰমাহী গীত

১.৭ গদ্যধৰ্মী লোককথা

১.৮ মন্ত্ৰ

১.৯ সাৰাংশ (Summing Up)

১.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১.১১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


## ১.১ ভূমিকা (Introduction)

লিখিত সাহিত্যৰ পৰম্পৰা প্ৰচলিত হোৱাৰ পূৰ্বে মানুহৰ মুখে মুখে পৰম্পৰাগতভাৱে বিবিধ সাহিত্যিক সমল চলি আহিছে। এইবিধ পৰম্পৰাৰ নামেই মৌখিক পৰম্পৰা আৰু মৌখিক পৰম্পৰাত প্ৰচলিত সাহিত্যৰ নামেই মৌখিক সাহিত্য।

এইখিনিতে লোক সাহিত্য পৰিভাষাটোৰ অৰ্থ সম্পৰ্কে আলোচনা কৰিব পাৰি। সাধাৰণ অৰ্থত গঞা, কৃষক, অনগ্ৰসৰ, অনাখৰী অথবা পৰম্পৰাবাদী সমাজৰ নামেই লোক সমাজ আৰু এই লোক সমাজত মুখে মুখে সৃষ্টি হোৱা সাহিত্যকে লোক সাহিত্য বুলি কোৱা হয় যদিও লোক সংস্কৃতিৰ গৱেষক-পণ্ডিতসকলে লোক সাহিত্যৰ এই অৰ্থ বা ব্যাখ্যাটো গ্ৰহণ নকৰে। তেওঁলোকৰ মতে পৰম্পৰাবাদী

সমাজেই লোক সমাজ। লোক সমাজৰ অন্তৰ্গত লোকসকল গাঁৱলীয়া, খেতিয়ক অথবা আধুনিক নগৰবাসী লোকো হ'ব পাৰে। লোক সমাজ হ'বলৈ হ'লে কোনো এটা জনসমষ্টিৰে অন্ততঃ এটা উমৈহতীয়া উপাদান থাকিব লাগিব। তেওঁলোকক সংযুক্ত কৰি ৰখা উপাদানটো এটি উমৈহতীয়া ব্যৱসায়, ভাষা বা ধৰ্মও হ'ব পাৰে। মূল কথা হ'ল জনসমষ্টিটোক সংযুক্ত কৰি ৰখা উপাদানটো তেওঁলোকৰ নিজৰ হ'ব লাগিব আৰু ই পৰম্পৰা নিৰ্ভৰ হ'ব লাগিব।

কোনো এটা ভাষাৰ লিখিত সাহিত্যৰ বিষয়ে সম্যকভাৱে জানিবলৈ হ'লে সেই ভাষাত প্ৰচলিত মৌখিক বা লোক সাহিত্যৰ বিষয়ে জনা উচিত। মৌখিক সাহিত্যৰ ক্ষেত্ৰত অসমীয়া ভাষা চহকী। তেনে চহকী সাহিত্যৰ বিষয়ে জানিব পাৰিলেহে অসমীয়া লিখিত সাহিত্যৰ বিষয়বস্তু, কাব্যিক সৌন্দৰ্য, ভাষা, শব্দ প্ৰয়োগ আদিৰ বিষয়ে জানিব পৰা যাব। লগতে লোক সাহিত্যৰ অধ্যয়নে অসমীয়া জাতিৰ ইতিহাস অধ্যয়নতো সহায় কৰিব।

আমাৰ সমাজখনৰ ইতিহাসৰ বিষয়ে জানিবলৈ হ'লেও আমাৰ ভাষাত প্ৰচলিত মৌখিক বা লোক সাহিত্য অধ্যয়ন কৰিব লাগিব। অসমৰ সাহিত্য পৰম্পৰাৰ বিষয়ে জানিবলৈও বহু পৰিমাণে আমাৰ মৌখিক সাহিত্যৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- লোক সাহিত্য আৰু অসমীয়া লোক সাহিত্যৰ বিবিধ ধাৰা আৰু বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব।
- লোক সাহিত্যৰ তত্ত্ব, বিষয়বস্তু আৰু ক্ষেত্ৰ সম্পৰ্কে সাধাৰণ আভাস লাভ কৰিব পাৰিব।
- লোক সাহিত্যৰ পদ্ধতিগত শ্ৰেণী বিভাজনৰ প্ৰতি সজাগ হ'ব পাৰিব।
- লোক সাহিত্যৰ বিভিন্ন শ্ৰেণীৰ বিষয়বস্তুৰ বিশ্লেষণ প্ৰণালী, নান্দনিক সৌন্দৰ্য বিশ্লেষণ, সামাজিক প্ৰতিফলন আদি বিশদ পৰ্যালোচনা কৰিব পাৰিব।
- আধুনিক জীৱন আৰু সংস্কৃতিত লোক সাহিত্যৰ ভূমিকা নিৰ্ণয় কৰিব পাৰিব।
- কেৱল আনন্দ প্ৰদানেই যে লোক সাহিত্যৰ মূল লক্ষ্য নহয়; সমাজ জীৱনৰ প্ৰতিফলনহে যে লোক সাহিত্যৰ অন্যতম লক্ষ্য—সেই বিষয়েও অনুধাৱন কৰিব পাৰিব।

## ১.৩ লোক সাহিত্য

মৌখিক সাহিত্য অভিধাটোৱে শিল্পগত দিশত লোক সংস্কৃতিৰ বৈশিষ্ট্য প্ৰকাশ কৰিব পাৰে। দ্বিতীয়তে লোক সংস্কৃতিৰ সামাজিক দিশৰ আভাস পাবলৈ হ'লে আমি মৌখিক সাহিত্যত গুৰুত্ব দিবই লাগিব। মৌখিক সাহিত্যৰ (গীত-পদ, লোককথা, প্ৰবাদ-প্ৰবচন, সাঁথৰ) মূল শিপাডাল-শ্ৰমজীৱী জনসাধাৰণৰ জীৱনৰ সৈতে সম্পৃক্ত।

লোক সাহিত্য ব্যক্তি নিৰপেক্ষ, অন্যহাতে লিখিত সাহিত্য ব্যক্তি সাপেক্ষ। লোক সাহিত্য ব্যক্তি বিশেষৰ সচেতন ৰচনা নহয়, কিন্তু লিখিত সাহিত্য ব্যক্তি বিশেষৰ সচেতন ৰচনা। লোক সাহিত্য ব্যক্তি বিশেষৰ ৰচনা নহয় বুলি কোৱা হৈছে যদিও এইবিধ কলা ব্যক্তিয়েই ৰচনা কৰে; কিন্তু তেওঁ তেওঁৰ নিৰ্মিতি সমাজলৈ ঠেলি দিয়ে। সেই নিৰ্মিতি ব্যক্তিবিশেষৰ ৰচনা হ'লেও তাত ব্যক্তি চেতনা নাথাকে, থাকে গোষ্ঠী চেতনা। ইয়াৰ বিপৰীতে লিখিত সাহিত্যত থাকে ব্যক্তি চেতনা। কোনো কোনোৰ মতে লোক সাহিত্য প্ৰায়ে কলাসুলভ গুণাৱলী বিবৰ্জিত, আনহাতে লিখিত সাহিত্য কলাসুলভ গুণাৱলী সমৃদ্ধ। এই প্ৰমেয়টো সম্পূৰ্ণ দোষ বিবৰ্জিত নহয়; যিহেতু লোক সাহিত্যও কলা সুলভ গুণাৱলীৰে সমৃদ্ধ হ'ব পাৰে আৰু লিখিত সাহিত্যও অনেক ক্ষেত্ৰত কলা সুলভ গুণাৱলী বিবৰ্জিত হ'ব পাৰে।

এই প্ৰসংগত ক'ব লাগিব যে মৌখিক সাহিত্য লিখিত সাহিত্যৰ পৰিসৰত প্ৰৱেশ কৰিব পাৰে আৰু তেনেদৰে লিখিত সাহিত্যও মৌখিক সাহিত্যৰ পৰিসৰত প্ৰৱেশ কৰিব পাৰে। উদাহৰণস্বৰূপে *ৰামায়ণ* মহাকাব্য আদিতে আছিল এটি পৰম্পৰাগত বাচিক মালিতা বা কাহিনী-গীত। পৰৱৰ্তী কালত মহাকবি বাল্মীকিয়ে এই বাচিক মালিতা বা কাহিনী-গীতটিক সুসংবৰ্দ্ধিত মহাকাব্যিক ৰূপ প্ৰদান কৰে লিখিত পৰম্পৰাত। বাল্মীকিৰদ্বাৰা লিখিত ৰূপত আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হোৱা *ৰামায়ণ* মহাকাব্যৰ সমান্তৰালভাৱে *ৰামায়ণৰ* পূৰ্বৰূপ, বাচিক ৰূপ জনসমাজত পৰম্পৰাগতভাৱে চলি আছিল আৰু এই বাচিক পৰম্পৰাৰপৰাই পৰৱৰ্তী কালত বিবিধ কাব্যৰ সৃষ্টি হৈছিল। *মহাভাৰতৰ* দৰে *ৰামায়ণেও* সংকলিত-সংবৰ্দ্ধিত ৰূপ লাভ কৰিছিল অৰ্থাৎ আনুষ্ঠানিক বা পৰিমাৰ্জিত সাহিত্য স্বৰূপে আত্মপ্ৰকাশ কৰিছিল। আনহাতে *ৰামায়ণ*, *মহাভাৰতৰ* কথা-কাহিনী, গঠিত পদ পূৰ্বৰ দৰে বাচিক পৰম্পৰাত চলি থাকিল। আকৌ লিখিত বা পৰিমাৰ্জিত সাহিত্য স্বৰূপে *ৰামায়ণ-মহাভাৰতৰ* প্ৰভাৱ জনসমাজ বা লোকসমাজত নপৰাকৈ থকা নাছিল। তাৰ পৰিণতিত *ৰামায়ণ-মহাভাৰতৰ* কথাবস্তুৱে পুনঃমৌখিক ৰূপ লাভ কৰিছে আৰু এই মৌখিক ৰূপে পুনঃলিখিত ৰূপ লাভ কৰিছে। ইয়াৰ প্ৰত্যক্ষ উদাহৰণ হৈছে *ছাবিন্ আলুন্* অৰ্থাৎ *কাৰ্বি ৰামায়ণ*। *কাৰ্বি ৰামায়ণ* বা *ছাবিন্ আলুন্* দীঘলীয়া মালিতাৰ ৰূপত মুখ পৰম্পৰাত প্ৰচলিত হৈ আছিছে। সম্প্ৰতি এই মৌখিক ৰূপৰে এটা ৰূপে লিখিত ৰূপ লাভ কৰিছে। *ছাবিন্ আলুনে* বাচিক আৰু লিখিত উভয় পৰম্পৰাৰ দাবী পূৰণ কৰি আছিছে। *ছাবিন্ আলুন্* যথাৰ্থতে মাধৱ কন্দলিৰ অসমীয়া *ৰামায়ণৰ*

লৌকিক ৰূপ। কন্দলিয়ে খৃষ্টীয় চতুৰ্দশ শতিকাত বাল্মীকিৰ মহাকাব্যখন পদবদ্ধে অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। কাৰ্বি সমাজত মৌখিক ৰূপত চলি থকা এই লোককাব্যখনৰ আধাৰত পৰৱৰ্তী কালত ছাবিন্ আলুনৰ সৃষ্টি হৈছে।

লোক সাহিত্য জনগণৰ কলা বা সাহিত্য, কিন্তু সমগ্ৰ জনগণে লগ লাগি লোক সাহিত্য ৰচনা বা সৃষ্টি কৰা নাই। জনগণৰ মাজত এইবিধ সাহিত্য বা কলাৰ জনপ্ৰিয়তাৰ ফলত ইয়াৰ ৰচয়িতা কোন আছিল সেইটো সঠিককৈ ক'ব পৰা নাযায়। কোনো এগৰাকী বিশেষ ব্যক্তিহে সেইবোৰ ৰচনা কৰে যদিও তাত ৰচয়িতাৰ নাম পোৱা নাযায়। ব্যক্তিনিষ্ঠ ৰচনাই প্ৰসাৰণ প্ৰক্ৰিয়া আৰু সময়ৰ অগ্ৰগতিত সমাজনিষ্ঠ ৰচনা স্বৰূপে আত্মপ্ৰকাশ কৰে।

লোক সাহিত্যৰ উপাদানবাজি ব্যক্তি বিশেষৰ ৰচনা হ'লেও এইবোৰ সমাজৰ উমৈহতীয়া সম্পত্তি হৈ পৰে আৰু লাহে লাহে ৰচয়িতাৰ পৰিচয় পাহৰণি গৰ্ভত হেৰাই যায়। দ্বিতীয়তে, লোক সাহিত্যৰ উপাদানবাজি অনুষ্ঠেয় কলাৰ সৈতে সম্পৃক্ত। কাৰণ এইবোৰ অনুষ্ঠিত হয়। এনেবিধৰ প্ৰত্যেকটি অনুষ্ঠানতে কথক, বৰ্ণনাকাৰী, গায়ক-গায়িকা আদিৰ জৰিয়তে লোকগীত, লোকপুৰাণ, লোককাব্য আদিৰ বিষয়বস্তুত নব্য উদ্ভাৱনী প্ৰক্ৰিয়াৰ প্ৰভাৱ পৰে। নিৰ্বাহিকাসকলে দৰ্শক-শ্ৰোতামণ্ডলীৰ মাজত কোনো কথা, গীত-পদ আদি আকৰ্ষণীয় আৰু ৰসৰঞ্জিত ৰূপত প্ৰকাশ বা ব্যক্ত কৰিবলৈ বিচাৰে দৰ্শক-শ্ৰোতাৰ ৰুচি আৰু পৰম্পৰাৰ প্ৰতি সজাগ আৰু সচেতন হৈ। তেওঁলোকে এনেদৰে কথা-বস্তুৰ সংবৰ্দ্ধন, সংকোচন আৰু পৰিৱৰ্তন ঘটায়। এইদৰে এটা পাঠৰ অসংখ্য পাঠান্তৰৰ সৃষ্টি হ'ব পাৰে।

লোক সংস্কৃতি বা লোক সাহিত্য পৰম্পৰা নিৰ্ভৰশীল, যিহেতু পৰম্পৰা আশ্ৰয়ী সমাজতহে এইবিধ কলাৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ। সেয়ে কোনো কোনো পণ্ডিতৰ মতে পৰম্পৰা লোক সংস্কৃতিৰ অতিকৈ প্ৰয়োজনীয় বৈশিষ্ট্য আৰু এই বৈশিষ্ট্যই লোক সাহিত্যক লিখিত সাহিত্যৰপৰা পৃথক কৰিছে। প্ৰকৃতাৰ্থত পৰম্পৰাৰ আধাৰত লোক সাহিত্য আৰু লোক সংস্কৃতিৰ পাৰ্থক্য দেখুৱাবলৈ যোৱাটো গুণাত্মকৰ তুলনাত পৰিমাণগতহে। কাব্যিক পৰম্পৰা অবিহনে সাহিত্যৰ উন্নতিৰ কথা চিন্তা কৰা টান। লোক সংস্কৃতিৰ ক্ষেত্ৰত পৰম্পৰাই অতিকৈ গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে। ইয়াৰ অন্যতম কাৰণ হৈছে— মৌখিক সৃষ্টিৰ সুনিৰ্দিষ্ট ৰূপ নাই, গতিকে এনে সৃষ্টিয়ে নিশ্চিতভাৱে পৰম্পৰা আশ্ৰয়ী হোৱা স্বাভাৱিক। লোক সাহিত্যৰ নান্দনিক দিশৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ ৰীতিগত আৰু ৰচনা-কৌশলগত পৰিকল্পনা আদিৰ ক্ষেত্ৰত পৰম্পৰাক এৰাই চলিব নোৱাৰে। আনকি লোক সাহিত্যৰ কোনো এবিধ উপাদানক উৎকৰ্ষিত ৰূপ প্ৰদানতো পৰম্পৰাৰ প্ৰতি সচেতন হ'বলগীয়া হয়। এই প্ৰসংগত ক'ব লাগিব যে অতীতৰ প্ৰতি অন্ধ আনুগত্যই পৰম্পৰা নহয়, পৰম্পৰা ঐতিহাসিক চেতনাহে। সেই কাৰণে কোৱা হয় লোক সংস্কৃতি অতীতৰ প্ৰতিধ্বনি, আনহাতে লোক সংস্কৃতিৰ জৰিয়তে বৰ্তমানৰ তেজস্বী কণ্ঠস্বৰো ধ্বনিত হয়।

লোক সাহিত্য সামাজিক ব্যাপাৰ, সেই হিচাপে ইয়াৰ সামাজিক প্ৰকাৰ্য

অস্বীকাৰ কৰিব নোৱাৰি। এই প্ৰসংগত অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সীমাৰেখাৰে লোক সাহিত্য সীমিত নহয়; যিহেতু অতীততো ই বিবিধ সামাজিক প্ৰকাৰ্য সাধন কৰি আহিছে, বৰ্তমানো ই সামাজিক প্ৰকাৰ্য সাধন কৰি আছে আৰু ভৱিষ্যতেও কৰি থাকিব। লোক সাহিত্যৰ প্ৰত্যেক গৰাকী সক্ৰিয় ধাৰক আৰু বাহকৰে আছে সৃজনীমূলক ব্যক্তিত্ব। তেওঁলোকে পৰম্পৰাগত লোক সাহিত্যৰ সৈতে সমসাময়িক সমাজৰ বিবিধ ব্যাপাৰৰ প্ৰতি সচেতন হৈ নতুন সমল সংযোজন কৰে। এনেদৰে পৰম্পৰাগত লোক সাহিত্যৰ সৈতে নতুনত্বৰ সমাবেশ হয়। এই প্ৰসংগত ৰচয়িতা, বাহক, বাহিকা আদিৰ অৰ্থনৈতিক অৱস্থইয়ো গুৰুত্ব লাভ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

মৌখিক লোক সাহিত্য অভিধাটিয়ে কি সূচায়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ১.৪ শ্ৰেণী বিভাজন

লোক সংস্কৃতিবিদ ৰিচাৰ্ড এম.ডৰছনে লোক সাহিত্যৰ এনেদৰে শ্ৰেণী বিভাজন কৰিছে—

লোক সাহিত্য

- বৰ্ণনাত্মক লোক কাহিনী (Prose Narrative)
- দীৰ্ঘ কাহিনীযুক্ত লোক কবিতা (Long Poetry)
- লোকগীত (Folk Song)
- চুটি লোক সাহিত্য শ্ৰেণী (Brief genre)

বৰ্ণনাত্মক লোক কাহিনীক আকৌ তিনিটা উপ-শ্ৰেণীত ভাগ কৰিব পাৰি— পুৰাবৃত্ত (myth), জনশ্ৰুতি বা কিংবদন্তী (Legend) আৰু সাধুকথা (Tale)। সেইদৰে দীৰ্ঘ কাহিনীযুক্ত কবিতাকো বহলভাৱে দুটা উপ-শ্ৰেণীত ভগাব পাৰি—বেলেড বা

কাহিনী গীত আৰু লোককাব্য (Folk epic) বাৰমাহী গীতক এই উপ-শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব পাৰি। বেলেডৰ বিষয়বস্তু আৰু ৰূপৰ ফালৰপৰা ইয়াক পুৰাণগত বেলেড (Mythical Ballad), ঐন্দ্ৰজালিক বেলেড (Magical Ballad), ঐতিহাসিক বেলেড (Historical Ballad), বাস্তৱধৰ্মী বেলেড (Realistic Ballad) আৰু ব্যঙ্গাত্মক বেলেড (Satirical Ballad) আদি ভাগত ভগাব পাৰি।

লোকগীতৰ বিভিন্ন ভাগৰ ভিতৰত ভক্তি নিৰপেক্ষ অনুষ্ঠানমূলক গীত, ভক্তিমূলক গীত, তত্ত্বমূলক গীত, কৰ্মগীত, প্ৰণয়মূলক গীত আদি ভাগত ভগাব পাৰি। চুটি লোক সাহিত্যৰ শ্ৰেণীৰ ভিতৰত প্ৰবাদ-প্ৰবচন, ফকৰা, সাঁথৰ, লোকভাষা মন্ত্ৰ আদি উল্লেখযোগ্য।

লোক সাহিত্যৰ ওপৰত উল্লেখ কৰা শ্ৰেণী বিভাজনৰ আধাৰতে অসমীয়া লোক সাহিত্যৰো আলোচনা কৰিব পাৰি।

১.৪.১ লোকগীত :

**(ক) লোকগীত :** পদবন্ধে ৰচিত লোক সাহিত্যকে লোক কবিতা বুলি ক'ব পাৰি। এই কবিতাবাজি বাদ্যযন্ত্ৰ সংগত কৰি এককভাৱে বা দলগতভাৱে নৃত্যৰ মাধ্যমত আবৃত্তি কৰা হয় বা গোৱা হয় বাবে ই গীত বা গান বা পদ। সকলো ধৰণৰ লোক কবিতাৰ নামেই লোকগীত বা পদ বা গান। লোক কবিতাৰ অন্যতম শ্ৰেণী হৈছে বেলাড বা মালিতা বা কাহিনী গীত। (বহল আলোচনা পৰৱৰ্তী স্তৰত দিয়া হৈছে)।

**খ) ভক্তিমূলক গীত :** পূজা-উপাসনাৰ প্ৰসংগত গেয় গীতৰ নাম ধৰ্মীয় গীত। দুৰ্গা, কালী, শীতলা, মনসা, কাত্যায়নী, কামখ্যা, বুঢ়ী গোসাঁনী; শিৱ-মহাদেৱ, বিষ্ণু-কৃষ্ণ-বাসুদেৱ, জগন্নাথ, লেঙা বুঢ়া আদি দেৱ-দেৱীৰ পূজা-উপাসনাৰ প্ৰসংগত গোৱা গীতৰ নাম পূজাৰ গীত বা ধৰ্মীয় গীত। আন আন ধৰ্মীয় কৃত্যৰ প্ৰসংগত গোৱা গীতৰ নামো ধৰ্মীয় গীত। বাঘ, বান্দৰ, হাতী, নাও, জল আদিৰ পূজাৰ অনুষংগত গেয় গীত-পদেও ধৰ্মীয় গীত-পদৰ দাবী পূৰণ কৰিব পাৰে। তলত এটি উদাহৰণ দিয়া হ'ল শীতলা-পূজাৰ গীতৰপৰা—

*কি দিয়া পূজিম আই*
*এহে চৰণে তোমাৰে।*
*চৰণ মুৰাৰি আই চৰণ মুৰাৰি*
*তোমাৰ পূজাৰ দ্ৰব্য নাপালো বিচাৰি।।*

**গ) প্ৰণয়-গীত :** ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি বিষয়ক গীত-পদবোৰেই প্ৰণয়-গীত। বিহুগীত, ঐনিতম, সাথাৰ গীত, বৈশাগু গীত আদিয়েই প্ৰণয় বা প্ৰেম-প্ৰীতি বিষয়ক গীত। বিহুগীতে কিদৰে প্ৰণয়-গীতৰ ভূমিকা পালন কৰি আহিছে— তলৰ ওৱকটিয়েই তাৰ উজ্জ্বল দৃষ্টান্ত। যেনে—

*কিনো বাই পাহৰিম*
*তোকে ঐ নাহৰী*

*কিনো খাই পাহৰিম তোক।*
*মিছিমি আহিব বৰ বিষ আনিব*
*তাকে খাই পাহৰিম তোক।।*

**ঘ) কৰ্মগীত ঃ** পৰিশ্ৰমৰ অৱসাদ আঁতৰাবলৈ আৰু কামত উৎসাহ যোগাবলৈ গোৱা গীতকে কৰ্মগীত বুলিব পাৰি। কৰ্ম বা শ্ৰমগীতৰ উদাহৰণ স্বৰূপে এটি নাও খেলৰ গীত উদ্ধৃত কৰিব পাৰি—

*দিহা ঃ মচুৰবে দালি গা পৰে হালি।*
*পদ ঃ সকতে মোৰ দাদি মচুৰবে দালি।*
*আখে বুই দিছিলি মচুৰবে দালি।*
*পোবাল মাছ মাৰিবা লাগি হৰিহে...*
*মচুৰবে দালি গা পৰে হালি।। ইত্যাদি।*

**ঙ) উৎসৱ-অনুষ্ঠানৰ সৈতে জড়িত গীত ঃ** পৃথিৱীৰ বিভিন্ন অঞ্চলৰ দৰে অসমতো বাৰ মাহত তেৰটা উৎসৱ-অনুষ্ঠান পালিত হয়। উৎসৱ-অনুষ্ঠানৰ বিবিধ সংযুতিৰ ভিতৰত গীত-পদ পৰিবেশন অন্যতম সংযুতি। বিহু উৎসৱৰ প্ৰসংগত গীত-পদ পৰিবেশন কৰা আমি আটায়ে জানো। সেইদৰে বৈশাগু, বায়খু, আলি-আই-লিগাং, দোমাহী, ভঠেলী, পঁচেতি, মথেনী (পচতি, মথনি) আদি উৎসৱ-অনুষ্ঠানৰ প্ৰসংগত বিভিন্ন গীত-পদ পৰিবেশন কৰা ৰীতি অতীতৰপৰা চলি আহিছে। পাউৰা-তোলা উৎসৱত মহিলাসকলে পৰিবেশন কৰা গীতৰ নমুনা এটি তলত দিয়া হ'ল—

*পাউৰা পাউৰা সাথাতকৈ চকুৱা।*
*অ' ৰাম, আছিলি বাঁহৰে মাজে, অ' ৰাম।।*
*আজিহে পৰিলি মনুষ্যৰ হাতে।*
*অ' ৰাম, ন ন কাচলা কাচে অ' ৰাম।।*

**চ) সংস্কাৰমূলক কৃত্যৰ সৈতে জড়িত গীত-পদ ঃ** মানৱ জীৱন বিভিন্ন সংস্কাৰমূলক অনুষ্ঠানৰ সৈতে সম্পৃক্ত। জনম-বিবাহ-মৰণ আদি পৃথিৱীৰ বিভিন্ন সংস্কৃতি পালিত হৈ আহিছে বিবিধ গীত-পদৰ মাধ্যমেৰে। বিবাহ সংস্কাৰমূলক কৃত্যসমূহৰ ভিতৰত আটাইতকৈ ৰমণীয় আৰু অবিস্মৰণীয় কৃত্য। অসমীয়া বিবাহ এটি সাংগীতিক অনুষ্ঠান। অসমীয়া বিয়াৰ এনে এটি স্তৰ নাই যিটোৰ সৈতে গীত-পদ সংযুক্ত নহয়। অসমীয়া বিয়াগীতৰ এটি নমুনা তলত দিয়া হ'ল—

*দিহা ঃ ওলাই আহা দৈৱকী এ যমুনালৈ যাওঁ।*
*কৃষ্ণক ধুৱাব জল দিব গংগা মাও।।*

*পদ ঃ ওলাই আহা দৈৱকী এ ৰাজাৰ মহাদৈ।*

*সুভক্ষণে যাত্ৰা কৰি জল আনোগৈ।।*

*কাষে লোৱা ঘট বাধা মাথে লোৱা মালা।*

*যমুনাকে যাবা লাগি নকৰিবা হেলা।। ইত্যাদি।*

**ছ) তত্ত্বপূৰ্ণ বা দাৰ্শনিকভাৱ প্ৰধান গীত-পদ ঃ** কোনো কোনো বাচিক গীত তত্ত্বপূৰ্ণ বা দাৰ্শনিকভাৱ প্ৰধান। এনে গীত-পদক দাৰ্শনিক গীত-পদ আখ্যা দিব পাৰি। এই শ্ৰেণী গীত-পদৰ ভিতৰত দেহবিচাৰ গীত, টোকাৰী গীত, জিকিৰ আদি উল্লেখযোগ্য। দেহবিচাৰ গীতবোৰত দেহতত্ত্বৰ পৰিচয় পোৱা যায়। যেনে—

*আৰ এক নদী আছে বয় তীক্ষ্ণ ধাৰে।*

*কাল বিকাল দুটি পক্ষী ইপাৰে সিপাৰে।।*

*হেঙ্গুলীয়া পক্ষী দুটি কাজলীয়া পাখি।*

*জনমে জনমে তাৰ নাহি দেখা দেখি।।*

*উৰি গ'ল ৰাজহাঁস পৰি গ'ল পাখি।*

*সিও দেহা পৰি ৰৈলা যমুনাৰ বালি।।*

জিকিৰ গীতৰ ভাবৰ সৈতে দেহবিচাৰ গীতৰ মিল দেখা যায়। তলত জিকিৰ গীতৰ এটি স্তৱক দিয়া হ'ল—

*চিন্তা হেৰা মোৰ মন আল্লাৰ নামত।*

*ভজা হেৰা মোৰ মন গুৰুৰ পাৱত।।*

*পানী মৰে পিয়াহত অগ্নি মৰে জাৰত।*

*খোদা ৰছুল লুকাই আছে মমিনৰ অন্তৰত।।*

*সজাৰ ময়নাটিৰ অনেক মুকুতি।*

*সেও যাৰি পাৰ হ'ল এৰিলে পিৰিতি।।*

*সেও যাৰি পাৰ হ'ল জীৱই আছে চাই।*

*চোৱা চোৱা জীৱসকল ভেলৰ বিলাই।।*

**জ) লিৰিকেল গুণ বিশিষ্ট গীত-পদ ঃ** গীতিসুলভতাই যি গীত-পদত প্ৰাধান্য লাভ কৰে তেনে গীত-পদৰ নাম গীতি কবিতা। অবিভক্ত গোৱালপাৰা অঞ্চলত প্ৰচলিত ভাৱইয়া, ছট্কা, মিচিসেকলৰ ব্ৰৈনিতম আদি গীত লিৰিকেল গুণ বিশিষ্ট। মাহুত বা মাউত গীত আৰু মৈষাল গীত একালে কৰ্ম বা শ্ৰমগীত, আনকালে লিৰিকেল গুণসমৃদ্ধ। 'ভাৱইয়া' গীতৰ নমুনা—

কিসেৰ মোৰ ৰান্ধন, কিসেৰ মোৰ বাড়ন
কিসেৰ মোৰ হলদি বাটা।
মোৰ প্ৰাণ ধন অন্যেৰ বাৰী যায়
মোৰ অঙ্গিনাই দিয়া ঘাটা।
ও সজনী কাৰবা আগে ক'ব মোৰ দুখেৰ কথা।।
মোৰ বন্ধু গান গায় মাথা তুলি না চায়।
মই নাৰী যাং জলেৰ ঘাটে।
থমকি থমকি নাটং চোখেৰ ইশাৰা কৰং।
তবু বন্ধু দেখে মোৰে।
ও সজনী বন্ধু পাগল কৰিল মোৰে।।

'চটকা' গীতৰ উদাহৰণ—

সন্ধ্যা বেলা সোণাৰ বৌ
ফুল পাইয়াছ ক'ত তুই
সন্ধ্যা বেলা।।
অৰে ঘৰেৰ পাছিলা তোৰ মা নদী
আই মুই জল আনিতে গেনু
ঘাটত পানু চম্পাফুল
তুলিয়া মাথায় দিনু।
ভাসুৰ আসিল শ্বশুৰ আসিল
আই মুই পাত কাটিতে গেনু।
কোনবা দুষ্টই টান মাৰিতে
চিলৰ হইয়া পৰিনু।।

মইহালী বা মৈষাল (মুইষাল) গীতৰ নমুনা—

অ' কি মুইষাল বন্ধুৰে।
মইষ চৰাণ ৰে, বন্ধু কোন চৰেৰ মাঝে।।
মইষ চৰাণ ওহে কন্যা ঘাটেৰ উজানেতে।
ঘাটিৰ ডাং কি কন্যা নাই শোনিস কানে।।
সন্ধ্যা কালে আইসিস কন্যা জল নিবাৰ ছলে।
সুযোগ বুজি তবু কন্যা নাযায় কিছু বলে।।

**ঝ) বিদ্ৰূপাত্মক গীত-পদ :** বিৰহ-বিচ্ছেদ, দুখ-বাথা যিদৰে জীৱনৰ চিৰ লগৰীয়া তদ্ৰূপ হাস্য-ব্যংগ, বিদ্ৰূপ-পৰিহাস আদিও জীৱনৰ অবিচ্ছেদ্য অংগ।

এইবোৰেই সামাজিক আচৰণ আৰু এই আচৰণবাজি অভিব্যঞ্জিত হয় লোক সাহিত্য বা লিখিত সাহিত্যৰ মাজেৰে। লোক গীত-পদৰ মাজেৰে ব্যঞ্জিত হাস্য-ব্যংগৰ এটি উদাহৰণ তলত দিয়া হ'ল—

চাহ পুৰাণৰ গীত-পদ—

*এ চাহে মাৰিলা জাতি কুল*
*চাহ খাই খাই কত লোকন*
*হৈ গেল নিৰ্মূল।*
*বাবুলোকে খায় চাহ আৰু চেনি*
*তাকে দেখি আমিও খাওঁ*
*আমূলা মিঠে কিনি।* ইত্যাদি

**১.৪.২ গদ্যধৰ্মী লোককথা :**

(ক) পুৰাবৃত্ত (myth), (খ) জনশ্ৰুতি বা কিংবদন্তি আৰু (গ) সাধুকথা (tale) (পৰৱৰ্তী স্তৰত আলোচনা কৰা হৈছে।)

**১.৪.৩ প্ৰবচন-লোকোক্তি ইত্যাদি :**

প্ৰবচন-লোকোক্তি আদি লোক সমাজৰ অভিজ্ঞতাৰ বাঙ্ময় ৰূপ। এইবিধ বাচিক কলাৰ প্ৰচলন আৰু ব্যৱহাৰ পৃথিৱীৰ সৰ্বসমাজ আৰু সৰ্ব-সংস্কৃতিত লক্ষ্য কৰা যায়। আফ্ৰিকাৰ কোৰ্ট-কাছাৰীত গোচৰ নিৰ্ণয় কৰাৰ ক্ষেত্ৰত প্ৰবচনৰ ভূমিকা সুদূৰপ্ৰসাৰী। জীৱনৰ এনে এটা দিশ নাই, য'ত প্ৰবচন প্ৰয়োগ কৰা নহয়। প্ৰবচন আৰু সাঁথৰৰ ভেটি হৈছে— ইহঁতৰ লয় আৰু অনুপ্ৰাসৰ ক্ষিপ্ৰতা, শ্বাসাঘাত, সুৰ-সংযোগ, স্বৰ বা সুৰ-লহৰ, ধ্বন্যাত্মকতা আদি। প্ৰবচন আৰু সাঁথৰৰ প্ৰকৃত অৰ্থ বুজিবৰ বাবে সংশ্লিষ্ট প্ৰবচন বা সাঁথৰৰ সামাজিক প্ৰসংগ বা অনুষংগৰ বিষয়ে জানিব লাগিব। অনেক ক্ষেত্ৰত সাধুকথাই প্ৰবচনৰ সামাজিক প্ৰসংগ বা অনুষংগৰ ভূমিকা গ্ৰহণ কৰিব পাৰে।

প্ৰবচনবোৰ পৰম্পৰাগত যুক্তিপূৰ্ণ উক্তি। এই উক্তিত অতি কমেও এটা বৰ্ণনাত্মক সমল থকা উচিত। বৰ্ণনাত্মক সমলেই প্ৰবচনৰ সৰু একক। বৰ্ণনাত্মক সমল বিষয়বস্তু আৰু মন্তব্যৰ সমষ্টি।

বৰ্ণনাত্মক সমল : হাতত নাই কণটো/বৰ সভালৈ মনটো। গাত নাই ছাল-বাকলি/মদ খাই তিনি টেকেলি।

ওপৰৰ প্ৰবচন দুটাৰ প্ৰত্যেকটোৱেই দুটা অংশত বিভক্ত। প্ৰত্যেকটো প্ৰবচনৰ অংশ দুটাই পৰস্পৰৰ বিৰুদ্ধভাব প্ৰকাশ কৰে। যেনে— কণটো/মনটো, ছাল-বাকলি/তিনি টেকেলি। ডাকৰ নামত প্ৰচলিত বচনবোৰো প্ৰবচনেই।

ফকৰা প্ৰবচনৰ এটি উল্লেখযোগ্য উপ-শ্ৰেণী। ফকৰা দুই প্ৰকাৰৰ— লোকজীৱনত প্ৰচলিত সাধাৰণ ফকৰা আৰু ভকতীয়া ফকৰা। সাধাৰণ ফকৰাক যোজনা বোলা হয়। সাধাৰণ ফকৰাৰ উদাহৰণ—

মাজ মূৰত নাই চুলি
পৈয়েৰে মাতে ৰূপহী বুলি।

এঘৰৰ পটি-নাদ
এঘৰৰ ভাৰী
এঘৰে পানী তোলে
ঘটং ঘটং কৰি।

বৈষ্ণৱ ভকতসকলৰ মাজত ফকৰাৰ সমাদৰ দেখা যায়। এইবিধ ফকৰাক ভকতীয়া ফকৰা আখ্যা দিব পাৰি। এনে ফকৰাবিলাকত স্থূলদেহৰ অসাৰতা, চিত্তদমন আদি নীতি লুকাই আছে। ফকৰাৰ অৰ্থ সহজে বুজিব নোৱাৰি। এনে ধৰণৰ ফকৰাৰ এটি উদাহৰণ তলত দিয়া হ'ল—

*বাৰ হাত জালৰ তেৰ হাত ফটা।*
*ভাল মাৰিলে বাপৰ বেটা।।*
*বৌ বৰালি সবকি গ'ল।*
*পুঠি খলিহা পাহে পাহে ৰ'ল।*

এই ফকৰাটোৰ গূঢ়াৰ্থ মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ দ্বাৰা প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মৰ লগত সম্পৰ্কিত। শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰোঁতে ভাগৱত শাস্ত্ৰখনক মূল বস্তুৰূপে লৈছিল। ভাগৱতখনৰ বাৰটা স্কন্ধ নিজে অনুবাদ কৰাৰ লগতে আনৰ দ্বাৰাও কৰাইছিল। শঙ্কৰদেৱে মূল ভাগৱতৰ বাৰটা স্কন্ধৰ উপৰিও শাস্ত্ৰখনৰ সাৰছিনি লৈ কীৰ্ত্তন পুথি ৰচনা কৰিছিল। ভাগৱতখন ধৰ্মপ্ৰচাৰৰ জাল স্বৰূপ যদিও কীৰ্ত্তনখন ৰচনা কৰি তেওঁ এহাত অধিক আগুৱাই গৈ তেৰ হাত পালে। এই তেৰহতীয়া ফটাৰ জালখনেৰে গুৰুজনাই পুঠি-খলিহা স্বৰূপ সাধাৰণ জনতাক ধৰ্ম দিলে আৰু বৌ-বৰালি স্বৰূপ ৰজা, কৰ্মকাণ্ডী ব্ৰাহ্মণ আদি সমাজৰ উচ্চ শ্ৰেণীৰ লোকসকল বাদ পৰি গ'ল।

ভকতীয়া ফকৰাৰ আন এটা উদাহৰণ হ'ল—

*আগে উপজিল সৰু ভাইটো*
*পাছে উপজিল কাকা*
*লৰালৰিকৈ আই উপজিল*
*তেহে উপজিল বোপা।*

এই ফকৰাটো লক্ষ্মীকান্ত আতৈ আৰু তেওঁৰ দেউতাকে মাধৱদেৱৰ ওচৰত শৰণ লোৱা প্ৰসংগত সৃষ্টি হৈছিল। লক্ষ্মীকান্ত আতৈয়ে মাধৱদেৱৰ ওচৰত শৰণ লোৱাৰ কিছুকাল পাছত তেওঁৰ দেউতাক পুহকৰগিৰিয়ে গুৰুজনাৰ ওচৰত শৰণ

ল'বলৈ আহিছিল। মাধবদেৱে পুহকৰগিৰিক তেওঁৰ পুত্ৰই ইতিমধ্যে শৰণ লোৱা বুলি কওঁতে পুহকৰগিৰিয়ে ফকৰাটোৰে উত্তৰ দিছিল। লক্ষ্মীকান্তই গুৰুজনাৰ ওচৰত আগতে শৰণ লৈছিল কাৰণে পুত্ৰ হ'লেও তেওঁ পিতৃতুল্য।

### ১.৪.৪ সাঁথৰ ঃ

সাঁথৰ বিবিধ প্ৰশ্নৰ সমষ্টি; অথবা সাঁথৰত থাকে প্ৰহেলিকাময় কিছুমান প্ৰশ্ন। সাঁথৰৰ প্ৰতিশব্দ স্বৰূপে বিষান অভিধাটি মৌখিক বা লিখিত উভয় পৰম্পৰাতে চলি আছে। সাঁথৰবিলাকো এক হিচাপে ফকৰা, অৱশ্যে ফকৰাৰ অৰ্থ ভকতীয়া আৰু সাঁথৰৰ অৰ্থ বা সমাধান ঐহিক আৰু সাধাৰণ। ফকৰা আৰু সাঁথৰ উভয়ৰে ভাষা প্ৰহেলিকাময়। প্ৰবচনৰ দৰে সাঁথৰতো পৰস্পৰ বিৰোধী বৰ্ণনা বা বাক্যৰ স্থিতি লক্ষ্য কৰা যায়। কোনো কোনো পণ্ডিতৰ মতে সাঁথৰৰ অতি প্ৰয়োজনীয় সংবুতি দুইপ্ৰকাৰ বৰ্ণনাত্মক সমলৰ সমষ্টি— (ক) ধনাত্মক বৰ্ণনাত্মক সমল আৰু (খ) ঋণাত্মক বা নঞাৰ্থক বৰ্ণনাত্মক সমল।

**বৰ্ণনাত্মক সাঁথৰ ঃ** সাঁথৰত সন্নিবেশিত প্ৰশ্নৰ প্ৰকৃতি অনুসৰি এইবিধ মৌখিক সাহিত্যক কেইটিমান উপ-শ্ৰেণীত ভাগ কৰিব পাৰি। সাঁথৰবোৰ প্ৰশ্ন হ'লেও সাধাৰণ প্ৰশ্ন আৰু সাঁথৰৰ প্ৰশ্নৰ মাজত পাৰ্থক্য আছে। সাধাৰণ প্ৰশ্নবোৰ প্ৰহেলিকাৰ আৱৰণেৰে আচ্ছন্ন নহয়; আনহাতে সাঁথৰৰ প্ৰশ্ন প্ৰহেলিকাময়। সেইবাবে সংস্কৃতত সাঁথৰক 'প্ৰহেলিকা' বোলা হৈছে। ইয়াৰ পৰাই হিন্দীভাষাত সাঁথৰক 'পহেলি' বোলা হয়। তলত এটা বৰ্ণনাত্মক সাঁথৰৰ উদাহৰণ দিয়া হ'ল—

*(ক)* *গল আছে ঠেং নাই,*
*কাণ আছে চকু নাই*
*পেট আছে হাত নাই*
*মুখ আছে জিভা নাই*
*এইটো কি বস্তু ভাই?* (উত্তৰ ঃ কলহ বা ঘটী)

**টেটৰ্কুটিমূলক প্ৰশ্ন ঃ** টেটৰ্কুটিমূলক প্ৰশ্নবোৰ সাঁথৰেই। এইবিধো প্ৰহেলিকাময় সাঁথৰ। টেটৰ্কুটিমূলক সাঁথৰক 'ওভোতা সাঁথৰ' আখ্যা দিব পাৰি। যেনে—

*প্ৰশ্ন ঃ কি হাটীৰ ওঁৰ নাই ?* উত্তৰ ঃ গুৱাহাটীৰ

*প্ৰশ্ন ঃ কি দৈ খাব নোৱাৰি?* উত্তৰ ঃ মঙ্গলদৈ

*প্ৰশ্ন ঃ কি লং খাব নোৱাৰি?* উত্তৰ ঃ হাফলং, ছিলং ইত্যাদি।

### ১.৪.৫ লোকভাষা ঃ

মুখে মুখে চলি অহা অৰ্থাৎ কথিত (বিপৰীত লিখিত) ভাষাই লোকভাষা। যি ভাষা কোনো ধৰণৰ আনুষ্ঠানিক পদ্ধতিৰে শিকা নাযায়, যি ভাষা পৰিমাৰ্জিত আৰু ৰীতিবদ্ধ নহয় সেই ভাষাৰ নামেই লোকভাষা। লোক সাহিত্যৰ অন্যতম মাধ্যম হৈছে লোকভাষা। লোক সাহিত্যৰ দৰে লোকভাষায়ো লিখিত ৰূপ লাভ কৰে। সাধাৰণতে লোকভাষা কোনো আঞ্চলিক উপভাষাৰ অন্তৰ্গত অনাখৰী সম্প্ৰদায়ৰ মাজত প্ৰচলিত। লোকভাষা তুলনামূলকভাৱে সাধু বা কথিত ভাষাতকৈ পুৰণি। গ্ৰাম্য অঞ্চলত স্বতন্ত্ৰভাৱে বাস কৰা, শিক্ষা আৰু আধুনিকতাই স্পৰ্শ নকৰা, বয়স প্ৰধান লোকৰ ভাষিক বৈশিষ্ট্যৰ বিশ্লেষণ আৰু বৰ্ণনাতেই সাধাৰণতে লোকভাষা অধ্যয়নৰ পৰিসৰ সীমিত। লোকভাষাৰ আওতাত গালি-গালাজো পৰে।

### ১.৫ গালি-গালাজ, শাও-শপনি

লোকভাষাৰ ভিতৰত গালি-গালাজ, শাও-শপনি আদিকো ধৰিব পাৰি। শাও-শপনি, গালি-গালাজে যাদুমূলক ক্ৰিয়া সম্পাদন কৰিব পাৰে বুলি বিশ্বাস কৰা হয়। শাও-শপনি আৰু গালি-গালাজে সমাজ জীৱনৰ ৰুচিৰ পৰিচয় দিয়ে। লোক জীৱনে বিশ্বাস কৰে শাও-শপনি আৰু গালি-গালাজে অভিশাপৰ ভূমিকা পালন কৰে। শাও-শপনিৰ সৈতে বিভিন্ন শ্লীল আৰু অশ্লীল মুদ্ৰাভংগী অংগাংগীভাৱে সম্পৃক্ত। শাও-শপনিবোৰ বিভিন্নভাৱে শ্ৰেণী বিভাজন কৰিব পাৰি। যৌন অংগ-প্ৰত্যংগ, আচৰণ আদিয়েও গালিত প্ৰাধান্য লাভ কৰে। মনস্তাত্বিক ক্ৰিয়া-প্ৰক্ৰিয়াৰ সৈতে শাও-শপনিবোৰ জড়িত বুলিব পাৰি। সেয়েহে আপোনজনৰ মুৰ-খা বুলি পৰা গালি বা শপনিয়াৰে আমাৰ মনস্তত্বৰ ওপৰত ক্ৰিয়া কৰিব পাৰে।

কোনো কোনো গালি লোকনাট্যধৰ্মী আৰু কোনো কোনো গীত-পদৰ দৰে সুৰ লগাই গোৱা হয়। গীত-পদৰ ভংগীত পৰা গালিৰ উদাহৰণ তলত দিয়া হ'ল—

*তুলাৰ আগত নুন এ*
*হাজেলনী গালি পাইছু*
*কাণ পাতি শুন্ এ*
*পুত খাইতীহাত।*
*বেৰাৰ আগত চুণ এ*
*হাজেলনী গালি পাইছু*
*কাণ পাতি শুন এ*
*পুতে হাতৰ মুৰা এ*
*একেটী পুত খাইতীহাত*

## ১.৬ মালিতা বা কাহিনীগীত বা বেলেড

মালিতা বা বেলেড বর্ণনাত্মক গীত। এইবিধ গীতৰ অন্যতম বৈশিষ্ট্যকেইটি হৈছে— (ক) ই বর্ণনামূলক, অর্থাৎ ই কাহিনী বিশিষ্ট গীত। (খ) মালিতা বা বেলেড গেয় অর্থাৎ সুৰ লগাই গোৱা হয়। (গ) কথাবস্তু, শৈলী আৰু নাম বা আখ্যাৰ ফালৰপৰা ই লোক সমাজৰ সৈতে সম্পৃক্ত। (ঘ) বেলেডত একক ঘটনাৰ বৰ্ণনা থাকে। (ঙ) বেলেড নৈব্যক্তিক অর্থাৎ বস্তুনিষ্ঠ ঘটনাৰ গতি, কাহিনী, কথোপকথন আদিৰ সহায়ত এইবিধ গীত ক্ষিপ্র গতিত উপসংহাৰৰ ফালে আগবাঢ়ে।

কাহিনী গীত বা বেলেড মুখ্যতঃ কাহিনী। লোককথা বা সাধুকথাতো কাহিনী থাকে। বেলেডৰ কাহিনী বর্ণিত হয় পদত অর্থাৎ 'পদবন্ধে'। সাধাৰণতে লোককথাত কাহিনী বর্ণিত হয় কথাত অর্থাৎ 'কথাবন্ধে'।

বাদ্যযন্ত্র সংগত কৰি নৃত্যৰ সহায়ত বেলেড গোৱা হয়, কিন্তু বাদ্য বা নৃত্য বেলেডৰ বাবে অপৰিহার্য নহয়। মৌখিক বেলেড লিখিত পৰম্পৰাত প্রবেশ কৰি লিখিত বা মার্জিত সাহিত্যৰ ৰূপ ল'ব পাৰে। সুদীর্ঘ বেলেড-পৰম্পৰা, সচেতন আৰু মার্জিত সংস্কৃতিৰ দ্বাৰা অনুবর্তিত হ'ব পাৰে।

### ১.৬.১ মালিতা বা বেলেডৰ শ্রেণীবিভাজন

(ক) পুৰাণগত মালিতা (Mythical Ballad), (খ) নৈদানিক মালিতা (Etiological Ballad), (গ) ঐতিহাসিক মালিতা (Historical Ballad), (ঘ) জনশ্রুতিমূলক বেলেড (Legendary Ballad), (ঙ) যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা (Magical or wonderous or supernatural Ballad), (চ) ব্যংগাত্মক মালিতা (Satirical Ballad), (ছ) বাস্তবানুগ মালিতা (Realistic Ballad) ইত্যাদি।

ইয়াৰ বাহিৰেও বাৰমাহী গীত আদিকো বেলেডৰ পর্যায়ত ধৰিব পাৰি, কিয়নো ইয়াত একোটি কাহিনীৰ আভাস পোৱা যায়।

**(ক) পুৰাণগত মালিতা বা বেলেড :** পুৰাণগত মালিতাত দেৱ-দেৱীৰ জন্মকথা বর্ণিত হয়। সোণোৱাল কছাৰীসকলৰ 'হুঁচৰিৰ' গীতটিও পুৰাণগত মালিতা।

**(খ) নৈদানিক মালিতা :** পুৰাণগত মালিতাৰ লগত নৈদানিক মালিতাৰ সাদৃশ্য লক্ষ্য কৰা যায়। পূজা-উপাসনাৰ প্রসংগত গোৱা পিঠাগুড়ি, ঢেঁকী, ঘট, কলহ, চৰু আদিৰ জন্ম সম্পর্কীয় গীত-পদবোৰেই নৈদানিক মালিতা। বাণ-বাঙ্গিনীৰ জন্মৰ বিষয়ে প্রচলিত গীতবোৰো নৈদানিক মালিতা।

**(গ) ঐতিহাসিক মালিতা :** ঐতিহাসিক কাহিনীৰ আধাৰত ৰচিত মালিতাবোৰৰ নামেই ঐতিহাসিক মালিতা। বৰফুকনৰ গীত, পদ্মকুমাৰীৰ গীত, হৰদত্তৰ গাঞ্জীৰ গীত, মণিৰাম দেৱানৰ গীত, পথৰুঘাটৰ ৰণ, ফুলগুৰিৰ ধেৱা, গান্ধীৰ গীত আদিয়েই ঐতিহাসিক মালিতাৰ দৃষ্টান্ত।

**(ঘ) জনশ্ৰুতিমূলক মালিতা ঃ** যি মালিতাত জনশ্ৰুতিগত কাহিনী বা ঘটনাই প্ৰাধান্য লাভ কৰে তেনে মালিতাৰ নামেই জনশ্ৰুতিমূলক মালিতা। ইয়াৰ উদাহৰণ স্বৰূপে সতী ৰাধিকাৰ গীত, পাৰিজাতীৰ গীত, কেন্দুকলাইৰ গীত আদিৰ নামোল্লেখ কৰিব পাৰি।

**(ঙ) যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা ঃ** যি মালিতাৰ জৰিয়তে যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক কাহিনী এটি বৰ্ণিত হয় সেইবিধ মালিতাৰ নাম যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা। অসমীয়া ভাষাত ৰচিত যাদুমূলক মালিতাসমূহৰ ভিতৰত (সাম্প্ৰতিকলৈ উদ্ধাৰ হোৱা) মণিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, কমলাকুঁৱৰীৰ গীত আদিয়েই উল্লেখযোগ্য।

**(চ) ব্যংগাত্মক মালিতা ঃ** সামাজিকভাৱে অন্যায় বা অশোভন বা অনুচিত আচৰণ বা কাৰ্যাৱলীক ব্যংগ কৰি ৰচিত হোৱা মালিতাৰাজিক ব্যংগাত্মক মালিতা বুলিব পাৰি। এই জাতীয় মালিতাৰ অন্যতম উদ্দেশ্য সমাজ সংশোধন বা সংস্কাৰ। সাধাৰণতে এইবিধ মালিতা আকস্মিক আৰু মৌখিকভাৱে ৰচনা কৰে— ভাউৰা, ভাউৰীয়া, ভইৰা, বহুৱা, ওজাপালি, ঢুলীয়া আদি চৰিত্ৰই। এইবিধ মালিতাৰ উদাহৰণ স্বৰূপে ভূইকপৰ গীত, ভাউৰাৰ ঘৰ, নাহৰৰ জুনা, মলুৱাৰ গীত আদিৰ নাম উল্লেখ কৰিব পাৰি।

**(ছ) বাস্তৱানুগ মালিতা ঃ** যিবিলাক মালিতাত কম-বেছি পৰিমাণে জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ প্ৰতিফলন ঘটে আৰু সৰু সুৰা ঘটনা আৰু প্ৰেম-প্ৰীতিৰ পৰিচয় পোৱা যায় তেনে মালিতাক বাস্তৱানুগ মালিতা বুলিব পাৰি। এইবিধ মালিতাৰ উদাহৰণ হৈছে— দুবলা শান্তিৰ গীত, সাউদৰ গীত, কন্যা বাৰমাহী গীত আদি।

## ১.৬.২ বাৰমাহী গীত

বাৰমাহী গীতবোৰ মালিতাৰ এটি বিশেষ অংশ। ভাৰতৰ আন আন প্ৰদেশত বাৰমাহী গীত, 'বাৰমাসী' বা 'বাৰমাসা' গীতৰূপে পৰিচিত। বাৰমাহী গীত সাধাৰণতে বিবিধ প্ৰসংগত মহিলাসকলেহে গায়। বাৰমাহী গীতৰ বিষয়ে ড° প্ৰফুল্লদত্ত গোস্বামীয়ে এনেদৰে কৈছে—

"এজনী গাভৰুৱে হয়তো বিদেশত থকা গিৰিয়েকক স্মৰণ কৰি প্ৰত্যেক মাহৰ নিসৰ্গ-জীৱনৰ পৰিবৰ্তন আৰু নিজ অন্তৰৰ ক্ৰিয়া বৰ্ণনা কৰি গৈছে, নতুবা কোনো সাউদে ঘাটত নাও বান্ধি অজ্ঞাতভাৱে নিজৰ ঘৈণীয়েকক মাহৰ পাছত মাহ প্ৰণয় যাঁচি গৈছে— এয়ে বাৰমাহী গীতৰ সাধাৰণ বিষয়বস্তু।"

পতিৰাভাসকলৰ সমাজত প্ৰচলিত মাৰেগানৰ ওজা আৰু পালিয়ে বেউলা বাৰমাহী নামৰ এটি গীত গায়। গীতটোৰ দুটিমান কলি তলত দিয়া হ'ল—

*বহাগৰ মাহতে প্ৰভু শিলে বৰহিলে।*
*সেই ন-পানীৰ গুণে নানা ফুল ফুলে।।*
*জেঠৰ মাহতে ৰ'দে কৰে হুৱাহুৰি।*
*বৰ ঘৰটো ভাঙাইলে যে বিনা বাও মুৰালি।।*

আহাৰ মাহত প্ৰভু আকাশে কৰে আশা।

বনেৰ চলিয়া চোকা সিও বান্ধে বাসা।। —ইত্যাদি।

অসমীয়া বাৰমাহী আঘোণ মাহৰপৰা আৰম্ভ হোৱাৰ পৰম্পৰা প্ৰচলিত যদিও ইয়াৰ ব্যতিক্ৰম নোহোৱাও নহয়; কাৰণ চ'ত, বহাগ আদি মাহৰপৰাও বাৰমাহী গীত আৰম্ভ হোৱা দেখা যায়।

কাহিনী-গীত বা মালিতাৰপৰাই লোক-কাব্য, লোক-মহাকাব্য, লোক-পুৰাণ আদিৰ বিকাশ হয়। পণ্ডিতসকলৰ মতে ৰামায়ণ, মহাভাৰত আদিতে দীঘলীয়া কাহিনী গীত বা মালিতাহে আছিল। বৰফুকনৰ গীত, পথৰুঘাটৰ ৰণ বা দলি-পুৰাণ আদি লোক-কাব্য বা পুৰাণৰ নিদৰ্শন। কাৰ্বি ভাষাত প্ৰচলিত ছাবিন্ আলুন্ একালে লোক-কাব্য আনকালে লিখিত কাব্য।

**আত্মমূল্যায়ন প্ৰশ্ন**

বাৰমাহী গীতৰ নামকৰণৰ তাৎপৰ্য কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

### ১.৭ গদ্যধৰ্মী লোককথা : শ্ৰেণী বিভাজন

গদ্যৰূপত বা 'কথাবন্ধে' মুখ পৰম্পৰাত প্ৰচলিত কথা বা কাহিনীক গদ্যধৰ্মী লোককথা বোলে। এইবিধ লোককথা ইয়াৰ বিষয়বস্তু, সংযুক্তি আৰু প্ৰসংগ আদিৰ ফালৰপৰা প্ৰধানভাৱে তিনিটা ভাগত ভগাব পাৰি। যেনে—

(ক) পুৰাবৃত্ত (Myth)।

(খ) জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী বা উপাখ্যান (Legand)।

(গ) সাধুকথা বা সাধু (Tale)।

**(ক) পুৰাবৃত্ত (Myth) :** প্ৰাচীন কালত উৎপত্তি হোৱা আৰু সত্য বুলি ঠাৱৰ কৰা বা গণ্য কৰা পৰম্পৰাগত কাহিনীৰ নাম মিথ বা পুৰাবৃত্ত। কোনো জনগোষ্ঠীৰ সৃষ্টিতত্ত্ব আৰু অলৌকিক পৰম্পৰা, তেওঁলোকৰ বিশ্বাসত স্থান পোৱা দেৱ-দেৱী আৰু বীৰ পুৰুষৰ কাৰ্যাৱলী তথা সেই জনগোষ্ঠীৰ সাংস্কৃতিক লক্ষণ, ধৰ্মীয় বিশ্বাস আদিয়েই এইবিধ লোককথাৰ প্ৰধান উপজীব্য। ধৰ্মীয় প্ৰসংগত এনে জাতীয় কথা কোৱা হয়। লক্ষ্মীদেৱীৰ জন্ম, মনসা বা পদ্মাৰ জন্ম, কৃষ্ণৰ জন্ম আদিয়েই পুৰাবৃত্ত।

**(খ) জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী বা উপাখ্যান (Legand):** ধৰ্মীয় প্ৰসংগ বা ভোজমেলাত গেয় বা আবৃত্ত সাধুপুৰুষ বা ছহীদৰ জীৱন বৃত্তৰ

বৰ্ণনিক জনশ্ৰুতি বুলিব পাৰি। জনশ্ৰুতি বা কিংবদন্তি পৰম্পৰাগত আৰু বৰ্ণনামূলক। ইয়াৰ জৰিয়তে সত্য ঘটনাৰ সৈতে পৰম্পৰাগত সমল বা উপাদান সংযোজন কৰি ব্যক্তি, স্থান বা ঘটনা আদিৰ বৰ্ণনা দিয়া হয়। পুৰাবৃত্ত আৰু জনশ্ৰুতিৰ মাজত স্পষ্টকৈ পাৰ্থক্য দেখুৱাই দিয়া টান। জনশ্ৰুতিৰ উদাহৰণ স্বৰূপে ৰাধিকা-শান্তিৰ কাহিনী, কেন্দুকলাইৰ কাহিনী, চান্দো সদাগৰ আৰু বেউলা-লখিন্দৰৰ কাহিনী আদি উল্লেখ কৰিব পাৰি।

(গ) সাধুকথা ঃ ইংৰাজী 'Tale' পৰিভাষাৰ অৰ্থ বুজাবৰ বাবে অসমৰ বিভিন্ন অঞ্চলত সাধুকথা, সাধুৰ কথা, সাজোকথা, উপকথা, উককথা আদি অভিধা প্ৰয়োগ কৰা হয়। এই অভিধাকেইটিৰ ভিতৰত তুলনামূলকভাৱে অধিক প্ৰয়োগ হোৱা অভিধাটি হৈছে সাধু বা সাধুকথা। ড° প্ৰফুল্লদত্ত গোস্বামীৰ মতে সাধু অৰ্থাৎ সদাগৰবিলাকে বেপাৰ কৰিবলৈ বিভিন্ন অঞ্চল বা দেশলৈ গৈছিল। তেওঁলোকে সেইবোৰ অঞ্চলত বা দেশত বিবিধ পৰম্পৰীণ মৌলিক কথা শুনিছিল আৰু ঘূৰি আহি নিজ অঞ্চলত সেই কথাবোৰ কৈছিল। গতিকে সাধুৱে কোৱা কথাবোৰেই সাধুকথা, চমুকৈ সাধু।

সাধুকথাবিলাক কাল্পনিক যেন লাগিলেও বাস্তৱ সমাজৰ অভিজ্ঞতাৰ আধাৰতেই এইবিধ লোক সাহিত্যৰ জন্ম। সাধুকথাৰ উপৰুৱা অৰ্থতকৈ ভিতৰুৱা অৰ্থটোৰ মূল্য বা তাৎপৰ্যহে অধিক গুৰুত্বপূৰ্ণ।

**সাধুকথাৰ শ্ৰেণী বিভাজন ঃ** পৰম্পৰীণ সাধুকথাসমূহ তলত দিয়াৰ দৰে শ্ৰেণী বিভাজন কৰিব পাৰি। যেনে—

(ক) জন্তুকেন্দ্ৰিক সাধুকথা
(খ) যাদুমূলক বা বিস্ময়াবহ বা ৰোমাণ্টিক বা অতিলৌকিক সাধুকথা
(গ) নৈদানিক সাধুকথা বা ব্যাখ্যামূলক সাধুকথা
(ঘ) টেটোঁকুটি
(ঙ) ক্ষুদ্ৰ সত্য কাহিনী
(চ) মূৰ্খৰ সাধু
(ছ) টেটোন বা টেন্টনৰ সাধুকথা
(জ) ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিতগঢ়ী সাধুকথা
(ঝ) মিছলীয়া সাধুকথা
(ঞ) অন্তহীন সাধুকথা
(ট) সমস্যামূলক সাধুকথা
(ঠ) কথা-গীত
(ড) ধৰ্মমূলক সাধুকথা
(ঢ) নিষিদ্ধ সাধুকথা
(ণ) অজাচাৰী সাধুকথা ইত্যাদি।

**(ক) জন্তুকেন্দ্ৰিক সাধুকথা ঃ** বিশেষভাৱে জন্তুক কেন্দ্ৰ কৰি এইবিধ সাধু পল্লবিত হয়। ইয়াৰ পৰিসৰ বৰ দীঘলীয়া নহয়। এনে সাধুকথাত উল্লেখ থকা জন্তুৱে

মানুহৰ দৰে কথা কয় আৰু আচৰণ কৰে। অনেক ক্ষেত্ৰত এনে সাধুৰ ৰূপাত্মক অৰ্থ থাকে। সাধাৰণতে বান্দৰ-শিয়াল, কুকুৰনেচীয়া বাঘ-গাহৰি, শহা-শিয়াল, শিঙাল হৰিণ-নাহৰফুটুকীয়া বাঘ, বান্দৰ-বাঘ, শিয়াল-কাছ, কেঁকোৰা-বাঘ, বগলী-বাঘ, শিয়াল-ঘঁৰিয়াল, টুনী-ঢোৰা কাউৰী আদিৰ মাজত বিৰোধৰ আধাৰত এনে কাহিনী গঠিত হয়। পাশ্চাত্য আৰু প্ৰাচ্যৰ লোক সমাজ আৰু অভিজাত সমাজতো শিশুৰ মনোবিনোদনৰ অৰ্থে জন্তুকেন্দ্ৰিক সাধুকথা কোৱা হয়। জন্তুকেন্দ্ৰিক সাধুকথাত নীতিমূলক উপদেশ থাকে। *জাতক, পঞ্চতন্ত্ৰ, ঈছপৰ সাধুকথা* আদিৰ অন্যতম উদ্দেশ্য আছিল নৈতিক শিক্ষা প্ৰদান। শিয়াল আৰু বান্দৰ, বাঘ আৰু বান্দৰ, টুনী আৰু ঢোৰা কাউৰী আদি জন্তুকেন্দ্ৰিক সাধু।

**(খ) যাদুমূলক বা বিস্ময়াবহ বা ৰোমাণ্টিক বা অতিলৌকিক সাধুকথা ঃ** যাদুমূলক সাধুকথা জাৰ্মান ভাষাত 'মাৰখেন' (Marchen) নামে পৰিচিত। ইংৰাজী ভাষাত এইবিধ সাধুকথা যাদুমূলক সাধু, পৰীৰ সাধু আৰু বীৰ সাধু স্বৰূপে পৰিচিত। এইবিধ সাধুকথাৰ সমাদৰ বৰ্তমানো কমা নাই, বাঢ়িছেহে। অতিলৌকিক দুঃসাহসিক কৰ্ম সম্পাদনৰ প্ৰতি মানৱৰ আকৰ্ষণ যাদুমূলক সাধুকথাৰ বিষয়বস্তুৰ অন্যতম বিশেষত্ব। এইবিধ সাধুত আমি পাওঁ সাধাৰণ মানুহ এগৰাকীৰ অতি মানবীয় শক্তিৰ সৈতে সংঘৰ্ষ আৰু অতিলৌকিক কাৰ্য সম্পাদনৰ বাবে তেওঁৰ প্ৰয়োজনীয় শক্তি লাভ। যাদুমূলক সাধুকথা একক নায়ক বিশিষ্ট আৰু ই যথাৰ্থতে দুঃসাহসিক কাহিনী।

তেজীমলাৰ সাধু, কমলাকুঁৱৰী, ফুলকোঁৱৰৰ সাধু, মণি কোঁৱৰৰ সাধু, তেজা-তেজীৰ সাধু, পানেচৈ, চম্পাৱতী আদি উল্লেখযোগ্য অসমীয়া যাদুমূলক সাধুকথা।

**(গ) নৈদানিক সাধুকথা ঃ** নৈদানিক বা ব্যাখ্যামূলক সাধুকথাত সাধাৰণতে জগৎ সৃষ্টি, বিভিন্ন বস্তুৰ উৎপত্তি যেনে— পূজা, ধৰ্মীয় কৃত্যাদিৰ লগত সম্পৃক্ত বিভিন্ন বস্তু আম-গছ, থিউ, তামোল-পাণ, পিঠাগুড়ি আদি; প্ৰাকৃতিক ব্যাপাৰৰ ব্যাখ্যা, পৰ্বত-পাহাৰ আদিৰ জন্ম, নদ-নদী, পুখুৰী-হ্ৰদ আদিৰ উৎপত্তি, গছ-গছনি, লতা-লতিকা আদিৰ উৎপত্তি বা জন্মৰ বৰ্ণনা পোৱা যায়। এনে বিষয়ক সাধু অসমৰ জাতি-জনজাতি সকলোৰে মাজত প্ৰচলিত। কিয় হ'ল বা কেনেকৈ হ'ল— এনে প্ৰশ্নৰ উত্তৰ বা ব্যাখ্যা সন্নিবেশিত সাধুকথাবিলাককেই নৈদানিক বা ব্যাখ্যামূলক সাধুকথা বোলা হয়।

**(ঘ) টেটোঁকুঁটি ঃ** হাস্য-ব্যংগ প্ৰধান সাধুকথাৰ নামেই টেটোঁকুঁটি। অৱশ্যে এইবিধ সাধুৰ পৰিসৰ বহল। টেটোঁকুঁটিৰ পৰিসৰে ঠাট্টা-মস্কৰা বিষয়ক সাধুকথা (Jest), উপাখ্যান কাহিনী (Anecdote), ব্যাঙ্গাত্মক সাধুকথা (Joke) আদিকো সামৰে। টেটোঁকুঁটি সাধুৰ উদাহৰণ স্বৰূপে গোসাঁই প্ৰভুৰ টেটোঁকুঁটি, ব্ৰাহ্মণ ঠাকুৰৰ টেটোঁকুঁটি, মৌজাদাৰৰ টেটোঁকুঁটি আদিলৈ আঙুলিয়াব পাৰি।

**(ঙ) ক্ষুদ্ৰ সত্য কাহিনী ঃ** এনেকডোট বা উপাখ্যান পল্লবিত হয় ব্যক্তি, জন্তু, স্মৰণযোগ্য ঘটনা, স্থান আদিক কেন্দ্ৰ কৰি। 'গাজাখুৰি' কথাৰ যেনেকৈ নিৰ্দিষ্ট ৰূপ নাই তেনেদৰে এনেকডোটৰো নিৰ্দিষ্ট ৰূপ নাই।

**(চ) মূৰ্খৰ সাধু ঃ** সাধুকথাৰ আন এটি উপ-শ্ৰেণী মূৰ্খৰ সাধুকথাৰ জৰিয়তে কোনো এটি জনগোষ্ঠীৰ মূৰ্খামিক সামগ্ৰিকভাৱে বিদ্ৰূপ বা ঠাট্টা কৰা হয়। অসমীয়া

ভাষাত প্ৰচলিত এনে বিধৰ সাধুকথাৰ ভিতৰত সাতমুৰ্খ, বামুণৰ বঙৰা মুৰ্খ জোঁৱাই, অজলা টৌমুৰা আদি উল্লেখযোগ্য।

(ছ) টেটোন বা টেন্টনৰ সাধুকথা : টেটোন বা টেন্টন জাতীয় সাধুকথাৰ অন্যতম প্ৰধান চৰিত্ৰ বা নায়কে আন চৰিত্ৰক প্ৰতাৰণা কৰে বা ঠগায়। সমাজৰ পটভূমিত জেদী আৰু অনমনীয় চাৰিত্ৰিক বৈশিষ্ট্য সম্বলিত টেটোনৰ জন্ম। টেটোন অসংযত আৰু সাংঘাতিক চৰিত্ৰ। মনস্তাত্বিক দিশৰপৰাও টেটোন-চৰিত্ৰ বিশ্লেষণ কৰিব পাৰি। কোনো কোনো মনস্তাত্বিকৰ মতে পুৰুষ লিংগৰ প্ৰতীক স্বৰূপেহে টেটোনে আত্মপ্ৰকাশ কৰিছে।

অসমীয়া টেটোন জাতীয় সাধুকথাৰ ভিতৰত টেটোন তামুলী, টেটেন, বামুণৰ বঙৰা, বান্দৰ আৰু শিয়াল, শিয়াল আৰু ঘঁৰিয়াল, শিয়াল আৰু হাতী আদি উল্লেখযোগ্য।

(জ) ক্ৰমপুঞ্জিত বা নিৰ্দ্ধাৰিতগঢ়ী সাধুকথা : ক্ৰমপুঞ্জিত বা নিৰ্দ্ধাৰিতগঢ়ী সাধু কৌতুকপূৰ্ণ, হাস্যকৰ আৰু খেল-ধেমালিৰ বৈশিষ্ট্য সম্বলিত। কাহিনী বা কথাবস্তুৱে এইবিধ সাধুত প্ৰাধান্য লাভ নকৰে। এইবিধ সাধুত এটা পৰিস্থিতিয়ে আন এটা পৰিস্থিতিক ঠেলি দিয়ে, যিটো পৰিস্থিতিয়ে আকৌ আন এটা পৰিস্থিতিক ঠেলি দিয়ে। সেইবাবে এইবিধ সাধুৰ নাম ক্ৰমপুঞ্জিত সাধুকথা। দ্বিতীয়তে এই জাতীয় সাধুৰ গঢ় বা সংযুতি নিৰ্ধাৰিত। সেইবাবে ক্ৰমপুঞ্জিত সাধুৰ আন এটি নাম নিৰ্ধাৰিতগঢ়ী সাধুকথা।

তেকুলীৰ পিঠিত বহ কিয় হ'ল— নিৰ্ধাৰিতগঢ়ী সাধুৰ বিশিষ্ট উদাহৰণ।

(ঝ) মিহলীয়া সাধুকথা : ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিতগঢ়ী সাধুৰ লগত মিহলীয়া সাধুৰ মিল দেখা যায়। Chain tale নামেও ইংৰাজী ভাষাত এইবিধ সাধু জনাজাত। এইবিধ সাধুকথাৰ অন্তৰ্গত ছল-সাধু অৰ্থাৎ Catch Tale কোৱা হয় ল'ৰা-ছোৱালীৰ লগত ৰসিকতা কৰাৰ প্ৰসংগত।

(ঞ) অন্তহীন সাধুকথা : নিৰ্ধাৰিতগঢ়ী সাধুৰ বহল পৰিসৰৰ অন্তৰ্গত আন এবিধ সাধু হৈছে অন্তহীন সাধু (Endless Tale)। এই শ্ৰেণীৰ সাধুৰ সংযুতিত পুনৰাবৃত্তিয়ে বিশেষভাৱে স্থান লাভ কৰা দেখা যায়। শ্ৰোতাৰ আমনি নলগালৈকে পুনৰাবৃত্তি চলি থাকে। সেইবাবে এনেবিধৰ সাধুক অন্তহীন সাধু বোলে।

(ট) সমস্যামূলক সাধুকথা : সমস্যামূলক সাধুকথাক সূচাবৰ বাবে ইংৰাজী ভাষাত Dilemma Tale অভিধাটি প্ৰয়োগ কৰা হয়। অৱশ্যে সমস্যাৰ সলনি সংকটমূলক সাধুকথা অভিধাটিও প্ৰয়োগ কৰিব পাৰি। এনেবিধ সাধুত এটা কাহিনী থাকে আৰু কাহিনীৰ পৰিণতিত সমস্যামূলক এটি প্ৰশ্ন জড়িত হৈ থাকে আৰু এই প্ৰশ্নটোৰ কেইবাটাও উত্তৰ থাকিব পাৰে। শুদ্ধ উত্তৰ দিব পৰাজনেই জয় লাভ কৰে। সমস্যামূলক সাধুত প্ৰশ্ন অপৰিহাৰ্য অংগ। সেইবাবে সমস্যামূলক সাধুৰ আন এটা নাম সাঁথৰ সাধু।

(ঠ) কথাগীত (Cante Tale) : এইবিধ সাধুত গদ্য আৰু পদ্য উভয় ৰূপত

কাহিনী বর্ণনা কৰা হয়। কমলাকুঁৱৰীৰ সাধু, তেজীমলাৰ সাধু আদিক কথা-গীত আখ্যা দিব পাৰি।

(ড) ধৰ্মমূলক সাধু ঃ ধৰ্মমূলক সাধুকথাৰ প্ৰচলন পৃথিৱীৰ সৰ্বসমাজত লক্ষ্য কৰা যায়। পাপ-পুণ্য, স্বৰ্গ-নৰক আদিৰ লগত জড়িত এই শ্ৰেণীৰ সাধুকথাই ধৰ্মীয় জনশ্ৰুতিৰ প্ৰকাৰ্য সাধন কৰিব পাৰে। ধৰ্মীয় সাধুকথাৰ পাত্ৰ-পাত্ৰী অৰ্থাৎ চৰিত্ৰবোৰ ধাৰ্মিক বা অধাৰ্মিক মানৱ আৰু অলৌকিক চৰিত্ৰৰ সীমাৰেখাৰ মাজত সীমিত। এইক্ষেত্ৰত সাধাৰণতৰ সৈতে জড়িত ওপনী গৌৰীকথা, বামুণ-বামুণীৰ কথা আদিলৈ আঙুলিয়াব পাৰি।

(ঢ) নিষিদ্ধ সাধুকথা ঃ আমাৰ সমাজত পৰম্পৰাগতভাৱে বিবিধ নিষিদ্ধ আচৰণ শাৰীৰিক আৰু মানসিকভাৱে চলি আহিছে। যেনে— ৰাতি বাঘৰ বা সাপৰ নাম ল'ব নাপায়। ইয়াৰ বাহিৰেও ওৰণি লোৱা, নোলোৱা, খাব পৰা অথবা খাব নোৱৰা, কথা কোৱা, হঁহা-কন্দা আদি বিভিন্ন সামাজিক ব্যাপাৰৰ সৈতে নিষিদ্ধ আচৰণ সম্পৃক্ত হৈ আছে।

অসমৰ পৰম্পৰীণ সাধুকথাৰ পৰিসৰত নিষিদ্ধ আচৰণ বিশিষ্ট সাধুৰ অভাৱ নাই। 'ঢোৰা কাউৰী আৰু টুনী'ৰ সাধুকথাত টুনীয়ে ঢোৰা কাউৰীক কৈছে যে সাগৰত মুখ ধুই আহিহে ঢোৰা কাউৰীয়ে টুনীক খাব পাৰিব। 'বান্দৰ আৰু শিয়াল' সাধুকথাত শিয়ালে ৰজাৰ ঢবাটো বজাবলৈ বান্দৰক বাৰণ কৰিছিল।

(ণ) অজাচাৰী সাধুকথা (Incestaous Tale) ঃ কোনো এটা কেন্দ্ৰীয় পৰিয়ালৰ স্বামী-স্ত্ৰীৰ বাহিৰে আন পৰিয়ালৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত যৌন নিষিদ্ধাচৰণ ভংগৰ আন নাম অজাচাৰ আৰু ইয়াৰ আধাৰত পল্লৱিত সাধুকথাৰ নাম অজাচাৰী বা যৌন নিষিদ্ধ সাধুকথা।

অসমৰ বিভিন্ন সমাজত অজাচাৰী সাধুৰ অভাৱ নাই। ডিমাছাসকলৰ মাজত প্ৰচলিত 'ডিক্ৰু' মালিতা আৰু সাধুত পিতৃ-কন্যাৰ সম্পৰ্কৰ আভাস পোৱা যায়। বৰোসকলৰ মাজত প্ৰচলিত 'ৰাওনা-ৰাউনী', 'ঝাৰা ফাগলা' আদি সাধু বা 'মেথায়'ত অজাচাৰৰ ইংগিত পোৱা যায়। অসমীয়া ভাষাত প্ৰচলিত 'পানেচৈ'তো ভাতৃ-ভগ্নীৰ অজাচাৰিত্বৰ আভাস পোৱা যায়।

### ১.৮ মন্ত্ৰ

মন্ত্ৰ মুখে মুখে প্ৰচলিত গীত-পদৰ দৰে। পৰৱৰ্তী কালত গীত-পদৰ দৰেই মন্ত্ৰই লিখিত ৰূপ লাভ কৰে। সেইবাবে মন্ত্ৰক অনেকে মৌখিক সাহিত্য বোলে। গীত-পদৰ দৰে মন্ত্ৰ আবৃত্তিটো অভিনয় জড়িত; যিহেতু বেজে অভিনয় কৰিহে বিহটেকীয়াৰ পাত, পচতীয়া, বিহলঙনী, নৰসিংহ, কলাকচুৰ পাত লৈহে ন-কাপোৰেৰে মন্ত্ৰ আংগিক অভিনয়সহ আবৃত্তি কৰে।

মন্ত্ৰৰ পৰম্পৰা প্ৰাক্ ঐতিহাসিক যুগৰপৰা চলি আহিছে। ঋক্ বেদ আদিৰ মন্ত্ৰৰ কথা আমি আটায়ে জানো। 'মন্ত্ৰ' শব্দটোৰ উদ্ভৱ হৈছে মন্ত্ৰ ধাতুৰ পৰা। শব্দটোৰ ব্যুৎপত্তি এনেদৰে দেখুৱাব পাৰি— মন্ত্ৰ—ঘঞ কৰ্ম। ইয়াৰ অৰ্থ ক, 'to

speak', কথাগত, আলাপ, উপদেশ প্ৰদান, উপদেশ গ্ৰহণ, চিন্তা কৰ্, গোপনীয়ভাৱে কথোপকথন কৰ্ ইত্যাদি।

মন্ত্ৰ দুবিধ— এবিধ প্ৰাৰ্থনামূলক আৰু আনবিধ ধমকি সূচক। ৰোগ-ব্যাধি উপশমৰ বাবে ওজা বা বেজে কৰা প্ৰাৰ্থনা বা স্তুতিৰ নাম প্ৰাৰ্থনা মন্ত্ৰ। যেনে—

*বন্দো বসন্ত কালী শ্যামাদেৱী মুণ্ডমালী*
*বিস্ফোট নাশিনী দুঃখতাৰী।*
*নাম যাৰ শীতলা বিবস্ত্ৰ শৰীৰ ভাশা*
*সৰ্বক্ষণে তুমি উপকাৰী।।*
*বিবস্ত্ৰ শৰীৰ যাৰ গাৱে শোভে অলঙ্কাৰ*
*দশোদিশ গাৱৰ বসন।*
*শুক্লকান্তি চতুৰ্ভুজা দেৱলোকে কৰে পূজা*
*বেদমাতা বৃষভ বাহন।।*

কিছুমান মন্ত্ৰত ধমক বা ধমকিৰ সুৰ স্পষ্ট। ৰোগ-ব্যাধিৰ প্ৰথম স্তৰত বিনয় বা প্ৰাৰ্থনামূলক মন্ত্ৰেৰে স্তুতি বা তুতি কৰা হয়। তাত কাম নহ'লে ধমক প্ৰধান বা ধমকি প্ৰধান মন্ত্ৰ প্ৰয়োগ কৰা হয়, বিশেষকৈ ভূত-প্ৰেত আদি খেদিবলৈ। বিষ-কোপ আদি নিৰাময়ৰ বাবেও ধমক বা ধমকি প্ৰধান মন্ত্ৰ প্ৰয়োগ কৰা হয়। যেনে—

*শ্ৰীমহাদেৱৰ হুংকাৰ।*
*চৈধ্য ভুৱনৰ দেখি নিৰন্তৰ।।*
*হুং হুং হুংকাৰ চাৰি যা লংকাৰ পাৰ।*
*নাহিবি অমুকাৰ ঘৰ-বাৰী সীমাই সঞ্চাৰ।।*

**আত্মমূল্যায়ন প্ৰশ্ন**

মন্ত্ৰ সাহিত্যৰ উদ্দেশ্য কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ১.৯ সাৰাংশ (Summing Up)

আন আন সমাজত সাহিত্য যিদৰে আদিতে মৌখিক পৰম্পৰাত চলি আছিল আৰু পৰৱৰ্তী কালতহে সেই সাহিত্য লিখিত পৰম্পৰাত প্ৰবেশ কৰিছে তেনেদৰে

অসমীয়া ভাষাতো জয়জয়তে মৌখিক পৰম্পৰাত গীত-পদ ৰচিত হৈছিল আৰু সেই গীত-পদবিলাকেই লোক সাহিত্য বা মৌখিক সাহিত্য আখ্যা দিয়া হয়। এই অভিধাটোৰ সলনি বাচিক কলা অভিধাটিহে প্ৰয়োগ কৰা উচিত। বাচিক কলা ব্যক্তিনিষ্ঠ ৰচনা নহয় বুলি ধৰা হয় যদিও ব্যক্তি বিশেষেই এইবোৰ সমাজলৈ ঠেলি দিয়ে আৰু তেতিয়া ই সমাজৰ সাহিত্য বা কলা হয়— এজনৰ মাজেৰেই বহুজনে আত্মপ্ৰকাশ কৰে।

মৌখিক সাহিত্য বা লোক সাহিত্যত ব্যক্তি চেতনাতকৈ সামাজিক চেতনাইহে অধিককৈ প্ৰাধান্য লাভ কৰে। জনসাধাৰণৰ আদৰ্শ, আশা-আকাংক্ষা, কামনা-বাসনা আদি প্ৰকাশ পায় বাচিক কলাৰ বিভিন্ন শ্ৰেণীৰ মাজেৰে। লোক সাহিত্য বা বাচিক কলা বিষয়বস্তুৰ ফালৰপৰা তলত দিয়াৰ দৰে ভাগ কৰি দেখুৱাব পাৰি। যেনে—

(ক) লোকগীত বা কবিতা, (খ) গদ্যধৰ্মী লোককথা, (গ) প্ৰবাদ-প্ৰবচন, যোজনা-পটন্তৰ, (ঘ) সাঁথৰ বা দিষ্ঠান, (ঙ) লোক ভাষা ইত্যাদি।

ইয়াৰ বাহিৰেও বিভিন্ন দৃষ্টিভংগীৰ পৰা লোক সাহিত্য তলত দিয়াৰ দৰে কেইটিমান ভাগত ভগাব পাৰি। যেনে—

(ক) জাতি-প্ৰজাতিগত শ্ৰেণী বিভাজন, (খ) তাত্ত্বিক শ্ৰেণী বিভাজন, (গ) বিষয়বস্তু অনুসৰি শ্ৰেণী বিভাজন, (ঘ) প্ৰকাৰ্যাত্মক শ্ৰেণী বিভাজন, (ঙ) অনুষংগগত শ্ৰেণী বিভাজন, (চ) আঞ্চলিক শ্ৰেণী বিভাজন আদি।

লোক সাহিত্যৰ উপৰুৱা অৰ্থতকৈ ভিতৰুৱা অৰ্থৰ তাৎপৰ্যহে অধিক গুৰুত্বপূৰ্ণ। লোক সাহিত্যই লিখিত পৰম্পৰাত প্ৰৱেশ কৰিব পাৰে আৰু লিখিত সাহিত্যয়ো লোক সাহিত্যত প্ৰৱেশ কৰিব পাৰে।

**১.১০ আৰ্হি প্ৰশ্ন (Sample Questions)**

১। মৌখিক সাহিত্য অখ্যাত কবিৰ বিখ্যাত ৰচনা হয় নে নহয় বিচাৰ কৰক।

২। লোক সাহিত্য ব্যক্তিনিষ্ঠ নে বস্তুনিষ্ঠ ৰচনা বিচাৰ কৰক।

৩। মৌখিক সাহিত্য আৰু লিখিত সাহিত্যৰ মাজত ৰক্ষিত হৈ অহা সম্পৰ্কৰ বিষয়ে আলোচনা কৰক।

৪। লোক সাহিত্যৰ মাজেৰে লোক মনটোৰ পৰিচয় কিদৰে পোৱা যায় আলোচনা কৰক।

৫। পৰম্পৰাৰ সৈতে লোক সংস্কৃতিৰ কিদৰে সম্পৰ্ক ৰক্ষিত হৈ আহিছে আলোচনা কৰক।

৬। লোক সাহিত্যত সমাজ জীৱনৰ প্ৰতিফলন এই সন্দৰ্ভত এটি প্ৰবন্ধ ৰচনা কৰক।

৭। লোক সাহিত্যৰ শ্ৰেণী বিভাজন কৰিবলৈ চেষ্টা কৰক।

৮। অসমীয়া কাহিনীৰ কথাবস্তু, শ্ৰেণী বিভাজন আৰু নান্দনিক বৈশিষ্ট্য সম্পৰ্কে এটি বিশ্লেষণশীল প্ৰবন্ধ ৰচনা কৰক।

৯। অসমীয়া সাধুকথাৰ শ্ৰেণী বিভাজন আৰু বিষয়বস্তু সম্পৰ্কে এটি বিশ্লেষণশীল নিবন্ধ ৰচনা কৰক।

১০। অসমীয়া প্ৰবচন, যোজনা, পটন্তৰ আদিৰ বিষয়ে লিখক।

১১। অসমীয়া সাঁথৰ সম্পৰ্কে বিচাৰ-বিশ্লেষণ কৰক।

## ১.১১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| উপেন্দ্ৰনাথ শৰ্মা (সম্পা.) | : | *অসমৰ লোক সংস্কৃতি* |
| ডিম্বেশ্বৰ নেওগ | : | *আকুল পথিক* |
| (——) | : | *ভোগজৰা* |
| নকুল চন্দ্ৰ ভূঞা (সম্পা.) | : | *বৰঙনী* |
| নবীন চন্দ্ৰ শৰ্মা | : | *লোক সংস্কৃতি* |
| প্ৰফুল্লদত্ত গোস্বামী | : | *অসমীয়া জন সাহিত্য* |
| (——) | : | *বাৰমাহৰ তেৰ গীত* |
| প্ৰবীণ চন্দ্ৰ দাস | : | *অসমীয়া ভাষা আৰু সাহিত্যৰ কথা* |
| বিৰিঞ্চি কুমাৰ বৰুৱা | : | *অসমৰ লোক সংস্কৃতি* |
| বিশ্বেশ্বৰ হাজৰিকা (সম্পা.) | : | *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড)* |
| মহেশ্বৰ নেওগ | : | *অসমীয়া গীতি সাহিত্য* |
| (——) | : | *চটাই পৰবত আৰু ছিৰি লুইত* |
| লীলা গগৈ | : | *অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা* |
| সূৰ্য্যকুমাৰ ভূঞা | : | *বৰফুকনৰ গীত* |
| হেমন্ত কুমাৰ শৰ্মা | : | *অসমীয়া লোক সাহিত্য* |
| Alan Dundes [Ed.] | : | *The Study of Folklore* |
| (——) | : | *Essay in Folkloristics* |
| Maria Leach [Ed.] | : | *Standard Disctionary of Folklore, Mythology and Legend* |
| Praphulladatta Goswami | : | *Folk Literature of Assam* |
| | : | *Ballads and Tales of Assam* |
| (——) | : | *Tales of Assam* |
| R. M. Dorson [Ed.] | : | *Folklore and Folklife : An Introduction* |
| (——) | : | *Folklore in the Modern World* |
| W. R. Bascom | : | *Contributions to Folkloristics* |


●●●

# অসমীয়া লিখিত সাহিত্যৰ কেঁহুজালি ঃ চৰ্যাপদ আৰু মিশ্ৰ-অসমীয়া সাহিত্য

বিভাগৰ গঠন ঃ

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ চৰ্যাপদ বা চৰ্যাগীত
২.৩.১ চৰ্যাপদৰ ৰচনা পদ্ধতি
২.৩.২ চৰ্যাপদৰ ৰচকসকল
২.৩.৩ চৰ্যাপদৰ বিষয়বস্তু, ধৰ্ম আৰু দৰ্শন
২.৩.৪ চৰ্যাপদৰ ভাষা
২.৩.৫ চৰ্যাপদত তৎকালীন সমাজৰ চিত্ৰ
২.৪ *শ্ৰীকৃষ্ণ-কীৰ্তন*
২.৪.১ কবি বড়ু চণ্ডীদাসৰ পৰিচয়
২.৪.২ *শ্ৰীকৃষ্ণ-কীৰ্তন*ৰ বিষয়বস্তু
২.৪.৩ *শ্ৰীকৃষ্ণ-কীৰ্তন*ৰ ৰাগ-তাল
২.৫ সাৰাংশ (Summing Up)
২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ২.১ ভূমিকা (Introduction)

উত্তৰ-পূব ভাৰতৰ বৌদ্ধ সিদ্ধাচাৰ্যসকলৰদ্বাৰা ৰচিত চৰ্যাপদসমূহ অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন। অকল ভাষাৰে নহয়, তৎকালীন অসম তথা উত্তৰ-পূব ভাৰতৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰো এক দলিল স্বৰূপ। অসমীয়াৰ লগতে একে সময়তে উদ্ভব হোৱা বাংলা, উৰিয়া আৰু আন মগধীয় ভাষাৰো প্ৰাচীন লিখিত নিদৰ্শন হিচাপে বিবেচিত হোৱা চৰ্যাপদ অধ্যয়ন কৰি আপোনালোকে ইয়াৰ ভাষাৰ লগত থকা অসমীয়া ভাষাৰ মিল-অমিল বিচাৰ কৰিব পাৰিব। লগতে ৰাগ-তালযুক্ত এই গীতবোৰৰ লগত শঙ্কৰ-মাধৱ বিৰচিত বৰগীতৰ ৰচনাৰীতিৰ সাদৃশ্য বিচাৰ কৰি চৰ্যাপদত প্ৰতিফলিত তৎকালীন সামাজিক আৰু সাংস্কৃতিক জীৱনৰ ব্যাখ্যা দাঙি ধৰিবও পাৰিব। চৰ্যাপদৰ পাছৰ আৰু বিশুদ্ধ অসমীয়া সাহিত্যৰ সমসাময়িক বা ঠিক অব্যৱহিত আগৰ বুলি সিদ্ধান্ত কৰা বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ-কীৰ্তন*তে থাইকৈ ধ্বনিগত, ৰূপগত আৰু শব্দগত নিশৰপৰা অসমীয়া ভাৱহি প্ৰায় পূৰ্ণ বিকশিত ৰূপ লাভ কৰিলে। বিষয়বস্তুৰ ফালৰ পৰাও ই ৰাধা-কৃষ্ণৰ লীলা-

এখন তালপাতত লেখা পুথি। হৰপ্ৰসাদ শাস্ত্ৰীয়ে গানবোৰক বৌদ্ধ কীৰ্তন, বৌদ্ধ সংকীৰ্তন বুলি অভিহিত কৰিছে। চৰ্যাপদ নামটিও তেৰেঁই দিছে। টীকাকাৰ মুনিদত্তই গীত, পদ আৰু বেছিভাগ ঠাইত 'চৰ্যা' বুলি উল্লেখ কৰিছে। 'চৰ্যা' শব্দটি এটি পৰিভাষিক শব্দ; ইয়াৰ অন্তৰ্নিহিত তাৎপৰ্য হ'ল সহজযান ধৰ্মত পালন কৰিবলগীয়া বা আচৰণ কৰিবলগীয়া নীতিকথা।

### ২.৩.১ চৰ্যাপদৰ ৰচনা পদ্ধতি

চৰ্যাসমূহ সাধাৰণতে দহপদীয়া। কোনো কোনো চৰ্যাত চৈধ্যটা (১০, ২৮, ৫০ নং চৰ্যা), বাৰটা (২১, ২২ নং চৰ্যা), উনৈশটা (৩৯ নং চৰ্যা) আৰু ছটা (২৩ নং চৰ্যা) শাৰীও দেখা যায়। মাত্ৰাবৃত্ত ছন্দত ৰচিত চৰ্যাপদবোৰ অন্ত্যানুপ্ৰাসযুক্ত। সুৰ লগাই গাবৰ কাৰণে ৰচিত চৰ্যাপদবোৰ বৰগীতৰ দৰে ৰাগ প্ৰধান। ইয়াত মুঠতে ১৬ বিধ ৰাগৰ ব্যৱহাৰ আছে আৰু তাৰ ভিতৰত পটমঞ্জৰী ৰাগৰ ব্যৱহাৰ আটাইতকৈ বেছি; বৰগীততো চৰ্যাত ব্যৱহৃত পটমঞ্জৰী আৰু বৰাড়ী ৰাগৰ বিশেষ ব্যৱহাৰ দেখা যায়। বৰগীতৰ দৰে চৰ্যাপদবো শেষৰ ফালে ৰচকৰ ভণিতা আছে আৰু প্ৰতিটো গীতৰ দুশাৰী, তিনিশাৰী বা চাৰি শাৰীৰ মূৰে মূৰে ধ্ৰুং বা ধ্ৰুৱ নিৰ্দেশ কৰা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

চৰ্যাপদৰ ৰচনা পদ্ধতি কেনেকুৱা ধৰণৰ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

### ২.৩.২ চৰ্যাপদৰ ৰচকসকল

চৰ্যাপদবোৰৰ ৰচনাকাল অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকা বুলি সিদ্ধান্ত কৰা হৈছে। সেই হিচাপে ইয়াৰ কবিসকলো সেই সময়ছোৱাৰে হ'ব। চৰ্যাৰ কবিসকল হ'ল : ভুসুকপাদ, কাহ্নুপাদ, সৰহপাদ, কুক্কুৰীপাদ, লুইপাদ, শবৰপাদ, শান্তিপাদ, বিৰুঅপাদ, চাটিল্লপাদ, কামলিপাদ, ডোম্বীপাদ, ঢেঁন্টণপাদ, মহীধৰপাদ, বীণাপাদ, গুণ্ডৰীপাদ, ভাদেপাদ, আৰ্য্যদেৱপাদ, দাৰিকপাদ, কঙ্কণপাদ, তাড়কপাদ, জয়নন্দীপাদ, ধামপাদ আৰু তন্ত্ৰীপাদ। এই চৰ্যাৰচকসকল মহাযানী বৌদ্ধতান্ত্ৰিক চৌৰাশী সিদ্ধৰ

অন্তৰ্গত। চৰ্যাগীতকসকলৰ আত্ম পৰিচয় আৰু বংশ পৰিচয় পোৱা নাযায়। তেওঁলোকৰ জন্মস্থানো অজ্ঞাত। কোনো কোনো সমালোচকে সৌৰাষ্ট্ৰ, কপিলাবস্তু, নালন্দা, গৌড়, বঙ্গালদেশ, উজ্জয়িনী, শ্ৰাৱস্তী আৰু কামৰূপত ক্ৰমে কাহ্ন, ভুসুকপাদ, কুক্কুৰীপাদ, আৰ্য্যদেৱ, বীণা, জয়নন্দী, তন্ত্ৰী, ভাদে আৰু লুইপাদ-সৰহপাদ-মীননাথক সংস্থাপন কৰিব খোজে।

২.৩.৩ চৰ্যাপদৰ বিষয়বস্তু, ধৰ্ম আৰু দৰ্শন

চৰ্যাপদবোৰৰ বিষয়বস্তু ৰহস্যময়ভাৱে গূঢ় প্ৰকৃতিৰ। চিত্তৰ লগত বিষয় সম্পৰ্কৰ বিচ্ছেদ ঘটাই, সকলো বাহ্যিক ভেদভাৱ বিলুপ্ত কৰি চিত্তক শূন্যতাত প্ৰতিষ্ঠা কৰাই ইয়াৰ মূল কথা। এই শূন্যতাবোধৰ লগত করুণাৰ সংযোগ ঘটিলে চিত্তই নিৰ্বাণ লাভ কৰে।

চৰ্যাপদবোৰ সহজযানী ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা হৈছিল। সহজযান তন্ত্ৰযানৰ অন্তৰ্গত এটি শাখা; ই মহাযানী বৌদ্ধধৰ্মৰেই পৰিৱৰ্তিত ৰূপ। খৃষ্টীয় সপ্তম শতিকা মানৰপৰা মহাযানবাদৰ বিবৰ্তন ঘটি বৌদ্ধতান্ত্ৰিক মতবাদ বা তন্ত্ৰযানৰ উদ্ভৱ হয়। অষ্টম শতিকাৰপৰা সহজযান ধৰ্মই গা কৰি উঠে। এই ধৰ্মৰ মূল লক্ষ্য হ'ল নিৰ্বাণ লাভ কৰা।

চৰ্যাপদৰ দাৰ্শনিক পটভূমি গঠিত হৈছে মহাযানী বৌদ্ধধৰ্মৰ অন্তৰ্গত বিভিন্ন দাৰ্শনিক সম্প্ৰদায়ৰ মতবোৰৰ দ্বাৰা। এই মতবোৰৰ ভিতৰত দুটা প্ৰধান মত হৈছে নাগাৰ্জুন প্ৰৱৰ্তিত শূন্যবাদ বা মাধ্যমিকবাদ আৰু আনটো হ'ল মৈত্ৰেয়, অসঙ্গ, বসুবন্ধু প্ৰৱৰ্তিত বিজ্ঞানবাদ বা যোগাচাৰবাদ। চৰ্যাপদত এই দুয়োটা মতবাদৰ মিশ্ৰিত ৰূপ দেখা যায়। সহজীয়াসকলে কায় সাধনাত গুৰুত্ব দিয়ে। যোগ-অভ্যাসক এওঁলোকে বোধি লাভৰ উত্তম পন্থা বুলি ভাবে। কিছুমানে ধ্যান প্ৰক্ৰিয়াকো নিৰ্বাণ লাভৰ পথ বুলি মানে। নিৰ্বাণ মানে জাগতিক বাসনাৰ নিবৃত্তি, পাৰ্থিৱ জীৱনৰ সমাপ্তি আৰু তাৰ অন্তত মহাসুখ প্ৰাপ্তি। ভৱ দুখময় আৰু তাৰ নিবৃত্তিয়েই নিৰ্বাণ; নিৰ্বাণ সুখময়; ই বৈষ্ণৱ ধৰ্মৰ মোক্ষ প্ৰাপ্তিৰ নিচিনা।

এই সুখবাদৰ ওপৰতে সহজযানীসকলে বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই সহজসুখ বা সহজ আনন্দকে সহজীয়াসকলে শূন্যতা বা তথতাৰ (ধৰ্মকায়) সহচৰী অৱধূতিকা নৈৰাত্মা দেৱী বুলি কল্পনা কৰিছে। তেওঁলোকৰ মতে ধৰ্মকায়ত মিলি যোৱা মানেই হ'ল নৈৰাত্মাদেৱীৰ লগত মিলি মহাশূন্যত বিলীন হৈ পৰা; জীৱাত্মাই সাধনাৰ বলত পৰমাত্মাৰ লগত লীন হৈ পৰা অৱস্থাৰ দৰে।

সহজীয়া পন্থীসকল অদ্বৈতবাদী। তেওঁলোকৰ মতে ধৰ্মকায়ত বোধিচিত্ত অধিষ্ঠিত হ'লে জগতৰ দ্বৈতভাৱ লোপ পায় আৰু পিছত অদ্বৈত জ্ঞান লাভ কৰি মহাসুখত বিলীন হয়। এই অদ্বৈত জ্ঞান লাভ আৰু মহাসুখ প্ৰাপ্তিৰ উদ্দেশ্যে সাধকসকলে বজ্ৰগুৰুৰপৰা উপদেশ ল'ব লাগে। সেয়েহে চৰ্যাপদবোৰ গুৰুমুখী, গুৰুৰ উপদেশ বিনে সাধনাত সিদ্ধিলাভ অসম্ভৱ। সহজীয়া ধৰ্মৰ যিবোৰ তত্ত্বমূলক শাস্ত্ৰ আৰু দোহা-পদ ৰচিত হৈছে সেইবোৰ দ্ব্যৰ্থক পাৰিভাষিক শব্দ, বিবিধ উপমা, ৰূপক আৰু অস্পষ্ট প্ৰতীকি ভাষাৰে সমৃদ্ধ। সেয়েহে গুৰু অবিহনে এইবোৰৰ তাৎপৰ্য অনুধাৱন কৰাটো সম্ভৱ নহয়। তদুপৰি নিৰ্বাণ লাভ আৰু মহাসুখ প্ৰাপ্তিৰ কাৰণে বিবিধ প্ৰকাৰৰ যি যোগ সাধনাৰ প্ৰয়োজন,

সেই যোগ সাধনাৰ বিভিন্ন প্ৰক্ৰিয়া, ক্ৰম, অগ্ৰগতি আৰু সফলতা সম্পৰ্কে গুৰুৱে সাংকেতিক ভাষাৰে সাধকক বুজাই দিয়ে। চৰ্যাবোৰ পৰ্যালোচনা কৰিলে সহজীয়া ধৰ্মৰ তিনিটা দিশ স্পষ্ট হয় : দাৰ্শনিক তত্ত্ব সম্বন্ধীয়, যোগ সম্বন্ধীয় আৰু তন্ত্ৰ সম্বন্ধীয়। গুৰুৱে এই সকলো দিশৰ ধ্যান-ধাৰণা সাধকক প্ৰতীকি ভাষাৰে অৱগত কৰে। গতিকে সহজীয়া ধৰ্মত গুৰুত শৰণ আৰু দীক্ষা নলʼলে সেই ধৰ্মৰ গূঢ়াৰ্থ হৃদয়ংগম কৰিব নোৱাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

চৰ্যাপদৰ দাৰ্শনিক ভিত্তি কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ২.৩.৪ চৰ্যাপদৰ ভাষা

ঐতিহাসিক দৃষ্টিকোণৰপৰা চৰ্যাপদৰ ভাষা হৈছে পূৰ্বী অপভ্ৰংশৰ শেষ স্তৰৰ ভাষা পূৰ্বী অৱহট্‌ঠ। ই অপভ্ৰংশতকৈও সৰলীকৃত এটি ভাষা। কিন্তু সহজীয়া সাধকসকলৰ গুপ্ত সাধনতত্ত্ব নিহিত থকা এই চৰ্যাপদবোৰৰ ভাষাক ৰহস্যময় কৰি তুলিছে ইয়াত ব্যৱহৃত বিভিন্ন পাৰিভাষিক শব্দ আৰু নানা উপমা-ৰূপক আদিয়ে। সেয়েহে চৰ্যাৰ ভাষাক 'সন্ধ্যাভাষা' বোলা হৈছে। হৰপ্ৰসাদ শাস্ত্ৰীৰ মতে ইয়াৰ ভাষা "আলো আঁধাৰি ভাষা, কতক আলো কতক অন্ধকাৰ, খানিক বুঝা যায়, খানিক বুঝা যায় না।" টীকাকাৰ মুনিদত্তইও চৰ্যাপদৰ গূঢ়তত্ত্ব ব্যাখ্যা কৰোঁতে প্ৰসংগ অনুযায়ী 'সন্ধ্যাসংকেত', 'সন্ধ্যাবচন' আৰু 'সন্ধ্যা' এনে শব্দৰদ্বাৰা বিষয়বস্তুৰ গূঢ়াৰ্থ দাঙি ধৰিছে। পন্থৰ পবিত্ৰতা, সাধন প্ৰণালীৰ গোপনীয়তা আৰু গুহ্যতত্ত্বৰ গুৰুত্ব ৰক্ষা কৰাটো সন্ধ্যাভাষাৰ বিশেষত্ব। সেয়েহে চৰ্যাত সৰ্বসাধাৰণে সহজে বুজি নোপোৱা বিভিন্ন পাৰিভাষিক শব্দ, সাধাৰণ শব্দ, ধ্ৰুৱপদ, ব্যাজস্তুতি, উৎপ্ৰেক্ষা, উপমা আৰু ৰূপক অলংকাৰৰ ব্যৱহাৰ দেখা যায়। চৰ্যাৰ ভাষা পৰীক্ষা কৰিলে দুই ধৰণৰ ভাষা ইয়াত পৰিদৃষ্ট হয় : সাধনতত্ত্বৰ গূঢ়াৰ্থ বুজাবলৈ ব্যৱহৃত সন্ধ্যা ভাষা বা সাংকেতিক ভাষা আৰু চৰ্যাপদকালীন জনসাধাৰণৰ মুখৰ কথিত ভাষা। মন কৰিবলগীয়া যে এই কথ্য ভাষাটো আছিল যাইকৈ সুবিশাল প্ৰাচীন কামৰূপ,

গৌড়দেশ, মগধ আৰু উৎকল— এই সমগ্ৰ উত্তৰ-পূব ভাৰতৰ এটি উমৈহতীয়া কথ্য ভাষা। সেয়েহে চৰ্যাৰ ভাষাত এই কেউটা অঞ্চলৰ ভাষিক বৈশিষ্ট্য মিহলি হৈ আছে। ফলত এই কেউটা অঞ্চলৰ ভাষিক গোষ্ঠীয়ে চৰ্যাপদবোৰক নিজৰ নিজৰ বুলি দাবী কৰে।

মনকৰিবলগীয়া কথা যে চৰ্যাপদবোৰ অসমীয়া, বাংলা, উৰিয়া, ভোজপুৰী, মগধী আৰু মৈথিলী এই কেউটা মগধীয় ভাষাই স্বতন্ত্ৰ ৰূপ লোৱাৰ ঠিক পূৰ্ববৰ্তী স্তৰৰ ৰচনা। সেই হিচাপে ইয়াৰ ভাষা পূৰ্বী অৱস্থা— যিটো কেউটা মগধীয় ভাষাৰে মূল উৎস। সেয়েহে চৰ্যাপদবোৰত কেউটা মগধীয় ভাষাৰ ভাষিক বৈশিষ্ট্য সংমিশ্ৰিত হৈ আছে।

চৰ্যাপদৰ ৰচক তেইশ গৰাকী সিদ্ধাচাৰ্য। সমালোচকসকলৰ মতে এওঁলোক আছিলে পূৰণি কামৰূপ, বঙ্গদেশ, উৰিষ্যা আৰু বিহাৰৰ লোক। সিদ্ধাচাৰ্যসকলে সহজীয়া সাধনতত্ত্ব প্ৰতীকি ভাষাৰে প্ৰকাশ কৰিবলৈ যাওঁতে কৃষিভিত্তিক পূব ভাৰতীয় সমাজখনৰপৰা ভালেমান উপমা, ৰূপক, প্ৰতীক আদি গ্ৰহণ কৰি এই গীতবোৰত ব্যৱহাৰ কৰিছে, ফলত এই ৰহস্যময় গীতবোৰৰ মাজত পূব ভাৰতীয় সমাজখনৰ ভালেমান খণ্ডিত ৰূপ উজ্জ্বলি আছে।

অনুষ্টুভ, পাদাকুলক, পয়াৰ আদি বিবিধ মাত্ৰাবৃত্ত ছন্দত ৰচিত চৰ্যাপদবোৰ প্ৰস্তু অসমীয়া গীতি সাহিত্যৰ প্ৰথম নিদৰ্শন। তান্ত্ৰিক বৌদ্ধধৰ্মৰ সহজীয়া মতবাদ বহন কৰা চৰ্যাবোৰৰ কিছুমানত পঞ্চস্কন্ধ, দশ ইন্দ্ৰিয়, চিত্ত-বুদ্ধি-মন, জীৱ-দেহ আদিৰ তত্ত্ব দাঙি ধৰা হৈছে। পৰৱৰ্তী কালৰ অসমীয়া 'দেহ বিচাৰ গীত'ত এনেবোৰ চৰ্যাপদৰ প্ৰভাৱ মন  কৰিবলগীয়া। চৰ্যাপদবোৰ ৰাগভিত্তিক। উত্তৰকালীন অসমীয়া ভাষাৰ দ্বিতীয় নিদৰ্শন *শ্ৰীকৃষ্ণ কীৰ্তন* আৰু তাৰো পৰৱৰ্তী কালৰ বৰগীতত ৰাগৰ ব্যৱহাৰে চৰ্যাপদৰ প্ৰভাৱলৈকে আঙুলিয়ায়। মুঠতে অসমীয়া ভাষাৰ উদ্ভৱৰ কালছোৱাৰ ভাষা আৰু গীতি সাহিত্যৰ এটা সম্যক ধাৰণা চৰ্যাপদবোৰে বহন কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

চৰ্যাপদৰ ভাষাই অসমীয়া ভাষাৰ কোনটো সময়ক প্ৰতিনিধিত্ব কৰে? (২০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

২.৩.৫ চৰ্যাপদত তৎকালীন সমাজ চিত্ৰ

চৰ্যাপদৰ সমাজখন তৎকালীন উচ্চ বা অভিজাত শ্ৰেণীৰপৰা পৃথক এখন কৃষিভিত্তিক নিম্ন শ্ৰেণীৰ লোক সমাজ। উচ্চ শ্ৰেণীৰ ব্ৰাহ্মণক ইয়াত ৰূপকৰ ছলেৰেহে উপস্থাপন কৰা হৈছে। ডোম, হাড়ী, শুড়ী, তাঁতী, চণ্ডাল, শবৰ, যোগী, কাপালিক, ব্যাধ, সুতাৰ, সোণাৰী, নট, ভাট, কুমাৰ আদি বৃত্তিধাৰী সম্প্ৰদায়ৰ লোকক ইয়াত উপমা-ৰূপক হিচাপে ব্যৱহাৰ কৰি সহজীয়া সাধনতত্ত্ব প্ৰকাশ কৰা হৈছে। মুঠতে বিবিধ ছন্দ, ৰাগতাল, অলংকাৰ, ফকৰা-যোজনা আদিৰে সমৃদ্ধ প্ৰাচীনতম লিখিত অসমীয়া গীত-পদৰ ইতিহাসত চৰ্যাপদৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

২.৪ *শ্ৰীকৃষ্ণ-কীৰ্ত্তন*

উন্মেষকালীন অসমীয়া ভাষাৰ দ্বিতীয় সাহিত্যিক নিদৰ্শন হ'ল বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ-কীৰ্ত্তন*। চৰ্যাপদৰ দৰে *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* উদ্ধাৰকৰ্তাও বঙালী পণ্ডিত বসন্তৰঞ্জন ৰায়। তেওঁ এই পুথিখন বাঁকুৰা জিলাৰ বন বিষ্ণুপুৰৰ এজন ব্ৰাহ্মণৰ ঘৰৰপৰা উদ্ধাৰ কৰি সম্পাদনা কৰে আৰু ১৯১৬ চনত বঙ্গীয় সাহিত্য পৰিষদৰপৰা সেইখন ছপা হৈ ওলায়। কাব্যখন প্ৰকাশ হৈ ওলোৱাৰ লগে লগে ইয়াৰ ভাষাই অসমীয়া পণ্ডিতসকলৰো দৃষ্টি আকৰ্ষণ কৰে। কিয়নো *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* ভাষা পুৰণি অসমীয়া ভাষাৰ লগত আশী শতাংশই একে। সংক্ষেপে ক'বলৈ গ'লে *শ্ৰীকৃষ্ণ-কীৰ্ত্তন* চৰ্যাপদ আৰু প্ৰাক্ শঙ্কৰী যুগৰ বিশুদ্ধ অসমীয়া ভাষাৰ মাজৰ স্তৰটোৰ ভাষাৰ একমাত্ৰ নিদৰ্শন। ড° বাণীকান্ত কাকতিৰ মতে অসমীয়া, বাংলা আদি ভাষা স্পষ্টৰূপে পৃথক হৈ ওলোৱাৰ আগৰ যিটো সাধাৰণ ৰূপ আছিল *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* ভাষা তাৰে প্ৰতিভূ। কাব্যখনিত অসমীয়া ভাষাৰ পৰ্যাপ্ত উপাদান দেখি বাংলা ভাষাৰ খাঁটি নিদৰ্শন বুলি ভবা বাংলা পণ্ডিতেও এই পুথিখনে কামৰূপ ভ্ৰমণ কৰি অহা বুলি কৈছে।

বসন্তৰঞ্জন ৰায় সম্পাদিত *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* বৰ্তমানলৈকে নটা সংস্কৰণ প্ৰকাশ পাইছে। তেওঁৰ পৰৱৰ্তী সম্পাদক অমিত্ৰসূদন ভট্টাচাৰ্যৰ সম্পাদনাতো আঠোটা সংস্কৰণ প্ৰকাশ হৈ ওলাইছে। কাব্যখনিৰ সামগ্ৰিক দিশ সামৰি আন ভালেমান বঙালী পণ্ডিতে আলোচনা কৰিছে আৰু বাংলা সাহিত্যৰ বুৰঞ্জীতো ইয়াৰ পৰ্যাপ্ত আলোচনা আছে। কিন্তু কাব্যখনিৰ ভাষা আশী শতাংশই অসমীয়া হোৱা সত্ত্বেও অসমীয়া ভাষাত কাব্যখনি বহু দেৰিকৈ সম্পাদিত হৈ ওলাইছে। ড° লীলাৱতী শইকীয়া বৰাৰ সম্পাদনাত গ্ৰন্থখনিৰ এটি সম্পাদিত ৰূপ অসমীয়া ভাষাত ওলাইছে। ইয়াৰ উপৰি অসমীয়া সাহিত্যৰ বুৰঞ্জীত থকা নাতিদীৰ্ঘ আলোচনা আৰু ডিম্বেশ্বৰ নেওগ, ড° উপেন্দ্ৰনাথ গোস্বামী দুগৰাকীমান পণ্ডিতৰ ভাষা বিষয়ক আলোচনাৰ বাহিৰে *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* বিষয়ে বিস্তৃত আলোচনা হোৱা নাই। ইয়াৰ প্ৰধান কাৰণ হৈছে *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* বিষয়বস্তু। ৰাধা-কৃষ্ণৰ লৌকিক পৰকীয়া প্ৰেমলীলাক কেন্দ্ৰ কৰি ৰচনা কৰা গাঢ় আদিৰসযুক্ত এই কাব্যৰ বিষয়বস্তু বিষ্ণু-কৃষ্ণকে একমাত্ৰ উপাস্য দেৱতা ৰূপে বন্দনা কৰা অসমীয়া বৈষ্ণৱ সমাজৰ কাৰণে মুঠেই গ্ৰহণযোগ্য নহয়। ড° সুকুমাৰ সেনৰ মতে বিষয়বস্তুৰ

ফালৰপৰা কাব্যখনৰ মানদণ্ড ইমানেই নিম্নখাপৰ যে আনকি ৰাধা-কৃষ্ণৰ যুগল মূৰ্তিৰ উপাসক সহজীয়া বঙালী শিষ্ট বৈষ্ণৱসকলৰ কাৰণেও ই ৰুচি সম্মত নহয়।

### ২.৪.১ কবি বড়ু চণ্ডীদাসৰ পৰিচয়

প্ৰায়বোৰ প্ৰাচীন কবিৰ দৰেই বড়ু চণ্ডীদাসেও তেওঁৰ কাব্য পৰিচয়, জন্মস্থান আৰু কালৰ বিষয়ে কাব্যৰ মাজত কোনো ইংগিত দি যোৱা নাই। *শ্ৰীকৃষ্ণ-কীৰ্ত্তন* কাব্যখনি আদ্যন্ত খণ্ডিত, ভিতৰৰ কেইবাটাও পৃষ্ঠা হেৰাইছে বা নষ্ট হৈছে। তাত তেওঁৰ কিবা পৰিচয় আছিল যদিও জনা নাযায়। তেওঁৰ নিজৰ পৰিচয় সম্পৰ্কত প্ৰাপ্ত কাব্যখনিত মাত্ৰ দুটা কথা পোৱা যায় ঃ এটা হ'ল তেওঁৰ নিজৰ নাম আৰু আনটো হ'ল তেওঁৰ আৰাধ্যা বা উপাস্য দেৱীৰ নাম। এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে তেৰটা খণ্ডত বিভক্ত *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* প্ৰথম পাতটি বিলুপ্ত। মাজৰ খণ্ড বিলাকৰো কেইবাটাও পাত নাই। প্ৰথম খণ্ডৰ আৰম্ভণিৰ পাঁচটা পদ নাই, ছয় নং পদৰো শেষৰ দুটা শব্দহে আছে। আঠ নং পদৰ শেষৰ শাৰীটো নাই। ১৯, ২০, ৩৬, ৩৭, ৮৭, ৮৮, ১৮২, ১৯২, ১৯৩, ২০৩, ২২৫, ২৭৭, ২৭৮ আৰু ৪১৮ নং গীতকেইটি খণ্ডিত। এই খণ্ডিত গীতবোৰৰ বিলুপ্ত অংশত কবিৰ পৰিচয়সূচক কিবা বৰ্ণনা আছিল যদিও তাক জানিবৰ উপায় নাই। কাব্যখনৰ ৪১৮টা গীতৰ ভিতৰত ৩৪০ টা গীতৰ শেষৰ ভণিতাত উল্লেখ থকাৰ পৰা কবি গৰাকীৰ দুটা নাম পোৱা যায় ঃ বড়ু চণ্ডীদাস আৰু অনন্ত বা অনন্ত বড়ু। অনন্ত বড়ু নামটি মাত্ৰ সাতবাৰ উল্লেখ হৈছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে 'অনন্ত' কবিগৰাকীৰ আচল নাম, 'বড়ুৱা'ৰপৰা হোৱা 'বড়ু' তেওঁৰ উপাধি আৰু চণ্ডী যিহেতু বাসলী বা বাসুলীৰেই এক ৰূপ, গতিকে বাসুলীপূজক অনন্ত কবিয়ে তেওঁৰ মূল উপাধিৰ পিছত চণ্ডীৰ দাস হিচাপে চণ্ডীদাস উপাধি ব্যৱহাৰ কৰিছিল। ড° সুকুমাৰ সেনেও অনন্ত কবিগৰাকীৰ আচল নাম, চণ্ডীদাস তেওঁৰ ছদ্মনাম আৰু বড়ু তেওঁৰ উপাধি হ'ব পাৰে বুলি কৈছে।

কবি আৰু কাব্যৰ সময় সম্পৰ্কতো কবিয়ে কোনো ইংগিত দি যোৱা নাই। কাব্যখনৰ ভাষা পৰীক্ষা কৰি পণ্ডিতসকলে ক'ব খোজে যে *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* সময় ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ বিশুদ্ধ অসমীয়া সাহিত্যৰ ঠিক আগৰ আৰু চৰ্যাপদৰ ঠিক পাছৰ ত্ৰয়োদশ শতিকাৰ আদি ভাগ হ'ব। কাব্যৰ এই সময়েই কবিৰো সময় হ'ব। প্ৰাপ্ত *শ্ৰীকৃষ্ণ-কীৰ্ত্তন* কাব্যখনি বড়ুচণ্ডীদাসৰ স্বহস্ত লিখিত নহয়। এইখন তেওঁৰ মূল পুথিৰ নকলৰো নকল। এইদৰে নকল কৰোঁতে পুথিখনত পুৰণিৰ লগতে নতুন আখৰ আৰু নতুন ব্যাকৰণিক ৰূপ কিছুমানো সোমাই পৰিছে। বাংলা লিপি বিশেষজ্ঞ ৰাখাল দাস বন্দোপাধ্যায়ে তুলাপতীয়া কাব্যখনত তিনিশ্ৰেণীৰ আখৰ দেখা পাইছে ঃ প্ৰাচীন হস্তাক্ষৰ, প্ৰাচীন হস্তাক্ষৰৰ অনুকৰণ আৰু অপেক্ষাকৃত আধুনিক হস্তাক্ষৰ। কাব্যখনিত পেট কটা 'ৰ' আখৰ মন কৰিবলগীয়া। এইদৰে প্ৰাক্ শঙ্কৰী যুগৰ বিশুদ্ধ অসমীয়া সাহিত্যৰ ভাষাৰ লগত থকা প্ৰচুৰ মিল আৰু কাব্যখনৰ তিনি ধৰণৰ

আথৰলৈ লক্ষ্য কৰি কাব্য আৰু কবিৰ সময় চৰ্যাপদৰ পিছৰ আৰু মাধৱ কন্দলি, হেম সৰস্বতী আদি কবিৰ প্ৰায় সমসাময়িক বা ঠিক অব্যৱহৃত আগৰ বুলি সিদ্ধান্ত কৰিব পাৰি।

২.৪.২ *শ্ৰীকৃষ্ণ-কীৰ্ত্তন*ৰ বিষয়বস্তু

এই কাব্যখন তেৰটা খণ্ডত বিভক্ত এখন নাট্যধৰ্মী গীতিকাব্য। ইয়াত মুঠ ৪১৮ টা গীত আছে। তাৰে প্ৰথমৰ জন্মখণ্ডৰ এক নম্বৰ গীতটোৰ প্ৰথমৰ পাঁচোটা পদ নাই। শেষৰ ৰাধাকৃষ্ণ খণ্ডৰো শেষৰ কেইপাতমান নাই। খণ্ডানুসৰি কাব্যখনৰ বিষয়বস্তু এনে ধৰণৰ— *জন্মখণ্ড*ত দেৱতাসকলৰ প্ৰাৰ্থনাত জগতৰ ভাৰ হৰণৰ বাবে কৃষ্ণ আৰু ৰাধাৰ জন্মবৃত্তান্ত বৰ্ণনা কৰা হৈছে। *তাম্বুল খণ্ড*ত ৰাধাৰ ৰূপ-লাৱণ্যত মুগ্ধ কৃষ্ণৰ বড়ায়িৰ সহায়ত তাম্বুল প্ৰেৰণ কৰি ৰাধাৰ প্ৰতি পূৰ্বৰাগ প্ৰকাশ। *দান খণ্ড*ত ৰাধাক লাভ কৰিবলৈ কৃষ্ণৰ যমুনাৰ পাৰত দানীৰ অভিনয় আৰু ৰাধা-কৃষ্ণৰ মিলনৰ বৰ্ণনা। *নৌকা খণ্ড*ত কৃষ্ণ ঘাটোৱাল ৰূপত অৱতীৰ্ণ আৰু ৰাধাৰ লগত জলকেলি। *ভাৰখণ্ড*ত গোৱালী ৰাধাৰ দুগ্ধৰ ভাৰ বহন কৰিছে ভাৰীৰূপী কৃষ্ণই। *ছত্ৰখণ্ড*ত মথুৰাহাটলৈ যোৱা গোৱালী ৰাধাৰ মূৰত ছত্ৰ ধৰিছে কৃষ্ণই প্ৰখৰ ৰ'দত ৰাধাক ছাঁ দিবলৈ। *বৃন্দাবন খণ্ড*ত গোপীসকলৰ লগত কৃষ্ণৰ বিলাস আৰু ৰাধাৰ লগত সম্ভোগ। যমুনান্তৰ্গত *কালীয় দমন খণ্ড*ত কালীনাগ দমনৰ পাছত সকলোৰে উপযোগীকৈ কালীহ্ৰদৰ পানী নিৰ্মলকৰণ আৰু *বস্ত্ৰহৰণ* খণ্ডত কৃষ্ণৰ দ্বাৰা গোপীৰ বস্ত্ৰ হৰণ আৰু গোপীৰ সৈতে জলকেলি। *বাণখণ্ড*ত ৰাধাৰ প্ৰতি কৃষ্ণৰ মদনবান নিক্ষেপ, ৰাধাৰ সম্মোহিত অৱস্থা, বড়ায়িৰ অনুৰোধত ৰাধাক চেতনা দান আৰু ৰাধাৰ কৃষ্ণৰ লগত মিলন। *বংশীখণ্ড*ত কৃষ্ণৰ বংশীধ্বনি শুনি ৰাধাৰ উৎকণ্ঠা, বড়ায়িৰ উচতনিত ৰাধাৰ দ্বাৰা বংশী হৰণ, বংশী প্ৰাপ্তিৰ বাবে ৰাধাৰ ওচৰত কৃষ্ণৰ কাকুতি-মিনতি আৰু ৰাধাৰ বংশী প্ৰত্যাৰ্পণৰ বৰ্ণনা। শেষৰ *ৰাধা বিৰহ খণ্ড*ত ৰাধাৰ বিৰহ বিলাপ, বড়ায়িৰ সহযোগত ৰাধা-কৃষ্ণৰ মিলন আৰু কৃষ্ণৰ মথুৰা গমনৰ বিষয়ে বৰ্ণনা কৰা হৈছে। কৰ্তব্য পালনৰ বাবে জগতত অৱতীৰ্ণ মানৱৰূপী কৃষ্ণৰ কংসবধ কৰিবলৈ মথুৰালৈ যাত্ৰাতে কাহিনীৰ অন্ত পৰিছে। মুঠতে জগতৰ ভাৰ হৰণ কৰিবলৈ অৱতীৰ্ণ হোৱা মানৱৰূপী কৃষ্ণৰ লীলাময় জীৱন-কাহিনীৰে পৰিপূৰ্ণ *শ্ৰীকৃষ্ণ-কীৰ্ত্তন* এখন পূৰ্ণাংগ নাট্যধৰ্মী গীতিকাব্য। কাব্যখনত যশোদা, বলভদ্ৰ, আইহনৰ মাতৃ, আইহন আদি চৰিত্ৰৰ উল্লেখ আছে যদিও ইয়াৰ বিষয়বস্তু কৃষ্ণ, ৰাধা আৰু বড়ায়িৰ উক্তি-প্ৰত্যুক্তিৰে আগবাঢ়ি যোৱাৰ কাৰণে কাব্যখনি নাটকীয় গুণসম্পন্ন হৈ পৰিছে।

*শ্ৰীকৃষ্ণ-কীৰ্ত্তন*ৰ বিষয়বস্তুৰ আধাৰ গ্ৰন্থ হিচাপে পণ্ডিতসকলে বিভিন্ন সংস্কৃত গ্ৰন্থলৈ আঙুলিয়াইছে। ভাগৱত *পুৰাণ*, *হৰিবংশ*, *বিষ্ণু পুৰাণ*, *পদ্ম পুৰাণ*, *মৎস্য পুৰাণ*, *বৰাহ পুৰাণ*, *ব্ৰহ্মবৈৱৰ্ত পুৰাণ* আদিৰ উপৰি প্ৰাকৃত ভাষাত লিখা *প্ৰাকৃত পৈঙ্গল*, *গাহাসত্তসঈ* আদি গ্ৰন্থত ৰাধা-কৃষ্ণৰ লীলাৰ উল্লেখ পোৱা যায়। কিন্তু এইবোৰ গ্ৰন্থত বৰ্ণিত ৰাধা-কৃষ্ণৰ লীলাৰ লগত *শ্ৰীকৃষ্ণ-কীৰ্ত্তন*ৰ ৰাধাকৃষ্ণৰ লীলাৰ

ভালেখিনি পাৰ্থক্য আছে। কাব্যখনৰ বিষয়বস্তু বিভাজনো কবি বড়ু চণ্ডীদাসৰ নিজস্ব। পণ্ডিতসকলৰ মতে দ্বাদশ শতিকাৰ বিদগ্ধ সংস্কৃত পণ্ডিত জয়দেৱৰ *গীত-গোবিন্দ* কাব্যৰ প্ৰভাৱহে *শ্ৰীকৃষ্ণ-কীৰ্ত্তনত* বিশেষভাৱে দেখা যায়। জয়দেৱৰ কাব্যৰ সৰ্গবিভাজন, সৰ্গৰ নামকৰণ আদিৰ লগত *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* মিল নাই যদিও কাব্যখনিৰ বহু পদ *গীত-গোবিন্দৰ* শ্লোকৰ অনুবাদ স্বৰূপ। শঙ্কৰদেৱ প্ৰৱৰ্তিত এক শৰণীয়া বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ কাৰণে পৰৱৰ্তী অসমীয়া সাহিত্যত ৰাধা-কৃষ্ণৰ লীলা বিষয়ক ৰচনা তেনেই কম। *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* পাছত শ্ৰীমাধৱদেৱৰ বৰগীতত আৰু কবি ৰামসৰস্বতীৰ *গীত-গোবিন্দৰ* অনুবাদ *জয়দেৱ কাব্যত* ৰাধা-কৃষ্ণৰ লীলাৰ উল্লেখ পোৱা যায়। ৰামসৰস্বতীৰ পুত্ৰ কলাপচন্দ্ৰ দ্বিজৰ *ৰাধা-বিজয়* এখনি অকণমানি ৰাধা বিষয়ক কাব্য। ৰাধা-কৃষ্ণৰ পৰকীয়া প্ৰেমলীলা বিষয়ক কাব্য অসমীয়াত নাই বুলিবই পাৰি। কিন্তু ৰাধা-কৃষ্ণৰ নৌকা লীলা আধাৰিত কিছু সংখ্যক গোৱালপৰীয়া লোকগীত এতিয়াও অসমৰ পশ্চিমাঞ্চলত অতি জনপ্ৰিয়।

মনকৰিবলগীয়া যে *শ্ৰীকৃষ্ণ-কীৰ্ত্তনেই* অসমীয়াত ৰাধা-কৃষ্ণৰ লীলা বিষয়ক প্ৰথম গ্ৰন্থ। সহজীয়া বৌদ্ধ ধৰ্ম-বিষয়ক চৰ্যাপদৰ পাছত অসমীয়া ভাষাৰ বিকশিত ৰূপটোৰ পৰিচয় দাঙি ধৰা এইখনেই প্ৰথম গ্ৰন্থ। সময়ৰ ফালৰপৰা এইখনক ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ প্ৰাক্ শঙ্কৰী যুগৰ সাহিত্যৰ সমসাময়িক বুলি কোৱা হয়। কিন্তু ভাষিক বৈশিষ্ট্যৰ ফালৰপৰা এইখনক তাৰ অব্যৱহিত পূৰ্বৰূপ বুলিব পাৰি।

*শ্ৰীকৃষ্ণ-কীৰ্ত্তন* এখন গীতিকাব্য। নটা খণ্ডত বিভক্ত এই কাব্যখনৰ প্ৰতিটো খণ্ডই ৰাগ-তালযুক্ত বিবিধ গীতৰ সমষ্টি। এই গীতবোৰত বিষ্ণু আৰু লক্ষ্মীৰ ক্ৰমে কৃষ্ণ-ৰাধা ৰূপে অৱতাৰ হোৱাৰপৰা ৰাধাৰ লগত কৃষ্ণৰ স্থূল শৃংগাৰ ৰসাত্মক লীলা আৰু শেষত কংস বধৰ কাৰণে কৃষ্ণৰ মথুৰালৈ গমন আৰু তাৰ কাৰণে হোৱা ৰাধাৰ বিৰহৰ কথা বৰ্ণনা কৰা হৈছে। অসমীয়া ভাষাত এই কাব্যৰ গুৰুত্ব বিষয়বস্তুৰ কাৰণে নহয়; ইয়াৰ ভাষা আৰু বিবিধ ৰাগ-তাল-ছন্দৰ কাৰণেহে কাব্যখনে অসমীয়া ভাষাত বিশেষ প্ৰাধান্য লাভ কৰিছে।

### ২.৪.৩ *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* ৰাগ-তাল

*শ্ৰীকৃষ্ণ-কীৰ্ত্তনত* ৩২ টা ৰাগ আৰু পোন্ধৰটামান তালৰ উল্লেখ আছে। এই ৰাগ-তালবোৰৰ উল্লেখ পৰৱৰ্তী কালৰ বৰগীত আৰু পাঁচালী সাহিত্যতো পোৱা যায়।

*শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* আদ্যন্ত ১৬১ টা শ্লোক আছে। ইয়াৰে ২৮ টা পুনৰাবৃত্ত। গীতসমূহৰ পূৰ্বাপৰ সম্বন্ধ ৰক্ষাৰ নিমিত্তে এই শ্লোকসমূহ ব্যৱহাৰ কৰা হৈছে। অংকীয়া নাটৰ সংলাপ, গীত-পদৰ মাজে মাজেও এনেদৰে শ্লোক ব্যৱহাৰ কৰা ৰীতি দেখা যায়। এই সংস্কৃত শ্লোকসমূহে কবি বড়ু চণ্ডীদাসৰ অসাধাৰণ সংস্কৃত ভাষাজ্ঞানৰ

পৰিচয় দিয়ে।

*শ্ৰীকৃষ্ণ-কীৰ্তন*ৰ ভাষা মাধৱ কন্দলি আৰু অন্যান্য পুৰণি অসমীয়া কবিৰ কাব্যৰ ভাষাৰ লগত প্ৰায় একে। পুৰণি অসমীয়া ভাষাৰ শব্দগত, ধ্বনিগত আৰু ৰূপগত এই আটাইবোৰ বৈশিষ্ট্য কাব্যখনৰ ভাষাত ৰক্ষিত হৈছে। পুৰণি অসমীয়া আৰু *শ্ৰীকৃষ্ণ-কীৰ্তন*ৰ ভাষাৰ মাজত ডাঙৰ পাৰ্থক্যটো দেখা যায় কাব্যখনত ব্যৱহৃত গোৱালপৰীয়া দেশীভাষাৰ ভাষাগত উপাদানবোৰৰ লগত। এসময়ত প্ৰাচীন কামৰূপৰ সীমাই কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ (বৰ্তমান বাংলাদেশ), মালদহ আৰু পূৰ্ণিয়া জিলাৰ একাংশ সামৰি লৈছিল। প্ৰাচীন কামৰূপৰ গোৱালপাৰাৰপৰা এই সমগ্ৰ নামনি অঞ্চলত ৰাজবংশী বা গোৱালপৰীয়া দেশী ভাষাই কথ্য ভাষাৰ মৰ্যাদা লাভ কৰিছিল। বাংলা ভাষা প্ৰধান গৌড়দেশৰ (বৰ্তমান পশ্চিমবংগ) সীমা মূৰীয়ালীৰ ঠাই হোৱা কাৰণে এই অঞ্চলৰ ভাষাত বাংলা ভাষাৰ উপাদানো সোমাই পৰিছিল। বাসুলীভক্ত বড়ুচণ্ডীদাসে বৰ্তমানো বাসুলী পূজা চলি থকা গোৱালপাৰাৰে কোনোবা এটা অঞ্চলত এই কাব্যখন ৰচনা কৰাৰ কাৰণে ইয়াৰ ভাষাত প্ৰাক্ শংকৰী যুগৰ বিশুদ্ধ অসমীয়া সাহিত্যৰ বিপৰীতে বঙলুৱা ঠাঁচ আৰু দেশী ভাষাৰ উপাদান সোমাই পৰিছিল। অসমীয়াত *শ্ৰীকৃষ্ণ-কীৰ্তন*ৈই একমাত্ৰ কাব্য য'ত দেশী ভাষাৰ উপাদান পৰ্যাপ্ত। *শ্ৰীকৃষ্ণ-কীৰ্তন*ৰ ভাষাৰ নিদৰ্শন হিচাপে 'জন্মখণ্ড'ৰ ৪ নং গীতৰ দুটামান পদ উদ্ধৃত কৰা হ'ল—

বৰাড়ীৰাগ ঃ একতালী

*কোন সুখে কংশ তোৰ মুখে উঠে হাস।*
*নাহি জান এবেঁ তোঁ আপনাৰ নাশ।।*
*যে হৈবেক দেবকীৰ গৰ্ভ অষ্ট।*
*অতি মহাবল সেসি তোহ্মাৰ যম।১*
*কহিলো মোঁ ই সকল তোহ্মাৰ ঠাঁএ।*
*এবেঁ মনে গুণী কৰ জীৱন উপাত্ৰ।। ধ্ৰু*
*হেন সব গুনী কংস হৈল সচকিত।*
*সব মন্ত্ৰী পাত্ৰ লআঁ চিন্তিল হীত।।*
*এবে হতেঁ দৈবকীৰ যত গৰ্ভ হএ।*
*মানুষ নিয়োজিল মাৰিবাক তাএ।।২*

## ২.৫ সাৰাংশ (Summing Up)

এই খণ্ডটোৰ প্ৰথম অংশৰ শেষত আপোনালোকে বুজিব পাৰিছে যে অসমীয়া ভাষাৰ প্ৰত্নৰূপ ৰক্ষিত হৈ থকা চৰ্যাপদবোৰ তান্ত্ৰিক সহজীয়া ধৰ্ম সাধনৰ গীত,

নির্বাণৰ যি সুখময় ভাব, সেই সুখময় ভাবেই হৈছে বৌদ্ধ সহজীয়া পথ বা সহজযান। যোগ, ধ্যান আদিৰ দ্বাৰা অহং ভাব দূৰ কৰি চিত্ত স্থিৰ কৰিব পাৰিলেই সেই সুখময় অৱস্থা লাভ কৰি মহাসুখৰ অধিষ্ঠাত্ৰী দেৱী নৈৰাত্মাত বিলীন হ'ব পাৰি। এই অৱস্থা লাভ কৰিবলৈ গুৰুৰ সহায়ৰ আৱশ্যক। কিয়নো মহাসুখত বিলীন হ'ব পৰা অৱস্থালৈ আহিবৰ কাৰণে চৰ্যাপদবোৰত মানুহৰ কৰণীয় আৰু অকৰণীয় ভালেমান কথাৰ নিৰ্দেশ সাংকেতিক ভাষাত দিয়া হৈছে। গুৰুৰ যোগেদিহে সেইবোৰ সাংকেতিক ভাষাৰ গীতৰ অন্তৰ্নিহিত ভাব হৃদয়ংগম কৰিব পাৰি আৰু নিজৰ দেহতে থকা মহাসুখ লাভ কৰি নিৰ্বাণৰ কায় চাপি যাব পাৰি।

*শ্ৰীকৃষ্ণ-কীৰ্তন* ৰাধা-কৃষ্ণৰ লীলা বিষয়ক এখন নাট্যধৰ্মী গীতিকাব্য। চৰ্যাপদৰ পাছত অসমীয়া ভাষাৰ বিকশিত ৰূপটোৰ পৰিচয় দাঙি ধৰা এইখনেই প্ৰথম গ্ৰন্থ। কাব্যখনৰ সময় সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মতামত দাঙি ধৰে যদিও ভাষাবিদ ড° বাণীকান্ত কাকতিয়ে ইয়াৰ ভাষা পৰীক্ষা কৰি ইয়াক প্ৰাক্ শঙ্কৰী যুগৰ বিশুদ্ধ অসমীয়া ভাষা-সাহিত্যৰ ঠিক অব্যৱহিত পূৰ্ব ৰূপ বুলি কৈছে। তেৰটা খণ্ডত বিভক্ত এই কাব্যখনত বিষ্ণু আৰু লক্ষ্মীৰ ক্ৰমে কৃষ্ণ আৰু ৰাধা ৰূপে অৱতাৰ হোৱাৰপৰা ৰাধাৰ লগত কৃষ্ণৰ শৃংগাৰ ৰসাত্মক লীলা আৰু শেষত কংস বধৰ কাৰণে কৃষ্ণৰ মথুৰালৈ গমন আৰু তাৰ কাৰণে হোৱা ৰাধাৰ বিৰহৰ কথা বৰ্ণনা কৰা হৈছে। অসমীয়া ভাষাত এই কাব্যৰ গুৰুত্ব চৰ্যাপদৰ দৰে বিষয়বস্তুৰ কাৰণে নহয়, ইয়াৰ ভাষা আৰু বিবিধ ৰাগ-তাল-ছন্দৰ কাৰণেহে। অসমীয়া গীতি-সাহিত্যৰ ইতিহাসত এইখন প্ৰথম পূৰ্ণাংগ কাব্যগ্ৰন্থ।

### ২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। চৰ্যাপদে কোনখন সমাজক প্ৰতিনিধিত্ব কৰিছে? প্ৰতিফলিত সমাজখনৰ বিষয়ে আলোচনা কৰক।

২। চৰ্যাপদৰ ভাষাক কিয় সান্ধ্য ভাষা বুলি কোৱা হয়? ইয়াৰ ভাষাৰ বিষয়ে বহলাই আলোচনা কৰক।

৩। অসমীয়া গীতি-সাহিত্যত চৰ্যাপদৰ স্থান নিৰূপণ কৰক।

৪। অসমীয়া গীতি-সাহিত্য হিচাপে চৰ্যাপদৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

৫। 'শ্ৰীকৃষ্ণ-কীৰ্তন' এখন নাট্যধৰ্মী গীতি-কাব্য— এই উক্তিৰ যথাৰ্থতা বিচাৰ কৰি এটি আলোচনা আগবঢ়াওক।

৬। 'শ্ৰীকৃষ্ণ-কীৰ্তন'ত প্ৰধান ভূমিকা লোৱা চৰিত্ৰকেইটাৰ নাম উল্লেখ কৰি কাব্যৰ কাহিনী বিকশিত সিবোৰে কেনেদৰে সহায় কৰিছে আলোচনা কৰক।

৭। 'শ্ৰীকৃষ্ণ-কীৰ্তন'ৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

## ২.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


অমিত্ৰসূদন ভট্টাচাৰ্য (সম্পা.) : *বড়ুচণ্ডীদাসৰ শ্ৰীকৃষ্ণ-কীৰ্তন সমগ্ৰ*

তাৰাপদ মুখোপাধ্যায় : *চৰ্যাগীতি*

পৰীক্ষিত হাজৰিকা : *চৰ্য্যাপদ*

বসন্তৰঞ্জন বাবু (সম্পা.) : *শ্ৰীকৃষ্ণ-কীৰ্তন*

মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

লীলাৱতী শইকীয়া বৰা : *শ্ৰীকৃষ্ণ-কীৰ্তন*

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*

সুকুমাৰ সেন : *চৰ্যাগীতি পদাৱলী*

— : *বাংলা সাহিত্যৰ ইতিহাস*

হৰপ্ৰসাদ শাস্ত্ৰী : *বৌদ্ধগান ও দোহা*

# মাধৱ কন্দলি আৰু সমকালীন অসমীয়া সাহিত্য

বিভাগৰ গঠন :

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ প্ৰাক্ শঙ্কৰী যুগৰ বিশুদ্ধ অসমীয়া সাহিত্য
৩.৪ মাধৱ কন্দলি আৰু তেওঁৰ কাব্যকৃতি
৩.৪.১ অনুবাদ ৰীতি
৩.৪.২ সমাজ চিত্ৰণ
৩.৪.৩ ৰামায়ণৰ ভাষা ৰীতি
৩.৫ হৰিবৰ বিপ্ৰ আৰু তেওঁৰ সাহিত্য
৩.৫.১ কাব্যৰ ৰচনা-ৰীতি
৩.৫.২ বভ্ৰুবাহনৰ যুদ্ধ
৩.৫.৩ তাম্ৰধ্বজৰ যুদ্ধ
৩.৬ হেম সৰস্বতী আৰু তেওঁৰ কাব্যকৃতি
৩.৭ কবিৰত্ন সৰস্বতী আৰু তেওঁৰ সাহিত্য
৩.৮ ৰুদ্ৰ কন্দলী আৰু তেওঁৰ কাব্যকৃতি
৩.৯ নাথ সাহিত্য
৩.১০ সাৰাংশ (Summing Up)
৩.১১ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১২ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ৩.১. ভূমিকা (Introduction)

শঙ্কৰদেৱৰ পূৰ্বকবি মাধৱ কন্দলি আৰু তেওঁৰ সমসাময়িক হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী আদি কবিসকলৰ হাতত‌ে বিশুদ্ধ অসমীয়া ভাষা সাহিত্যাই বিকাশ লাভ কৰে। অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলৰ মতে এই কবিসকল আৰু তেওঁলোকৰ সাহিত্য ৰচনাৰ সময় ত্ৰয়োদশ শতিকাৰ শেষ ভাগৰ পৰা চতুৰ্দশ শতিকাৰ শেষ ভাগ বা পঞ্চদশ শতিকাৰ আদি ভাগ। এই সময়ৰ সাহিত্যৰ বিশেষ লক্ষণ হৈছে ৰাজপৃষ্ঠপোষকতা। কছাৰী ৰজা মহামাণিক্য, কোচ ৰজা দুৰ্লভনাৰায়ণ আৰু তেওঁৰ পুত্ৰ ইন্দ্ৰনাৰায়ণৰ অনুপ্ৰেৰণাতেই এই কবিসকলে কাব্য ৰচনাত মনোনিৱেশ কৰে।

প্ৰাক্ শঙ্কৰী যুগৰ সাহিত্য আংগিকৰ ফালৰপৰা কেৱল কাব্য আৰু বিষয়বস্তুও বিবিধ সংস্কৃত গ্ৰন্থ আধাৰিত। *ৰামায়ণ-মহাভাৰত* মহাকাব্য, *জৈমিনীয়াশ্বমেধ* আৰু

বামন পুৰাণ আদিৰপৰা বিষয়বস্তু লৈ ৰজা আৰু প্ৰজাৰ মনোৰঞ্জনৰ বাবে ঘাইকৈ পয়াৰ আৰু ত্ৰিপদী ছন্দত কাব্য ৰচনা কৰি এই কবিসকলে বিশুদ্ধ অসমীয়া ভাষাৰ সুদৃঢ় ভেটি প্ৰতিষ্ঠা কৰে। পৰৱৰ্তী কালৰ নববৈষ্ণৱ সাহিত্য এই ভাষাৰ ওপৰতে প্ৰতিষ্ঠিত। এই সময়ছোৱাৰ সাহিত্যৰ আন এটি বিশেষত্ব হৈছে সংস্কৃত সাহিত্যৰপৰা বিষয়বস্তু ল'লেও এই সাহিত্য মূলৰ হুবহু অনুবাদ নহয়। কবিসকলে সংস্কৃতৰ বিষয়বস্তুক অসমৰ পৰিবেশ আৰু জনমানসিকতাৰ লগত খাপ খুৱাই সম্পূৰ্ণ মৌলিকভাৱে কাব্যৰূপত দাঙি ধৰিছিল। সেয়েহে সংস্কৃতমূলীয় হ'লেও এই কাব্য সাহিত্য মূলানুগ অনুবাদ নহয়; তাত মৌলিক কবি প্ৰাণৰ উজ্জ্বল স্বাক্ষৰ স্পষ্ট। জন মনোৰঞ্জন এই যুগৰ সাহিত্যৰ এটা প্ৰধান বৈশিষ্ট্য।

মাধৱ কন্দলি আদি কবিসকলৰ সময়ৰ আন এক শ্ৰেণীৰ সাহিত্য হ'ল নাথ সাহিত্য। তান্ত্ৰিক বৌদ্ধ সম্প্ৰদায়ৰপৰা উদ্ভূত নাথ ধৰ্মৰ বাহক এই সাহিত্যৰ ভাষা কিন্তু বাংলা মিশ্ৰিত। শিৱকে একমাত্ৰ উপাস্য দেৱতা ৰূপে লোৱা এই সাহিত্যই শঙ্কৰপূৰ্ব অসমীয়া ভাষা-সাহিত্যৰ আন এক নিদৰ্শন দাঙি ধৰে।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপুনি -

- প্ৰাক্ শঙ্কৰী যুগৰ বিশুদ্ধ অসমীয়া লিখিত সাহিত্যৰ পটভূমি সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।
- প্ৰাক্ শঙ্কৰী যুগৰ কবিসকলৰ লগত পৰিচিত হ'ব পাৰিব।
- মাধৱ কন্দলিৰ ৰামায়ণৰ ৰচনা ৰীতি, অনুবাদ ৰীতি, ভাষিক ৰীতি, প্ৰতিফলিত সমাজ জীৱনৰ ব্যাখ্যা কৰিব পাৰিব।
- হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, ৰুদ্ৰ কন্দলি আৰু কবিৰত্ন সৰস্বতীৰদ্বাৰা ৰচিত কাব্যৰ ৰচনা ৰীতিৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব।
- সমকালীন অসমীয়া নাথ সাহিত্যৰ পৰিচয় লাভ কৰিব।

## ৩.৩ প্ৰাক্ শঙ্কৰী যুগৰ বিশুদ্ধ অসমীয়া সাহিত্য

*শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* পিছত এই যুগটোৰ বিশুদ্ধ অসমীয়া সাহিত্যৰ নিদৰ্শন হ'ল হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, মাধৱ কন্দলি আৰু ৰুদ্ৰ কন্দলিৰ সাহিত্যৰাজি। এই কবিসকলৰ সাহিত্যৰ ভাষালৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকৰ হাতত অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্য লাভ কৰাৰ উপৰি উচ্চ সাহিত্যৰ ভাব প্ৰকাশ কৰিবপৰা ক্ষমতাও অৰ্জন কৰে। মাধৱ কন্দলিৰ ভাষা আৰু বৰ্ণনা সৌষ্ঠৱে প্ৰমাণ কৰে যে এক দীৰ্ঘকালীন সাহিত্যিক পৰম্পৰাৰ তেওঁ

উত্তৰাধিকাৰী আছিল। এই কবিসকলৰ ৰচনাতে অসমীয়া ভাষাৰ সাহিত্যিক ৰূপ বা সাধু ভাষাই এটা নিৰ্দিষ্ট গঢ় লয়।

এই যুগৰ সাহিত্য আংগিকৰ ফালৰপৰা কেৱল কাব্য-সাহিত্য। কাহিনীক উৎসৰ ফালৰপৰা মহাকাব্য *ৰামায়ণ-মহাভাৰতত* শৰণ আৰু বিষয়ৰ সম্পৰ্কত ইতিহাস প্ৰীতি এই যুগৰ সাহিত্যৰ বৈশিষ্ট্য। *ৰামায়ণ-মহাভাৰতৰ* লগতে পুৰাণৰ শাৰীৰ *জৈমিনীয়াশ্বমেধ* আৰু কথা-কাহিনীৰ মেটমৰা ভঁৰাল পুৰাণৰ ভিতৰত *বামন পুৰাণ* আদিৰ দুৱাৰ সৰ্বসাধাৰণ পাঠকৰ কাৰণে এই যুগৰ কবিসকলে পোনতে মুকলি কৰে। ৰাজ পৃষ্ঠপোষকতা এই যুগৰ সাহিত্যৰ এটি মন কৰিবলগীয়া বিশেষত্ব। প্ৰকৃততে মহামাণিক্য, দুৰ্লভনাৰায়ণ, ইন্দ্ৰনাৰায়ণৰ পূৰ্ণোদ্যোগ আৰু কথা-ৰসাস্বাদৰ অনুৰাগেই শঙ্কৰপূৰ্ব অসমীয়া সাহিত্যক তাৰ সত্তা দান কৰে। ৰজা আৰু প্ৰজাৰ চিত্ত বিনোদন এই যুগৰ সাহিত্যৰ আন এটি প্ৰধান বৈশিষ্ট্য। কবিসকলে মূল শাস্ত্ৰৰ পিছে পিছে সকলো সময়তে যাব লাগে বুলিও নিজকে বাধ্য যেন অনুভৱ কৰা নাছিল। গতিকে তেওঁলোকৰ ৰচনা প্ৰকৃততে সংস্কৃতৰ মূলানুগ অনুবাদ নহয়; তাত তেওঁলোকৰ মৌলিক কবি প্ৰাণৰো সুন্দৰ প্ৰকাশ ঘটিছে।

প্ৰাক্ শঙ্কৰী যুগৰ কাব্যত পদ বা পয়াৰ, দুলড়ী আৰু ছবি এই তিনিটা অন্ত্যানুপ্ৰাসযুক্ত ছন্দ ব্যৱহাৰ কৰা হৈছে। মাধৱ কন্দলিৰ ৰামায়ণত স্থান বিশেষে ঝুমুৰী ছন্দৰ ব্যৱহাৰো দেখা যায়। চৰ্যাপদৰ মাত্ৰাবৃত্ত ছন্দৰ ঠাইত *শ্ৰীকৃষ্ণ-কীৰ্ত্তনতে* আক্ষৰিক বা অক্ষৰবৃত্ত ছন্দই গঢ় লয় আৰু ইয়াতে পোন প্ৰথমে পদ বা পয়াৰ ছন্দৰ ব্যৱহাৰ পোৱা যায়। *শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ* অক্ষৰবৃত্ত ছন্দৰ পূৰ্ণ প্ৰকাশ ঘটি প্ৰাক্ শঙ্কৰী যুগত পদ বা পয়াৰকে ধৰি দুলড়ি, ছবি আৰু ঝুমুৰী ছন্দৰো বিকাশ ঘটিল।

### ৩.৪ মাধৱ কন্দলি আৰু তেওঁৰ কাব্যকৃতি

প্ৰাক্ শঙ্কৰী যুগৰ সৰ্বশ্ৰেষ্ঠ কবি গৰাকী হৈছে মাধৱ কন্দলি। তেওঁৰ একমাত্ৰ কাব্যকৃতি হৈছে বাল্মীকিৰ সংস্কৃত *ৰামায়ণ* অসমীয়ালৈ অনুবাদ কৰা *সপ্তকাণ্ড ৰামায়ণ*। অসমীয়া ভাষাৰে নহয়, আধুনিক ভাৰতীয় আৰ্যভাষাত ৰচনা কৰা এইখনেই প্ৰথম *ৰামায়ণ*। অকল আকৃতিৰ ফালৰপৰাহি নহয়, প্ৰকৃতি বা গুণগত দিশৰ পৰাও কন্দলিৰ *ৰামায়ণেই* এই যুগটোৰ এক গৌৰৱপূৰ্ণ নিদৰ্শন।

মাধৱ কন্দলিৰ সাহিত্য সৃষ্টিৰ মূল অনুপ্ৰেৰণা হ'ল পৃষ্ঠপোষক বৰাহী ৰজা মহামাণিক্য। তেওঁৰ অনুৰোধতে কন্দলিয়ে *ৰামায়ণ* ৰচনা কৰে বুলি তেওঁৰ কাব্যৰ মাজত এইদৰে প্ৰকাশ কৰে—

*কবিৰাজ কন্দলী যে        আমাকেসে বুলি কয়*
*কৰিলোহো সৰ্বজন বোধে।*

*ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে*
*বাৰাহ ৰাজাৰ অনুৰোধে।।*

এই মহামাণিক্য ৰজা কোন, তেওঁ ক'ত আৰু কেতিয়া ৰাজত্ব কৰিছিল, সেই বিষয়ে সঠিক ঐতিহাসিক প্ৰমাণ পোৱা নাযায়। পৃষ্ঠপোষক ৰজাজনৰ নামটোৰ বাহিৰে কাব্যখনৰ মাজত কবি মাধৱ কন্দলিৰ জন্মস্থান, জন্মৰ সময় আৰু বংশ পৰিচয়ৰ কোনো ইংগিত পোৱা নাযায়। মাত্ৰ তেওঁ যে জাতিত ব্ৰাহ্মণ আৰু তেওঁ যে কবিশ্ৰেষ্ঠ 'কবিৰাজ' ৰূপে মহামাণিক্য ৰজাৰ ৰাজসভা শুৱনি কৰিছিল, কাব্যখনৰ মাজত সেয়া উল্লেখ কৰি গৈছে। পণ্ডিতসকলে *কছাৰী বুৰঞ্জী, ত্ৰিপুৰা ৰাজমালা,* অন্যান্য পৰিবেশিক (Circumstancial evidence) বিৱৰণ আৰু মাধৱ কন্দলিৰ *ৰামায়ণ*ৰ ভাষিক বৈশিষ্ট্য বিচাৰ কৰি মহামাণিক্য ৰজাই মধ্য অসম নগাঁৱৰ কপিলি উপত্যকাত ৰাজত্ব কৰে বুলি মত প্ৰকাশ কৰে আৰু তেওঁৰ সময় চতুৰ্দশ শতিকা। সেই হিচাপে মাধৱ কন্দলি নগাঁৱৰ মানুহ আৰু তেওঁৰ সময়ো চতুৰ্দশ শতিকা।

মাধৱ কন্দলিয়ে লংকাকাণ্ডৰ শেষত "সাতকাণ্ড ৰামায়ণ— পদবন্ধে নিবন্ধিলো— লম্ভা পৰিহৰি সাৰোদ্ধৃতে" বুলি কৈ গৈছে যদিও তেওঁৰ *ৰামায়ণ*ৰ আদি আৰু উত্তৰাকাণ্ড শঙ্কৰদেৱৰ সময়ৰপৰাহি নাই। মাজৰ পাঁচ কাণ্ডহে জনসমাজত প্ৰচলিত হৈ আহিছে। বাকী দুটা কাণ্ড ৰচনা কৰিছিল যদিও কিবা কাৰণত লুপ্ত হোৱাত মাধৱদেৱে আদিকাণ্ড আৰু শঙ্কৰদেৱে উত্তৰাকাণ্ড সংযোগ কৰি কাব্যখন সম্পূৰ্ণ কৰে। খুব সম্ভৱ সেই সময়তে মাধৱ কন্দলিৰ *ৰামায়ণ*ৰ 'লৌকিক কথা'ৰ মাজত ভক্তি-উপদেশৰ আঁচুফুল বাচি দিয়া হ'ল।

### ৩.৪.১ অনুবাদ ৰীতি

বাল্মীকিৰ *ৰামায়ণ* মাধৱ কন্দলিয়েই পোন প্ৰথমে অসমীয়ালৈ অনুবাদ কৰে। অনুবাদ হ'লেও কন্দলিৰ *ৰামায়ণ* বাল্মীকি *ৰামায়ণ*ৰ আক্ষৰিক অনুবাদ নহয়। বাল্মীকি *ৰামায়ণ* অধ্যয়ন কৰি তাৰ সাৰমৰ্ম লৈ কবিয়ে গ্ৰহণ, বৰ্জন আৰু সংযোজন ৰীতিৰে অসমীয়া *ৰামায়ণ*খনিক এক মৌলিক কাব্যৰ ৰূপ দিছিল। কন্দলিয়ে মূল *ৰামায়ণ*ৰ কাণ্ড বিভাজন একে ৰাখি সৰ্গৰ ঠাইত অধ্যায় বিভাজন কৰিছে আৰু অপ্ৰয়োজনীয় সৰ্গ বাদ দি বা কেইবাটাও সৰ্গৰ মূল কথা লৈ এটা মাথোন অধ্যায় ৰচনা কৰি কাব্যখনিক মৌলিকত্ব প্ৰদান কৰিছে। তৎকালীন জনমানসলৈ লক্ষ্য কৰি কেতিয়াবা মূলৰপৰা আঁতৰি আহি নতুন কথা সংযোজন কৰিছে যদিও কৃত্তিবাসী বা তুলসীদাসৰ দৰে তেওঁ মূল *ৰামায়ণ*ৰ কথাক বিকৃত ৰূপ দিয়া নাই। পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ মতে কন্দলিৰ *ৰামায়ণ* বাল্মীকি *ৰামায়ণ*ৰ অতি বিশ্বাসযোগ্য *ৰামায়ণ*। কন্দলিয়ে তেওঁৰ *ৰামায়ণ*ৰ ৰচনাৰীতি সম্পৰ্কত কিষ্কিন্ধা কাণ্ডৰ সামৰণিত এনেদৰে কৈছে—

বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য- পদ্য ছন্দে।
তাহাক বিচাৰ আমি কৰিয়া প্ৰবন্ধে।।
আপুনাৰ বুদ্ধি অৰ্থ যি মত বুজিলো।
সংক্ষেপ কৰিয়া তাক পদ বিৰচিলো।।
সমস্ত ৰসক কোনে জানিবাক পাৰে।
পক্ষীসব উৰয় যেন পথা অনুসাৰে।।
কবিসব নিবন্ধয় লোক-ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।।
দেৱবাণী নুহি ইটো লৌকিকহে কথা।
এতেকে ইহাৰ দোষ নলৈবা সৰ্ব্বথা।।

ৰামায়ণখনৰ আন ঠাইতো কবিয়ে মহামাণিক্যৰ অনুৰোধত কাব্যৰস সৃষ্টিৰ বাবে নতুন কথা সংযোগ সম্পৰ্কত এইদৰে কৈছে—*মহামাণিক্যৰ বোলে কাব্যৰস কিছু দিলো, দুগ্ধক মথিলে যেন ঘৃত।*

মাধৱ কন্দলি এগৰাকী সফল অনুবাদকো। মাজে মাজে তেওঁ মূলৰ শ্লোকবোৰ শক্তিশালীভাৱে চমু কথাত অৰ্থ প্ৰকাশক কৰি অনুবাদ কৰিছে। *"দেশে দেশে কালত্ৰাণি দেশে দেশে চ বান্ধবাঃ। তং তু দেশং ন পশ্যামি যত্ৰ ভ্ৰাতা সহোদৰঃ।"* —লংকাকাণ্ডৰ এই বিখ্যাত শ্লোকটি তেওঁ দুটা চমু শাৰীতে সুন্দৰকৈ অনুবাদ কৰিছে এইদৰে—

ভাৰ্য্যা পুত্ৰ বন্ধু যত পাই যথা তথা।
হেন নতু দেখোহোঁ সোদৰ পাই কথা।।

মাধৱ কন্দলি এগৰাকী মনোৰম কথক। তেওঁৰ বৰ্ণনা-নৈপুণ্যও চমকপ্ৰদ। পৰিবেশ আৰু অৱস্থা চিত্ৰণত, নৈসৰ্গিক শোভা বৰ্ণনাত, বীৰ-হাস্য-করুণ আদি ৰস সৃষ্টি আৰু শব্দচয়নত কন্দলিয়ে যথেষ্ট দক্ষতা প্ৰকাশ কৰিছে। অযোধ্যা কাণ্ডৰ প্ৰথম অধ্যায়ত থকা উৎসৱমুখী অযোধ্যাৰ চিত্ৰ, ৰাম বনলৈ যাওঁতে দশৰথৰ মানসিক অৱস্থা, প্ৰজাবিলাকে ৰামক অনুসৰণ কৰাৰ বিৱৰণ, ৰামে সীতাৰ আগত দিয়া বনবাসৰ ভয়াবহ চিত্ৰ, চিত্ৰকূট বনৰ নৈসৰ্গিক শোভা, প্ৰস্ৰৱন গিৰিৰ বৰ্ষাকালীন সৌন্দৰ্য, লংকাৰ বৰ্ণনা, বিৰাটাকাৰ ৰাক্ষসৰ বিস্ময়কৰ চিত্ৰ, যুদ্ধৰ পুংখানুপুংখ বীৰত্বব্যঞ্জক বিৱৰণ— এই সকলোতে কন্দলিৰ কবি প্ৰতিভাৰ প্ৰকাশ হৈছে। চৰিত্ৰসমূহৰ শৰীৰৰ সৌষ্ঠৱ বা বিকৃতি আৰু মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বৰ্ণনাতো কন্দলিয়ে কৃতিত্ব প্ৰদৰ্শন কৰিছে। তেওঁ অতি কম কথাৰে সৌন্দৰ্যক মনোৰম আৰু কদৰ্যক অতি ভয়ংকৰ কৰি তুলিব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

মাধৱ কন্দলিৰ অনুবাদ ৰীতিৰ প্ৰধান তাৎপৰ্য কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

............................................................................................................

............................................................................................................

............................................................................................................

............................................................................................................

............................................................................................................

............................................................................................................

### ৩.৪.২ সামাজিক চিত্ৰ

কন্দলিৰ *ৰামায়ণ* অনুবাদমূলক হ'লেও চতুৰ্দশ শতিকাৰ অসমীয়া সমাজৰ কিছু চিত্ৰ ইয়াত প্ৰতিফলিত হোৱা দেখা যায়। তৎকালীন অসমীয়া সমাজত প্ৰচলিত বৰ্ণ (caste), উপবৰ্ণ (subcast), বৃত্তি (profession) আৰু বৃত্তিবাচক বৰ্ণসমূহৰ বিৱৰণ ৰামক বনৰপৰা ওভোতাই আনিবলৈ ভৰতৰ লগত যোৱা প্ৰজাসকলৰ বিৱৰণৰ পৰা জানিব পাৰি। ঠায়ে ঠায়ে উপমাৰ ছলেৰে বিভিন্ন উপবৰ্ণবোৰৰ উল্লেখ কৰিছে। "কপিলা ৰহিলা যেন চণ্ডালৰ ঠায়ে, নিশ্বাস কোকাৰে যেন ঠাৰিৰ ভাঠি", "কাকো তুলি আছাৰন্ত বস্ত্ৰ যেন ধোঁৱে", "হাৰি জাতি হয়া বেদ পঢ়িবাক বাস" আদি উপমাবোৰত সেই সময়ৰ জাতি-বৰ্ণৰ উল্লেখ মন কৰিবলগীয়া।

ৰজা আৰু প্ৰজাৰ মনোৰঞ্জনৰ বাবেই কন্দলিয়ে কাব্য ৰচনা কৰিছে যদিও তেওঁৰ *ৰামায়ণ*ত বিভিন্ন ধৰ্ম বিশ্বাস প্ৰতিফলিত হোৱা দেখা যায়। কান্ধত কানিজুলি লৈ শিৱ শিৱ বুলি ঘূৰি ফুৰা যোগী, বলি প্ৰথাৰে পূজা কৰা দুৰ্গা আৰু চণ্ডীৰ উল্লেখ, গছ-গছনি, ফল-ফুল, চৰাই-চিৰিকতিৰ বিৱৰণ আদিৰপৰা কন্দলিৰ *ৰামায়ণ*ত তৎকালীন অসমৰ সমাজ জীৱনৰ এখনি স্পষ্ট ছবি দেখা পোৱা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

মাধৱ কন্দলিৰ ৰামায়ণত তৎকালীন অসমীয়া সমাজ জীৱনৰ কোনবোৰ চিত্ৰ প্ৰতিফলিত হৈছে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

............................................................................................................

............................................................................................................

............................................................................................................

.........................................................................................................................

.........................................................................................................................

.........................................................................................................................

৩.৪.৩ *ৰামায়ণৰ* ভাষা-ৰীতি

কন্দলিৰ ৰচনাৰ এটা বিশেষ বৈশিষ্ট্য হৈছে তেওঁৰ শব্দ চয়ন আৰু শব্দ প্ৰয়োগৰ কৌশল। সংস্কৃত বা তৎসম শব্দৰ লগত অসমীয়া তদ্ভৱ, অৰ্দ্ধতৎসম আৰু দেশী শব্দৰ সুসংগতিপূৰ্ণ প্ৰয়োগৰদ্বাৰা তেওঁ এটি শক্তিশালী ভাষা ৰীতি গঢ়ি তুলিছিল। তেওঁ ব্যৱহাৰ কৰা বহুত শব্দ পৰৱৰ্তী বৈষ্ণৱ যুগত অপ্ৰচলিত হৈ পৰিছিল। সামগ্ৰিকভাৱে চালে কন্দলিৰ *ৰামায়ণত* দুই ধৰণৰ ভাষাৰ প্ৰয়োগ দেখা যায় : ৰজা আৰু অভিজাত শ্ৰেণীৰ লোকে ব্যৱহাৰ কৰা শিষ্ট বা সাধুভাষা আৰু চহা জনসাধাৰণৰ কথিত ভাষা। এই ভাষাক সমৃদ্ধ কৰিছে প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা, জতুৱা ঠাঁচ আদিয়ে। বিবিধ কাব্যালংকাৰৰ প্ৰয়োগ কন্দলিৰ ভাষাৰ আন এটা মন কৰিবলগীয়া বিশেষত্ব। সাধাৰণ কবিপ্ৰসিদ্ধি যেনে— পদুমৰ পাহি বা হৰিণীৰ দৰে চকু, ডম্বৰুৰ দৰে চিয়া-কঁকাল ইত্যাদিৰ প্ৰয়োগৰ উপৰি তেওঁ উপমা, ৰূপক বা উৎপ্ৰেক্ষা আদি অলংকাৰ প্ৰয়োগ কৰি বৰ্ণনীয় বিষয়ক অতি উজ্বল কৰি তুলিছে। ছন্দৰ সুষম প্ৰয়োগতো কন্দলিৰ দক্ষতা অসীম। পদ বা পয়াৰ, ছবি আৰু দুলড়ীৰ উপৰি তেওঁৰ কাব্যত ঝুমুৰী ছন্দৰো ব্যৱহাৰ দেখা যায়। এই আটাইবোৰ ছন্দই অন্ত্যানুপ্ৰাসযুক্ত। মাধৱ কন্দলিৰ এনে শক্তিশালী ভাষাৰ ভিত্তিতে পৰৱৰ্তীকালৰ বিশাল নৱবৈষ্ণৱ সাহিত্য গঢ় লৈ উঠে। তেওঁৰ এনে অপ্ৰমাদী কাব্য প্ৰতিভা দেখি শঙ্কৰদেৱো অভিভূত হৈছিল আৰু তেওঁৰ উত্তৰাকাণ্ড *ৰামায়ণত* মাধৱ কন্দলিক হস্তীৰ লগত আৰু নিজকে শহাৰ লগত তুলনা কৰি কবিজনাৰ প্ৰতিভাক স্বীকৃতি দিছিল।

মাধৱ কন্দলিৰ ভণিতা থকা আৰু তিনিখন কাব্য পোৱা গৈছে। সেই তিনিখন হৈছে— *দেৱজিত, তাম্ৰধ্বজৰ যুদ্ধ* আৰু *পাতালকাণ্ড*। এই কেউখন পুথিৰে ভাষা অৰ্বাচীন আৰু অপ্ৰমাদী কবি মাধৱ কন্দলিৰ কাব্যৰ সৌন্দৰ্যৰহিত। পণ্ডিতসকলে এই তিনিওখন গ্ৰন্থ পৰৱৰ্তীকালৰ বুলি ক'ব খোজে যদিও ড° শৈলেন ভৰালীয়ে *দেৱজিত* ৰাজ্যখন সম্পাদনা কৰি এইখন মাধৱ কন্দলিৰ কাৰ্য বুলি দেখুৱাইছে।

৩.৫ হৰিবৰ বিপ্ৰ আৰু তেওঁৰ কাব্যকৃতি

যুদ্ধ কাব্যৰ কবি হিচাপে খ্যাত হৰিবৰ বিপ্ৰ প্ৰাক্ শঙ্কৰী যুগৰ আন এগৰাকী প্ৰসিদ্ধ কবি। কাব্যকৃতিৰ পৰিসৰ আৰু গুৰুত্ব— এই দুই দিশৰপৰা হৰিবৰ বিপ্ৰক

মাধৱ কন্দলিৰ পিছতে ঠাই দিব পাৰি। হৰিবৰ বিপ্ৰৰ পৃষ্ঠপোষক ৰজাজন হৈছে কমতাপুৰৰ ৰজা দুৰ্লভনাৰায়ণ। অন্যান্য প্ৰাচীন কবি আৰু মাধৱ কন্দলিৰ দৰে হৰিবৰ বিপ্ৰৰো জন্মস্থান, জন্ম-সময় আৰু বংশ পৰিচয় অজ্ঞাত। পণ্ডিতসকলৰ মতে পৃষ্ঠপোষক ৰজা দুৰ্লভনাৰায়ণৰ সময় ত্ৰয়োদশ শতিকাৰ শেষ ভাগ। সেই হিচাপে হৰিবৰ বিপ্ৰৰ সময়ো ত্ৰয়োদশ শতিকা আৰু তেওঁৰ জন্মস্থানো কমতাপুৰৰে কোনোবা এটা অঞ্চল। হৰিবৰ বিপ্ৰই তেওঁৰ কাব্যৰ মাজত আত্ম পৰিচয় প্ৰসংগত এইদৰে লিখি থৈ গৈছে—

*জয় জয় নৰপতি দুৰ্লভনাৰায়ণ ৰাজা কামপুৰে ভৈলা বীৰবৰ।*
*সপুত্ৰ বান্ধৱে যেৱে সুখে ৰাজ্য কৰন্তোক জীৱন্তোক সহস্ৰ বৎসৰ।।*
*তাহান ৰাজ্যত থিত সাধুজন-মনোনীত অশ্বমেধ বিৰচিত সাৰ।*
*বিপ্ৰ হৰিবৰ কই গৌৰীৰ চৰণ সেই পদবন্ধে কৰিলা প্ৰচাৰ।।*

*(বভ্ৰুবাহনৰ যুদ্ধ)*

হৰিবৰ বিপ্ৰই জৈমিনীৰ *মহাভাৰত*ৰপৰা বিষয়বস্তু লৈ ৰামকথা আৰু কৃষ্ণাৰ্জুনৰ কথা পদত ৰচনা কৰিছে। সেই হিচাপে তেওঁ বৈষ্ণৱ কবি। কিন্তু উল্লিখিত পদত গৌৰীৰ চৰণ সেৱা কৰালৈ চাই তেওঁ শাক্ত ধৰ্মৰ প্ৰতিও অনুৰক্ত আছিল বুলি ক'ব পৰা যায়।

হৰিবৰ বিপ্ৰৰ কাব্য তিনিখন— *লৱকুশৰ যুদ্ধ*, *বভ্ৰুবাহনৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধ*। তিনিওখন কাব্যৰ মূল জৈমিনী *মহাভাৰত*ৰ অশ্বমেধ পৰ্ব।

### ৩.৫.১ লৱ-কুশৰ যুদ্ধ

মূল জৈমিনী *মহাভাৰত*ৰ অশ্বমেধ পৰ্বত অশ্বমেধ যজ্ঞৰ ঘোঁৰাৰ অনুসৰণত যোৱা অৰ্জুনৰ লগত পুত্ৰ বভ্ৰুবাহনৰ যুদ্ধৰ বৰ্ণনাৰ মাজতে কুশ আৰু লৱৰ লগত ৰামচন্দ্ৰ আদিৰ যুদ্ধৰ কথা তুলনাৰ ছলতে উল্লেখ কৰে। জনমেজয়ে সেই বিষয়ে বহল প্ৰশ্ন কৰাত জৈমিনী ঋষিয়ে সেই ছলতে ৰাৱণ বধৰ পিছৰেপৰা ৰামকথা চমুকৈ আৰম্ভ কৰি ৰাম আৰু কুশৰ যুদ্ধৰ কথা বিস্তৃতভাৱে বৰ্ণনা কৰিছে। হৰিবৰৰ *লৱ-কুশৰ যুদ্ধ*ৰ প্ৰাৰম্ভতে জনমেজয়ে দুই যুদ্ধৰ কথা লৈ জৈমিনিক কৈছে—

*দুয়ো কথা শুনিবাৰ মোৰ মনে লাগে।*
*তথাপিতো ৰাম-কথা কহিয়োক আগে।।*

ইয়াৰপৰা *লৱকুশৰ যুদ্ধ* খন কবিজনাৰ প্ৰথম কাব্য বুলিব পাৰি। *জৈমিনিয়াশ্বমেধৰ* ১২-৩৬ অধ্যায়ৰ কথাবস্তুৰ আধাৰত এই কাব্যখন ৰচিত। তিনিওখন যুদ্ধ কাব্যতে কবি হৰিবৰ বিপ্ৰ মূলৰ পৰা মৌলিক বিষয়ত বৰ বেছি আঁতৰি যোৱা নাই; কিন্তু দেশ, কাল আৰু পাত্ৰৰ উপযোগী কৰিবলৈ স্থানবিশেষে বৰ্ণনাৰ কিছু বঢ়া-টুটা কৰিছে

নাইবা মূল আখ্যানৰ বিকৃত নকৰাকৈ বাদ দিব পৰা কথা পৰিহাৰ কৰিছে আৰু মূলত নথকা দুই-চাৰিটা কথা নতুনকৈ সংযোগ কৰি বৰ্ণনীয় বিষয়ত ৰহন সানিছে।

*লৱ-কুশৰ যুদ্ধ*ত হৰিবৰে জৈমিনিৰ দৰেই ৰামে ৰাৱণক বধ কৰি অপহৃতা সীতাক উদ্ধাৰ কৰা, সীতাক অগ্নি পৰীক্ষা কৰা, লক্ষ্মণ, হনুমন্ত, বিভীষণ আদিৰে ৰাম অযোধ্যালৈ ঘূৰি অহা কথাৰ উল্লেখ মাত্ৰ কৰি বশিষ্ঠ আদি ঋষিসকল, কৌশল্যা, কৈকেয়ী, সুমিত্ৰা আৰু ভৰতে ৰাম-সীতা, লক্ষ্মণক আদৰা দেখুৱাইছে। ইয়াৰ মাজতো দুই-এটা সৰু-সুৰা বিশেষ বৰ্ণনা বাদ পৰি গৈছে। কেতিয়াবা আকৌ কিছুমান বৰ্ণনাত বিশেষকৈ সীতাৰ গৰ্ভধাৰণৰ পঞ্চম মাহত কৰা পুংসৱন উৎসৱৰ বৰ্ণনা কবিয়ে উৎসৱৰ লগত খাপ খুৱাই নতুকৈ ৰহন সানিছে। বৰ্ণনাটিত থকা ৰামে পঞ্চ দেৱতাক পূজা কৰা, ভৰতে পূৰ্বৰ মহন্ত ৰজাসকলক জুৰি গীত গোৱা, সুবৰ্ণৰ আৱৰণেৰে সীতাৰ গৰ্ভ ঢকা, জনকে ৰাম-সীতাৰ চুলিৰ আগ গোটাই পানী ঢলা, বশিষ্ঠই ৰামক দক্ষিণা দিবলৈ জনকক দিহা দিয়া— এইখিনি কথা কবিৰ মৌলিক প্ৰতিভাৰ পৰিচায়ক। এই পুসংৱন উৎসৱৰ বৰ্ণনাই অসমীয়া 'পুহন-বিয়া'ৰ ছবিলৈ মনত পেলাই দিয়ে।

মাধৱ কন্দলিৰ *ৰামায়ণ*ৰ দৰে হৰিবৰ বিপ্ৰৰ *লৱ-কুশৰ যুদ্ধ*ৰ মাজতো সীতা আৰু লক্ষ্মণ উপস্থিত হোৱা গংগাৰ তীৰৰ প্ৰকৃতি অসমৰ প্ৰকৃতিলৈ ৰূপান্তৰিত হৈছে। মূলৰ জম্বু, আম্ৰ, চম্পক, পুলিন্দ আদি বাৰ বিধ গছৰ নামৰ ঠাইত হৰিবৰে তিনিকুৰিৰো অধিক ফলে-ফুলে জাতিষ্কাৰ গছৰ নাম এফালৰপৰা ছন্দত বান্ধি এখন ডাঠ অৰণ্যৰ আভাস দিবলৈ যত্ন কৰিছে। বাল্মীকিক তেওঁৰ ছাত্ৰসকলে সীতাৰ দুটা যঁজা ল'ৰা হোৱাৰ সংবাদ দিয়া কথাও কবিৰ নিজা উদ্ভাৱন। কিন্তু মূলত থকা কুশ আৰু লৱৰ চূড়াকৰণ, মুঞ্জীবন্ধন, উপনয়ন আদিৰ কথা কবিয়ে বাদ দিছে। যুদ্ধৰ বৰ্ণনাবোৰ কবিয়ে মূলৰ দৰে ভয়ংকৰ ৰূপত তুলি ধৰিছে। হৰিবৰে এনে বৰ্ণনা সৰল আৰু চমু কৰাৰ লগতে বীৰসকলৰ স্পৰ্দ্ধা-বাক্যত ঘৰুৱা-জতুৱা ভাষাৰ প্ৰয়োগ কৰি তাক সৰস কৰিছে। স্বামী হেৰুৱা নাৰীৰ বিলাপ-বিননিৰ বৰ্ণনা আৰু সামান্য অথচ মনত লাগি যোৱা ঘৰুৱা চিত্ৰ একোটা দাঙি ধৰাত হৰিবৰৰ দক্ষতা মন কৰিবলগীয়া। মুঠতে জৈমিনি *মহাভাৰত*ৰ কথাবস্তুৰ আধাৰত ৰচিত হৰিবৰ বিপ্ৰৰ *লৱ-কুশৰ যুদ্ধ* এখন মৌলিক কাব্যৰ দৰে ৰসাল আৰু আকৰ্ষণীয়।

### ৩.৫.২ *বব্ৰুবাহনৰ যুদ্ধ*

*বব্ৰুবাহনৰ যুদ্ধ* কাব্যখনো একেই পদ্ধতিৰে অৰ্থাৎ মূলৰ ১২-১৪ আৰু ৩৭-৪০ অধ্যায়ৰ কথাবস্তুৰ আধাৰত মৌলিক কাব্যৰ দৰে নতুনকৈ ৰচনা কৰা হৈছে। কাব্যৰ প্ৰয়োজন অনুসাৰে হ্ৰস্ব-দীৰ্ঘ কৰাৰ বাহিৰে কবিয়ে মূল কাহিনীৰ বিশেষ সালসলনি কৰা নাই। মূলত থকা সপ্ততলৰ বৰ্ণনা ইয়াত বাদ দিছে। কাব্যৰ কাহিনী বিকাশত সহায় নকৰা ভোগৱতী নদীৰ পাৰৰ হাটকেশ্বৰ শিৱলিঙ্গৰ কথাও এৰাই গৈছে। কাব্যখনৰ বিভিন্ন অৱস্থা বা পৰিস্থিতিক ঘৰুৱা চিত্ৰকলা আৰু উপমাৰে

সহজবোধ্য কৰি তুলি ধৰাত হৰিবৰ বিপ্ৰৰ অসামান্য দক্ষতা প্ৰকাশ পাইছে। এই ক্ষেত্ৰত তেওঁক মাধৱ কন্দলিৰ সমকক্ষ বুলিব পাৰি। যুদ্ধৰ বৰ্ণনাও কবিয়ে অতি উৎসাহেৰে দিছে। কিন্তু এই ক্ষেত্ৰতো তেওঁ মূলকে অনুসৰণ কৰিছে। মাত্ৰ বভ্ৰুবাহন আৰু বৃষকেতুৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনাতহে কবি মূলৰপৰা কিছু আঁতৰি আহিছে। যুদ্ধৰ বৰ্ণনাত প্ৰতিদ্বন্দ্বী যোদ্ধাৰ দম্ভোক্তিত ব্যৱহাৰ কৰা ভাবাই মাজে মাজে চৰিত্ৰৰ গাম্ভীৰ্য বা মহত্ব ক্ষুণ্ণ কৰিছে। মূলত থকা অজস্ৰ ডাকিনী-যোগিনী, পিশাচ-যক্ষ আদিৰ ঠাইত কবিয়ে মাত্ৰ এবাৰহে ডাকিনী-যোগিনীৰ উল্লেখ কৰিছে।

মূলত অৰ্জুনে বভ্ৰুবাহনৰ হাতত মহা মহা বীৰৰ পতন হোৱা দেখি বৃষকেতুৰ আগত শোক কৰি অশ্বমেধ যজ্ঞৰ বাকী থকা কামবোৰ কৰিব নোৱাৰিব বুলি আৰু যজ্ঞ সমাধা হোৱাৰ আশা নাই বুলি আক্ষেপ কৰিছে। হৰিবৰ বিপ্ৰৰ কাব্যত অৰ্জুনে তেনেদৰে আক্ষেপ কৰাৰ উপৰি অতীত কীৰ্তিলৈ ঘূৰি চাই করুণভাৱে বিলাপ কৰিছে। অৰ্জুনৰ শোকগাঁথা ৰচনাত কবি কৃতকাৰ্য হৈছে। সেইদৰে অৰ্জুনৰ হাতত বভ্ৰুবাহনৰ আত্মসমৰ্পণৰ বৰ্ণনাত কবিয়ে আনন্দময় পৰিবেশৰ সৃষ্টি কৰিছে। মূলত নথকা সত্ত্বেও প্ৰচলিত সকলোবোৰ বাদ্যযন্ত্ৰৰ উল্লেখ কৰি নৃত্য-গীতৰ সুন্দৰ বৰ্ণনা দিছে। মণিপুৰত বিজয়োৎসৱৰ বৰ্ণনাও কবিয়ে নিজস্বভাৱে দিছে। জৈমিনিৰ মণিপুৰৰ চিত্ৰ হৰিবৰৰ হাতত বেছি ব্যাপক, সজীৱ আৰু বৰ্ণোজ্জ্বল হৈ উঠিছে। মূলৰ কেইটামান চৰাই আৰু জন্তুৰ ঠাইত জাক জাক চৰাই-জন্তুৰ উল্লেখ কৰি আৰু প্ৰাচীৰ-চিত্ৰৰ দেৱ-দেৱী আৰু নাৰীৰ সংখ্যা বৃদ্ধি কৰি বৰ্ণনীয় বিষয় আৰু পৰিস্থিতিক আকৰ্ষণীয় ৰূপত তুলি ধৰিছে।

*জৈমিনি মহাভাৰতৰ* যাই উদ্দেশ্য হৈছে বাসুদেৱ-কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন। হৰিবৰ বিপ্ৰইও মূলৰ এনে প্ৰসংগৰ শ্লোকসমূহৰ যথাযথ অনুবাদ কৰি কৃষ্ণ ধৰ্মৰ গৌৰৱ প্ৰচাৰ কৰিছে। তাৰ মাজেদি নৱবৈষ্ণৱ যুগৰ নামধৰ্মৰ মহিমা প্ৰচাৰৰ উৎসাহ উদ্দীপিত হৈ উঠিছে।

### ৩.৫.৩ তাম্ৰধ্বজৰ যুদ্ধ

এই কাব্যৰ কথাবস্তুৰ *জৈমিনীয়াশ্বমেধৰ* পৰা লোৱা হৈছে। হৰিবৰ বিপ্ৰৰ প্ৰথম দুখন যুদ্ধকাব্যৰ তুলনাত এইখন কিছু অনুজ্জ্বল। অৱশ্যে ইয়াতো তেওঁৰ মনোৰম ৰসিকতা বিদ্যমান। ইয়াৰ কাহিনী অংশ বভ্ৰুবাহনৰ যুদ্ধত বৰ্ণিত অৰ্জুনৰ দিগ্বিজয়ৰ প্ৰসাৰণ মাত্ৰ। মণিপুৰ নগৰৰপৰা যুদ্ধৰ ঘোঁৰা লৈ কৃষ্ণ আৰু অৰ্জুনে ময়ূৰধ্বজ ৰজাৰ বাণপুৰ (ৰত্নপুৰ) নগৰত প্ৰৱেশ কৰিলে। ময়ূৰধ্বজে ইতিমধ্যে ছটা অশ্বমেধ যজ্ঞ শেষ কৰি সপ্তমটোৰ কাৰণে পুত্ৰ তাম্ৰধ্বজৰ লগত ঘোঁৰা মেলিছে। দুই ঘোঁৰা লগালগি হোৱাত তাম্ৰধ্বজে পাণ্ডৱ দলৰ অনিৰুদ্ধ, বৃষকেতু, সাত্যকি, বভ্ৰুবাহন আদিৰ লগতে শেষত কৃষ্ণ-অৰ্জুনকো যুদ্ধত পৰাস্ত কৰি মূৰ্চ্ছা যোৱালে। কৃষ্ণ আৰু অৰ্জুনে শেষত ব্ৰাহ্মণ-শিষ্যৰ বেশ ধৰি ময়ূৰধ্বজ ৰজাৰপৰা ছল-বুদ্ধিৰে যুধিষ্ঠিৰৰ

যজ্ঞৰ ঘোঁৰা মুক্ত কৰিলে। এইকাব্যৰ মাজেৰেও কৃষ্ণ মাহাত্ম্য প্ৰকাশিত হৈছে।

হৰিবৰ বিপ্ৰৰ কেউখন কাব্যৰে ভাষা আৰু ৰচনা-শৈলী সৰস আৰু সাৱলীল। অতুল্য বগুৱাকাৰ প্ৰয়োগত তেওঁৰ স্থান মাধৱ কন্দলিৰ পিছতে। আন প্ৰাক্ শঙ্কৰী কবিৰ দৰে হৰিবৰ বিপ্ৰইও তেওঁৰ কাব্যত পদ, দুলড়ী আৰু ছবি ছন্দ ব্যৱহাৰ কৰিছে। অকল প্ৰাক্ শঙ্কৰী কবি বুলি নহয়, ৰচনাৰ সাধাৰণ সৌষ্ঠৱৰ গুণতো হৰিবৰ বিপ্ৰ অসমীয়া সাহিত্যৰ এজন ডাঙৰ কবি। *জৈমিনীয়াশ্বমেধ*ৰ পদ ভাঙনি থকা অসমীয়া কবিসকলৰ ভিতৰত তেৱেঁই প্ৰথম আৰু প্ৰধান। হৰিবৰ বিপ্ৰক ড° কাকতিয়ে বধকাব্য আখ্যা দিয়া ৰচনা শ্ৰেণীৰ পথ প্ৰদৰ্শক বুলিব পাৰি।

### ৩.৬ হেম সৰস্বতী আৰু তেওঁৰ কাব্যকৃতি

কবি হেম সৰস্বতীয়েও কমতাধিপতি দুৰ্লভনাৰায়ণৰ পৃষ্ঠপোষকতাত সাহিত্য-চৰ্চাত মনোনিবেশ কৰিছিল। তেওঁৰ নামত দুখন কাব্য পোৱা যায়— *প্ৰহ্লাদ চৰিত* আৰু *হৰ-গৌৰী সংবাদ*। দুয়োখন কাব্যতে কবিৰ আত্মপৰিচয়সূচক ভণিতা আছে। *প্ৰহ্লাদ চৰিত্ৰ*ত কবিয়ে নিজৰ পৰিচয় এনেদৰে দিছে—

*কমতামণ্ডল দুৰ্লভনাৰায়ণ নৃপবৰ অনুপাম।*
*তাহান ৰাজ্যত ৰুদ্ৰ সৰস্বতী দেৱযানী কন্যা নাম।।*
*তাহান তনয় হেম সৰস্বতী ধ্ৰুৱৰ অনুজ ভাই।*
*পদবন্ধে তেহোঁ প্ৰচাৰ কৰিলা বামন-পুৰাণ চাই।।*

এই ভণিতাৰপৰা হেম সৰস্বতীক দুৰ্লভনাৰায়ণৰ ৰাজ্য কমতাপুৰত থকা ৰুদ্ৰ সৰস্বতীৰ কন্যা দেৱযানীৰ পুত্ৰ আৰু ধ্ৰুৱৰ অনুজ ভাই বুলি জনা যায়। সেই হিচাপে ৰুদ্ৰ সৰস্বতী তেওঁৰ ককাক। *হৰগৌৰী সংবাদ*ৰ এঠাইত কবিয়ে নিজকে দুৰ্লভনাৰায়ণৰ মহাপাত্ৰ পশুপতি আৰু তেওঁৰ ভাৰ্যা ৰত্নাৱতীৰ চাৰিপুত্ৰৰ এজন বুলি কৈছে। পণ্ডিতসকলে হেম সৰস্বতীক প্ৰাক্ শঙ্কৰী যুগৰ আটাইতকৈ প্ৰাচীন কবি বুলি ক'ব খোজে। কিন্তু ড° নেওগে তেওঁৰ দুয়োখন কাব্যৰ আত্মপৰিচয়সূচক ভণিতাকেইটা বিচাৰ কৰি হেম সৰস্বতীক দুৰ্লভনাৰায়ণৰ সমসাময়িক হৰিবৰ বিপ্ৰতকৈ এক পুৰুষৰ পাছৰ বুলি ক'ব খোজে অৰ্থাৎ চতুৰ্দশ শতিকাৰ আদি ভাগৰ বুলি ক'ব খোজে।

হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত্ৰ*ৰ মূল হ'ল বৰ্তমান লুপ্ত হৈ পৰা *বামন পুৰাণ*। কবিয়ে সেই পুৰাণৰ আধাৰত হিৰণ্যকশিপুৰ আৰু ভক্ত প্ৰহ্লাদৰ তৰ্ক-বিতৰ্কৰপৰা আৰম্ভ কৰি হিৰণ্যকশিপুৰ বধলৈকে বৰ্ণনা কৰিছে। মাত্ৰ ১০০ পদত ৰচনা কৰা এইখন তেনেই সৰু বৰ্ণনাত্মক কাব্য। *প্ৰহ্লাদ চৰিত্ৰ*ত সূক্ষ্ম কলাবোধ আৰু সুদূৰপ্ৰসাৰী

কল্পনাৰ পৰিচয় পোৱা নাযায়। কথক ৰূপেও কবিৰ কৃতিত্ব অনুজ্জ্বল। বৰ্ণনাও চিত্ৰাকৰ্ষক নহয়, কিন্তু পৰিস্থিতি আৰু ঘটনাৰ সৰল আৰু সহজবোধ্য বিৱৰণ আছে। তেওঁৰ ভাষা আৰু ৰচনাশৈলীও বৰ উচ্চ খাপৰ আৰু নিমজ নহয়। মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ তুলনাত তেওঁৰ কাব্যত জতুৱা ঠাঁচৰ প্ৰয়োগো তেনেই কম। ছন্দ গতানুগতিক। হেম সৰস্বতীয়ে অসুৰৰ শাস্ত্ৰক বামানয় আখ্যা দিছে আৰু 'হস্তী সখা' মন্ত্ৰৰ উল্লেখ কৰিছে। *প্ৰহ্লাদ চৰিত* বিষ্ণুৰ মাহাত্ম্য প্ৰকাশক গ্ৰন্থ। সেয়েহে ইয়াত বৈষ্ণৱ ধৰ্ম আৰু বিষ্ণু ভক্তিৰ মাহাত্ম্যৰ বৰ্ণনাই প্ৰাধান্য লাভ কৰিছে। কালিৰাম মেধিয়ে *প্ৰহ্লাদ চৰিত্ৰক* বৈষ্ণৱ ধৰ্মৰ প্ৰথম অসমীয়া পুথি আখ্যা দিছে।

*হৰ-গৌৰী-সংবাদ প্ৰহ্লাদ-চৰিত*তকৈ বহুতগুণে ডাঙৰ পুথি; ইয়াত ৮৯৯ টা পদ আছে। ছটা অধ্যায়ত বিভক্ত কাব্যখনৰ প্ৰথম অধ্যায়ত *নৃসিংহপুৰাণ*ৰপৰা নৰসিংহ বিষ্ণুৰ হাতত হিৰণ্যকশিপুৰ নিধনৰ বৰ্ণনা কৰা হৈছে। বাকীকেইটা অধ্যায়ৰ বিষয়বস্তু *হৰ-গৌৰী-সংবাদ* নামৰ কোনো মূলৰপৰা লোৱা হৈছে বুলি কোৱা হৈছে। দ্বিতীয়ৰপৰা পঞ্চম অধ্যায়লৈ তাৰকাসুৰৰ যুদ্ধ, হৰৰ কোপাগ্নিত কামদেৱ ভষ্ম, কাৰ্তিক কুমাৰৰ জন্ম আৰু তাৰক বধৰ বৰ্ণনা কৰা হৈছে। এই অংশটো অন্ততঃ *কালিকা-পুৰাণ*ৰ পৰা গৃহীত বিষয়বস্তুৰে নিৰ্মিত বুলি ক'ব পাৰি। কাব্যখনৰ এই খণ্ডত কালিদাসৰ *কুমাৰ সম্ভৱ*ৰ প্ৰভাৱ পৰিছে। ষষ্ঠ অধ্যায়ত যোগ সাধনাৰ বিৱৰণ দিয়া হৈছে। হেম সৰস্বতীৰ কবিত্ব গুণৰ পৰিচয় এই কাব্যত ভালদৰে পোৱা যায়।

### ৩.৭ কবিৰত্ন সৰস্বতী আৰু তেওঁৰ কাব্যকৃতি

কবিৰত্ন সৰস্বতী দুৰ্লভনাৰায়ণৰ পুত্ৰ ইন্দ্ৰনাৰায়ণৰ ৰাজত্ব কালৰ কবি। পণ্ডিতসকলৰ মতে এওঁৰ সময় চতুৰ্দশ শতিকাৰ আদিভাগ। প্ৰাক্ শংকৰী যুগৰ বাকীকেইগৰাকী কবিৰ বিপৰীতে এওঁ পৃষ্ঠপোষক ৰজাৰ লগতে নিজৰ বংশ পৰিচয়ো অতি স্পষ্টভাৱে তেওঁৰ কাব্যৰ মাজত দি গৈছে। তেওঁৰ একমাত্ৰ কাব্য *জয়দ্ৰথ বধ*ত দিয়া ভণিতামতে কবি ৰূপেটা অঞ্চলৰ ছোটশিলা নামে গাঁৱৰ চক্ৰপাণি শিকদাৰৰ পুত্ৰ। চক্ৰপাণি শিকদাৰ ৰজাৰ কৰ্মচাৰী আছিল। কবিৰত্ন সৰস্বতীৰ ভণিতা অনুসৰি চক্ৰপাণি আছিল—

*পটু নৰবৰ কায়স্থ-প্ৰবৰ ধৰ্মৱন্ত মহাযশী।*
*পণ্ডিত তিলক কুল-প্ৰকাশক নিষ্কলঙ্ক যেন শশী।।*

এই কবিৰত্ন সৰস্বতীৰে বংশধৰ হ'ল মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰ। ইন্দ্ৰনাৰায়ণৰ ৰাজত্বকালৰ কবি হিচাপে কবিৰত্ন সৰস্বতী হেম সৰস্বতীৰ প্ৰায় সমসাময়িক।

কবিৰত্ন সৰস্বতীয়ে *মহাভাৰত*ৰ দ্ৰোণ পৰ্বৰ জয়দ্ৰথ বধৰ কাহিনীটো কাব্য আকাৰে বৰ্ণনা কৰিছে। *অসমীয়া সাহিত্যৰ চানেকি*ৰ প্ৰথম খণ্ডত উদ্ধৃত কৰা 'কৈলাস

বৰ্ণনা' অংশটোৰপৰা কবিৰত্ন সৰস্বতীৰ কবি প্ৰতিভাৰ কিছু আভাস পাব পাৰি। কৈলাশৰ ফল-ফুলৰ শোভা, শিৱৰ অনুচৰবোৰৰ বিস্ময়জনক বৰ্ণনা, নাগৰিকসকলৰ ৰূপ-যৌৱন আৰু মদন-চঞ্চল ভাব আদিৰ সুন্দৰ বিৱৰণ কৈলাস বৰ্ণনাত পোৱা যায়। এই বৰ্ণনাই শ্ৰীমন্ত শঙ্কৰদেৱৰ *হৰমোহন*ৰ উপবন বৰ্ণনালৈ মনত পেলাই দিয়ে। তেওঁৰ ভাষা আৰু শব্দচয়ন সহজ-সৰল আৰু সাৱলীল। অৱশ্যে এটা কথা ঠিক যে মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ কাব্যত থকা ঘৰুৱা চিত্ৰ আৰু ভাষাৰ জতুৱা ঠাঁচ এওঁৰ কাব্যত বিশেষ পোৱা নাযায়। কবিৰত্ন সৰস্বতীয়ে *জয়দ্ৰথ-বধ* ৰচনাৰ আগতে *মহাভাৰত*ৰ আদি পৰ্বৰ শকুন্তলা উপাখ্যান আৰু যযাতিৰ চৰিত্ৰ ৰচনা কৰিছিল বুলি জনা যায়।

## ৩.৮ ৰুদ্ৰ কন্দলি আৰু তেওঁৰ কাব্যকৃতি

প্ৰাক্ শঙ্কৰী যুগৰ একেবাৰে শেহতীয়া কবি হ'ল ৰুদ্ৰ কন্দলি। তেওঁৰ পৃষ্ঠপোষক ৰজা হ'ল তাম্ৰধ্বজ। এই তাম্ৰধ্বজ কোন আৰু কেতিয়াৰ সেই লৈ পণ্ডিতসকল এতিয়াও নিশ্চিত হ'ব পৰা নাই। কোনোৱে তেওঁক ৰামচৰণ ঠাকুৰৰ *শংকৰ চৰিত*ত উল্লেখ থকা দুৰ্লভনাৰায়ণৰ সমসাময়িক ধৰ্মপালৰ পুত্ৰ আৰু কোনোৱে অষ্টাদশ শতিকাত ৰচিত *নাৰদীয় কথামৃত* ৰচনা কৰা ভুৱনেশ্বৰ বাচস্পতিৰ পৃষ্ঠপোষক মহাৰাণী চন্দ্ৰপ্ৰভাৰ স্বামী তাম্ৰধ্বজ বুলি ক'ব খোজে। এইজন তাম্ৰধ্বজ খাচপুৰৰ কছাৰী ৰজা (১৭০৬-০৮)। তেওঁৰ কাব্যৰ ভাব-ভাষাৰ ফালৰপৰা ড° মহেশ্বৰ নেওগে তেওঁক পাছৰজন তাম্ৰধ্বজৰ সময়ৰ বুলিহে ক'ব খোজে।

ৰুদ্ৰ কন্দলিয়ে দ্ৰোণপৰ্বৰ জয়দ্ৰথ-বধৰ অন্তৰ্গত ১০৫ শ আদি অধ্যায়ত থকা সাত্যকিৰ যুদ্ধযাত্ৰা আৰু বীৰত্বব্যঞ্জক কথাখিনি *সাত্যকি প্ৰবেশ* নামেৰে অনুবাদ কৰিছে। পূৰ্বসূৰী কবিসকলৰ দৰে এই অনুবাদো আক্ষৰিক নহয়। প্ৰয়োজন অনুসৰি তেওঁ মূল *মহাভাৰত*ৰ বিৱৰণ স্থান বিশেষে চমুৱাইছে, স্থান বিশেষে বহলাইছে আৰু স্থান বিশেষে মূলক সম্পূৰ্ণ অনুসৰণ কৰিছে। কেতিয়াবা বিশেষকৈ দ্ৰোণ-বৃহৎক্ষোত্ৰৰ যুদ্ধৰ বৰ্ণনাত কবি মূলৰপৰা আঁতৰি নিজৰ বৰ্ণনাতে নিজে মুগ্ধ হৈ পৰিছে। সমগ্ৰ কাব্যখনি যুদ্ধৰ বিৱৰণেৰে পূৰ্ণ। যুদ্ধ সৰ্বস্ব এই কাব্যখন নৱ বৈষ্ণৱ যুগৰ বধকাব্যৰ লগত ভালেখিনি সাদৃশ্য দেখা যায়। চৰিত্ৰ সৃষ্টি আৰু যুদ্ধৰ বিৱৰণৰ বাহিৰে কাব্যখনিত অন্য পৰিবেশ বা পৰিস্থিতিৰ কোনো অৱকাশ নাই। দ্ৰোণৰ প্ৰতি চেদি, সৃঞ্জয় আৰু সোমক সৈন্যবোৰৰ বিদ্ৰূপ-বাণীৰ ঠাইত কবিয়ে ইতৰ খাপৰ লোকৰ ঘৰুৱা ভাষাৰ গালি-শপনি প্ৰয়োগ কৰিছে। তেওঁৰ ভাষাত ঠায়ে ঠায়ে ব্যৱহৃত ঘৰুৱা উপমা আৰু চিত্ৰ সংযোজন উপভোগ্য হৈ পৰিছে। মূলৰ উপমাবোৰৰ কিছুমান তেওঁ ৰাখিছে আৰু কিছুমান সাধাৰণ লোকৰ বাবে দুৰ্বোধ্য যেন ভাবি বাদ দিছে। ভাষাৰ

কালৰপৰা কাব্যখনক ইমান প্ৰাচীন বুলি ক'ব নোৱাৰি যদিও *সাত্যকি প্ৰবেশত* প্ৰাক্ শঙ্কৰী যুগৰ ব্যাকৰণিক নিদৰ্শন- ইবা প্ৰত্যয়ান্ত অতীত কৃদন্তৰ প্ৰয়োগ বিশেষভাৱে দেখা যায়।

### ৩.৭ নাথ সাহিত্য

প্ৰাক্ নৱবৈষ্ণৱ যুগৰ লোকধৰ্মৰদ্বাৰা প্ৰভাবান্বিত লিখিত সাহিত্যৰ নিদৰ্শন স্বৰূপে নাথ সাহিত্যলৈ আঙুলিয়াব পাৰি। নাথ বা যোগী সম্প্ৰদায়ৰ প্ৰবৰ্তক মৎসেন্দ্ৰনাথ কামৰূপৰ লোক আছিল বুলি জনশ্ৰুতিৰ পৰা জনা যায়। কোনো কোনো পণ্ডিতৰ মতে নাথধৰ্ম মূলতঃ বৌদ্ধতান্ত্ৰিক সম্প্ৰদায়ৰপৰা উদ্ভূত এটি ধৰ্মীয় সম্প্ৰদায়। অন্য এদল পণ্ডিতৰ মতে শৈৱধৰ্মমাৰ্গৰেই আন এটি উপ-শাখা হৈছে নাথধৰ্ম। নাথধৰ্মত শিৱই একমাত্ৰ উপাস্য দেৱ— তেওঁ জগতৰ একমাত্ৰ নাথ। জগতৰ একমাত্ৰ নাথ যোগীৰাজ শিৱৰ উপাসকসকল নাথ বা যোগী ৰূপে পৰিচিত হয়। ড° শশী ভূষণ দাশগুপ্তৰ মতে নাথধৰ্ম সৰ্বভাৰতীয় সিদ্ধাচাৰ্যসকলৰ ধৰ্মমতৰ এটা অভিব্যক্তি মাথোন। নাথসকলৰ প্ৰধান আদৰ্শ জীৱন মুক্তিৰ সাধনা। খৃষ্টাব্দ দশম-একাদশ শতিকামানত প্ৰধান নাথ সিদ্ধাচাৰ্যসকলৰ আবিৰ্ভাব হৈছিল। নাথধৰ্ম পন্থা আৰু সিদ্ধসকলৰ গৌৰৱ-গৰিমা প্ৰকাশক কেইখনমান গ্ৰন্থ ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ পৰা উদ্ধাৰ কৰা হৈছে। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল তাহানিলৈকে অসম ৰূপে জনাজাত আছিল। গতিকে এই সাহিত্যখিনিকো অসমীয়া সাহিত্য আখ্যা দিয়াত আপত্তি উঠিব নোৱাৰে। এই সাহিত্যৰাজিৰ ভাষাত কালৰ সোঁতত বাংলা ভাষাৰ প্ৰভাৱ এনেদৰে পৰিছে যে এইকেইখন গ্ৰন্থ অসমীয়া বুলি চিনাই টান হৈ পৰিছে। এনে গ্ৰন্থৰ ভিতৰত *ময়নামতী* বা *গোপীচন্দ্ৰৰ গান* আৰু *গোৰক্ষ বিজয়* বা *মীন চেতন* এই কাহিনী দুটা কাব্যৰ আকাৰত প্ৰকাশ পাইছে। অকণমান মনোযোগেৰে পঢ়িলেই এই কাব্য কেইখনৰ ভাষা যে অসমীয়া আছিল তাৰ আভাস পোৱা যায়। বিশুদ্ধ অসমীয়া ভাষাত প্ৰচলিত জনাগাভৰুৰ গীততো *গোপীচন্দ্ৰ* কাহিনীটো পোৱা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

নাথ সাহিত্যৰ বিষয়বস্তু কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## ৩.১০ সাৰাংশ (Summing Up)

এই খণ্ডটোৰপৰা আপোনালোকে জানিব পাৰিব যে মাধৱ কন্দলি, হৰিবৰ বিপ্ৰ আদি কবিসকলৰ হাততেই বিশুদ্ধ অসমীয়া ভাষাৰ ভেটি দৃঢ়ভাৱে প্ৰতিষ্ঠা হয়। মহামাণিক্য, দুৰ্লভনাৰায়ণ আদি পৃষ্ঠপোষক ৰজাৰ অনুপ্ৰেৰণাৰে এই কবিসকলে সংস্কৃত মহাকাব্য-পুৰাণৰ কথা অসমীয়া কাব্য-ভাষালৈ ৰূপান্তৰ কৰি ৰজা-প্ৰজা সকলোকে সংস্কৃত সাহিত্যৰ মাজত আবদ্ধ হৈ থকা সাহিত্যৰ ৰস উপভোগ কৰাৰ সুবিধা কৰি দিছিল। সংস্কৃত মূলৰপৰা বিষয়বস্তু লৈ আঞ্চলিক ভাষাত মৌলিক গ্ৰন্থৰ দৰে একোখন অনুপম গ্ৰন্থ ৰচনা কৰিব পৰাটো এওঁলোকৰ বিশেষত্ব। তদুপৰি এই কবিসকলেই পোন প্ৰথমে তেওঁলোকৰ কাব্যত পদ, পয়াৰ, দুলড়ী, ছবি আদি ছন্দ ব্যৱহাৰ কৰি অসমীয়া ছন্দৰ জয়যাত্ৰাও ঘোষণা কৰিছিল। জন মনোৰঞ্জনৰ বাবে ৰচনা কৰিলেও এই কবিসকলৰ কাব্যতে পোনতে বিষ্ণুৰ অৱতাৰ ৰূপে ৰাম আৰু কৃষ্ণৰ ঐশ্বৰ্য আৰু মহত্ত্ব প্ৰকাশ পায়।

## ৩.১১ আৰ্হি প্ৰশ্ন (Sample Questions)

১। মাধৱ কন্দলিক এই সময়ছোৱাৰ সৰ্বশ্ৰেষ্ঠ কবি বুলি কিয় কোৱা হয় আলোচনা কৰক।

২। মাধৱ কন্দলিৰ ৰামায়ণৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

৩। মাধৱ কন্দলিৰ ৰামায়ণৰ বৰ্ণনা নৈপুণ্য— এই শীৰ্ষক এটি নিবন্ধ যুগত কৰক।

৪। মাধৱ কন্দলিৰ ৰামায়ণত তৎকালীন অসমৰ সমাজ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে আলোচনা কৰক।

৫। 'দেববাণী নোহে ইটো লৌকিকহে কথা' —এনে স্বীকাৰোক্তিৰ পিছতো কন্দলিৰ ৰামায়ণত ৰামৰ ঈশ্বৰত্ব প্ৰকাশ পাইছে— কিয় আৰু কেনেকৈ আলোচনা কৰা।

৬। হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ এটি চমু বিৱৰণ দিয়ক।

৭। জয়দ্ৰথ বধৰ আধাৰত কবিৰত্ন সৰস্বতীৰ কাব্য প্ৰতিভাৰ মূল্যায়ন কৰক। অসমীয়া নাথ সাহিত্যৰ এটি সামগ্ৰিক পৰিচয় দিয়ক।

৮। 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্যত হৰিবৰ বিপ্ৰৰ মৌলিকতা কিদৰে ফুটি ওলাইছে আলোচনা কৰক।

৯। হৰিবৰ বিপ্ৰৰ কাব্যপ্ৰতিভাৰ মূল্যায়ন কৰি এটি চমু নিবন্ধ যুগুত কৰক।

১০। পুৰণি অসমীয়া সাহিত্যত হৰিবৰ বিপ্ৰৰ স্থান— এই শীৰ্ষক এটি সংক্ষিপ্ত আলচ যুগুত কৰক।

১১। কবিৰত্ন সৰস্বতীৰ পৰিচয় দাঙি ধৰি তেওঁৰ কাব্যৰ বৈশিষ্ট্য নিৰূপণ কৰক।

## ৩.১২ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


ডিম্বেশ্বৰ নেওগ : অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি

প্ৰবীণ চন্দ্ৰ দাস : অসমীয়া ভাষা আৰু সাহিত্যৰ কথা

মহেশ্বৰ নেওগ : অসমীয়া সাহিত্যৰ ৰূপৰেখা

সত্যেন্দ্ৰনাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

হেমচন্দ্ৰ গোস্বামী : সাহিত্যৰ চানেকি।

Banikanta Kakati : *Aspects of Early Assamese Literature*

Birinchi Kumar Baruah : *Assamese Literature*

Dimbeswar Neog : *New Light on History of Assamese Literature*

Sujya Kumar Bhuyan : *Studies in the Literature of Assam*


●●●

# শঙ্কৰী যুগৰ অসমীয়া সাহিত্য

## খণ্ডৰ পৰিচয়

এই কাকতৰ প্ৰথম খণ্ডটিত উত্তৰকালীন অসমীয়া সাহিত্যৰ অৰ্থাৎ আৰম্ভণিৰেপৰা শঙ্কৰদেৱৰ পূৰ্ববৰ্তী সময়লৈকে অসমীয়া সাহিত্যৰ বিষয়ে পৰ্যালোচনা কৰি অহা হৈছে। এই খণ্ডটিত শঙ্কৰদেৱৰ সময়ছোৱাৰ অসমীয়া সাহিত্যৰ বিশ্লেষণ দাঙি ধৰা হ'ব। আলোচনাৰ সুবিধাৰ কাৰণে এই খণ্ডটিক চাৰিটা বিভাগত ভাগ কৰা হৈছে—

**প্ৰথম বিভাগ : শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ পটভূমি**

**দ্বিতীয় বিভাগ : শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য**

**তৃতীয় বিভাগ : শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ ধাৰা আৰু প্ৰকাৰ**

**চতুৰ্থ বিভাগ : পাঁচালী সাহিত্য**

**প্ৰথম বিভাগটিত** শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ পটভূমি ব্যাখ্যা কৰাৰ লগতে ভক্তিৰ তত্ত্ব, নৱিধ ভক্তি, ভাৰতবৰ্ষত ভক্তি আন্দোলন, ভক্তি ধৰ্মৰ বৈশিষ্ট্য, শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ বৈশিষ্ট্য, নৱবৈষ্ণৱ কবি-সাহিত্যিকৰ আদৰ্শ আৰু সীমাবদ্ধতা আদি দিশসমূহ সামৰি লোৱা হৈছে।

**দ্বিতীয় বিভাগত** শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ পৰ্যালোচনা কৰা হৈছে। এই বিভাগটিত আলোচিত হোৱা অন্যান্য শিতানসমূহ হ'ল— শঙ্কৰী যুগৰ সময় আৰু সমাজ, শঙ্কৰী যুগৰ সংস্কৃতি, নৱবৈষ্ণৱ আদৰ্শ বা ভক্তিধৰ্ম আৰু সাহিত্যৰ সম্প্ৰসাৰণ, লৌকিক সাহিত্যৰ প্ৰতি বৈষ্ণৱ সাহিত্যিকসকলৰ দৃষ্টিভংগী, ভাগৱত, পুৰাণ আৰু নৱবৈষ্ণৱ আদৰ্শ, নৱবৈষ্ণৱ সাহিত্যৰ ভাষাগত আৰু ৰূপগত বৈশিষ্ট্য, শঙ্কৰী সাহিত্যৰ প্ৰচাৰধৰ্মিতা আৰু গতানুগতিকতা আদি।

**তৃতীয় বিভাগৰ** বিষয়বস্তু হ'ল শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ ধাৰা আৰু প্ৰকাৰ। এই প্ৰসংগতে শঙ্কৰদেৱৰ সমসাময়িক কবি-সাহিত্যিকসকলৰ জীৱন আৰু কৃতি সম্পৰ্কে চমুকৈ আলোকপাত কৰা হৈছে।

**চতুৰ্থ বিভাগটিত** অসমীয়া পাঁচালী সাহিত্যৰ বিষয়ে আলোচনা কৰা হৈছে। পাঁচালী সাহিত্যৰ বিষয়বস্তু, প্ৰকাৰ আদি দাঙি ধৰি কবিসকলৰ সাহিত্য কৰ্ম আৰু এইবোৰৰ বৈশিষ্ট্য সম্পৰ্কে এই বিভাগটিত আলোচনা কৰা হৈছে।

## প্ৰথম বিভাগ

## শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ পটভূমি

বিভাগৰ গঠন ঃ

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ ভক্তিৰ তাত্ত্বিক আলোচনা
১.৪ নৱবিধা ভক্তি
১.৫ ভাৰতবৰ্ষত ভক্তি আন্দোলন
১.৬ ভক্তিধৰ্মৰ বিকাশৰ কাৰণ
১.৭ ভক্তিধৰ্মৰ সাধাৰণ বৈশিষ্ট্য
১.৮ ভক্তিধৰ্মৰ প্ৰসাৰ
১.৯ শঙ্কৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ বৈশিষ্ট্য
১.১০ নৱবৈষ্ণৱ কবি-সাহিত্যিকৰ আদৰ্শ আৰু সীমাবদ্ধতা
১.১১ সাৰাংশ (Summing up)
১.১২ আৰ্হি প্ৰশ্ন (Sample Questions)
১.১৩ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ পৃষ্ঠভূমি আলোচনাৰ প্ৰসংগত সেই সময়ৰ কামৰূপ-অসমৰ ভৌগোলিক আৰু ঐতিহাসিক পৰিস্থিতি, অধিবাসী, সমাজ, ধৰ্ম, সাহিত্য আৰু সৰ্বভাৰতীয় পৃষ্ঠভূমিৰ বিষয়ে আলোচনা কৰিব লাগিব।

সেই সময়ৰ অসমৰ ভৌগোলিক পৰিস্থিতিয়ে তাহানিৰ প্ৰাগজ্যোতিষৰ ভৌগোলিক সীমাৰেখা প্ৰায় সামৰিছিল বুলি ক'ব পাৰি। উত্তৰে হিমালয়ৰ পাৰ্বত্য অঞ্চল, পূবে তীৰ্থশ্ৰেষ্ঠা দিক্কুনদী বা দিক্কৰ মন্দিৰ, পশ্চিমে কৰতোৱা নদী আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু সাগৰৰ সংগম অঞ্চল। ৰাজনৈতিকভাৱে এই অঞ্চলত বিভিন্ন জনজাতীয় ৰজা, আহোম, ভূঞা, চুতীয়া, কোচ আদি ৰজাই ৰাজত্ব কৰিছিল। এই ৰজাসকলৰ মাজত শান্তি-সম্প্ৰীতি ৰক্ষিত হৈছিল বুলি ক'ব নোৱাৰি। খৃষ্টাব্দ ৭ম শতিকাৰ পূৰ্বৰেপৰা হিন্দুৰজাসকলে খৃষ্টাব্দ দ্বাদশ-ত্ৰয়োদশ শতিকালৈ ৰাজত্ব কৰিছিল যদিও শেষৰফালে বিদেশী মুছলমানৰ আক্ৰমণে অস্থিৰতা অনাৰ লগতে তেওঁলোকৰ শাসনৰ আঘাত হানিছিল।

শঙ্কৰদেৱৰ পূৰ্বকালৰ জনবসতি ঘন বসতিপূৰ্ণ নাছিল। সেই অধিবাসীসকল গঠিত হৈছিল অষ্ট্ৰিক, কিৰাত বা মংগোলীয়, নৰ্দিক আৰু দ্ৰাবিড় ভাষা-পৰিয়ালৰ লোকেৰে। সেই সময়ত অধিক সংখ্যক লোকেই কৃষিজীৱী আছিল। কিছুমান বৃত্তিমূলক জাতি আছিল। ব্ৰাহ্মণসকলে যাগ-যজ্ঞাদি সমাপন কৰিছিল। কায়স্থসকলে লেখা-মেলা, হিচাপ-নিকাচ কৰিছিল। বেহা-বেপাৰ আদি কৰিছিল বৈশ্যসকলে। সাধাৰণ শ্ৰেণীলোকসকলে খেতিয়ক স্বৰূপে, সৈনিক স্বৰূপে দেশৰ প্ৰতি সেৱা আগবঢ়াইছিল।

খিলঞ্জীয়া লোকসকলৰ লগতে যোগ দিছিল ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰপৰা বিভিন্ন কাৰণবশতঃ অহা লোকসকলে। এইদৰে অসমীয়া ভাষাৰ বিকাশ ঘটিছিল আৰু সৰ্বজনৰ ভাষা ৰূপে স্বীকৃতি লাভ কৰিছিল। সেই সময়ত হিন্দুধৰ্মই মুখ্য ধৰ্ম আছিল। জনজাতীয় লোকসকলে হিন্দুধৰ্ম গ্ৰহণ কৰি সম্প্ৰীতিৰ পথ ৰচনা কৰিছিল। শৈৱ আৰু শাক্তধৰ্মৰ প্ৰাধান্যও লক্ষ্য কৰা গৈছিল। বৈষ্ণৱ ধৰ্মৰো পয়োভৰ দেখা গৈছিল।

শঙ্কৰী সাহিত্যৰ বিকাশত যিদৰে ভক্তিমাৰ্গৰ গভীৰ প্ৰভাৱ অস্বীকাৰ কৰাৰ উপায় নাই, তদ্ৰূপ তেওঁৰ পূৰ্ববৰ্তী কবিসকলৰ প্ৰভাৱো অস্বীকাৰ কৰিব নোৱাৰি। শঙ্কৰদেৱে নিজেই মাধৱ কন্দলি আদি কবিসকলৰ প্ৰভাৱৰ কথা স্বীকাৰ কৰি গৈছে। গতিকে নৱবৈষ্ণৱ সাহিত্যৰ পৃষ্ঠভূমি ৰচনাত প্ৰাক্‌বৈষ্ণৱ যুগৰ কবিসকলৰ অৱদান নিশ্চিতভাৱে তাৎপৰ্যপূৰ্ণ।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি —

- শঙ্কৰী সাহিত্যৰ পটভূমি সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- শঙ্কৰদেৱৰ পূৰ্বকালীন সমাজত শৈৱ আৰু শাক্ত ধৰ্মমত যে প্ৰচলিত আছিল সেই বিষয়ে জ্ঞান লাভ কৰিব পাৰিব
- শঙ্কৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ পূৰ্বৰেপৰা যে বৈষ্ণৱ ধৰ্ম প্ৰচলিত হৈছিল সেই বিষয়ে পৰ্যালোচনা কৰিব পাৰিব।
- শঙ্কৰী সাহিত্যৰ সৃষ্টি আৰু বিকাশৰ পটভূমি নিৰ্মাণত সহায় কৰা তদানীন্তন সময়ত ৰচিত বৈষ্ণৱ ভাববিশিষ্ট গ্ৰন্থৰাজিৰ (সংস্কৃত আৰু অসমীয়া ভাষাত ৰচিত) লগত পৰিচিত হ'ব পাৰিব।

## ১.৩ ভক্তিৰ তাত্ত্বিক আলোচনা

নৱবৈষ্ণৱ যুগৰ সাহিত্য ভক্তি আন্দোলনভিত্তিক আছিল। ভক্তি আন্দোলনৰ

বিষয়ে ক'বলৈ যোৱাৰ পূৰ্বে ভক্তি বা ভক্তিধৰ্ম কাক বোলে সেই বিষয়ে আলোচনা কৰা উচিত হ'ব।

ভক্তি শব্দৰ অৰ্থ হৈছে আসক্তি, অনুৰাগ, প্ৰেম-প্ৰীতি, ভালপোৱা আদি। ভক্তি শব্দটো এনেদৰে নিষ্পন্ন হৈছে :

✓ ভজ্ + ক্তিন্, অৰ্থ বিশেষ ব্যক্তি বা ঈশ্বৰক ভজন কৰাৰ জৰিয়তে অন্তৰত ওপজা আসক্তিৰ ভাব।

*শাণ্ডিল্য ভক্তি সূত্ৰ* গ্ৰন্থত ভক্তিৰ বিষয়ে এনেদৰে উল্লেখ কৰা হৈছে— ভজনীয় ঈশ্বৰৰ প্ৰতি থকা গভীৰ অহৈতুকী অনুৰক্তিয়েই ভক্তি। যেনে—

*সা পৰানুৰক্তিৰীশ্বৰে।*

*নাৰদীয় ভক্তিসূত্ৰত* ভক্তিক পৰম প্ৰেমৰূপা বোলা হৈছে। অৰ্থাৎ ঈশ্বৰৰ প্ৰতি বা ভজনীয় দেৱতাৰ প্ৰতি ওপজা পৰম প্ৰেমকেই ভক্তি বোলে। যেনে—

*সা ত্বস্মিন্ পৰম প্ৰেম ৰূপা।*

অৰ্থাৎ সা (ভক্তি), তু (আন নহয়), অস্মিন (এওঁত— ঈশ্বৰত), পৰম (যাৰ পৰ নাই), প্ৰেমৰূপা (হৃদয় বিগলিত মৰম)।

প্ৰেমৰূপা ভক্তিত প্ৰেম আৰু আনন্দ বৰ্তমান। মাধৱদেৱে এই প্ৰেমভক্তিৰ নাম দিছে ৰসময়ী ভক্তি। প্ৰেমত ৰস আৰু আনন্দ উভয়েই আছে। শেষ বিচাৰত প্ৰেম আৰু আনন্দ এক হৈ পৰে।

*নাৰদীয় ভক্তিসূত্ৰ* গ্ৰন্থত ভক্তিৰ স্বৰূপ সম্পৰ্কে এনেদৰে কৈছে— ভক্তিৰ বিষয়ে কথা বা বচনেৰে কৈ শেষ কৰিব নোৱাৰি বা প্ৰকাশ কৰিব নোৱাৰি; অৰ্থাৎ ভক্তি অনিৰ্বচনীয়। যেনে—

*অনিৰ্বচনীয়ং প্ৰেমস্বৰূপম্।*

'ভক্তি' শব্দৰ সাধাৰণ অৰ্থ ঈশ্বৰ সেৱা। 'ভক্তি' কেৱল যে ঈশ্বৰৰ সৈতেহে যুক্ত তেনে নহয়— দেশ, পিতৃ-মাতৃ আদিৰ সৈতেও বিজড়িত; যেনে— দেশভক্তি, মাতৃভক্তি, পিতৃভক্তি আদি। অৱশ্যে আধ্যাত্মিক ক্ষেত্ৰত ঈশ্বৰৰ সৈতে অৰ্থাৎ ভজনীয় দেৱতাৰ প্ৰতি থকা গভীৰ অনুৰাগ আৰু প্ৰীতিয়েই ভক্তি। প্ৰকৃতাৰ্থত ভক্তি এক মানসিক অৱস্থা।

ভক্তিৰ স্তৰ তিনিটা— শ্ৰদ্ধা, ৰতি আৰু ভক্তি। ভক্তিৰ তাৰতম্য অনুসৰি *গীতা শাস্ত্ৰত* চাৰি প্ৰকাৰ ভক্তিৰ কথা উল্লেখ কৰা হৈছে। যেনে— (ক) আৰ্ত, (খ) জিজ্ঞাসু, (গ) অৰ্থাৰ্থী আৰু (ঘ) জ্ঞানী।

**ভক্তিৰ শ্ৰেণী বিভাজন :** ভক্তিক বহলকৈ দুটা ভাগত ভগাব পাৰি, যেনে— (ক) গৌণীভক্তি আৰু (খ) পৰাভক্তি।

**(ক) গৌণীভক্তি :** যি ভক্তিত ভক্তিয়ে মুখ্য স্থান নাপায়, গৌণ স্থানহে পায়, সেই ভক্তিক গৌণীভক্তি বোলে। গৌণীভক্তিৰ আন এটা নাম হৈছে সাধন

ভক্তি। এইবিধ ভক্তি পঞ্চ অংগযুক্ত। যেনে— উপাসক, উপস্য, পূজাদ্রব্য, পূজাবিধি আৰু মন্ত্ৰজপ।

(খ) পৰাভক্তি : পৰাভক্তিত ভক্তিয়েই মুখ্য স্থান লাভ কৰে; অৰ্থাৎ ভক্তি সৰ্বস্ব অৱস্থাৰ নামেই পৰাভক্তি। পৰাভক্তিৰ আন নাম সাধ্যভক্তি। পৰাভক্তিত কামনা-বাসনাৰ গোন্ধ মুঠেই নাথাকে। ঈশ্বৰ প্ৰেমত আপ্লুত অৱস্থাৰ নামেই পৰাভক্তি।

আনহাতে আন চাৰিটা উপ-ভাগতো ভক্তি বিভক্ত, যেনে : সাত্ত্বিকী, ৰাজসী, তামসী, নিৰ্গুণা বা জ্ঞানময়ী ভক্তি।

## ১.৪ নৱবিধা ভক্তি

*শ্ৰীমদ্ভাগৱত পুৰাণ* আৰু আন আন ভক্তি শাস্ত্ৰতো নৱবিধা ভক্তি অৰ্থাৎ ন বিধ ভক্তিৰ উল্লেখ পোৱা যায়। যেনে :

*শ্ৰৱণং কীৰ্ত্তনং বিষ্ণোঃ স্মৰণং পাদ সেৱনম্।*

*অৰ্চনং বন্দনং দাস্যং সখ্যমাত্মনিবেদনম্।।*

শঙ্কৰদেৱে এই শ্লোকটোৰ ভাঙনি তলত দিয়াৰ দৰে কৰিছে :

*শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ*

*অৰ্চন পাদ সেৱন।*

*দাস্য সখিত্ব বন্দন বিষ্ণুত*

*কৰিব দেহ অৰ্পণ।।*

এই নৱবিধা ভক্তিৰ নামবোৰ এনে বিধৰ— (১) শ্ৰৱণ, (২) কীৰ্ত্তন, (৩) স্মৰণ, (৪) অৰ্চন, (৫) পাদসেৱন, (৬) দাস্য, (৭) সখিত্ব, (৮) বন্দন আৰু (৯) আত্মনিবেদন। ভাব অনুসৰিও ভক্তিৰ শ্ৰেণী বিভাজন এনেদৰে দেখুৱাব পাৰি— (১) বাৎসল্য, (২) সখ্য, (৩) দাস্য আৰু (৪) মাধুৰ্য্য।

## ১.৫ ভাৰতবৰ্ষত ভক্তি আন্দোলন

ভক্তিতত্ত্বৰ উৎসৰ সন্ধান পোৱা যায় প্ৰাক্ বৈদিক যুগত। ঋগ্বেদত বৰুণ, সবিতা আৰু ঊষাৰ প্ৰাৰ্থনা পোৱা যায়। এই প্ৰাৰ্থনা মন্ত্ৰবোৰত ভক্তিৰ বীজ নিহিত হৈ আছে। আনকি *উপনিষদ* সমূহৰ ভিতৰত কেইখনমানত ভক্তিতত্ত্বৰ আভাস পোৱা যায়। *উপনিষদ*ৰ নিৰ্গুণ ব্ৰহ্মাই সগুণ ব্ৰহ্ম বা ঈশ্বৰ তথা উপাস্য দেৱতা স্বৰূপে আত্মপ্ৰকাশ কৰাৰ গুৰিতে আছে ভক্তি ধৰ্মৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ।

ভক্তিতত্ত্ব বা ভক্তিধৰ্মৰ মূল লক্ষ্য হৈছে লোকজীৱনৰ সমুন্নতি। পণ্ডিতসকলৰ

মতে বৈদিক বিষ্ণু-উপাসনা পদ্ধতিৰ লগত লোক-ধৰ্মৰ (Popular cults) সংযোগ প্ৰক্ৰিয়াৰ ফলত নববৈষ্ণৱ বা ভক্তিধৰ্মৰ উদ্ভব আৰু বিকাশ হৈছে। পণ্ডিতসকলৰ মতে ভক্তিমাৰ্গত স্থান লাভ কৰি অহা ভগৱৎ, ভক্তি আৰু ভক্ত— এই তিনিটি পদে আদিম জনজাতীয় গোষ্ঠী বিশেষৰ সম্পত্তিৰ অধিকাৰী (ভগৱৎ, প্ৰভু), সম্পত্তিৰ অংশ (শক্তি) আৰু সম্পত্তিৰ অংশ লাভ কৰা ব্যক্তিবিশেষক (ভক্ত) সূচিত কৰে। সময়ৰ অগ্ৰগতিত ভগৱতক ঈশ্বৰ হিচাপে শ্ৰদ্ধা কৰিবলৈ লোৱা হ'ল আৰু ভক্তক ঈশ্বৰৰ সেৱক স্বৰূপে গণ্য কৰা হ'ল।

*শ্ৰীমদ্ভাগৱত পুৰাণ*ত উল্লেখ আছে যে ভক্তিধৰ্ম পোনতে উদ্ভৱ হৈছিল দ্ৰাবিড় দেশত। যেনে—

*উৎপন্না দ্ৰাবিড়ে সাহহম্।*

অৰ্থাৎ দ্ৰাবিড় দেশত মোৰ উৎপত্তি হৈছে।

এই কথাখিনি ঐতিহাসিকভাৱেও প্ৰতিপন্ন কৰিব পাৰি। ইতিহাসৰ মতে দক্ষিণ ভাৰতত অৰ্থাৎ দ্ৰাবিড় দেশত আলোৱাৰ নামৰ এশ্ৰেণী কৃষ্ণ-ভক্তৰ বিকাশ ঘটিছিল। তেওঁলোকৰ উপাস্য দেৱতা আছিল বাল গোপাল আৰু তেওঁলোকে বাল গোপালক উপাসনা কৰিছিল আবেগ প্ৰসূত গীত, পদ আৰু নৃত্যৰে। পণ্ডিতসকলৰ মতে বৈষ্ণৱ ভক্ত-গায়ক আলোৱাৰসকলৰ ভগৱৎ প্ৰীতিৰ মাধ্যমেৰে প্ৰেম-ভক্তিৰ বিকাশ হোৱা স্বাভাৱিক। আলোৱাৰসকলৰ মাজৰ কোনো সিদ্ধই খৃষ্টাব্দ ৭ম আৰু খৃষ্টাব্দ ৯ম শতিকাৰ ভিতৰত *শ্ৰীমদ্ভাগৱত পুৰাণ* ৰচনা কৰে। ভক্তিতত্ত্ব প্ৰতিপাদক গ্ৰন্থসমূহৰ ভিতৰত *ভাগৱত পুৰাণ* অন্যতম।

### ১.৬ ভক্তিধৰ্মৰ বিকাশৰ কাৰণ

ভক্তিধৰ্ম সামাজিক ব্যাপাৰ। গতিকে সমাজৰ পৰিবৰ্তনৰ লগে লগে সামাজিক ব্যাপাৰৰো পৰিবৰ্তন হোৱা স্বাভাৱিক। ভক্তিধৰ্ম উদ্ভৱৰ প্ৰধান প্ৰধান ঐতিহাসিক কাৰণবোৰ তলত দিয়া হ'ল—

(ক) খৃষ্টাব্দ দশম-একাদশ শতিকামানৰপৰা আৰম্ভ কৰি আধুনিক ভাৰতীয় ভাষাসমূহে প্ৰাকৃত অপভ্ৰংশৰ মাজেৰে আধুনিক ৰূপ পাবলৈ সক্ষম হয়। সংস্কৃত ভাষাত ৰচিত শাস্ত্ৰসমূহ আধুনিক ভাৰতীয় ভাষাবোৰলৈ অনুবাদ কৰিবলৈ লোৱা হ'ল। লগে লগে জনসাধাৰণে বৈষ্ণৱ ধৰ্মৰ প্ৰকৃত তত্ত্ববোৰ সহজভাৱে বুজিবলৈ ধৰিলে।

(খ) উচ্চবৰ্ণ হিন্দুৰদ্বাৰা নিম্নবৰ্গৰ লোকসকল অনেক ক্ষেত্ৰত নিষ্পেষিত আৰু নিৰ্যাতিত হৈছিল। দ্বিতীয়তে নিম্নবৰ্ণৰ হিন্দুসকলে আৰ্থিক দুৰৱস্থাৰ হেতু যাগ-যজ্ঞ আদি সম্পাদন কৰিবলৈ অসমৰ্থ হৈছিল। এনেবোৰ কাৰণত নিম্নবৰ্গৰ হিন্দুসকলে যাগ-যজ্ঞবিহীন উদাৰ বৌদ্ধধৰ্ম গ্ৰহণ কৰিবলৈ অগ্ৰসৰ হৈছিল। ইয়াৰ

ফলত হাজাৰ হাজাৰ নিম্নবৰ্গৰ হিন্দুৱে বৌদ্ধধৰ্মত দীক্ষিত হৈছিল। হিন্দুধৰ্ম আৰু সমাজৰ এনে দুৰ্যোগৰ ক্ষণত ৰক্ষক স্বৰূপে আগবাঢ়ি আহিল শঙ্কৰাচাৰ্য। তেওঁ একাধিকবাৰ কাশ্মীৰৰপৰা ৰামেশ্বৰ আৰু দ্বাৰকাৰপৰা কামৰূপ পৰ্যন্ত সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰি উপনিষদৰ বাণী প্ৰচাৰ কৰি অনৈক্যৰ মাজত ঐক্য স্থাপন কৰি হিন্দুধৰ্মক সুৰক্ষিত কৰে।

(গ) হিন্দুধৰ্মৰ মাজত ধৰ্মগত বিভিন্ন খেলি-মেলিয়ে দেখা দিয়ে। এই খেলি-মেলিবোৰ আঁতৰোৱাৰ উদ্দেশ্যেৰে সেই সময়ৰ বৈষ্ণৱ মহাজনসকলে প্ৰেম-প্ৰীতি, দয়া-কৰুণা, অহিংসা-মৈত্ৰী আৰু একেশ্বৰবাদৰ আদৰ্শৰে জনগণৰ মাজত ভক্তিধৰ্ম প্ৰচাৰ কৰে।

(ঘ) ভক্তিধৰ্মৰ বিকাশত সেই সময়ৰ অৰ্থনৈতিক অৱস্থায়ো প্ৰাধান্য লাভ কৰিছিল। উচ্চবৰ্ণৰ হিন্দুসকলৰ দৰে নিম্নবৰ্ণৰ লোকসকল ধনী নাছিল। গতিকে তেওঁলোকে ব্যয়বহুল যাগ-যজ্ঞ আদি কৰিব নোৱাৰিছিল। ইয়াৰ প্ৰত্যাহ্বান স্বৰূপেই অনাড়ম্বৰ আৰু ব্যয়বিহীন ভক্তিধৰ্মৰ বিকাশ সম্ভৱ হৈ উঠিছিল।

(ঙ) খৃষ্টাব্দ দ্বাদশ শতিকাত ভাৰতবৰ্ষত মুছলমান সাম্ৰাজ্য স্থাপিত হোৱাৰ পৰিণতিত মুছলমান সম্ৰাটসকলৰ পৃষ্ঠপোষকতাত ভাৰতবৰ্ষত ইছলাম ধৰ্মৰ প্ৰাদুৰ্ভাৱ হ'বলৈ ধৰে। তেওঁলোকে ইছলাম ধৰ্ম প্ৰচাৰ কৰাৰ বাবে যিকোনো পন্থা ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল। পূৰ্বৰেপৰা বৰ্ণ হিন্দুৰদ্বাৰা অৱহেলিত, অনাদৃত আৰু শোষিত নিম্ন হিন্দুসকলৰ মাজৰ অসংখ্যজনে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। এই প্ৰসংগত ইছলাম ধৰ্মৰ উদাৰ ভাতৃত্বই অনেক ক্ষেত্ৰত সহায় কৰিছিল। তেনে এক সংকটময় মুহূৰ্তত হিন্দু সমাজক সজীৱ, উদাৰ, গতিশীল আৰু যুগোপযোগী কৰিবলৈ হিন্দু সমাজ সংস্কাৰকসকল আগবাঢ়ি আহিল। তাৰ পৰিণতিত সহজ-সৰল ভক্তিধৰ্মৰ বিকাশ ঘটিল।

(চ) বৈদিক যাগ-যজ্ঞৰ বিপৰীতে সৰ্বসাধাৰণৰ মাজত নাম-কীৰ্তনৰ জনপ্ৰিয়তা বাঢ়ি গৈছিল আৰু এইদৰে ভক্তিধৰ্মৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈছিল।

## ১.৭ ভক্তিধৰ্মৰ সাধাৰণ বৈশিষ্ট্য

নববৈষ্ণৱ আন্দোলন বা ভক্তিধৰ্ম সৰ্বভাৰতীয় সামাজিক ব্যাপাৰ। গতিকে ভক্তিধৰ্মৰ কিছুমান সাধাৰণ বৈশিষ্ট্য সমগ্ৰ ভাৰতত প্ৰায় একে। এনে বৈশিষ্ট্যবাজিৰ কেইটিমান তলত উল্লেখ কৰা হ'ল :

(১) ভক্তিধৰ্মত একদেৱ একসেৱত অধিক গুৰুত্ব দিয়া হৈছে।

(২) ভক্তিধৰ্মত যাগ-যজ্ঞ আৰু পূজা-উপাসনাত অধিক গুৰুত্ব দিয়া নাই; দিয়া হৈছে ভক্তিত।

(৩) ভক্তিৰ ক্ষেত্ৰত জাতি-বৰ্ণ-ধৰ্মৰ পাৰ্থক্য নাই।

(৪) ভক্তিধৰ্মৰ মাধ্যমেৰে জন-গণ-মনত প্ৰেম, দয়া, অহিংসা, মৈত্ৰী আদি বৃত্তিৰাজিৰ উৎকৰ্ষৰ ক্ষেত্ৰতো গুৰুত্ব দিয়া হৈছিল।

(৫) প্ৰান্তীয় ভাষাৰ বিকাশত ভক্তিধৰ্মই গুৰুত্ব দিছিল।

(৬) মানৱতাবাদৰ উৎকৰ্ষ সাধন ভক্তিধৰ্মৰ মূল লক্ষ্য।

(৭) অঞ্চল বিশেষে ভক্তিধৰ্মৰ সৈতে চুফীবাদ, বৌদ্ধধৰ্ম আদিৰ সমল কিছু পৰিমাণে সংমিশ্ৰিত হোৱা দেখা যায়।

(৮) ভক্তিধৰ্মৰ আধাৰ গ্ৰন্থ হৈছে *শ্ৰীমদ্ভাগৱত পুৰাণ।*

(৯) ভক্তিধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে গীত-পদ, নৃত্য-নাটক-অভিনয়, চিত্ৰ-ভাস্কৰ্য আদি কলাৰ সহায় লোৱা হৈছে।

(১০) ভক্ত কবিসকলে ভক্তিতত্ত্ব প্ৰকাশত গুৰুত্ব দিলেও নিজ নিজ অঞ্চলৰ সামাজিক চিত্ৰ ৰূপায়ণতো দৃষ্টিপাত নকৰাকৈ থকা নাছিল।

### ১.৮ ভাৰতবৰ্ষত ভক্তিধৰ্মৰ প্ৰসাৰ

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ভক্তিধৰ্মৰ উদ্ভৱ হৈছিল দক্ষিণ ভাৰতত বিশেষকৈ দ্ৰাবিড় দেশত অৰ্থাৎ তামিলনাডুত (বৰ্তমানৰ চেন্নাই)। *ভাগৱত-মাহাত্ম্যত* কোৱা হৈছে যে দ্ৰাবিড় দেশত উদ্ভৱ হোৱা ভক্তিধৰ্ম সম্প্ৰসাৰিত হৈছিল কৰ্ণাটক আৰু মহাৰাষ্ট্ৰত। গুৰ্জৰদেশ বা গুজৰাটত এই ধৰ্ম জীৰ্ণতাপ্ৰাপ্ত হয়। লাহে লাহে ই কমতা, কামৰূপ, সৌমাৰ পৰ্যন্ত প্ৰসাৰিত হয়।

### ১.৯ শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ বৈশিষ্ট্য

শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ বৈশিষ্ট্যৰাজি তলত আলোচনা কৰা হ'ল—

(১) শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্ম কৃষ্ণ চৰিত্ৰ প্ৰধান।

(২) শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ মাৰ্গত ভক্তিক পৰম মংগলদায়ক (Summumbonum) স্বৰূপে গ্ৰহণ কৰা হৈছে। নৱবিধা ভক্তিৰ ভিতৰত শঙ্কৰদেৱে শ্ৰৱণ-কীৰ্তনত অত্যধিক গুৰুত্ব দিছে।

(৩) শঙ্কৰদেৱৰ ভক্তিধৰ্মত নিত্য-নৈমিত্তিক কৰ্ম আৰু তীৰ্থ ভ্ৰমণ আদিত গুৰুত্ব দিয়া নাই।

(৪) শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মত মাধুৰ্যভক্তি বা মধুৰভাৱৰ স্থান নাই; বাৎসল্য আৰু দাস্য ভাৱতহে গুৰুত্ব দিছে।

(৫) শঙ্কৰদেৱৰ দ্বাৰা প্ৰবৰ্তিত নৱবৈষ্ণৱ বা ভক্তিধৰ্মৰ মূল গ্ৰন্থ *শ্ৰীমদ্ভাগৱত গীতা* আৰু *শ্ৰীমদ্ভাগৱত পুৰাণ*।

(৬) এই ধৰ্মত যাগ-যজ্ঞ, যোগ-তপ-তপস্যাৰ স্থান নাই।

(৭) নাম-দেৱ-গুৰু আৰু ভকত এই চাৰিবস্তুত গুৰুত্ব প্ৰদান কৰিছে।

(৮) শঙ্কৰদেৱৰ দ্বাৰা প্ৰবৰ্তিত ভক্তিধৰ্মৰ মূল লক্ষ্য আছিল পদদলিত আৰু অৱহেলিত জনগণৰ সামাজিক আৰু আধ্যাত্মিক অৱস্থাৰ উত্তোলন।

(৯) শঙ্কৰদেৱৰ দ্বাৰা প্ৰবৰ্তিত নৱবৈষ্ণৱবাদত সৰ্বমানৱত সমত্ব আৰোপ।

শঙ্কৰদেৱৰ দ্বাৰা প্ৰবৰ্তিত নৱবৈষ্ণৱমূলক ভক্তিধৰ্মৰ বিশেষত্বৰ বিষয়ে ড° বাণীকান্ত কাকতিয়ে এনেদৰে উল্লেখ কৰিছে :

*বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান-দান, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ, আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্ৰত মহাপুৰুষৰ প্ৰধান দান।*

## ১.১০ নৱবৈষ্ণৱ কবি-সাহিত্যিকৰ আদৰ্শ আৰু সীমাবদ্ধতা

নৱবৈষ্ণৱ কবি-সাহিত্যিকসকলৰ মুখ্য উদ্দেশ্য আছিল জনসাধাৰণৰ মাজত ভক্তি-ধৰ্ম প্ৰচাৰ কৰা। গতিকে তেওঁলোক এক বিশেষ আদৰ্শৰ মাজত সীমিত হৈ থাকিব লগা হৈছিল আৰু সেইবাবে তেওঁলোকৰ সাহিত্য নিৰ্মিতিও আছিল আদৰ্শ প্ৰধান। ভক্তিৰ বাহিৰে আন ৰসত তেওঁলোকে বিশেষ গুৰুত্ব দিয়া নাই, দিলেও ভক্তিৰসৰ প্ৰলেপ দিহে প্ৰকাশ কৰিছিল।

নায়ক-নায়িকাৰ ক্ষেত্ৰতো সাধাৰণ সম্পৰ্ক নেদেখুৱাই নৱবৈষ্ণৱ কবিসকলে ভক্ত-ভগৱন্তৰ সম্পৰ্ক দেখুওৱাতহে গুৰুত্ব দিছিল।

নৱবৈষ্ণৱ সাহিত্যৰ মূল উদ্দেশ্য পাঠক বা শ্ৰোতাক মুক্তি বা মোক্ষৰ সন্ধান প্ৰদান। পাৰ্থিৱ আশা-আকাংক্ষা আছিল গৌণ। সেয়ে এই শ্ৰেণীৰ সাহিত্যত কামনা-বাসনাত গুৰুত্ব দিয়া হোৱা নাছিল, দিয়া হৈছিল আধ্যাত্মিক বাসনা বা আকাংক্ষাতহে।

## ১.১১ সাৰাংশ (Summing up)

প্ৰাক্ শঙ্কৰী বা প্ৰাক্ বৈষ্ণৱ যুগৰ সাহিত্যত ৰাম, কৃষ্ণ আদি চৰিত্ৰৰ অভিব্যক্তি ঘটিছে যদিও তেওঁলোক ভজনীয় দেৱতা বা ভগৱন্তৰ পূৰ্ণ অৱতাৰ স্বৰূপে চিত্ৰিত হোৱা নাই। প্ৰাগজ্যোতিষ-কামৰূপত 'পাঞ্চৰাত্ৰ' বৈষ্ণৱ ধৰ্মৰ

প্ৰচলন আছিল। অৱশ্যে বৰ্তমানো এই ধৰ্মমতৰ প্ৰচলন অস্বীকাৰ কৰিব নোৱাৰি। কামৰূপ-কামাখ্যাত ৰচিত *কালিকাপুৰাণত* পাঞ্চৰাত্ৰ বৈষ্ণৱ সাধনাৰ পৰিচয় পোৱা যায়। *কালিকা পুৰাণ* দেখাত শাক্ত-পুৰাণ হ'লেও ইয়াত বিষ্ণুৰ সাৰ্বভৌমত্ব স্বীকৃত হৈছে। *কালিকাপুৰাণত* কামাখ্যাক বিষ্ণুৰ মায়াশক্তি বুলিহে কোৱা হৈছে।

তদানীন্তন অসমত মুখ্যতঃ শৈৱতন্ত্ৰ আৰু শক্তিতন্ত্ৰৰহে প্ৰচলন আছিল। জনজাতিসকলৰ অধিকাংশই আছিল শৈৱ। জনসাধাৰণো আছিল শিৱ উপাসক। আনকি প্ৰাচীন হিন্দু ৰজাসকলো শৈৱহে আছিল। শঙ্কৰদেৱৰ পূৰ্বপুৰুষসকল এফালে দেৱী-পূজক (দেৱীদাস) আৰু আনফালে শিৱ-পূজক (কুসুম্বৰ ভূঞা) আছিল। তেতিয়া বিষ্ণুকো ভৈৰৱ-ৰূপত পূজা কৰা হৈছিল।

মধ্যযুগৰ ভাৰতবৰ্ষত কৃষ্ণ-ভক্তি আন্দোলন গঢ়ি উঠে দ্ৰাবিড় ভক্তিবাদৰ আদৰ্শত। ভক্তি আৰু প্ৰেমৰ মাজত পাৰ্থক্য নাই। দূৰৰপৰা যিটো প্ৰেম, ওচৰৰপৰা সেয়ে ভক্তি। ভক্তিৰ মূল তিনিটি স্তৰ হৈছে— শ্ৰদ্ধা, ৰতি আৰু ভক্তি। *শ্ৰীমদ্ভাগৱত পুৰাণত* নৱবিধা ভক্তিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। শঙ্কৰদেৱে নৱবিধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছে।

শঙ্কৰদেৱ আৰু তেওঁৰ অনুবৰ্তীসকলে নৱবৈষ্ণৱ ধৰ্ম বা ভক্তিধৰ্ম প্ৰচাৰ কৰিবৰ বাবে বিবিধ গ্ৰন্থ প্ৰণয়ন কৰিছিল। এই সাহিত্যকৰ্মই এফালে নৱবৈষ্ণৱ সাহিত্য আনফালে ভক্তি সাহিত্য। এই সাহিত্যখিনিকেই শঙ্কৰী সাহিত্য বা শঙ্কৰীযুগৰ সাহিত্য আখ্যা দিয়া হয়।

## ১.১২ আৰ্হি প্ৰশ্ন (Sample Questions)

১। শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে এটি বিশ্লেষণশীল প্ৰবন্ধ ৰচনা কৰক।

২। শঙ্কৰী যুগকালীন অসমীয়া অধিবাসী আৰু ভাষা সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

৩। ভক্তি কাক বোলে? ভক্তিৰ বিভিন্ন শ্ৰেণী-উপশ্ৰেণীবোৰ কি কি?

৪। নৱবিধা ভক্তি কি কি? নৱবিধা ভক্তিৰ ভিতৰত শঙ্কৰদেৱে কোন কেইবিধৰ ওপৰত গুৰুত্ব দিছে? ইয়াৰ কাৰণ কি?

৫। অসমীয়া ভক্তি সাহিত্যৰ বৈশিষ্ট্যসমূহ কি কি? বুজাই লিখক।

## ১.১৩ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী : *অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা*

তীৰ্থনাথ শৰ্মা : *ভক্তিবাদ*

(—) : *পঞ্চপুষ্প*

বাণীকান্ত কাকতি : *পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা*

(—) : *পুৰণি অসমীয়া সাহিত্য*

মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*

Birinchi Kumar Baruah : *Sankardeva the Great Saint of Assam*

Maheswar Neog : *Sankardeva and His Times.*


●●●

# দ্বিতীয় বিভাগ

## শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য

বিভাগৰ গঠন ঃ


২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ শঙ্কৰী যুগৰ সময় আৰু সমাজ

২.৪ শঙ্কৰী যুগৰ সংস্কৃতি

২.৫ নববৈষ্ণৱ আদৰ্শ বা ভক্তিধৰ্ম আৰু সাহিত্যৰ সম্প্ৰসাৰণ

২.৬ নববৈষ্ণৱ আদৰ্শবাদ আৰু শঙ্কৰদেৱ

২.৭ লৌকিকতা অথবা অবৈষ্ণৱ আদৰ্শৰ প্ৰতি শঙ্কৰদেৱ আদি নববৈষ্ণৱ সন্ত কবিসৱৰ দৃষ্টিভংগী।

২.৮ *শ্ৰীমদ্ভাগৱত-পুৰাণ*ৰ বিষয়বস্তু আৰু অসমীয়া নববৈষ্ণৱ আদৰ্শ

২.৯ নববৈষ্ণৱ সাহিত্যৰ ভাষাগত আৰু ৰূপগত বৈশিষ্ট্য

২.১০ নববৈষ্ণৱ বা শঙ্কৰী সাহিত্যত প্ৰচাৰধৰ্মিতা আৰু গতানুগতিকতা

২.১১ সাৰাংশ (Summing up)

২.১২ আৰ্হি প্ৰশ্ন (Sample Questions)

২.১৩ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


### ২.১ ভূমিকা (Introduction)

পূৰ্ববৰ্তী বিভাগত শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে ব্যাখ্যা কৰি অহা হৈছে। এই বিভাগটিত শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যৰাজিৰ বিষয়ে ব্যাখ্যা কৰা হ'ব।

খৃষ্টাব্দ ১৪৫০ চনমানৰপৰা খৃষ্টাব্দ ১৬৫০ চনমানলৈকে এই দুশবছৰৰ ভিতৰত ৰচিত হোৱা অসমীয়া সাহিত্যৰাজিক মোটামুটিকৈ নববৈষ্ণৱ বা শঙ্কৰী যুগৰ সাহিত্য আখ্যা দিব পাৰি। এই সাহিত্যৰাজিত ভক্তিতত্ত্বৰ স্বৰূপ প্ৰকটিত হৈছে। আনপ্ৰকাৰে ক'ব পাৰি যে এই সময়ছোৱাৰ সাহিত্যৰাজিৰ মাজেৰে নববৈষ্ণৱ আদৰ্শ অথবা ভক্তিবাদে প্ৰসাৰ আৰু প্ৰচাৰ লাভ কৰিছে। নববৈষ্ণৱ যুগৰ অন্যতম কবিসকল হৈছে শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰামসৰস্বতী, কংসাৰি কায়স্থ, ৰত্নাকৰ কন্দলি, সাৰ্বভৌম ভট্টাচাৰ্য্য, শ্ৰীধৰ কন্দলি আৰু ৰত্নাকৰ মিশ্ৰ। ইয়াৰ বাহিৰেও নাৰায়ণ দাস ঠাকুৰ, চান্দসাই বা চান্দখা, দামোদৰদেৱ, হৰিদেৱ আদি সন্ত-মহন্তসকলেও ভালেমান ৰুকৰা, গীত-পদ ৰচনা কৰিছিল।

ভক্তিধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে এই কবিসকলে ভাগৱত-ৰামায়ণ

আদি অনুবাদ কৰিছিল, কাব্য-গীত-বৰগীত, নাটক-যাত্ৰা, ভটিমা-টোটয় আদি ৰচনা কৰিছিল। ভক্তিধৰ্ম প্ৰচাৰৰ বাবে ভক্তিতত্ত্ব বিষয়ক গ্ৰন্থ ৰচনা কৰিছিল। তেনেদৰে নাম-প্ৰসংগৰ বাবে তেওঁলোকে পদ-পুথি ৰচনা কৰিছিল। নৱবৈষ্ণৱ যুগৰ কবিসকলে বিশেষকৈ শঙ্কৰদেৱ আৰু মাধৱদেৱে বৰগীত আৰু নাটত ব্ৰজবুলি ভাষা ব্যৱহাৰ কৰা দেখা যায়। নৱবৈষ্ণৱ সাহিত্য আদৰ্শবাদী, অদৃষ্টবাদী আৰু মুক্তি সুখ আকাংক্ষী।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- শঙ্কৰী যুগৰ অসমীয়া সাহিত্য বা নৱবৈষ্ণৱ সাহিত্যৰ সময়সীমা সম্পৰ্কে বৰ্ণনা দিব পাৰিব।
- নৱবৈষ্ণৱ সাহিত্যৰ উৎস আৰু প্ৰকৃতি সম্পৰ্কে অৱগত হৈ সেইবোৰ ব্যাখ্যা কৰিব পাৰিব।

## ২.৩ শঙ্কৰী যুগৰ সময় আৰু সমাজ

শঙ্কৰী যুগৰ সময়সীমা খৃষ্টাব্দ পঞ্চদশ শতিকাৰ মাজভাগৰপৰা খৃষ্টাব্দ সপ্তদশ শতিকাৰ মাজভাগ পৰ্যন্ত বিস্তৃত। পুৰণি অসমীয়া সাহিত্যৰ যিকেইটা যুগ বিভাজন মানি ল'ব পাৰি তাৰ ভিতৰত এই যুগটোৱেই ঐশ্বৰ্যময় আৰু সমৃদ্ধিময়। এই সময়ছোৱাতেই নৱবৈষ্ণৱ বা ভক্তিধৰ্ম প্ৰৱৰ্তক সন্ত কবি শঙ্কৰদেৱৰ জন্ম হৈছিল। এই সময়ছোৱাতেই তেওঁৰ প্ৰতিভাৰ পৰিপূৰ্ণ প্ৰতিফলন ঘটিছিল। সেই প্ৰতিফলনে এই সময়ছোৱাৰ কেইবাগৰাকী কবি উদ্বুদ্ধ হৈছিল আৰু সন্তগৰাকীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ কাব্যচৰ্চাত আত্মনিয়োগ কৰিব পাৰিছিল। মহাপুৰুষ শঙ্কৰদেৱৰ ব্যক্তিত্ব, আদৰ্শ আৰু প্ৰতিভাৰ পূৰ্ণ পৰিস্ফুৰণ এই সময়ছোৱাত প্ৰত্যক্ষ কৰিব পাৰি বাবে এই যুগটো শঙ্কৰী যুগ বুলি জনাজাত আৰু এই যুগৰ অসমীয়া সাহিত্যৰাজি শঙ্কৰী যুগৰ সাহিত্যৰূপে পৰিচিত।

শঙ্কৰী যুগটো নৱবৈষ্ণৱ যুগ নামেও পৰিচিত। ভক্তি আন্দোলনৰ আন এটি নাম নৱবৈষ্ণৱ আন্দোলন। ভক্তি আন্দোলনৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে ৰচিত সাহিত্যই ভক্তি সাহিত্য। তেনেদৰে নৱবৈষ্ণৱ আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰচিত সাহিত্যৰ নাম নৱবৈষ্ণৱ সাহিত্য। সময়ৰ অগ্ৰগতিৰ লগে লগে পৰিৱৰ্তিত সময়ৰ সৈতে ৰজিতা খুৱাই বৈষ্ণৱ আদৰ্শ আৰু সাধন প্ৰণালীৰ পৰিৱৰ্তন সাধন কৰাৰ পৰিণতিত নৱবৈষ্ণৱ ধৰ্মৰ বিকাশ হয় আৰু এই ধৰ্মত বিশেষভাৱে ভক্তিধৰ্ম বা ভক্তিতত্ত্বই গুৰুত্ব লাভ কৰে। সেইবাবে এই যুগটোৰ আন এটা নাম ভক্তিযুগ আৰু এই যুগত ৰচিত হোৱা সাহিত্যৰ নামেই ভক্তি সাহিত্য। এই যুগটোতেই

ভক্তিধৰ্ম প্ৰচাৰ কৰা হৈছিল আৰু এই ধৰ্ম প্ৰচাৰৰ বাবে বিবিধ শ্ৰেণীৰ সাহিত্য ৰচিত হৈছিল— যি সাহিত্যত ভক্তিতত্ত্ব প্ৰকাশে অন্যতম প্ৰধান স্থান লাভ কৰিছিল। শঙ্কৰ যুগ, শঙ্কৰী যুগ, নৱবৈষ্ণৱ যুগ, ভক্তিযুগৰ মাজত কোনো পাৰ্থক্য নাই আৰু সেই ফলৰপৰা শঙ্কৰী সাহিত্য বা নৱবৈষ্ণৱ সাহিত্য বা ভক্তিসাহিত্যৰ মাজতো কোনো পাৰ্থক্য নাই। শঙ্কৰদেৱৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণা আৰু প্ৰভাৱত এই সাহিত্যৰাজিৰ সৃষ্টি হৈছিল কাৰণেই এই যুগটোক শঙ্কৰী যুগ আখ্যা দিব পাৰি।

শঙ্কৰী যুগৰ অসমৰ সমাজখন আছিল লোকসমাজ অৰ্থাৎ পৰম্পৰাবাদী সমাজ। অৱশ্যে ৰজা-মহাৰজা, মন্ত্ৰী-পাৰিষদ, শাস্ত্ৰবিদ পণ্ডিত শ্ৰেণীৰ লোকো সেই সময়ত আছিল। তেনেদৰে সেই সময়ত জনজাতীয় লোকো আছিল। তথাপি এই সকলোবোৰৰ আধাৰ সংস্কৃতি স্বৰূপে লোক সংস্কৃতিয়ে ভূমিকা গ্ৰহণ কৰি আহিছিল। সেই সময়ত বিদ্যালয় আদিত অসমীয়া ভাষা পঢ়োৱা হোৱা নাছিল। আজিৰ দৰে তাহানি বিদ্যালয় আদিও নাছিল, দুই-চাৰিখন টোলহে আছিল। এই টোলত সংস্কৃত ভাষা-সাহিত্যহে পঢ়োৱা হৈছিল। মহেন্দ্ৰ কন্দলিৰ টোলৰ কথা আমি আটায়ে জানো। এইখন টোলতেই শঙ্কৰদেৱে বাল্যকালত সংস্কৃত পঢ়িছিল। সেই সময়ত উচ্চবৰ্ণৰ ছাত্ৰসকলে টোলত সংস্কৃত পঢ়িছিল। মহিলাসকলে টোলত সংস্কৃত পঢ়াৰ কোনো প্ৰমাণ পোৱা নাযায়। সংস্কৃত পণ্ডিত কবি-সাহিত্যিকসকলে দেশীভাষাত (অসমীয়া) কাব্য ৰচনা কৰিছিল জনসাধাৰণৰ লোক-শিক্ষা আৰু আনন্দৰ বাবে। সেয়েহে শঙ্কৰী যুগৰ অন্যতম কবি অনন্ত কন্দলিয়ে কৈছে—

*শ্লোক সংস্কৃতে আমি লিখিবাক ভাল জানি*
*তথাপি কৰিবো পদবন্ধ।*
*স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব*
*শ্ৰৱণত মিলয় আনন্দ।।*

তদানীন্তন সমাজত স্ত্ৰী আৰু শূদ্ৰসকল যে শিক্ষা-দীক্ষাত তেনেই অনগ্ৰসৰ আছিল তাৰ আভাস এই উক্তি বিশেষৰ পৰাই বুজিব পাৰি। অনাখৰী জনসাধাৰণৰ আগত অনূদিত পদ-পুথি আবৃত্তি কৰি পঢ়ি শুনোৱা হৈছিল। সেইপদ-পুথিৰ বিষয়বস্তুৰ আধাৰত গীত-বৰগীত ৰচনা কৰিছিল। সেই পদ-পুথিৰ বিষয়বস্তুৰ আধাৰতেই যাত্ৰা, নাট, অংক অৰ্থাৎ নাটক ৰচিত হৈছিল আৰু সেই নাট জনসাধাৰণৰ উপস্থিতিত অভিনয় কৰি দেখুওৱা হৈছিল। এইদৰে নৱবৈষ্ণৱ অথবা ভক্তি সাহিত্যৰ জৰিয়তে জনসাধাৰণ বিশেষভাৱে উপকৃত হৈছিল। লোকসমাজে যাতে সহজে ভাগৱত পুৰাণৰ বিষয়বস্তু অনুধাৱন কৰিব পাৰে সেই উদ্দেশ্যৰে দামোদৰদেৱে কবিৰত্ন বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যক কথাবন্ধে অসমীয়াত পুৰাণখন ৰচনা কৰিবলৈ নিৰ্দেশ দিছিল।

কৰি দিছিল। সেইদৰে অসমীয়া সাহিত্যত আগে-পিছে নোহোৱা ভটিমা, টোটয়, বৰগীতৰো সৃষ্টি হৈছিল এই সময়ছোৱাতেই। ভাষা, ৰচনা-ৰীতি, শব্দ-চয়নৰ বৈশিষ্ট্যৰ প্ৰদৰ্শন আদিতো নৱবৈষ্ণৱ সাহিত্যই যি কৃতিত্ব দেখুৱালে তাৰ দৃষ্টান্ত ভাৰতীয় সাহিত্যত বিৰল।

## ২.৫ নৱবৈষ্ণৱ আদৰ্শ আৰু ভক্তিধৰ্ম সম্প্ৰসাৰণ

নৱবৈষ্ণৱ আদৰ্শৰ বিষয়ে ইতিমধ্যে চমুৱাই কোৱা হৈছে যদিও তলত বিশদভাৱে আলোচনা কৰা হ'ল।

(১) নৱবৈষ্ণৱ মাৰ্গ একেশ্বৰবাদী। বিষ্ণু-নাৰায়ণ-বাসুদেৱ-কৃষ্ণই একমাত্ৰ উপাস্য ঈশ্বৰ। বিষ্ণু-নাৰায়ণ-বাসুদেৱ-কৃষ্ণৰ কোনো পাৰ্থক্য নাই— 'কৃষ্ণস্তু ভগবান্ স্বয়ম্'— কৃষ্ণই একমাত্ৰ ভজনীয় দেৱতা। হিন্দু ধৰ্মত স্বীকৃত দেৱতাসকলক সামগ্ৰিকভাৱে অস্বীকাৰ কৰা নাই; কিন্তু এই সকলোৰে মাজত কৃষ্ণ একমাত্ৰ উপাস্য দেৱতা। তেৰেঁই ব্ৰহ্মা-বিষ্ণু-মহাদেৱ। বিষ্ণু-নাৰায়ণ-কেশৱৰ সৈতে তেওঁ অভিন্ন— জগৎ পৰিচালনৰ বাবে তেওঁ বিভিন্ন ৰূপ-অৱতাৰ গ্ৰহণ কৰে। শ্ৰীমদ্ভাগৱত পুৰাণত কৃষ্ণকেই ব্ৰহ্ম-পৰমাত্মা-ভগৱান আখ্যা দিয়া হৈছে। বিষ্ণুৰ বিবিধ অৱতাৰ অথবা অভিব্যক্তিক উপাস্য স্বৰূপে দুই-এটা সম্প্ৰদায়ে উপাসনা কৰিছিল যদিও সৰহভাগেই 'কৃষ্ণস্তু ভগৱান্ স্বয়ম্' ৰূপে কৃষ্ণ-ভক্তি প্ৰচাৰ কৰিছিল।

(২) কোনো কোনো বৈষ্ণৱ ভক্তিমাৰ্গত কৃষ্ণ পৰিপূৰ্ণ অৱতাৰ, তেওঁৰ পৰিপুষ্টি বা পুষ্টিৰ বাবে আন দেৱ-দেৱীৰ প্ৰয়োজন নাই; কিন্তু ৰামানুজী, নিম্বাৰ্ক, চৈতন্যপন্থ বা সম্প্ৰদায়ত কৃষ্ণৰ পূৰ্ণতাৰ বাবে ৰাধা-লক্ষ্মীৰ বিশেষ স্থান ৰক্ষিত হৈছে যদিও ৰাধা বা লক্ষ্মীক বিষ্ণু বা কৃষ্ণৰ মায়া-শক্তি স্বৰূপেহে লক্ষ্য কৰা হৈছে। গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত ৰাধা-কৃষ্ণৰ আহ্লাদিনী শক্তি। ৰাধাহীন কৃষ্ণ তেওঁলোকৰ মতে অসম্পূৰ্ণ।

(৩) কোনো কোনো সম্প্ৰদায়ে কৃষ্ণ বা বিষ্ণুৰ সলনি ৰামচন্দ্ৰক উপাসনা কৰে। বৈষ্ণৱসকলৰ দৃষ্টিত কিন্তু কৃষ্ণ-ৰামৰ ভিতৰত পাৰ্থক্য নাই। ৰাম-কৃষ্ণ পূৰ্ণ অৱতাৰ। সেয়েহে 'শ্ৰীনাথ-জানকীনাথ অভেদ, পৰমাত্মানি' অৰ্থাৎ শ্ৰীনাথ (বিষ্ণু/কৃষ্ণ) আৰু জানকীনাথ (ৰামচন্দ্ৰ) অভেদ তেওঁলোক পৰমাত্মা স্বৰূপ। শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্ম মাৰ্গতো ৰাম আৰু শ্ৰীকৃষ্ণ অভেদ।

(৪) নৱবৈষ্ণৱ ধৰ্ম মাৰ্গত প্ৰেম স্বৰূপা ভক্তিতহে অধিক গুৰুত্ব প্ৰদান কৰা হৈছে— যাগ-যজ্ঞ, পূজা-উপাসনাত গুৰুত্ব দিয়া নাই। শ্ৰৱণ-কীৰ্তন-বন্দন-অৰ্চন আদি নৱবিধা ভক্তিৰ ভিতৰত যিকোনো একবিধ বা দুবিধৰ আধাৰত ভগৱন্তৰ সৈতে সখা, বন্ধু, স্বামী, পুত্ৰ বা প্ৰভুৰ সম্পৰ্ক স্থাপন কৰি নিজ নিজ অন্তৰত ভগৱানৰ স্থিতি অনুভৱ কৰিব পাৰি বুলি বৈষ্ণৱসকলে উপলব্ধি কৰে।

(৫) ভক্তিৰ ক্ষেত্ৰত স্পৃশ্য-অস্পৃশ্যৰ ভেদাভেদ নাই, জাতি-বৰ্ণ-ধৰ্মৰ বা লিংগৰ পাৰ্থক্য নাই। চণ্ডাল-ব্ৰাহ্মণ উভয়ৰে ভক্তিমাৰ্গত সম অধিকাৰ। এই আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত হৈ নৱবৈষ্ণৱসকলে সৰ্বজনৰ মাজত ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল।

(৬) বৌদ্ধধৰ্মত অত্যধিক গুৰুত্ব লাভ কৰি অহা অহিংসাভাৱে নৱবৈষ্ণৱসকলক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। ইয়াৰ বাহিৰেও প্ৰেম, দয়া, মমতা, মান্যভাব আদি সুকুমাৰ অনুভূতিবোৰেও নতুন মূল্যবোধ লাভ কৰিছিল। এই গুণৰাজিৰ প্ৰতি নৱবৈষ্ণৱ সন্তসকল বিশেষভাৱে আকৃষ্ট হৈছিল আৰু জন-গণ-মনতো এইবোৰ কৰ্ষণ কৰিবলৈ বা অনুশীলন কৰিবৰ বাবে সুবিধা প্ৰদান কৰিছিল। এইদৰে জনসাধাৰণৰ নৈতিক জীৱনৰ উৎকৰ্ষ সাধন কৰিবলৈ যে চেষ্টা কৰা হৈছিল তাত অকণো সন্দেহ নাছিল।

(৭) নৱবৈষ্ণৱ ধৰ্ম সম্প্ৰদায়ে প্ৰান্তীয় ভাষাৰ উৎকৰ্ষ সাধনত গুৰুত্ব দিয়াৰ উদ্দেশ্যে নিজ নিজ প্ৰান্তৰ প্ৰান্তীয় ভাষাকেই তেওঁলোকৰ আদৰ্শ প্ৰচাৰৰ মাধ্যম বা বাহন স্বৰূপে গ্ৰহণ কৰিছিল। ইয়াৰ পৰিণতিত *ৰামায়ণ-মহাভাৰত, শ্ৰীমদ্ভাগৱত-পুৰাণ, শ্ৰীমদ্ভগৱদ্গীতা* আদিৰ সংস্কৃত ভাষাত ৰচিত গ্ৰন্থবোৰ বিভিন্ন প্ৰদেশৰ প্ৰান্তীয় ভাষাবোৰলৈ অনূদিত হৈছিল। এইদৰে প্ৰান্তীয় ভাষাবোৰৰ শ্ৰীবৃদ্ধি হোৱাৰ পথ পৰিষ্কাৰ হৈ পৰিছিল। নৱবৈষ্ণৱ সন্তসকলে প্ৰান্তীয় ভাষাতেই গীত-পদ, নাট আদিও ৰচনা কৰিছিল। এইদৰে প্ৰান্তীয় ভাষাত গীত-পদ ৰচিত হোৱা কাৰ্যই নৱবৈষ্ণৱ আন্দোলনক বতাহে পালতৰা নাৱক সহায় কৰাৰ দৰে সহায় কৰিছিল।

(৮) নৱবৈষ্ণৱ আন্দোলনে সামাজিক বৈষম্যৰাজি প্ৰায় নিৰ্মূল কৰি সৰ্বজনে সামাজিক মৰ্যাদা লাভ কৰাৰ পথ প্ৰশস্ত কৰি দিছিল। ভক্তিৰ মাধ্যমেৰে বিভিন্ন সামাজিক স্তৰৰ লোকে যে সম মৰ্যাদা লাভ কৰিব পাৰে তাৰ আদৰ্শ দেখুৱাই দিছিল নৱবৈষ্ণৱ বা ভক্তি আন্দোলনে।

(৯) একেশ্বৰবাদ আৰু মূৰ্তিপূজাৰ বিৰোধী মতবাদ দাঙি ধৰি কোনো কোনো বৈষ্ণৱ সম্প্ৰদায়ে ইছলামৰ লগত তীব্ৰ বিৰোধ হ্ৰাস কৰে আৰু ফলত ভাঙনমুখী হিন্দু সম্প্ৰদায় গৰাখহনীয়াৰ পৰা ৰক্ষা পৰে। কবীৰ, দাদুদয়াল, ৰামানন্দ, শঙ্কৰদেৱ, শ্ৰীচৈতন্যদেৱ আদিয়ে নিম্নবৰ্গৰ লোকক ভক্তিধৰ্মত অভিষিক্ত কৰি তেওঁলোকৰ জীৱনত নতুন আধ্যাত্মিক বা ধৰ্মীয় জীৱনৰ সূত্ৰপাত কৰে।

ভক্তি ধৰ্ম আৰু ভক্তি সাহিত্যৰ সম্প্ৰসাৰণৰ বিষয়ে ইতিমধ্যে চমুকৈ কৈ অহা হৈছে যদিও তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল। খৃষ্টাব্দ ত্ৰয়োদশ শতিকাৰপৰা আৰম্ভ কৰি খৃষ্টাব্দ ষোড়শ শতিকা পৰ্যন্ত ভাৰতবৰ্ষৰ সৰ্বত্ৰতে নৱবৈষ্ণৱ বা ভক্তিধৰ্ম প্ৰচাৰিত হৈছিল আৰু তাৰ লগে লগে ভক্তি সাহিত্যৰো উদ্ভৱ হৈছিল। চৈতন্যদেৱে মধুৰ ভক্তি প্ৰচাৰ কৰে আৰু ইয়াৰ পৰিণতিত পদাৱলী

সাহিত্য, ভাগৱত অনুবাদ আৰু জীৱনী সাহিত্যৰ বিকাশ সম্ভৱ হৈ উঠিছিল। উৰিষ্যাত নৱবৈষ্ণৱ কবি বলৰাম দাসে *ৰামায়ণ*, সৰলাদাসে *মহাভাৰত* আৰু জগন্নাথ দাসে *ভাগৱত-পুৰাণ* অনুবাদ কৰিছিল আৰু এই অনুবাদৰ জৰিয়তে নৱবৈষ্ণৱ আদৰ্শ প্ৰচাৰ কৰিছিল। উত্তৰ ভাৰতত বিশেষকৈ বৰ্তমানৰ উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, ৰাজস্থান আদি প্ৰান্তত কৃষ্ণ ভক্তি আৰু ৰামভক্তিমাৰ্গ প্ৰবাহিত হৈছিল আৰু দুয়োটা মাৰ্গই নৱবৈষ্ণৱ মাৰ্গ। এই দুয়োটি মাৰ্গৰ ভক্ত কবিসকলে বৈষ্ণৱ পুৰাণৰ অনুবাদ আৰু গীত-পদ আদি ৰচনাৰে প্ৰাচীন হিন্দী সাহিত্য সমৃদ্ধিশালী কৰি থৈ গৈছে। সেই কবিসকলৰ ভিতৰত নিৰ্গুণপন্থী কবীৰ দাস আৰু সুৰদাসৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ৰামভক্তিমাৰ্গক প্ৰবলতৰ কৰি তোলাত সন্ত কবি তুলসীদাসৰ অৱদান সুদূৰপ্ৰসাৰী। হিন্দী ভাষাৰ তেওঁৰ অমৰ ৰচনা *ৰামচৰিতমানস* অত্যন্ত জনপ্ৰিয় গ্ৰন্থ। কবীৰদাস, সুৰদাস, তুলসীদাস আদি সন্ত কবিৰ উদ্ভৱৰ কাল খৃষ্টাব্দ চতুৰ্দশ-ষষ্ঠদশ শতিকা। এই কালছোৱাতে আবিৰ্ভাৱ হৈছিল সন্ত কবি নানক। তেওঁ নিৰ্গুণ ভক্তিমাৰ্গৰ অন্যতম অভিব্যক্তি। তেওঁৰ পন্থৰ নাম নানকপন্থ (শিখপন্থ)। শিখপন্থৰ বিভিন্ন গুৰু আৰু চুফী কবিসকলৰ অনুপম নিৰ্মিতিৰ জৰিয়তে পাঞ্জাবী সাহিত্য পৰিপুষ্ট হৈছিল। খৃষ্টাব্দ ১৩শ আৰু খৃষ্টাব্দ ১৭শ শতিকাৰ ভিতৰত মহাৰাষ্ট্ৰত জ্ঞানেশ্বৰ (১২৭১-১৩৬৬), নামদেৱ (১২৭০-১৩৫০), একনাথ আৰু তুকাৰাম (১৬০৮-১৬৪৯) আদি নৱ-বৈষ্ণৱ সন্ত আৰু কবিসকলে সংস্কৃত *গীতা*, *ৰামায়ণ*, *মহাভাৰত* আদি অনুবাদ কৰিছিল ভক্তিতত্ত্ব সংমিশ্ৰণ কৰি। তেওঁলোকে ভক্তি-ৰস-ঘন বিবিধ গীত-পদ ৰচনা কৰিছিল। যাৰ জৰিয়তে জন-গণ-মনত ভক্তিমাৰ্গৰ গভীৰ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। মহাৰাষ্ট্ৰী ভাষাৰ বিশেষ সম্পদ স্বৰূপে ভক্ত কবিসকলৰ ৰচনাবাজি অধুনাও সমাদৃত।

গুজৰাটী ভাষাত সন্ত-কবি নৰসিংহ মেহতা, মীৰাবাঈ (খৃষ্টাব্দ ১৫শ শতিকাৰ), আখো শ্যামল আৰু প্ৰেমানন্দ আদি সন্তকবিয়ে জনমানসত বৰ্তমানলৈও গভীৰ প্ৰভাৱ সঞ্চাৰিত কৰি আহিছে। সেইদৰে দক্ষিণ ভাৰতত বিজয় নগৰৰ হিন্দুৰজাসকলৰ পৃষ্ঠপোষকতা আৰু অনুপ্ৰেৰণাত তেলেগু আৰু কানাড়ী সাহিত্যৰ বিকাশ সম্ভৱ হৈ উঠিছিল। মুঠতে নৱবৈষ্ণৱ আন্দোলনে সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰান্তীয় ভাষাবোৰক ঐশ্বৰ্যময় কৰি তুলিছিল আৰু তেনেদৰে মহিমান্বিতভাৱে ভক্তি সাহিত্যৰো সৃষ্টি হৈছিল।

## ২.৬ নৱবৈষ্ণৱ আদৰ্শবাদ আৰু শঙ্কৰদেৱ

ইতিমধ্যে নৱবৈষ্ণৱ আদৰ্শবাদ সম্বন্ধে আলোচনা কৰি অহা হৈছে। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে তলত চমুকৈ এই সম্বন্ধে পুনৰ আলোচনা কৰা হ'ল।

(ক) নৱবৈষ্ণৱ বা ভক্তিধৰ্মত এক দেৱ, এক সেৱত গুৰুত্ব দিয়া হয়।

(খ) ভক্তিধৰ্মত যাগ-যজ্ঞত গুৰুত্ব দিয়া নহয়।

(গ) নৱবৈষ্ণৱ ধৰ্ম মাৰ্গত বিশেষকৈ ভক্তিৰ ক্ষেত্ৰত জাতি-ধৰ্ম-বৰ্ণ-লিংগৰ কোনো পাৰ্থক্য নাই।

(ঘ) নৱবৈষ্ণৱ মাৰ্গ বা ভক্তিধৰ্মৰ জৰিয়তে জন-গণ-মনত প্ৰেম-দয়া, অহিংসা আদি সুকুমাৰ বৃত্তিবাজি উন্মেষৰ কাৰণে প্ৰয়াস কৰা হৈছিল।

(ঙ) গীত-পদ, নৃত্য-নাট্য-নাটৰ অভিনয় চিত্ৰ-ভাস্কৰ্য আদি কলাৰ উৎকৰ্ষ সাধনত ভক্তিধৰ্মৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী।

(চ) বিভিন্ন প্ৰান্তৰ সন্তসকলে সংস্কৃত *গীতা-ভাগৱত* আদি অনুবাদত প্ৰান্তীয় ভাষাৰ সহায় লোৱাৰ উপৰি নিজ নিজ অঞ্চলৰ সামাজিক চিত্ৰ ৰূপায়ণতো গুৰুত্ব দিছিল।

**শঙ্কৰদেৱ ঃ**

শঙ্কৰদেৱ প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল শ্ৰীক্ষেত্ৰলৈ। শ্ৰীক্ষেত্ৰলৈ গৈ গুৰুজনাই নৱবৈষ্ণৱ অৰ্থাৎ ভক্তি আন্দোলনৰ সম্যক আভাস পাইছিল। তীৰ্থৰপৰা ঘূৰি আহি নামঘৰ, দেৱগৃহ, সত্ৰ আদি স্থাপন কৰি নিবহ্-নিপানীকৈ তেওঁ ভক্তিধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰে।

শঙ্কৰদেৱক কেন্দ্ৰ কৰি অসম-কামৰূপ আৰু কমতাত নৱবৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হয়। ভাৰতবৰ্ষৰ আন আন অঞ্চলৰ দৰে অসমতো ভক্তিয়ে নৱবৈষ্ণৱ জাগৰণৰ ক্ষেত্ৰত প্ৰধান চালিকা শক্তি স্বৰূপে সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্লাৱিত নৱবৈষ্ণৱ প্ৰবাহ প্ৰক্ৰিয়াৰপৰা অসমৰ নৱবৈষ্ণৱ জাগৰণক পৃথক কৰিব নোৱাৰি।

শঙ্কৰদেৱে গুৰুত্ব দিছিল বিশ্বাস আৰু ভক্তিত। সমাজৰ দুৰ্বল আৰু অনগ্ৰসৰ জনসাধাৰণৰ সামাজিক আৰু আধ্যাত্মিক উন্নতিয়েই আছিল শঙ্কৰদেৱৰ ভক্তি আন্দোলনৰ মূল লক্ষ্য। স্বৰূপাৰ্থত তেওঁৰদ্বাৰা প্ৰচাৰিত ভক্তিধৰ্মই জনসাধাৰণক এফালে দিছিল লোকশিক্ষা আৰু আনফালে দিছিল আধ্যাত্মিক চেতনা। ভক্তিধৰ্ম প্ৰচাৰ কৰিবলৈ তেওঁ সৰল উপদেশ প্ৰদানতে সন্তুষ্ট নাথাকি গীত-পদ, কাব্য-নাট আদি প্ৰণয়ন কৰিছিল। নৃত্য-নাট আৰু ভাওনাৰ সহায়ত তেওঁ ভগৱান শ্ৰীকৃষ্ণৰ দৈৱিক লীলা-মালা কীৰ্তন আৰু পৰিৱেশ্য কলাৰ মাধ্যমেৰে প্ৰদৰ্শন কৰি জনসাধাৰণক ভক্তিৰসত অৱগাহন কৰাইছিল। কোনো নতুন আদৰ্শ বা মত কলা-সাহিত্যৰ সহায়ত প্ৰচাৰ কৰিব নোৱাৰিলে সেই আদৰ্শ বা মত চিৰস্থায়ী হ'ব

নোৱাৰে। সেই কাৰণেই শঙ্কৰদেৱে পুথি-পাঁজি, চিত্ৰবিদ্যা, নাট-অভিনয়ৰ সহায় লৈছিল আৰু এইদৰেই ভক্তিধৰ্মই স্থায়ী ৰূপ পৰিগ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। এই প্ৰসঙ্গত ড° বাণীকান্ত কাকতিয়ে এটি সমীচীন মন্তব্য দিছে—

*বুৰঞ্জীৰ এইটো নিৰ্ঘাত সত্য যে যেতিয়া কোনো ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ মহাজাতীয় উদ্বোধন কেন্দ্ৰস্থ শক্তিৰূপে পৰিগৃহীত হয়, তেতিয়া গীত, কাব্য, ভাওনা, চিত্ৰ-বিদ্যা, ভাস্কৰ্য্য, সুকুমাৰ শিল্পৰ সকলোবোৰ অংগই সেই ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ মাহাত্ম্য প্ৰকাশৰ নিয়োজিত হয়। . . . এক কৃষ্ণ চৰিত্ৰকে অৱলম্বন কৰি ভাৰতীয় প্ৰাদেশিক ভাষাবোৰত যিমান তৰহৰ সাহিত্য আছে, বোধহয় পৃথিৱীৰ কোনো মহাপুৰুষৰ বিষয়েই তেনে সাহিত্য এটি গঠিত হোৱা নাই। এই বিশাল-বৈষ্ণৱ সাহিত্যৰ এক উদ্দেশ্য কৃষ্ণ-চৰিত্ৰ জনসমাজৰ আগত সমুজ্জ্বল কৰি ধৰা। কিয়নো ভাৰতীয় মহাজাতীয় বৈষ্ণৱ আন্দোলনত কৃষ্ণৰ শিকনিতকৈ তেওঁৰ চৰিত্ৰ বেছি ডাঙৰ উদ্বোধক শক্তি আছিল।*

শঙ্কৰদেৱেও তেওঁৰ ৰচনাৰাজিত শ্ৰীকৃষ্ণৰ শিকনিতকৈও তেওঁৰ চৰিত্ৰৰ বিভিন্ন দিশ বিশেষকৈ আধ্যাত্মিক দিশত অধিক গুৰুত্ব দিছিল। দ্বিতীয়তে, অসমৰ নৱবৈষ্ণৱ ধৰ্ম বা ভক্তিতত্ত্ব বিষয়ক গ্ৰন্থ ৰচনাৰ প্ৰসংগত অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি আৰু কালিকা ৰক্ষা কৰাত গুৰুত্ব দিয়া হৈছিল।

গতিকে শঙ্কৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্ম এক কলাত্মক অভিজ্ঞাপন। ধৰ্ম সাধনা আৰু কলা সাধনা উভয়েই আছিল শঙ্কৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ চালিকাশক্তি।

## ২.৭ লৌকিকতা অথবা অবৈষ্ণৱ আদৰ্শৰ প্ৰতি শঙ্কৰদেৱ আদি বৈষ্ণৱ সন্ত-কবিসকলৰ দৃষ্টিভংগী

নৱবৈষ্ণৱ কলা আদৰ্শাত্মক এইবিধ কলা অৰ্থাৎ ভক্তি-সাহিত্য, গীত-পদ, নৃত্ত-নৃত্য-নাট্য-অভিনয় আদিৰ মুখ্য উদ্দেশ্য আছিল নৱবৈষ্ণৱ বা ভক্তিধৰ্ম প্ৰচাৰ কৰা। গতিকে নৱবৈষ্ণৱ ভক্তি সাহিত্য কলা যে আদৰ্শাত্মক আছিল তাত সন্দেহ নাই।

নৱবৈষ্ণৱ আদৰ্শৰ পৰিপন্থী ৰচনা বা বৰ্ণনাক শঙ্কৰদেৱ আদি ভক্তিধৰ্ম প্ৰচাৰক আৰু সন্ত কবিসকলে ভাল দৃষ্টিভংগীৰে চোৱা নাছিল। নৱবৈষ্ণৱ আদৰ্শৰ বহিৰ্বৃত্তৰ এইসকল কবিয়ে লৌকিক ৰুচিৰ ওপৰত গুৰুত্ব দিয়াৰ বাবেই সন্ত কবিসকলে তেওঁলোকৰ ভাবসৃষ্টিক আদৰণি জনাবলৈ কুণ্ঠাবোধ কৰিছিল।

নৱবৈষ্ণৱ কবিসকলে লৌকিক সাহিত্য বা গীত-পদৰ সফল সংগ্ৰহ কৰি মাৰ্জিত কলাৰ সৃষ্টি কৰিছিল। নৱবৈষ্ণৱ সাহিত্যক 'সাধু সাহিত্য' আখ্যাও দিব পাৰি।

### ২.৮ *শ্ৰীমদ্ভাগৱত পুৰাণ*ৰ বিষয়বস্তু আৰু অসমীয়া নৱবৈষ্ণৱ আদৰ্শ

অষ্টাদশ মহাপুৰাণৰ ভিতৰত *শ্ৰীমদ্ভাগৱত পুৰাণ* পুৰাণ-সূৰ্য স্বৰূপে পৰিগণিত হৈ আহিছে। এইখন পুৰাণতেই ভক্তিতত্ত্বৰ বিষয়ে নিৰহ-নিপানীকৈ আলোচিত হৈছে। সেইবাবে ভক্তি আন্দোলন আৰু ভক্তি সাহিত্য প্ৰণয়নত এই মহাগ্ৰন্থখনৰ ভূমিকা সুদূৰপ্ৰসাৰী।

এই পুৰাণখনিৰ বিষয়বস্তুৰ সাধাৰণ আভাস দিয়া হ'ল—

*ভাগৱত পুৰাণ* দ্বাদশ স্কন্ধৰ সমষ্টি। ইয়াৰ বাহিৰেও *শ্ৰীমদ্ভাগৱৎ মাহাত্ম্য*ত ছটা অধ্যায় সংযোজন কৰা হৈছে। অৱশ্যে এই খণ্ডটো চয়ন কৰা হৈছে পদ্মপুৰাণৰপৰা।

ভাগৱতৰ প্ৰথম স্কন্ধৰ *শ্ৰীমদ্ভাগৱত* সম্পৰ্কে সুতৰ প্ৰতি শৌনকাদি মুনিৰ প্ৰশ্ন, সুতৰ উত্তৰ, ভগৱন্তৰ চতুৰ্বিংশতি অৱতাৰ, মহৰ্ষি ব্যাসদেৱৰ অপৰিতোষ, তেওঁৰ আশ্ৰমলৈ নাৰদৰ আগমন, নাৰদ-ব্যাস সম্বাদ, নাৰদৰ উপদেশ ক্ৰমে ব্যাসদেৱৰ দ্বাৰা *শ্ৰীমদ্ভাগৱত* ৰচনাৰ উদ্যোগ, পৰীক্ষিতৰ জন্ম, ভীষ্মৰ মহাপ্ৰস্থান, যদুকুল ধ্বংস আৰু ভগৱন্তৰ তিৰোধান, পৰীক্ষিতৰ প্ৰতি ব্ৰহ্মশাপ, গংগাৰ পাৰৰ পৰীক্ষিতৰ প্ৰায়োপৱেশন, শুকমুনিৰ প্ৰতি প্ৰশ্ন আৰু শুকমুনিৰ উত্তৰ।

দ্বিতীয় স্কন্ধত পৰীক্ষিতৰ প্ৰশ্নৰ উত্তৰ স্বৰূপে শুকমুনিয়ে ২৪ তত্ত্বৰ উদ্ভৱ, ব্ৰহ্মাণ্ড নিৰ্মাণ, পুৰুষসূক্ত-ভগৱন্তৰ বিৰাট ৰূপৰ বৰ্ণন, বৰাহ অৱতাৰ আদিৰ বৰ্ণনা দিয়ে।

তৃতীয় স্কন্ধত সাংখ্য দৰ্শনৰ স্বৰূপ বৰ্ণিত হৈছে। চতুৰ্থ স্কন্ধত মনুৰ কন্যা আৰু তেওঁলোকৰ সন্তি-সন্ততিৰ বৰ্ণনা পোৱা যায়। পঞ্চম স্কন্ধত পোৱা যায় ভাৰতবৰ্ষৰ পৰিচয়। ষষ্ঠ স্কন্ধত অজামিল উপাখ্যান আৰু বৃত্ৰাসুৰৰ কাহিনী পোৱা যায়। সপ্তম স্কন্ধত প্ৰহ্লাদ চৰিত্ৰ সন্নিৱেশিত হৈছে। অষ্টম স্কন্ধত সমুদ্ৰ-মন্থনৰ বৰ্ণনাই প্ৰাধান্য লাভ কৰিছে। নৱম স্কন্ধত পোৱা যায় সূৰ্য, চন্দ্ৰ আদি বংশৰ ইতিবৃত্ত। দশম স্কন্ধত শ্ৰীকৃষ্ণৰ জন্ম, শিশু-লীলা, নানা অসুৰ-দানৱবধ; ভকতজনক সংৰক্ষণ, বিবাহ, ৰাজনীতিবিদ, কূটনীতিবিদ আদি স্বৰূপে ভূমিকা গ্ৰহণ, পৃথিৱীৰ ভাৰৰ খণ্ডন আদিৰ বৰ্ণনা নিখুঁতভাৱে দিয়া হৈছে। একাদশত জ্ঞান-ভক্তি-যোগৰ মহিমা বৰ্ণিত হৈছে। ইয়াতেই পোৱা যায় যদুকুল সংহাৰ আৰু ভগৱন্ত কৃষ্ণৰ পৰম

ধামলৈ গতি কৰাৰ বৰ্ণনা। দ্বাদশ অধ্যায়ত কলিযুগৰ প্ৰভাৱ, পৰীক্ষিতৰ দেহত্যাগ *শ্ৰীমদ্ভগৱতগীতা* পুৰাণত উক্ত বিষয়ৰাজিৰ সংক্ষেপ বৰ্ণনো এই স্কন্ধটিতেই দিয়া হৈছে।

নৱবৈষ্ণৱ যুগত বিশেষভাৱে গুৰুত্ব লাভ কৰা ভক্তিতত্ত্ব সম্পৰ্কীয় বিষয়বোৰৰ ভক্তিতত্ত্বৰ স্বৰূপ আৰু প্ৰকৃতি তথা সাধন প্ৰণালীৰ পূৰ্ণ ৰূপায়ণ হৈছে *শ্ৰীমদ্ভাগৱত পুৰাণ*। এই পুৰাণখনেই ঐতিহাসিক ব্যক্তি শ্ৰীকৃষ্ণক স্বয়ং ভগৱান স্বৰূপে প্ৰতিষ্ঠা দিছে। আন আন পুৰাণ, উপ-পুৰাণত ভক্তিধৰ্মৰ বিকাশ প্ৰসাৰ প্ৰচাৰত ইমান গুৰুত্ব দিয়া দেখা নাযায়, কেৱল ভাগৱত পুৰাণতহে এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ ব্যতিক্ৰম। নৱবিধা ভক্তিৰ স্বৰূপ দৃষ্টান্তসহ বৰ্ণিত হৈছে এই মহাগ্ৰন্থখনত।

*শ্ৰীমদ্ভাগৱত পুৰাণ*ত শ্ৰীকৃষ্ণ পূৰ্ণ অৱতাৰ, সেইবাবে তেওঁ পূৰ্ণ ব্ৰহ্ম, পৰম ভগৱান। ভক্তিবাদত সৰ্বদাই অৱতাৰবাদত গুৰুত্ব দি অহা হৈছে, কাৰণ ভক্তিবাদীসকলৰ দৃষ্টিত অৱতাৰবাদে এটি বিশেষ আধাৰতত্ত্ব স্বৰূপে ভূমিকা গ্ৰহণ কৰি আহিছে। নিৰাকাৰ-অজ ঈশ্বৰে আকাৰ ৰূপ ধৰি জন্ম গ্ৰহণ কৰে— ইয়াকে অৱতাৰ বোলে। অৱতাৰৰ মুখ্য উদ্দেশ্য দুটা— (ক) দুষ্কৃতিকাৰীক বিনাশ কৰি সাধুসকলক সুৰক্ষা প্ৰদান আৰু (খ) অধৰ্ম বিনাশ কৰি ধৰ্ম সংস্থাপন। ভগৱন্তই নিজৰ মায়াৰ বলেৰেই জন্ম লাভ কৰে— তেওঁৰ শৰীৰ সাধাৰণ জগতৰ শৰীৰ বা দেহ বা জন্মৰ নিচিনা আচল দেহ বা জন্ম নহয়।

অসমৰ ভক্তিধৰ্ম প্ৰৱৰ্তকসকলৰ বাবে *শ্ৰীমদ্ভাগৱত পুৰাণ* মহাশাস্ত্ৰস্বৰূপ। সেইবাবে নৱবৈষ্ণৱযুগৰ কবিসৱৰ জৰিয়তে এই পুৰাণখন 'পদবন্ধে' আৰু 'কথাবন্ধে' অনূদিত হৈছিল। ভাগৱত পুৰাণৰ বিষয়বস্তুৰ আধাৰত নাট, গীত, প্ৰকৰণ গ্ৰন্থ আদি প্ৰণীত হৈছিল। এই যুগত অসমৰ নৱবৈষ্ণৱ সন্ত-কবিসৱৰ মাজত এই মহাগ্ৰন্থখনে ইমান গভীৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল যে ভাগৱত পুৰাণৰ আদৰ্শত *ৰামায়ণ-মহাভাৰত* আদি মহাকাব্যৰ কাহিনী ৰচনা কৰিছিল বা অনুবাদ কৰিছিল। ইয়াৰ উদাহৰণস্বৰূপে অনন্ত কন্দলি আৰু ৰাম সৰস্বতীৰ গ্ৰন্থৰাজিলৈ আঙুলিয়াব পাৰোঁ। অনন্ত কন্দলিয়ে *ৰামায়ণ* অনুবাদৰ প্ৰসংগত সংযোগ কৰিছিল ভাগৱতৰ সমল। তেনেদৰে ৰামসৰস্বতীয়ে মহাভাৰতৰ বিভিন্ন পৰ্ব অনুবাদ আৰু বধকাব্য ৰচনাৰ ক্ষেত্ৰত ভাগৱতৰ সমল সংমিশ্ৰণ কৰিছিল। শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্ম বা ভক্তিধৰ্ম ফলপ্ৰসূ হোৱাৰ প্ৰসংগত *শ্ৰীমদ্ভাগৱত পুৰাণ*ৰ অসমীয়া অনুবাদৰাজিয়ে 'বনপোৰা জুইক বতাহে সহায় কৰাৰ দৰে সহায় কৰিছিল'। শংকৰদেৱৰ আদৰ্শ বা আদেশ বা নিৰ্দেশ অথবা অনুমোদন সাপেক্ষে ভক্তি আন্দোলনৰ সময়ছোৱাত অসমীয়া কবিসকলে ভাগৱত পুৰাণৰ

বিভিন্ন স্কন্ধ 'পদবন্ধে' ৰচনা কৰিছিল। অসমৰ নৱবৈষ্ণৱ সাহিত্য মুখ্যভাৱে ভাগৱত পুৰাণকেন্দ্ৰিক।

## ২.৯ নৱবৈষ্ণৱ সাহিত্যৰ ভাষাগত আৰু ৰূপগত বৈশিষ্ট্য

নৱবৈষ্ণৱ অসমীয়া সাহিত্যৰ ভাষা সেই সময়ৰ কথিত অসমীয়া ভাষাৰ ওপৰত সম্পূৰ্ণভাৱে প্ৰতিষ্ঠিত নহয়; ই কথিত ভাষাৰ আধাৰত গঢ়ি উঠা এটি কৃত্ৰিম সাহিত্যিক ঠাঁচ। স্বৰূপাৰ্থত প্ৰাক্ বৈষ্ণৱ যুগৰ অপ্ৰমাদী কবি মাধৱ কন্দলিয়ে তেওঁৰ *ৰামায়ণত* ব্যৱহাৰ কৰা কৃত্ৰিম সাহিত্যিক ভাষাটোকেই নৱবৈষ্ণৱ কবিসকলে তেওঁলোকৰ কাব্য-কবিতাৰ ভাষা স্বৰূপে গ্ৰহণ কৰিছিল। 'সাহা', 'বাহা', 'লিহি', 'বিহি', 'লন্ত', 'বন্ত' আদি সম্প্ৰসাৰিত ধাতু— প্ৰত্যয় আৰু 'হা' (তোহাৰ, আম্হাৰ), 'সা' (আমাসাৰ, তোমাসাৰ) আদি সৰ্বনামৰ সম্প্ৰসাৰিত প্ৰত্যয়ৰ প্ৰয়োগ নৱবৈষ্ণৱ সাহিত্যত সঘনে দেখা যায়। প্ৰাক্‌বৈষ্ণৱ, নৱবৈষ্ণৱ আৰু উত্তৰ বৈষ্ণৱ যুগৰ বৈষ্ণৱ কবিৰ ভাষাত আমি কথিত আৰু কৃত্ৰিম দুয়োবিধ ভাষাৰ বৈয়াকৰণিক ৰূপ দেখা পাওঁ। জতুৱা ঠাঁচ, কথিত ৰূপত প্ৰচলিত বিশিষ্ট অৰ্থযুক্ত শব্দৰূপৰ প্ৰয়োগ, বচনৰ প্ৰয়োগ নৱবৈষ্ণৱ সাহিত্যৰ এক উল্লেখযোগ্য বিশেষত্ব। তৎসম, অৰ্ধতৎসম, তদ্ভৱ, দেশজ আদি শব্দৰ প্ৰয়োগো নৱবৈষ্ণৱ কবি-সাহিত্যিকসকলৰ ভাষাৰ আন এটি উল্লেখযোগ্য দিশ। নাসিক্য ধ্বনিৰ সঘন প্ৰয়োগ, আৰবী, পাৰ্চী আদি ভাষাৰ প্ৰয়োগো নৱবৈষ্ণৱ যুগৰ সাহিত্যৰ ভাষাত দেখা যায়। এই যুগৰ কবিসকলে কলাচিত্ৰ, প্ৰতীক, কবি-প্ৰসিদ্ধি আৰু অলংকাৰৰ প্ৰয়োগত সংস্কৃত সাহিত্য অনুগামী আছিল। অৱশ্যে কিছুমান অলংকাৰ সমসাময়িক সমাজ জীৱন আশ্ৰিত; যিবোৰৰ জৰিয়তে কবিসকলৰ প্ৰতিভাৰ পৰিচয় পাব পাৰি। অৱশ্যে এনে বৈশিষ্ট্য মাধৱ কন্দলিৰ ৰচনাতো পোৱা যায়।

ছন্দ আদি প্ৰয়োগৰ ক্ষেত্ৰতো নৱবৈষ্ণৱ কবিসকল মাধৱ কন্দলিৰ ৰচনাৰ পৰা বিশেষ আঁতৰি অহা নাই। মাধৱ কন্দলিয়ে প্ৰয়োগ কৰা পদ (পয়াৰ), দুলড়ী, ছবি, ঝুমুৰ ছন্দৰ বাহিৰেও দীৰ্ঘ ত্ৰিপদী অথবা লেচাৰী, কুসুমমালা আৰু ৰুনা বা একাবলী ছন্দৰ প্ৰয়োগো নৱবৈষ্ণৱ কবিসকলৰ ৰচনাত পৰিদৃষ্ট হয়।

নৱবৈষ্ণৱ কবিসকলৰ সাহিত্যিক ভাষা সম্পৰ্কে কৰা আলোচনা সম্পূৰ্ণ নহ'ব যদিহে শঙ্কৰদেৱ আৰু মাধৱদেৱে তেওঁলোকৰ গীত (বৰগীত, ভটিমা, অঙ্কৰ গীত), নাট আদিত প্ৰয়োগ কৰা ব্ৰজবুলি ভাষাৰ বিষয়ে দুআৰ কোৱা নাযায়।

ব্ৰজাবলী বা ব্ৰজবুলি স্বাভাৱিক ভাষা নহয়, কৃত্ৰিম ভাষাহে। এই ভাষা ভাৰতৰ কোনো অঞ্চলৰে কথিত ভাষা নহয়। মধ্য যুগৰ কবিসকলে তেওঁলোকৰ

মাজত বুজা-বুজিৰ বাবে সৃষ্টি কৰা ই এটা কৃত্ৰিম ভাষা। বৌদ্ধধৰ্ম প্ৰচাৰৰ বাবে যিদৰে পালিভাষাৰ জন্ম হৈছিল, তদ্ৰূপ মধ্য যুগৰ কবিসকলৰ দ্বাৰা নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবৰ বাবেই ব্ৰজাবলী ভাষাৰ জন্ম হৈছিল। কবি বিদ্যাপতিয়ে প্ৰয়োগ কৰা মৈথেলী ভাষাৰ সৈতে অসমীয়া বৈয়াকৰণিক আৰু অভিধানিক ৰূপৰ লগতে পশ্চিমা হিন্দী শব্দৰ সহায়ত অসমীয়া ব্ৰজাবলী ভাষাৰ সৃষ্টি হৈছে। কোনো কোনো পণ্ডিতৰ মতে ব্ৰজাবলী ভাষা কামৰূপী প্ৰাকৃতৰ ৰূপ বিশেষ। ড° উপেন্দ্ৰনাথ গোস্বামীৰ মতে চৰ্যাপদৰ ভাষাৰ লগত ব্ৰজাবলী ভাষাৰ অনেক মিল আছে। গতিকে ব্ৰজাবলী ভাষা কামৰূপী প্ৰাকৃতৰপৰা উদ্ভৱ হ'ব পাৰে।

সাহিত্যিক ৰূপ অনুসৰি নৱবৈষ্ণৱ সাহিত্যক (ক) কাব্য, (খ) নাট, (গ) গীত, (ঘ) চৰিত পুথি, (ঙ) 'কথাবন্ধে' বা 'গদ্যবন্ধে' ৰচিত সাহিত্য আৰু (চ) অনূদিত গ্ৰন্থ এই কেইটা ভাগত ভগাব পাৰি। শঙ্কৰদেৱ আৰু অনন্ত কন্দলিৰ ক্ৰমে *ৰুক্মিণী হৰণ কাব্য* আৰু *কুমৰ হৰণ কাব্য*ই নৱবৈষ্ণৱ কাব্য সাহিত্যৰ অপূৰ্ব নিদৰ্শন। শঙ্কৰদেৱৰ *পত্নী-প্ৰসাদ, কালি-দমন, কেলি-গোপাল, ৰুক্মিণী-হৰণ, পাৰিজাত-হৰণ* আৰু *ৰাম-বিজয়*; মাধৱদেৱৰ *অৰ্জুন-ভঞ্জন, চোৰধৰা, পিম্পৰা-গুচোৱা, ভূমি-লুটিয়া বা লেটোৱা, ভোজন-ব্যৱহাৰ (বিহাৰ)* আদি নৱবৈষ্ণৱ নাটৰ পৰিচায়ক। শঙ্কৰদেৱ-মাধৱদেৱৰ বৰগীত-ভটিমা আদি নৱবৈষ্ণৱ গীতৰ অপূৰ্ব নিদৰ্শন। নৱবৈষ্ণৱ যুগৰ শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি সন্তসকলৰ জীৱন-লীলাক কেন্দ্ৰ কৰি চৰিতপুথিও ৰচিত হৈছিল। কথাবন্ধে বা গদ্যবন্ধে ৰচিত গ্ৰন্থ ভিতৰত বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ *কথা-ভাগৱত, কথা-গীতা* আদি উল্লেখযোগ্য। নৱবৈষ্ণৱ যুগত অনূদিত গ্ৰন্থসমূহৰ ভিতৰত শঙ্কৰদেৱৰ *ভাগৱত-পুৰাণৰ* অন্তৰ্গত প্ৰথম স্কন্ধ, দ্বিতীয় স্কন্ধ, দশম স্কন্ধ (আদ্য); অনন্ত কন্দলিৰ *বৃত্ৰাসুৰ-বধ, ভাগৱত-পুৰাণৰ* মধ্য আৰু অন্ত্য দশম; ৰামসৰস্বতীৰ মহাভাৰতৰ বিভিন্ন পৰ্বৰ নাম ল'ব লাগিব।

## ২.১০ নৱবৈষ্ণৱ সাহিত্যত প্ৰচাৰধৰ্মিতা আৰু গতানুগতিকতা

নৱবৈষ্ণৱ সাহিত্য বা ভক্তি সাহিত্যৰ অন্যতম উদ্দেশ্য ধৰ্ম প্ৰচাৰ বা আদৰ্শ প্ৰচাৰ। ভক্তি সাহিত্যত যি ভাব-অনুভাৱ, স্থায়ীভাৱ আৰু ৰসৰ সৃষ্টি হৈছে ইয়াক বিশুদ্ধ শৃংগাৰ, বীৰ, কৰুণ, ৰৌদ্ৰ, হাস্য, বীভৎস, অদ্ভুত আদি নামেৰে সূচোৱা টান; যিহেতু ৰস লৌকিক জীৱনৰ আধাৰত সৃষ্টি হয়। ভক্ত-ভগৱন্তৰ প্ৰেমলীলাৰ আধাৰত শৃংগাৰ ৰস সৃষ্টি হ'ব নোৱাৰে; কাৰণ এই প্ৰেমৰ পৰিসীমা যিদৰে লৌকিক চৰিত্ৰৰ মাজত সীমিত নহয় তদ্ৰূপ লৌকিক ৰসৰ মাজতো সীমিত নহয়।

শঙ্কৰদেৱৰ *ৰুক্মিণী হৰণ* কাব্য বা নাটৰ কৃষ্ণ আৰু ৰুক্মিণী চৰিত্ৰৰ মাজত লৌকিক শৃংগাৰ ৰস সৃষ্টি হোৱা নাই, ভক্তিৰসহে সৃষ্টি হৈছে। শ্ৰীকৃষ্ণ ভগৱান-ত্ৰিজগতপতি আৰু ৰুক্মিণী সাধাৰণ ৰমণী, শ্ৰীকৃষ্ণৰ একান্তিকা ভক্তা। সেইদৰে অনন্ত কন্দলিৰ *কুমৰ হৰণ* কাব্যৰ নায়ক অনিৰুদ্ধ আৰু নায়িকা উষাৰ মাজতো লৌকিক শৃংগাৰ ৰসৰ সৃষ্টি হোৱা নাই, হৈছে ভক্তিৰসৰ পাত্ৰত ডুবাই ৰখা শৃংগাৰ ৰসহে।

আনহাতে সাহিত্যৰ উদ্দেশ্য কেৱল আনন্দ প্ৰদানেই নহয়, জ্ঞান অভিজ্ঞাপন ইয়াৰ প্ৰধান উদ্দেশ্য। সাহিত্যৰ মাজেৰে সামাজিক বাৰ্তা অভিব্যঞ্জিত হ'ব লাগিব। সাহিত্য বা কলাৰ উদ্দেশ্য কেৱল সাহিত্যৰ বাবেই বা কলাৰ বাবেই নহয়— জীৱনৰ বাবে, সমাজৰ বাবে। সাহিত্যত প্ৰেম-প্ৰীতি, দয়া-মৰম, অহিংসা, ক্ষমা আদি সুকুমাৰ কলাৰ পৰাকাষ্ঠা থাকিব লাগিব। ভক্তি সাহিত্য বা নৱবৈষ্ণৱ সাহিত্যত এই গুণাৱলীসমূহৰ দৃষ্টান্তসহ ৰূপায়ণ ঘটিছে। গতিকে এই বিধ সাহিত্যক সাম্প্ৰদায়িক বা প্ৰচাৰধৰ্মী সাহিত্য আখ্যা দিব নোৱাৰি।

প্ৰকৃতাৰ্থত শ্ৰীকৃষ্ণৰ লীলা আৰু শ্ৰীকৃষ্ণৰ ভক্ত-বৈষ্ণৱ পুৰুষৰ লীলা এই দুয়োবিধ লীলাৰে সমান মহিমা ঃ

*বিষ্ণু বৈষ্ণৱৰ কিঞ্চিতেকো নাহি ভেদ।*

*দুয়োৰো কথা কৰে পাতকৰ কন্ধ ছেদ।।*

ওপৰৰ আলোচনাৰ আধাৰত নৱবৈষ্ণৱ বা ভক্তি সাহিত্যক প্ৰচাৰধৰ্মী-সাহিত্য আখ্যা দিয়া ভুল।

নৱবৈষ্ণৱ সাহিত্য বা ভক্তি সাহিত্যত গতানুগতিকতাৰ স্থিতি লক্ষ্য কৰা যায়। ভক্ত কবিসকলৰ কাব্য চৰ্চাৰ একমাত্ৰ উদ্দেশ্য ভক্তিসাধন। এইবিধ সাহিত্যৰ আন এটি উদ্দেশ্য হৈছে লোকশিক্ষা প্ৰদান। আদৰ্শ প্ৰধান হোৱা হেতু আৰু প্ৰচাৰধৰ্মিতাত গুৰুত্ব দিয়া হেতু অনেক ক্ষেত্ৰত এই কবিসকলৰ কাব্য প্ৰতিভাৰ মুক্ত পৰিস্ফুৰণত বাধাৰ সৃষ্টি হৈছিল। তেওঁলোকে কাব্যৰ মাজেৰে পাৰ্থিৱ দুখ-বেদনা, আশা-আকাংক্ষাৰ ছবি ফুটাই তুলিবলৈ চেষ্টা কৰা নাই। ভক্তিৰসৰ ওপৰত গুৰুত্ব দিয়া অসমীয়া কবিসকলে প্ৰায় একে ধৰণৰ ৰীতিকেই মানি চলিছিল।

## ২.১১ সাৰাংশ (Summing up)

শঙ্কৰী যুগ বা শঙ্কৰযুগ অথবা নৱবৈষ্ণৱ যুগৰ সময়সীমা খৃষ্টাব্দ পঞ্চদশ শতিকাৰ মাজভাগৰপৰা খৃষ্টাব্দ যোড়শ শতিকা পৰ্যন্ত ধৰিব পাৰি। পুৰণি অসমীয়া

সাহিত্যৰ যি কেইটা যুগ বিভাজন কৰা হৈছে— সেইকেইটাৰ ভিতৰত নৱবৈষ্ণৱ যুগটিয়েই সাহিত্যৰ ফালৰপৰা সমৃদ্ধিময়। তদানীন্তন সমাজত আজিৰ দৰে শিক্ষা-দীক্ষাৰ সুব্যৱস্থা নাছিল। ৰাজনৈতিক ক্ষেত্ৰতো অস্থিৰতাই দেখা দিছিল। ধৰ্মীয় জীৱনতো কিছু পৰিমাণে বিশৃংখলতাই দেখা দিছিল। সেই সময়ৰ কবিসকল সংস্কৃত পণ্ডিত তথাপি জনসাধাৰণক লোকশিক্ষা দিবৰ বাবে পদত কাব্যাদি প্ৰণয়ন কৰিছিল। শঙ্কৰী যুগত এক উচ্চ সাংস্কৃতিক বৈশিষ্ট্যই জীৱনক সমৃদ্ধ কৰি তুলিছিল। নৱবৈষ্ণৱ যুগৰ অন্যতম লক্ষ্য আছিল ভক্তিধৰ্ম প্ৰচাৰ আৰু নৱবৈষ্ণৱ কবিসৱৰ দ্বাৰা ৰচিত কাব্য-কবিতাৰো মুখ্য উদ্দেশ্য আছিছিল ভক্তিধৰ্ম প্ৰচাৰ কৰা। এই ফালৰপৰা নৱবৈষ্ণৱ সাহিত্যক আদৰ্শ প্ৰধান সাহিত্য বুলিব লাগিব। শঙ্কৰদেৱৰ সাহিত্যৰাজিৰ জৰিয়তে এই নৱবৈষ্ণৱ আদৰ্শ সুন্দৰকৈ প্ৰতিফলিত হৈছে। সেইবাবেই লৌকিক ৰুচি আৰু আদৰ্শহীন প্ৰধান সাহিত্যক শঙ্কৰদেৱ আদি বৈষ্ণৱ কবিসকলে নিন্দা কৰিছিল। অসমৰ নৱবৈষ্ণৱ সাহিত্যৰ বিকাশ আৰু আদৰ্শৰ পৰিস্ফুৰণত *শ্ৰীমদ্ভাগৱত পুৰাণ*ৰ ভূমিকা অত্যন্ত গভীৰ। এই যুগৰ কবিসকলৰ সাহিত্যিক ৰূপৰ ফালৰপৰা নৱবৈষ্ণৱ সাহিত্যক কাব্য, নাটক, গীত, চৰিতপুথি, অনুবাদ সাহিত্য আদি ভাগত ভাগ কৰিব পাৰি। নৱবৈষ্ণৱ বা ভক্তিসাহিত্যক প্ৰচাৰধৰ্মী সাহিত্য আখ্যা দিব নোৱাৰি।

## ২.১২ আৰ্হি প্ৰশ্ন (Sample Questions)

১। কোনখিনি সময়ক আৰু কিয় নৱবৈষ্ণৱ যুগ বোলে? এই যুগক ভক্তি সাহিত্যৰ যুগ বুলিব পাৰিনে? যদি পাৰি কিয় পাৰি? যুক্তিসহ আলোচনা কৰক।

২। নৱবৈষ্ণৱ যুগৰ আদৰ্শৰাজি নৱবৈষ্ণৱ সাহিত্যৰ মাজেৰে কিদৰে অভিব্যঞ্জিত হৈছে বুজাই লিখক।

৩। অসমৰ ভক্তি সাহিত্যত শ্ৰীমদ্ভাগৱত পুৰাণৰ ভূমিকা সম্পৰ্কে যুক্তিনিষ্ঠভাৱে আলোচনা কৰক।

৪। শঙ্কৰী যুগৰ সংস্কৃতি সম্পৰ্কে এটি নিবন্ধ ৰচনা কৰক।

৫। নৱবৈষ্ণৱ আদৰ্শবোৰ কি কি? বিস্তৃতভাৱে আলোচনা কৰক।

৬। নৱবৈষ্ণৱ সাহিত্যৰ ভাষাগত বৈশিষ্ট্য আৰু ৰূপগত বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক।

৭। নৱবৈষ্ণৱ সাহিত্যক প্ৰচাৰধৰ্মী সাহিত্য বুলিব পাৰিনে নোৱাৰি দৃষ্টান্তসহ আলোচনা কৰক।

## ২.১৩ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


উপেন্দ্ৰনাথ গোস্বামী : *বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকথা*

তীৰ্থনাথ শৰ্মা : *পঞ্চপুষ্প*

(—) : *ভক্তিবাদ।*

নবীনচন্দ্ৰ শৰ্মা : *পুৰণি অসমীয়া সাহিত্যৰ সুবাস*

(—) : *পুৰণি অসমীয়া সাহিত্যৰ আলোকৰেখা*

বাণীকান্ত কাকতি : *পুৰণি অসমীয়া সাহিত্য*

মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*


●●●

তৃতীয় বিভাগ

# শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ ধাৰা আৰু প্ৰকাৰ

বিভাগৰ গঠন ঃ


৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ ধাৰা

৩.৪ শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ প্ৰকাৰ

৩.৫ শঙ্কৰী যুগৰ অসমীয়া কবিসকল

৩.৫.১ শঙ্কৰদেৱ

৩.৫.২ মাধৱদেৱ

৩.৫.৩ অনন্ত কন্দলি

৩.৫.৪ ৰামসৰস্বতী

৩.৫.৫ কংসাৰি কবি

৩.৫.৬ সাৰ্বভৌম ভট্টাচাৰ্য্য

৩.৫.৭ শ্ৰীধৰ কন্দলী

৩.৫.৮ ৰত্নাকৰ কন্দলি

৩.৫.৯ ৰত্নাকৰ মিশ্ৰ

৩.৬ সাৰাংশ (Summing up)

৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

৩.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


## ৩.১ ভূমিকা (Introduction)

শঙ্কৰী সাহিত্য বা নৱবৈষ্ণৱ সাহিত্য বা ভক্তি সাহিত্যৰ বিষয়ে ইতিমধ্যে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ ধাৰা আৰু প্ৰকাৰ সম্পৰ্কে বহলভাৱে আলোচনা কৰা হ'ব।

শঙ্কৰদেৱে খৃষ্টাব্দ পঞ্চদশ আৰু খৃষ্টাব্দ ষোড়শ শতিকাৰ ভিতৰত সৌমাৰ, কামৰূপ আৰু কমতাত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে তেওঁ গীত-কাব্য-নাট-অনুবাদ-ভক্তিমূলক আদি গ্ৰন্থ ৰচনা কৰে। লগতে গীত-পদ, নৃত্য-নাট-অভিনয় প্ৰৱৰ্তন কৰে। তেওঁৰ সাহিত্যকৃতিয়ে জনসাধাৰণৰ ওপৰত গভীৰভাৱে ৰেখাপাত কৰে। এই প্ৰসংগত শঙ্কৰদেৱক বিশেষভাৱে সহায় কৰে মাধৱদেৱ, অনন্ত কন্দলি, ৰামসৰস্বতী, শ্ৰীধৰ কন্দলি, ৰত্নাকৰ কন্দলি আদি কবিসকলে।

শঙ্কৰদেৱৰ নেতৃত্বত প্ৰসাৰ লাভ কৰা সাহিত্যক অসমৰ জাতীয় সাহিত্য আখ্যা দিব পাৰি। নৱবৈষ্ণৱ সাহিত্যৰ সামাজিক প্ৰভাৱ আজিও টুটা নাই।

## ৩.২ উদ্দেশ্য (Objectives)

অসমীয়া নৱবৈষ্ণৱ সাহিত্যৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে জনগণৰ মাজত ভক্তিধৰ্ম প্ৰচাৰ কৰা। ভক্তি-আন্দোলন সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰিছিল আৰু ইয়াৰ লগে লগে সাহিত্যৰো সৃষ্টি হৈছিল। এই সাহিত্যৰাজিয়ে যিদৰে ভক্তিৰ ৰস প্ৰবাহত সহায় কৰিছিল তেনেদৰে জাতীয় সংহতিতো অৰিহণা যোগাইছিল।

এই দিশসমূহ আলোচিত হোৱা এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ ধাৰা আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- শঙ্কৰী যুগৰ পুৰোধা শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বিভিন্ন ৰচনাৰাজিৰ বিষয়ে জ্ঞান লাভ আৰু সেইবোৰ পৰ্যালোচনা কৰিব পাৰিব।
- দুয়োজনা মহাপুৰুষৰ উপৰি সেই সময়ৰ অন্যান্য সাহিত্যিকসকলৰ সাহিত্য কৰ্মৰ লগত পৰিচিত হৈ সেইবোৰ ব্যাখ্যা কৰিব পাৰিব।

## ৩.৩ শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ ধাৰা

শঙ্কৰী যুগৰ অসমীয়া সাহিত্য ৰচিত হৈছিল নৱবৈষ্ণৱ ধৰ্ম বা ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে। আদৰ্শবাদী ধাৰাৰ প্ৰাধান্য এই যুগৰ গীত-পদ, গীত-নাট, চৰিত সাহিত্য, অনুবাদমূলক ৰচনাত লক্ষ্য কৰা যায়। *শ্ৰীমদ্ভাগৱত পুৰাণত* কৃষ্ণক পৰম উপাস্য দেৱতা স্বৰূপে দেখুৱা হৈছে আৰু ইয়াতেই কৃষ্ণ-ভক্তিৰ তাত্ত্বিক দিশটিৰ বিষয়েও খৰচি মাৰি আলোচনা কৰা হৈছে। গতিকে নৱবৈষ্ণৱ যুগত কবিসকলে *ভাগৱত পুৰাণৰ* বিষয়বস্তু অনুবাদ কৰিছিল অথবা এই পুৰাণৰ সমলৰ আধাৰত গীত-পদ বা নাট-নাটক ৰচনা কৰিছিল। লগত ভাৰতীয় মহাকাব্য *ৰামায়ণ-মহাভাৰতৰ* অনুবাদত *ভাগৱত পুৰাণৰ* সমল সংযোজন কৰিছিল। এনে আদৰ্শৰে উদ্বুদ্ধ হৈ প্ৰাক্ বৈষ্ণৱ যুগৰ অগ্ৰগামী কবি মাধৱ কন্দলিৰ এখন *ৰামায়ণ* থাকোঁতেও 'ভকতিক পদে' অৰ্থাৎ ভাগৱত-পুৰাণৰ সমল সংযোজন কৰি অনন্ত কন্দলিয়ে আন এখন *ৰামায়ণ* ৰচনা কৰিছিল।

## ৩.৪ শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ প্ৰকাৰ

শঙ্কৰী যুগত ৰচিত অসমীয়া নৱবৈষ্ণৱ সাহিত্যৰ প্ৰকাৰ বা শ্ৰেণী বিভাজন তলৰ দৰে দেখুৱাব পাৰি। যেনে—

(ক) কাব্য, (খ) নাটক, (গ) গীত (ঘ) অনুবাদমূলক ৰচনা, (ঙ) কথাবন্ধে ৰচিত গ্ৰন্থ আৰু (চ) চৰিত সাহিত্য।

### ৩.৫.১ শঙ্কৰদেৱ

শঙ্কৰদেৱৰ জন্ম হৈছিল খৃষ্টাব্দ ১৪৪৯ চনত বৰদোৱাত। তেওঁৰ পিতাকৰ নাম কুসুম্বৰ ভূঞা আৰু মাকৰ নাম সত্যসন্ধ্যা। জন্মৰ পাছতেই শঙ্কৰদেৱৰ মাতৃৰ বিয়োগ হয়। নিচেই কম বয়সতেই তেওঁৰ পিতাকৰো লোকান্তৰ ঘটে। ঘাট-মাউৰা শিশুটি বুঢ়ীমাক খেৰসুতীৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয়। শিশুকালটি প্ৰায় দহবছৰ বয়সলৈকে শিশু-সুলভ খেল-ধেমালিত কাল কটোৱাৰ পিছত বুঢ়ীমাক খেৰসুতীয়ে ল'ৰাটিক মহেন্দ্ৰ কন্দলিৰ টোলত নাম লগাই দিয়ে। শঙ্কৰদেৱৰ বিষয়ে লেখা চৰিত পুথিসমূহৰ মতে টোলত নাম লগাই দিয়াৰ দিনৰেপৰা তেওঁ অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হয়। শঙ্কৰদেৱে মহেন্দ্ৰ কন্দলিৰ টোলত পঢ়ি থকা বয়সতেই 'ভকতিৰ চাৰিখুঁটি মাৰি' *হৰিশ্চন্দ্ৰ উপাখ্যান* পুথিখন ৰচনা কৰিছিল বুলি কোৱা হয়। টোলৰ পঢ়া শেষ কৰি তেওঁ সূৰ্য্যৱতীক বিবাহ কৰায় আৰু পিতাকৰ ভূঞাগিৰীও গ্ৰহণ কৰে। এটি কন্যা সন্তান জন্ম দিয়েই সূৰ্য্যৱতীয়ে ইহ সংসাৰ পৰিত্যাগ কৰে। নিয়তিৰ বিধানে সংসাৰৰ প্ৰতি শঙ্কৰদেৱক নিস্পৃহ কৰি তোলে আৰু মায়া-মমতাৰ প্ৰতি বৈৰাগ্যৰ ভাব ওপজায়। সেইবাবে কেইজনমান সংগীৰ সৈতে ১৪৮১ চনৰপৰা তেওঁ বাৰ বছৰ কাল শ্ৰীক্ষেত্ৰ, পুৰীকে আদি কৰি উত্তৰ ভাৰতৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰে। এই তীৰ্থযাত্ৰা শঙ্কৰদেৱৰ বাবে কেইবাটিও দিশৰপৰা তাৎপৰ্যপূৰ্ণ আছিল; যিহেতু এই যাত্ৰাত তেওঁ বিভিন্ন সন্ত-মহন্ত বিশেষকৈ নৱবৈষ্ণৱ বা ভক্তিধৰ্ম প্ৰৱৰ্তনকাৰী, প্ৰচাৰকাৰী আদিক লগ পাইছিল। তেওঁলোকৰ লগত ধৰ্ম-দৰ্শন, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰাদিৰ বিষয়ে বিতংকৈ আলোচনা-বিলোচনা কৰিবলৈ তেওঁ সুবিধা পাইছিল। এই প্ৰসংগত এটা কথা ক'ব লাগিব যে দক্ষিণ ভাৰতৰ আলোৱাৰসকলৰ দ্বাৰা প্ৰচাৰিত আৰু ৰামানুজাচাৰ্য্যৰ দ্বাৰা দাৰ্শনিক ভিত্তিত প্ৰতিষ্ঠিত ভক্তিধৰ্ম উত্তৰ ভাৰতৰ বিভিন্ন অঞ্চললৈ প্ৰৱাহিত হৈ দকৈ শিপাইছিল আৰু এই ধৰ্মৰ প্ৰভাৱে শঙ্কৰদেৱকো প্ৰভাৱান্বিত কৰিছিল। বৈষ্ণৱসকলৰ বিশ্বাসমতে শঙ্কৰদেৱে শ্ৰীক্ষেত্ৰতেই জগন্নাথ মহাপ্ৰভুৰ কৃপাত 'জ্ঞান-ভক্তিৰ জ্যোতি' লাভ কৰে।

তীৰ্থৰপৰা ঘূৰি আহি শঙ্কৰদেৱে অগুহী-বগুহী আৰু আত্মীয়-স্বজনৰ অনুৰোধ পেলাব নোৱাৰি দ্বিতীয়বাৰ বিবাহ কৰাবলৈ সন্মতি প্ৰদান কৰে। শঙ্কৰদেৱে পোনতে নিজেই জগন্নাথমূৰ্তি প্ৰতিষ্ঠা কৰাই ভক্তিধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰে। পাছলৈ মূৰ্তি-পূজাৰে সৰ্বসাধাৰণৰ মাজত ভক্তিধৰ্ম প্ৰচাৰ কৰাতকৈ ভাওনাৰ জৰিয়তে কৃষ্ণ-ভক্তি প্ৰচাৰ কৰিবলৈ তেওঁ মন মেলে। ইয়াৰ ফলত সৃষ্টি হ'ল অসমীয়া ভাওনা পৰম্পৰাৰ।

কছাৰীৰ উপদ্ৰৱত থাকিব নোৱাৰি ইষ্ট-কুটুম্ব, জ্ঞাতি-গোত্ৰ, বন্ধুবৰ্গ আৰু পৰিয়ালবৰ্গৰে তেওঁ খৃষ্টাব্দ যোড়শ শতিকাৰ প্ৰায় দ্বিতীয় দশক (১৫১৬-১৭ খৃষ্টাব্দত) ব্ৰহ্মপুত্ৰ পাৰ হৈ আহোম ৰাজ্যৰ উত্তৰ পাৰে গাংমৌত থাকিবলৈ লয়। কেইদিনমানৰ পিছত তেওঁলোক যায় ধুৱাহাট-বেলগুৰিলৈ। এই ধুৱাহাট বেলগুৰিতেই ১৫২২ চনত মাধৱদেৱৰ সৈতে শঙ্কৰদেৱৰ মিলন হয়। নৱবৈষ্ণৱ ধৰ্ম আৰু সাহিত্যৰ ফালৰপৰা এই মিলন 'মণি-কাঞ্চন সংযোগ' ৰূপে পৰিচিত।

আহোম ৰজাৰ সৈতে শঙ্কৰদেৱৰ সম্পৰ্ক বেয়া হৈ আহিবলৈ ধৰাত আহোম ৰাজ্যৰ পৰিত্যাগ কৰি ভূঞাসকলৰ সৈতে তেওঁ কোচ ৰাজ্যৰ পাটবাউসীত থাকিবলৈ লয় আৰু তাতে নিগাজিকৈ সত্ৰ পাতে। পাটবাউসী সত্ৰৰপৰাই ছকুৰি শিষ্যৰ সৈতে তেওঁ দ্বিতীয়বাৰৰ বাবে তীৰ্থ ভ্ৰমণ কৰিবলৈ যায়। ইয়াৰ পিছতেই চিলাৰায় দেৱানৰ বিশেষ উদ্যোগত শঙ্কৰদেৱে মহাৰাজ নৰনাৰায়ণৰ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হয়। মহাৰাজ নৰনাৰায়ণৰ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰি শঙ্কৰদেৱে বিবিধ গ্ৰন্থ গীত-ভটিমা-নাট আদি ৰচনা কৰে, অনুবাদ কৰে। খৃষ্টাব্দ ১৫৬৮ চনত সুযোগ্য ভক্ত-বন্ধু আৰু অভিন্ন হৃদয় স্বৰূপ 'বড়াৰপো' মাধৱদেৱক ভক্তিধৰ্মৰ গধুৰ দায়িত্ব অৰ্পণ কৰি শঙ্কৰদেৱে ইহলীলা সম্বৰণ কৰে।

শঙ্কৰদেৱ একেধাৰে ধৰ্মপ্ৰৱৰ্তক, সমাজ সংস্কাৰক, কবি, অনুবাদক, সংগীতজ্ঞ, গীতিকাৰ, নাট্যকাৰ আৰু চিত্ৰকৰ। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো মিলিয়েই যে অসমীয়া সমাজ সৃষ্টি হৈছিল সেই কথা শঙ্কৰদেৱে ভালদৰে বুজিছিল আৰু সেই সমন্বিত ৰূপটোক আৰু গভীৰ আৰু স্থায়ী আৰু সুন্দৰ কৰি তোলাত তেওঁৰ সাৰ্বিক প্ৰচেষ্টাৰ যে প্ৰয়োজন উপলব্ধি কৰিছিল।

আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্ৰত শঙ্কৰদেৱৰ প্ৰধান দানৰ বিষয়ে ড° বাণীকান্ত কাকতিদেৱে এনেদৰে কৈছে—

*বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান-দান, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ, আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্ৰত মহাপুৰুষৰ প্ৰধান দান।*

শঙ্কৰদেৱৰ সাহিত্য নিৰ্মিতিৰাজি ইয়াৰ বিষয়বস্তু অনুসৰি তলত দিয়াৰ দৰে শ্ৰেণী বিভাজন কৰিব পাৰি—

(ক) **কাব্য :** (১) *হৰিশ্চন্দ্ৰ উপাখ্যান*, (২) *ৰুক্মিণী হৰণ কাব্য*, (৩) *বলিছলন*, (৪) *অমৃতমথন*, (৫) *অজামিল উপাখ্যান* আৰু (৬) *কুৰুক্ষেত্ৰ*।

(খ) **ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ :** (১) *ভক্তিপ্ৰদীপ*, (২) *ভক্তিৰত্নাকৰ* (সংস্কৃত), (৩) *নিমি-নৱসিদ্ধ সংবাদ* আৰু (৪) *অনাদি পাতন*।

(গ) অনুবাদমূলক ৰচনা : (১) প্ৰথম, দ্বিতীয়, ষষ্ঠ (অজামিল উপাখ্যান মাত্ৰ), অষ্টম (বলিছলন, অমৃত মথন) দশম (আদ্য), একাদশ, দ্বাদশ খণ্ড ভাগৱত

আৰু উত্তৰকাণ্ড ৰামায়ণ।

(ঘ) অংকীয়া নাট : (১) পত্নী-প্ৰসাদ, (২) কালি-দমন, (৩) কেলি-গোপাল, (৪) ৰুক্মিণী-হৰণ, (৫) পাৰিজাত-হৰণ, (৬) ৰাম-বিজয়।

(ঙ) গীত : (১) বৰগীত, (২) ভটিমা, (৩) টোটয় আৰু চপয়।

(চ) নাম-প্ৰসংগ : (১) কীৰ্ত্তন, (২) গুণমালা।

(ক) কাব্য : *হৰিশ্চন্দ্ৰ উপাখ্যান* শঙ্কৰদেৱৰ আদি কালৰ ৰচনা। ভকতিৰ চাৰিখুঁটি মাৰি এই কাব্যখন ৰচনা কৰা বুলি চৰিত পুথিত উল্লেখ আছে। কাব্যৰ মূল মাৰ্কণ্ডেয় পুৰাণ। বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কাব্যখনৰ অন্যতম উদ্দেশ্য। *ৰুক্মিণীহৰণ কাব্য*ও শঙ্কৰদেৱৰ আগবয়সৰ ৰচনা। হৰিবংশ আৰু ভাগৱত পুৰাণৰ বিষয়বস্তুৰ আধাৰত পল্লৱিত এই কাব্যখনৰ বিষয়বস্তু অধিক মোহনীয় আৰু ৰমণীয় কৰি তোলাত শঙ্কৰদেৱৰ স্বকীয় সৃষ্টিয়েও তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। চৰিত্ৰ চিত্ৰণ, পৰিবেশ ৰচনাতো শঙ্কৰদেৱে *ৰুক্মিণী হৰণ কাব্য*ত কৃতিত্ব প্ৰদৰ্শন কৰিছে। *অজামিল উপাখ্যান* ভাগৱত পুৰাণৰ ষষ্ঠ স্কন্ধৰ প্ৰথম তিনি অধ্যায়ৰ বিষয়বস্তুৰে পল্লৱিত। কাব্যখনত ৰাম-নামৰ মহত্ত্ব প্ৰদৰ্শন কৰা হৈছে। ভাগৱত পুৰাণৰ অষ্টম স্কন্ধৰ বিষয়বস্তুৰ আধাৰত গ্ৰাহ্-গজেন্দ্ৰ যুদ্ধ (*কীৰ্ত্তন*), *অমৃত মথন* আৰু *বলিছলন* ৰচিত হৈছে। ভাগৱত পুৰাণৰ অন্তৰ্গত দশম স্কন্ধৰ ৮২-৮৫ অধ্যায়ৰ কথাবস্তুৰে ৰচিত হৈছে *কুৰুক্ষেত্ৰ কাব্য*।

(খ) ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ : *ভক্তি-প্ৰদীপ* শঙ্কৰদেৱৰ আগ বয়সৰ ৰচনা যেন লাগে। ভক্তি-প্ৰদীপত কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ জৰিয়তে ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা হৈছে। *নিমি-নৱসিদ্ধ সংবাদ* বা *অনাদি-পাতন* গ্ৰন্থত দাৰ্শনিকতত্ত্ব, জিজ্ঞাসা উপস্থাপন কৰা হৈছে ৰজা নিমি আৰু নজন সিদ্ধৰ কথোপকথনৰ জৰিয়তে। *অনাদি-পাতন*ত সৃষ্টিতত্ত্বৰ জটিল সমস্যাৰাজি বৰ্ণিত হৈছে। *ভক্তি-ৰত্নাকৰ* তত্ত্বপূৰ্ণ গ্ৰন্থ। ভক্তি বিষয়ক বিভিন্ন শ্লোক সংস্কৃত শাস্ত্ৰৰপৰা চয়ন কৰি আনি এই গ্ৰন্থখন সংকলন কৰা হৈছে।

(গ) অনুবাদমূলক ৰচনা : শঙ্কৰদেৱৰ সৰহ সংখ্যক গ্ৰন্থই অনুবাদমূলক তথাচ কেইখনমানৰ ক্ষেত্ৰত তেওঁ মূল গ্ৰন্থত সততে দৃষ্টি নিবদ্ধ কৰিছিল। তেনে গ্ৰন্থ কেইখনক অনুবাদমূলক গ্ৰন্থ আখ্যা দিয়া হৈছে। অনুবাদমূলক গ্ৰন্থত কবিয়ে মূলৰ জঁকাটোহে দিছে— অনেক জটিল কথা পৰিহাৰ কৰিছে আৰু স্বকীয় সৃষ্টিৰ সংযোজনেৰে সেই ঠাই পূৰণ কৰিছে। অনুবাদ গ্ৰন্থৰ পৰিৱেশ ৰচনাত তেওঁ সততে দৃষ্টি ৰাখিছে তদানীন্তন লোকসমাজত। এনে ৰীতিৰেই তেওঁ ভাগৱত পুৰাণৰ ১ম, ২য়, ৬ষ্ঠ, ৮ম, ১১শ, ১২শ স্কন্ধ আৰু উত্তৰাকাণ্ড *ৰামায়ণ* অনুবাদ কৰে। ভাগৱত পুৰাণৰ অন্তৰ্গত দশম স্কন্ধৰ প্ৰথম ৪৭ টা স্কন্ধ শঙ্কৰদেৱে অনুবাদ কৰে আৰু এই অনুবাদটিকে *দশম*, *আদ্য-দশম* বা *আদি-দশম* আখ্যা দিয়া হয়। *আদি-দশম*

বালগোপালৰ বাললীলাৰে সুসমৃদ্ধ। যশোদাৰ মাতৃত্ব, বালগোপালৰ পুত্ৰত্ব আৰু গোপ বালকসৱৰ প্ৰেমাত্মিকা ভক্তিৰ শ্ৰেষ্ঠত্বৰ বৰ্ণনাৰে *আদি-দশম* সমৃদ্ধ।

(ঘ) অংকীয়া নাট ঃ শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা নাট্য শৈলীৰ নাম অংকীয়া নাট আৰু অংকীয়া নাটৰ অভিনয়ক ভাওনা বোলে। শঙ্কৰদেৱে ছখন নাট ৰচনা কৰে— *পত্নী-প্ৰসাদ, কালি-দমন, কেলি-গোপাল, ৰুক্মিণী-হৰণ, পাৰিজাত-হৰণ* আৰু *ৰাম-বিজয়*। *ৰাম-বিজয়*ৰ বাহিৰে বাকী কেইখন নাটৰ কাহিনী লোৱা হৈছে হৰিবংশ আৰু *ভাগৱত-পুৰাণ*ৰ পৰা। *ৰাম-বিজয়* নাটৰ কাহিনী গ্ৰহণ কৰা হৈছে *ৰামায়ণ*ৰ পৰা। অংকীয়া নাটৰ ভাষা ব্ৰজবুলি।

(ঙ) গীত ঃ শঙ্কৰদেৱৰ দ্বাৰা ৰচিত গীতসমূহ প্ৰধানভাৱে তিনিটা ভাগত ভগাব পাৰি ঃ *বৰগীত, ভটিমা, টোটয়* আৰু *চপয়*।

**বৰগীত ঃ** *গুৰুচৰিত*ৰ মতে শঙ্কৰদেৱে বাৰকুৰি বৰগীত ৰচনা কৰিছিল। বৰপেটাৰ কমলা বায়নে সেইবোৰ আওৰাবলৈ বহঁলৈ লৈ গ'ল। চ'ত মহীয়া ৰূপোৰা জুয়ে তেওঁৰ বহা পুৰিলে, গীতখিনিও পোৰা গ'ল। বাতৰিটো পাই শঙ্কৰদেৱে মাধৱদেৱক আক্ষেপ কৰি কৈছিল— *"বৰাৰ পো গীত কিছু কৈলো পুইলে, তুমি কিছু কৰা আমি নকৰোঁ।"* ভকতৰ মুখত থকা গীত কেইটামানহে লিপিবদ্ধ কৰা হ'ল। এই কেইটিয়েই শঙ্কৰদেৱৰ বৰগীত পৰম্পৰাত ৰক্ষিত হৈছে। শঙ্কৰদেৱে 'বৰগীত' আখ্যা দিয়া নাই, 'গীত' আখ্যাহে দিছে। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ গীতখিনিক বিশেষ এক সন্মান প্ৰদৰ্শন কৰাৰ উদ্দেশ্যেৰেই তেওঁলোকৰ পৰৱৰ্তী বৈষ্ণৱ সন্তসকলে 'বৰগীত' আখ্যা প্ৰদান কৰিছে। বৰগীতসমূহৰ কেইটিমান বিশেষত্ব আছে, যেনে— (ক) ব্ৰজবুলিত ৰচিত, (খ) বিষয়বস্তুৰ সংৰক্ষণশীলতা বা সংযম, (গ) শাস্ত্ৰীয় ৰাগ-তাল যুক্ত, (ঘ) চৈধ্য প্ৰসংগত বৰগীতসমূহৰ স্থান, (ঙ) শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত গীতখিনিকহে 'বৰগীত' বোলা হয়। উক্ত সাংগীতিক বৈশিষ্ট্যসম্পন্ন হ'লেও শঙ্কৰদেৱ-মাধৱদেৱৰ বাহিৰে আনে লিখা গীতক বৰগীত বোলা নহয়।

**ভটিমা ঃ** ভটিমা মানে স্তুতি বা প্ৰশস্তি। ভটি (ভট্ট)সকলে গোৱা গীতেই ভটিমা। শঙ্কৰদেৱে তিনিবিধ ভটিমা ৰচনা কৰে ঃ *নাটকীয় ভটিমা, দেৱভটিমা* আৰু *ৰাজভটিমা*। ভটিমাৰ ভাষাও কৃত্ৰিম ব্ৰজবুলি।

**টোটয় ঃ** 'টোটয়' পদটো সংস্কৃত 'টোটক' বা 'তোটক' শব্দৰপৰা উদ্ভৱ হৈছে। টোটক বা তোটক সংস্কৃত ছন্দ বিশেষ। নৰনাৰায়ণৰ ৰাজসভাত থকাৰ সময়ত শঙ্কৰদেৱে টোটক ছন্দত তলৰ শ্লোক কেইটি লিখিছিল। এই শ্লোক কেইটিয়েই শঙ্কৰদেৱৰ টোটয়। যেনে—

*মধু দানৱ-দাৰণ-দেৱ-ৱৰম্।*
*ৱৰ-ৱাৰিজ-লোচন-চক্ৰ-ধৰম্।।*

*ধৰণী-ধৰ-ধাৰণ-ধ্যেয়-পৰম্।*

*পৰমাৰ্থ-বিদ্যাগুভ-নাশ-কৰম্।।*

চপয় ঃ চপয় ছন্দত ৰচিত স্তৱ বা গুণ বৰ্ণনাৰ নাম চপয়। যেনে—

*শুন শুন ৰুক্মিণী আই।*

*কৃষ্ণ গুণ কহন নাযাই।।*

*মুখ ইন্দু কোটি পৰকাশ।*

*দশন মোতিম মন্দ হাশ।।*

(চ) নাম প্ৰসংগ ঃ

*কীৰ্ত্তন-ঘোষা* ঃ নৱবিধা ভক্তিৰ পথ পৰিক্ৰমাত শ্ৰৱণ-কীৰ্তনৰ ভূমিকা অত্যন্ত গভীৰ। স্বৰূপাৰ্থত কীৰ্তনতে শ্ৰৱণৰ গুণ নিজে। নিজে গোৱা নাম বা আবৃত্তি কৰা অথবা লোকে গোৱা বা আবৃত্তি কৰা ভগৱন্তৰ নাম বা লীলামালাক কীৰ্তন বোলে। আকৌ আনে গোৱা বা আবৃত্তি কৰা ভগৱন্তৰ নাম বা লীলা-মালা শুনা কাৰ্য শ্ৰৱণ নামেৰে পৰিচিত। অন্য প্ৰকাৰে নিজেই আবৃত্তি কৰি অথবা গাই অথবা নিজ মুখেৰে উচ্চাৰণ কৰি শ্ৰৱণ আৰু কীৰ্তন উভয়ৰে ফল সম্যকভাৱে লাভ কৰিব পাৰি। বৈষ্ণৱ সাধকসকলৰ ধৰ্মীয় দিশত অতিকে প্ৰয়োজনীয় দিশটিৰ অভাৱ পূৰণ কৰিবৰ উদ্দেশ্যে শ্ৰীশঙ্কৰদেৱে 'ললিত কান্ত ৰচনা' এখনি দি গ'ল আৰু ৰচনাখনিৰ নামেই *কীৰ্ত্তন* বা *কীৰ্ত্তন-ঘোষা*।

ভক্তিধৰ্ম প্ৰচাৰৰ অৰ্থে শঙ্কৰদেৱে জীৱনৰ বিভিন্ন স্তৰত বিভিন্ন অঞ্চলত *কীৰ্ত্তনৰ* বিভিন্ন খণ্ডবোৰ ৰচনা কৰিছিল। শঙ্কৰদেৱৰ তিৰোধানৰ পিছত মাধৱদেৱৰ আজ্ঞা শিৰে ধৰি তেওঁৰ ভাগিন ৰামচৰণে *কীৰ্ত্তন-ঘোষাৰ* বিভিন্ন খণ্ড সংগ্ৰহ কৰে। আনুমানিক ১৫১৮ শক অৰ্থাৎ ১৫৯৬ চনৰ ভিতৰতেই *কীৰ্ত্তন-ঘোষাৰ* বিভিন্ন খণ্ডবোৰৰ সংগ্ৰহ কাৰ্য সমাপ্ত হৈছিল। স্বৰূপাৰ্থত *কীৰ্ত্তন-ঘোষাৰ* বৰ্তমানৰ ক্ৰম সম্পাদন কৰিছিল ৰামচৰণ ঠাকুৰে আৰু এই ক্ৰমৰ প্ৰতি অনুমোদন জনাইছিল মাধৱদেৱে।

*কীৰ্ত্তন-ঘোষাত* সন্নিবিষ্ট খণ্ডসমূহ হ'ল যথাক্ৰমে— চতুৰ্বিংশতি অৱতাৰ বৰ্ণন, নাম-অপৰাধ, পাষণ্ড মৰ্দ্দন, ধ্যান-বৰ্ণন, অজামিল উপাখ্যান, প্ৰহলাদ-চৰিত্ৰ, গজেন্দ্ৰ উপাখ্যান, হৰ-মোহন, বলি-ছলন, শিশু-লীলা, কালীয়-দমন, ৰাস-ক্ৰীড়া, কংস-বধ, গোপী-উদ্ধৱ সংবাদ, কুঁজীৰ বাঞ্ছা-পূৰণ, অক্ৰূৰৰ বাঞ্ছা-পূৰণ, জৰাসন্ধৰ যুদ্ধ, কাল যৱন-বধ, মুচুকুন্দ স্তুতি, স্যমন্তক হৰণ, নাৰদৰ কৃষ্ণ-দৰ্শন, বিপ্ৰ-পুত্ৰ-আনয়ন, দামোদৰ বিপ্ৰ-উপাখ্যান, দৈৱকীৰ পুত্ৰ-আনয়ন, বেদ-স্তুতি, লীলা-মালা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, সহস্ৰ-নাম-বৃত্তান্ত, উৰেষা-বৰ্ণন, ভাগৱত তাৎপৰ্য আৰু ঘুনুচা কীৰ্ত্তন।

*কীৰ্তন-ঘোষাত* সন্নিৱিষ্ট সহস্ৰ-নাম-বৃত্তান্ত, ঘুনুচা-কীৰ্তন শঙ্কৰদেৱৰ ৰচনা নহয়। 'সহস্ৰ-নাম-বৃত্তান্ত' ৰত্নাকৰ কন্দলি আৰু 'ঘুনুচা কীৰ্তন' শ্ৰীধৰ কন্দলীৰ ৰচনা।

*কীৰ্তন-ঘোষাত* ভজনীয় ঈশ্বৰৰ স্বৰূপ নিৰ্ণীত হৈছে। সেই গৰাকী ভজনীয় ঈশ্বৰেই হৈছে ব্ৰহ্মৰূপী সনাতন নাৰায়ণ, যিজন হ'ল সৰ্ব অৱতাৰৰ কাৰণ। শ্ৰীকৃষ্ণ সেই সনাতন নাৰায়ণৰ সৈতে অভেদ। *কীৰ্তন-ঘোষাত* শ্ৰৱণ-কীৰ্তন ভক্তিত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হ'লেও নৱবিধা ভক্তিৰ আন আন সাতবিধ সাধনতো প্ৰায় সমানে গুৰুত্ব দিছে।

নান্দনিক দিশৰ ফালৰপৰাও *কীৰ্তন-ঘোষাৰ* এক মহৎ সৃষ্টি। কাহিনী বা কথাবস্তু উপস্থাপনৰ বৈচিত্ৰ্য, চৰিত্ৰ সৃষ্টিৰ বৈশিষ্ট্য, অৱস্থা বা পৰিবেশ বৰ্ণনাৰ সাৰ্থকতাৰ ফালৰপৰা *কীৰ্তন-ঘোষা* অনুপম। *আদিদশমৰ* দৰে *কীৰ্তন-ঘোষাতো* বৰ্ণনাৰ চাতুৰ্য লক্ষ্য কৰা যায়। *কীৰ্তন-ঘোষাত* উপস্থাপিত প্ৰায়খিনি বৰ্ণনাই চিত্ৰ প্ৰধান, স্পষ্ট আৰু উজ্জ্বল। মুঠতে *কীৰ্তন-ঘোষা* শঙ্কৰদেৱৰ কালজয়ী ৰচনা। সমাজ জীৱনক সংহতিত আৰু একত্ৰিত কৰাত *কীৰ্তন-ঘোষাৰ* সুদূৰ প্ৰসাৰী ভূমিকা স্বীকাৰ কৰিবই লাগিব।

*গুণমালা* **:** *গুণমালা* শঙ্কৰদেৱৰ আন এটি সাহিত্যকৃতি। ছআখৰীয়া কুসুমমালা ছন্দত ৰচিত ৩৭৭ টা পদৰ সমষ্টি *গুণমালা* পুথিখন সৰ্বজন প্ৰিয়। ব্যক্তিগতভাৱে বা অকলশৰীয়াকৈ ঈশ্বৰৰ লীলা-মালা আৰু গুণ-কথা স্মৰণৰ সুবিধাৰ বাবে পুথিখন ৰচনা কৰা হৈছে। মহাৰাজ নৰনাৰায়ণে ৰাজসভাৰ পণ্ডিতসকলক 'ভুৰুকাত হাতী ভৰাবলৈ' অনুৰোধ কৰিছিল। শঙ্কৰদেৱে সমস্ত ভাগৱত *পুৰাণ* খনৰ বিষয়বস্তু মাত্ৰ ৩৭৭ টা পদত ৰচনা কৰি মহাৰাজৰ হাতত দি প্ৰতীকাত্মকভাৱে ভুৰুকাত হাতী ভৰাইছিল।

অসমৰ সাহিত্য আকাশত শঙ্কৰদেৱ এক উজ্জ্বল নক্ষত্ৰ।

### ৩.৫.২ মাধৱদেৱ

মাধৱদেৱ শঙ্কৰদেৱৰ সমসাময়িক আছিল যদিও তেওঁ শঙ্কৰদেৱতকৈ প্ৰায় দুকুৰি বছৰে সৰু আছিল। মাধৱদেৱৰ জন্ম হৈছিল বৰ্তমানৰ লখিমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলৰ কাচিকটা নৈৰ পাৰত। ১৪৮৯ খৃষ্টাব্দত হৰিশিঙা বৰাৰ বংশত, গোবিন্দগিৰি ভঁৰাল আৰু মনোৰমাৰ গৰ্ভত তেওঁ জন্ম গ্ৰহণ কৰে। দেশত আকালে দেখা দিয়াত চৈধ্য বছৰীয়া মাধৱদেৱে কিছুদিন পিতাক আৰু মাকৰ সৈতে হাবুং অঞ্চলৰ ঘাঘৰ মাজিৰ ঘৰত থাকে। ইয়াৰ পিছত তেওঁলোক ক্ৰমে বৌৱা, বাণ্ডুকা আদিতো থাকিবলৈ লয়। বাণ্ডুকাতেই মাধৱদেৱৰ বিদ্যা শিক্ষা

আৰম্ভ হয় আৰু ইয়াতেই তেওঁৰ পিতৃয়েও শেষ নিশ্বাস পেলায়। বাণ্ডুকাৰ ৰজাৰ ঘৰত বিষয়া খটা, তামোল-পাণৰ বেহা আদি কাম কৰি নেঘেৰীটিঙৰ এজনী ছোৱালীক আঙঠি পিন্ধায়; কিন্তু শাক্ত মাধৱদেৱ 'বলিৰ ছাগ' বিষয় লৈ বৈষ্ণৱ শঙ্কৰদেৱৰ সৈতে ১৫২২ চনত তুমুল তৰ্কযুক্ত প্ৰবৃত্ত হ'বলগীয়া হয়। অৱশেষত তেওঁ তৰ্কত পৰাজয় বৰণ কৰি আঙঠি পিন্ধোৱা ছোৱালীক পৰিত্যাগ কৰি শঙ্কৰদেৱৰ অভয় চৰণত শৰণ গ্ৰহণ কৰে। শঙ্কৰদেৱৰ অন্যতম শিষ্য আৰু প্ৰধান সহযোগী স্বৰূপে মাধৱদেৱে গীত-কবিতা-নাট আদি প্ৰণয়ন কৰে।

মাধৱদেৱৰ ৰচনাৱলী ইয়াৰ বিষয়বস্তু আৰু ৰূপ অনুসৰি তলত দিয়াৰ দৰে ভাগ কৰি দেখুৱাব পাৰি। যেনে—

(ক) আখ্যানমূলক : (১) *ৰামায়ণৰ আদিকাণ্ড* আৰু (২) *ৰাজসূয় কাব্য*।

(খ) তত্ত্বমূলক ৰচনা : (১) *জন্ম ৰহস্য*, (২) *নামঘোষা*, (৩) নামমালিকা, (৪) *ভক্তি ৰত্নাৱলী*।

(গ) নাট : (১) *অৰ্জুন-ভঞ্জন* বা *দধিমথন*, (২) *চোৰ-ধৰা* (৩) *পিপৰা গুচোৱা* বা *পিম্পৰা গুচোৱা* (৪) *ভুমি-লেটোৱা* (লুটিৱা), (৫) *ভোজন-বিহাৰ*, (ব্যৱহাৰ)।

(ঘ) গীত : বৰগীত, ভটিমা।

(ক) আখ্যানমূলক ৰচনা

*আদিকাণ্ড ৰামায়ণ* : মাধৱ কন্দলিৰ দ্বাৰা অনূদিত *ৰামায়ণৰ* আদি কাণ্ডটো বিচাৰি নোপোৱা হেতু শঙ্কৰদেৱৰ নিৰ্দেশ অনুসৰি মাধৱদেৱে *ৰামায়ণ*ৰ আদি কাণ্ডটো অনুবাদ কৰে। মাধৱদেৱৰ 'আদিকাণ্ড' বাল্মীকি *ৰামায়ণৰ* আদি কাণ্ডৰ আধাৰত ৰচিত হৈছে যদিও অনুবাদটিত বহুতো অ-বাল্মীকীয় সমল পোৱা যায়। এই সন্দৰ্ভত ড° সত্যেন্দ্ৰনাথ শৰ্মাই এনেদৰে লিখিছে—

*........ আদিকাণ্ডৰ বহুখিনি কথা আৰু বৰ্ণনা কৃত্তিবাসী ৰামায়ণৰ লগত মিলে। বাল্মীকিত এইবোৰ কথা নাই। সম্ভৱতঃ বাণ্ডুকাত থাকোঁতে কৃত্তিবাসী ৰামায়ণৰ লগত মাধৱদেৱৰ পৰিচয় ঘটিছিল, তাৰ প্ৰভাৱ তেওঁৰ আদিকাণ্ডত লক্ষ্য কৰা যায়।*

*ৰাজসূয় কাব্য* : *ৰাজসূয় কাব্য* মাধৱদেৱৰ কবিত্বৰ উজ্জ্বল নিদৰ্শন। *শ্ৰীমদ্ভাগৱত পুৰাণৰ* অন্তৰ্গত দশম স্কন্ধৰ ৭০-৭৫ অধ্যায়ৰ বিষয়বস্তুৰ আধাৰত পল্লৱিত। অৱশ্যে ভাগৱতৰ বিষয়বস্তু অধিক প্ৰাণবন্ত কৰি তুলিবৰ বাবে মাজে মাজে *মহাভাৰত*ৰ সভাপৰ্বৰ বিষয়বস্তুও সংযোজন কৰিছে। মাঘৰ *শিশুপাল-বধৰ* বিষয়বস্তুৰ সমাবেশো *ৰাজসূয় কাব্যত* আচহুৱা নহয়। মাধৱদেৱৰ সূক্ষ্ম আৰু ৰসাল বৰ্ণনা ৰীতিৰ নিদৰ্শন বহন কৰিছে *ৰাজসূয় কাব্যই*। উদাহৰণস্বৰূপে শ্ৰীকৃষ্ণ সমনলে দ্বাৰকাৰপৰা ইন্দ্ৰপ্ৰস্থলৈ যাত্ৰাৰ বৰ্ণনা, ভীম-জৰাসন্ধৰ থৈয়ানথৈয়া যুদ্ধ, পাণ্ডৱৰ যজ্ঞশালাত শিশুপালৰ গৰ্ববাক্য আদি বৰ্ণনালৈ আঙুলিয়াব পাৰি। বৰ্ণনা প্ৰবাহে কবিৰ ভক্তি স্ৰোত একোতে ম্লান পেলাব পৰা নাই।

(খ) তত্ত্বমূলক ৰচনা

*জন্মৰহস্য* ঃ *জন্মৰহস্য* মাধৱদেৱৰ এখনি তত্ত্বমূলক ৰচনা। চিলাৰায়ৰ পত্নী ৰাণী ভুৱনেশ্বৰীৰ অনুৰোধত মাধৱদেৱে এই গ্ৰন্থখন ৰচনা কৰিছিল। সৃষ্টি আৰু প্ৰলয়ৰ বৰ্ণনে এই পুথিখনিত প্ৰাধান্য লাভ কৰিছে।

*ভক্তি-ৰত্নাৱলী* ঃ মাধৱদেৱৰ তত্ত্বপূৰ্ণ ৰচনাৰ ভিতৰত *ভক্তি-ৰত্নাৱলীৰ* বিশিষ্ট স্থান লক্ষ্য কৰা যায় বিশেষকৈ ভক্ত সমাজত। নৱবৈষ্ণৱ পৰম্পৰাত স্থান লাভ কৰা চাৰি পুথিৰ ভিতৰত *ভক্তি-ৰত্নাৱলীও* এখন। *ভক্তি-ৰত্নাৱলীৰ* ৰচয়িতাৰ নাম বিষ্ণুপুৰী সন্ন্যাসী। এইগৰাকী পণ্ডিতেই *ভক্তি-ৰত্নাৱলীৰ* *কান্তিমালা* নামৰ এখন টীকাও ৰচনা কৰে। মাধৱদেৱে *কান্তিমালা* টীকাৰ সহায়ত *ভক্তি-ৰত্নাৱলী* গ্ৰন্থখন 'পদবন্ধে' অনুবাদ কৰে। গ্ৰন্থখনত নৱবিধাভক্তি আৰু সৎসংগৰ মাহাত্ম্য বৰ্ণনা কৰিছে। মাধৱদেৱৰ দ্বাৰা অনুদিত *ভক্তি-ৰত্নাৱলীৰ* তাত্ত্বিক দিশৰপৰা তাৎপৰ্য থাকিলেও নান্দনিক দিশৰ ফালৰপৰা বিশেষ তাৎপৰ্য নাই।

*নামঘোষা* ঃ মাধৱদেৱ আছিল সুপণ্ডিত, সুগায়ক আৰু সুকবি। এই তিনিওটা গুণৰ একত্ৰ সমাবেশ পৰিলক্ষিত হয় তেওঁৰ আধ্যাত্মিক জীৱনৰ ছন্দোময় প্ৰকাশ *নামঘোষাত*। *নামঘোষা* মাধৱদেৱৰ জীৱনৰ শেষ কীৰ্তি। সেইবাবেই *নামঘোষাক* মাধৱদেৱৰ 'মহাপ্ৰস্থানিক গীত' আখ্যা দিয়া হয়। জীৱনৰ শেহৰ ভালে তেওঁ সাম্প্ৰদায়িক উৎপীড়নৰ হেতু কামৰূপ ৰাজ্য এৰি থৈ কোচবিহাৰত থাকিবলগীয়া হৈছিল। কোচবিহাৰত তেওঁ ভেলাডোঙাৰত সত্ৰ পাতিছিল আৰু তাত থাকিয়েই তেওঁ *নামঘোষা* প্ৰণয়ন কৰে।

*নামঘোষা* প্ৰায় এহেজাৰ পদৰ সমষ্টি। সেইবাবে এই গ্ৰন্থৰ আন এটা নাম হাজাৰীঘোষা। এই এহেজাৰ পদৰ প্ৰায় ছশমান সংস্কৃত শ্লোক আশ্ৰিত আৰু বাকী চাৰিশ মাধৱদেৱৰ স্বকীয় সৃষ্টি। সংস্কৃত শ্লোকাশ্ৰয়ী পদখিনিও কবিৰ স্বকীয় ৰচনা যেনেই লাগে, কাৰণ তেওঁ বিষয়খিনি এনেদৰে আত্মভূত কৰি পেলাইছিল যে তাত অনুবাদৰ ক্লিষ্টতা মুঠেই অনুভৱ কৰা নাযায়।

ড° বাণীকান্ত কাকতিয়ে *নামঘোষাত* তিনিটা ভাবৰ ধাৰা মিহলি হৈ আছে বুলি কৈছে আৰু এই তিনিটা ভাবৰ বিভাজন তেওঁ এনেদৰে দেখুৱাইছে— (ক) পুণ্য শ্লোক শঙ্কৰৰ স্মৃতি, (খ) মাধৱদেৱৰ আত্মলঘিমা আৰু (গ) কৃষ্ণ-ভক্তি মাহাত্ম্য। অৱশ্যে এই ত্ৰিধাৰাৰো মূল উৎস এটাই— সেইটো হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আবেগ।

মাধৱদেৱ বাৎসল্য আৰু দাস্যভাবৰ মূৰ্তিমান স্বৰূপ। স্বৰূপাৰ্থত বাৎসল্য আৰু দাস্যভাবৰ মাজত কোনো পাৰ্থক্য নাই— এটা মুদ্ৰাৰেই ইপিঠি-সিপিঠি। লৌকিক দৃষ্টিত যিটো দাস্যভাব, অন্তৰৰ ফালৰপৰা সেয়ে বাৎসল্য ভাব। দুৰৈৰপৰা যিটো দাস্যভাব, ওচৰৰ পৰা সিয়েই বাৎসল্য ভাব। অসমীয়া সাহিত্যত মাধৱদেৱৰ

বাহিৰে আন কোনো কবিয়েই দাস্যভাবক ভক্তি আৰু নান্দনিক দুয়োটা দিশত ইমান সাৰ্থক আৰু পৰিপূৰ্ণভাৱে প্ৰকাশ কৰিব পৰা নাই। সংসাৰত্যাগী মাধৱদেৱক দাস্য-ভক্তিৰ মূৰ্তিমান স্বৰূপ বুলিব পাৰি।

আত্মলঘিমা মাধৱদেৱৰ এক চাৰিত্ৰিক ভূষণ। এই বৈশিষ্ট্যটি তেওঁৰ *নামঘোষাতো* সুন্দৰকৈ প্ৰতিফলিত হৈছে।

মুক্তিতো নিস্পৃহ ৰসময়ী ভক্তিৰ ৰস প্ৰবাহত আত্মনিমৰ্জন কৰি থাকিব বিচৰা ভকতৰ প্ৰতি নমস্কাৰ জনাই ভগৱন্ত কৃষ্ণৰ চৰণ প্ৰান্তত আত্মবিসৰ্জন দি তেওঁ ৰসসিক্ত ভক্তিহে কামনা কৰে।

*নামঘোষাৰ* দাৰ্শনিক ভিত্তি বেদান্ত দৰ্শন। এই পুথিখনে প্ৰাৰ্থনা গীতৰো দাবী পূৰণ কৰিব পাৰে।

নাম-মালিকা : *নাম-মালিকা* মাধৱদেৱৰ আন এখন তত্ত্বপূৰ্ণ গ্ৰন্থ। লক্ষ্মীনাৰায়ণ ৰজাৰ পাত্ৰ বিকৰুজীৰ অনুৰোধমতে পুৰুষোত্তম গজপতিৰ *নাম-মালিকা* নামৰ গ্ৰন্থখন কোচবিহাৰত থাকোঁতে মাধৱদেৱে সৰল আৰু সৰসভাৱে অনুবাদ কৰে। গ্ৰন্থখনত নামৰ মাহাত্ম্য বৰ্ণিত হৈছে।

(গ) নাট : মাধৱদেৱৰ নাটসমূহ হ'ল : *অৰ্জুন-ভঞ্জন* বা *দধি-মথন, চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লেটোৱা* আৰু *ভোজন-বেহাৰ* (ব্যৱহাৰ)। এইকেইখনৰ উপৰিও মাধৱদেৱৰ নামত আৰু কেইখনমান নাট প্ৰচলিত। সেইকেইখন হ'ল— *ভূষণ-হৰণ, ব্ৰহ্মা মোহন, কোটোৰাখেলা, ৰাম ঝুমুৰা*। কিন্তু মাধৱদেৱৰ নাটৰ বৈশিষ্ট্যৰ ফালৰপৰা এই কেইখনক মাধৱদেৱৰ সৃষ্টি নহয় বুলি ক'ব পাৰি।

মাধৱদেৱৰ *অৰ্জুন-ভঞ্জন* বা *দধিমথন* নাট স্বৰূপে পৰিচিত; কিন্তু বাকী কেইখন ঝুমুৰা নামেৰেহে জনাজাত। *চোৰধৰা, পিপৰা-গুচোৱা, অৰ্জুন-ভঞ্জন, ভূমিলেটোৱা* আৰু *ভোজন-বিহাৰত* বালগোপালৰ বালসুলভ লীলা-খেলা, প্ৰেম-অভিমান, চৌৰ-চাতুৰি, চৌৰ্যক্ৰিয়াদিৰ মনোৰম বৰ্ণনা দিয়া হৈছে। মাধৱদেৱৰ *অৰ্জুন-ভঞ্জনৰ* বাহিৰে বাকী কেইখনত পৰিপূৰ্ণ ঘটনাৰ চিত্ৰণ পোৱা নাযায়; পৰিস্থিতি বিশেষৰহে বৰ্ণনা পোৱা যায়। বাৎসল্যভাৱৰ সুন্দৰ প্ৰকাশে আৰু লঘু কৌতুকপ্ৰদ পৰিস্থিতি ৰচনাৰ সাৰ্থকতাই মাধৱদেৱৰ নাট কেইখন সজীৱ আৰু জনপ্ৰিয় কৰাত সহায় কৰিছে।

(ঘ) গীত

বৰগীত : শংকৰদেৱৰ নিৰ্দেশ অনুসৰি মাধৱদেৱে ১৫৭ টা বৰগীত ৰচনা কৰে। মাধৱদেৱৰ ১৫৭ টা আৰু শংকৰদেৱৰ ৩৪ টা সহ মুঠ বৰগীতৰ সংখ্যা ১৯১টা। *নামঘোষাৰ* দৰে মাধৱদেৱৰ *বৰগীতসমূহ* ভক্তপ্ৰাণৰ মৰ্মস্পৰ্শী প্ৰকাশ। দাস্য আৰু বাৎসল্য দুয়োটা ভাববিশিষ্ট গীত তেওঁ ৰচনা কৰিছে যদিও বাৎসল্যভাৱ প্ৰধান গীত অধিক। শংকৰদেৱৰ বৰগীত পৰমাৰ্থ বিষয়ক। মাধৱদেৱৰ বৰগীতত

পৰমাৰ্থিক বিষয়ে স্থান পাইছে যদিও দাস্য আৰু বাৎসল্যভাৱেই বিশেষভাৱে গুৰুত্ব লাভ কৰিছে। বালগোপালৰ লীলা-খেলা আৰু চৌৰ-চাতুৰিৰ বৰ্ণনাৰেই মাধৱদেৱৰ বৰগীতসমূহ ঋদ্ধ হৈ উঠিছে। মাধৱদেৱৰ বৰগীতসমূহৰ বিশেষত্বৰ বিষয়ে ড° সত্যেন্দ্ৰনাথ শৰ্মাই এনেদৰে লেখিছে—

*গীতবোৰত শিশু চৰিত্ৰৰ অভিব্যক্তি, বৰ্ণনাৰ সজীৱতা, ভাষাৰ মাধুৰ্য আৰু কবি প্ৰাণৰ উচ্ছ্বাস আৰু হৃদয়াকুতি অতি সাৰ্থকভাৱে প্ৰকাশ পাইছে। এই ফালৰপৰা মাধৱদেৱৰ এই বৰগীতবোৰ মহাৰাষ্ট্ৰৰ তুকাৰাম আৰু উত্তৰ ভাৰতৰ সুৰদাসৰ গীতসমূহৰ লগত বিজাব পাৰি।*

**ভটিমা :** শঙ্কৰদেৱে তিনিবিধ ভটিমা ৰচনা কৰিছিল। তাৰ লগতে মাধৱদেৱে আৰু এটা শ্ৰেণী যোগ দিয়ে। এই শ্ৰেণীটোৰ নামেই 'গুৰুভটিমা'। নিজ গুৰু শঙ্কৰদেৱৰ বন্দনা এই ভটিমাটিত বৰ্ণিত হৈছে; সেইবাবে ভটিমাটিক আখ্যা দিয়া হৈছে 'গুৰুভটিমা'।

### ৩.৫.৩ অনন্ত কন্দলি

শঙ্কৰদেৱৰ সমসাময়িক কিন্তু বয়সত কনিষ্ঠ কবি অনন্ত কন্দলিৰ জন্ম হৈছিল কামৰূপ জিলাৰ হাজোত। তেওঁৰ পিতৃৰ নাম ৰত্নপাঠক। তেখেত ভাগৱত-পুৰাণ পাঠক। তেওঁৰ পিতৃপ্ৰদত্ত নাম হৰিচৰণ। ব্যাকৰণ-শাস্ত্ৰত ব্যুৎপত্তি লাভ কৰি তেওঁ লাভ কৰে শ্ৰীচন্দ্ৰভাৰতী উপাধি। তৰ্ক বা ন্যায়ত থকা পাণ্ডিত্যৰ বাবে চন্দ্ৰভাৰতীক প্ৰদান কৰা হয় অনন্ত কন্দলি বিভূষা। ভাগৱত-শাস্ত্ৰত থকা অতুলনীয় পাণ্ডিত্য আৰু গভীৰ জ্ঞানৰ বাবে তেওঁ ভাগৱতাচাৰ্য্য আৰু ভাগৱত-ভট্টাচাৰ্য্য বিভূষা দুটি লাভ কৰে।

খৃষ্টাব্দ ষোড়শ শতিকাৰ প্ৰথম দুই দশকৰ ভিতৰত জন্ম লাভ কৰিছিল আৰু পৰৱৰ্তী শতিকাৰ আৰম্ভণিলৈকে জীয়াই আছিল। মোটামুটিভাৱে অনন্ত কন্দলিৰ জন্ম হৈছিল আনুমানিক ১৫২০ খৃষ্টাব্দত আৰু জীয়াই আছিল আনুমানিক ১৬২০ খৃষ্টাব্দলৈকে।

অনন্ত কন্দলিৰ ৰচনাৰপৰা অনুমান কৰিব পাৰি যে তেওঁ শঙ্কৰদেৱৰ সান্নিধ্যলৈ আহিছিল আৰু শঙ্কৰদেৱৰ আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত হৈ কাব্য প্ৰণয়নত মনোনিৱেশ কৰিছিল।

বিষয়বস্তু অনুসৰি অনন্ত কন্দলিৰ গ্ৰন্থসমূহ তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি। যেনে—

(ক) **কাব্য :** (১) *কুমৰ-হৰণ কাব্য*, (২) *বৃত্ৰাসুৰ বধ*।

(খ) **ধৰ্মতত্ত্ব সম্পৰ্কীয় :** (১) জীৱস্তুতি আৰু (২) বৈষ্ণৱামৃত।

(গ) ভাগৱত-পুৰাণৰ অনুবাদ ঃ (১) দশম (মধ্য আৰু অন্ত)।

(ঘ) ৰামায়ণৰ অনুবাদ ঃ (১) অযোধ্যাকাণ্ড, (২) অৰণ্যকাণ্ড, (৩) *কিষ্কিন্ধ্যাকাণ্ড* ইত্যাদি।

(ঙ) স্মৃতি-শাস্ত্ৰ সম্পাদন ঃ (১) *নীতিবন্ত* আৰু (২) *কল্পদ্ৰুম*।

(ক) কাব্য ঃ *কুমৰ-হৰণ কাব্য* ঃ

অনন্ত কন্দলিৰ কাব্য-কৃতিৰ প্ৰথম নিদৰ্শন হৈছে *কুমৰ-হৰণ কাব্য। কুমৰ-হৰণ কাব্যত* কন্দলিয়ে শ্ৰীচন্দ্ৰভাৰতী নামটোহে প্ৰয়োগ কৰিছে। *বৃত্ৰাসুৰবধ* কাব্যতো তেওঁ এই নামটোকেই অৰ্থাৎ চন্দ্ৰভাৰতী বিভূষাটিকেই ব্যৱহাৰ কৰিছে। এই কালবপৰা এই দুয়োখন কাব্যকেই কবিৰ আগ বয়সৰ ৰচনা বুলি ক'ব পাৰি।

*কুমৰ-হৰণ কাব্যৰ* বিষয়বস্তু লোৱা হৈছে *ভাগৱত পুৰাণ* আৰু *হৰিবংশৰ* পৰা। *বিষ্ণু পুৰাণতো কুমৰ-হৰণৰ* কথাবস্তু বৰ্ণিত হৈছে। *ভাগৱত পুৰাণ* আৰু *হৰিবংশৰ* বিষয়বস্তুৰ সৈতে কবিয়ে মৌলিক উপাদানো সংযোজন কৰিছে। উদাহৰণস্বৰূপে কুঁজীবুঢ়ী আৰু তেওঁৰ কাৰ্যাৱলী, গণক, নাপিত আদি চৰিত্ৰ আমাৰ কবিৰ স্বকীয় সৃষ্টি।

*কুমৰ-হৰণ কাব্যৰ* বিষয়বস্তু বিন্যাস তথা উপস্থাপন, চৰিত্ৰ সৃষ্টি, পৰিবেশ ৰচনা আদিত কবি চন্দ্ৰভাৰতীয়ে মৌলিকতাৰ পৰিচয় দিব পাৰিছে। কাব্যৰ নায়িকা ঊষা সখীগতাপ্ৰাণা। তেওঁ উদ্যান লতা সদৃশ। ঊষাই সকলো ক্ষেত্ৰতে সখী চিত্ৰলেখাৰ ওপৰত নিৰ্ভৰ কৰিছে। তেওঁৰ চৰিত্ৰত মুগ্ধা নায়িকাৰ বৈশিষ্ট্য বৰ্তমান।

নায়ক অনিৰুদ্ধ *হৰিবংশ* অথবা *ভাগৱত-পুৰাণতকৈ* তুলনামূলকভাৱে উজ্জ্বল আৰু স্পষ্ট। চন্দ্ৰভাৰতীৰ অনিৰুদ্ধৰ চৰিত্ৰ সাহস, বীৰত্ব, শৌৰ্য-বীৰ্য, দয়া, ক্ষমা, প্ৰেম-প্ৰণয় আদি গুণৰ সংমিশ্ৰণ।

ঊষাৰ পিতৃ বাণাসুৰ তপ-জপ, বল-বীৰ্যত অনন্য। ৰণ-তৃষ্ণা পূৰণৰ লালসাই তেওঁৰ জীৱনৰ ভীষণ পৰাজয়ৰ পথ নিৰ্মাণ কৰিছে। ঊষা-অনিৰুদ্ধৰ মিলনৰ জৰিয়তে বাণৰ ৰণ তৃষ্ণা পূৰণ হৈছে। বাণ-চৰিত্ৰত ট্ৰেজিক নায়কৰ লক্ষণ বিদ্যমান। *কুমৰ-হৰণ কাব্যৰ* আন এটি মনোৰম চৰিত্ৰ হৈছে চিত্ৰলেখা। তেওঁ বাণৰ অমাত্য কুম্ভাণ্ডৰ পুত্ৰিকা। তেওঁ মায়া বিদ্যাত সুদক্ষা, চিত্ৰবিদ্যাত কুশলা, সংগীত বিদ্যাত পাৰ্গতা, নৃত্য পটীয়সী আৰু কলা-কুশলী। তেওঁৰ চৰিত্ৰত ত্যাগৰ আদৰ্শ বৰ্তমান। ঊষাৰ মাতৃ আৰু বাণৰ পত্নী ৰাণী মধুমতী চৰিত্ৰৰ উল্লেখ *হৰিবংশ, ভাগৱত-পুৰাণত* নাই, তেওঁ কবি চন্দ্ৰভাৰতীৰ মানস কন্যা। মাতৃত্ব মধুমতী চৰিত্ৰৰ এক উজ্জ্বল দিশ। অসমীয়া লোকসমাজৰ ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি কুঁজী, গণক আৰু নাপিত এই তিনিটা চৰিত্ৰ চন্দ্ৰভাৰতীয়ে অংকন কৰিছে।

চন্দ্ৰভাৰতীয়ে তেওঁৰ *কুমৰ-হৰণ* কাব্যত নৱৰস উদ্রেক কৰাত গুৰুত্ব দিছে যদিও শৃংগাৰ ৰস সৃষ্টিত তেওঁৰ অধিক গুৰুত্ব দিয়া যেন লাগে। চন্দ্ৰভাৰতীৰ শৃংগাৰ ৰস পৰিমাৰ্জিত ভক্তি ৰসলৈ উন্নৰিত হৈছে।

*বৃত্ৰাসুৰ-বধ* চন্দ্ৰভাৰতীৰ আন এখন উল্লেখযোগ্য কাব্য। এই কাব্যৰ কথাবস্তু গ্ৰহণ কৰা হৈছে *ভাগৱত-পুৰাণ*ৰ অন্তৰ্গত ষষ্ঠ স্কন্ধৰ (অজামিল উপাখ্যানৰ বাহিৰে) পৰা। কথাবস্তু নিৰ্মাণত আমাৰ কবি মূলৰপৰা আঁতৰি অহা নাই। বিষ্ণু-নাম অৰ্থাৎ কৃষ্ণ-নামৰ মাহাত্ম্য বৰ্ণন কৰিবলৈ কবিয়ে পাহৰা নাই।

**(খ) ধৰ্মতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ ঃ *জীৱস্তুতি* আৰু *বৈষ্ণৱামৃত* ঃ**

*জীৱস্তুতি* আৰু *বৈষ্ণৱামৃত* এই দুখন সৰু পুথিত ধৰ্ম আৰু দৰ্শন সম্পৰ্কীয় সমস্যা আৰু তাৰ সমাধান বিষয়ক আলোচনাই স্থান পাইছে।

**(গ) *ভাগৱত-পুৰাণ*ৰ অনুবাদ ঃ মধ্য আৰু অন্ত্য দশম ঃ**

টীকাসহ *ভাগৱত-পুৰাণ* প্ৰাপ্তিৰ পিছত শঙ্কৰদেৱে *ভাগৱত-পুৰাণ*ৰ অন্তৰ্গত দশমস্কন্ধৰ প্ৰথম অধ্যায়ৰ পৰা ৪৭ তম অধ্যায়লৈ অনুবাদ কৰে। নানা কাৰণবশতঃ শঙ্কৰদেৱে সম্পূৰ্ণ আদ্য দশমখণ্ড (১ম অধ্যায়ৰ পৰা ৪৯ তম) অনুবাদ কৰিবলৈ অক্ষম হৈ তেওঁ এবাৰ পৰা দশমৰ বাকী অধ্যায় কেইটা (৪৮ তমৰ পৰা ৯০ তমলৈ) অনুবাদ কৰাৰ দায়িত্ব দিব পাৰে শ্ৰীচন্দ্ৰভাৰতী অৰ্থাৎ অনন্ত কন্দলিক আৰু সেইমতে তেওঁ কামটো সমাপন কৰে। ভাগৱতৰ অনুবাদৰ প্ৰসংগত তেওঁ ভাগৱত ভট্টাচাৰ্য্য আৰু ভাগৱতাচাৰ্য্য বিভূষা দুটি সেই সময়ৰ ভাগৱতপ্ৰেমী বিদ্বৎমণ্ডলীৰপৰা লাভ কৰা স্বাভাবিক। ভাগৱত অনুবাদৰ ক্ষেত্ৰত কন্দলিয়ে শ্ৰীধৰ স্বামীৰ টীকা *ভাগৱৎ-ভাবাৰ্থ দীপিকা*ৰ সহায় গ্ৰহণ কৰিছে। দাৰ্শনিক তত্ত্ব-জিজ্ঞাসাত তেওঁ যে সুদক্ষ আছিল তাৰ আভাস তেওঁৰ ভাগৱত অনুবাদৰ পৰাই বুজিব পাৰি। পৰিৱেশ ৰচনাত তেওঁ অসমৰ লোক জীৱনৰপৰা সমল গ্ৰহণ কৰিছে। কন্দলিৰ অনুবাদ ৰসাল, প্ৰাঞ্জল আৰু আকৰ্ষণীয়।

**(ঘ) *ৰামায়ণ* অনুবাদ ঃ** অনন্ত কন্দলি *ৰামায়ণ* অনুবাদক স্বৰূপেও প্ৰখ্যাত। প্ৰায় এশ বছৰ পূৰ্বৰ প্ৰথিতযশা কবি মাধৱ কন্দলিৰ দ্বাৰা অনূদিত এখন *ৰামায়ণ* থকা সত্ত্বেও অনন্ত কন্দলিয়ে আকৌ এখন *ৰামায়ণ* অনুবাদ কৰাৰ সম্পৰ্কত এনেদৰে দিছে—

*মাধৱ কন্দলি বিৰচিলা ৰামায়ণ।*
*তাক শুনি আমাৰ আকুল কৰে মন।।*
*ৰামৰ সামান্য সত্ত কথা যথাৰত।*
*ভজনীয় গুণ যত নভৈল বেকত।।*

*এতেকে যতন কৰো ভকতিৰ পদে।*

*নুবুলিবা নিন্দা শুনা সৱে সভাসদে।।*

*সাক্ষাতে পৰম ব্ৰহ্ম জানিবা শ্ৰীৰাম*

*আন চিন্তা তেজি তান ধৰা গুণ নাম।।*

মাধৱ কন্দলিয়ে ৰামচন্দ্ৰক শ্ৰেষ্ঠ মানৱ স্বৰূপে চিত্ৰণ কৰিছে, ভজনীয়া দেৱতা ৰূপে কৰা নাই। মাধৱ কন্দলিৰ *ৰামায়ণত* ভাগৱত মিশ্ৰণ ঘটা নাই। আনহাতে অনন্ত কন্দলিয়ে তেওঁৰ অনুবাদত ভাগৱতৰ সমল সংযোজন কৰি ৰামচন্দ্ৰক পৰম ভজনীয় ব্ৰহ্ম স্বৰূপে অংকন কৰিছে। এই ফালৰপৰা অনন্ত কন্দলিৰ *ৰামায়ণক* ভাগৱতী সংস্কৰণ আখ্যা দিব পাৰি।

বাল্মীকি *ৰামায়ণৰ* আটাইকেউটি কাণ্ড অনন্ত কন্দলিয়ে অনুবাদ কৰা বুলি কৈছে যদিও বৰ্তমানলৈ অযোধ্যা, অৰণ্য, কিষ্কিন্ধ্যা এই কেইটি কাণ্ডৰ অনুবাদহে পোৱা গৈছে। কন্দলিৰ অনুবাদ সাৱলীল আৰু স্পষ্ট।

(ঙ) স্মৃতি শাস্ত্ৰ সম্পাদন

*নীতিৰত্ন আৰু কল্পদ্ৰুম* : অনন্ত কন্দলি আছিল সংস্কৃত পণ্ডিত আৰু ধৰ্মশাস্ত্ৰত সুপণ্ডিত। তেওঁ দুখন ধৰ্মশাস্ত্ৰ বা স্মৃতিশাস্ত্ৰ সংকলন কৰিছিল আৰু এই দুখন স্মৃতিশাস্ত্ৰৰ নামেই *নীতিৰত্ন* আৰু *কল্পদ্ৰুম*। কামৰূপীয় স্মৃতি বা ধৰ্মশাস্ত্ৰৰ চিন্তা-চৰ্চাত এই গ্ৰন্থ দুখনৰ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি।

অনন্ত কন্দলি আছিল এগৰাকী বিশিষ্ট কথক আৰু ছবিছন্দৰ ৰূপ-সজ্জাত তেওঁ আছিল অতিকে সুদক্ষ।

৩.৫.৪ ৰামসৰস্বতী

নৱবৈষ্ণৱ যুগৰ আন এগৰাকী বিশিষ্ট কবি ৰামসৰস্বতী বিভিন্ন নামেৰে পৰিচিত। তেওঁৰ পিতৃদত্ত নাম অনিৰুদ্ধ। ৰামসৰস্বতী, ভাৰতভূষণ, ভাৰতচন্দ্ৰ, কবিচন্দ্ৰ আদি তেওঁৰ পাণ্ডিত্য, কবিত্ব আৰু প্ৰতিভাৰ স্বীকৃতি প্ৰকাশক বিভূষা। কামৰূপৰ হাজোৰ সমীপৰ পচৰিয়াত তেওঁৰ জন্ম, পিতাকৰ নাম কবি ভীমসেন চূড়ামণি। তেওঁৰ দুজন পুত্ৰ : প্ৰথম কবিচন্দ্ৰ আৰু দ্বিতীয় অনিৰুদ্ধ। কোচবিহাৰ (কোচবেহাৰ), বিজয় নগৰ, দৰং আদিত তেওঁ থাকিব লগীয়া হৈছিল। তেওঁ নৰনাৰায়ণ, ৰঘুদেৱ, বলীনাৰায়ণ আৰু মকৰধ্বজ এই চাৰিজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল।

মহাৰাজ নৰনাৰায়ণে গৌড় কামৰূপৰপৰা পণ্ডিতসকলক নিমন্ত্ৰণ কৰি আনি সত্ৰ-দেৱাল পাতি গ্ৰন্থাদি ৰচনা কৰিবলৈ অনুৰোধ কৰিছিল। এইসকল পণ্ডিতৰ

ভিতৰত কবি ৰামসৰস্বতীও আছিল। কবিয়ে নিজেই লিখিছে—

*গৌড় কামৰূপে যত পণ্ডিত আছিলা।*
*সমস্তকে আনি সত্র-দেৱান পাতিলা।।*
*শুনিয়োক আজ্ঞা মোৰ ৰাম সৰস্বতী।*
*ভাৰতৰ পদ তুমি কৰিয়ো সম্প্ৰতি।।*

মহাৰাজ নৰনাৰায়ণেই কবি অনিৰুদ্ধক ৰামসৰস্বতী উপাধি প্ৰদান কৰিছিল। এই গৰাকী মহাৰাজেই ৰামসৰস্বতীক মহাভাৰতৰ বিষয়বস্তু 'পদবন্ধে' অসমীয়াত ৰচনা কৰিবলৈ নিৰ্দেশ দিয়ে। নৰনাৰায়ণৰ ৰাজগৃহত মহাভাৰতৰ অনেক টীকা-ভাষ্য আছিল। সেইবোৰ গৰুগাড়ীত মহাৰাজে ৰামসৰস্বতীৰ গৃহলৈ পঠিয়াই দিছিল। কবিৰ ভাষাত—

*আমাক কৰিলা আজ্ঞা পৰম সাদৰে।*
*ভাৰতৰ পদ তুমি কৰিয়োক সাৰে।।*
*আমাৰ গৃহত আছে ভাষ্য টীকা যত।*
*নিয়োক আপোন গৃহে দিলোহো সমস্ত।।*
*এহি বুলি ৰাজা সৱে বলধ যোৰাই।*
*পঠাইলা পুস্তক সৱে আমাসাৰ ঠাই।।*
*ধনবস্ত্ৰ অলঙ্কাৰ দিলা বহুতৰ।*
*দাস দাসী দিয়া মন বঢ়াইল আমাৰ।।*

**ৰামসৰস্বতীৰ ৰচনাৱলীৰ ক্ৰম ঃ**

(ক) **মহাভাৰতৰ অনুবাদ ঃ** (১) আদি-পৰ্ব, (২) সভা-পৰ্ব (কিছু অংশ), (৩) বন-পৰ্ব, (৪) বিৰাট-পৰ্ব (কীচক বধ পৰ্যন্ত), (৫) উদ্যোগ-পৰ্ব, (৬) ভীষ্ম-পৰ্ব (অধিকাংশ), (৭) দ্ৰোণ-পৰ্ব (গোপীনাথ পাঠকৰ সহযোগত), (৮) কৰ্ণ-পৰ্ব (বিদ্যা পঞ্চাননৰ সহায়ত), (৯) গদা-পৰ্ব, (১০) শান্তি-পৰ্ব (সাবিত্ৰী আখ্যান)।

(খ) **মহাভাৰতৰ বাহিৰে অন্য কাব্যৰ অনুবাদ ঃ** (১) *গীতগোবিন্দ* (জয়দেৱৰ *গীত-গোবিন্দ* কাব্যৰ বিষয়বস্তুৰ লগত ভাগৱত-পুৰাণৰ কথাবস্তুৰ সংমিশ্ৰণ)।

(গ) **বধকাব্য ঃ** (১) *পুষ্পহৰণ-পৰ্ব*, (২) *মণিচন্দ্ৰঘোষ-পৰ্ব*, (৩) *বিজয়-পৰ্ব*, (৪) *যজ্ঞ-পৰ্ব*, (৫) *কুলাচল-বধ*, (৬) *বঘাসুৰ-বধ*, (৭) *কালকুঞ্জ শোষক-বধ*, (৮) *কালজঙ্ঘহ-বধ*, (৯) *খটাসুৰবধ*, (১০) *অশ্বকৰ্ণ-বধ*, (১১) *জঙ্ঘাসুৰ-বধ*, (১২) *সিন্ধুযাত্ৰা*, (১৩) *ভোজকুট-বধ*, (১৭) *বিহঙ্গম-মোক্ষ*, (১৫) *মহিষদানৱ-বধ*, (১৬) *সুধন্বা-বধ*, (১৭) ভীমচৰিত ইত্যাদি।

(খ) মহাভাৰতৰ কথাবস্তুৰ লগত সম্পৰ্কযুক্ত সুকীয়া কাব্য : (১) পাঞ্চালী বিবাহ, (২) তীৰ্থযাত্ৰা-পৰ্ব, (৩) ব্যঞ্জন-পৰ্ব, (৪) ব্যাসাশ্ৰম, (৫) সাৱিত্ৰী উপাখ্যান, (৬) স্ত্ৰীপৰ্ব।

ইয়াৰ বাহিৰেও ৰামসৰস্বতীৰ নামত *লক্ষ্মণৰ শক্তিশেল, তাম্ৰধ্বজৰ যুদ্ধ, ব্যাধ চৰিত্ৰ, লক্ষ্মী চৰিত্ৰ* আদি পুথি দেখা যায়। ৰামসৰস্বতীৰ লোকপ্ৰিয়তাৰ বাবেই পিছৰ কালৰ বহুতো লেখক তেওঁলোকৰ ৰচনা ৰামসৰস্বতীৰ নামত চলাইছিল বুলি ধাৰণা কৰা হয়।

মহাভাৰতৰ 'আদিপৰ্ব' ৰামসৰস্বতীৰ প্ৰথম ৰচনা আৰু *সাৱিত্ৰী-উপাখ্যান* তেওঁৰ অন্ত্য ৰচনা। ইয়াৰ ভিতৰতে তেওঁ বিভিন্ন পুথি ৰচনা কৰে। ৰামসৰস্বতীৰ পদ ৰচনাৰ বিশালতালৈ লক্ষ্য কৰি তেওঁক 'অসমীয়া বেদব্যাস' আখ্যা দিয়া হয়। তেওঁ এগৰাকী সুদক্ষ কথক যি গৰাকীয়ে পদত কথা বা কাহিনী ক'ব জানে।

মহাভাৰতীয় ৰচনাত ৰামসৰস্বতীক কংসাৰি কবি, তেওঁৰ পুত্ৰ গোপীনাথ পাঠক, বিদ্যাপঞ্চানন আদি কবিসকলে সহায় কৰিছিল। ৰামসৰস্বতীয়ে মহাভাৰতৰ বিভিন্ন পৰ্ব অনুবাদৰ প্ৰসংগত গ্ৰহণ কৰা অনুবাদ ৰীতিৰ আভাস এনেদৰে দিছে—

*সংক্ষেপ অৰ্থক ধৰি কহিলো নিশ্চয়।*
*বাহুল্য কৰিলে কথা অনেক আছয়।*

অনুবাদৰ ক্ষেত্ৰত কবিয়ে লোক জীৱনৰ ৰুচি-অভিৰুচিৰ ফালে সচেতন হৈ স্থানীয় ৰহন অৰ্থাৎ লোক সাংস্কৃতিক সমল সংযোজন কৰি অসমীয়া মহাভাৰতক লোক মহাকাব্যৰ ৰূপ দিবলৈ চেষ্টা কৰিছে। দ্বিতীয়তে, মূলত নোহোৱা উপ-কাহিনীও কবিয়ে অনুবাদত সংমিশ্ৰণ কৰিছে। তৃতীয়তে, মহাভাৰতৰ অনুবাদত আমাৰ কবিয়ে উৎসাহেৰে ভাগৱতৰ সমল সংযোজন কৰিছে। কবিয়ে নিজেই কৈছে—

*মহাপুৰাণৰ কথা ইহাত আছয়।*
*ভাগৱত-শাস্ত্ৰ আৰো মিশ্ৰিত হোৱয়।।*

জয়দেৱৰ *গীত-গোবিন্দ* কাব্য অনুবাদৰ প্ৰসংগত ৰামসৰস্বতীয়ে ভাগৱতৰ ৰাস পঞ্চাধ্যায়ৰ সমল সংমিশ্ৰণ কৰিছে।

**বধকাব্য :** ৰামসৰস্বতীৰ এটি বিশেষ কৃতি হৈছে বধকাব্য সৃষ্টি। বধকাব্যসমূহৰ উদ্দেশ্য আৰু লক্ষ্য হৈছে অন্যায়, অশান্তি আৰু আসুৰিক শক্তিৰ প্ৰতিনিধি, অপৰাজেয় দৈত্য-দানৱৰ মৃত্যু প্ৰদৰ্শন কৰা। সেইবাবে এই কাব্যৰাজিক বধকাব্য বোলে। বধকাব্যৰ উদ্দেশ্য জগতত শান্তি প্ৰতিষ্ঠা কৰা। আসুৰিক শক্তিৰ বিপৰীতে বৈষ্ণব-সজ্জনৰ বিজয় ঘোষণা বধকাব্যৰাজিৰ অন্যতম লক্ষ্য হোৱা হেতু এই জাতীয় সাহিত্যক জয়কাব্য বুলিব পাৰি। পাণ্ডৱসকলৰ বনবাসৰ কালত বধকাব্যৰ কথাবস্তু পল্লবিত হোৱা হেতু এই গ্ৰন্থসমূহৰ আন এটা নাম বনপৰ্ব। পাণ্ডৱসকলক

সর্ব বিপদত ৰক্ষা কৰিছিল ভগৱন্ত কৃষ্ণই। সেইবাবে এইবিধ কাব্যৰ নাম ভক্তিকাব্য বা কৃষ্ণায়ন কাব্য। ব্ৰহ্মাৰ বৰেৰে অবধ্য খটাসুৰে পঞ্চপাণ্ডৱক বধ কৰি দ্ৰৌপদীক ধৰিবলৈ আগবাঢ়ি গ'ল। উপায়ন্তৰ হৈ দ্ৰৌপদীয়ে একান্ত শৰণ পৰিতুষ্ট কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। কৃষ্ণৰ নিৰ্দেশত দ্ৰৌপদীয়ে হাতৰ খাৰুৰে প্ৰহাৰ কৰি ত্ৰিলোকবিজয়ী অজেয় বীৰ খটাসুৰক বধ কৰে। অশ্বকৰ্ণ-বধত বৰাহৰূপী বিষ্ণুৰপৰা অস্ত্ৰ-শস্ত্ৰ লাভ কৰি ভীমাৰ্জুনে অশ্বকৰ্ণক বধ কৰিছে। বধকাব্যত শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা হৈছে।

বধকাব্যসমূহ বিশুদ্ধ কাব্য। এইবিধ সাহিত্যক একাধাৰে ধৰ্মগ্ৰন্থ, কাব্য, উপন্যাস, গীত আৰু নাটক আখ্যা দিব পাৰি।

### ৩.৫.৫ কংসাৰি কায়স্থ

বৈষ্ণৱ কবি কংসাৰি কায়স্থ ৰামসৰস্বতীৰ সমসাময়িক প্ৰাপ্ত তথ্য অনুযায়ী তেওঁ গোপালৰ সেৱক যশচন্দ্ৰ খাঁৰ বংশৰ লোক আছিল। শ্ৰীমন্ত গাভৰু খাঁৰ আজ্ঞামতে কংসাৰিয়ে *মহাভাৰতৰ* পদ ৰচনা কৰে। তেওঁৰ কাব্যত পোৱা পৰিচয় অনুযায়ী মাধৱদেৱ পুৰুষৰ লগতো তেওঁ সাহিত্যচৰ্চা কৰিছিল। কবি ৰামসৰস্বতীয়ে এই গৰাকী কবিৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে—

*ৰামসৰস্বতী নাম নৃপতি দিলন্ত।*
*ভাৰতৰ পদ মোক কৰা বুলিলন্ত।।*
*কংসাৰি প্ৰমুখ্যে কবি আছে যত।*
*সি সবেয়ো পদচয় কৰিলা পাচত।। (খটাসুৰ বধ)*

গতিকে অনুমান কৰিব পাৰি ৰামসৰস্বতীৰ দৰে এই কংসাৰি কবিয়েও নৰনাৰায়ণৰ দৰে ৰজাৰ ৰাজপৃষ্ঠপোষকতা লাভ কৰি *মহাভাৰতৰ* পদ ভঙাত আত্মনিয়োগ কৰিছিল।

তেওঁ *মহাভাৰতৰ* বনপৰ্বৰ অন্তৰ্গত কিৰাত কথা তথা বিৰাট পৰ্বৰ অন্তৰ্গত উত্তৰ *গোগ্ৰাহ* আৰু *দক্ষিণ গোগ্ৰাহৰ* পদ ভাঙিছিল। কিৰাত কথাৰ অন্তৰ্গত বিষয়সমূহ হ'ল ইন্দ্ৰৰ অধীনত স্বৰ্গত অৰ্জুনৰ অস্ত্ৰশিক্ষা আৰু নিবাত, কবচ কালকেয়ী, পুলোমা আদি দৈত্য বধ, কিৰাতবেশী শিৱক পৰাজিত কৰি পাশুপাত অস্ত্ৰ লাভ ইত্যাদি। ৰামসৰস্বতীৰ দৰেই এই গৰাকী কবিৰ পদেও লোকমনোৰঞ্জন কৰিব পাৰিছিল। কবিৰ ভাষা যদিও অনাড়ম্বৰ; তথাপি পাঠকক ই আকৰ্ষণ কৰিব পাৰে। কাহিনী-কলা ৰচনাত ৰামসৰস্বতীৰ দৰেই কংসাৰি কবিও আছিল বেছ

নিজহস্ত। কবিৰ বৈষ্ণৱীয় চিন্তা-চৰ্চাৰ প্ৰকাশ পদৰ মাজত স্পষ্ট। তেনে এফাঁকি পদ এনেধৰণৰ—

শ্ৰীজয়নমো কৃষ্ণদেৱ জনাৰ্দন।
ভকতজনৰ প্ৰভু দুৰ্গতি তাৰণ।।
সহস্ৰেক বাৰোহো কৰো নমস্কাৰ।
দিয়োক সুমতি প্ৰভু কৰিবো পয়াৰ।।
(মহাভাৰত : ভীষ্মপৰ্ব)

কবিৰ বিৰাটপৰ্বৰ অন্তৰ্গত উত্তৰ গো-গ্ৰাহ আৰু দক্ষিণ গো-গ্ৰাহ খণ্ডৰ ভাঙনিও বেছ কবিত্বব্যঞ্জক। এই খণ্ড দুটিৰ বিষয় হিচাপে কৌৰৱৰ দ্বাৰা বিৰাটৰজাৰ ৰাজ্য আক্ৰমণ আৰু গো হৰণৰ প্ৰচেষ্টা, অৰ্জুনৰ দ্বাৰা কৌৰৱকুলক পৰাস্ত আৰু গো-উদ্ধাৰৰ ঘটনাংশে সন্নিবিষ্ট হৈছে। কবিয়ে ঘটনাবস্তুৰ সাৱলীল বৰ্ণনা আগবঢ়োৱাৰ উপৰিও যুদ্ধৰ কথাবিলাক বৰ আগ্ৰহেৰে দাঙি ধৰিছে। কাব্যৰ ঘটনাবস্তুৰ আকৰ্ষণ বৃদ্ধিকাৰক এই যুদ্ধৰ বৰ্ণনাৰ অংশ বিশেষ এনে ধৰণৰ—

কম্পিলা পৃথিৱীখন পাতাল পৰ্যন্তে।
ভৰে জীৱজন্তু বোলে মিলিল যুগান্তে।।
বানৰ ধ্বজ গোট তেজিলা আটাস।
শবদে পুৰিলা মহী গগন আকাশ।।
বীৰগণে কানাকানি কৰে জুমাজুমি।
মহাৰথীগণসবে কৰে মুণ্ডঘুসি।।
বজ্ৰঘোৰ সম শুনি ধনুৰ টংকাৰ।
মহাভয় লাগি গৈলা কৌৰৱী সেনাৰ।।

কবিৰ বৰ্ণনাই এই কথাই প্ৰমাণ কৰে যে লোকভাষা, লোকশব্দ আদি প্ৰয়োগত তেওঁ বিশেষ প্ৰতিভাসম্পন্ন কবি আছিল। তদুপৰি কবি ৰামসৰস্বতীৰ পৰম্পৰাৰে মহাভাৰতৰ ভাঙনিত এই গৰাকী কবিয়ে জনচিত্ত বিনোদনৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিছিল। সেয়ে ক'ব পাৰি মহাভাৰতৰ পদ ভাঙনিত অন্যান্য কবিকুলৰ লগতে কংসাৰি কবিও এজন লেখৰ কবি তথা সামাজিকভাৱে দায়বদ্ধ ৰসিক স্ৰষ্টা আছিল।

### ৩.৫.৬ সাৰ্বভৌম ভট্টাচাৰ্য্য

গুৰুচৰিত কথাত উল্লেখ থকা মতে সাৰ্বভৌম ভট্টাচাৰ্য্য শঙ্কৰদেৱৰ সমসাময়িক কবি। অৱশ্যে অন্যান্য চৰিত পুথিত কবিগৰাকীৰ বিশেষ উল্লেখ নাই যদিও কুৰুক্ষেত্ৰখণ্ডত কবিয়ে নিজ পৰিচয় এনেদৰে দাঙি ধৰিছে—

*সাৰ্বভৌম ভট্টাচাৰ্য্য জোতিয়ত সাৰ।*

*দেৱী উপাসক আছিলোহো দুৰাচাৰ।।*

কবিয়ে শঙ্কৰদেৱৰ লগত বাদ কৰা, বাদত পৰাজিত হৈ কাশীলৈ শাস্ত্ৰ অধ্যয়ন কৰিবলৈ যোৱা ইত্যাদি আন ভালেমান কথাৰো উল্লেখ তেওঁৰ পৰিচয়ত পোৱা গৈছে। কবিৰ দ্বাৰা ৰচিত *ক্ষুদ্ৰস্বৰ্গখণ্ড* আৰু *বৰস্বৰ্গখণ্ড* পুথি দুখন বৰ্তমান উদ্ধাৰ হৈছে। *ক্ষুদ্ৰস্বৰ্গখণ্ডৰ* মূল *পদ্মপুৰাণ*। ২৯০ টা পদত ৰচিত এই সৰু পুথিখন শঙ্কৰদেৱৰ বন্দনাৰে আৰম্ভ হৈছে। কলিযুগত নামধৰ্ম বিনে গতি নাই— ইয়াক প্ৰকাশ কৰাৰ লগতে শঙ্কৰদেৱক সাক্ষাৎ ভগৱানৰ অৱতাৰ বুলি দেখুৱাব বিচৰা এই খণ্ডপুথিত কবিয়ে *পদ্মপুৰাণৰ স্বৰ্গখণ্ড, ব্ৰহ্মবৈৱৰ্তপুৰাণ, যোগিনীতন্ত্ৰ, সাত্বত তন্ত্ৰ, দীপিকাচন্দ্ৰ, স্বৰোদয় বশিষ্ঠ-সংহিতা, অগস্তি সংহিতা, বিষ্ণুধৰ্মোত্তৰ* আদি গ্ৰন্থৰো উদ্ধৃতি দাঙি ধৰিছে।

আনহাতে কবিৰ *বৰস্বৰ্গখণ্ড* বা *বৃহৎস্বৰ্গখণ্ডৰ* মূল *ব্ৰহ্মবৈৱৰ্তপুৰাণ*। এই খণ্ডটোত ব্ৰহ্মাণ্ডৰ সপ্ত-আৱৰণৰ লগতে পৃথিৱীৰ ওপৰত থকা শাল্মলু কনকদণ্ড, ব্ৰহ্মবিলাস, অম্বৰুবিলাস, বিচিত্ৰবিলাস, পঙ্কজবিলাস আৰু গোলোক এই সপ্ত বৈকুণ্ঠৰ বৰ্ণনা দিয়া হৈছে। গোলোক বৈকুণ্ঠ ধামত শ্ৰীমতী ৰাধাই শ্ৰীকৃষ্ণৰ অবিবাহিত প্ৰেমিকাৰ ৰূপত ধৰা দিয়াতো পুথিখনত মনকৰিবলগীয়া কথা। সৰু স্বৰ্গখণ্ডৰ দৰেই এই বৰ বা *বৃহৎ স্বৰ্গখণ্ডতো* কবিয়ে ঘোষণা কৰিবলৈ পাহৰা নাই যে কলিযুগত শ্ৰীমন্ত শঙ্কৰদেৱেই ভগৱান পূৰ্ণকৃষ্ণ অৱতাৰ। কবিৰ এই ঘোষণাই নিজকে বৈষ্ণৱ বুলি পৰিচয় দিয়াৰ লগতে পুথি দুখনকো বৈষ্ণৱ সাহিত্যৰূপে স্বীকৃতি প্ৰদান কৰিছে।

### ৩.৫.৭ শ্ৰীধৰ কন্দলি

*কাণখোৱা* আৰু *ধুনুচা কীৰ্ত্তনৰ* স্ৰষ্টাৰূপে পৰিচিত শ্ৰীধৰ কন্দলি অসমীয়া বৈষ্ণৱ সাহিত্যত এটি জনপ্ৰিয় নাম। কোনো কোনোৱে কন্দলিক শঙ্কৰদেৱৰ সমসাময়িক বুলি ক'ব বিচাৰে যদিও তুলনামূলক বিচাৰত তেওঁ শঙ্কৰদেৱতকৈ পাছৰ যেন ধাৰণা হয়। *কাণখোৱা* কাব্যৰে অসমীয়া জনজীৱনত আদৰ-সন্মান লাভ কৰা কবিগৰাকীৰ অনুপম ৰচনাশৈলী সহজ-সৰল আৰু মনোৰম প্ৰকাশ নিঃসন্দেহে জনবিনোদক। অসমীয়া শিশু সাহিত্যত কবিৰ এই ৰচনা চিৰ নতুন হৈ জিলিকি থাকিব। *কাণখোৱা* কেৱল শিশু সাহিত্যই নহয়, ই সংগীত হিচাপেও গুৰুত্বপূৰ্ণ। *কাণখোৱাৰ* বিষয়বস্তু অনুসৰি এদিনাখন মাতৃ যশোদাই শিশু কৃষ্ণক শুৱাবলৈ গৈ নিচুকনিৰ ছলেৰে কাণখোৱাৰ কথা গাবলৈ ধৰিলে—

*ঘুমুটি যায়োৰে অৰে কানাই*

*হুৰে কাণখোৱা আসে*

*সকল শিশুৰ কাণ খাই খাই*

*আসয় তোমাৰ পাশে।।*

কাণখোৱাৰ কথা শুনি ভয়তে বিহ্বল হোৱা যেন দেখুৱাই শিশু কৃষ্ণই মাকক কাণখোৱাৰ বিষয়ে সুধি যশোদাক ব্যতিব্যস্ত কৰিছে। পুত্ৰ কৃষ্ণৰ কথাত কাণখোৱাৰ পৰিচয় দিব নোৱাৰি মাক যশোদাৰ মুখৰ মাত হেৰাল।

*কাণখোৱা* কবিতাৰ দ্বিতীয় অংশত মাতৃ যশোদাই গৰু চৰাবৰ কাৰণে শিশু কৃষ্ণক জগাবলৈ যোৱা প্ৰাণস্পৰ্শী বৰ্ণনা আছে। যশোদাই অমৃত মধুৰ মাতেৰে মাতিছে—

উঠিও কৃষ্ণাই হাৰলি বোপাই
বোৰ তাপ ত্যাজি মনে।
পুহাইল ৰজনী উঠা যদুমণি
বুলি ডাকে শিশুগণে।।

যশোদাৰ মাতৰ উত্তৰ স্বৰূপে কৃষ্ণই নিজৰ আচল সত্তাৰ পৰিচয় দি কৈছে—

মই নাৰায়ণ জগত কাৰণ
তুমি গোৱালৰ জীব
তথাপি তোমাক দেখন্তে ডৰত
উৰি যায় মোৰ জীৱ।।

সহজ-সৰল দুলড়ি ছন্দত ৰচিত *কাণখোৱা* কাব্যৰ মাজেৰে চিৰন্তন শিশু আৰু মাতৃৰ ৰূপ ধৰা পৰে। শিশুক নিচুকোৱাৰ ছলেৰে বিষ্ণুভক্তিত অৱগাহন কৰোৱা এই কাব্য অকল শিশু সাহিত্য হিচাপেই নহয়, এক অনুপম ভক্তি সাহিত্য হিচাপেও অসমীয়া সাহিত্যত সদায় স্বীকৃত হৈ ৰ'ব।

*কাণখোৱাৰ* পিছতে শ্ৰীধৰ কন্দলিৰ অন্য এক পদ ৰচনা *ঘুনুচা কীৰ্তন*। মুঠ ১৭৭ পদেৰে ৰচিত *ঘুনুচা কীৰ্তন* খণ্ডক শঙ্কৰদেৱৰ *কীৰ্তন-ঘোষাৰ* মাজতো স্থান দিয়া হৈছে। স্কন্দপুৰাণৰ উৎকলখণ্ডই *ঘুনুচা কীৰ্তনৰ* মূল বুলি ধাৰণা কৰা হৈছে; কাৰণ উৎকলখণ্ডতো গুণ্ডিচাযাত্ৰা আৰু গুণ্ডিচাৰ আখ্যান ভাগ পোৱা গৈছে। শ্ৰীকৃষ্ণই ইন্দ্ৰদ্যুম্নৰ ৰূপৱতী কন্যা ঘুনুচাৰ ঘৰলৈ যোৱাত লক্ষ্মীৰ ঈৰ্ষা-খং-অভিমান ওপজা আদি কথাই পুথিখনত মুখ্য স্থান পাইছে। লোকজীৱনৰ নাৰী-পুৰুষৰ মাজত থকা মানৱীয় ঈৰ্ষা-অসূয়াৰ প্ৰতিফলন ঘটা বাবেই *ঘুনুচা কীৰ্তনৰ* পদে সৰ্বসাধাৰণক আকৰ্ষণ আজিও কৰে। শ্ৰীধৰ কন্দলিৰ ভণিতাযুক্ত কানাই খেমেলীয়া বা *ৰাধাহৰণ* পুথিতো কৃষ্ণৰ চাতুৰীৰ উল্লেখ আছে। শ্ৰীকৃষ্ণই খিলা খেলি চাতুৰীৰে ৰাধাৰ গালৈ খিলা মাৰি তেওঁক চুৰুণী পাতি বেয়াকৈ লটি-ঘটি কৰাৰ বিৱৰণ এই সৰু পুথিখনৰ মূল উপজীব্য। পুথিখনৰ ভাষা তলখাপৰ হোৱাৰে চাই কোনো কোনোৱে ইয়াক কাণখোৱাৰ কবি শ্ৰীধৰ কন্দলিৰ ৰচনা নহয় বুলিও ক'ব বিচাৰে।

### ৩.৫.৮ ৰত্নাকৰ কন্দলি

শ্ৰীধৰ কন্দলিৰ দৰেই *কীৰ্ত্তন-ঘোষা*ত 'সহস্ৰ-নাম-বৃত্তান্ত' অধ্যায়ৰে পৰিচয় লাভ কৰা ৰত্নাকৰ কন্দলিও এগৰাকী বিশিষ্ট বৈষ্ণৱ কবি তথা পদ ৰচক। ৰত্নাকৰ কন্দলিক কবি শেখৰ বা দ্বিজ কবিশেখৰ নামেৰেও জনা যায়। শঙ্কৰদেৱ ধুৱাঁহাটত থকা কালতে ৰত্নাকৰ কন্দলিয়ে নিতৌ গীতা পাঠ কৰিছিল। সম্ভৱতঃ এই গৰাকী ৰত্নাকৰ কন্দলিয়েই *কীৰ্ত্তন-ঘোষা*ৰ অন্তৰ্গত 'সহস্ৰ-নাম-বৃত্তান্ত'ৰ ৰচয়িতা ৰত্নাকৰ কন্দলি হ'ব পাৰে। 'সহস্ৰ-নাম-বৃত্তান্ত' ৭৭ টা পদৰ সমষ্টি। পুথিখনৰ বিষয়বস্তু লোৱা হৈছে *পদ্ম-পুৰাণ*ৰ পৰা। ইয়াত হৰৰ দ্বাৰা হৰিৰ নাম মাহাত্ম্য ঘোষণা কৰা হৈছে। বিষয়বস্তু আৰু ৰচনাৰ প্ৰতি লক্ষ্য ৰাখি মাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰে শঙ্কৰদেৱৰ *কীৰ্ত্তন-ঘোষা*ৰ মাজতে এই খণ্ডটোক স্থান দিয়ে। উল্লেখনীয় যে কোনো কোনোৰ মতে এই গৰাকী কবিশেখৰ ৰত্নাকৰ কন্দলিৰ বাহিৰেও আন এগৰাকী ৰত্নাকৰ কন্দলিও আছিল বুলি উল্লেখ কৰিছে। এই গৰাকী ৰত্নাকৰ কন্দলি নৰনাৰায়ণ ৰজাৰ সভাকবি আছিল আৰু এওঁ জয়দেৱৰ *গীত গোবিন্দ*ৰ টীকা হিচাপে *সাৰ-দীপিকা* নামৰ পুথিখন ৰচনা কৰিছিল।

### ৩.৫.৯ ৰত্নাকৰ মিশ্ৰ

*ব্ৰহ্মগীতা* আৰু *গীতা কীৰ্ত্তন* পুথিৰ ৰচক ৰত্নাকৰ মিশ্ৰ। এই পুথি দুখন বিশেষকৈ *গীতা কীৰ্ত্তন*ৰ ৰচনা ৰীতি ৰত্নাকৰ কন্দলিৰ 'সহস্ৰ-নাম-বৃত্তান্ত'ৰ অনুৰূপ। *ব্ৰহ্মগীতা*ৰ মূল স্কন্দপুৰাণ। ইয়াৰ কথাবস্তুও ভগৱান শ্ৰীকৃষ্ণৰ মুখেৰেই ব্যক্ত কৰা হৈছে। অৰ্জুন আৰু কৃষ্ণৰ প্ৰশ্ন উত্তৰৰ মাধ্যমেৰেই বিষয়বস্তু আগবঢ়া ব্ৰহ্মগীতাৰ দুফাকিমান পদ এনে ধৰণৰ—

*অৰ্জুনে বোলন্ত শুনা প্ৰভু নাৰায়ণ।*
*নামৰ মহিমা তত্ত্ব কহিও কাৰণ।।*
*কিমত উত্তম নাম কিমত বিশ্বাস।*
*নমো যোগেশ্বৰ প্ৰভু কৰিও প্ৰকাশ।।*

নক'লেও হ'ব, ৰত্নাকৰ মিশ্ৰ ৰচিত এই *ব্ৰহ্মগীতা*ৰো মূল বক্তব্য হ'ল ব্ৰহ্মসত্য, জগৎ মিথ্যা— এই পৰম সত্য।

*ব্ৰহ্মগীতা*ৰ দৰেই *গীতা কীৰ্ত্তনো* তত্ত্বগধুৰ ৰচনা। কীৰ্ত্তন পদটোৱে পুথিখন যে প্ৰসংগৰ বাবে ৰচিত তাৰ উমান দিয়ে। *কীৰ্ত্তন-ঘোষা*ৰ দৰেই এই পুথিতো প্ৰতিটো অধ্যায় আৰম্ভ হৈছে একোটি ঘোষাৰে। উদাহৰণস্বৰূপে পুথিখনৰ দুফাকিমান পদ এনে ধৰণৰ—

(ক) ঘোষা ঃ পায়ে পৰো যদুদেৱ কহিও উপাই।
বিৰহ বেদনা দুখ সহন নযাই।।

পদ ঃ বহুতৰ লোকে যাক কৰে বহুমান।
তাহাৰ দুৰ্যশ যৱনত কৰি টান।।

(খ) ঘোষা ঃ ৰামহৰি সংসাৰ ভয় খণ্ডিয়ো কৰুণাময়
চৰণে শৰণ লৈলো বাপ।
তোমাৰ নুশুনি কথা বিষয় কৰিলো বেথা
হৃদয়ে নখণ্ডে সদাতাপ।।

পদ ঃ অৰ্জুনে বোলন্ত স্বামী তোমাৰ বাক্যত আমি
ভালমতে নুবুজিলো মৰ্ম।
জ্ঞান খৰ্গ ধৰি আতি মোহময় বান্ধ কাটি
পাছে কিয় আচৰিত ধৰ্ম।।

শঙ্কৰকালীন উল্লিখিত নববৈষ্ণৱ কবিসকলৰ উপৰি নাৰায়ণ দাস ঠাকুৰ, চান্দসাই বা চান্দখাঁ, দামোদৰদেৱ, হৰিদেৱ আদি বৈষ্ণৱ সন্ত-মহন্তসকলে ভালেমান ফকৰা-গীত-পদ আদি ৰচনা কৰে। বিশেষকৈ নাৰায়ণ দাসে ভকতীয়া ফকৰা ৰচনা কৰাৰ উপৰি গীত আৰু কবিতা ৰচনা কৰিছিল বুলি চৰিত পুথিৰপৰা জনা গৈছে। ঠাকুৰ আতা আগ বয়সত আছিল এগৰাকী ব্যৱসায়ী। পাছত তেওঁ ভাস্কৰ বিপ্ৰ নামৰ ভকতগৰাকীৰ মুখেৰে শঙ্কৰদেৱৰ মাহাত্ম্য শুনি বৰপেটাৰ চুণপোৰাত গৈ শঙ্কৰদেৱৰ ওচৰত তেওঁ শৰণ লৈ শিষ্যত্ব লাভ কৰে। নাৰায়ণ দাস ঠাকুৰ সাংসাৰিক আছিল যদিও গুৰুসেৱাৰ লগতে সাহিত্য চৰ্চাও অব্যাহত ৰাখিছিল।

নাৰায়ণদাস ঠাকুৰৰ দৰেই শঙ্কৰদেৱৰ একান্ত শিষ্য চান্দসাই বা চান্দখাঁ কৰ্মসূত্ৰে প্ৰথমে মুছলমান দৰ্জী আছিল। শঙ্কৰদেৱৰ ওচৰত শৰণ লোৱাৰ পাছত এওঁ গুৰুজনাৰ মাহাত্ম্যত মুগ্ধ হৈ সেৱাৰ লগতে গীত-পদ ৰচনাতো মনোনিৱেশ কৰে। চান্দসাইৰ নামত বিশেষ গীত-পদ পোৱা নাযায় যদিও যি দুই-চাৰিটা পোৱা গৈছে প্ৰায়কেইটাই ফকৰাধৰ্মী তথা দাৰ্শনিক ভাবাপন্ন। তেনে গীত এটিৰ অংশ বিশেষ এনেধৰণৰ—

কিনো গীত গাইলি চান্দৰে বনাই
কিনো গীত গাইলি চান্দে।
গতুৱা এন্দুৰৰ পাৰত পৰিয়া
বোন্দা মেকুৰীয়ে কান্দে।।

## ৩.৬ সাৰাংশ (Summing up)

প্ৰাক্ বৈষ্ণৱ যুগ আৰু উত্তৰ বৈষ্ণৱ যুগৰ মাজৰ সময়ছোৱাৰ নামেই নৱবৈষ্ণৱ যুগ বা ভক্তি সাহিত্যৰ যুগ। ভক্তি সৰ্বভাৰতীয় ব্যাপাৰ। দ্ৰাবিড় দেশত উৎপন্ন হোৱা ভক্তি আন্দোলনে সৌমাৰ, কামৰূপ, কমতাত প্ৰৱেশ কৰে শঙ্কৰদেৱৰ নেতৃত্বত। ভক্তিধৰ্ম প্ৰচাৰৰ বাবে শঙ্কৰদেৱে লোকসমাজত প্ৰচলিত পৰিৱেশ্যকলাৰ আধাৰত গীত-পদ, কাব্য-কবিতা, সংগীত-নাটক-অভিনয় আদিৰো সৃষ্টি কৰে। এই সময়ৰ আন এটি উল্লেখযোগ্য কৃতি হৈছে সত্ৰানুষ্ঠান স্থাপন— যাৰ জৰিয়তে ভক্তিধৰ্ম প্ৰচাৰত সন্ত-মহাজনসকলে সুবিধা লাভ কৰিছিল।

শঙ্কৰদেৱে ভক্তি ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে বিশেষভাৱে নিৰ্ভৰ কৰিছিল *শ্ৰীমদ্ভগৱতগীতা* আৰু *শ্ৰীমদ্ভাগৱত পুৰাণৰ* ওপৰত। কৃষ্ণ-ৰামৰ চৰিত্ৰৰ মাধ্যমেৰে বিশেষকৈ ৰাম বা কৃষ্ণক উপাস্য দেৱতাস্বৰূপে গীত-পদ, কাব্য-নাটক ৰচনা কৰিছিল। অসমৰ নৱবৈষ্ণৱ সাহিত্য আন আন ভক্তি সাহিত্যৰ দৰে আদৰ্শ প্ৰধান। এই আদৰ্শবিপৰা শঙ্কৰদেৱ বা তেওঁৰ অনুৱৰ্তীসকল আঁতৰি অহা নাই; যদি কোনো কবি-সাহিত্যিক আঁতৰি আহিছে তেওঁক সমালোচনা কৰা হৈছিল। ভক্ত-ভগৱন্তৰ মাজত মধুৰ সম্পৰ্ক স্থাপন কৰিবলৈ প্ৰয়াস কৰা হৈছিল— *ভাগৱত পুৰাণৰ* আদৰ্শ অনুসৰি। শঙ্কৰদেৱৰ *ৰুক্মিণীহৰণ কাব্য* আৰু *ৰুক্মিণীহৰণ নাটত* ৰুক্মিণীয়ে কৃষ্ণক লৌকিক দৃষ্টিভংগীৰে চোৱা নাই, চাইছে ভক্তিযুক্তদৃষ্টিৰে বা আধ্যাত্মিক দৃষ্টিৰে। ৰুক্মিণীৰ দৃষ্টিত কৃষ্ণ বা সীতাৰ দৃষ্টিত ৰাম সাধাৰণ নায়ক নহয়, সাক্ষাত ঈশ্বৰ বা ব্ৰহ্ম।

শঙ্কৰদেৱৰ এই আদৰ্শবাদৰ অনুসৰণ কৰিয়ে মাধৱদেৱ, অনন্ত কন্দলি, ৰামসৰস্বতী, শ্ৰীধৰ কন্দলি, ৰত্নাকৰ কন্দলি আদি কবি-সাহিত্যিকে কাব্য-সাহিত্য ৰচনা কৰিছে।

নৱবৈষ্ণৱ সাহিত্য আদৰ্শ প্ৰধান হ'লেও বিশিষ্ট সাহিত্য স্বৰূপে এইবিধ সাহিত্যৰ মূল্য অনস্বীকাৰ্য। সাহিত্য সাহিত্যৰ বাবে নহয়— সমাজৰ বাবে, সমাজৰ মংগল সাধনেই প্ৰকৃত সাহিত্যৰ ধৰ্ম। নৱবৈষ্ণৱ সাহিত্যই অসমৰ সৰ্বজনক সামাজিক, সাংস্কৃতিক বাৰ্তা প্ৰদান কৰি আহিছে— সেইবাবে শঙ্কৰী সাহিত্য বা নৱবৈষ্ণৱ সাহিত্যক জাতীয় সাহিত্য আখ্যা দিব পাৰি। ড° বাণীকান্ত কাকতিৰ মতে নৱবৈষ্ণৱ কবি শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি আৰু ৰামসৰস্বতী প্ৰথম শ্ৰেণীৰ কবি। তেওঁলোকৰ সাহিত্যত আছে এক উদাৰ প্ৰভা।

## ৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। শঙ্কৰী যুগ আৰু নৱবৈষ্ণৱ যুগৰ মাজত থকা মিল আৰু অমিলবোৰ দেখুৱাই দিয়ক।

২। ভক্তি সাহিত্য কাক বোলে? অসমীয়া ভক্তি সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ ৰচনা কৰক।

৩। শঙ্কৰদেৱৰ কাব্য-সাহিত্যৰ বিষয়ে এটি সমীক্ষামূলক আলোচনা আগবঢ়াওক।

৪। শঙ্কৰদেৱৰ নাটৰ বিষয়ে এটি আলোচনা লেখক।

৫। শঙ্কৰদেৱৰ 'কীৰ্ত্তন-ঘোষা' আৰু 'ভক্তি-প্ৰদীপ' এই দুখনি গ্ৰন্থৰ এটি সমীক্ষামূলক আলোচনা লেখক।

৬। মাধৱদেৱ আৰু শঙ্কৰদেৱৰ বৰগীতৰ মাজত তুলনা কৰক।

৭। শঙ্কৰদেৱৰ বৰগীতৰ পৰমাৰ্থ বিচাৰ শীৰ্ষক এটি আলোচনা কৰক।

৮। 'বৰগীত'ৰ প্ৰধান বৈশিষ্ট্যবোৰ কি কি? আন গীতৰ সৈতে বৰগীতৰ কি কি বিষয়ত অমিল দেখা যায়— বহলাই আলোচনা কৰক।

৯। মাধৱদেৱৰ আত্মলঘিমা— এই সন্দৰ্ভত এটি বিশ্লেষণশীল আলোচনা আগবঢ়াওক।

১০। মাধৱদেৱৰ ৰচনাৰ বাৎসল্য ভাবৰ বিষয়ে বহলাই আলোচনা কৰক।

১১। মাধৱদেৱৰ 'ৰাজসূয় কাব্য' আৰু শঙ্কৰদেৱৰ 'কুৰুক্ষেত্ৰ' কাব্যৰ মাজত তুলনা কৰক।

১২। অনন্ত কন্দলিৰ পৰিচয় দি তেওঁৰ সাহিত্যকৰ্ম সম্বন্ধে এটি আলোচনা আগবঢ়াওক।

১৩। অসমীয়া প্ৰণয়কাব্য সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

১৪। নৱবৈষ্ণৱ সাহিত্যত অনন্ত কন্দলিৰ স্থান নিৰ্ণয় কৰক।

১৫। মাধৱ কন্দলি আৰু অনন্ত কন্দলিৰ ৰামায়ণ— এই সন্দৰ্ভত এটি বিশ্লেষণশীল প্ৰবন্ধ লিখক।

১৬। ৰামসৰস্বতীক অসমৰ ব্যাসদেৱ বুলি কি কাৰণে কোৱা হয়? ৰামসৰস্বতীক বিখ্যাত কথক ৰূপে আলোচনা কৰক।

১৭। ৰাজকীয় পৃষ্ঠপোষকতাত অসমৰ নৱবৈষ্ণৱ সাহিত্য শীৰ্ষক এটি আলোচনা আগবঢ়াওক।

১৮। ৰামসৰস্বতীৰ বধকাব্যসমূহৰ বিষয়বস্তু, ৰূপ, গাঁথনি আৰু উদ্দেশ্য সম্পৰ্কে আলোচনা কৰক।

১৯। ৰামসৰস্বতীৰ বধকাব্যসমূহক আজিকালিৰ গল্প, উপন্যাস, নাটক বুলিব পাৰি বুলি কি কাৰণে কোৱা হৈছে যুক্তিসহ আলোচনা কৰক।

২০। শ্ৰীধৰ কন্দলিৰ সাহিত্য-প্ৰতিভাৰ আভাস দিয়ক।

২১। ৰত্নাকৰ কন্দলি কোন? তেওঁৰ ৰচনাৱলীৰ বিষয়ে আলোচনা কৰক।

২২। চমু টোকা লিখক :

ভক্তি-প্ৰদীপ, গুণমালা, ঝুমুৰা, নাটকীয় ভটিমা, গুৰু ভটিমা, টোটয়, নামমালিকা, কান্তিমালাটীকা, দাস্যভাব, সীতাৰ পাতাল প্ৰৱেশ নাট, বৃত্ৰাসুৰ বধ, ৰত্নপাঠক, কবিভীমসেন চূড়ামণি, গীত-গোবিন্দ, কাণখোৱা।

## ৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


উপেন্দ্ৰনাথ লেখাৰু (সম্পা.) : *কথা গুৰুচৰিত*
কালিৰাম মেধি (সম্পা.) : *অংকাৱলী*
ডিম্বেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ বুৰঞ্জী*
তীৰ্থনাথ শৰ্মা : *পঞ্চপুষ্প*
(—) : *ভক্তিবাদ*
নবীন চন্দ্ৰ শৰ্মা : *পুৰণি অসমীয়া সাহিত্যৰ সুবাস*
(—) : *পুৰণি অসমীয়া সাহিত্যৰ সৌৰভ*
প্ৰবীণ চন্দ্ৰ দাস : *অসমীয়া ভাষা আৰু সাহিত্যৰ কথা*
মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*
(—) : *শ্ৰীশ্ৰীশঙ্কৰদেৱ*
(—) : *কীৰ্ত্তন-ঘোষা আৰু নামঘোষা*
বাণীকান্ত কাকতি : *পুৰণি অসমীয়া সাহিত্য*
বিৰিঞ্চিকুমাৰ বৰুৱা : *অসমীয়া কথাসাহিত্য*
ৰামচৰণ ঠাকুৰ : *শ্ৰীশঙ্কৰ চৰিত*
সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া নাট্য সাহিত্য*
(—) : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*
(—) : *পুৰণি সাহিত্যৰ অধ্যয়ন*
হৰিনাৰায়ণ দত্তবৰুৱা (সম্পা.) : *শ্ৰীশঙ্কৰবাক্যামৃত*
(—) : *অসমীয়া ৰামায়ণ*
(—) : *অসমীয়া মহাভাৰত*
(—) : *শ্ৰীমদ্ভাগৱত*
হেমচন্দ্ৰ গোস্বামী (সম্পা.) : *ভট্টদেৱৰ কথাগীতা*
Maheswar Neog : *Sankardeva and His Times*
S. N. Sarma : *The Neo-Vaisnavite Movement and the Sattra Institution of Assam*


●●●

# চতুৰ্থ বিভাগ

# পাঁচালী সাহিত্য

বিভাগৰ গঠন ঃ

৪.১ ভূমিকা (Introduction)

৪.২ উদ্দেশ্য (Objectives)

৪.৩ পাঞ্চালী-পাঁচালী সাহিত্য

৪.৪ মহাকাব্যিয় পাঁচালী সাহিত্য

৪.৪.১ দুৰ্গাবৰ কায়স্থ

৪.৪.২ পীতাম্বৰ কবি

৪.৫ মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য

৪.৫.১ মনকৰ

৪.৫.২ দুৰ্গাবৰ

৪.৫.৩ সুকবি নাৰায়ণদেৱ

৪.৫.৪ ষষ্ঠীবৰ

৪.৬ বিবিধ বিষয়ক পাঁচালী সাহিত্য

৪.৭ সাৰাংশ (Summing up)

৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

৪.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Books)

## ৪.১ ভূমিকা (Introduction)

নৱবৈষ্ণৱ বা ভক্তি আন্দোলনৰ সময়ছোৱাৰ ভিতৰতে সামৰিব পৰা কেইগৰাকীমান অসমীয়া কবিৰ সাহিত্য-নিৰ্মিতিত নৱবৈষ্ণৱ আদৰ্শৰ পূৰ্ণ পৰিস্ফুৰণ দেখা নাযায়। স্বৰূপাৰ্থত এই কবি-সাহিত্যিক কেইগৰাকী নৱবৈষ্ণৱ ধৰ্ম বা ভক্তিধৰ্মৰ প্ৰভাৱৰপৰা সম্পূৰ্ণ মুক্ত। তেওঁলোকৰ সাহিত্যকৰ্মৰ বিষয়বস্তু, ৰচনাশৈলী, ৰূপ, গঠন, আদৰ্শ আদিতো নৱবৈষ্ণৱ সাহিত্যৰ প্ৰভাৱ মুঠেই লক্ষ্য কৰা নাযায়। নৱবৈষ্ণৱ অসমীয়া সাহিত্য আদৰ্শ প্ৰধান, আনহাতে অনাবৈষ্ণৱ কবি কেইগৰাকীৰ ৰচনাৰাজি লৌকিকতা প্ৰধান। নৱবৈষ্ণৱ কবিসকলৰ নিচিনাকৈ অনাবৈষ্ণৱ কবিসকলে কৃষ্ণক একমাত্ৰ ভজনীয় দেৱতা বুলি কোৱা নাই।

নৱবৈষ্ণৱ যুগৰ অনাবৈষ্ণৱ বা অবৈষ্ণৱ কবিসকলৰ ভিতৰত পীতাম্বৰ কবি, মনকৰ, দুৰ্গাবৰ, নাৰায়ণদেৱ আৰু ষষ্ঠীবৰ বিশেষভাৱে উল্লেখযোগ্য। এওঁলোকক পাঁচালী বা পাঞ্চালী কবি বোলে আৰু তেওঁলোকৰ সাহিত্যৰাজি পাঞ্চালী বা পাঁচালী সাহিত্য স্বৰূপেও জনাজাত।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- অসমীয়া অনাবৈষ্ণৱ কবিসকলৰ জীৱন আৰু সাহিত্য-কৰ্মৰাজিৰ বিষয়ে অৱগত হ'ব পাৰিব।
- পাঞ্চালী বা পাঁচালী সাহিত্যৰ বিষয়ে সাধাৰণ পৰিচয় লাভ কৰিব।
- অসমীয়া অনাবৈষ্ণৱ অথবা পাঁচালী সাহিত্যৰ ধাৰা (trend) আৰু নৱবৈষ্ণৱ সাহিত্যৰ মাজত থকা বৈপৰীত্য সম্বন্ধে পৰ্যালোচনা কৰিব পাৰিব।
- ধৰ্মনিৰপেক্ষ আৰু ধৰ্মসাপেক্ষ ৰচনাকৰ্মৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে অনুধাৱন কৰিব পাৰিব।

## ৪.৩ পাঞ্চালী-পাঁচালী সাহিত্য ঃ

পাঞ্চালী সংগীত শৈলী আৰু পাঞ্চালী সাহিত্য (পাঁচালী সাহিত্য) অতি প্ৰাচীন কালৰেপৰা মুখ পৰম্পৰাত প্ৰচলিত হৈ আহি মধ্যযুগীয় অসমীয়া আৰু বাংলা লিখিত সাহিত্য পৰম্পৰাত প্ৰৱেশ কৰিছে। বৰ্তমানলৈকে প্ৰাপ্ত প্ৰমাণৰ আধাৰত নিঃসন্দেহে ক'ব পাৰি যে খৃষ্টাব্দ ১৫ শ-১৬ শ শতিকাৰ অসমীয়া কবি মনকৰ, দুৰ্গাবৰ আদিৰ জৰিয়তে পাঞ্চালী সংগীত বা সাহিত্য পৰম্পৰাই লিখিত ৰূপ লাভ কৰে। মনকৰ, দুৰ্গাবৰ আদিয়ে তেওঁলোকৰ দ্বাৰা ৰচিত সাহিত্যক 'পাঁচালী' আখ্যা দিছে। যেনে—

*হাতে নজানো মই তাল মন্জিৰা*
*মুখে নজানো গীত।*
*পোএঁৱাৰ পাঞ্চালী মই যে নজানো*
*আপুনি দিয়োক চিত।।*

**দুৰ্গাবৰ ঃ**

*পেহলাইৰ পাঞ্চালি এহিমানে সমাপতি।*
*বিষহৰিক বন্দি দুৰ্গাবৰে নিগতি।।*

**পীতাম্বৰ ঃ**

*মোৰ দোষ মৰসিয়ো সভাসদ লোকে।*
*ৰচিবো পাঞ্চালি তাতে জত দোষ থাকে।।*

নাৰায়ণদেৱ ঃ

*সুকবি নাৰায়ণদেৱৰ সোৰস পাঞ্চালি।*

*বেউলাৰ চলন বুলি একয় লেচালি।।*

বিশেষ একশ্ৰেণী গীতক পাঞ্চালী বা পাঁচালী আখ্যা দিয়াৰ তাৎপৰ্য কি?

কোনো কোনো পণ্ডিতৰ মতে পাঞ্চালী বা পাঁচালী শব্দটো আহিছে সংস্কৃত পাঞ্চালিকা শব্দৰপৰা, ইয়াৰ অৰ্থ পুতলা। পুতলা-নাচৰ লগত জড়িত গীতেই 'পাঞ্চালী' বা 'পাঁচালী'। বিশেষকৈ লোকায়ত সমাজত এইবিধ পৰিবেশ্য কলাৰ সমাদৰ লক্ষ্য কৰা যায়। চণ্ডিকা পূজাৰ অনুষংগত পাঞ্চালিকা পদটোৰ উল্লেখ পোৱা যায় কালিকা-পুৰাণত। পুৰাণখনত উল্লেখ কৰা হৈছে যে শুক্ল পক্ষৰ পুষ্যা নক্ষত্ৰযুক্ত তৃতীয়া তিথিত চণ্ডিকা দেৱীক 'পাঞ্চালিকা বিহাৰ' আৰু শিশু কৌতুকেৰে উপাসনা কৰা বিধেয়। বৃহদ্ধৰ্ম-পুৰাণতো পাঞ্চালী গীতৰ উল্লেখ আছে। গতিকে 'পাঞ্চালী-গীত'ৰ পৰম্পৰা যে প্ৰাচীন কালৰেপৰা চলি আহিছে তাত সন্দেহ নাই।

কোনো পুৰাণ-কথা আবৃত্তি কৰাৰ প্ৰসংগত দৰ্শকৰ সুবিধাৰ বাবে অৰ্থাৎ দৃশ্য আৰু শ্ৰব্য দুয়োটা দিশৰ দাবী পূৰণ কৰিবৰ বাবে শ্ৰব্যৰ লগতে দৃশ্যৰ সমলো সংযোজিত হ'ব পাৰে। ইয়াৰ পৰিণতি স্বৰূপে পুৰাণ-কাহিনী আবৃত্তিৰ লগে লগে ইয়াৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি পুতলা নাচ অনুষ্ঠেয় কলা সাব্যস্ত কৰা হ'ল। এই পৰম্পৰাৰ সুযোগ্য ধাৰক আৰু বাহক হ'ল বৰ্তমানৰ ওজাপালি অনুষ্ঠান। ওজাপালি অনুষ্ঠানে বিশেষকৈ মনসা বা বিষহৰী-পূজাৰ লগত জড়িত। ওজাপালিয়ে মনসা বা বিষহৰী কথাবৃত্ত আবৃত্তি কৰাৰ লগে লগে কাহিনীভাগৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি নৃত্য আৰু অভিনয় প্ৰদৰ্শন কৰে; অৰ্থাৎ পুতলা-নাচৰ দৰে ধৰ্মীয় কৃত্যৰ লগত সম্পৃক্ত মিথ বা পুৰাণ-কথাক চাক্ষুষ বা দৃশ্যৰূপ প্ৰদান কৰে। পুতলা-নাচ পাঞ্চালিকা বিহাৰ নামেৰে পৰিচিত। গতিকে 'পাঞ্চালিকা বিহাৰ'ৰ লগত জড়িত পুৰাণ-কথাই 'পাঞ্চালী-গীত' স্বৰূপে কল্প সলালে। এইফালৰপৰা দেৱ-দেৱীৰ গুণকথা বা মহিমা প্ৰশংসা প্ৰাচীন কাহিনী বা পুৰাণ-কথাই যে পাঞ্চালী বা পাঁচালী গীত স্বৰূপে আত্মপ্ৰকাশ কৰিছে তাত সন্দেহ নাই।

ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে "পুতলা-নাচৰ সূত্ৰধাৰৰ আদৰ্শতে বোধকৰো কথক বা ওজাই কোনো পৌৰাণিক কাহিনীযুক্ত গীত বা বাক্য, নাচ-গান আৰু অংগী-ভংগীৰ যোগেদি সামাজিকৰ আগত ৰূপায়িত কৰিছিল কাৰণেই হয়তো সেই শ্ৰেণীৰ কাব্যই পাঁচালী নাম পালে।"

কোনো কোনো পণ্ডিতৰ মতে পঞ্চ বা পাঁচ অংগযুক্ত সংগীত শৈলীৰ

নাম পাঞ্চালী। পাঞ্চালী সংগীতৰ পঞ্চ অংগ এনেদৰে দেখুৱাব পাৰি— গান, সাজ, গীতৰ দ্বৈত অনুশীলন, গীত ৰচনা-ৰীতি আৰু নৃত্য। সুকীয়া আৰু সুনিৰ্দিষ্ট গায়ন পদ্ধতিৰ বাবেই এইবিধ সংগীত শৈলীক পাঞ্চালী বোলে। এই বাবেই আবৃত্তি কৰিব পৰাকৈ বা গাব পৰাকৈ ৰচনা কৰা গীত-পদক বংগদেশত পাঞ্চালী বা পাঁচালী বোলে। কৃত্তিবাসৰ *ৰামায়ণ* আৰু কাশীৰাম দাসৰ *মহাভাৰতক* এই বাবেই পাঁচালী আখ্যা দিয়া হৈছে।

ওজাপালি অনুষ্ঠানে গোৱা গীত-পদক অসমত পাঞ্চালী বা পাঁচালী বোলে। গতিকে কথক বা পালি অৰ্থাৎ ওজাপালি অনুষ্ঠেয় কলাই আবৃত্তি বা গাব পৰা পৰম্পৰাগত গীত-পদক পাঞ্চালী বা পাঁচালী বোলাই যুক্তিসংগত।

অসমীয়া পাঁচালী সাহিত্যক বিষয়বস্তুৰ ফালৰপৰা তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে—

(ক) মহাকাব্যিয় পাঁচালী সাহিত্য,

(খ) মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য আৰু

(গ) বিবিধ বিষয়ক পাঁচালী সাহিত্য।

### ৪.৪ মহাকাব্যিয় পাঁচালী-সাহিত্য

*মহাভাৰত*, *ৰামায়ণ* আৰু *পুৰাণৰ* বিষয়বস্তুৰ আধাৰত ৰচিত পাঁচালী সাহিত্যক মহাকাব্যিয় পাঁচালী আখ্যা দিব পাৰি। এই শ্ৰেণীৰ পাঁচালী সাহিত্যৰ উদাহৰণস্বৰূপে দুৰ্গাবৰ কায়স্থৰ *গীতি-ৰামায়ণ* আৰু পীতাম্বৰ কবিৰ *উষা-পৰিণয়* কাব্যলৈ আঙুলিয়াব পাৰি। ইয়াৰ বাহিৰেও গংগাদাস, সুবুদ্ধি ৰায়, ভবানী দাসৰ দ্বাৰা ৰচিত *অশ্বমেধ-পৰ্ব* নামৰ পুথিখনকো মহাকাব্যিয় পাঁচালী সাহিত্যৰ পৰিসৰত ধৰিব পাৰি।

### ৪.৪.১ দুৰ্গাবৰ কায়স্থ

মহাকাব্যিয় আৰু মনসা-বিষহৰী কথাবৃত্তৰ পৰম্পৰাক লিখিত ৰূপ দিবলৈ সফল প্ৰয়াস কৰা কবি দুৰ্গাবৰ মনকৰতকৈ বয়সত সৰু হ'লেও পীতাম্বৰ কবিতকৈ বয়সত ডাঙৰ। কবি মনকৰৰ নিচিনাকৈ দুৰ্গাবৰেও 'কোচ-কামাতা'ৰ নৃপতি বিশ্বসিংহৰ প্ৰশস্তি কীৰ্তন কৰিছে। গেইটৰ মতে বিশ্বসিংহই ৰাজপাটত আৰোহণ কৰে ১৫১৫ খৃষ্টাব্দ আৰু তেওঁৰ মৃত্যু হয় ১৫৪০ খৃষ্টাব্দত। গতিকে দুৰ্গাবৰ কবি যে এই সময়ছোৱাৰ ভিতৰতে উদ্ভৱ হৈছিল তাত সন্দেহ নাই। দুৰ্গাবৰে *মনসা-গীতৰ* বাহিৰেও *গীতি-ৰামায়ণ* নামৰ আন এখন পুথি ৰচনা কৰে। ৰচনাশৈলী,

সাংগীতিক পৰিপূৰ্ণতা আৰু ভাব-ভাষাৰ বৈশিষ্ট্যৰ ফালৰপৰা *মনসা-গীত*খন কবিৰ প্ৰথম ৰচনা আৰু *গীতি-ৰামায়ণ*খন তেওঁৰ দ্বিতীয় ৰচনা যেন লাগে।

দুৰ্গাবৰে কায়স্থ কুলত জন্ম লাভ কৰিছিল আৰু তেওঁৰ পিতাকৰ নাম চন্দ্ৰধৰ কায়স্থ বা চন্দ্ৰবৰ কায়স্থ। দুৰ্গাবৰৰ পৃষ্ঠপোষকৰ নাম বাহুবল শিক্‌দাৰ।

বিষয় বিশ্বাসীৰ মতে হাজো অঞ্চলত দুৰ্গাবৰ কায়স্থৰ জন্ম হৈছিল; কিন্তু নীলাচলত থাকিহে তেওঁ সাহিত্য-চৰ্চা কৰিছিল।

দুৰ্গাবৰে তেওঁৰ মনসা কথাবৃত্ত বিষয়ক পুথিখনিক কাব্য আখ্যা দিয়া নাই, গীত আখ্যাহে দিছে; যেনে—

(ক) কবি দুৰ্গাবৰে গীত কৰিলা ব্যাখ্যান।

(খ) কবি দুৰ্গাবৰ গীত অমূল।

দ্বিতীয়তে, দুৰ্গাবৰে তেওঁৰ সাহিত্য নিৰ্মিতি *মনসা-গীত*খনিক 'লাচাৰী'ও বুলিছে; যেনে—

*পদুমাই সুপ্ৰসন্নে কবি দুৰ্গাবৰে ভণে*

*সুৰস লাচাৰী বিতোপন।*

লাচাৰী বা লেচাৰী এবিধ ত্ৰিপদী ছন্দ। ত্ৰিপদী ছন্দত ৰচিত গীতক বুজাবৰ কাৰণে দুৰ্গাবৰে 'লাচাৰী' পদটো প্ৰয়োগ কৰিছে। সেই একেই অৰ্থতে সুকবি নাৰায়ণদেৱেও 'লাচাৰী' পদটো প্ৰয়োগ কৰা দেখা যায়। গীতৰ মাধ্যমেৰে সুসংবদ্ধ কাহিনী এটি ৰূপায়িত হোৱা *মনসা-গীত*খনিক কাব্য আখ্যা দিব পাৰি। দুৰ্গাবৰ সুগায়ক। পৰম্পৰাগত ভাৰতীয় শাস্ত্ৰীয় সংগীতত থকা তেওঁৰ পাৰদৰ্শিতাৰ পৰিচয় পোৱা যায় তেওঁৰ দুয়োখনি গীতৰ পুথিত সংযোজিত বিভিন্ন ৰাগ-ৰাগিণীবোৰৰ জৰিয়তে। পঞ্চ অংগ বিশিষ্ট 'পাঞ্চালী-গীত'ত ৰাগ-ৰাগিণীৰ প্ৰয়োগ অপৰিহাৰ্য অংগ। তেওঁৰ খণ্ডিত *মনসা-গীত*ত 'ৰামগিৰি', 'সুহাই' বা 'সুৰাই', 'ভাবিয়ালী' বা 'ভাটিয়ালী' আৰু 'পটমঞ্জৰী' ৰাগ-ৰাগিণীৰ উল্লেখ পোৱা যায়।

### *গীতি-ৰামায়ণ*

পাঞ্চালী-সংগীত শৈলীত ৰচিত দুৰ্গাবৰৰ *ৰামায়ণ*, দুৰ্গাবৰী বা দুৰ্গাবৰী *ৰামায়ণ* ৰূপেহে পৰিচিত। ১৮৩৭ শক অৰ্থাৎ ১৯১৫ খৃষ্টাব্দত হাজোৰ বিষয়চন্দ্ৰ বিশ্বাসীয়ে এই পুথিখন *দুৰ্গাবৰি* নামেৰে সম্পাদন কৰি ছপা কৰে। সম্পাদিত আৰু প্ৰকাশিত এই পুথিখনিৰ শেষত 'দুৰ্গাবৰি সমাপ্ত' বুলিহে উল্লেখ কৰা দেখা যায়। গতিকে *গীতি-ৰামায়ণ* আখ্যাটো যে সম্পাদক বিশ্বাসীয়ে দিছিল এই সন্দৰ্ভত বিশ্বাসীৰ মন্তব্য এটি প্ৰণিধানযোগ্য।

*বৰ্তমান পুথিখনিৰ নাম 'দুৰ্গাবৰি'। দুৰ্গাবৰ নামৰ জনৈক কবিৰ লিখা এই নিমিত্তে এই নামেই সৰ্বসাধাৰণৰ ওচৰত পৰিচিত। অন্য পক্ষত ইয়াক গীতি-ৰামায়ণহে বুলিব পাৰি, যিহেতু ইয়াৰ বৰ্ণিত বিষয়ৰ ৰচনা, ৰাগ আৰু পদত। এনেকুৱা কাব্য আমাৰ ভাষাত প্ৰায়ে বিৰল।*

বিষয় বিশ্বাসী সম্পাদিত '*দুৰ্গাবৰি*'ৰ আধাৰত ড° মহেশ্বৰ নেওগে এই পুথিখনৰ এটি সংস্কৰণ সম্পাদন কৰিছিল তেওঁৰ ভাষাত—

*সেই তাঙৰণ বিশ্বাসীৰ দ্বাৰা সংকলিত, সম্পাদিত, প্ৰকাশিত (গীতি-ৰামায়ন) আমাৰ বৰ্তমান এই সংস্কৰণৰো প্ৰধান অৱলম্বন।*

ওপৰত উল্লেখ কৰা দুয়োটা সংস্কৰণতে আদি আৰু অযোধ্যাকাণ্ড দুটি নাই। হাজোৰপৰা উদ্ধাৰ কৰা অযোধ্যা কাণ্ডটো সংযোজন কৰি ড° প্ৰবীণ চন্দ্ৰ দাসে *দুৰ্গাবৰী ৰামায়ণ* নামেৰে পুথিখন সংকলন আৰু সম্পাদনা কৰি ১৯৯৪ চনত প্ৰকাশ কৰে। পুথিখনৰ আদিকাণ্ড এতিয়াও উদ্ধাৰ হোৱা নাই।

'অৰণ্যকাণ্ড' দুৰ্গাবৰৰ মৌলিকতাৰ পৰিচায়ক। এই কাণ্ডটিৰ বিষয়বস্তুৱে *গীতিৰামায়ণৰ* আধাৰো বেছি পৰিসৰ সামৰিছে। অৰণ্যকাণ্ড কবিৰ মনোৰম কল্পনা, মৌলিক প্ৰতিভা, মুখ পৰম্পৰা প্ৰচলিত ৰামকথাৰ সংমিশ্ৰণ, বাল্মীকি, মাধৱ কন্দলিৰ বিষয়বস্তুৰ স্থিতি আদিৰ সমষ্টি। অনেক ক্ষেত্ৰত পৰিস্থিতি আৰু চৰিত্ৰ চিত্ৰণৰ প্ৰসংগত দুৰ্গাবৰে বাল্মীকি, মাধৱ কন্দলি পৰম্পৰাৰপৰা আঁতৰি স্বকীয় প্ৰতিভাৰ বিস্ময়কৰ সংযোজন ঘটাইছে। সীতাৰ দ্বাৰা দশৰথক বালিৰ পিণ্ডদান, ৰাম-সীতাৰ মায়া খেল, মায়া অযোধ্যাৰ সৃষ্টি আৰু মোট খেলাৰ বৰ্ণন, শূৰ্পনখাৰ প্ৰেমৰ বিষময় পৰিণতি, সীতাৰ বাবে ৰামৰ বিৰহ-বিকল অৱস্থা আৰু দুৰ্ভাৱনা, ৰাবণ আৰু মন্দোদৰীক সীতাৰদ্বাৰা পিতৃ-মাতৃৰূপে পৰিচয় প্ৰদান, চকৈচকোৱা আৰু বগুলাৰ অণুকথা, ৰামৰ প্ৰতি তাৰাৰ অভিশাপ আদি বিভিন্ন পৰিস্থিতি চিত্ৰণত দুৰ্গাবৰৰ সৃজনী শক্তি আৰু মৌলিকতাৰ পৰিচয় পোৱা যায়।

দুৰ্গাবৰৰ *গীতি-ৰামায়ণ* লৌকিকতাৰ আবেশ। ৰাম অৱতাৰী পুৰুষ হ'লেও তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্যত সাধাৰণ মানুহৰ ভাবহে প্ৰকাশ পাইছে। ড° বাণীকান্ত কাকতিয়ে সেইবাবে *গীতি-ৰামায়ণক* লৌকিকতাৰ আবেশ আৰু বাল্মীকি মহাকাব্যৰ গাঁৱলীয়া তাঙৰণ বুলিছে। প্ৰকৃতাৰ্থত *গীতি-ৰামায়ণক* মাধৱ কন্দলি *ৰামায়ণৰ* 'ওজা-পালি সংস্কৰণ' বুলিলেহে অধিক ৰজিতা খায়।

ৰাগ-ৰাগিণীৰ প্ৰয়োগ এই গ্ৰন্থখনৰ আন এটি বৈশিষ্ট্য। ওজা-পালিৰ গায়ন শৈলীৰ প্ৰতি লক্ষ্য ৰাখিয়েই ৰাগ-ৰাগিণীবাজি সংযোজন কৰা হৈছে। দুৰ্গাবৰে প্ৰয়োগ কৰা ৰাগ-ৰাগিণীসমূহৰ ভিতৰত অহিৰ, আকাশমণ্ডলি, কল্যাণ, গুঞ্জৰি, চালনি, দেৱজিনি, দেৱমোহন, ধনশ্ৰী বা ধনেশ্বৰি, পটমঞ্জৰি, বৰাৰি, বসন্ত, মালচি,

ৰামগিৰি, গান্ধাৰ, সুহই বা সুৱাই আদি উল্লেখযোগ্য।

দুৰ্গাবৰৰ প্ৰিয় ৰাগ 'করুণ অহিৰ'। *গীতিৰামায়ণ* গীত আৰু পয়াৰৰ (পদ) সমষ্টি। গীতবোৰ অনুভূতিসিক্ত আৰু পদ বা পয়াৰবোৰ বৰ্ণনাত্মক। দ্বিতীয়তে দুৰ্গাবৰৰ *গীতিৰামায়ণ* করুণ ৰসৰ মূৰ্তিমান প্ৰকাশ। অসমীয়া ৰামায়ণী পৰম্পৰাত দুৰ্গাবৰ কবিৰ স্থান বৈশিষ্ট্যপূৰ্ণ।

### ৪.৪.২ পীতাম্বৰ কবি

সময়ৰ দিশৰ ফালৰপৰা দুৰ্গাবৰৰ পিছতেই পীতাম্বৰ কবিৰ স্থান নিৰ্দেশ কৰিব লাগিব। দুৰ্গাবৰ আৰু মনকৰৰ দৰে পীতাম্বৰো বিশ্বসিংহৰ আমোলৰ কবি। তেওঁৰ ৰচনাত সন্নিৱেশিত বৰ্ণনাৰপৰা জনা যায় যে তেওঁ বিশ্বসিংহৰ পুত্ৰ সমৰসিংহ (সংগ্ৰাম সিংহ) অৰ্থাৎ নৰনাৰায়ণ নৃপতিৰ ভ্ৰাতৃ চিলাৰায়ৰ সমসাময়িক। গতিকে পীতাম্বৰ কবি, মনকৰ-দুৰ্গাবৰৰ পৰৱৰ্তী কবি হোৱাই স্বাভাৱিক। খাঁ চৌধুৰী আমানত উল্লা আহম্মদ আৰু ড° শশীভূষণ দাস গুপ্তৰ মতে নৃপতি নৰনাৰায়ণৰ সভা পণ্ডিত আৰু অষ্টাদশ স্মৃতি অৰ্থাৎ কৌমুদী প্ৰণেতা ৰাজগুৰু পণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীশেই কবি পীতাম্বৰ। সিদ্ধান্ত বাগীশ 'জগদ্‌গুৰু' ৰূপে নিয়োজিত হৈছিল। সিদ্ধান্ত বাগীশৰ বংশধৰ সূৰ্যদেৱ ভট্টাচাৰ্যই ঊনবিংশ শতাব্দীৰ মাজভাগত *গন্ধৰ্ব নাৰায়ণৰ বংশাৱলী* ৰচনা কৰে। এইখন বংশাৱলীৰ মতে শুক্লধ্বজ আৰু চিলাৰায়ে বিদ্যা বাগীশ আৰু সিদ্ধান্ত বাগীশ উপাধি-বিশিষ্ট দুগৰাকী পণ্ডিত গৌড় ৰাজ্যৰপৰা কমতা নগৰলৈ আনে। বিদ্যাবাগীশ উপাধি বিশিষ্ট পণ্ডিতগৰাকীয়েই পুৰুষোত্তম ভট্টাচাৰ্য্য আৰু সিদ্ধান্ত বাগীশ উপাধিধাৰী পণ্ডিতগৰাকীয়েই হ'ল পীতাম্বৰ ভট্টাচাৰ্য্য। *সমুদ্ৰ নাৰায়ণৰ বংশাৱলীৰ* মতে পীতাম্বৰ সিদ্ধান্ত বাগীশ আছিল প্ৰতাপ ভূঞাৰ গুৰু। চৰিত পুথিৰ মতে পীতাম্বৰ পশ্চিম গোৱালপাৰা (আজিকালি ধুবুৰী) অঞ্চলৰ অৰ্থাৎ কমতা অঞ্চলৰ কবি। তেওঁ যে ৰজা বিশ্বসিংহৰ পৃষ্ঠপোষকতাত কাব্যচৰ্চা কৰিছিল তাত সন্দেহ নাই।

পীতাম্বৰ কবি শঙ্কৰদেৱৰ সমসাময়িক। উজনিৰপৰা আহি বৰপেটা অঞ্চলত শঙ্কৰদেৱ থাকিবলৈ লোৱাৰ সময়তেই পীতাম্বৰে কবি হিচাপে প্ৰতিষ্ঠিত হৈছিল। এই ফালৰপৰা শঙ্কৰদেৱতকৈ পীতাম্বৰ বয়সত ডাঙৰ যেন লাগে।

#### পীতাম্বৰ কবিৰ ৰচনাৱলী

পীতাম্বৰ কবিৰ ৰচনাৱলীৰ ভিতৰত মাত্ৰ চাৰিখনহে পোহৰলৈ আহিছে। সেই কেইখন হ'ল— (ক) *মাৰ্কণ্ডেয় চণ্ডী*, (খ) *উষা-পৰিণয়*, (গ) *ভাগৱত দশম স্কন্ধ* আৰু (ঘ) *নল-দময়ন্তী।*

(ক) মাৰ্কণ্ডেয় চণ্ডী

*মাৰ্কণ্ডেয় চণ্ডী* মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত 'দেৱী মাহাত্ম্য'ৰ সৰস আৰু প্ৰাঞ্জল অনুবাদ। এই কাব্যখনেই পীতাম্বৰ কবিৰ আদ্য ৰচনা যেন লাগে; যিহেতু ইয়াত কোচ নৃপতি বিশ্বসিংহৰ নামোল্লেখ পোৱা যায়। তেওঁৰ আন কেইখন ৰচনাত বিশ্বসিংহৰ নাম পোৱা নাযায়, কেৱল সমৰ সিংহ অৰ্থাৎ শুক্লধ্বজৰ নামোল্লেখহে পোৱা যায়। বিশ্বসিংহৰ জীৱদ্দশাতেই যে পীতাম্বৰ কবিয়ে *মাৰ্কণ্ডেয়-চণ্ডী* ৰচনা কৰিছিল তাৰ স্পষ্ট আভাস তলৰ উক্তিটিৰপৰা পোৱা যায়—

*মহাৰাজ বিশ্বসিংহ কামতানগৰে।*
*তাৰ পুত্ৰ ভোগে তুল্য নহে পুৰন্দৰে।।*
*সৰ্বথাই চিত্তে চিত্তে ভৱানী-চৰণ।*
*গুণালয় সদয়হৃদয় অনুক্ষণ।।*
*একদিনা সভা মাঝে বসি যুৱৰাজ।*
*মনে আলোচিয়া যেন কহিলন্ত কাজ।।*
*পুৰাণাদি শাস্ত্ৰে যেহি ৰহস্য আছয়।*
*পণ্ডিতে বুজয় মাত্ৰ অন্যে নাবুঝয়।।*
*একাৰণে শ্লোক ভাঙ্গি সবে বুঝিবাৰ।*
*নিজদেশভাষাবন্ধে ৰচিয়ো পয়াৰ।।*
*বেদ পক্ষ বাণ আৰু শশাঙ্ক শকত।*
*আৰম্ভ কৰিলো মাৰ্কণ্ডেয় কথা যত।।*

উদ্ধৃতাংশৰপৰা সহজে বুজিব পাৰি যে পীতাম্বৰ কবিয়ে বিশ্বসিংহ জীয়াই থাকোঁতেই যুৱৰাজ সমৰ সিংহৰ অনুৰোধক্ৰমে *মাৰ্কণ্ডেয় চণ্ডী* ৰচনা কৰে।

*মাৰ্কণ্ডেয়-পুৰাণৰ* অন্তৰ্গত 'দেৱী মাহাত্ম্য' বা *শ্ৰীশ্ৰীচণ্ডী* ৰূপে পৰিচিত কাহিনী তিনিটি পীতাম্বৰ কবিয়ে পয়াৰ আৰু ত্ৰিপদী ছন্দত মুকলিভাৱে অনুবাদ কৰিছিল। ৰুচিনাথ কন্দলিৰ দৰে পীতাম্বৰৰ *মাৰ্কণ্ডেয়-পুৰাণ* দেৱী পৰম্পৰাৰ সংহতিত ৰূপ নহয়, অনুবাদহে। স্বৰূপাৰ্থত পীতাম্বৰ কবিয়েই অসমীয়া চণ্ডী সাহিত্যৰ পৰম্পৰা নিৰ্মাতা।

(খ) *উষা-পৰিণয় কাব্য*

*উষা-পৰিণয় কাব্য* পীতাম্বৰ কবিৰ দ্বিতীয় ৰচনা। কবিয়ে নিজেই উল্লেখ কৰিছে যে 'বাণযুক্ত বাণ বেদ শশাঙ্ক সময়' অৰ্থাৎ ১৪৫৫ শকত *উষা-পৰিণয় কাব্যৰ* ৰচনা কৰ্মৰ সামৰণি পৰে। এইকালৰ পৰা ১৪৫৫ শক অৰ্থাৎ ১৫৩৩ চনত এই কাব্যখন ৰচিত হয়। বিশ্বসিংহ তেওঁৰ পুত্ৰ নৰনাৰায়ণ অথবা সমৰসিংহ ওৰফে শুক্লধ্বজৰ নামোল্লেখ এই কাব্যখনত নোপোৱাৰ পৰা অনুমান কৰিব পাৰি যে ৰাজকীয় পৃষ্ঠপোষকতাৰপৰা দূৰত থাকিয়েই পীতাম্বৰে *উষা-পৰিণয় কাব্য* ৰচনা কৰে। অৱশ্যে এইটো ঠিক যে পীতাম্বৰ কবিয়ে সুৰপুৰী সদৃশ কামাতা নগৰত থাকিয়েই *উষা-পৰিণয় কাব্য* ৰচনা কৰিছিল।

পীতাম্বৰ কবিয়ে *উষা-পৰিণয়ক* কাব্য আখ্যা দিয়া নাই, গীতহে আখ্যা দিছে। যেনে— *উষা-পৰিণয় গীত ভৈলা সমাপতি*। এই গ্ৰন্থখনত প্ৰায় ৩৭ টা গীত সন্নিবেশিত হৈছে আৰু এই গীতবোৰ অভ্ৰান্তভাৱে বিভিন্ন ৰাগ-ৰাগিণীযুক্ত। ১৪ টা ৰাগ-ৰাগিণীত ৩৭ টা গীত ৰচিত হৈছে।

দ্বিতীয়তে, *উষা-পৰিণয়ত* সন্নিবেশিত গীতবোৰে পাঞ্চালী গীতৰ দাবীও পূৰণ কৰিছে। সেইকাৰণে পীতাম্বৰে *উষা-পৰিণয়* কাব্যক পাঞ্চালী আখ্যা দিছে।

*উষা-পৰিণয়* গীত হিচাপেই প্ৰসিদ্ধ কাব্য। *হৰিবংশৰ* 'বিষ্ণু পৰ্ব'ৰ অন্তৰ্গত ১১৬ শ অধ্যায়ৰ পৰা ১২৮শ অধ্যায় পৰ্যন্ত বিষয়বস্তুৰ আধাৰত *উষা-পৰিণয়ৰ* কাহিনীভাগ পল্লবিত হৈছে। পীতাম্বৰ কবিয়ে *হৰিবংশৰ* বিষয়বস্তুৰ ৰূপৰেখা অব্যাহত ৰাখি দুই-এটা পৰিস্থিতি ৰচনা কৰিছে আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ ভিতৰত (ক) কামসেনা যক্ষিণীৰ কাৰ্যাৱলী, (খ) অনিৰুদ্ধৰ সন্ন্যাস গ্ৰহণ আৰু পিতামহ কৃষ্ণৰ দ্বাৰা প্ৰবোধ বাক্য প্ৰদান আৰু (গ) কোকীলা দাসীৰ কাৰ্যাৱলী উল্লেখযোগ্য।

ইয়াৰ বাহিৰেও মূল *হৰিবংশৰ* বিষয়বস্তু অনুবাদ কৰাৰ প্ৰসংগত নায়িকা উষাৰ ৰূপ, সৌন্দৰ্য, বসন্তকাল আৰু নব-যৌৱনৰ প্ৰভাৱত উষাৰ হৃদয়ত জাগি উঠা মদন-বিকাৰ, হৰ-পাৰ্বতীৰ অনংগ কেলি, উষা-অনিৰুদ্ধৰ স্বপ্ন দৰ্শন আৰু অনংগ বিকাৰ, তামসী বিদ্যাৰ ফলত চিত্ৰলেখাৰ দ্বাৰকা প্ৰৱেশ, তামসী বিদ্যাৰ প্ৰভাৱত অনিৰুদ্ধৰ দেহৰক্ষীসকলৰ অৱস্থা, হৰি-হৰৰ বাক্‌যুদ্ধ আদিৰ বৰ্ণনাত পীতাম্বৰ কবিয়ে স্বাধীনতা লৈছে।

সেইদৰে চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰতো আমাৰ কবি মূলৰপৰা কিছু আঁতৰি আহিছে। *হৰিবংশত* বাণ কেন্দ্ৰীয় চৰিত্ৰ; কিন্তু *উষা-পৰিণয়ত* বাণে কেন্দ্ৰীয় চৰিত্ৰৰ ভূমিকা গ্ৰহণ কৰিব পৰা নাই। বাণৰ চৰিত্ৰত ট্ৰেজিক নায়কৰ বৈশিষ্ট্য বৰ্তমান। কবিয়ে

চিত্ৰলেখাক সখী গতাপ্ৰাণা ৰূপত অংকন কৰিছে। উষা চৰিত্ৰ সৃষ্টিত কবিয়ে গুৰুত্ব প্ৰদান কৰিছে যদিও কাব্যৰ শেষৰ ফালে যুদ্ধ আৰু সংঘৰ্ষৰ মাজত তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য নিস্তেজ হৈ পৰিছে।

*উষা-পৰিণয়*ত কাব্যৰ সংহতি ৰক্ষিত হোৱা নাই। "হৰিবংশত উষাৰ কাহিনীত যেনেকৈ মেৰপাক খোৱা ভাব আছে পীতাম্বৰৰ কল্পনাই সকলোকে সমানভাৱে সামৰিবৰ চেষ্টা কৰি যজ্ঞভুক অগ্নিৰদৰে ৰোগগ্ৰস্ত হৈ পৰিছে।"

পৰিণয় কাব্যৰ পৰম্পৰা ৰচনাত পীতাম্বৰ কবিৰ *উষা-পৰিণয়* কাব্যৰ ভূমিকা অনন্য।

### (গ) ভাগৱত-পুৰাণৰ দশমস্কন্ধ

পীতাম্বৰ কবিৰ তৃতীয় কৃতিৰূপে *ভাগৱত-পুৰাণ*ৰ অন্তৰ্গত দশম স্কন্ধলৈ আঙুলিয়াব পাৰি। অৱশ্যে পুথিখনত ৰচনাৰ চন-তাৰিখ আদিৰ উল্লেখ পোৱা নাযায়। কিন্তু পুথিখনৰ আৰম্ভনিতে পীতাম্বৰ কবিয়ে কৃষ্ণ-ভক্তি ৰসিক শুক্লধ্বজ বা চিলাৰায়ৰ যশ-কীৰ্তন কৰিছে। আন এঠাইতো পীতাম্বৰ কবিয়ে শুক্লধ্বজক 'হৰিপদ পদ্মভৃংগ নাৰায়ণ ভকতি সুজান' আখ্যা দিয়া দেখা যায়।

পীতাম্বৰ কবি আছিল বিশিষ্ট কথক। কথকে মূলৰ লগত সংগতি ৰাখি মহাকাব্য-পুৰাণ আদিৰ কাহিনী বৰ্ণনা কৰাৰ নিচিনাকৈ পীতাম্বৰ কবিয়েও মূলৰ লগত যিমান পাৰি পাৰম্পৰ্য ৰক্ষা কৰি *ভাগৱত-পুৰাণ*ৰ কাহিনীভাগ বৰ্ণহিছে। তেওঁৰ কাহিনী কথনভংগী আকৰ্ষণীয় আৰু কবিত্বময়।

চৰিত-পুথিৰ মতে পীতাম্বৰৰ দ্বাৰা অনূদিত পদ শুনি শঙ্কৰদেৱে তেওঁক ভৎসনা কৰিছিল। অৱশ্যে শঙ্কৰদেৱৰ এই ভৎসনা বা পৰ্যবেক্ষণত পীতাম্বৰ কবিৰ কবিতাৰ শৈল্পিক ৰূপায়ণ বা কলাত্মক সৌন্দৰ্য অথবা আংগিকৰ বিচাৰ-বিশ্লেষণ নাই সঁচা, শঙ্কৰদেৱৰ ধৰ্মীয় আদৰ্শৰ তুলাচনীৰে জুখিহে এই বিচাৰ-বিশ্লেষণ কৰা হৈছে। গতিকে শঙ্কৰদেৱৰ এই সমালোচনা শৈল্পিক মূল্য বিনিময়ৰ নিদৰ্শন বিহীন সমালোচনা মাথোন।

### (ঘ) নল-দময়ন্তী

*নল-দময়ন্তী* পীতাম্বৰ কবিৰ চতুৰ্থ ৰচনা। 'ৰস-বাণ-বেদ-চন্দ্ৰ শকৰ প্ৰমাণে' অৰ্থাৎ ১৪৫৬ শকত, ১৫৩৪ খৃষ্টাব্দত তেওঁ এই কাব্যখন প্ৰণয়ন কৰে। এইফালৰ পৰা কোৱা উচিত হ'ব যে *দশমস্কন্ধ* ৰচনা কৰাৰ পূৰ্বেহি আৰু *উষা-পৰিণয়* কাব্য

ৰচনা কৰাৰ পিছতেই *নল-দময়ন্তী* কাব্যখন ৰচনা কৰে। উষা-পৰিণয়ৰ দৰে *নল-দময়ন্তী* পাঁচালী কাব্য অৰ্থাৎ গীত আৰু পদৰ সমষ্টি। কাব্যখনৰ ভাষা প্ৰবহশীল, স্পষ্ট আৰু আকৰ্ষণীয়। শংকৰী যুগৰ পূৰ্বে মাধৱ কন্দলিৰ পিছতেই পীতাম্বৰৰ স্থান নিৰ্দেশ কৰিব লাগিব। পীতাম্বৰ কবি আছিল একেধাৰে সুপণ্ডিত, প্ৰতিভাশালী কবি, বিশিষ্ট সংগীতজ্ঞ আৰু অগ্ৰণী কথক।

## ৪.৫ মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য

### ৪.৫.১ মনকৰ

মনকৰ মনসা বিষয়ক পাঁচালী সাহিত্যৰ পৰম্পৰা নিৰ্মাতা। তেওঁৰ দ্বাৰা বিৰচিত মনসা-কথা বৃত্তক তেওঁ 'মনসা কাব্য' আখ্যা দিয়া নাই, 'পদুমাইৰ গীত', 'পাঞ্চালি' আৰু 'শ্ৰাবনেৰ গিত' আখ্যাহে দিছে। প্ৰচলিত পৰম্পৰা অনুসৰি মনকৰে তেওঁৰ সাহিত্য নিৰ্মিতিৰ জৰিয়তে আত্ম পৰিচয় দিবলৈ যত্ন কৰিছে। ইয়াৰ পৰা জনা যায় যে তেওঁৰ মাকৰ নাম আছিল কালিন্দী— 'কালিন্দ্ৰী মাৱৰ গুণ সুজন নাযায়'। অৱশ্যে মনকৰে তেওঁৰ পিতাকৰ নাম ক'তো উল্লেখ কৰা নাই। ককাকৰ নামহে উল্লেখ কৰিছে— 'কামৰূপৰ কামাখ্যা বন্দো ঢেকেৰিয়াৰ নাতি'। ইয়াৰপৰা অনুমান কৰিব পাৰি যে তেওঁ প্ৰাচীন কামৰূপৰ লোক আছিল। কবিয়ে উল্লেখ কৰা 'ঢেকেৰিয়াৰ নাতি' বাক্যাংশৰ অৰ্থ অলপ খোকোজা লগা।

প্ৰকৃতাৰ্থত 'ঢেকেৰিয়া' পদটো 'ঢেক'ৰ (অৰ্থাৎ ৰাগ-ৰাগিণীৰ)পৰা আহিছে। মাৰৈ-পূজা কৰাসকল মাৰৈয়া ৰূপে পৰিচিত আৰু বংগদেশৰ আফগানবিলাকে তেওঁলোকৰ নাম দিলে 'ঢেকৰ' বা 'টিকিৰ'। আদিতে ৰাগ-পদ টানি দেও নমাব পৰা মানুহকহে 'টিকিৰ' বা 'ঢেকেৰী' বোলা হৈছিল। গতিকে আমি সহজে ক'ব পাৰোঁ যে যিজনে 'ঢেক' দিয়ে বা ৰাগ টানে অৰ্থাৎ ৰাগ-ৰাগিণী প্ৰয়োগ কৰি গীত-পদ গায় তেওঁক 'ঢেকেৰীয়া' বোলে। মনকৰ আছিল ওজা বা গীতাল। তেওঁৰ ককাক ওজা বা গীতাল আছিল বুলি অনুমান কৰিব পাৰি। সেইবাবে জনসমাজত তেওঁ 'ঢেকেৰীয়া' ৰূপে জনাজাত হৈছিল। গতিকে মনকৰেও নিজকে 'ঢেকেৰিআৰ নাতি' বুলিব পাৰে। আকৌ প্ৰাচীন কামৰূপত ঢেকৰ নামৰ পৰগনা এখন আছিল। এই পৰগনাৰ লোক আছিল কাৰণেও মনকৰৰ ককাক 'ঢেকেৰীয়া' নামেৰে পৰিচিত হ'ব পাৰে।

কালিৰাম মেধি, ভাৰত চন্দ্ৰ দাস আদি পণ্ডিতৰ মতে খৃষ্টাব্দ দ্বাদশ-ত্ৰয়োদশ শতিকাত মনকৰৰ অভ্যুদয় হৈছিল। মনকৰে নিজেই এইদৰে কৈছে—

*কামতাইৰ ৰাজা বন্দো ৰাজা জল্লেশ্বৰ।*
*একশত মহিষী বন্দো অঠাৰ কুমৰ।।*

এই উক্তিটিৰপৰা সহজে অনুমান কৰিব পাৰি যে মনকৰ 'ৰাজা জল্লেশ্বৰ'ৰ ৰাজত্ব কালৰ লোক। সম্ভৱ মনকৰে বিশ্বসিংহকেই জল্লেশ্বৰ আৰু কামতাইৰ ৰাজা আখ্যা দিছে। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে মনকৰ আৰু দুৰ্গাবৰ এই সময়ছোৱাৰ কবি। অৰ্থাৎ ১৫৪০ খৃষ্টাব্দৰ ভিতৰত তেওঁলোকৰ উদ্ভৱ হৈছিল। দ্বিতীয়তে, মনকৰ আৰু দুৰ্গাবৰ যে পুৰণি পশ্চিম অসম অৰ্থাৎ কোচ-কমতা অঞ্চলৰ লোক আছিল তাৰ পূৰ্ণ পৰিচয় পোৱা যায় কবি দুগৰাকীৰ সাহিত্য নিৰ্মিতিৰাজিত প্ৰতিফলিত জীৱন সমাজ আৰু সংস্কৃতিৰ প্ৰত্যক্ষ বাহক ভাষাৰ সংযোগত।

মনকৰে *মনসা-গীত* ৰচনা কৰিলেও হৰ-গৌৰী, হৰ, গৌৰী, সৰস্বতী আৰু পঞ্চদেৱতাৰ প্ৰতি শ্ৰদ্ধা ভক্তি নিবেদন কৰিছে। আনকি তেওঁ লৌহিত্য অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ প্ৰতিও শ্ৰদ্ধাভক্তি নিবেদন কৰিবলৈ পাহৰা নাই। বুদ্ধদেৱৰ প্ৰতি কবিয়ে আনুগত্য প্ৰকাশ কৰা নাই যদিও বুদ্ধৰূপৰ উল্লেখ কিন্তু তেওঁৰ ৰচনাত পোৱা যায়। কৃষ্ণ-কথাবৃত্তত সঘনে উল্লেখ থকা 'বৃন্দাবন', 'কদমতলা', 'দ্বাৰকাপুৰী', আদিৰ প্ৰয়োগো মনকৰৰ ৰচনাকৰ্মত পোৱা যায়। মনকৰৰ দ্বাৰা ৰচিত সম্পূৰ্ণ *মনসা কাব্য* ইমানদিনে ছপা হোৱা নাছিল। পুথিখনৰ খণ্ডিত ৰূপ এটাহে প্ৰকাশ হৈছিল। মনকৰৰ ৰচনাৰ লগত দুৰ্গাবৰৰ *মনসা কাব্য*ৰো খণ্ডিত ৰূপ এটা একত্ৰভাৱে সম্পাদন কৰি ড° বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাই প্ৰকাশ কৰিছিল। উল্লেখযোগ্য যে কামাখ্যাধামৰ একাধিক পৰিয়ালৰ লগতে বামুণ গুৱালকুছিতো মনকৰ আৰু দুৰ্গাবৰ ৰচিত মনসাৰ পাঁচালী গীতৰ সম্পূৰ্ণ ৰূপৰ প্ৰতিলিপি সংৰক্ষিত হৈ আছিছে। সম্প্ৰতি মনকৰ আৰু দুৰ্গাবৰ ৰচিত পুথিৰ সংৰক্ষিত হাতেলিখা প্ৰতিলিপিৰ সম্পূৰ্ণ ৰূপটো ড° প্ৰবীণ চন্দ্ৰ দাসে *মনসা কাব্য* (মনকৰ আৰু দুৰ্গাবৰ ৰচিত পোৱাৰ পাঁচালী) সম্পাদনা কৰি উলিয়াইছে। মনকৰে মনসা-কথাবৃত্তৰ পৰিধিয়ে সামৰা তলত দিয়া বিষয়বোৰৰ বৰ্ণনা পৰিবেশন কৰিছে। যেনে— সৰস্বতী বন্দনা, গুৰু বন্দনা, মনসা পূজাৰ লগত জড়িত মণ্ডপ, ঘট, মাৰৈয়া, মাৰৈয়ানী, বৰতী, চামৰ, চন্দ্ৰতাপ আদিৰ জাগৰণ, সৃষ্টিপাতন, দেৱ-দেৱীসকলৰ জন্ম, পদ্মা আৰু পদ্মা পূজাৰ সময় আৰু প্ৰয়োজনীয় সামগ্ৰী, দুৰ্গাৰ জন্ম, হৰ-পাৰ্বতীৰ বিবাদ, পদ্মাৰ জন্ম, মনসাক দেখি শিৱৰ কাম মোহ, পিতা-পুত্ৰীৰ পৰিচয় ইত্যাদি।

মনকৰৰ পুথিখনত চান্দো সদাগৰ বা বেউলা-লখিন্দৰৰ সম্পৰ্কীয় কোনো ধৰণৰ বৰ্ণনা পোৱা নাযায়। কবিয়ে যে এই কাহিনী দুটা ৰচিছিল বা ৰচিবলৈ পৰিকল্পনা কৰিছিল তাৰ আভাস তলৰ উক্তিটিৰপৰা বুজিব পাৰি—

*মায়াক ডংকিয়া ভৈলা মনসাই।*

*কাঙ্কেৰ মেড়ত পশি ডংকিবো লখাই।।*

মনকৰ স্বভাৱ কবি। তেওঁৰ গীতৰ স্বাভাৱিকতাৰ প্ৰাধান্য লক্ষ্য কৰা যায়। সংস্কৃত পৰম্পৰা অনুসন্ধানকাৰী কবিৰ ৰচনাৰ দৰে মনকৰৰ গীতত গুৰু-গম্ভীৰ ভাবা, অলংকাৰৰ প্ৰাচুৰ্য আৰু শৈলীৰ অযথা জটিলতা নাই। লোককাব্যৰ শৈলী, বৈশিষ্ট্য, অকৃত্ৰিমতা আৰু প্ৰবহশীলতা মনকৰৰ ৰচনাৰ অন্যতম বৈশিষ্ট্য।

*মনসা-গীত*ৰ গীতসমূহৰ সাংগীতিক বৈশিষ্ট্য অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যেৰে 'দিহা' বা 'ধ্ৰুপদ'ৰ শেষত ৰে, তা-নাহাৰে আদি সাংগীতিক গুণযুক্ত শব্দৰূপ (wordform) প্ৰয়োগ কৰা হৈছে। মনকৰৰ ৰচনাত মহাকাব্য বা পুৰাণ সদৃশ বিস্তৃতি নাই, আছে কাব্য সদৃশ ঘটনা সংহতি।

### ৪.৫.২ দুৰ্গাবৰ

**(পৰিচয়মূলক টোকা ইতিমধ্যে দিয়া হৈছে)**

'পদুমাইৰ দাস' দুৰ্গাবৰে ব্ৰহ্মাণীৰ (পদ্মাৰ) 'চৰণ বন্দি' মনসাগীত ৰচনা কৰিছে যদিও আন দেৱ-দেৱীৰ প্ৰতি তেওঁ শ্ৰদ্ধা-ভক্তি নিবেদন কৰিবলৈ পাহৰা নাই। গ্ৰন্থৰ আৰম্ভণিতে তেওঁ গণেশ, ভাৰ্যাৰে সৈতে আদিত্য, বৈকুণ্ঠনাথ দেৱ নাৰায়ণ, পঞ্চানন শিৱ, গৌৰী, লক্ষ্মী, সৰস্বতী, ব্ৰহ্মা, ব্ৰহ্মাণী, লোকপাল ইন্দ্ৰ আৰু তেওঁৰ পত্নী শচী, দশ দিশপাল আদিৰ প্ৰতি প্ৰণিপাত জনাইছে। ধৰ্মীয় মতবাদৰ ক্ষেত্ৰত যে কবি দুৰ্গাবৰ উদাৰ আছিল তাৰ পৰিচয় ইয়াৰপৰা পাব পাৰি।

দুৰ্গাবৰৰ *মনসা গীত* পুথিখনিক একপ্ৰকাৰে মনকৰৰ *মনসা গীত*ৰ পৰিপূৰক বুলিব পাৰি। মনসা কথাবৃত্তৰ প্ৰধান তিনিটা উপ-সংযুক্তি হৈছে— সৃষ্টিখণ্ড, চন্দ্ৰধৰৰ কাহিনী আৰু বেউলা-লখিন্দৰৰ আখ্যান। মনকৰৰ 'গীত'ত সৃষ্টিখণ্ডৰ বৰ্ণনা পোৱা যায়; কিন্তু বাকী কাহিনী দুটা পোৱা নাযায়। আনহাতে দুৰ্গাবৰৰ *মনসা-গীত*ত সৃষ্টি খণ্ডৰ বৰ্ণনা সন্নিবেশিত হোৱা নাই; কিন্তু বাকী কাহিনী দুটাৰ বৰ্ণনা পৰিদৃষ্ট হয়।

দুৰ্গাবৰৰ *মনসা গীত*ত দেৱ-দেৱী আৰু গুৰু-বন্দনা, চম্পালী নগৰৰ অধিপতি চান্দো সদাগৰ আৰু তেওঁৰ পত্নী সোনেকাৰ পৰিচয়, পুত্ৰহীনা সোনেকাৰ আক্ষেপ, ওজা ধন্বন্তৰিৰ নিৰ্দেশমতে সোনেকাৰ দ্বাৰা গংগা উপাসনা আৰু গংগাৰ কৃপাত সোনেকাৰ ছয়পুত্ৰ লাভ, ছয়পুত্ৰৰ বিবাহ, মনসাৰ সৈতে চান্দোৰ বিৰোধ, চান্দোৰ ওপৰত প্ৰতিশোধ ল'বলৈ মনসাৰ ভীষণ প্ৰতিজ্ঞা, মনসাৰ দ্বাৰা চান্দোৰ ছয়পুত্ৰ নিধন, মনসাৰ কোপত চান্দোৰ বাৰ ডিঙা জলত

নিমগ্ন, বেউলাৰ সৈতে লখিন্দৰৰ বিবাহ, মেৰঘৰত পুত্ৰ আৰু পুত্ৰবধূক স্থাপন, মনসাৰ অজগৰৰ দ্বাৰা লখিন্দৰক দংশন আৰু বেউলাৰ দ্বাৰা অজগৰক বন্দীকৰণ, মৃত পতিসহ বেউলাৰ দেৱলোকৰ উদ্দেশ্যে যাত্ৰা, নেতাৰ লগত বেউলাৰ পৰিচয়, নেতাৰ মধ্যস্থতাত মনসা আৰু বেউলাৰ মিলন, স্বামী অজগৰৰ জীৱন ৰক্ষা কৰিবৰ বাবে পদ্মাৰ দ্বাৰা বেউলাৰ মৃত স্বামী লখিন্দৰক পুনৰ্জীৱন দান আৰু ছয়জন ভাই শহৰেকৰ পুনৰ্জীৱন, জলনিমগ্ন ডিঙা উত্তোলন, স্বামী, ভাই শহৰেক আৰু বাৰডিঙাৰ সৈতে বেউলাৰ চম্পালী বা চম্পক নগৰ অভিমুখে যাত্ৰা আৰু চম্পক নগৰত আনন্দময় পৰিবেশ আদিৰ বৰ্ণনা পোৱা যায়।

কাহিনী বৰ্ণন, চৰিত্ৰ সৃষ্টি, পৰিবেশ ৰচনা আৰু উপস্থাপন শৈলীত দুৰ্গাবৰৰ নৈপুণ্য বিস্ময়কৰ। চন্দ্ৰধৰৰ চৰিত্ৰ অনমনীয়তাৰ নিদৰ্শন। মাতৃত্ব সোনেকা চৰিত্ৰৰ অন্যতম আকৰ্ষণ। পবিত্ৰতা, সাহসিকতা, সাধুতা, দৃঢ়তা, সতীত্ব আদি বিৰল গুণেৰে বেউলা চৰিত্ৰটি চিৰ ভাস্বৰ। লখিন্দৰ চৰিত্ৰত তাৎপৰ্যপূৰ্ণ ভূমিকা লক্ষ্য কৰা নাযায়। মনসাৰ চৰিত্ৰত প্ৰতিহিংসা পৰায়ণতাৰ ভাব স্পষ্ট।

মনকৰৰ ভাষাতকৈ দুৰ্গাবৰৰ ভাষা তুলনামূলকভাৱে অধিক ঘৰুৱা। *গীতি ৰামায়ণৰ* দৰে *মনসা-গীতৰ* করুণ ৰসসিক্ত গীতসমূহ মৰ্মস্পৰ্শী। দুৰ্গাবৰৰ শৃংগাৰ-ৰস-বৰ্ণন সুৰুচিপূৰ্ণ। তেওঁ *মনসা গীতত* মহাকাব্য বা পুৰাণৰ বিস্তৃতি নাই, আছে কাব্যৰ ঐক্য।

### ৪.৫.৩ সুকবি নাৰায়ণদেৱ

মুখ পৰম্পৰা প্ৰচলিত মনসা কথা-বৃত্তক মহাকাব্যিয় বা পুৰাণসন্মত ৰূপ প্ৰদানকাৰী সুকবি নাৰায়ণদেৱৰ স্থান-কাল লৈ নানা মুনিৰ নানা মত। কোনো কোনো পণ্ডিতৰ মতে নাৰায়ণদেৱৰ জন্ম হৈছিল মগধত অৰ্থাৎ বিহাৰত। শ্ৰীহট্ট জিলাত নাৰায়ণদেৱৰ জন্ম হৈছিল বুলিও জনশ্ৰুতি প্ৰচলিত থকা দেখা যায়। শ্ৰীহট্ট জিলা দুৰ্ভাগ্যজনক ভাৰত বিভাজনৰ পূৰ্বলৈকে অসমৰ চাৰিসীমাৰ ভিতৰতে আছিল। দীনেশ্বৰ শৰ্মাৰ মতে নাৰায়ণদেৱ আছিল ধৰ্ম নাৰায়ণৰ সভাকবি।

নাৰায়ণদেৱৰ জন্ম-স্থান-কাল, পৃষ্ঠপোষক আদিৰ বিষয়ে থাটাংকৈ কোৱা টান। বঙলা পণ্ডিত সুকুমাৰ সেনৰ মতে নাৰায়ণদেৱ ষোড়শ শতিকাৰ লোক। কোনো কোনো বঙালী পণ্ডিতৰ মতে খৃষ্টাব্দ দ্বাদশ-ত্ৰয়োদশ শতিকাত নাৰায়ণদেৱৰ উদ্ভৱ হৈছিল। কোনো কোনো অসমীয়া কবিৰ মতে নাৰায়ণদেৱ খৃষ্টাব্দ দ্বাদশ শতিকাৰ লোক। অৱশ্যে এইটো ঠিক যে নাৰায়ণদেৱৰ উদ্ভৱ মনকৰ আৰু দুৰ্গাবৰৰ পাছতহে। গতিকে নাৰায়ণদেৱৰ উদ্ভৱ খৃষ্টাব্দ ষোড়শ শতিকাৰ শেষভাগ বা খৃষ্টাব্দ সপ্তদশ শতিকাৰ আগভাগত হোৱাই স্বাভাৱিক।

আনহাতে নাৰায়ণদেৱক এক পৰম্পৰা বুলি ক'লেহে বজিতা খায় যেন লাগে। স্বৰূপাৰ্থত নাৰায়ণদেৱৰ পৰম্পৰা আৰম্ভ হৈছিল বিহাৰত; বংগদেশত ই পল্লবিত হ'বলৈ ধৰে আৰু পশ্চিম অসমৰ এই পৰম্পৰাই লাভ কৰে পূৰ্ণত্ব। বিহাৰত নাৰায়ণদেৱৰ গীতে লাভ কৰিছে বিহাৰী ৰূপ, বংগদেশত বঙলা আৰু অসমত অসমীয়া ৰূপ লাভ কৰিছে। আনকি গাতিৰাভাৰ বিষহৰী বা বৰমানী পৰম্পৰাতো নাৰায়ণদেৱৰ পৰম্পৰাই আংশিকভাৱে হ'লেও প্ৰৱেশ কৰিছে।

নাৰায়ণদেৱৰ ৰচনাৰ ভিতৰত সাম্প্ৰতিকলৈকে *পদ্মা-পুৰাণ* নামৰ গ্ৰন্থখনহে পোৱা গৈছে। পুৰাণখন সম্পূৰ্ণভাৱে বৰ্তমানলৈও ছপা হোৱা নাই।

***পদ্মা-পুৰাণ*ৰ বিষয়বস্তু**

*পদ্মা-পুৰাণ*ৰ বিষয়বস্তু সাধাৰণভাৱে তলত দিয়াৰ দৰে ভাগ কৰিব পাৰি। যেনে—

১। পূজাৰ লগত জড়িত প্ৰাৰ্থনামূলক বা বৰ্ণনামূলক গীত-পদ;

২। চন্দ্ৰধৰৰ কাহিনী;

৩। বেউলা-লখিন্দৰৰ কাহিনী;

৪। দেওধৰপদ বা দেওধনী নচোওৱা গীত আৰু

৫। সামৰণী গীত।

*পদ্মা-পুৰাণ*ৰ কথাবস্তুত কাব্যৰ সংহতি নাই; আছে মহাকাব্য বা পুৰাণৰ বিস্তৃতি। *পদ্মা-পুৰাণ* গীতৰ সমষ্টি। কবিয়ে নিজেই কৈছে—

(ক) মধুৰ কোমল গিত উদয় প্ৰকাশ।

(খ) পদ্মা-পুৰাণৰ গিত কৰিলা প্ৰকাশ।

(গ) সুকবি নাৰায়ণদেৱৰ মধুৰ সংগিত। ইত্যাদি

ওপৰত উল্লেখ কৰা উদ্ধৃতিসমূহৰপৰা সহজে বুজিব পাৰি যে *পদ্মাপুৰাণ* পাঞ্চালী-গীতৰ শৈলীত ৰচিত হৈছে। গীতবোৰৰ সাংগীতিক বৈশিষ্ট্য অব্যাহত ৰাখিবৰ বাবে প্ৰায়বোৰ দিহাৰ লগতে বিভিন্ন ৰাগ-ৰাগিণী বান্ধি দিয়া হৈছে আৰু সাংগীতিক লয়ৰ বাবে দিহা আৰু পদত সঘনে আৰে-হে, ভালহে-নাৰে-ৰে আদি শব্দাংশ বা শব্দ প্ৰয়োগ কৰা হৈছে। *পদ্মা-পুৰাণ*ত প্ৰয়োগ কৰা ৰাগ-ৰাগিণীসমূহৰ উল্লেখ এনেদৰে কৰিব পাৰি— শ্ৰী, ঝুলুনা, মল্লাৰ, ভৈৰৱী, মালগৰা, পটমঞ্জৰী, ধনশ্ৰী, ভাটিয়ালি, নাট, শ্ৰীবসন্ত, কৈবলু, তুড়বসন্ত, করুণা ভাটিয়ালি, কামন্দৰ, কেদাৰ, পাহাৰী, করুণা, কমোদ, অহিৰ, বৰাৰি, ৰামগিৰি, পাসজ, চই (চয়) ইত্যাদি। এই ৰাগ-ৰাগিণীসমূহৰ ভিতৰত প্ৰায়বিলাকেই সুকনানি বা সুকন্নানি আৰু ব্যাস ওজা-পালিৰ মাজত পৰম্পৰাগতভাৱে চলি আহিছে। পাঞ্চালী সংগীতৰ

ৰীতি অনুসৰি *পদ্মা-পুৰাণত* সন্নিবিষ্ট আটাইবোৰ গীতেই দিহা বিশিষ্ট। দিহাবোৰৰ বিষয়বস্তুত বৈষ্ণৱ আৰু নববৈষ্ণৱ আদৰ্শৰ প্ৰভাৱ সুস্পষ্ট। 'সুকবি নাৰায়ণ দেৱ নিগদতি' বাক্যটোৰ প্ৰতিটো শব্দৰ আদ্য অক্ষৰৰ সমষ্টিয়েই সুকনানি।

*পদ্মা-পুৰাণ* মনসা বা পদ্মাদেৱীৰ মাহাত্ম্য আৰু গৌৰৱ প্ৰকাশক গ্ৰন্থ। সেইকালৰপৰা গ্ৰন্থখনত সৰ্প-দেৱী মনসাৰ সাৰ্বভৌমত্ব প্ৰকাশত অত্যধিক গুৰুত্ব দিব লাগিছিল; কিন্তু আন আন দেৱ-দেৱীৰ মাহাত্ম্য বৰ্ণনাতো গুৰুত্ব নিদিয়াকৈ থকা নাই। *পদ্মা-পুৰাণ* বৈদিক, পৌৰাণিক, লৌকিক আৰু গ্ৰাম্য দেৱ-দেৱীৰ এক তাৎপৰ্যপূৰ্ণ সংশ্লেষণ মাধ্যেন। তেনেদৰে বৈদিক-পৌৰাণিক আৰু লৌকিক আচাৰ-অনুষ্ঠানৰ সংহতিত ৰূপৰ প্ৰতিফলকৰ ভূমিকাও এই পুৰাণখনিয়ে গ্ৰহণ কৰিছে। *পদ্মা-পুৰাণক* মধ্যযুগীয় অসমীয়া জীৱন আৰু সমাজৰ প্ৰতিবিম্ব বুলিলেহে ৰজিতা যায়। অসমৰ সমাজ জীৱনৰ ৰাতি-নীতি, আচাৰ-অনুষ্ঠান, ধৰ্মীয় ধ্যান-ধাৰণা, জাগতিক দৃষ্টি, বিশ্বাস-অবিশ্বাস, বাচিক কলা-ভাষা আদি বিভিন্ন দিশত *পদ্মা-পুৰাণে* তাৎপৰ্যপূৰ্ণভাৱে আলোক-সম্পাত কৰিব পাৰে।

*পদ্মা-পুৰাণ* জনপ্ৰিয় আৰু হৃদয় সংবাদী সৃষ্টি। নামনি অসমত *পদ্মা-পুৰাণৰ* গীত শুনি মুগ্ধ নোহোৱা লোক নাই বুলিয়েই ক'ব পাৰি। *পদ্মা-পুৰাণৰ* সমাদৰ টুটক ছাৰি বাঢ়িছেহে। মানৱীয় হৃদয়ানুভূতি আৰু সংবেদনশীলতাৰ সুপ্ৰকাশেই পুৰাণখনৰ লোকপ্ৰিয়তাৰ অন্যতম কাৰণ। লোকপ্ৰিয়তাই গ্ৰন্থক কালজয়ী কৰে। *পদ্মা-পুৰাণো* কালজয়ী ৰচনা।

*পদ্মা-পুৰাণৰ* অন্যতম চৰিত্ৰ শিৱ বা মহাদেৱ লোক-দেৱতা স্বৰূপেহে চিত্ৰিত হৈছে। মানৱীয় গুণাৱলীৰে সমুজ্বল শিৱ চৰিত্ৰটি লোক জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ পটভূমিত পল্লবিত। দেৱৰ্ষি নাৰদে *পদ্মা-পুৰাণত* শিৱৰ ভাগিনীয়েকৰূপে কন্ম সলাইছে। কন্দল-বিদ্যাত নাৰদ অতিকৈ সুদক্ষ। চন্দ্ৰধৰৰ চাৰিত্ৰিক বৈশিষ্ট্যত ট্ৰেজিক নায়কৰ গুণাৱলী বৰ্তমান। তেওঁৰ পৌৰুষ আৰু শক্তি-সামৰ্থ্য দৈৱৰ পৰিহাসত কিছু পৰিমাণে ম্লান নপৰাকৈও থকা নাই। লখিন্দৰ স্বৰূপাৰ্থত সক্ৰিয় চৰিত্ৰ নহয়। *পদ্মা-পুৰাণত* বিশেষভাৱে প্ৰাধান্য লাভ কৰিবলৈ সক্ষম হোৱা দেৱী চৰিত্ৰসমূহৰ ভিতৰত মনসা-পদ্মা-বিষহৰী অন্যতম। দেৱী চৰিত্ৰ হ'লেও মনসা চৰিত্ৰত মানৱীয় দোষ-গুণ আদিৰ সমাৱেশ দেখা যায়। শিৱপুত্ৰী মনসা অলৌকিক শক্তিৰ অধিকাৰিণী হোৱা সত্ত্বেও মানৱীয় দুৰ্বলতাৰ হাত সাৰিব পৰা নাই। সাধাৰণ মানৱৰ দৰে তেওঁৰ চৰিত্ৰতো ঈৰ্ষা, প্ৰতিশোধপৰায়ণতা, ছলনাপ্ৰিয়তা, ক্ৰূৰতা আদি দুৰ্বলতাৰ পৰিস্ফুৰণ ঘটিছে। ভাৰতীয় দেৱী পৰম্পৰাৰ সুযোগ্য উত্তৰাধিকাৰিণী মনসাই নিজে সগৌৰৱে ঘোষণা কৰিছে যে তেওঁতকৈ আন শ্ৰেষ্ঠ দেৱতা বা দেৱী নাই; জগতত তেৱেঁই একমাত্ৰ দেৱতা (দেৱী)।

নেতা পদ্মাৰ জ্যেষ্ঠা ভগ্নী, বান্ধৱী আৰু পথ প্ৰদৰ্শিকা। সতিনীৰ ঈৰ্ষা, স্বামীৰ প্ৰতি অবিশ্বাস আৰু মনসাৰ প্ৰতি বিদ্বেষ এই তিনিটাই চণ্ডী চৰিত্ৰৰ প্ৰধান মানবীয় দুৰ্বলতা। মানব চৰিত্ৰৰ ভিতৰত সোনেকা বা সনেকাই পাঠক-শ্ৰোতাৰ মনত গভীৰভাৱে ৰেখাপাত কৰিব পাৰে। পুত্ৰহাৰা জননী সোনেকাৰ কৰুণ ক্ৰন্দন হৃদয় বিদাৰক। সোনেকা পুত্ৰহাৰা মাতৃৰ কৰুণ প্ৰতিমূৰ্তি। তেওঁৰ কৰুণ ক্ৰন্দন যেন লোকায়ত সমাজৰ পুত্ৰহাৰা জননীৰ দুৰ্বিসহ বেদনাৰ বাঙ্ময় ৰূপ।

*পদ্মা-পুৰাণ*ত চিত্ৰিত মানবীয় চৰিত্ৰসমূহৰ ভিতৰত বেউলা চৰিত্ৰটি নিশ্চিতভাৱে অন্যতম। ভাৰতীয় জীৱনৰ আদৰ্শৰ আধাৰত আৰু অসমীয়া সমাজ-জীৱনৰ পটভূমিত বেউলা চৰিত্ৰটি অংকিত। ভাৰতবৰ্ষ সতী-সাধ্বীৰ দেশ; সীতা, সাবিত্ৰী, দময়ন্তী, দ্ৰৌপদী আদি সতী কন্যাসকলৰ প্ৰতিদৰ্শৰ ভিত্তিত বেউলাৰ সৃষ্টি। পুৰাণ-প্ৰসিদ্ধ বা মহাকাব্য বিখ্যাত সতীসকলৰ দৰে বেউলাও জাতিস্মৰ। মানসিক দৃঢ়তা, নিষ্ঠা আৰু আত্ম-বিশ্বাস বেউলাৰ ভূষণ। নৃত্য-গীতকে আদি কৰি গান্ধৰ্ববিদ্যাৰ বিভিন্ন কলাত তেওঁ পাৰদৰ্শিনী। বেউলাৰ বিস্ময়কৰ সাফল্যৰ জৰিয়তে পদ্মা বিদ্বেষী চন্দ্ৰধৰৰ পাষাণ কঠোৰ হৃদয় সহানুভূতিৰ অশ্ৰুজলেৰে বিগলিত হৈছিল। তেনে অৱস্থাত চন্দ্ৰধৰৰ দৃষ্টিত বেউলাই ধৰা দিছিল নিপীড়িত আৰু ব্যথিত মানৱাত্মাৰ প্ৰতীকৰূপে। বেউলাৰ প্ৰতি ওপজা সহজাত বেদনাবোধে চন্দ্ৰধৰৰ আজন্ম পূজিত আদৰ্শ নিষ্ঠাক বিস্মৃতিৰ অতল গৰ্ভত নিক্ষেপ কৰিলে আৰু ইয়াৰ পৰিণতিত তেওঁ পদ্মাক পূজিবলৈ বাধ্য হ'ল। দৰাচলতে বেউলাই অসম্ভৱকো সম্ভৱ কৰিলে।

*পদ্মা-পুৰাণ*ৰ চৰিত্ৰবোৰ স্থানীয় মাটিৰ গোন্ধেৰে সিক্ত। নৱবৈষ্ণৱ কবিৰ নিৰ্মিতিৰ দৰে *পদ্মা-পুৰাণ*ৰ চৰিত্ৰবোৰ আদৰ্শ প্ৰধান নহয়; লৌকিক চৰিত্ৰহে। মানবীয় দুৰ্বলতা, দোষ-ত্ৰুটি আদিৰে এই চৰিত্ৰবোৰ ঋদ্ধ। *পদ্মা-পুৰাণ*ৰ অন্যতম লক্ষ্য দেৱ-মহিমা প্ৰকাশ, কিন্তু কবিৰ দৃষ্টিভংগী আদৰ্শ প্ৰধান নহয় লৌকিকহে। নাৰায়ণদেৱৰ নিৰ্মিতি বিশেষৰ অংগীৰস কৰুণ। ই যেন কবি নাৰায়ণদেৱৰ কৰুণ ৰসৰ মূৰ্তিমান প্ৰকাশ।

#### ৪.৫.৪ ষষ্ঠীবৰ

মনসা কথাবৃত্তক লিখিত ৰূপ দিয়া চতুৰ্থজন মনসা কবি ষষ্ঠীবৰ আৰু তেওঁৰ ৰচনাৰ চানেকি বেণুধৰ ৰাজখোৱাৰ "Notes on the Sylhet Dialect" নামৰ ৰচনাখনৰপৰা পোনতে পোৱা হয়। নাৰায়ণদেৱৰ নিচিনাকৈ ষষ্ঠীবৰকো শ্ৰীহট্টৰ লোক বুলি বঙালী পণ্ডিতসকলে দাবী কৰি দুয়োজন কবিকে বঙালী কবিৰ পৰিচিত সামৰিছে। হেমচন্দ্ৰ গোস্বামীৰ মতেও গংগা দাস ষষ্ঠীবৰৰ পুত্ৰ। প্ৰচলিত

পৰম্পৰানুসৰি গংগা দাসে দৰঙী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। গোস্বামীয়ে ষষ্ঠীবৰ আৰু তেওঁৰ পুত্ৰ গংগাদাসক বঙালী বুলিছে; কিন্তু গোস্বামীৰ প্ৰমেয়ৰ আধাৰ আৰু যুক্তি তেনেই দুৰ্বল।

ষষ্ঠীবৰক শ্ৰীহট্টৰ কবি বুলি ক'লেও মন কৰিব লাগিব যে শ্ৰীহট্ট অসমৰ অবিচ্ছেদ্য অংগ আছিল ১৯৪৭ খৃষ্টাব্দ পৰ্যন্ত। গতিকে শ্ৰীহট্টৰ ভাষা, অসমীয়া ভাষাৰ আঞ্চলিক ৰূপ হোৱাই স্বাভাৱিক। বেণুধৰ ৰাজখোৱাই যুক্তিসহ দেখুৱাই দিছে যে শ্ৰীহট্টৰ ভাষাৰ লগত পুৰণি অসমীয়া ভাষাৰ কোনো পাৰ্থক্য নাই। এনে আলোচনাৰ আধাৰত ষষ্ঠীবৰৰ *মনসা পুৰাণৰ* ভাষা যে অসমীয়া ভাষাহে আছিল তাত সন্দেহ নাই। বৰাক উপত্যকাৰ অঞ্চল বিশেষে বৰ্তমানো ষষ্ঠীবৰৰ *মনসা-পুৰাণ* ওজা-পালিয়ে আবৃত্তি কৰে।

ষষ্ঠীবৰৰ *মনসা-পুৰাণত* বেউলা-লখিন্দৰৰ কাহিনীয়ে বিশেষভাৱে প্ৰাধান্য লাভ কৰিছে। নাৰায়ণদেৱৰ দৰে ষষ্ঠীবৰৰ নিৰ্মিতিয়ো করুণ ৰসৰ মূৰ্তিমান প্ৰকাশ। তেওঁৰ ৰচনা মালিতাধৰ্মী।

### ৪.৬ বিবিধ বিষয়ক পাঁচালী সাহিত্য

ওপৰত উল্লেখ কৰা শ্ৰেণী দুটাৰ পৰিধিয়ে সামৰিব নোৱৰা পাঁচালী সাহিত্যৰাজিক বিবিধ বিষয়ক পাঁচালী সাহিত্য আখ্যা দিব পাৰি। এই পাঁচালী সাহিত্যকেইখনৰ বিষয়বস্তু গ্ৰহণ কৰা হৈছে বিভিন্ন উৎসৰপৰা। এনে শ্ৰেণীৰ পাঁচালী সাহিত্যৰ ভিতৰত বিশ্বেশ্বৰ দ্বিজৰ *শ্ৰীশ্ৰীসত্যনাৰায়ণৰ পাঁচালী,* জয়ৰাম দাসৰ *শ্ৰীশ্ৰীশীতলা-পাঁচালী,* অজ্ঞাত কবিৰ *শ্ৰীশ্ৰীলক্ষ্মীচৰিত্ৰ-পাঁচালী,* অজ্ঞাত কবিৰ *শ্ৰীশ্ৰীশনিদেৱৰ পাঁচালী, ত্ৰিনাথ পাঁচালী,* দীনদ্বিজবৰৰ *মাধৱ সুলোচনা* আদি উল্লেখ কৰিব পাৰি। দীন দ্বিজবৰে তেওঁৰ সাহিত্য নিৰ্মিতি *মাধৱ সুলোচনাক* 'পাঞ্চালী' আখ্যা দিছে। যেনে—

ক) *মালিনী কহিলা মাধৱৰ ৰূপ গুণ।*
*দ্বিজবৰে ৰচিলা পাঞ্চালী সবে শুন।।*

খ) *নটীগণে নৃত্য কৰে নটে গায়ে গীত।*
*দ্বিজবৰে ৰচিলা পাঞ্চালী মনোনীত।।*

### ৪.৭ সাৰাংশ (Summing up)

অসমৰ নৱবৈষ্ণৱ সাহিত্যৰ সমকালীন পাঁচালী সাহিত্য বা পাঞ্চালী বা পাঞ্চালী সংগীতে অসমীয়া সাহিত্যৰ ইতিহাসত বিশেষ স্থান লাভ কৰি আহিছে।

পুতলা নাচৰ সৈতেও এইবিধ গীতৰ সম্পৰ্ক নথকা নহয়। প্ৰকৃতাৰ্থত সংগীতৰ পক্ষ অংগৰ সৈতে জড়িত গীতখিনিৰ নামেই পাঁচালী সাহিত্য। শাস্ত্ৰীয় ৰাগ-ৰাগিণী আৰু তাল-লয় যুক্ত পাঞ্চালী সংগীতৰ ধাৰকসকল হৈছে কথক আৰু ধাৰকসকল। কথকৰ আন নাম ওজা আৰু ধাৰকৰ আন নাম পালি। ওজা-পালিসকলে গোৱা গীত-পদৰ নামেই পাঁচালী গীত বা সাহিত্য।

পাঁচালী সাহিত্যৰ তিনিটা ভাগত ভগাব পাৰি : মহাকাব্যিয় পাঁচালী সাহিত্য, মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য আৰু বিবিধ বিষয়ক পাঁচালী সাহিত্য।

মহাকাব্যিয় পাঁচালী সাহিত্যৰ ৰচয়িতাসকলৰ ভিতৰত দুৰ্গাবৰ কায়স্থ *(গীতি ৰামায়ণ)* আৰু পীতাম্বৰ কবি *(উষা-পৰিণয় কাব্য)* উল্লেখযোগ্য।

মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য ৰচয়িতাসকলৰ মাজত মনকৰ *(পোএল্লৰ পাঁচালী)* দুৰ্গাবৰ *(পোএল্লৰ পাঁচালী)*, নাৰায়ণদেৱ *(পদ্মা-পুৰাণ)*, আৰু ষষ্ঠীবৰ *(মনসা পুৰাণ)* উল্লেখযোগ্য।

বিবিধ বিষয়ক পাঁচালী-সাহিত্য ৰচকসকলৰ ভিতৰত বিশ্বেশ্বৰ দ্বিজ *(শ্ৰীশ্ৰীসত্যনাৰায়ণৰ পাঁচালী)*, জয়ৰাম দাস *(শ্ৰীশ্ৰীশীতলা-পাঁচালী)*, দীনদ্বিজ *(মাধৱ সুলোচনা)* আদি উল্লেখযোগ্য।

## ৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। পাঁচালী সাহিত্যৰ বিষয়বস্তু, ৰূপ আৰু সাংগীতিক বৈশিষ্ট্য সম্পৰ্কে এটি নিবন্ধ ৰচনা কৰক।

২। পাঁচালী সাহিত্যৰ গায়ন শৈলীৰ বিষয়ে আলোচনা কৰক।

৩। 'গীতিৰামায়ণ'ক বাল্মীকি ৰামায়ণৰ গীৱলীয়া তাণ্ডৱ আৰু মাধৱ কন্দলি ৰামায়ণৰ ওজা-পালি সংস্কৰণ বোলাৰ কাৰণ কি বুজাই লিখক।

৪। মনকৰৰ পৰিচয় দি তেওঁৰ সাহিত্য-কৃতি সম্পৰ্কে এটি বিশ্লেষণশীল নিবন্ধ ৰচনা কৰক।

৫। অসমীয়া ৰামায়ণী সাহিত্যৰ পৰম্পৰাত দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ'ৰ স্বকীয় আৰু বৈশিষ্ট্যপূৰ্ণ স্থানৰ বিষয়ে আলোচনা কৰক।

৬। পুৰণি অসমীয়া কবিসকলৰ ভিতৰত কেইবাটিও দিশৰ ফালৰপৰা এগৰাকী উল্লেখযোগ্য কবিৰূপে পীতাম্বৰ কবিৰ কাব্যকৃতিৰ আলোচনা কৰক।

৭। অসমীয়া পৰিণয়কাব্যত পীতাম্বৰ দ্বিজৰ উষা-পৰিণয় কাব্যৰ স্থান নিৰ্ণয় কৰক।

৮। সুকবি নাৰায়ণদেৱৰ স্থান-কাল আৰু কাব্য নিৰ্মিতিৰ বিষয়ে আলোচনা কৰি তেওঁৰ কবিত্বৰ আভাস দিয়ক।

৯। চৰিত্ৰ চিত্ৰণত সুকবি নাৰায়ণদেৱে অভিনৱত্বৰ বিষয়ে উদাহৰণৰ সৈতে আলোচনা কৰক

## ৪.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Books)


ডিম্বেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ বুৰঞ্জী*

নবীনচন্দ্ৰ শৰ্মা : *পুৰণি অসমীয়া সাহিত্যৰ সৌৰভ*

— : *অসমৰ ওজাপালি*

— : *পুৰণি অসমীয়া সাহিত্যৰ সুবাস*

— (সম্পা.) : *দৰঙ্গ ৰাজবংশাৱলী*

প্ৰবীণ চন্দ্ৰ দাস : *অসমীয়া ভাষা আৰু সাহিত্যৰ কথা*

— (সম্পা.) : *দুৰ্গাবৰী ৰামায়ণ*

— (সম্পা.) : *মনসা কাব্য (দুৰ্গাবৰ আৰু মনকৰ বিৰচিত পোঞ্জাৰ পাঁচালী)*

বাণীকান্ত কাকতি : *পুৰণি অসমীয়া সাহিত্য*

বিৰিঞ্চি কুমাৰ বৰুৱা আৰু
সত্যেন্দ্ৰনাথ শৰ্মা (সম্পা.) : *মনসা-কাব্য*

ভাৰত চন্দ্ৰ দাস : *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (মনসা শাখা)

মহেশ্বৰ নেওগ (সম্পা.) : *উষা-পৰিণয় কাব্য*

— : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

— (সম্পা.) : *গীতি ৰামায়ণ*

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*

— : *পুৰণি সাহিত্যৰ অধ্যয়ন*

হৰিনাথ শৰ্মাদলৈ : *অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য*

হেমচন্দ্ৰ গোস্বামী (সম্পা.) : *অসমীয়া সাহিত্যৰ চানেকি*

Banikanta Kakati : *Aspects of Early Assamese Literature*

Dimbeswar Neog : *New Light on History of Assamese Literature*

E. Gait : *A History of Assam*

S. N. Sarma : *Epics and Puranas in Early Assamese Literature*


•••

# তৃতীয় খণ্ড
## শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য

### খণ্ডৰ পৰিচয়

আগৰ খণ্ডটিত শঙ্কৰদেৱৰ সমসাময়িক অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰাসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। এই খণ্ডটিৰ জৰিয়তে শঙ্কৰদেৱৰ পৰৱৰ্তী অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

অসমীয়া সাহিত্যৰ বিকাশৰ দিশত কোচ ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতা অনস্বীকাৰ্য। শঙ্কৰদেৱৰ পূৰ্ববৰ্তী সময়ৰেপৰা মাধৱদেৱলৈকে কবি-সাহিত্যিকসকলক তেওঁ সাহিত্য চৰ্চা কৰাৰ কাৰণে অনুপ্ৰেৰণা দি আহিছিল। নৰনাৰায়ণৰ মৃত্যুৰ পিছত কোচ ৰাজ্যৰ এই অনুপ্ৰেৰণা স্তিমিত হৈ পৰিছিল। সেই সময়ত বৈষ্ণৱ সত্ৰ আৰু অনুষ্ঠানসমূহতহে সাহিত্য-চৰ্চাৰ বাতাবৰণে গা কৰি উঠিছিল। তথাপিও অতি তাকৰীয়াকৈ এই পৃষ্ঠপোষকতা চলি আহিছিল। একে সময়তে দৰঙী আৰু অন্যান্য সৰু সৰু ৰাজ্যবোৰেও কবি-সাহিত্যিকসকলক সাহিত্য-চৰ্চাৰ কাৰণে অনুপ্ৰাণিত কৰিছিল। সপ্তদশ অষ্টাদশ শতিকাত আহোম ৰজাসকলে কবি-সাহিত্যিকসকলক সাহিত্য-চৰ্চাৰ বাবে পৃষ্ঠপোষকতা কৰিছিল।

সপ্তদশ শতিকালৈকে সাহিত্যৰাজিৰ বিষয়বস্তু আছিল বৈষ্ণৱ আদৰ্শ। সপ্তদশ শতিকাৰপৰা অন্যান্য বিষয়বস্তু অসমীয়া সাহিত্যত সোমাই পৰে। এই দিশত উল্লেখযোগ্য হ'ল বৈষ্ণৱ সত্ৰসমূহত ৰচিত হোৱা চৰিত পুথিসমূহ। এই সময়ছোৱাতে অসমীয়া সাহিত্যত চৰিত পুথিৰ উপৰি আন কেইটামান নতুন বিষয়বস্তু গা কৰি উঠে। অসমীয়া সাহিত্যত অভ্যুদয় হোৱা এই নতুন ৰূপবোৰ হ'ল- আদিৰসাত্মক সাহিত্য, শাক্ত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য আৰু চুটকীমূলক সাহিত্য।

বিষয়বস্তুৰ আলোচনাৰ সুবিধাৰ বাবে এই খণ্ডটিত চাৰিটা বিভাগত তলত দিয়া ধৰণে ভাগ কৰা হৈছে :

প্ৰথম বিভাগ : ৰাজপৃষ্ঠপোষকতাত শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য
দ্বিতীয় বিভাগ : শঙ্কৰোত্তৰ সাহিত্যত নতুন ৰূপৰ অভ্যুদয়
তৃতীয় বিভাগ : বুৰঞ্জী সাহিত্য
চতুৰ্থ বিভাগ : চৰিত পুথি

# ৰাজপৃষ্ঠপোষকতাত শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য

বিভাগৰ গঠন ঃ


১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ সাধাৰণ আভাস

১.৪ কোচ ৰাজপৃষ্ঠপোষকতাৰ অসমীয়া সাহিত্য

১.৪.১ কোচবিহাৰৰ ৰাজপৃষ্ঠপোষকতা

১.৪.২ দৰঙী ৰাজপৃষ্ঠপোষকতা

১.৫ কছাৰী আৰু ৰাণীৰ ৰজাৰ পৃষ্ঠপোষকতা

১.৬ আহোম ৰাজপৃষ্ঠপোষকতা

১.৭ সাৰাংশ (Summing up)

১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১.৯ প্ৰসংগ গ্ৰন্থ (References/Further Readings)


## ১.১ ভূমিকা (Introduction)

অসমীয়া সাহিত্য চৰ্চা আৰু বিস্তাৰত বিভিন্ন ৰাজ্যৰ ৰজাসকলৰ পৃষ্ঠপোষকতাই বিশেষ ভূমিকা পালন কৰিছিল। শঙ্কৰদেৱৰ পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যৰ ক্ষেত্ৰত এই পৃষ্ঠপোষকতা বহু পৰিমাণে স্তিমিত হৈ পৰিছিল যদিও একেবাৰে নিঃচিহ্ন হৈ যোৱা নাছিল। নৰনাৰায়ণৰ পৰৱৰ্তী ৰজাসকলে চেগা-চোৰোগাকৈ কবি-সাহিত্যিকসকলক অনুপ্ৰাণিত কৰিছিল। ধৰ্মনাৰায়ণে দৰঙত ৰাজ্য পাতি কবি-সাহিত্যিকসকলক সাহিত্য চৰ্চা কৰাৰ কাৰণে ৰাজসাহায্য প্ৰদান কৰিছিল। কোচবিহাৰ মোগলৰ আৰু দৰঙ ৰাজ্য আহোমৰ তলতীয়া হোৱাৰ পাছত সাহিত্য চৰ্চাৰ এই কেন্দ্ৰ দুটি নিষ্প্ৰভ হৈ পৰিছিল। সেই সময়তে অৰ্থাৎ সপ্তদশ শতিকাৰ শেষ ভাগত আহোম ৰাজপৃষ্ঠপোষকতাত অসমীয়া সাহিত্য চৰ্চাৰ এটি নতুন কেন্দ্ৰৰ সৃষ্টি হৈছিল আৰু অষ্টদশ শতিকাত ই পৰিপূৰ্ণতা লাভ কৰিছিল।

এই বিভাগটিত শঙ্কৰোত্তৰ কালত বিভিন্ন ৰাজ্যৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত সৃষ্টি হোৱা অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

## ১.৩ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- শংকৰোত্তৰ কালত বিভিন্ন ৰাজ্যৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত ৰচিত হোৱা অসমীয়া সাহিত্যৰ লগত পৰিচিত হ'ব পাৰিব।
- শংকৰোত্তৰ কালৰ কোচ ৰাজপৃষ্ঠপোষকতাৰ পটভূমিৰ লগতে সেই সময়ত ৰচিত হোৱা বিভিন্ন ৰচনাসমূহৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব পাৰিব।
- আহোম ৰাজপৃষ্ঠপোষকতা লাভ কৰা কবি-সাহিত্যিকসকলৰ লগত পৰিচিত হোৱাৰ লগতে তেওঁলোকৰ সাহিত্য কৃতিৰ বিষয়ে আলোচনা দাঙি ধৰিব পাৰিব।
- সেই সময়ত গা কৰি উঠা ৰাণী, কছাৰী আদি সৰু সৰু ৰাজ্যসমূহৰ পৃষ্ঠপোষকতাত ৰচিত হোৱা সাহিত্যৰ বিষয়েও জানিব পাৰিব।

## ১.৩ সাধাৰণ আভাস

বিশুদ্ধ অসমীয়া লিখিত সাহিত্যই জন্মলগ্নৰেপৰাই ৰাজকীয় পৃষ্ঠপোষকতা বা অনুপ্ৰেৰণা লাভ কৰিছিল। প্ৰাক্ শংকৰী আৰু শংকৰী যুগৰ অধিকাংশ কবি-সাহিত্যিকে ৰজা ঘৰৰ পৃষ্ঠপোষকতা লাভ কৰি মহৎ সাহিত্য সৃষ্টি কৰি গৈছে। অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন বুলি ভবা *প্ৰহ্লাদ চৰিত* হেম সৰস্বতীয়ে কোচ ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত ৰচনা কৰিছিল। অসমীয়া ভাষা-সাহিত্যৰ অমূল্য সম্পদ *ৰামায়ণ* খনি মাধৱ কন্দলিয়ে বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত ৰচনা কৰিছিল। প্ৰাক্ শংকৰী যুগৰ অন্য এজন কবিৰত্ন সৰস্বতীয়ে কোচৰজা দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত *দ্ৰোণ-পৰ্ব* ৰচনা কৰিছিল।

অসমীয়া জাতীয় জীৱনৰ ভাষা, সাহিত্য, ধৰ্ম, সমাজ-ব্যৱস্থা, সংস্কৃতি আদি সকলো দিশলৈ প্ৰভূত বৰঙণি আগবঢ়াই অসমীয়া জাতীয় জীৱনক এক গতি প্ৰদান কৰা মহাপুৰুষ শংকৰদেৱে শেষ বয়সত কোচৰজা নৰনাৰায়ণ আৰু চিলাৰায়ৰ পৃষ্ঠপোষকতাত সাহিত্য চৰ্চা কৰিছিল। কোচৰজাৰ পৃষ্ঠপোষকতাত শংকৰদেৱে *বলিছলন, অনাদি পাতন, কীৰ্ত্তন, দশম, নিমি-নৱসিদ্ধ সংবাদ, গুণমালা, বৰগীত, ভক্তি-ৰত্নাকৰ, কালিয়-দমন, কেলি-গোপাল, ৰুক্মিণী-হৰণ, পাৰিজাত-হৰণ, পত্নীপ্ৰসাদ, ৰাম-বিজয়* আদি গ্ৰন্থ ৰচনা কৰিছিল। মাধৱদেৱে প্ৰকৃতাৰ্থত ৰাজ পৃষ্ঠপোষকতাত থাকি সাহিত্য-চৰ্চা কৰা নাছিল যদিও ৰজাঘৰীয়া সমৰ্থন লাভ কৰিছিল। শেষ বয়সত কোচৰজা লক্ষ্মীনাৰায়ণে তেওঁক বিশেষ সন্মান দেখুৱাই ভেলা মধুপুৰত থাকিবৰ দিহা কৰি দিছিল।

শংকৰদেৱ আৰু মাধৱদেৱৰ তিৰোধানৰ পাছত বৈষ্ণৱ সত্ৰ আৰু সমাজতহে সাহিত্য চৰ্চাৰ বাতাৱৰণ সৃষ্টি হয়। কোচৰজা নৰনাৰায়ণৰ সময়তে কোচৰাজ্য ভাঙি দুখণ্ড হয়। সোণকোষ নদীৰ পূৱত কোচ-হাজো বা কোচ-কামৰূপ আৰু পশ্চিমত কোচবিহাৰ। তাৰফলত পৰ্যায়ক্ৰমে সাহিত্যৰ দিশত ৰাজসভাৰ পৃষ্ঠপোষকতা কমি আহে।

পূব কোচৰাজ্যৰ ৰাজধানী বিজয়নগৰ আৰু পাছত দৰং ৰাজসভাত কেইবাগৰাকী পণ্ডিতে সাহিত্য ৰচনাৰ দিশত অনুপ্ৰেৰণা পাইছিল। কোচৰাজ্যৰ বীৰনাৰায়ণ (১৬২২-৩৩), প্ৰাণনাৰায়ণ (১৬৩৩-৬৬), মোদনাৰায়ণ (১৬৬৬-৮০), মহীন্দ্ৰনাৰায়ণ, হৰেন্দ্ৰনাৰায়ণ আদি ৰজাসকলৰ প্ৰেৰণা আৰু সহায়ৰপৰাও কবি-পণ্ডিতসকল বঞ্চিত হোৱা নাছিল। কিন্তু এই পৃষ্ঠপোষকতা লক্ষ্মীনাৰায়ণৰ পাছৰপৰাই ক্ৰমে ক্ষীণ হৈ আহিবলৈ ধৰে। কামৰূপীয় কবি আৰু পণ্ডিতসকলক কোচবিহাৰৰ ৰাজসভাই আগৰ দৰে আকৰ্ষণ নকৰা হ'ল। তথাপি কোচবিহাৰৰ ৰাজসভাত এবা-ধৰাকৈ সপ্তদশ শতিকাৰ শেষলৈকে অসমীয়া সাহিত্যৰ বন্তিগছ খিমিক-ধামাককৈ জ্বলি আছিল। খৃষ্টাব্দ সপ্তদশ শতিকাৰ শেষৰ ফালে আহোমৰ ৰাজধানী গড়গাঁও-ৰংপুৰত সাহিত্যৰ এটি নতুন পৃষ্ঠপোষকতা কেন্দ্ৰ গঢ় লৈ উঠে; যাৰ পূৰ্ণ বিকাশ ঘটে অষ্টাদশ শতিকাৰ প্ৰথমাৰ্দ্ধত। কোচ আৰু আহোম ৰজাসকলৰ উপৰি সেই সময়ৰ কছাৰী ৰজাসকলেও কবি-সাহিত্যিকসকলক কাব্য-চৰ্চাৰ বাবে অনুপ্ৰেৰণা দিছিল। শঙ্কৰোত্তৰ কালত এই বিভিন্ন ৰাজবংশৰ পৃষ্ঠপোষকতাত গঢ় লোৱা অসমীয়া সাহিত্যৰ বিষয়ে আমি এতিয়া আলোচনা কৰিম।

**আত্মমূল্যায়ন প্ৰশ্ন**

'মাধৱদেৱে প্ৰকৃতাৰ্থত ৰাজপৃষ্ঠপোষকতাত সাহিত্যচৰ্চা কৰা নাছিল যদিও ৰজাঘৰীয়া সমৰ্থন লাভ কৰিছিল' —বুজাই লিখক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

### ১.৪ কোচ ৰাজপৃষ্ঠপোষকতাৰ অসমীয়া সাহিত্য

নৰনাৰায়ণৰ দিনতে কোচৰাজ্য দুখণ্ডত বিভক্ত হয়। চিলাৰায়ৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ ৰঘুদেৱ বিদ্ৰোহী হৈ উঠাত নৰনাৰায়ণে ৰাজ্যখন দুভাগ কৰি সোণকোষ নদীৰ পূব অংশত ৰঘুদেৱক ৰজা পাতে। সোণকোষৰ পূবৰ অংশৰ নাম কোচ-হাজো বা কামৰূপ আৰু সোণকোষৰ পশ্চিম অংশৰ নাম কোচবিহাৰ। নৰনাৰায়ণৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণ কোচবিহাৰৰ ৰজা হয়। লক্ষ্মীনাৰায়ণৰ পিছত ক্ৰমে প্ৰাণনাৰায়ণ, মোদনাৰায়ণ, মহীন্দ্ৰনাৰায়ণ, হৰেন্দ্ৰনাৰায়ণ আদিয়ে ৰাজকাৰ্য চলায়।

আনহাতে ৰঘুদেৱৰ মৃত্যুৰ পিছত পৰীক্ষিৎনাৰায়ণ কোচ-হাজো বা কামৰূপত ৰজা হৈ উত্তৰ গুৱাহাটীত ৰাজধানী পাতে। ৰজা হোৱাৰ পাছতে লক্ষ্মীনাৰায়ণ আৰু পৰীক্ষিৎনাৰায়ণৰ মাজত বিবাদৰ সূত্ৰপাত হয়। লক্ষ্মীনাৰায়ণে মোগলৰ সহায় ভিক্ষা কৰে। মোগলে পৰীক্ষিৎনাৰায়ণক বন্দী কৰি দিল্লীলৈ ধৰাই নিয়ে।

মোগলে কোচ-হাজো অধিকাৰ কৰাত পৰীক্ষিৎনাৰায়ণৰ ভায়েক বলিনাৰায়ণে আহোম ৰাজ্যত আশ্ৰয় গ্ৰহণ কৰে। আহোম ৰজা প্ৰতাপ সিংহই তেওঁক ধৰ্মনাৰায়ণ নাম দি কৰতলীয়া ৰজা হিচাপে দৰঙত প্ৰতিষ্ঠা কৰে। ধৰ্মনাৰায়ণৰ বংশধৰসকলে দৰঙ ৰাজ্যত অসমীয়া সাহিত্য-চৰ্চাৰ এটা নতুন কেন্দ্ৰ সৃষ্টি কৰে। ধৰ্মনাৰায়ণৰ মৃত্যুৰ পাছত মহীন্দ্ৰনাৰায়ণ আৰু তেওঁৰ পিছত তেওঁৰ পুত্ৰ চন্দ্ৰনাৰায়ণ (গেইটৰ মতে সুন্দৰনাৰায়ণ) ৰজা হয়। পৰৱৰ্তী সময়ত দৰঙৰ ৰজাসকল সম্পূৰ্ণৰূপে আহোম ৰাজ্যৰ তলতীয়া হৈ পৰে।

আনহাতে কোচবিহাৰৰ ৰজাসকলে মোগলৰ তলতীয়া ৰজা হিচাপে ৰাজত্ব কৰি আছিল। তাৰ ফলত ষোড়শ শতিকাৰ শেষভাগত কোচ ৰাজ্যত সাহিত্য-চৰ্চা আৰু বিকাশ যেনেদৰে হৈছিল সপ্তদশ শতিকাৰ প্ৰথমৰ পৰাই তেনে চৰ্চাত বাধাৰ সৃষ্টি হ'ল। মোগলৰ আধিপত্য বিস্তাৰৰ লগে লগে অসমীয়া সাহিত্যৰ প্ৰাণকেন্দ্ৰ হোৱাৰপৰা কোচ ৰাজ্য আঁতৰি থাকিল। ই অসমীয়া ভাষা-সাহিত্যৰ ঘাই প্ৰবাহৰপৰাই বিচ্ছিন্ন হৈ পৰিল। ফলত এই ৰাজ্যৰ সাহিত্যই বঙ্গীয় প্ৰভাৱ গ্ৰহণ কৰি বঙালী ৰূপ পৰিগ্ৰহণ কৰিলে। তথাপিও আগতে উল্লেখ কৰাৰ দৰে সপ্তদশ শতিকাৰ শেষলৈকে কোচৰজাসকলে থিমিক-থামাককৈ হ'লেও অসমীয়া সাহিত্য চৰ্চাক অনুপ্ৰাণিত কৰি আহিছিল।

### ১.৪.১ কোচবিহাৰৰ ৰাজপৃষ্ঠপোষকতা

ভাৰসাম্যহীন ৰাজনৈতিক বাতাৱৰণ আৰু সামাজিক বিশৃংখলতাই কোচবিহাৰৰ অসমীয়া সাহিত্যক পৃষ্ঠপোষকতাৰ ঐতিহ্যৰ ঘাই প্ৰবাহৰপৰা বিচ্ছিন্ন কৰিছিল যদিও সেই সময়তো কোচৰজাসকলে কবি-সাহিত্যিকসকলক অনুপ্ৰাণিত কৰি আহিছিল। অষ্টাদশ শতিকাৰ শেষ ভাগত হৰেন্দ্ৰনাৰায়ণে এই ঐতিহ্যৰ পুনৰ উত্থান ঘটাবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। ভালেমান কামৰূপী কবিক তেওঁ *মহাভাৰত*, *ৰামায়ণ* আৰু অন্যান্য পুৰাণৰ অনুবাদ কৰিবলৈ নিয়োগ কৰিছিল। এই পণ্ডিতসকলে বঙ্গীয় প্ৰভাৱৰ মাজতে অসমীয়া (কামৰূপী) ভাষাত সাহিত্য সৃষ্টি কৰিছিল। ৰজা নিজেও পণ্ডিত লোক আছিল। তেওঁ *বৃহদ্ধৰ্ম পুৰাণ*, *ঐষিক পৰ্ব*, *ক্ৰিয়া যোগসাৰ*, স্কন্দ পুৰাণৰ *ব্ৰহ্মোত্তৰ কাণ্ড*, *সুন্দৰা-কাণ্ড* আদি গ্ৰন্থ ৰচনা কৰিছিল। কোচবিহাৰৰ ৰজাসকলৰ পৃষ্ঠপোষকতা লাভ কৰা প্ৰধান কবিসকল আৰু তেওঁলোকৰ সাহিত্য-কৃতিৰ পৰিচয় তলত চমুকৈ দাঙি ধৰা হ'ল—

কবিশেখৰ ঃ কবিশেখৰ বীৰনাৰায়ণৰ (১৬১৭-৩২) পৃষ্ঠপোষক কবি আছিল। তেওঁ ৰজা 'বীৰ নাৰায়ণ নৃপতি মণি'ৰ আদেশক্ৰমে মহাভাৰতৰ 'বিৰাট পৰ্ব' ৰচনা কৰিছিল। পিতৃৰ নাম আছিল ভৱানন্দ।

শ্ৰীনাথ দ্বিজ ঃ তেওঁৰ পৃষ্ঠপোষক ৰজা আছিল প্ৰাণনাৰায়ণ (১৬৩২-৬৫)। কবিজনাৰ দ্বাৰা ৰচিত কাব্যসমূহ হ'ল ঃ মহাভাৰতৰ *আদিপৰ্ব*, *দ্ৰৌপদীৰ স্বয়ম্বৰ* আৰু *দ্ৰোণ পৰ্ব*।

অন্যান্যসকল ঃ কবিশেখৰ আৰু শ্ৰীনাথ দ্বিজৰ উপৰি ভালেমান কবিয়ে সেই সময়ত কাব্য ৰচনা কৰিছিল। ৰজা মোদনাৰায়ণৰ (১৬৬৬-৮০) অনুপ্ৰেৰণাত দ্বিজ কবিৰাজে মহাভাৰতৰ *দ্ৰোণপৰ্ব* আৰু *ভীষ্ম পৰ্ব* অনুবাদ কৰিছিল। মহীন্দ্ৰনাৰায়ণৰ (১৬৮২-৯৩) আদেশত দ্বিজৰামে *ভীষ্ম পৰ্ব* পদ ৰচনা কৰিছিল। মহাৰাজ হৰেন্দ্ৰনাৰায়ণে (১৭৮৩-১৮৩৯) মহাভাৰতৰ পদ ভাঙনি কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। তেওঁৰ অনুপ্ৰেৰণাত কবিসকলে *মহাভাৰতৰ* বিভিন্ন পৰ্বৰ পদ ভাঙনি কৰিছিল। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কিছুসংখ্যক হ'ল ঃ *বনপৰ্ব* — দ্বিজ বৈদ্যনাথ, মহীনাথ; *প্ৰাস্থানিক পৰ্ব* - দ্বিজ মহীনাথ; *স্বৰ্গাৰোহণ পৰ্ব* -মাধৱচন্দ্ৰ; *সভাপৰ্ব* - জয়দেৱ দ্বিজ, ব্ৰজসুন্দৰ; *কৰ্ণপৰ্ব*- দ্বিজ ৰঘুৰাম; *ভীষ্মপৰ্ব* — দ্বিজ ৰঘুৰাম আদি।

কোচৰজাসকলৰ অনুপ্ৰেৰণাত পুৰাণৰ ভাঙনিও হৈছিল। সেইবোৰৰ ভিতৰত- দ্বিজ বৈদ্যনাথৰ *ব্ৰহ্মবৈৱৰ্ত-পুৰাণ* আৰু *শিৱ পুৰাণ*, ৰিপুঞ্জয়ৰ *ব্ৰহ্মবৈৱৰ্ত-পুৰাণ* আৰু *পদ্মপুৰাণ*, দ্বিজ ৰামানন্দৰ *ধৰ্মপুৰাণ* আৰু *নৃসিংহ পুৰাণ*, পৰমানন্দ শৰ্মাৰ *স্কন্দ পুৰাণ*, মহীনাথ শৰ্মাৰ *মাৰ্কণ্ডেয় পুৰাণ* আদি উল্লেখযোগ্য। এইখিনিতে ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ এষাৰ কথা উল্লেখ কৰি থোৱা ভাল হ'ব যে "এইবোৰৰ ভাষাত সামান্য কোচবেহাৰৰ স্থানীয় ভাষাৰ ছাপ পৰিলেও অসমীয়া ৰূপটো অব্যাহত।"

আত্মমূল্যায়ন প্ৰশ্ন

সাহিত্য-চৰ্চাৰ ক্ষেত্ৰত কোচৰাজ পৃষ্ঠপোষকতা স্তিমিত হোৱাৰ কাৰণ কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................

### ১.৪.২ দৰঙী ৰাজপৃষ্ঠপোষকতা

সাহিত্য-চৰ্চাৰ ক্ষেত্ৰত দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতা লেখতল'বলগীয়া। এই বংশৰ প্ৰতিষ্ঠাতা ধৰ্মনাৰায়ণ বিদ্যুৎসাহী ৰজা আছিল। তেওঁৰ পৃষ্ঠপোষকতাত ভালেমান মূল্যবান গ্ৰন্থ ৰচিত হৈছিল। তেওঁৰ পৰৱৰ্তী ৰজাসকলেও এই ধাৰা ছেগা-ছোৰোগাকৈ বৰ্তাই ৰাখিছিল। দৰঙী ৰাজপৃষ্ঠপোষকতা লাভ কৰা কবিসকলৰ সাহিত্য-কৰ্মৰ বিষয়ে চমুকৈ তলত আলোচনা কৰা হ'ল—

**ৰামসৰস্বতী :** ৰামসৰস্বতী 'অসমীয়া ব্যাস'ৰূপে পৰিচিত। মহাৰাজ নৰনাৰায়ণৰ অনুপ্ৰেৰণাত মহাভাৰতৰ সৰহসংখ্যক শ্লোক তেওঁ অসমীয়ালৈ ভাঙনি কৰিছিল। তেওঁ 'বধবাক্য' নামৰ একশ্ৰেণী জনপ্ৰিয় কাব্যৰো সৃষ্টি কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত কাব্যত থকা বৰ্ণনা অনুসৰি তেওঁ কামৰূপৰ পচৰীয়া অঞ্চলৰ লোক আছিল।

ৰামসৰস্বতীয়ে দৰঙী ৰজা ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতাতো সাহিত্য-চৰ্চা কৰিছিল। দৰঙী ৰাজপৃষ্ঠপোষকতাত ৰচনা কৰা তেওঁৰ গ্ৰন্থসমূহ হ'ল : *সিন্ধুযাত্ৰা, বনপৰ্ব, উদ্যোগপৰ্ব, জয়দেৱ কাব্য* আৰু *সাবিত্ৰী উপাখ্যান*।

**গোপীনাথ পাঠক :** দৰঙী ৰাজপৃষ্ঠপোষকতা লাভ কৰা এজন উল্লেখযোগ্য কবি হ'ল গোপীনাথ পাঠক। তেওঁ ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰি *মহাভাৰতৰ সভাপৰ্ব, দ্ৰোণপৰ্ব* আৰু *স্বৰ্গাৰোহণ পৰ্বৰ* পদ ভাঙনি কৰিছিল। *দ্ৰোণপৰ্বত* উল্লেখ থকা অনুসৰি গোপীনাথৰ পিতামহৰ নাম আছিল ভীমসেন দ্বিজ।

**শুভনাথ দ্বিজ সৰস্বতী :** তেওঁৰ দ্বাৰা ৰচিত কাব্যৰপৰা জনা যায় যে তেওঁ ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতাত কাব্য চৰ্চা কৰিছিল। *মহাভাৰতৰ* অশ্বমেধ পৰ্বত থকা যুধিষ্ঠিৰ আৰু চণ্ডালৰূপী ধৰ্মৰ কথোপকথনৰ লগত ৰাজনীতি ধৰ্মনীতিৰ আলোচনাৰে তেওঁ *ধৰ্মসম্বাদ* পুথিখন ৰচনা কৰিছিল। তেওঁৰ অন্য এখন ৰচনা হ'ল *কুৰুাধ্যায়*।

**দামোদৰ দ্বিজ :** দামোদৰ দ্বিজে *শল্যপৰ্ব* ভাঙনি কৰিছিল। অনুবাদকৰ মতে তেওঁৰ পৃষ্ঠপোষক ৰজা আছিল মকৰধ্বজ। মকৰধ্বজ সম্ভৱতঃ দৰঙী ৰাজকোঁৱৰ আছিল। তদুপৰি ধৰ্মনাৰায়ণৰ উল্লেখো কাব্যখনত পোৱা যায়। তেওঁ অনিৰুদ্ধ দাস আৰু শ্ৰীনাথ দ্বিজৰ লগত *মহাভাৰতৰ* এটা অংশৰ পদো ভাঙনি কৰিছিল।

**বিদ্যা পঞ্চানন :** বিদ্যা পঞ্চাননৰ পৃষ্ঠপোষক ৰজাৰ নাম জনা নাযায়। তেওঁ বিৰাটপৰ্ব, ভীষ্মপৰ্বৰ 'অম্বাৰ চৰিত্ৰ' আৰু কৰ্ণ পৰ্বৰ পদ ভাঙনি কৰিছিল। তেওঁ দিয়া ভণিতাৰ পৰা জনা যায় যে তেওঁৰ পিতৃ আছিল মানাহ নৈৰ পাৰৰ বৰনগৰৰ কণ্ঠভূষণ দ্বিজ। তেওঁ কণ্ঠভূষণ দ্বিজৰ নুমলীয়া পুত্ৰ আছিল। তেওঁৰ গুৰুৰ নাম আছিল গোপাল।

**সুকবি নাৰায়ণদেৱ :** সুকবি নাৰায়ণদেৱৰ বিষয়ে স্পষ্ট ৰূপত জনা নাযায়। জনসমাজত প্ৰচলিত বিশ্বাসমতে তেওঁ ধৰ্মনাৰায়ণৰ সমসাময়িক। গুৱালকুছিৰ বাসিন্দা ব্ৰাহ্মণসকল আৰু মঙ্গলদৈৰ ব্যাসপাৰাৰ ব্ৰাহ্মণসকলে নিজকে তেওঁৰ বংশধৰ বুলি

পৰিচয় দিয়ে। প্ৰবাদমতে ৰজা ধৰ্মনাৰায়ণৰ অনুপ্ৰেৰণাতে তেওঁ *পদ্মাপুৰাণ* ৰচনা কৰিছিল। পুৰাণখনত পদ্মা-চন্দ্ৰধৰৰ বিবাদ, বেউলাৰ স্বামীৰ প্ৰাণ ৰক্ষাৰ বাবে কৰা কাৰ্য আৰু ভ্ৰমণ বৰ্ণনাৰ লগতে শৈৱপন্থী চন্দ্ৰধৰক পদ্মাই কেনেদৰে শিৰ নত কৰাই বিজয় সাব্যস্ত কৰিছিল তাৰ বৰ্ণনা দিয়া আছে। পুৰাণখন পাঞ্চালী গীতৰ সমষ্টি। জনসাধাৰণৰ চিত্ত আকৰ্ষিত কৰিবলৈ লৌকিক উপাদানৰ আধিক্য ঘটোৱা পুৰাণখনৰ আন এটা প্ৰধান বৈশিষ্ট্য।

**ৰতিকান্ত দ্বিজ ঃ** ৰতিকান্ত দ্বিজে ৰজা হয়নাৰায়ণৰ পৃষ্ঠপোষকতাত *ব্ৰহ্মবৈৱৰ্ত-পুৰাণৰ* অষ্টম অধ্যায়ৰ প্ৰথম তিনিখণ্ড আৰু কৃষ্ণজন্ম খণ্ডৰ কিছু পদ ভাঙনি কৰিছিল। বাকী অংশখিনি নন্দীশ্বৰ দ্বিজ, বিশ্বেশ্বৰ দ্বিজ, খড়্গেশ্বৰ দ্বিজ আৰু নৰোত্তম দ্বিজে ভাঙনি কৰিছিল। তেওঁৰ অন্য এখন গ্ৰন্থ হ'ল *খড়্গ নাৰায়ণৰ বংশাৱলী*। গ্ৰন্থখনত বাৰভূঞা আৰু বিশ্বসিংহৰ পৰিচয়ৰ লগতে খড়্গ নাৰায়ণকে আদি কৰি কোচৰজাসকলৰ বৰ্ণনা দিয়া আছে। কাব্যত কবিজনাই নিজকে 'গদাধৰ বিষ্ণু ভৃত্যৰ নাতি' বুলি পৰিচয় দিছে।

**সূৰ্যখড়ি দৈৱজ্ঞ ঃ** তেওঁ দৰং ৰজা সমুদ্ৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। তেওঁ ৰচনা কৰা *শিৱ-বংশাৱলী* বা *ৰাজবংশাৱলী* অসমীয়া সাহিত্যৰ এখনি অতি মূল্যবান গ্ৰন্থ। গ্ৰন্থখনক *দৰং ৰাজবংশাৱলী* আৰু *সমুদ্ৰ নাৰায়ণৰ বংশাৱলী* নামেও জনা যায়। বৰ্তমান প্ৰাপ্ত গ্ৰন্থখনত পৰশুৰামে সমস্ত ক্ষত্ৰিয় বধ কৰি পৃথিৱীত ক্ষত্ৰিয় নিৰ্মূল কৰাৰ বৰ্ণনাৰ লগতে শিৱবীৰ্যৰ দ্বাৰা বিশ্বসিংহৰ জন্মৰ পৰা ধৰ্মনাৰায়ণ আহোমৰ শৰণাপন্ন হোৱা আৰু আহোমে মোগলক আক্ৰমণ কৰালৈকে বৰ্ণনা কৰা আছে।

**সূৰ্যদেৱ সিদ্ধান্তবাগীশ ঃ** সূৰ্যদেৱ সিদ্ধান্ত বাগীশে *ৰাজবংশাৱলী* বা *গন্ধৰ্ব নাৰায়ণৰ বংশাৱলী* ৰচনা কৰিছিল। তেওঁ ৰজা জগত নাৰায়ণৰ পুত্ৰ গন্ধৰ্বনাৰায়ণৰ আদেশত এইখন ৰচনা কৰিছিল।

**অন্যান্য কবিসকল ঃ** ওপৰত উল্লেখ কৰা কবিসকলৰ বাহিৰেও কবিৰাজ সূৰ্যবিপ্ৰ নামে এজন লোককবিয়ে *শিয়ালা বৈষ্ণৱৰ চৰিত্ৰ* নামে পদ কৰিছিল। অৱশ্যে তেওঁ কোনো ৰজাৰ পৃষ্ঠপোষকতা পোৱা নাছিল। তেওঁৰ বসতি স্থান আছিল দৰঙৰ মধ্যপ্ৰায় 'ছপড়া'। তদুপৰি জগত নাৰায়ণ ৰজাৰ পুত্ৰ মধু নাৰায়ণ কোঁৱৰে *অগ্নি পুৰাণ* বা *যমৰ ঘৰত জীয়ন্তা মনুষ্য* নামৰ এখনি পুথি ৰচনা কৰিছিল।

এই বিভাগৰ সাধাৰণ আভাস শিতানত আমি উনুকিয়াই আহিছোঁ যে নৰনাৰায়ণৰ সময়তে ৰঘুদেৱে পূব দিশত বিজয়নগৰত ৰাজধানী পাতি কোচ-হাজো বা কামৰূপ ৰাজ্য শাসন কৰিছিল। পাছতহে মোগলৰ আক্ৰমণত বলিনাৰায়ণে ধৰ্মনাৰায়ণ নামলৈ দৰঙত ৰাজ্য পাতে। সম্ভৱতঃ ৰামসৰস্বতীয়ে এই ৰাজ্যত থাকিয়ে *কৰ্ণপৰ্ব* ৰচনা কৰিছিল। কাব্যখনত ৰঘুদেৱৰ কথা উল্লেখ আছে। তেওঁৰ শান্তিপৰ্বৰ *সাবিত্ৰী* উপাখ্যানটোত

ৰঘুদেৱৰ নাতি মকৰধ্বজ আৰু সুন্দৰনাৰায়ণৰ উল্লেখ আছে।

কোচ ৰাজবংশৰ অন্য এটা ঠাল বিজনী ৰাজবংশৰ ৰজা বলিত নাৰায়ণৰ পৃষ্ঠপোষকতাত বিৰূপাক্ষ ন্যায়বাগীশে বৰ্তমানে দুষ্প্ৰাপ্য শিৱ-বংশাৱলী বা বিজনী-বংশাৱলী ৰচনা কৰিছিল।

> **আত্মমূল্যায়ন প্ৰশ্ন**
>
> সাহিত্য চৰ্চাৰ ক্ষেত্ৰত পৃষ্ঠপোষকতা কৰা দৰঙী ৰজাসকলৰ পৰিচয় দি তেওঁলোকৰ পৃষ্ঠপোষকতা লভা কবি-সাহিত্যিকসকলৰ বিষয়ে এটি টোকা লিখক? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)
>
> ......................................................................................................
>
> ......................................................................................................
>
> ......................................................................................................
>
> ......................................................................................................
>
> ......................................................................................................
>
> ......................................................................................................

### ১.৫ কছাৰী আৰু ৰাণী ৰজাৰ পৃষ্ঠপোষকতা

কছাৰী আৰু ৰাণী ৰাজ্যৰ ৰজাসকলৰ পৃষ্ঠপোষকতাতো সাহিত্য চৰ্চা হৈছিল। ৰাণীৰ ৰাজবংশৰ ৰজা খড়্গসিংহৰ অনুপ্ৰেৰণাত মাধৱদ্বিজ আৰু উপেন্দ্ৰসিংহ ৰজাই *ৰাণীৰ ৰাজবংশাৱলী* ৰচনা কৰিছিল।

কছাৰী ৰজা সুৰদৰ্প নাৰায়ণৰ দিনত ভুৱনেশ্বৰ বাচস্পতিয়ে *নাৰদীয়-কথামৃত* ৰচনা কৰিছিল। তেওঁৰ পৃষ্ঠপোষক আছিল সুৰদৰ্প নাৰায়ণ ৰজাৰ মাতৃ চন্দ্ৰপ্ৰভা। কাব্যখনি ৰচিত হৈছিল ১৭৩০খৃষ্টাব্দত। আন এজন ৰজা জয়চন্দৰ পৃষ্ঠপোষকতাত ভৱানীনাথ দ্বিজবৰে *শ্ৰীৰাম-চন্দ্ৰ অভিষেক* ৰচনা কৰিছিল। পুথিখন পাঁচালী আৰ্হিৰে ৰচনা কৰা।

### ১.৬ আহোম ৰাজপৃষ্ঠপোষকতা

সপ্তদশ শতিকাৰ ৰাজনৈতিক সংঘৰ্ষ আৰু অস্থিৰ সামাজিক বাতাবৰণৰ ফলত কোচবিহাৰে অসমীয়া সাহিত্যৰ কেন্দ্ৰস্থলৰূপে মৰ্যাদা হেৰুৱায়। দৰঙ ৰাজ্যত এই পৰিৱেশ কিছু পৰিমাণে আছিল যদিও আহোমৰ তলতীয়া শাসনকৰ্তাৰূপে শেষলৈ সেই পৰিৱেশ ৰক্ষিত নহ'ল। সপ্তদশ শতিকাৰ শেষফালে আহোম ৰাজধানী গড়গাঁৱক কেন্দ্ৰ কৰি এটা সাহিত্যৰ কেন্দ্ৰস্থল গঢ় লৈ উঠে আৰু এই কেন্দ্ৰই অষ্টাদশ শতিকাত পূৰ্ণ বিকশিত ৰূপ লাভ কৰে। আহোম ৰজাসকল ক্ৰমে হিন্দুধৰ্মৰ প্ৰতি সহানুভূতিশীল হৈ হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ ফলত ব্ৰাহ্মণ পণ্ডিতসকলে সাহিত্য চৰ্চাৰ ক্ষেত্ৰত ৰাজ অনুগ্ৰহ লাভ কৰিবলৈ

ধৰে। প্ৰথম অৱস্থাত বৈষ্ণৱ ভক্ত সন্তসকল ৰাজৰোষত পৰিছিল কিন্তু জয়ধ্বজ সিংহৰ (১৬৪৫-৬৩) দিনৰেপৰা বৈষ্ণৱ ভক্ত-মহন্তসকলে ৰজাঘৰীয়া সহায় আৰু পৃষ্ঠপোষকতা লাভ কৰিবলৈ ধৰিলে। আহোম ৰজাসকলৰ ৰাজত্ব কালত শৈৱ আৰু শাক্ত সাহিত্যৰ পূৰ্ণ বিকাশ হৈছিল। শৃংগাৰ ৰসাত্মক ৰচনাতো আহোম ৰজাসকলে গুৰুত্ব দিছিল। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত অসমীয়া গদ্য সাহিত্যই বিকাশ লাভ কৰে। সেই সময়ৰ উল্লেখযোগ্য বৰঙণি হ'ল বুৰঞ্জী সাহিত্যসমূহ।

জয়ধ্বজ সিংহ (১৬৪৫-৬৩), ৰুদ্ৰসিংহ (১৬৯৬-১৭১৪), শিৱসিংহ (১৭১৪-৪৪), ফুলেশ্বৰী (১৭২২-৩১), ৰাজেশ্বৰ সিংহ (১৭৫১-৬৯), কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০), চন্দ্ৰকান্ত সিংহ (১৮১০-১৮) আৰু বিভিন্নজন কোঁৱৰ আৰু বিষয়াৰ অনুপ্ৰেৰণা আৰু পৃষ্ঠপোষকতাত পণ্ডিতসকলে সাহিত্য চৰ্চা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছিল। আহোম ৰজাসকলে কেৱল যে সাহিত্য চৰ্চাৰ দিশত পৃষ্ঠপোষকতাই কৰিছিল তেনে নহয়, বহুকেইজন বিদ্বান ৰজাই নিজেও সাহিত্য সৃষ্টিত আগভাগ লৈছিল। সেইসকলৰ ভিতৰত জয়ধ্বজ সিংহ, ৰুদ্ৰসিংহ, শিৱসিংহ আৰু ৰাজেশ্বৰ সিংহ উল্লেখযোগ্য।

**জয়ধ্বজ সিংহ :** জয়ধ্বজ সিংহৰ ভণিতা থকা কেবাটিও গীত পোৱা যায়। *গীত লতিকা* নামৰ গীত প্ৰধান গ্ৰন্থখনত জয়ধ্বজ সিংহৰ ভণিতা থকা ৰাধা-কৃষ্ণৰ প্ৰেমবিষয়ক এটা গীত পোৱা যায়।

**ৰুদ্ৰসিংহ :** ৰুদ্ৰসিংহ এজন বিদ্যুতসাহী বিদ্বান ৰজা আছিল। তেওঁ শাক্ত ভাবাপন্ন কিছু গীত ৰচনা কৰিছিল। তেওঁৰ দিনতেই অসমীয়া ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধিত হৈছিল।

**শিৱসিংহ:** শিৱসিংহই শাক্ত ভাবাপন্ন, বিশেষকৈ ৰাধা চৰিত্ৰ বিষয়ক কেইটিমান গীত ৰচনা কৰিছিল। গীতসমূহ ৰুদ্ৰসিংহৰ গীত থকা পুথিখনতে পোৱা যায়।

**ৰাজেশ্বৰ সিংহ :** স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই কীচক বধনামে এখন নাটক ৰচনা কৰিছিল।

আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত বিভিন্ন পণ্ডিত, কবিয়ে ৰচনা কৰা গ্ৰন্থাৱলীৰ পৰিচয় দিয়া হ'ল—

**ৰামমিশ্ৰ :** ৰামমিশ্ৰই চাৰিখন পুথি ৰচনা কৰিছিল— *হিতোপদেশ, মহাভাৰতৰ ভীষ্মপৰ্ব, পুতলা চৰিত্ৰ* আৰু *বৃন্দাবন-চৰিত্ৰ*। তেওঁ আহোম ৰজা জয়ধ্বজ সিংহৰ সমসাময়িক। তেওঁ আছিল নাৰায়ণপুৰ অঞ্চলৰ কলাপচন্দ্ৰৰ পুত্ৰ হৰি ভাৰতীৰ নাতি। ৰামমিশ্ৰই ভদ্ৰসেন ফুকনৰ আদেশত *হিতোপদেশৰ* অসমীয়া ভাঙনি কৰিছিল। ভদ্ৰসেন ফুকন আছিল ৰজা জয়ধ্বজ সিংহৰ শহুৰৰ পুতেক। তেওঁ *পুতলা চৰিত্ৰ* নামেৰে সংস্কৃত দ্বাত্ৰিংশ পুত্তলিকাৰ পদ ভাঙনি কৰে তৰুণ দুৱৰা বৰবৰুৱাৰ আদেশত। ৰামমিশ্ৰই জয়ধ্বজ

সিংহৰ শহুৰ ৰাজমন্ত্ৰীৰ উদ্‌গনিত *মহাভাৰতৰ ভীষ্মপৰ্ব* অসমীয়ালৈ অনুবাদ কৰিছিল। তেওঁ *বৃন্দাবন-চৰিত* নামে এখন পুথিও ৰচনা কৰিছিল। গ্ৰন্থখন বৃন্দাবনৰ ভৌগোলিক বৰ্ণনাৰ লগতে মঠ-মন্দিৰৰ বৰ্ণনা দিয়া আছে। এইখন মৌলিক ৰচনা।

**ৰামচন্দ্ৰ বৰপাত্ৰ :** ৰামচন্দ্ৰ বৰপাত্ৰ শিৱসাগৰৰ দিলীহ নদীৰ পাৰৰ লোক আছিল। তেওঁ ৰচনা কৰা পুথিখন হ'ল *মণিকূট* বা *মাধৱবৰ্ণন পদ*। ৰচনাৰ সময় সপ্তদশ শতিকাৰ শেষভাগ। হাজোৰ মাধৱ মন্দিৰৰ উৎপত্তি আৰু বিগ্ৰহৰ লগতে পূজা-অৰ্চনা, মাহাত্ম্য, দৰ্শন-পূজনৰ ফল আদিৰ বহল ব্যাখ্যা আছে।

**ৰামানন্দ দ্বিজ :** ৰামানন্দ দ্বিজৰ সময় সপ্তদশ শতিকাৰ শেষভাগ। আতন বাঁহগড়ীয়া বুঢ়াগোহাইৰ আজ্ঞা অনুসৰি তেওঁ *শঙ্কৰদেৱৰ চৰিত* ৰচনা কৰিছিল। পুথিখনত প্ৰধানকৈ শঙ্কৰদেৱৰ জীৱন আৰু কৰ্মৰাজিৰ বৰ্ণনাৰ লগতে আনুষংগিকভাৱে মাধৱদেৱ আৰু গোপাল আতাৰ জীৱনীও বৰ্ণনা কৰিছে। *শঙ্কৰদেৱৰ চৰিতৰ* উপৰিও *ভৱানীপুৰীয়া গোপাল আতা চৰিত* ৰচনা কৰিছিল। এই দুখন পুথিৰ বাহিৰেও তেওঁ বৰগীতৰ আৰ্হিত ভালেমান গীত ৰচনা কৰিছিল।

**কবিৰাজ চক্ৰৱৰ্তী :** কবিৰাজ চক্ৰৱৰ্তী আহোম যুগৰ শ্ৰেষ্ঠ কবি আছিল। তেওঁ স্বৰ্গদেউ ৰুদ্ৰসিংহ, শিৱসিংহ আৰু বৰৰজা ফুলেশ্বৰীৰ ৰাজকবি আছিল। তেওঁ ৰচনা কৰা পুথিসমূহ হ'ল—*ব্ৰহ্মবৈৱৰ্ত পুৰাণ, গীতগোবিন্দ, শঙ্খচূড় বধ, শকুন্তলা, ভাস্বতী* আদি। তেওঁৰ প্ৰকৃত নাম আছিল ৰামনাৰায়ণ চক্ৰৱৰ্তী। কবিৰাজ তেওঁৰ উপাধি। তেওঁ মহাৰাজ ৰুদ্ৰসিংহৰ আজ্ঞানুসৰি জয়দেৱৰ *গীতগোবিন্দৰ* পদ ভাঙনি কৰিছিল। জয়দেৱৰ কাব্যৰ গীতবোৰৰ ই যথাৰ্থ অনুবাদ। অনুবাদত মূল গীতখিনি গীত হিচাপে নাৰাখি বৰ্ণনাত্মক পদ হিচাপেহে ভাঙনি কৰিছে।

মহাৰাজ শিৱসিংহ আৰু তেওঁৰ জায়া ফুলেশ্বৰী (প্ৰমথেশ্বৰী)ৰ আদেশ অনুসৰি কবিৰাজ চক্ৰৱৰ্তীয়ে *ব্ৰহ্মবৈৱৰ্ত পুৰাণ, শকুন্তলা কাব্য* আৰু *শঙ্খচূড় বধ কাব্য* ৰচনা কৰিছিল। তেওঁ *ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ* কৃষ্ণ জন্ম খণ্ড অনুবাদ কৰিছিল। ইয়াত কৃষ্ণৰ জন্মৰপৰা বৈকুণ্ঠ প্ৰয়াণলৈকে সকলো কথাৰ বৰ্ণনা আছে। *মহাভাৰতৰ* আদিপৰ্বৰপৰা বিষয়বস্তু গ্ৰহণ কৰি তেওঁ *শকুন্তলা কাব্য* ৰচনা কৰিছিল। ইয়াৰ আখ্যানবোৰৰ লগত কালিদাসৰ *অভিজ্ঞান শকুন্তলম্* নাটৰ মিল আছে। ১৭২৬ খৃষ্টাব্দত *ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ* প্ৰকৃতিখণ্ডত থকা দানৱৰাজ শঙ্খচূড় আৰু সতী তুলসীৰ কাহিনীৰে *শঙ্খচূড় বধ কাব্য* ৰচনা কৰিছিল। কাব্যখনৰ ঠায়ে ঠায়ে আদিৰসাত্মক বিৱৰণ পোৱা যায়।

কবিৰাজ চক্ৰৱৰ্তীয়ে ভালেমান গীতো ৰচনা কৰিছিল। ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ গীত থকা পুথিখনৰ কেইবাটিও গীত তেওঁ ৰচনা কৰা।

**অনন্ত আচাৰ্য দ্বিজ :** অনন্ত আচাৰ্য দ্বিজৰ পৃষ্ঠপোষক আছিল শিৱসিংহ ৰজা আৰু তেওঁৰ ৰাণী প্ৰমথেশ্বৰী। ৰজা-ৰাণীৰ অনুপ্ৰেৰণাতে তেওঁ *সৌন্দৰ্য লহৰীৰ* অনুবাদ *আনন্দ-লহৰী* নামেৰে ৰচনা কৰিছিল।

**কবিচন্দ্ৰ দ্বিজ ঃ** শিৱসিংহ, ৰাণী অম্বিকা আৰু পুত্ৰ টিপাম ৰজা উগ্ৰসিংহৰ অনুপ্ৰেৰণাত কবিচন্দ্ৰ দ্বিজে *কূৰ্মপুৰাণ*ৰ পদ ভাঙনি কৰিছিল। ভাঙনিটিত শ্ৰাদ্ধ-তৰ্পণ, ব্ৰত, উপবাস আদি হিন্দুধৰ্মৰ নানা কৰ্মৰ বৰ্ণনা পোৱা যায়।

**দ্বিজ ৰমানন্দ ঃ** শিৱসিংহ আৰু ৰাণী প্ৰমথেশ্বৰীৰ সময়ত দ্বিজ ৰমানন্দই উষাগীত ৰচনা কৰিছিল। কাব্যখনত পীতাম্বৰ কবিৰ *উষা পৰিণয়* কাব্যৰ প্ৰভাৱ পৰিলক্ষিত হয়। তেওঁ শিৱসিংহ আৰু ৰাণী অম্বিকাৰ অনুপ্ৰেৰণাত *মহাভাৰত*ৰ উদ্যোগপৰ্বৰো পদ ভাঙনি কৰিছিল।

**সুকুমাৰ বৰকাথ ঃ** আহোম যুগতে ব্যৱহাৰিক সাহিত্যৰো সৃষ্টি হৈছিল। এই শ্ৰেণীৰ এখনি উল্লেখযোগ্য গ্ৰন্থ হ'ল সুকুমাৰ বৰকাথৰ *হস্তিবিদ্যাৰ্ণৱ-সাৰ-সংগ্ৰহ*। মহাৰাজ শিৱসিংহ আৰু ৰাণী অম্বিকাৰ আদেশক্ৰমে বৰকাথে এই পুথিখন ৰচনা কৰিছিল। হস্তীৰ প্ৰকৃতি, প্ৰকাৰ, বেমাৰ-আজাৰ আৰু তাৰ প্ৰতিকাৰৰ বিধান পুথিখনত বৰ্ণনা কৰা আছে।

**ৰুচিনাথ কন্দলি ঃ** ৰুচিনাথ কন্দলিয়ে *মাৰ্কণ্ডেয় চণ্ডী* আৰু *কল্কি পুৰাণ* ৰচনা কৰিছিল। তেওঁ আহোম ৰজা ৰাজেশ্বৰ সিংহৰ আমোলৰ কবি। *মাৰ্কণ্ডেয় চণ্ডী*ৰ মূল *মাৰ্কণ্ডেয় পুৰাণ* যদিও *মাৰ্কণ্ডেয় পুৰাণ*ত নথকা বিষয়বস্তু *কালিকাপুৰাণ*, *বামনপুৰাণ* আৰু *ব্ৰহ্মবৈৱৰ্ত পুৰাণ*ৰ পৰা সংগ্ৰহ কৰি সম্পূৰ্ণ কৰিছিল। কাব্যখনত কবিয়ে আত্মপৰিচয় উপস্থাপন কৰিছে।

**লক্ষ্মীনাথ দ্বিজ ঃ** লক্ষ্মীনাথে *মহাভাৰত*ৰ শান্তিপৰ্বৰ ৰাজধৰ্ম আৰু আপদ্ধৰ্ম খণ্ডৰ অসমীয়া ভাঙনি কৰিছিল। কাব্যত তেওঁ নিজকে কামৰূপৰ হেলেচা গাঁৱৰ সৰ্বানন্দৰ নাতি বুলি পৰিচয় দিছে।

**বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচাৰ্য ঃ** ৰাজেশ্বৰ সিংহৰ তনয় চাৰুসিংহ আৰু তেওঁৰ পত্নী প্ৰেমদাৰ আজ্ঞানুসৰি কবিশেখৰ ভট্টাচাৰ্যই *হৰিবংশ*ৰ পদ ভাঙনি কৰিছিল। নানা কথা সংমিশ্ৰণ কৰি তেওঁ এই কাব্যখন ৰচনা কৰিছিল।

এই কবি-সাহিত্যিকসকলৰ উপৰি আহোম ৰজাৰ অনুপ্ৰেৰণা বা পৃষ্ঠপোষকতাত সেই সময়ত আন ভালেমান সাহিত্যিকে সাহিত্য চৰ্চা কৰিছিল। ভোলানাথ দ্বিজে শিৱসিংহৰ আদেশত *শল্য পৰ্ব*ৰ পদ ভাঙনি কৰিছিল। দুৰ্গেশ্বৰ দ্বিজে *ব্ৰহ্মবৈৱৰ্ত পুৰাণ*ৰ প্ৰকৃতি খণ্ডৰ পদ ৰচিছিল। তেওঁৰ সময় সঠিকভাৱে জনা নাযায়। কমলেশ্বৰ সিংহৰ দিনত ৰাজমাওৰ আজ্ঞানুসৰি *বালীশ* উপাধিৰ এজন পণ্ডিতে *নীতি-লতাঙ্কুৰ* নামৰ গদ্য পুথি এখন ৰচনা কৰিছিল। কমলেশ্বৰ সিংহৰ দিনত পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পৃষ্ঠপোষকতাত শ্ৰীমন্ত সূৰ্যবিপ্ৰই তুলসীদাসৰ *ৰামচৰিত মানস* অনুবাদ কৰিছিল। প্ৰতাপবল্লভ (কলিয়াভোমোৰা) মন্ত্ৰীৰ আদেশক্ৰমে পৃথুৰাজ দ্বিজে *মহাভাৰত*ৰ মুষল পৰ্ব, মহাপ্ৰস্থানিব পৰ্ব আৰু স্বৰ্গাৰোহণ পৰ্বৰ পদ ৰচনা কৰিছিল।

এই সাহিত্যৰাজিৰ উপৰি আহোম যুগত নাট আৰু বুৰঞ্জী সাহিত্যৰো সৃষ্টি হৈছিল। নাটসমূহৰ সৰহভাগেই পোৱা নাযায়। যিসমূহ পোৱা গৈছে সেইসমূহৰ ভিতৰত কমলেশ্বৰ সিংহৰ দিনৰ ভৱকান্ত বিপ্ৰ মহন্তৰ *সম্বৰাসুৰ বধ* আৰু চন্দ্ৰকান্ত সিংহই লিখোৱা লক্ষ্মীকান্ত মহন্তৰ *কুমাৰ হৰণ* বা *হৰিহৰৰ যুদ্ধ* অন্যতম। সেইসময়ত সংস্কৃত নাট কেইখনমানো ৰচিত হৈছিল। এই নাটসমূহৰ ভিতৰত লক্ষ্মীসিংহৰ দিনত লেখা *ধৰ্মোদয়*, প্ৰমত্তসিংহৰ দিনত ৰচিত বিদ্যাপঞ্চাননৰ *শ্ৰীকৃষ্ণ-প্ৰয়াণ*, শিৱসিংহ আৰু ফুলেশ্বৰীৰ অনুপ্ৰেৰণাত ৰচিত *কাম-কুমৰ-হৰণ*, কমলেশ্বৰ সিংহৰ দিনৰ *বিঘ্নেশ-জন্মোদয়*, প্ৰতাপবল্লভৰ অনুপ্ৰেৰণাত ৰচিত *শঙ্খচূড় বধ* আদি উল্লেখযোগ্য।

আহোম যুগৰ শ্ৰেষ্ঠ সাহিত্যিক অৱদান হ'ল বুৰঞ্জী সাহিত্য। এই বিষয়ে পৰৱৰ্তী বিভাগত বিস্তৃতভাৱে আলোচনা দাঙি ধৰা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

আহোম ৰাজপৃষ্ঠপোষকতাত কি কি বিষয়ৰ সাহিত্য-চৰ্চা হৈছিল? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ১.৭ সাৰাংশ (Summing up)

এই বিভাগটি শঙ্কৰোত্তৰ কালত বিভিন্ন ৰাজপৃষ্ঠপোষকতাত সৃষ্টি হোৱা সাহিত্যৰাজিৰ বিষয়ে আলোচনা কৰা হৈছে। কোচবিহাৰৰ ৰাজপৃষ্ঠপোষকতাৰ লগতে দৰঙী ৰাজপৃষ্ঠপোষকতা, আহোম ৰাজপৃষ্ঠপোষকতা আৰু সমসাময়িক অন্যান্য ৰজাসকলৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা সাহিত্যৰাজিয়ে এই আলোচনাত ঠাই পাইছে। সপ্তদশ শতিকাত আৰম্ভ হৈ অষ্টাদশ শতিকাত পৰিপূৰ্ণতা লাভ কৰা আহোম ৰাজপৃষ্ঠপোষকতাই বিভিন্ন দিশত গুৰুত্ব লাভ কৰিছিল। শঙ্কৰদেৱৰ সময়ত বিস্তাৰ লাভ কৰা বৈষ্ণৱ আদৰ্শৰ সাহিত্য সৃষ্টি হোৱাৰ লগতে আহোম ৰাজপৃষ্ঠপোষকতাত অন্যান্য নতুন দিশে সাহিত্যত ঠাই পাইছিল। এই ক্ষেত্ৰত বুৰঞ্জী সাহিত্য বিশেষ উল্লেখযোগ্য।

## ১.৮ আৰ্হি প্ৰশ্ন ( Sample Questions)

১) ৰাজপৃষ্ঠপোষকতাত শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য— এই বিষয়ক এটি প্ৰবন্ধ যুগুত কৰক।

২) অসমীয়া সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত কোচ ৰাজপৃষ্ঠপোষকতাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

৩) দৰঙী ৰাজপৃষ্ঠপোষকতাত গঢ় লৈ উঠা অসমীয়া সাহিত্যৰ এটি চমু পৰিচয় দাঙি ধৰক।

৪) আহোম ৰাজপৃষ্ঠপোষকতাৰ পটভূমি সম্পৰ্কে আলোচনা কৰি পৃষ্ঠপোষক ৰজাসকলৰ পৰিচয় দাঙি ধৰক।

৫) আহোম ৰাজপৃষ্ঠপোষকতা লাভ কৰা কবি-সাহিত্যিকসকলৰ সাহিত্য কৃতিৰ বিষয়ে আলোচনা কৰক।

৬) আহোম ৰাজপৃষ্ঠপোষকতাত উদ্ভৱ হোৱা সাহিত্যৰ নতুন ৰূপবোধৰ বিষয়ে আলোচনা দাঙি ধৰক।

## ১.৯ প্ৰসংগ গ্ৰন্থ ( References/Further Readings)


ডিম্বেশ্বৰ নেওগ : *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*

নবীন চন্দ্ৰ শৰ্মা : *পুৰণি অসমীয়া সাহিত্যৰ সৌৰভ*

বসন্ত কুমাৰ ভট্টাচাৰ্য্য : *মধ্যযুগৰ সাহিত্য*

মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

লক্ষ্মীকান্ত মহন্ত : *অসমীয়া সাহিত্য অধ্যয়ন*

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*

হেমন্ত কুমাৰ শৰ্মা : *অসমীয়া সাহিত্যত দৃষ্টিপাত*

Banikanta Kakati (Ed.) : *Aspects of Early Assamese Literature*

B.K. Baruah : *History of Assamese Literature*


●●●

## দ্বিতীয় বিভাগ

## শঙ্কৰোত্তৰ সাহিত্যত নতুন ৰূপৰ অভ্যুদয়

বিভাগৰ গঠন :

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ সাধাৰণ পৰিচয় আৰু পটভূমি
২.৪ চৰিত সাহিত্য
২.৫ আদিৰসাত্মক সাহিত্য
২.৬ শাক্ত সাহিত্য
২.৭ বুৰঞ্জী সাহিত্য
২.৮ ব্যৱহাৰিক সাহিত্য
২.৯ চুক্তিমূলক সাহিত্য
২.১০ সাৰাংশ (Summing up)
২.১১ আৰ্হি প্ৰশ্ন (Sample Questions)
২.১২ প্ৰসংগ গ্ৰন্থ (References/Further Readings)

### ২.১ ভূমিকা (Introduction)

সপ্তদশ শতিকালৈকে অসমীয়া সাহিত্যত যি সাহিত্য কৰ্মৰ সৃষ্টি হৈছিল সেই সমূহৰ বিষয়বস্তু আছিল বৈষ্ণৱ আদৰ্শযুক্ত। এই সাহিত্যৰাজি পদত ৰচিত হৈছিল। ষোড়শ শতিকাৰ শেষভাগ আৰু সপ্তদশ শতিকাৰ আদিভাগত ভট্টদেৱৰ হাতত অসমীয়া গদ্যই পূৰ্ণৰূপ লাভ কৰে। কিন্তু তেওঁৰ বিষয়বস্তু বৈষ্ণৱ আদৰ্শৰ চাৰিসীমাৰ বাহিৰলৈ যোৱা নাছিল। সপ্তদশ শতিকাৰ অসমীয়া সাহিত্যত সম্পূৰ্ণ নতুন বিষয়বস্তুৰে চৰিতপুথিসমূহে ভুমুকি মাৰে। আহোম ৰাজপৃষ্ঠপোষকতাত বৈষ্ণৱ আদৰ্শৰ সম্পূৰ্ণ বিপৰীতে আদিৰসাত্মক কাব্য আৰু শাক্তধৰ্মী সাহিত্যৰ সৃষ্টি হয়। সেই সময়ছোৱাতে নতুন বিষয়বস্তুৰে সাহিত্যৰ আন কেইটামান নতুন ৰূপৰ আগমন হয়। বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য, চুক্তিমূলক সাহিত্য আদি নতুন ৰূপৰ আগমনেৰে অসমীয়া সাহিত্যই এক বিস্তাৰিত ৰূপ লাভ কৰে। এই বিভাগটিত এই নতুন ৰূপবোৰৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- শঙ্কৰোত্তৰ যুগত অসমীয়া সাহিত্যত অভ্যুদয় হোৱা নতুন ৰূপসমূহৰ পটভূমি সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।

- চৰিত সাহিত্য সৃষ্টিৰ পটভূমি সম্পৰ্কে আভাস পাব।
- শঙ্কৰোত্তৰ যুগত গা কৰি উঠা আদিৰসাত্মক কাব্যসমূহৰ লগত পৰিচিত হ'ব পাৰিব।
- আহোম ৰাজপৃষ্ঠপোষকতাত সৃষ্টি হোৱা শাক্ত সাহিত্যৰ বিষয়ে জানিব পাৰিব।
- আহোমসকলৰ অসমীয়া সাহিত্যলৈ মূল্যবান অৱদান বুৰঞ্জী সাহিত্যৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- এই সময়ছোৱাতে উদ্ভৱ হোৱা ব্যৱহাৰিক সাহিত্য আৰু চুক্তীমূলক সাহিত্যৰ পৰিচয় লাভ কৰিব পাৰিব।

## ২.৩ সাধাৰণ পৰিচয় আৰু পটভূমি

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ পৰৱৰ্তী কালত সপ্তদশ শতিকাৰ আৰম্ভণিতে উদ্ভৱ হৈ বিকাশ লাভ কৰা দুবিধ উল্লেখযোগ্য সাহিত্য হ'ল ঃ গদ্য সাহিত্য আৰু চৰিত পুথি। মহাপুৰুষ শঙ্কৰদেৱৰ অংকীয়া নাটত অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন পোৱা যায় যদিও সেই গদ্যক আমি প্ৰকৃত গদ্য বুলি ক'ব নোৱাৰোঁ। ভট্টদেৱৰ হাততহে প্ৰকৃত অসমীয়া গদ্যৰ সৃষ্টি হয়। দামোদৰদেৱে ভট্টদেৱক স্ত্ৰী-শূদ্ৰে বুজিব পৰাকৈ কথাত ভাগৱত ৰচনা কৰিবলৈ কৈছিল। ইয়াৰ প্ৰধান কাৰণ আছিল সৰ্বসাধাৰণে গদ্যভংগীতহে কথা কয়। গতিকে কথনভংগী অনুসৰি সাহিত্য সৃষ্টি কৰিলেহে সকলোৱে বুজাত সুবিধা হ'ব। ভট্টদেৱৰ আগতে উত্তৰ ভাৰতৰ কোনো প্ৰান্তীয় ভাষাত গদ্য সাহিত্যৰ সৃষ্টি হোৱা নাছিল।

ভট্টদেৱৰ প্ৰকৃত নাম আছিল বৈকুণ্ঠনাথ ভট্টাচাৰ্য্য। তেওঁ ১৫৫৮ খৃষ্টাব্দত জন্ম লাভ কৰে আৰু মৃত্যু হয় ১৬৩৮ খৃষ্টাব্দত। ভট্টদেৱে কথাত *কথা-ভাগৱত*, *কথা-গীতা* আৰু *কথা-ৰত্নাৱলী* ৰচনা কৰিছিল। এই গ্ৰন্থ কেইখনৰ উপৰি তেওঁ অসমীয়াত *শৰণ মালিকা*, *গুৰু বংশাৱলী*, *প্ৰসঙ্গমালা* আৰু সংস্কৃতত ভক্তিসাৰ আৰু ভক্তি বিবেক ৰচনা কৰিছিল। কিন্তু ভট্টদেৱৰ কীৰ্তিচিহ্ন হ'ল কথাত লেখা ভাগৱত, *গীতা* আৰু ৰত্নাৱলী। *কথা* ভাগৱত ৰচনা কৰোঁতে ভট্টদেৱে ভাগৱতৰ কোনো অধ্যায়কে বাদ দিয়া নাই। প্ৰত্যেক অধ্যায়ৰে বিষয়বস্তুক সংক্ষেপে বৰ্ণনা কৰিছে। *কথা-গীতাত* শঙ্কৰদেৱ, ভাস্কৰদেৱ, দামোদৰদেৱ আৰু শ্ৰীধৰৰ টীকা সামৰি লৈছিল যদিও ভক্তি প্ৰধান শ্ৰীধৰৰ টীকাকে মূল হিচাপে গ্ৰহণ কৰিছিল। শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱ এওঁৰ গ্ৰন্থত সুস্পষ্ট ৰূপত দেখা যায়।

ভট্টদেৱৰ গদ্যত ব্যৱহাৰ হোৱা বাক্যবোৰ চুটি চুটি। শব্দ বিন্যাসৰ প্ৰণালী নিখুঁত আৰু বিশুদ্ধ ব্যাকৰণৰ প্ৰয়োগ হৈছিল। তৎসম, তদ্ভৱ শব্দৰ প্ৰয়োগ বেছি। কোনো কোনোৰ মতে তেওঁৰ গদ্য সংস্কৃতগন্ধীয়া হৈ পৰিছে। অৱশ্যে ভাগৱত, *গীতা* অথবা ভক্তি ৰত্নাৱলীৰ নিচিনা দাৰ্শনিক তত্ত্ব প্ৰধান গ্ৰন্থ সংস্কৃত শব্দৰ প্ৰয়োগেহে

অৰ্থপূৰ্ণ কৰিব পাৰে। গদ্যত ৰচনা কৰিলেও বাক্যবোৰ অন্ত্যানুপ্ৰাস আৰু লয়যুক্ত শব্দবিন্যাসৰ বাবে ই ঠায়ে ঠায়ে পদ্যধৰ্মী হৈ পৰিছে— বিশেষকৈ ভাগৱতৰ ক্ষেত্ৰত।

আগৰ বিভাগতে আলোচনা কৰা হৈছে যে কোচৰজা নৰনাৰায়ণৰ পিছত কোচবিহাৰে অসমীয়া সাহিত্য-চৰ্চা কেন্দ্ৰৰ মৰ্যাদা হেৰুৱায়। সেই সময়ত অৰ্থাৎ মাধৱদেৱৰ তিৰোধানৰ পাছৰ এশ বছৰত যি সাহিত্য গঢ়ি উঠিছিল সেই সাহিত্য সৃষ্টি হৈছিল বৈষ্ণৱ সত্ৰ আৰু সমাজতহে, ৰাজ পৃষ্ঠপোষকতাত নহয়। অৱশ্যে সেই সময়তো ৰাজপৃষ্ঠপোষকতাত সাহিত্য ৰচনা হৈ আছিল। গদ্য সাহিত্যৰ বিকাশৰ লগতে *মহাভাৰত, ৰামায়ণ, ভাগৱত* আৰু অন্যান্য পুৰাণৰ আংশিক অনুবাদ, অংকীয়া নাট, গীত আদি ৰচনাৰ ধাৰা চলি আছিল। ইতিমধ্যে বিস্তৃতি লাভ কৰা সত্ৰ অনুষ্ঠানৰ শাখা-প্ৰশাখাসমূহত মহাপুৰুষসকলৰ চৰিত্ৰ-কীৰ্ত্তন নিত্য-নৈমিত্তিক প্ৰসংগৰ অন্তৰ্ভুক্ত হৈ পৰিল। মহাপুৰুষসকলৰ চৰিত্ৰ বৰ্ণনা কৰা পৰম্পৰা এটি গা কৰি উঠাৰ ফলত সপ্তদশ শতিকাৰ দ্বিতীয়-তৃতীয় দশকমানত চৰিত সাহিত্যৰ জন্ম হ'ল। অষ্টাদশ শতিকাত এই সাহিত্যই বিস্তৃতি লাভ কৰে।

কোচৰজা নৰনাৰায়ণৰ মৃত্যুৰ পাছৰপৰাই কোচবিহাৰত সাহিত্য-চৰ্চাৰ প্ৰকোপ কমি সপ্তদশ শতিকাত ই নিৰ্বাপিত হৈ পৰে। সেই শতিকাতে আহোম ৰজাৰ পৃষ্ঠপোষকতাত সাহিত্য চৰ্চা আৰম্ভ হৈ অষ্টাদশ শতিকাত ই পূৰ্ণ বিকশিত ৰূপ লাভ কৰে। প্ৰথম অৱস্থাত আহোম ৰজাসকল হিন্দুধৰ্মী নাছিল। গতিকে তেওঁলোকে হিন্দুধৰ্মী সাহিত্য সৃষ্টিত উৎসাহ দেখুওৱা নাছিল। কিন্তু লাহে লাহে তেওঁলোক হিন্দু ভাবাপন্ন হৈ পৰাত হিন্দু ধৰ্ম বিস্তাৰত সহায়ক হয়। আহোম ৰজা জয়ধ্বজ সিংহই (১৬৪৫-৬৩) পোনপ্ৰথমে হিন্দু ধৰ্ম গ্ৰহণ কৰাত হিন্দু পণ্ডিতসকলে সাহিত্য চৰ্চাৰ বাতাবৰণ লাভ কৰে। স্বৰ্গদেউ ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪) শাক্ত ধৰ্মত দীক্ষা লোৱা নাছিল যদিও অনুৰাগী আছিল। তেওঁ পুতেক কেইজনক শাক্তধৰ্মত দীক্ষা দিয়াইছিল। তেওঁলোকৰ অনুপ্ৰেৰণাতে শাক্ত সাহিত্যই গা কৰি উঠে। আহোম ৰজাসকলৰ ভিতৰত ৰুদ্ৰসিংহ, শিৱসিংহ আদি ৰজা ৰসিক আৰু বিলাসী আছিল। তেওঁলোকে সততে বিলাসী জীৱন-যাপন কৰিছিল। ৰাজভৱনত বিলাসী জীৱনৰ লগত খাপখোৱা আদিৰসাত্মক বা কামোদীপক বিষয়বস্তুৱে তেওঁলোকক আকৰ্ষণ কৰিছিল আৰু পণ্ডিতসকলক তেনেকুৱা বিষয়বস্তুৰে গ্ৰন্থ ৰচনা কৰিবলৈ আজ্ঞা দিছিল। ফলত বৈষ্ণৱ কাব্যৰ সংযম, ইন্দ্ৰিয়বিমুখিতা আৰু ভক্তি প্ৰাবল্যৰ বিষয়বস্তুৰ বিপৰীতে আদিৰসাত্মক প্ৰধান এক শ্ৰেণীৰ সাহিত্যই গা কৰি উঠে। এই শ্ৰেণীৰ সাহিত্যত পুৰাণ আদিৰ শৃংগাৰ ৰসাত্মক বিষয়বস্তুৱে ঠাই পাইছিল।

প্ৰথম অৱস্থাৰ পৰাই আহোম ৰজাসকলে তেওঁলোকৰ ৰাজকাৰ্যৰ ঘটনাদি লিপিবদ্ধ কৰাৰ নিয়ম আছিল। সেই কাৰ্যৰ গইনালৈয়ে বুৰঞ্জী সাহিত্য ঠন ধৰি উঠে। সপ্তদশ শতিকাতে বুৰঞ্জী সাহিত্যৰ জন্ম হ'লেও অষ্টাদশ শতিকাতহে ব্যাপকভাৱে বুৰঞ্জী সাহিত্য ৰচিত হৈছিল। ৰাজপৃষ্ঠপোষকতাত ৰচিত হোৱা অন্য এবিধ সাহিত্য হ'ল— ব্যৱহাৰিক সাহিত্য। অংক, জ্যোতিষ, চিকিৎসা, নীতি আৰু তন্ত্ৰ-মন্ত্ৰ বিষয়ক এই শ্ৰেণীৰ পুথি ৰজাঘৰীয়া সাহায্যত ৰচিত হৈছিল।

পশ্চিমৰ মুছলমানসকলে সঘনে আহোম ৰাজ্য আক্ৰমণ কৰিছিল। ইয়াৰ ফলত মোগল আৰু আহোমৰ মাজত সাংস্কৃতিক বিনিময় হয়। অসম আক্ৰমণ কৰিবলৈ অহা বহুতো মুছলমান অসমত ৰৈ যায় আৰু অসমৰ সংস্কৃতি গ্ৰহণ কৰি অসমীয়া হৈ পৰে। তেওঁলোকে লগত লৈ অহা বহুতো সাংস্কৃতিক উপাদান অসমীয়া সংস্কৃতিৰ অংগ হৈ পৰে। তাৰ ফলত ইছলামৰ আচাৰ-নীতি, তত্ত্ব আদিও অসমীয়া সাহিত্যত সোমাই পৰি এক শ্ৰেণীৰ সাহিত্য সৃষ্টি হয়। এই শ্ৰেণীৰ সাহিত্যকে 'চুফীমূলক সাহিত্য' বুলি অভিহিত কৰিব পাৰি।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে ভট্টদেৱে যদিও গদ্য সাহিত্য সৃষ্টি কৰিছিল, সেই সাহিত্যই কিন্তু বৈষ্ণৱ সাহিত্যৰ আদৰ্শৰ আওতাৰপৰা ফালৰি কাটি যোৱা নাছিল। সম্পূৰ্ণ বৈষ্ণৱ আদৰ্শেৰে ভট্টদেৱে তেওঁৰ *কথা-ভাগৱত*, *কথা-গীতা* আৰু *কথা-ৰত্নাৱলী* ৰচনা কৰিছিল। গদ্যক তেওঁ সাহিত্যৰ মাধ্যম হিচাপেহে গ্ৰহণ কৰিছিল। কিন্তু শঙ্কৰোত্তৰ যুগত কেইটামান বিষয়বস্তুৱে নতুন ৰূপ লৈ সাহিত্যত আত্মপ্ৰকাশ কৰিছিল। এই যুগত অভ্যুদয় হোৱা নতুন ৰূপবোৰ হ'ল ঃ ১। চৰিত সাহিত্য ২। আদিৰসাত্মক সাহিত্য, ৩। শাক্ত সাহিত্য, ৪। বুৰঞ্জী সাহিত্য, ৫। ব্যৱহাৰিক সাহিত্য আৰু ৬। চুফীমূলক সাহিত্য।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া সাহিত্যত ভট্টদেৱৰ বিশেষত্ব কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ২.৪ চৰিত সাহিত্য

খৃষ্টাব্দ সপ্তদশ শতিকাৰ অসমীয়া সাহিত্যৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল চৰিত সাহিত্যৰ উৎপত্তি। বৈষ্ণৱ ভক্তসকলে শঙ্কৰ, মাধৱপ্ৰমুখ্যে অন্যান্য গুৰুসকলক ঈশ্বৰৰ অংশ ৰূপে গণ্য কৰিছিল। তেওঁসকলৰ জীৱনী আৰু কাৰ্যকলাপসমূহৰ বৰ্ণনা কাৰ্য ধৰ্মীয় কৰ্মৰূপে গণ্য কৰা হৈছিল। পৰম্পৰাগতভাৱে প্ৰচলিত এই কাৰ্যক 'চৰিত

তোলা প্ৰথা' বোলা হয়। গুৰু চৰিত অনুসৰি মাধৱদেৱে প্ৰথমতে চৰিত তোলা প্ৰথাৰ প্ৰচলন কৰায়। তাৰ পাছৰপৰাই এই প্ৰথা বৈষ্ণৱ ভক্ত সমাজত বিয়পি পৰে আৰু চৰিত পুথি লিখাৰ পৰম্পৰা আৰম্ভ হয়। বেছিভাগ চৰিত পুথিয়েই পদ্যত ৰচিত যদিও গদ্যত লেখা চৰিত পুথিও কেইখনমান পোৱা যায়। চৰিত পুথি দুই ধৰণৰ পোৱা যায়— প্ৰথমবিধত কোনো এজন সন্ত-মহাপুৰুষৰ জন্মৰপৰা মৃত্যুলৈ কাৰ্যাৱলী বৰ্ণনা কৰা থাকে আৰু আনবিধত একাধিক সন্তৰ গুণ আৰু কৰ্মৰ বৰ্ণনা কৰা হয়।

চৰিত পুথিবোৰক জীৱনী কাব্য বুলিও অভিহিত কৰিব পৰা যায়। কিন্তু পুথিবোৰত আজিকালিৰ জীৱনী সাহিত্যবোৰৰ দৰে নায়কৰ দুৰ্বলতাসমূহক স্থান দিয়া হোৱা নাই। সন্ত-মহাপুৰুষসকলৰ আদৰ্শাত্মক ৰূপটোহে এই পুথিবোৰত স্থান পাইছে। তাকে কৰিবলৈ যাওঁতে চৰিতকাৰসকলে ঐশ্বৰিক কাৰ্যকলাপ আৰু অলৌকিক ঘটনাবো অৱতাৰণা কৰিছে। চৰিতকাৰসকলে চৰিতপুথিসমূহৰ যোগেদি ধৰ্মীয় বিশ্বাস, নিষ্ঠা, নীতি আৰু আচাৰ সম্পৰ্কে শিক্ষা দিবলৈ যত্ন কৰিছিল। তদুপৰি ইবোৰৰ যোগেদি বৈষ্ণৱ ধৰ্মৰ উত্থান-পতন, ধৰ্মীয় অনুষ্ঠানসমূহৰ প্ৰসাৰ, সামাজিক অৱস্থা, ৰাজবংশৰ প্ৰভাৱ আদি ভালেমান সামাজিক আৰু সাংস্কৃতিক দিশৰ বিষয়ে জানিব পাৰি ।

চৰিতকাৰসকলৰ ভিতৰত ৰামচৰণ ঠাকুৰ, ভূষণ দ্বিজ, দৈত্যাৰি ঠাকুৰ, কৃষ্ণভাৰতী, কৃষ্ণাচাৰ্য, ৰামানন্দ দ্বিজ, ৰামৰায়, বৈকুণ্ঠনাথ দ্বিজ, ৰমানন্দ আদি উল্লেখযোগ্য। চৰিত সাহিত্যৰ অন্যান্য দিশ আৰু বিভিন্ন চৰিত সাহিত্যৰ বিষয়ে পৰৱৰ্তী বিভাগত আলোচনা কৰা হৈছে।

আত্মমূল্যায়ন প্ৰশ্ন

চৰিত তোলা প্ৰথা বুলিলে কি বুজায়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ২.৫ আদি ৰসাত্মক সাহিত্য

আহোম ৰজাসকলৰ ভিতৰত ৰুদ্ৰসিংহ আৰু শিৱসিংহ অতি বিলাসী ৰজা আছিল। এই দুজন ৰজাৰ উদ্যোগতে আদি ৰসাত্মক সাহিত্যই গা কৰি উঠিছিল। প্ৰধানকৈ ৰাজপ্ৰসাদৰ বিলাসী জীৱনৰ লগত খাপ খোৱাকৈ তেওঁলোকে এই শ্ৰেণীৰ সাহিত্য ৰচনা কৰিবলৈ কবি-সাহিত্যিকসকলক অনুপ্ৰাণিত কৰিছিল। এই শ্ৰেণীৰ সাহিত্যত ভক্তি ভাৱৰ লেশ-জোখ পোৱা নাযায়।

আদি ৰসাত্মক কাব্যৰ উল্লেখযোগ্য কবি আছিল কবিৰাজ চক্ৰৱৰ্তী। তেওঁ আহোম যুগৰ শ্ৰেষ্ঠ কবি। কবিৰাজ চক্ৰৱৰ্তীয়ে ৰচনা কৰা *ব্ৰহ্মবৈবৰ্ত পুৰাণ*, *শঙ্খচূড় বধ*, *শকুন্তলা কাব্য*, *গীত-গোবিন্দ* আদি পুথিত শৃংগাৰ ৰসৰ প্ৰাধান্য দেখা পোৱা যায়। *ব্ৰহ্মবৈবৰ্ত পুৰাণ*ত কৃষ্ণৰ জন্মৰপৰা বৈকুণ্ঠপ্ৰয়াণলৈকে বৰ্ণনা আছে যদিও ৰাধা-কৃষ্ণৰ প্ৰেম আৰু ৰাসলীলাৰ বিষয়বস্তুৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰা হৈছে। গ্ৰন্থখনিত ৰাধা-কৃষ্ণৰ বিহাৰ আৰু ৰাস-লীলাৰ কামোত্তেজক বিৱৰণ পোৱা যায়। *ব্ৰহ্মবৈবৰ্ত পুৰাণ*ৰপৰা বিষয়বস্তু লৈ ৰচনা কৰা *শঙ্খচূড়* কাব্যখনতো অধিক ঠাইত শৃংগাৰ ৰসৰ মনোৰম বৰ্ণনা আছে। *মহাভাৰত*ৰপৰা কাহিনীভাগ লৈ ৰচনা কৰা তেওঁৰ অন্য এখন কাব্য *শকুন্তলা কাব্য*তো আদিৰসাত্মক ভাবৰ প্ৰাধান্য মন কৰা যায়। আদিৰসক গুৰুত্ব দিবলৈ তেওঁ অদৰকাৰীভাৱে 'কাম-কলা আখ্যান' কাব্যখনত অন্তৰ্ভুক্ত কৰিছে। শৃংগাৰভাব প্ৰকট কৰাৰ বাবে কাব্যখনত বাৰমাহী শৈলীৰ বিৰহগীতৰ প্ৰয়োগো মন কৰিবলগীয়া। তেওঁৰ দ্বাৰা ৰচিত অন্য এখন কাব্য হ'ল জয়দেৱৰ *গীত-গোবিন্দ*ৰ অনুবাদ।

কবিৰাজ চক্ৰৱৰ্তীৰ উক্ত গ্ৰন্থ কেইখনৰ বাহিৰেও আন কেইখনমান আদি ৰসাত্মক শ্ৰেণীৰ সাহিত্য হ'ল—বলৰাম দ্বিজৰ *ব্ৰহ্মবৈবৰ্ত পুৰাণ*, *কৃষ্ণ জন্মখণ্ড*, দুৰ্গেশ্বৰ দ্বিজৰ *ব্ৰহ্মবৈবৰ্ত পুৰাণ*ৰ 'প্ৰকৃতি খণ্ড', ৰতিকান্ত দ্বিজ আৰু অন্যান্যসকলৰ *ব্ৰহ্মবৈবৰ্ত পুৰাণ* আদি। ৰতিকান্ত দ্বিজে দৰঙৰাজ হয়নাৰায়ণৰ অনুপ্ৰেৰণাত কাব্য ৰচনা কৰিছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

আদিৰসাত্মক কাব্য সৃষ্টিৰ কাৰণ কি? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ২.৬ শাক্ত সাহিত্য

স্বৰ্গদেও জয়ধ্বজ সিংহৰ ৰাজত্ব কালত ৰাজ অনুগ্ৰহ লাভ কৰি হিন্দু ধৰ্মই ৰাজধৰ্মৰূপে প্ৰতিষ্ঠা লাভ কৰে। লগে লগে শাক্ত সাহিত্যৰো উত্থান আৰম্ভ হয়। ইতিমধ্যে বৈষ্ণৱ আন্দোলনে শাক্ত ধৰ্মক বহু পৰিমাণে ম্লান কৰি তুলিছিল। ৰাজ অনুগ্ৰহ লাভ কৰাৰ পিছত শাক্তধৰ্মী গীত-পদ আৰু কাব্য ৰচনা হ'ল যদিও বৈষ্ণৱ সাহিত্যৰ তুলনাত ইয়াৰ পৰিমাণ কিছু কম।

স্বৰ্গদেও ৰুদ্ৰসিংহ আৰু শিৱসিংহই কবিসকলক অনুপ্ৰেৰণা দিয়াৰ লগতে দুয়োজনে দেবী মহিমা বিষয়ক গীত ৰচনা কৰিছিল। আহোম যুগৰ উল্লেখযোগ্য শাক্ত কবিসকল আছিল : অনন্ত আচাৰ্য, ৰুচিনাথ কন্দলী আৰু ৰামচন্দ্ৰ বৰপাত্ৰ।

**অনন্ত আচাৰ্য্য :** ৰজা শিৱসিংহ আৰু বৰৰজা ফুলেশ্বৰীৰ অনুপ্ৰেৰণাত অনন্ত আচাৰ্য্যই *আনন্দ লহৰী* ৰচনা কৰিছিল। কাব্যখনত দেবীৰ মাহাত্ম্য, স্তুতি প্ৰাৰ্থনা, কুণ্ডলিনী শক্তি আদি শাক্তধৰ্মী বিষয়ে স্থান পাইছে। পুথিখনৰ মূল আছিল শঙ্কৰাচাৰ্যৰ *সৌন্দৰ্য-লহৰী*। কবিয়ে অতি দক্ষতাৰে সংস্কৃতৰ তত্ত্ববোৰ অসমীয়ালৈ ভাঙনি কৰিছে। সংস্কৃত সাহিত্যত ভাল জ্ঞান নাথাকিলে পুথিখনত সন্নিবিষ্ট অলংকাৰবোৰ বুজিব পৰা নাযায়।

**ৰুচিনাথ কন্দলি :** ৰুচিনাথ কন্দলিৰ পৃষ্ঠপোষক ৰজা আছিল ৰাজেশ্বৰ সিংহ। তেওঁ ৰচনা কৰা পুথি দুখন— *মাৰ্কণ্ডেয় চণ্ডী* আৰু *কল্কি পুৰাণ*। মাৰ্কণ্ডেয় চণ্ডীৰ মূল *মাৰ্কণ্ডেয় পুৰাণ*। কিন্তু *কালিকা পুৰাণ, বামন পুৰাণ* আৰু *ব্ৰহ্মবৈৱৰ্ত পুৰাণ*ৰপৰাও তেওঁ সমল গ্ৰহণ কৰিছে। কবিয়ে স্থান বিশেষে মূলৰ বিষয়বস্তু লৈ প্ৰয়োজনৰ তাগিদাত অন্য পুৰাণৰপৰা উপাদান লৈ কাব্যখন সম্পন্ন কৰিছে।

**ৰামচন্দ্ৰ বৰপাত্ৰ :** ৰামচন্দ্ৰ বৰপাত্ৰই ৰচনা কৰা *মণিকূট* বা *মাধৱ-বৰ্ণন* পদখনত হয়গ্ৰীৱ মাধৱ মন্দিৰৰ উৎপত্তি, বিগ্ৰহৰ বিৱৰণ, মন্দিৰৰ পূজা অৰ্চনাৰ নিয়ম-বিধি আদিৰ বৰ্ণনা আছে। পুথিখন ৰচনাৰ সময় সপ্তদশ শতিকা। গ্ৰন্থখনত ১১ টা খণ্ড আছে : জন্মখণ্ড, মুক্তিখণ্ড, সাধনখণ্ড, দৰ্শনখণ্ড, মাহাত্ম্যখণ্ড, অৰ্চনাখণ্ড, স্তুতিখণ্ড, পঞ্চতীৰ্থ খণ্ড, পূজাখণ্ড, উৎসৱখণ্ড আৰু ভজনখণ্ড। পুথিখন সংস্কৃত *যোগিনীতন্ত্ৰ*ৰ আধাৰত ৰচিত যদিও কবিয়ে ক্ষেত্ৰ অধ্যয়ন কৰি ইয়াত ভালেমান নিজা বৰ্ণনা যোগ দিছে।

এই শ্ৰেণীৰ আন কেইখনমান পুথি হ'ল— *কালিকা পুৰাণ, গুপ্তমণি, গুণ্ডসাৰ* আদি। পুথি কেইখনৰ লেখক অজ্ঞাত।

**আত্মমূল্যায়ন প্ৰশ্ন**

আহোম যুগত শাক্ত সাহিত্যৰ উদ্ভৱ আৰু বিকাশ হোৱাৰ কাৰণ কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................

..........................................................................

..........................................................................

..........................................................................

..........................................................................

## ২.৭ বুৰঞ্জী সাহিত্য

অসমীয়া সাহিত্যলৈ আহোমসকলৰ শ্ৰেষ্ঠ দান হ'ল বুৰঞ্জী সাহিত্য। ত্ৰয়োদশ শতিকাত চুকাফা অসমত প্ৰৱেশ কৰিয়ে বিভিন্ন ঘটনাসমূহ লিপিবদ্ধ কৰাৰ নিৰ্দেশ দিছিল। তেতিয়াৰপৰাই বুৰঞ্জী লেখাৰ পৰম্পৰা আৰম্ভ হয়। প্ৰথমতে আহোম ভাষাতহে বুৰঞ্জী লেখা হৈছিল। সম্ভৱতঃ সপ্তদশ শতিকাৰ শেষভাগৰপৰা অসমীয়া ভাষাত বুৰঞ্জী লেখা হয়। আহোমসকলে বুৰঞ্জীক পৰম শ্ৰদ্ধাৰ চকুৰে চাইছিল আৰু ৰহস্যময় হিচাপে গণ্য কৰিছিল। বুৰঞ্জীক শিক্ষাৰ এটা উৎস বুলি জ্ঞান কৰিছিল। আনকি বিয়াৰ অনুষ্ঠানত দৰা-কইনাৰ আগত বুৰঞ্জী গোৱাৰ পৰম্পৰা প্ৰচলন আছিল।

আহোম যুগত কিমান বুৰঞ্জী লেখা হৈছিল তাক সঠিকভাৱে ক'ব পৰা নাযায়। বৰ্তমানলৈকে ডেৰশতকৈও অধিক বুৰঞ্জী পুথি উদ্ধাৰ হৈছে। আনহাতে যুদ্ধ-বিগ্ৰহ, ঘৰুৱা বিবাদ, জুই আদিৰদ্বাৰাও বহু বুৰঞ্জী ধ্বংসপ্ৰাপ্ত হৈছিল। এই ক্ষেত্ৰত কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ 'বুৰঞ্জী-দাহ' উল্লেখনীয়। প্ৰথম অসমীয়া বুৰঞ্জী কেতিয়া লেখা হৈছিল সঠিককৈ ক'ব পৰা নাযায়। বৰ্তমানে প্ৰাপ্ত বুৰঞ্জীসমূহৰ ভিতৰত হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা সম্পাদিত *পুৰণি অসম বুৰঞ্জী* আৰু সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত *কাঁহগড়ীয়া আতন বুঢ়াগোহাঁইৰ বুৰঞ্জী*— এই দুয়োখনেই আটাইতকৈ পুৰণি বুলি অনুমান কৰিব পাৰি। সম্ভৱতঃ সপ্তদশ শতিকাৰ শেষ দশকত এই দুখন বুৰঞ্জী লিপিবদ্ধ হৈছিল। অৱশ্যে ইয়াৰ আগতে আহোম ভাষাত বুৰঞ্জী লিখিত হৈছিল। আহোমসকলে অসমীয়া ভাষাক নিজৰ ভাষা হিচাপে গ্ৰহণ কৰাৰ পাছতহে অসমীয়া ভাষাত বুৰঞ্জী ৰচিত হ'বলৈ ধৰে। সপ্তদশ শতিকাত আৰম্ভ হোৱা এই প্ৰক্ৰিয়াই অষ্টাদশ শতিকাত প্ৰতিপত্তি লাভ কৰে।

সূৰ্য্যকুমাৰ ভূঞাদেৱে বিষয়বস্তু অনুসৰি বুৰঞ্জী সাহিত্যক তিনিটা শ্ৰেণীত ভাগ কৰিছে ঃ ভগদত্তৰপৰা আৰম্ভ কৰি চুকাফাৰ সময়লৈকে কামৰূপৰ হিন্দু ৰজাসকলৰ বিক্ষিপ্ত বুৰঞ্জী, ত্ৰয়োদশ শতিকাত চুকাফাৰ আগমনৰপৰা ১৮২৬ চনত আহোম ৰাজত্বৰ পৰিসমাপ্তিলৈ সামৰি আহোম ৰজাৰ বুৰঞ্জী আৰু আহোম ৰাজ্যৰ বাহিৰৰ জয়ন্তীয়া, কছাৰী, ত্ৰিপুৰা, পটিছাহ বুৰঞ্জী সামৰি লোৱা দাঁতিকাষৰীয়া ৰাজ্যৰ বুৰঞ্জী। প্ৰথম শ্ৰেণীৰ বুৰঞ্জী হ'ল সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত কামৰূপৰ *বুৰঞ্জী*। এই শ্ৰেণী বুৰঞ্জীত প্ৰাচীন ৰজাসকলৰ বিষয়ে জনসমাজত প্ৰচলিত প্ৰবাদসমূহে স্থান পাইছে।

### আহোম ৰাজ্যৰ বুৰঞ্জী

এতিয়ালৈকে প্ৰাপ্ত বুৰঞ্জীসমূহৰ ভিতৰত আহোম ৰাজ্যৰ বুৰঞ্জীয়ে সৰহ। বুৰঞ্জীসমূহৰ বিষয়বস্তু বৈশিষ্ট্যপূৰ্ণ। কিছুমান বুৰঞ্জী একোটা ৰাজবংশক লৈ ৰচিত হৈছে। কিছুমান আকৌ একোজন ৰজাক লৈয়ো ৰচিত হৈছে। বিবিধ ঘটনা লৈ লেখা সৰু সৰু বুৰঞ্জীও পোৱা যায়। যুদ্ধৰ সাজ-সজ্জা আৰু আহিলা-পাতিৰ বিৱৰণ থকা বুৰঞ্জী পোৱা গৈছে। কিছুসংখ্যক বুৰঞ্জী আকৌ কাল অনুসৰি আৰম্ভণিৰপৰা আহি এঠাইত ৰৈ গৈছে। বুৰঞ্জী লেখাৰ বাবে গন্ধীয়া ফুকনৰ ভঁৰালত ৰক্ষিত ৰাজকীয় পত্ৰ, বিৱৰণ আদি উৎস

হিচাপে ব্যৱহাৰ কৰা হৈছিল। এই কাৰ্যৰ তত্বাৱধান কৰিছিল আপাতত ৰাজমন্ত্ৰী অথবা আন পাত্ৰসকলে। সেই ডা-ডাঙৰীয়াসকলে নিজৰ বাবেও বুৰঞ্জী লেখাইছিল। এই ক্ষেত্ৰত *সাতসৰী অসম বুৰঞ্জী* আৰু *বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জী* উল্লেখযোগ্য।

আহোম ৰাজ্যৰ বুৰঞ্জীসমূহৰ কেইখনমান উল্লেখযোগ্য বুৰঞ্জীৰ চমু পৰিচয় তলত দাঙি ধৰা হ'ল—

*পুৰণি অসম বুৰঞ্জী* **:** এইখন বুৰঞ্জী পুথিত আহোম ৰাজত্বৰ আৰম্ভণিৰপৰা গদাধৰ সিংহৰ দিনলৈ ঘটনাসমূহৰ বিৱৰণ পোৱা যায়। চুহুমুং দিহিঙীয়া ৰজা, বুঢ়া ৰজা প্ৰতাপ সিংহ, চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালৰ বহুল বৰ্ণনা বুৰঞ্জীখনত পোৱা যায়। শৰাইঘাট যুদ্ধৰ বিস্তৃত বৰ্ণনাও পুথিখনত দিয়া আছে।

*তুংখুঙীয়া বুৰঞ্জী* **:** এই বুৰঞ্জীখনৰ লেখক শ্ৰীনাথ দুৱৰা বৰবৰুৱা। গদাধৰ সিংহৰ দিনৰেপৰা চন্দ্ৰকান্ত সিংহৰ দিনলৈ এই পুথিখনত বৰ্ণনা পোৱা যায়।

*দেওধাই অসম বুৰঞ্জী* **:** এই বুৰঞ্জী পুথিখন *দেওধাই বুৰঞ্জী, বাঁহগড়ীয়া বুৰঞ্জী, দাঁতিয়লীয়া বুৰঞ্জী* আদি কেবাখনো পুথিৰ সমাহাৰ। প্ৰথম আৰু দ্বিতীয়খনত আহোম ৰাজত্বৰ আৰম্ভণি কালৰ বিৱৰণ পোৱা যায়। শেষৰখন দাঁতিকাষৰীয়া ৰাজ্যবোৰৰ লগত আহোম ৰাজ্যৰ ৰাজনৈতিক সম্পৰ্কৰ কথা বৰ্ণনা কৰা হৈছে।

*অসম বুৰঞ্জী* **:** এই বুৰঞ্জীখনত প্ৰাচীন যুগৰপৰা স্বৰ্গদেও গদাধৰ সিংহৰ দিনলৈকে বৰ্ণনা পোৱা যায়। পুথিখন সুকুমাৰ মহন্তৰ ঘৰৰপৰা উদ্ধাৰ হৈছে। অন্য এখন *অসম বুৰঞ্জী*ও পোৱা যায়। এইখনত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনৰপৰা গদাধৰ সিংহৰ দিনলৈকে বিভিন্ন ৰাজনৈতিক ঘটনাৱলীৰ বিৱৰণ পোৱা যায়।

*কামৰূপ বুৰঞ্জী* **:** এই পুথিখনত প্ৰাগ্ আহোম ৰজাসকলৰ কিম্বদন্তিমূলক বিৱৰণ কিছুমানৰ লগত সপ্তম শতিকাৰ আহোম মোগলৰ সংঘৰ্ষৰ বিৱৰণ পোৱা যায়।

*সদৰামীনৰ বুৰঞ্জী* **:** এই বুৰঞ্জী পুথিখন উনবিংশ শতিকাত ৰচিত। হৰকান্ত বৰুৱা সদৰামীনে এই পুথিখন ৰচনা কৰিছিল। আহোম ৰাজত্বৰ প্ৰাৰম্ভৰপৰা শেষলৈকে ঘটা সকলো প্ৰধান ঘটনা চমুকৈ পুথিখনত সন্নিৱিষ্ট কৰা হৈছে।

**দাঁতিকাষৰীয়া ৰাজ্যৰ বুৰঞ্জী**

আহোমৰ দাঁতিকাষৰীয়া ৰাজ্য যেনে— জয়ন্তীয়া, কছাৰী, ত্ৰিপুৰা, মোগল আদি ৰাজ্যৰ লগত ৰাজনৈতিক সম্পৰ্ক আৰু সেই ৰাজ্যবোৰৰ ৰাজনৈতিক কাৰ্যকলাপৰ বৰ্ণনাৰে এই শ্ৰেণীৰ বুৰঞ্জীসমূহ ৰচিত হৈছিল। ই শ্ৰেণীৰ প্ৰধান বুৰঞ্জী পুথিসমূহ হ'ল—

*ত্ৰিপুৰা বুৰঞ্জী* **:** ত্ৰিপুৰা ৰাজ্যৰ ইতিহাস, ৰাজনৈতিক অৱস্থা আৰু আইন-শৃংখলাৰ বিৱৰণ এই পুথিখনত পোৱা যায়। ৰত্ন কন্দলি আৰু অৰ্জুনদাসে এই পুথিখন ৰচনা কৰিছিল। দুয়োজনকে স্বৰ্গদেউ ৰুদ্ৰসিংহই কটকী ৰূপে ত্ৰিপুৰা ৰাজ্যলৈ পঠাইছিল।

*কছাৰী বুৰঞ্জী* : এই পুথিখনত কছাৰী আহোমৰ সংঘৰ্ষৰ বিৱৰণ প্ৰচুৰ পৰিমাণে পোৱা যায়। কছাৰী ৰাজ্য প্ৰতিষ্ঠাৰপৰা ৰজা তাম্ৰধ্বজৰ ৰাজত্বলৈকে বুৰঞ্জীখনে সামৰি লৈছে।

*পাদশাহ বুৰঞ্জী* : আৰম্ভণিৰেপৰা ঔৰংজেবৰ সময়লৈকে মোগল ৰাজত্বৰ বিৱৰণ এই বুৰঞ্জীখনত পোৱা যায়। বিভিন্ন যুদ্ধবোৰৰ বহল বৰ্ণনা এই পুথিখনত আছে। ফাৰ্চী ইতিহাসৰ বহুতো কথা পুথিখনৰপৰা পাব পাৰি।

(বুৰঞ্জী সাহিত্যৰ বিষয়ে এই খণ্ডৰে তৃতীয় বিভাগত বহলভাৱে আলোচনা কৰা হৈছে।)

**আত্মমূল্যায়ন প্ৰশ্ন**

বুৰঞ্জী সাহিত্যৰ বিষয়বস্তু কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

## ২.৮ ব্যৱহাৰিক সাহিত্য

স্বৰ্গদেউ ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ৰাজত্বকালত কেবাখনো ব্যৱহাৰিক জ্ঞানৰ পুথি ৰচনা কৰা হৈছিল। এই পুথিসমূহৰ ভিতৰত উল্লেখযোগ্য পুথি দুখন হ'ল— সুকুমাৰ বৰকাথৰ সচিত্ৰ *হস্তী বিদ্যাৰ্ণৱ* আৰু *ঘোঁৰা নিদান*। শিৱসিংহ আৰু ৰাণী অম্বিকাদেৱীৰ আদেশত বৰকাথে *হস্তি বিদ্যাৰ্ণৱ* পুথিখন লিখিছিল। পুথিখনৰ মূল হ'ল শম্ভুনাথৰ *গজেন্দ্ৰ-চিন্তামণি* নামৰ সংস্কৃত গ্ৰন্থখন। ৰচনাৰ সময় ১৭৩৪ খৃষ্টাব্দ । হাতীৰ শ্ৰেণী, প্ৰকৃতি, বেমাৰ আৰু চিকিৎসাৰ বিষয়ে সুন্দৰভাৱে পুথিখনত বৰ্ণনা কৰা আছে। ১৭৪০ খৃষ্টাব্দত ৰচনা কৰা *ঘোঁৰা নিদান* গ্ৰন্থখনত ঘোঁৰাৰ জাতি, লক্ষণ, বেমাৰ আৰু চিকিৎসাৰ বিৱৰণ পোৱা যায়।

এই শ্ৰেণীৰ আন কেইখনমান উল্লেখযোগ্য পুথি হ'ল— অংকৰ *আৰ্যা, নৃত্য আৰু মুদ্ৰাৰ পুথি*, সুচান্দ ওজাৰ কমৰত্ন-তন্ত্ৰ বাগীশ দ্বিজৰ *নীতি-লতাঙ্কুৰ* আৰু ৰুদ্ৰৰাম দ্বিজৰ *নীতিৰত্ন* । *কামৰত্ন-তন্ত্ৰ* গ্ৰন্থখনত বশীকৰণ, স্তম্ভন, মাৰণ আৰু উচাটন সাধনৰ উপায় বৰ্ণনা কৰা আছে। কমলেশ্বৰ সিংহৰ দিনত বাগীশ দ্বিজে ৰচনা কৰা *নীতি-লতাঙ্কুৰ* পুথিখন *হিতোপদেশৰ* ভাঙনি। ৰাজনীতিৰ প্ৰয়োজনীয় জ্ঞান গ্ৰন্থখনৰ প্ৰতিপাদ্য বিষয়। সাহিত্যিকজনৰ পৃষ্ঠপোষক আছিল হৰনাথ ভিতৰুৱাল ফুকন। ৰুদ্ৰৰাম দ্বিজে কবিশেখৰৰ

সংস্কৃত গ্ৰন্থ *নীতিবজ্ৰ*ৰ ভাঙনি কৰিছিল। গ্ৰন্থখনৰ আহিঁ আছিল *পঞ্চতন্ত্ৰ* আৰু *হিতোপদেশ*। পশু-পক্ষীৰ কাহিনীৰ যোগেদি কাব্যখনত নীতি জ্ঞানৰ পাঠ দিয়া হৈছে।

ব্যৱহাৰিক সাহিত্যবোৰত ব্যৱহাৰিক ভাষা অৰ্থাৎ কথ্য ভাষা প্ৰয়োগ কৰা হৈছিল। আটাইবোৰ পুথিৰে গদ্য বুৰঞ্জীৰ সমপৰ্যায়ৰ।

| |
|---|
| আত্মমূল্যায়ন প্ৰশ্ন<br>ব্যৱহাৰিক সাহিত্য মানে কি? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)<br>..........................................................................................................<br>..........................................................................................................<br>..........................................................................................................<br>..........................................................................................................<br>..........................................................................................................<br>..........................................................................................................<br>..........................................................................................................<br>.......................................................................................................... |

## ২.৯ চুফীমূলক সাহিত্য

আগতে উল্লেখ কৰি অহা হৈছে যে বিভিন্ন ৰাজনৈতিক কাৰণত আহোম আৰু মোগলৰ মাজত সাংস্কৃতিক বিনিময় হৈছিল। বিভিন্ন সময়ত অসমত আক্ৰমণ কৰিবলৈ অহা বহুতো মুছলমান অসমত ৰৈ গৈছিল। তেওঁলোকে অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰাৰ লগে লগে তেওঁলোকৰ সাংস্কৃতিক উপাদানো অসমীয়া সংস্কৃতিত প্ৰৱেশ কৰিছিল। সাহিত্যৰ ক্ষেত্ৰতো সেই সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। মিৰজুমলাৰ লগত ইছলাম ধৰ্মৰ তত্ত্ব প্ৰচাৰ কৰিবলৈ অহা আজান ফকীৰ অসমতে ৰৈ গৈছিল। আজান পীৰে সপ্তদশ শতিকাত অসমীয়া সাহিত্যলৈ জিকিৰ আৰু জাৰি গীতৰ সম্ভাৰ আগবঢ়ায়। জিকিৰবোৰৰ জৰিয়তে ইছলাম ধৰ্মৰ আচাৰ-নীতি আৰু তত্ত্বসমূহ প্ৰকাশ পাইছে। জাৰি গীতবোৰ হাছান-হুছেইনৰ কাৰবালাত ঘটা কৰুণ কাহিনী বৰ্ণনা কৰা কৰুণ ৰসাত্মক গীত।

আন কেইখনমান উল্লেখযোগ্য চুফীমূলক গ্ৰন্থ হ'ল— ৰামদ্বিজৰ *মৃগাৱতী চৰিত*, পশুপতি দ্বিজৰ *চন্দ্ৰাৱলী* আৰু অজ্ঞাত লেখকৰ *মধুমালতী*। আটাইকেইখন কাব্যৰে মূল হ'ল হিন্দী সাহিত্যৰ চুফী কাব্য। *মৃগাৱতী চৰিত* আৰু *মধুমালতী* কাব্যৰ মূল হ'ল ক্ৰমে কুটবনৰ *মৃগাৱতী* আৰু কবি মঞ্চনৰ *মধুমালতী*। কাব্যকেইখনত ভক্তিবাদে আনুষংগিক ৰূপেহে আত্মপ্ৰকাশ কৰিছে। কাহিনীভাগেই ইয়াত প্ৰাধান্য লাভ কৰিছে।

আত্মমূল্যায়ন প্ৰশ্ন

চুক্তীমূলক সাহিত্যৰ মূল বিষয়বস্তু কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ২.১০ সাৰাংশ (Summing up)

ষোড়শ শতিকাৰ শেষ দশক আৰু সপ্তদশ শতিকাৰ প্ৰথম দশকত ভট্টদেৱৰ হাতত অসমীয়া গদ্যাই প্ৰতিষ্ঠা লাভ কৰে। বৈষ্ণৱ আদৰ্শ আগত ৰাখি গদ্যক মাধ্যম হিচাপে লৈ ভট্টদেৱে কাব্য প্ৰণয়ন কৰিছিল। গদ্য সাহিত্যৰ বিকাশৰ পিছতে সেইসময়ত অৰ্থাৎ শঙ্কৰোত্তৰ যুগত অসমীয়া সাহিত্যত নতুন বিষয়বস্তুৰে নতুন ৰূপ কেইটামানৰ উদ্ভৱ হয়ঃ চৰিত সাহিত্য, আদিৰসাত্মক সাহিত্য, শাক্ত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য আৰু চুক্তীমূলক সাহিত্য। বৈষ্ণৱ সত্ৰ আৰু সমাজৰ উদ্যোগত চৰিত সাহিত্যৰ সৃষ্টি হয়। চৰিত পুথিৰ মূল উদ্দেশ্য হ'ল বৈষ্ণৱ সন্ত-মহন্তসকলৰ গুণ- গৰিমা প্ৰকাশ কৰা। সপ্তদশ শতিকাত আহোম ৰাজপৃষ্ঠপোষকতাত বুৰঞ্জী সাহিত্যৰ সৃষ্টি হয়। অষ্টাদশ শতিকাত এই সাহিত্যাই বিকাশৰ পূৰ্ণ ৰূপ লাভ কৰে। আহোম আৰু দাঁতিকাষৰীয়া ৰাজ্যসমূহৰ ৰজা আৰু ৰাজনৈতিক ঘটনাৰ বিৱৰণ এই বুৰঞ্জী পুথিসমূহত পোৱা যায়। আদিৰসাত্মক সাহিত্য, শাক্ত সাহিত্য আৰু ব্যৱহাৰিক সাহিত্যও আহোম ৰজাসকলৰ উদ্যোগতে গঢ় লৈ উঠিছিল। আহোম ৰজা শাক্ত ধৰ্মৰ প্ৰতি অনুৰক্ত হোৱাৰ ফলত শাক্ত সাহিত্যাই গা কৰি উঠিছিল। বিলাস আৰু আড়ম্বৰপূৰ্ণ জীৱন কটোৱা স্বৰ্গদেও ৰুদ্ৰসিংহ আৰু শিৱসিংহই বিলাস পূৰণাৰ্থে পণ্ডিতসকলক আদিৰসাত্মক কাব্য ৰচনাৰ কাৰণে অনুপ্ৰাণিত কৰিছিল। ৰাজনৈতিক কাৰণত মোগল আৰু আহোমৰ মাজত সাংস্কৃতিক বিনিময় ঘটিছিল। তাৰ ফলতে চুক্তীমূলক সাহিত্যাই অসমীয়া সাহিত্যত ভুমুকি মাৰিছিল।

## ২.১১ আৰ্হি প্ৰশ্ন ( Sample Questions)

১) শঙ্কৰোত্তৰ যুগত অসমীয়া সাহিত্যলৈ আগমন ঘটা নতুন ৰূপসমূহৰ এটি পৰিচয় দাঙি ধৰক।

২) শঙ্কৰোত্তৰ যুগত অসমীয়া সাহিত্যত অভ্যুদয় হোৱা নতুন ৰূপসমূহৰ পটভূমি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

৩) চৰিত পুথি উদ্ভৱৰ পটভূমি আলোচনা কৰি এই সাহিত্যৰাজিৰ চমু পৰিচয় দাঙি ধৰক।

৪) আহোম যুগৰ আদি ৰসাত্মক আৰু শাক্ত সাহিত্য সম্পৰ্কে আলোচনা কৰক।

৫) বুৰঞ্জী সাহিত্যৰ ইতিহাস বিচাৰ কৰি এটি আলোচনা যুগুত কৰক।

৬) আহোম ৰাজপৃষ্ঠপোষকতাত উদ্ভৱ হোৱা সাহিত্যৰ নতুন ৰূপবোৰৰ বিষয়ে আলোচনা দাঙি ধৰক।

৭) ব্যৱহাৰিক সাহিত্য আৰু চুক্তিমূলক সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

## ২.১২ প্ৰসংগ গ্ৰন্থ ( References/Further Readings)


ডিম্বেশ্বৰ নেওগ : *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*

নবীন চন্দ্ৰ শৰ্মা : *পুৰণি অসমীয়া সাহিত্যৰ সৌৰভ*

প্ৰবীণ চন্দ্ৰ দাস (সম্পা.) : *মণিকূট*

বসন্ত কুমাৰ ভট্টাচাৰ্য্য : *মধ্যযুগৰ সাহিত্য*

মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

লক্ষ্মীকান্ত মহন্ত : *অসমীয়া সাহিত্য অধ্যয়ন*

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*

হেমন্ত কুমাৰ শৰ্মা : *অসমীয়া সাহিত্যত দৃষ্টিপাত*

Banikanta Kakati (Ed.) : *Aspects of Early Assamese Literature*

B.K. Baruah : *History of Assamese Literature*


●●●

# তৃতীয় বিভাগ

## বুৰঞ্জী সাহিত্য

বিভাগৰ গঠন :


৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ বুৰঞ্জী শব্দৰ অৰ্থ
৩.৪ বুৰঞ্জী আৰু ইতিহাস
৩.৫ অসমত বুৰঞ্জী সাহিত্যৰ পটভূমি
৩.৬ অসমীয়া বুৰঞ্জী সাহিত্য
৩.৬.১ বুৰঞ্জীৰ শ্ৰেণীবিভাগ আৰু সংখ্যা
৩.৬.২ বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য
৩.৬.৩ বুৰঞ্জী সাহিত্যৰ গদ্যৰীতি
৩.৭ দেওধাই অসম বুৰঞ্জী
৩.৭.১ দেওধাই অসম বুৰঞ্জীৰ বিষয়বস্তু
৩.৭.২ দেওধাই অসম বুৰঞ্জীৰ ভাষা
৩.৮ সাৰাংশ (Summing Up)
৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১০ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


### ৩.১ ভূমিকা (Introduction):

বুৰঞ্জী সাহিত্য হৈছে অসমীয়া সাহিত্যলৈ আহোমসকলৰ এক মূল্যবান অৱদান। বুৰঞ্জী ৰচনা কৰা প্ৰথাটো আহোমসকলৰ অতি পুৰণি। ত্ৰয়োদশ শতিকাৰ আদি ভাগতেই আহোমসকলে অসমত পদাৰ্পণ কৰিছিল। সেই সময়ত আহোম স্বৰ্গদেউ আছিল চুকাফা আৰু তেওঁ অসমত প্ৰৱেশ কৰিয়েই লগত অহা পণ্ডিতক বুৰঞ্জী ৰচনা কৰিবলৈ নিৰ্দেশ দিছিল। তেতিয়াৰেপৰা এই ধাৰাটো ঊনবিংশ শতিকাৰ শেষলৈকে ৰজাঘৰীয়া অনুপ্ৰেৰণা আৰু পৃষ্ঠপোষকতাত প্ৰচলিত হৈছিল। একো একোটা ঘটনাক সমল হিচাপে লৈয়ে আহোমসকলে বুৰঞ্জী পুথিসমূহ ৰচনা কৰিবলৈ পণ্ডিতসকলক নিৰ্দেশ দিছিল। তাৰ ভিতৰত ৰজাঘৰীয়া বিবিধ কাম-কাজ, শাসন-ৰীতি, যুদ্ধ-বিগ্ৰহ, ৰাজবিষয়াৰ অৰিয়া-অৰি আৰু সমসাময়িক নানান ঘটনাৰ আধাৰত বুৰঞ্জী পুথিসমূহ ৰচনা কৰা হৈছিল। বুৰঞ্জীক আহোমসকলে পুণ্যবস্তু হিচাপে গ্ৰহণ কৰিছিল আৰু ৰজা তথা ডা-ডাঙৰীয়াৰ সন্তানসকলৰ বাবে ইয়াৰ জ্ঞান লাভ কৰাটো আছিল এটা অপৰিহাৰ্য কথা। আকৌ হিন্দু বিবাহ প্ৰথাত

যিদৰে বেদ-মন্ত্ৰ উচ্চাৰণ কৰা হয় ঠিক তেনেদৰে আহোমসকলে বিবাহ অনুষ্ঠানত বুৰঞ্জী কোৱাটো এটা প্ৰয়োজনীয় কাৰ্য হিচাপে মানি লৈছিল। ইয়াৰপৰাই বুজিব পাৰি যে আহোমসকলে বুৰঞ্জীক ধৰ্মশাস্ত্ৰৰ দৰেই পবিত্ৰ জ্ঞান কৰিছিল। এই সম্বন্ধে আমি *তুংখুঙীয়া বুৰঞ্জীত পাওঁ— ইয়াক (বুৰঞ্জীক) ৰহস্যে ৰাখিব। মন নেপালে পুত্ৰকে নিদিব। অবৈৰ মিত্ৰ হ'লে তাক দেখাব। ৰজাৰ বিশ্বাস ভংগ পণ্ডিতৰ বাধা। আৰু বিশ্বাস ভাঙিলে মাত্ৰ পৰিহাস পাপে পায়। হেন জানি বিশ্বাসে ৰাখিব। বিশেষতঃ অগাধ শাস্ত্ৰ। ইয়াক কোনে অন্তক পায়।* আহোমসকলে এই সমলকে আধাৰ হিচাপে লৈ বুৰঞ্জী ৰচনা কাৰ্যত পণ্ডিতসকলক মনোনিৱেশ কৰিবলৈ নিৰ্দেশ দিছিল।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- বুৰঞ্জী আৰু ইতিহাসৰ ব্যুৎপত্তিগত অৰ্থ লাভ কৰাৰ লগতে অসমীয়া বুৰঞ্জী সাহিত্যৰ পটভূমি সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- অসমীয়া বুৰঞ্জী সাহিত্যৰ লগত পৰিচিত হোৱাৰ লগতে এই সাহিত্যৰ শ্ৰেণীবিভাগ সম্পৰ্কে অনুধাৱন কৰি ব্যাখ্যা কৰিব পাৰিব।
- অসমীয়া বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য আৰু গদ্যৰীতি সম্পৰ্কে বিশ্লেষণ আগবঢ়াব পাৰিব।
- *দেওধাই অসম বুৰঞ্জী*ৰ সাধাৰণ পৰিচয়ৰ লগতে ইয়াৰ বিষয়বস্তু আৰু গদ্যৰীতি সম্পৰ্কে সম্যক ধাৰণা লাভ কৰি ইয়াৰ বৰ্ণনা দিব পাৰিব।

## ৩.৩ বুৰঞ্জী শব্দৰ অৰ্থ

'বুৰঞ্জী' আহোম ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হ'ল পুৰণি কথাৰ বৰ্ণনা, পুনৰাবৃত্ত, ইতিহাস। আহোম ভাষাত 'বু' মানে মূৰ্খ, 'ৰণ' মানে শিক্ষা আৰু 'জী' মানে ভঁৰাল অৰ্থাৎ বুৰঞ্জী মানে 'মূৰ্খৰ শিক্ষাৰ ভঁৰাল' বা 'নজনা কথাৰ ভঁৰাল'। বুৰঞ্জী শব্দৰ সমাৰ্থক ইংৰাজী শব্দ হ'ল 'হিষ্টৰি'। ই প্ৰাচীন ঐতিহ্যপূৰ্ণ গ্ৰীক ভাষাৰ 'হিষ্টৰু' শব্দৰপৰা আহিছে। 'হিষ্টৰু' মানে জনা। প্ৰাচীন যুগত ইউৰোপত বিশেষকৈ গ্ৰীচ দেশত বুৰঞ্জী লিখাৰ চৰ্চা আছিল। তেওঁলোকে নিজে জনা বা নিজে দেখা কথাবোৰ লিপিবদ্ধ কৰি ৰাখিছিল। ইয়ে জ্ঞান বিস্তাৰ পদ্ধতিৰ ইংগিত দিয়ে। আমাৰ দেশত বুৰঞ্জীৰ সমাৰ্থক ৰূপত 'ইতিহাস' শব্দৰ প্ৰয়োগ কৰা হয়। ইতিহাস শব্দটো মূলতঃ সংস্কৃত। ইয়াৰ ধাতুগত অৰ্থ হ'ল ইতিহ + আস + মঞ্ৰ অৰ্থাৎ ইতিহাস শব্দৰ ব্যুৎপত্তিগত অৰ্থ হ'ল পৰম্পৰাৰ অনুৰূপতাৰ লগত খাপ খোৱা ঘটনাৰাশিৰ বৰ্ণনা। প্ৰাচীন কালত পণ্ডিতসকলে ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰ্বৰ্গৰ সাধনৰ বাবে সন্নিবিষ্ট বিৱৰণকেই ইতিহাস বুলিছিল। বৰ্তমান ইতিহাস শব্দই চতুৰ্বৰ্গৰ আবেষ্টনীৰ পৰা আঁতৰি আহি বুৰঞ্জী বা হিষ্টৰীৰ লগত একীভূত হৈ পৰিছে। বিষয়গত অৰ্থৰ দিশৰপৰা এই তিনিওটা সমাৰ্থ প্ৰকাশক আৰু সম-মৰ্যাদা বিশিষ্ট।

## ৩.৪ বুৰঞ্জী আৰু ইতিহাস

বুৰঞ্জী আৰু ইতিহাস— এই শব্দ দুটা সমাৰ্থক হিচাপে প্ৰয়োগ কৰা হ'লেও বুৰঞ্জী আৰু ইতিহাস অভিন্ন ৰচনা নহয়। বৈদিক আৰ্যসকলে ইতিহাসক পঞ্চম বেদ আখ্যা দিছিল—

ঋগ্ যজুঃ - সামাৰ্থ - ব্যাখ্যা - বেদাশ্চত্বাৰ উদ্ধৃতাঃ
ইতিহাস পুৰানঞ্চ পঞ্চমো বেদ উচ্যতে।

ইতিহাস শব্দটো বৈদিক কালৰপৰাই ভাৰতীয় আৰ্যসকলৰ মাজত প্ৰচলিত আছিল। ইতিহাস শব্দটো পোনপ্ৰথমে অথৰ্ব বেদত পোৱা যায়। পৰৱৰ্তী যুগৰ *শতপথ ব্ৰাহ্মণ, জৈমিনীয়, বৃহদাৰণ্যক* আৰু *ছান্দোগ্য উপনিষদতো* ইতিহাস শব্দটো পোৱা যায়। *গোপথ ব্ৰাহ্মণ* আৰু *শতপথ ব্ৰাহ্মণ* এই দুখন গ্ৰন্থতো ইতিহাস আৰু পুৰাণক বেদৰ সমানে ঠাই দিছে। ইতিহাস আৰু পুৰাণত অনেক অতিপ্ৰাকৃত, অলৌকিক ঘটনাক ঠাই দিয়া হৈছে। সেয়ে ইতিহাস শব্দই ভাৰতীয় প্ৰাচীন সাহিত্যৰ এক বিৰাট সামৰি লৈছে। সেই দৃষ্টিকোণৰ পৰা বুৰঞ্জীবোৰ ইতিহাসৰ সমপৰ্যায়ৰ নহয়। কাৰণ অসমীয়া প্ৰাচীন বুৰঞ্জীবোৰ সাধাৰণ মানুহৰ জীৱনত ঘটা ঘটনাৰ বিৱৰণ মাত্ৰ। অৱশ্যে কাহিনী বিন্যাস কৰোঁতে ক'ৰবাত দুই-এটা উপ-কথা সন্নিৱিষ্ট কৰা দেখা যায়। সাধাৰণতে গোটেই কাহিনীটো বৰ্ণনাত্মক। কিন্তু বুৰঞ্জী আৰু ইতিহাসক এটা ফালৰপৰা সমপৰ্যায়ৰ বুলি ক'ব পৰা যায়। ভাৰতীয় পৰম্পৰাত ইতিহাসৰ মূল প্ৰয়োজনীয়তা হ'ল মানৱ জীৱন সফল কৰি তুলিবলৈ দিয়া নৈতিক শিক্ষাৰ ক্ষেত্ৰত। আনহাতে বুৰঞ্জীবোৰ ভৱিষ্যৎ বংশধৰসকলক শিক্ষা দিবৰ বাবেই ৰচিত আৰু সংৰক্ষিত হৈছিল। এই ফালৰপৰা চাবলৈ হ'লে বুৰঞ্জী আৰু ইতিহাস সমপৰ্যায়ৰ শব্দ। কিন্তু অকল এই মিলৰ বাবেই বুৰঞ্জী আৰু ইতিহাসক সম্পূৰ্ণ একে পৰ্যায়ৰ ৰচনা বুলি ধৰি ল'লে ভুল হ'ব। বিষয়বস্তু, ৰচনাৰীতি আৰু ৰচকৰ দৃষ্টিভংগীৰে দুয়োবিধ ৰচনা ভিন্ন হোৱা হেতুকে বুৰঞ্জী আৰু ইতিহাসক ভিন্ন পৰ্যায়ৰ নিৰ্মিতি বোলাটোহে উচিত হ'ব।

**আত্মমূল্যায়ন প্ৰশ্ন**

বুৰঞ্জী আৰু ইতিহাসৰ মাজত মূল প্ৰভেদ কি? (২০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

### ৩.৫ অসমত বুৰঞ্জী সাহিত্যৰ পটভূমি

বুৰঞ্জী প্ৰণয়ন আহোম প্ৰশাসনৰ এটা গুৰুত্বপূৰ্ণ বিষয় আছিল। আদিম যুগৰে পৰা তেওঁলোকৰ মাজত বুৰঞ্জী লেখা প্ৰথা চলি আহিছিল। আহোমৰ প্ৰথম ৰজা চুকাফাই পাটকাই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰিয়ে সকলো গুৰুতৰ ঘটনা লিপিবদ্ধ কৰি যাবলৈ লগত অহা মহন-বাইলুঙক নিৰ্দেশ দিছিল। ইয়াৰপৰাই অনুমান কৰিব পাৰি যে বুৰঞ্জী লেখা প্ৰথাটো আহোমসকলৰ জাতিগত প্ৰথা আছিল।

আহোমসকলে বুৰঞ্জী লেখা আৰু সংৰক্ষণ কৰাটো এটা প্ৰধান আৰু পবিত্ৰ কৰ্ম বুলি ধৰি লৈছিল। তেওঁলোকে বুৰঞ্জী লিখাৰ তত্বাৱধান কৰিবলৈ চিৰিং ফুকন নামৰ বিষয়া এজনক নিযুক্ত কৰিছিল। তেওঁৰ উপৰি ৰাজমন্ত্ৰী আৰু পাত্ৰসকলেও ইয়াৰ তত্বাৱধান কৰিছিল। সাধাৰণতে বুৰঞ্জীবোৰ আহোম স্বৰ্গদেউসকলৰ লগত সম্বন্ধ থকা লোকেহে প্ৰণয়ন কৰিছিল। আনহাতে ডা-ডাঙৰীয়া, ৰাজধানীত থকা পণ্ডিত লোক নাইবা ৰজাৰ কটকীয়েও বুৰঞ্জী ৰচনা কৰিব পাৰিছিল। আহোমসকলৰ ঐতিহাসিক অনুসন্ধিৎসা ইমান বেছি আছিল যে তেওঁলোকে নিজৰ দেশৰ বাহিৰে আন দেশৰ ঘটনাৱলীৰ বিষয়েও জানিবলৈ যত্ন কৰিছিল। আনকি তেওঁলোকে বিশ্বাসযোগ্য মানুহৰপৰা শুনা বা আন লিখিত বিৱৰণীৰ পৰাও বুৰঞ্জীৰ উপাদান সংগ্ৰহ কৰিছিল।

পোন প্ৰথমতে বুৰঞ্জীসমূহ আহোম ভাষা আৰু আহোম লিপিতে ৰচিত হৈছিল। কিন্তু পাছলৈ যেতিয়া আহোমসকলে অসমীয়া ভাষাক ৰাজকীয় মৰ্যাদা প্ৰদান কৰিছিল, তেতিয়াৰেপৰা অসমীয়া ভাষা আৰু অসমীয়া লিপিতে বুৰঞ্জীসমূহ ৰচিত হ'বলৈ ধৰিছিল। বৰ্তমান উদ্ধাৰ হোৱা বুৰঞ্জীসমূহৰ ভিতৰত এই দুই ভাষাৰ বুৰঞ্জীয়ে সৰহ। ইয়াৰ উপৰি আহোম ভাষা আৰু অসমীয়া লিপি আৰু আহোম লিপি আৰু অসমীয়া ভাষাটো দুই-এখন বুৰঞ্জী পুথি ৰচিত হৈছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া বুৰঞ্জী সাহিত্যৰ ভাষা কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ৩.৬ অসমীয়া বুৰঞ্জী সাহিত্য

অসমীয়া বুৰঞ্জী সাহিত্যৰ পৰিসৰ বিশাল। এই বিশালতা অকল পৰিসংখ্যাগত নহয়, গুণগত দিশৰপৰাও অতি তাৎপৰ্যপূৰ্ণ। পুৰণিকালত অসমীয়া বুৰঞ্জী সাহিত্যৰ ব্যাপক প্ৰসাৰ আৰু প্ৰচাৰেই ভাৰতীয় জগতত ইয়াক এক বিশিষ্ট আসনত অধিষ্ঠিত কৰিছে আৰু অসমীয়া জাতীয় জীৱনৰ বিকাশত গভীৰ প্ৰভাৱ পেলাইছে। বুৰঞ্জী সাহিত্য অসমীয়া জাতিৰ গৌৰৱৰ সঁফুৰা। অসমীয়া জাতিৰ ঐতিহ্য আৰু পৰম্পৰাৰ বহুত তথ্য এতিয়াও বুৰঞ্জীৰ পাততে সন্নিবিষ্ট হৈ আছে। পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি অধ্যয়নত বুৰঞ্জী সাহিত্য অসমীয়া সাহিত্যৰ এক অপৰিহাৰ্য অংগ।

আহোমসকলৰ অবিস্মৰণীয় অৱদান বুৰঞ্জী সাহিত্য অকল অসমীয়া ভাষাৰ ক্ষেত্ৰতে নহয়, ভাৰতীয় ঐতিহ্যলৈও এক মহৎ বৰঙণি বুলি ক'ব পৰা যায়। আহোমসকলে তেওঁলোকৰ ছশ বছৰীয়া ৰাজত্ব কালত বুৰঞ্জী ৰচনা, সংকলন, সংগ্ৰহ আৰু সংৰক্ষণৰ জৰিয়তে এক চহকী ঐতিহ্য গঢ় দি তুলিছিল। ব্ৰহ্মদেশৰ শ্যানসকলৰ বিষয়ে অভিজ্ঞ পণ্ডিত জৰ্জ স্কটে তেওঁৰ পুথিত কৈছে— *The chronicles remain as a valuable legacy to make Assam notable among the Indian Provincess.*

ভাৰতৰ অন্যান্য প্ৰদেশৰ ভিতৰত অসমক বিখ্যাত কৰি তুলিবলৈ বুৰঞ্জীসমূহ বহুমূলীয়া সম্পদ। অসমীয়া সাহিত্যক বুৰঞ্জী সাহিত্যই ভাৰতীয় অন্যান্য ভাষাৰ সাহিত্যৰ ভিতৰত এক বিশিষ্ট মৰ্যাদা দান কৰিছে। যি সময়ত ভাৰতৰ অন্যান্য প্ৰাদেশিক ভাষাত বুৰঞ্জী ৰচনাৰ কোনো নাম-গোন্ধেই নাছিল, তেনে এটা সময়তে অসমত এইবিধ পুথি ৰচনাৰ সুস্থ আৰু সবল পৰম্পৰা এটা গঢ় লৈ উঠিছিল। এই কথাটোৰ প্ৰতি লক্ষ্য কৰি বুৰঞ্জীবিদ গেইট চাহাবে তেখেতৰ *History of Assam* শীৰ্ষক গ্ৰন্থত উল্লেখ কৰিছে—

> *Prior to the advent of the Muhammadans the inhabitants of other Parts of India had no idea of history. On the otherhand, the Ahom conquerors of Assam had a keen historical sense; and they have given us a full and detailed account of their rule, which dates from the early Part of the thirteenth century.*

এই বিষয়ে আনন্দৰাম ঢেকিয়াল ফুকনেও ১৮৫৫ খ্ৰীঃত তেওঁৰ *A Few Remarks on the Assamese Language* গ্ৰন্থত লিখিছে— *অসমীয়া জাতিয়ে ঐতিহাসিক সাহিত্য বিষয়ত যিমান কৃতকাৰ্যতা লাভ কৰিছে আন কোনো বিভাগত তিমান সফলকাম হোৱা নাই। ...........দেশৰ ৰীতি অনুসৰি সকলোৰে ইতিহাস জনা আৱশ্যক আছিল আৰু ডাঙৰ বংশবোৰ বিশেষকৈ ৰজাৰ বিষয়াসকলে দেশৰ পণ্ডিতসকলৰ হতুৱাই অতীত কাহিনীবোৰ লিখাই ৰাখিছিল।* অসমীয়া বুৰঞ্জী সাহিত্যৰ গুণাৱলীলৈ লক্ষ্য ৰাখি ভাষাতত্ত্ববিদ পণ্ডিত ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছে— *অসমৰ প্ৰাচীন বুৰঞ্জী সাহিত্য ভাৰতীয় ভাষাবিলাকৰ মাজত একক আৰু অতুলনীয়।*

অসমীয়া ভাষাত সপ্তদশ শতিকাতে বুৰঞ্জী ৰচনাৰ শুভাৰম্ভ হৈছিল যদিও সি সপ্তালনিকৈ ৰচিত হৈ ব্যাপকতা লাভ কৰে অষ্টাদশ শতিকাতহে। আহোম ৰাজত্বকালত ৰচিত বুৰঞ্জীৰ সংখ্যাই প্ৰায় হাজাৰৰ ঘৰ চুইছিল বুলি অনুমান কৰিব পৰা যায়। কিন্তু কীৰ্ত্তিচন্দ্ৰ বৰুবাৰ বুৰঞ্জী দাহ অপকৰ্ম, মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ, পোক-পৰুবাৰ উপদ্ৰৱ আদিত অনেক বুৰঞ্জী ধ্বংস হয়। এনেদৰে ধ্বংসপ্ৰাপ্ত হোৱাৰ পাছত অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, কামৰূপ অনুসন্ধান সমিতি আদিয়ে প্ৰায় দুশৰুমান বুৰঞ্জী সংগ্ৰহ কৰিছে আৰু এইবোৰৰ ভিতৰত ভালেমান প্ৰকাশিতও হৈছে। প্ৰকাশিত বুৰঞ্জীসমূহৰ ভিতৰত হৰকান্ত বৰুৱা প্ৰণীত *অসম বুৰঞ্জী*, *দেওধাই অসম বুৰঞ্জী*, শ্ৰীনাথ বৰবৰুৱাৰ *তুংখুঙীয়া বুৰঞ্জী*, *কছাৰী বুৰঞ্জী*, *ত্ৰিপুৰা বুৰঞ্জী*, *অসম বুৰঞ্জী*, *পাদশ্যাহ বুৰঞ্জী*, *অসমৰ পদ্য বুৰঞ্জী*, *সাতসৰী অসম বুৰঞ্জী*, *কামৰূপৰ বুৰঞ্জী* আদি উল্লেখযোগ্য।

পদ্য আৰু গদ্য উভয় মাধ্যমতে বুৰঞ্জী ৰচিত হৈছিল। গদ্যত ৰচিত বুৰঞ্জীৰ ভাষাৰীতিটোৱে অসমীয়া গদ্য সাহিত্যৰ ক্ৰম বিকাশৰ ধাৰাত এটা বিশিষ্ট মাত্ৰা সংযোজন কৰিছে বুলি ক'ব পৰা যায়।

অসমীয়া বুৰঞ্জীবোৰ কেৱল তথ্য-পাতিৰ একোটা নিৰস টোপোলাই নহয়, ইয়াক সাহিত্যৰ একো একোটি ৰসাল ফল বুলিও ক'ব পৰা যায়। অসমীয়া কথা সাহিত্যলৈও আহোমসকলৰ বুৰঞ্জী সাহিত্যক এক অতুলনীয় অৱদান বুলি ক'ব পাৰি।

### ৩.৬.১ বুৰঞ্জীৰ শ্ৰেণীবিভাগ আৰু সংখ্যা

বিষয়বস্তু অনুসৰি বুৰঞ্জীসমূহক কেইবাটাও ভাগত ভাগ কৰিব পৰা যায়। প্ৰসিদ্ধ বুৰঞ্জীবিদ ড° সূৰ্য্যকুমাৰ ভূঞাদেৱে বিষয়বস্তু আৰু সময়ৰ ফালৰপৰা এই দেশৰ বুৰঞ্জীসমূহক তিনিটা শাখাত বিভক্ত কৰিছে সেয়া হৈছে ঃ

(ক) ৰজা ভগদত্তৰ দিনৰে পৰা আহোম ৰাজত্বৰ আৰম্ভণিলৈ (১২২৮ খৃষ্টাব্দ) প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ অসংলগ্ন ইতিহাস।

(খ) আহোম ৰজাসকলৰ ১২২৮ খৃষ্টাব্দৰপৰা তেওঁলোকৰ ৰাজত্বৰ শেষ কাললৈকে বা ১৮২৬ খৃষ্টাব্দ বা তাৰো পাছলৈকে থকা আহোম ৰাজ্যৰ বুৰঞ্জী।

(গ) অসমৰ বাহিৰে ওচৰ-চুবুৰীয়া আন দেশৰ বুৰঞ্জী।

আকৌ আহোম যুগৰ বুৰঞ্জীবিলাকৰ বিষয়বস্তু অনুধাৱন কৰি ড° লীলা গগৈয়ে বুৰঞ্জীসমূহক আৰু কেইটামান ভাগত ভাগ কৰি দেখুৱাইছে। এই ভাগকেইটা হ'ল ঃ

(ক) প্ৰাক্ আহোম যুগৰ বুৰঞ্জী।

(খ) আহোম যুগৰ বা আহোম ৰজাৰ বুৰঞ্জী।

(গ) দাঁতিয়লীয়া বুৰঞ্জী।

(ঘ) অন্য ৰাজ্যৰ বুৰঞ্জী।

(ঙ) কটকী বুৰঞ্জী।

(চ) চকীয়ালৰ বুৰঞ্জী।

(ছ) চাংৰুং ফুকনৰ বুৰঞ্জী।

আহোম ৰজাসকলে অসমত ৰাজত্ব কৰাৰ পূৰ্বে যিসকল ৰজাই এই দেশত (প্ৰাচীন কামৰূপ) ৰাজত্ব কৰিছিল তেওঁলোকৰ ৰাজত্বকালৰ বংশাৱলী আৰু কাম-কাজ প্ৰভৃতিৰ বিৱৰণ লিখি ৰখা হৈছিল। আহোম ৰাজত্ব কালৰ বুৰঞ্জী ৰচকসকলে সেই লিখিত বিৱৰণৰূপৰা সমল সংগ্ৰহ কৰি প্ৰাচীন কামৰূপ ৰাজ্যৰ বুৰঞ্জী ৰচনা কৰিছিল। এনে বুৰঞ্জীৰ সংখ্যা তেনেই তাকৰীয়া।

আহোম ৰজাসকলৰ ৰাজত্বকালত সংঘটিত বিবিধ ঘটনাক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছিল আহোম যুগৰ বুৰঞ্জীসমূহ। এনে বুৰঞ্জীৰ সংখ্যা আটাইতকৈ বেছি। এনেবোৰ বুৰঞ্জীৰ তথ্য-পাতি নিৰ্ভৰযোগ্য।

আহোমসকলে দাঁতিকাষৰীয়া ৰাজ্য, যেনে— কছাৰী, চুতীয়া, জয়ন্তী, মণিপুৰ, ত্ৰিপুৰা আদিৰ লগত সততে সম্পৰ্ক ৰক্ষা কৰি চলিছিল। কোনো কোনো সময়ত সেইবোৰ ৰাজ্যৰ সৈতে যুদ্ধাদিও সংঘটিত হৈছিল। আহোম ৰাজত্ব কালৰ বুৰঞ্জী ৰচকসকলে সেইবোৰ কথাও লিপিবদ্ধ কৰি ৰাখিছিল। ফলস্বৰূপে সৃষ্টি হৈছিল দাঁতিয়লীয়া বুৰঞ্জীসমূহৰ। এনেবোৰ বুৰঞ্জীয়ে দাঁতিকাষৰীয়া ৰাজ্যসমূহৰ কাম-কাজ, আচাৰ-নীতি, শাসন-প্ৰণালী প্ৰভৃতিৰ সম্ভেদ দিয়ে। আহোম ৰজাসকলে দাঁতিকাষৰীয়া ৰাজ্যৰ উপৰি আঁতৰৰ অন্যান্য ৰাজ্যলৈ কটকী পঠিয়াইছিল। কটকীয়ে সেইবোৰ ৰাজ্যৰ ৰাজকাৰ্য পৰিচালনাৰ কথাৰ উপৰি অন্যান্য বিবিধ দিশৰ সম্ভেদো লিখিতভাৱে ৰজাক অৱগত কৰিছিল। এনেদৰেই অন্য ৰাজ্যৰ বুৰঞ্জীসমূহ ৰচিত হৈছিল। *পাদশ্যাহ বুৰঞ্জী, বৰ্ধমানৰ বুৰঞ্জী* আদি এই শ্ৰেণীৰ অন্তৰ্ভুক্ত।

কটকী বুৰঞ্জী প্ৰকৃততে কটকীসকলৰ অভিজ্ঞতাৰ বিৱৰণহে। অন্যান্য ৰাজ্যৰ লগত যোগাযোগ স্থাপনকাৰী কটকীসকলেও নিজাববীয়াকৈ তেওঁলোকৰ বাস্তৱ অভিজ্ঞতাসমূহ লিপিবদ্ধ কৰি ৰজাৰ ওচৰত নিবেদন কৰিছিল। এই সকলোবোৰ সমষ্টিক কেন্দ্ৰ কৰিয়েই কটকী বুৰঞ্জীসমূহ ৰচিত হৈছে। সেইদৰে ৰাজ্যৰ চাৰিসীমাৰ চকীসমূহত থকা চকীয়ালসকলে চকীৰ খৰচ-পাতি, কাম-কাজ আৰু ৰাজনৈতিক কাৰ্যৰ বিষয়ে লেখি ৰখা বিৱৰণেই চকীয়ালৰ বুৰঞ্জী। *চাংৰুং ফুকনৰ বুৰঞ্জী* হ'ল চাং ৰুং ফুকনে লেখি ৰখা ৰজাৰ কাৰেংঘৰ, শিঙৰি ঘৰ, বৰঘৰ, চৰাঘৰ, মঠ-মন্দিৰ প্ৰভৃতিৰ নিৰ্মাণৰ আৰু সিবোৰ নিৰ্মাণত হোৱা খৰচ-পাতিৰ বিৱৰণ।

এনেদৰে আহোম ৰজাসকলৰ ৰাজত্বকালত ৰচিত বিভিন্ন শ্ৰেণীৰ বুৰঞ্জী সাহিত্যই অসমীয়া সাহিত্যক সমৃদ্ধিশালী কৰি তুলিছিল।

আত্মমূল্যায়ন প্ৰশ্ন

অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়বস্তু কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

### ৩.৬.২ বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য

আহোম প্ৰশাসনৰ মহত্বপূৰ্ণ অৱদান বুৰঞ্জী সাহিত্যৰ কিছুমান বৈশিষ্ট্য আছে আৰু এই বৈশিষ্ট্যবোৰে বুৰঞ্জী সাহিত্যক অন্যান্য সাহিত্যৰপৰা পৃথক কৰি তুলিছে। প্ৰথমতে, আহোমসকলে বুৰঞ্জী প্ৰণয়ন কাৰ্যক পৱিত্ৰ কাৰ্য হিচাপে জ্ঞান কৰিছিল। সেইবাবে বুৰঞ্জীত বৰ্ণিত সকলোবোৰ ঘটনা, উপ-ঘটনাই হ'ব লাগিব বিশুদ্ধ, তথ্য নিৰ্ভৰ আৰু বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণে ৰাজকীয় মৰ্যাদাসম্পন্ন উচ্চ বিষয়াৰ দ্বাৰাই বুৰঞ্জী সাহিত্য ৰচনা কৰা হৈছিল। সাধাৰণতে বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰগোহাঁই এই তিনিজনা বিষয়াৰ ভিতৰত যিজনাক ৰাজমন্ত্ৰীৰ মৰ্যাদা দিয়া হৈছিল তেৱেঁই বুৰঞ্জী লিখোৱাৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হৈছিল। ৰাজমন্ত্ৰীৰ অনুমোদন নোপোৱালৈকে কোনো বুৰঞ্জী প্ৰচাৰিত হ'ব নোৱাৰিছিল।

দ্বিতীয়তে, ৰজাঘৰীয়া পৃষ্ঠপোষকতাত বুৰঞ্জী সাহিত্য ৰচিত হোৱাৰ উপৰি ব্যক্তিগত উদ্যোগতো ৰচিত হৈছিল। এনেদৰে ৰচিত হোৱা বুৰঞ্জীত মূল ঘটনা অবিকৃতভাৱে ৰাখি প্ৰাসংগিক কথাৰ বঢ়া-টুটা কৰা হৈছিল। সেয়ে ব্যক্তিগত উদ্যোগত ৰচিত বুৰঞ্জীহে অধিক নিৰ্ভৰযোগ্য বুলি বিবেচনা কৰা হৈছিল।

তৃতীয়তে, বুৰঞ্জীবোৰত যে অকল ৰজা আৰু ৰাজবিষয়াসকলৰেই কাৰ্যাৱলী বৰ্ণিত হৈছে তেনে নহয়; দেশৰ সামাজিক, ধৰ্মীয়, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন দিশৰো আভাস ইয়াৰ যোগেদি দাঙি ধৰা হৈছে। এনেবোৰ কাৰণতে আহোমসকলে বুৰঞ্জী শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। ড° লীলা গগৈয়ে তেওঁৰ *বুৰঞ্জী সাহিত্য* গ্ৰন্থত লেখিছে, *বুৰঞ্জী একালত শিক্ষাৰ মাধ্যম তথা পাঠ্যপুথি আছিল। বুৰঞ্জী পঢ়ি, পণ্ডিতে অৰ্থ বুজাই অতীতৰ শিক্ষা, অভিজ্ঞতা আৰু আদৰ্শলৈ আঙুলিয়াই*

ভৱিষ্যতৰ ইংগিত দিয়ে। এনে কৰোঁতে ৰজাঘৰীয়া বুৰঞ্জীৰ নিৰস তথ্যবহুল ভাগটো বাদ দি শ্ৰোতাৰ আকৰ্ষণৰ অৰ্থে ৰসালকৈ লিখা হৈছিল।

চতুৰ্থতে, বৰ্ণনাৰ পুংখানুপুংখতা বুৰঞ্জী সাহিত্যৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। ঘটনা বিশেষৰ দণ্ড, পললৈকে উল্লেখ কৰা কথাটো এই প্ৰসংগত উল্লেখযোগ্য। যথাঃ পাচে ১৫৮৩ শকৰ চৈত্ৰৰ ৯ দিন আছোতে মঙ্গলবাৰে এপৰ বেলি, হলত, ৰাজাদেৱে নামকপলৈ যাওঁতে দলগুৰিৰ আলিত ভুমুনী পাহাৰীয়ে বোলে, 'স্বৰ্গদেৱ, তুমি বঙ্গ আনন্দকহে মন দিলা।( সাতসৰী অসম বুৰঞ্জী)

পাচে কলিয়াবৰত সকলো যুক্তি হৈ ১৬০৩ শকৰ শাওনৰ ২০ দিন যাওঁতে বৃহস্পতিবাৰে আঠাৰে দণ্ড বেলি হলত শ্ৰীশ্ৰীগদাধৰ সিংহ মহাৰাজাক কলীয়াবৰত ৰাজা পাতিলে।

অকল সময়ৰ বৰ্ণনাতে নহয়, বয়-বস্তু, আচ-বাব, জীব-জন্তু আদিৰ ক্ষেত্ৰতো ইয়াত সঠিক হিচাপ দাঙ্গি ধৰাৰ প্ৰয়াস দেখা যায়। যেনে—

এই যুদ্ধত আমাৰ মানুহে বঙ্গালৰ বস্তু পালে, পিতলীয়া হিলৈ ২, বৰহিলৈ ৮, হাত নাল ২৭, সৰু হিলৈ ২৩, সোণৰ মলমা কৰা মুঠিয়েৰে তৰোৱাল ৭, ঘোঁৰা ৬০, মহ ২০, কলহী ৪০, লোহোৰা, দবা আনো বস্তু বিস্তৰ পালে।( দেওধাই অসম বুৰঞ্জী)

উল্লেখনীয় কথা এই যে বুৰঞ্জী সাহিত্য ৰচনা কৰিবলৈ লোৱাৰ পূৰ্বে অসমীয়া সাহিত্য প্ৰধানকৈ ধৰ্মমূলক আছিল। তাৰ বিষয়বস্তু আৰু প্ৰকাশৰীতি অলৌকিকতাৰে আচ্ছন্ন আছিল। তাৰ বিপৰীতে সমাজ আৰু মানুহৰ জীয়া ঘটনাৰ আধাৰত বুৰঞ্জীসমূহ ৰচিত হ'বলৈ ধৰিছিল। বুৰঞ্জী ৰচকসকলে ব্যক্তিগত আবেগ-অভিৰুচি পৰিহাৰ কৰি সম্পূৰ্ণ নিৰপেক্ষ দৃষ্টিৰে বাস্তৱৰ সকলো ঘটনা মুকলিভাৱে ইয়াত বৰ্ণনা কৰি গৈছে। এনেদৰে বৰ্ণনা কৰোঁতে ঐতিহাসিক সত্যতাৰ প্ৰতি বিশেষ দৃষ্টি ৰখাটো বুৰঞ্জী ৰচকসকলৰ মনকৰিবলগীয়া বৈশিষ্ট্য। ঠাই বিশেষে দুই-এটা কাল্পনিক কাহিনী বা আখ্যান বুৰঞ্জীত সন্নিৱিষ্ট কৰিলেও সিবোৰে ঐতিহাসিক সত্যক বিকৃত নকৰি তাক ৰসোত্তীৰ্ণ হোৱাতহে সহায় কৰিছে। এই প্ৰসংগত ড° সূৰ্য্যকুমাৰ ভূঞাৰ এটি মন্তব্য উল্লেখযোগ্য বুৰঞ্জীৰ কথাবিলি শুকান হাড়-ছাল নহয়, তাত ভাবৰ সমাৱেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব ত্ৰিবেণী সংগম ব্ৰিটিছৰ পূৰ্বযুগৰ কোনো ভাৰতীয় প্ৰাদেশিক সাহিত্যত দেখিবলৈ পোৱা নাযায় বুলি ক'লেও অত্যুক্তি কৰা নহয়।

পঞ্চমতে, বুৰঞ্জী সাহিত্যৰ আন এটা উল্লেখনীয় দিশ হ'ল— দেশপ্ৰেম। বহুতো বুৰঞ্জীত দেশপ্ৰেমৰ উল্লেখ পোৱা যায়। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত কীৰ্তিচন্দ্ৰ বৰবৰুৱাই নামনি অসমত এটি সৈন্যদল গঠন কৰিবলৈ যত্ন কৰি এইদৰে কৈছিল— ক্ষত্ৰিয়ৰ ধৰ্ম শৰীৰ থাকে মানে যুদ্ধ কৰিব। জয় নজিলে ৰাজ্য লাভ হয়, যুদ্ধত মৰিলে স্বৰ্গভোগ হয়।

এই কথাই ভাৰতীয় আদৰ্শৰ বহুমূলীয়া সম্পদ গীতাৰ কথা সোঁৰবায়। এনেদৰে লাচিত, মূলাগাভৰু আদি ঐতিহাসিক ব্যক্তিৰ লগতো দেশপ্ৰেমৰ বহুতো কথা জড়িত হৈ আছে। এই ঐতিহাসিক ব্যক্তিসকল অকল অসমৰে নহয় ৰাণাপ্ৰতাপ, শিৱাজী, ৰাণী লক্ষ্মীবাই আদিৰ দৰেই গোটেই ভাৰতবাসীৰে গৌৰৱৰ স্থল।

ওপৰত উল্লেখ কৰা এনেবোৰ কথাৰপৰাই বুজিব পাৰি যে আহোমসকলৰ ওপৰত বুৰঞ্জী সাহিত্যৰ প্ৰভাৱ আছিল অপৰিসীম। অসমীয়া জাতীয় জীৱনক মহত্ত্ব দান কৰি তাক জাকত-জিলিকা কৰি ৰখাৰ ক্ষেত্ৰতো বুৰঞ্জী সাহিত্যৰ বৰঙণি লেখত ল'বলগীয়া।

### ৩.৬.৩ বুৰঞ্জী সাহিত্যৰ গদ্যৰীতি

অসমীয়া গদ্য সাহিত্যৰ সুদীৰ্ঘ পৰিক্ৰমাত অংকীয়া নাটৰ গদ্য, মন্ত্ৰপুথিৰ গদ্য আৰু ভট্টদেৱৰ কথা সাহিত্যৰ গদ্যৰ পাছতেই বুৰঞ্জীসমূহেই হ'ল উল্লেখযোগ্য গদ্য সাহিত্যৰ নিদৰ্শন। প্ৰাচীন অসমীয়া গদ্য সাহিত্যৰ ইতিহাসৰ আপুকগীয়া সম্পদবিধেই হৈছে বুৰঞ্জী সাহিত্যৰ গদ্য। কথিত ভাষাৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হেতুকে বুৰঞ্জীৰ গদ্যই ভট্টদেৱৰ *কথা গীতা* আৰু *কথা ভাগৱত*ৰ গদ্যতকৈ সুকীয়া ৰূপ লাভ কৰিছে। ই বাস্তৱধৰ্মী, সৰল আৰু পোনপটীয়া। ঐহিক জীৱনৰ ঘটনাৱলী ৰূপায়িত কৰিবলৈ যাওঁতে বুৰঞ্জী লেখকসকলে ভাষাৰো ব্যৱহাৰিক ৰূপটোকেই গ্ৰহণ কৰিছে।

বুৰঞ্জী সাহিত্যৰ গদ্যৰীতিৰ এটা অন্যতম বৈশিষ্ট্য হৈছে— চুটি চুটি বাক্যৰ সহায়ত পোনপটীয়াভাৱে ইয়াৰ বিষয়বস্তু উপস্থাপন কৰাটো। কিন্তু এইক্ষেত্ৰত এটা কথা উল্লেখযোগ্য যে সকলো বুৰঞ্জীৰে গদ্যৰীতি সমপৰ্যায়ৰ নহয়। কিয়নো সুদীৰ্ঘ চাৰিশ বছৰৰ ভিতৰত বুৰঞ্জীসমূহ ৰচিত হৈছিল। তদুপৰি অকল ই ৰজাঘৰীয়া পৃষ্ঠপোষকতাতে ৰচিত হোৱা নাছিল, ব্যক্তিগত উদ্যোগত অৰ্থাৎ ৰজাঘৰৰ বাহিৰৰ নানা ঠাইতো ই ৰচিত হৈছিল। আন এটা কথা এই যে সকলো বুৰঞ্জীৰে বিষয়বস্তুও সমস্তৰৰ নাছিল। আনহাতে দাঁতিকাষৰীয়া তথা অন্যান্য ৰাজ্যৰ বিষয়ে ৰচনা কৰা বুৰঞ্জীত সংশ্লিষ্ট ৰাজ্যৰ ৰাজনৈতিক কাৰ্যাৱলীৰ লগতে অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক প্ৰভৃতি নানান দিশৰ কথা বিধৃত হৈছিল। সেয়ে বুৰঞ্জীৰ গদ্যৰীতিত বৈচিত্ৰ্যৰ সমাৱেশ ঘটিছে। ড° মহেশ্বৰ নেওগৰ ভাষাত, *অনেক ঠাইত লেখকৰ হাতত পৰা উপাদানে সেই শৈলীক প্ৰভাৱান্বিত কৰিছে। পুৰণি অসম বুৰঞ্জী বা তুংখুঙীয়া বুৰঞ্জীত আহোম ৰাজধানীৰ সম্ভ্ৰান্ত অসমীয়া কথিত ভাষাৰ নিদৰ্শন পোৱা যায়। আনফালে পাদশ্বাহ বুৰঞ্জীত বৈদেশিক পৰিক্ৰমাৰ বিষয়ৰ প্ৰভাৱ পৰাত আৰবী-পাৰ্চী আধাৰৰ শব্দ যোজনাই ভাষাশৈলীক এটি বিভিন্ন ৰূপলৈ টানি লৈ গৈছে।*

বুৰঞ্জীসমূহ ঘৰুৱা ভাষাত ৰচিত হ'লেও ঠায়ে ঠায়ে সংস্কৃতীয়া শব্দাৱলী আৰু প্ৰকাশ ৰীতিৰো প্ৰয়োগ ঘটিছে। ইয়াৰপৰাই বুৰঞ্জী লেখকৰ বিষয়বস্তু উপযোগী ভাষা

নিপুণতাৰ পৰিচয় পোৱা যায়। আনহাতে বুৰঞ্জীত সন্নিৱিষ্ট চিঠি-পত্ৰাদিৰ ভাষা সংস্কৃতগন্ধী। যেনে— *শ্ৰীযুত নবাব আল্লায়াৰ খাঁ শুভাশয়েষু। সদ্ভাব পূৰ্ব্বক লেখনং উভয়তঃ প্ৰয়োজনঞ্চ আগে এথা কুশল সতত চাহি বিশেষ লিখন।*

কথোপকথনমূলক ৰীতি বুৰঞ্জীৰ গদ্যৰীতিৰ অন্যতম বৈশিষ্ট্য। ইয়ে বুৰঞ্জীৰ গদ্যক নাটকীয় গুণবিশিষ্ট কৰি তুলিছে।

বুৰঞ্জীৰ বাক্যসমূহ সাধাৰণতে পাছে, বোলে, পূৰ্বে আদিৰে আৰম্ভ হোৱা দেখা যায়। শিছে একেটা শব্দেৰে বাক্য আৰম্ভ কৰাত ঠাইবিশেষে স্বৰৰ সমৰূপতা বাঢ়ি উঠিলেও সি শ্ৰুতিমধুৰতা বিনষ্ট নকৰাকৈ থকা নাই। যেনে— *পাচে এবছৰ হ'বলৈ তিনিদিন আছে। পাচে বৌমৰিয়া গণক ভাণ্ডাৰী বৰুৱাৰ ঘৰলৈ বাতি বৰুৱা বিশ্বাসে গৈ সুধিলে। ............পাচে বৎসৰ পুৰি হলত বৰুৱাক সানি পূৰ্ব্ববতে বৰুৱা পাতি সকলকে উলিয়াই দি বোলে, 'জোঠৰী, তোৰ মৰিব লগা হৈছিল।* অৱশ্যে আন ঠাইত সমলৰ পৰিবৰ্তে ই, ইও, ত্ৰাথলৈ, ত্ৰাথৰ, আখেক, সিবোৰ, তোমাৰা, তৈৰ আদি নানান সৰ্বনামৰ ব্যৱহাৰ হৈছে।

অসমাপিকা ক্ৰিয়াৰ প্ৰচুৰ ব্যৱহাৰ বুৰঞ্জীৰ গদ্যৰীতিৰ আন এটা মন কৰিবলগীয়া বৈশিষ্ট্য। ইয়াৰ ফলত বুৰঞ্জীৰ গদ্যই মাধুৰ্য গুণ লাভ কৰিছে। যেনে— *পাছে বঙালে হিলৈ কাড় মাৰি, ধোঁৱা মেলি, কোঠত দুই-চাৰি মানুহক চোকাং কৰি ঘালি যাবৰ দেখি চুক্লকা তিপাম ৰজা কোঠাৰ পৰা ওলাই পানী পাৰ হৈ খেদি গৈ কচোৱাত যুদ্ধ ধৰিলেগৈ।* আকৌ শ্ৰুতি মধুৰতা বঢ়াবলৈ অসমাপিকা ক্ৰিয়াৰে বাক্য শেষ কৰা কৌশলো বুৰঞ্জীৰ ৰচনাৰীতিত লক্ষ্য কৰা যায়। যেনে— *নৰা ৰজা সেই কুঁৱৰীৰ হাতত চুৰি দিলে, আমাৰ ৰজাক মাৰিবলৈ।*

বুৰঞ্জীৰ গদ্যৰীতিৰ আন এটা উল্লেখনীয় বৈশিষ্ট্য হ'ল— একাধিক দীঘল বাক্যৰে কোনো এটা ভাব প্ৰকাশ কৰাৰ পাছত চুটি বাক্যৰে তাৰ সামৰণি মৰাটো। তদুপৰি একেটা কৰ্তাৰ লগত একাধিক ক্ৰিয়াৰ সম্বন্ধ থাকিলে, সেই কৰ্তাটো বাৰে বাৰে ব্যৱহাৰ নকৰি কেৱল ক্ৰিয়াৰে বাক্য গঠন কৰা ৰীতি বুৰঞ্জীৰ গদ্যৰ অন্যতম উল্লেখনীয় দিশ। যেনে— *ফাগুণৰ দিনত ৰাজাদেৱো নগৰলৈ আহিল। বৈহাগৰ দিনত চৰাইদেউ কৰিলেগৈ। জেঠৰ দিনত গড়গাঁৱত চৰাইদেউ পুজিলে।*

বুৰঞ্জীৰ গদ্যৰীতিক প্ৰাঞ্জল আৰু সৰস কৰিবৰ বাবে তাত উপমা, উপ-কথা, সাদৃশ্য আদি নান্দনিক সমলৰ ব্যৱহাৰ কৰা হৈছে। এনেবোৰ সমলৰ সংযোগৰ বাবেই বুৰঞ্জীৰ গদ্য সাহিত্যিক গুণেৰে সমৃদ্ধ হৈছে। আকৌ বুৰঞ্জীৰ গদ্যৰীতিৰ আন এটি লেখত ল'বলগীয়া বিশেষত্ব হ'ল চন্দ্ৰবিন্দুৰ ব্যৱহাৰৰ ৰীতি। কাৰণ ই সংক্ষিপ্ততাৰ নিদৰ্শন।

বুৰঞ্জীৰ ভাষাৰ শব্দ আৰু ধাতুৰূপবোৰ আধুনিক অসমীয়াৰ লগত মিলিলেও কোনো কোনো ক্ষেত্ৰত বুৰঞ্জীত আধুনিক অসমীয়া ভাষাত অপ্ৰচলিত ৰূপবো প্ৰয়োগ

হোৱা দেখা যায়। উদাহৰণস্বৰূপে পঞ্চমী বিভক্তিৰ চিনৰূপে ব্যৱহৃত 'হন্তে'লৈ আঙুলিয়াব পৰা যায়। 'পৰা' পৰসৰ্গ বুৰঞ্জীত 'পিচত' অৰ্থত ব্যৱহাৰ কৰা হৈছে। আছ আৰু যা (জা) ধাতু বুৰঞ্জীত অকলে ব্যৱহৃত হৈছে। যেনে—আছোতে। 'নাপা', গেচিল আদি ক্ৰিয়াপদৰ সংক্ষিপ্ত ৰূপবোৰ কথ্য ভাষাৰ আদৰ্শত প্ৰয়োগ কৰা হৈছে। বহুবচনাত্মক প্ৰত্যয় হিচাপে গণ আৰু বোৰ বুৰঞ্জীত সঘনাইভাৱে ব্যৱহৃত হৈছে। নেকি, নিকি আদি প্ৰশ্নবোধক ৰূপৰ প্ৰয়োগ বুৰঞ্জীত দেখা যায়। বুৰঞ্জীত ব্যৱহৃত যুৰীয়া শব্দ; যেনে— কোৰ, ডোল-ডাকুৰ, হট-বট, সত-সপত, খেলন-ভুলন, কৰ-কাটল, চাউল-কানি, বটা-প্ৰসাদ আদিয়ে তদানীন্তন কথ্য ভাষাৰ নমুনা দাঙি ধৰে।

বুৰঞ্জীৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহৰ পৰাই এটা কথা গম পোৱা যায় যে বুৰঞ্জী লেখকসকলে সততে গদ্যৰীতিৰ এটি সমতা ৰক্ষা কৰিবলৈ যত্নবান হৈছিল। তদুপৰি বুৰঞ্জীৰ গদ্যৰীতি গঢ়ি তুলিবৰ বাবেও চেষ্টাৰ ত্ৰুটি কৰা নাছিল। ড° হৰিনাথ শৰ্মাদলৈয়ে লেখিছে : *এইবিধ গদ্যৰ ভাষা আৰু প্ৰকাশৰীতি জনসাধাৰণৰ জীৱনযাত্ৰাৰ লগত খাপখোৱা।*

বুৰঞ্জীৰ গদ্যৰীতি সম্পৰ্কত এটা কথাই ক'ব পৰা যায় যে এইবিধ সাহিত্যৰ ভাষা আৰু গদ্যৰীতিক প্ৰথম আধুনিক গদ্যৰ অব্যৱহিত পূৰ্বৰূপ বুলি ধৰি ল'ব পৰা যায়।

আত্মমূল্যায়ন প্ৰশ্ন

বুৰঞ্জীৰ গদ্যৰ প্ৰধান বৈশিষ্ট্য কি ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

................................................................................................

................................................................................................

................................................................................................

................................................................................................

................................................................................................

................................................................................................

### ৩.৭ *দেওধাই অসম বুৰঞ্জী*

অসমীয়া বুৰঞ্জী সাহিত্যৰ সুদীৰ্ঘ চাৰিশ বছৰীয়া ইতিহাসত এখনি সুকীয়া আসনত অধিষ্ঠিত হ'বলৈ সমৰ্থ হোৱা অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দ্বাৰা প্ৰকাশিত প্ৰসিদ্ধ ইতিহাসবিদ ড° সূৰ্য্যকুমাৰ ভূঞাৰ দ্বাৰা সম্পাদিত *দেওধাই অসম বুৰঞ্জী*খন সকলো দিশৰপৰাই একক আৰু অনন্য। এইখন বুৰঞ্জী অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে ১৯৩২ চনত পোনতে প্ৰকাশ কৰি উলিয়ায়।

*দেওধাই অসম বুৰঞ্জী* বুলি ক'লে আমাৰ মনলৈ মাত্ৰ এখন বুৰঞ্জীৰ ধাৰণাহে আহে। কিন্তু বুৰঞ্জীখনৰ সূচীপত্ৰৰ পাত লুটিয়াই চালেই দেখা যায় যে এই বুৰঞ্জীখন

চাৰিখন স্বতন্ত্ৰ বুৰঞ্জীৰ সংকলন। বুৰঞ্জী চাৰিখন হ'ল— *দেওধাই অসম বুৰঞ্জী, বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জী, দাঁতিৱলীয়া বুৰঞ্জী* আৰু আহোমসকলৰ বৈচিত্ৰ্যপূৰ্ণ ঘটনা সম্বলিত *বিবিধ খণ্ড বুৰঞ্জী*। ওপৰোক্ত এই চাৰিওখন বুৰঞ্জীৰ মাজেৰে আহোম ৰজাসকলৰ ৰাজত্বকালৰ সামাজিক, সাংস্কৃতিক আদি দিশৰ সুন্দৰ বৰ্ণনা পোৱা যায়।

*দেওধাই অসম বুৰঞ্জী* গ্ৰন্থখনৰ নাম কিয় *দেওধাই অসম বুৰঞ্জী* ৰখা হ'ল সেই সম্পৰ্কে গ্ৰন্থখনৰ ইংৰাজীত লেখা দীঘলীয়া পাতনিত ড° ভূঞাদেৱে এনেদৰে উল্লেখ কৰিছে—

*The buranji has been named Deodhai Assam Buranji as it presents the strictly Ahom ways of expression and though as well as their customs and manners.* ড° ভূঞাৰ এনে মন্তব্যৰপৰা সহজেই অনুমান কৰিব পাৰি যে ইয়াত সন্নিবিষ্ট বুৰঞ্জী চাৰিখনত আহোমৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি বিস্তৃতভাৱে বিধৃত হৈছে।

'দেওধাই' শব্দটো আহোম সংস্কৃতিৰ সৈতে গভীৰভাৱে সম্পৃক্ত। সংস্কৃত 'দেৱধ্বনি' শব্দৰপৰা 'দেওধাই' শব্দটো ধ্বনিগত পৰিৱৰ্তন হৈ আহিছে বুলি অনুমান কৰিব পাৰি। বুৰঞ্জীখনৰ ইংৰাজী পাতনিত ড° সূৰ্য্যকুমাৰ ভূঞায়ো এই শব্দৰ অৰ্থ দেৱতাৰ শুশ্ৰূষাকাৰী অৰ্থতে প্ৰয়োগ হোৱা বুলি উল্লেখ কৰিছে। আহোম ভাষাত 'দেওধাই' শব্দৰ দ্বাৰা পুৰোহিতক বুজোৱা হয়। এই শব্দটোৱে আহোম পৰম্পৰা তথা সংস্কৃতিৰ বাৰ্তা বহন কৰে। গ্ৰন্থখনৰ দেওধাই নামটোৱে তাত সন্নিবিষ্ট বুৰঞ্জী চাৰিখনৰ বিষয়বস্তুৰ লগত যে সংগতি ৰক্ষা কৰিছে সেই কথা নক'লেও বুজিব পৰা যায়। ড° সূৰ্য্যকুমাৰ ভূঞাই গ্ৰন্থখনত এনেদৰে উল্লেখ কৰিছে—

*দেওধাই অসম বুৰঞ্জীত সন্নিবিষ্ট বুৰঞ্জী চাৰিখনৰ পাঠ গ্ৰহণ কৰা হৈছে সাঁচিপতীয়া পুথি আৰু ছপা বুৰঞ্জীৰপৰা। কাহিনীক পূৰ্ণাংগতা দিবৰ কাৰণে কেতিয়াবা এখন বুৰঞ্জীকে যুগতাবলৈ কেইবাখনো সাঁচিপতীয়া পুথিৰ সহায় ল'বলগা হৈছে। এনে কৰাৰ ফলত বুৰঞ্জী চাৰিখনত প্ৰকৃত সত্য প্ৰতিষ্ঠিত নোহোৱাকৈ থকা নাই।*

### ৩.৭.১ *দেওধাই অসম বুৰঞ্জীৰ* বিষয়বস্তু

আঠোটা অধ্যায়ত বিভক্ত *দেওধাই অসম বুৰঞ্জীত* আহোম ৰাজবংশৰ উৎপত্তিৰ পৰা চুত্যিংফা নৰিয়া বা কেঁকোৰা ৰজাৰ ৰাজত্ব কাললৈকে ঘটা বিবিধ সৰু-বৰ ঘটনাৰ বিৱৰণী একাদিক্ৰমে বৰ্ণোৱা হৈছে। এই *দেওধাই অসম বুৰঞ্জীখনৰ* মূল দুখন সাঁচিপতীয়া পুথি। এই পুথি দুখন হ'ল— এখন বেপ্তিষ্ট মিছনাৰীসকলৰপৰা পোৱা আৰু আনখন উত্তৰ গুৱাহাটীৰ আনন্দিৰাম গগৈৰ ঘৰৰপৰা পোৱা। দ্বিতীয়খন প্ৰথমখনতকৈ পুৰণি বুলি ঠাৱৰ কৰা হৈছে। মূল আহোম বুৰঞ্জীখন অসম চৰকাৰৰ বাবে ৰায়চাহাব গোপাল

চন্দ্ৰ বৰুৱাই ইংৰাজীলৈ অনুবাদ কৰা এখন আহোম বুৰঞ্জীৰ সৈতে যথেষ্ট মিল থকা দেখা যায়। ড° ভূঞাই এই খণ্ডটো সম্পাদনা কৰোঁতে মূলৰ লগত ইংৰাজী অনুবাদৰো সহায় লৈছে। ১৯২৫ চনত মিছনেৰীৰপৰা পোৱা পুথিখন পোহৰলৈ আহে। ইয়াৰ আখৰ জেঁটিনি মনকৰিবলগীয়া।

এই বুৰঞ্জীৰ দ্বিতীয় খণ্ড বুৰঞ্জী হ'ল— *বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জী*। যিখন অসমৰ এগৰাকী বিচক্ষণ ৰাজনৈতিক পুৰুষ ৰাজমন্ত্ৰী বাঁহগড়ীয়া আতন বুঢ়াগোহাঁইৰ দ্বাৰা সৃষ্টি হোৱা। হেমচন্দ্ৰ গোস্বামীৰ পুত্ৰ শৰৎ চন্দ্ৰ গোস্বামীৰপৰা প্ৰাপ্ত এই বুৰঞ্জীও পুৰণি সাঁচিপতীয়া পুথিতে আছিল। ৩০ পৃষ্ঠাজোৰা এই বুৰঞ্জীত আহোম ৰাজবংশৰ উৎপত্তিৰ পৰা চুচেংফা প্ৰতাপ সিংহৰ ৰাজত্ব কাললৈকে বৰ্ণনা কৰা আছে।

তৃতীয় খণ্ড বুৰঞ্জী হ'ল *দাঁতিয়লীয়া বুৰঞ্জী*; যিখন মাথোন ১৭ পিঠীয়া এখনি সংক্ষিপ্ত বুৰঞ্জী। নগাঁও জিলাৰ বৰকলাৰ মোহন সিং ডেকাৰপৰা আৰু নগাঁও জিলাৰে কলি গাঁৱৰ নিবাসী ভূমিধৰ কাকতিৰপৰা সংগ্ৰহ কৰা এখন জীৰ্ণ-শীৰ্ণ পুথি— এই দুখন পুথিৰ আধাৰত *দাঁতিয়লীয়া বুৰঞ্জী* খণ্ড উদ্ধাৰ কৰা হৈছে। অসমৰ দাঁতিকাষৰীয়া কছাৰী, জয়ন্তীয়া, মিকিৰ, নেলী, গোভা, খাহিগৰীয়া আদি ৰজা পোৱালিৰ লগত অসমৰ ৰজাৰ সম্পৰ্কৰ কথা ইয়াত আছে। কছাৰী আৰু জয়ন্তীয়া ৰজাক বাদ দি বাকীবোৰ আহোম ৰজাৰ কৰকটলীয়া ৰজা।

চতুৰ্থ খণ্ড অৰ্থাৎ শেষৰ খণ্ড বুৰঞ্জীক *বিবিধ খণ্ড বুৰঞ্জী* আখ্যা দিয়া হৈছে য'ত আহোম সংস্কৃতিৰ সম্পূৰ্ণ বিৱৰণ আছে। আহোম ৰজাৰ উপৰি অন্যান্য থলুৱা ৰজাসকলৰ উৎপত্তিমূলক আখ্যানেৰে এই অধ্যায়টো পৰিপূৰ্ণ হৈ আছে। আহোম ৰজাৰ বং-খেমালি, বিবাহ পদ্ধতি, মৈদাম আদিৰ বৰ্ণনাও মন কৰিবলগীয়া। প্ৰথম তিনিখন বুৰঞ্জীৰ দৰে এই খণ্ড বুৰঞ্জীৰো মূল হ'ল বিভিন্ন *সাঁচিপতীয়া বুৰঞ্জী*। *অৰুনোদই, বাঁহী* আদিত ইয়াৰ কিছু প্ৰকাশ হৈছিল। এইখন বুৰঞ্জীয়ে সামগ্ৰিকভাৱে আহোম সংস্কৃতিৰ পৰিচয় দাঙি ধৰিছে।

*দেওধাই অসম বুৰঞ্জীয়ে* মধ্যযুগৰ অসমীয়া গদ্য সাহিত্যলৈও প্ৰভূত বৰঙণি আগবঢ়াই থৈ গৈছে। লগতে অসমীয়া ভাষাৰ ইতিহাসতো ইয়াৰ ভাৱহি বিশেষ স্থান লাভ কৰিছে। কাৰণ, অসমীয়া ভাষাৰ বিশেষ ঠাঁচ ইয়াত পৰিপুষ্ট হৈছে আৰু লগে লগে হিন্দী, বঙলা আৰু অন্যান্য থলুৱা অসমীয়া কথাৰীতিও ইয়াতে পোৱা গৈছে। সংস্কৃত ভাষাৰ বাক্যবিন্যাস ঠায়ে ঠায়ে ব্যৱহাৰ হৈছে।.

প্ৰথম খণ্ড বুৰঞ্জী আহোম ভাষাৰপৰা কৰা পোনপটীয়া অনুবাদ। তাত শক, তাৰিখ, আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ নাম, জীৱ-জন্তুৰ নাম আদি আহোম মতে দিয়া হৈছে। সেইবাবে আহোম ভাষাৰ অধিকাংশ শব্দৰ ইয়াত পয়োভৰ ঘটিছে। কথ্য ভাষাৰ সুন্দৰ নিদৰ্শন দ্বিতীয় খণ্ড বুৰঞ্জীৰ বিশেষ বৈশিষ্ট্য। চতুৰ্থ খণ্ড বুৰঞ্জীত চুটি চুটি বাক্যৰীতি প্ৰয়োগ অধিক। বাক্য গাঁথনিত বুৰঞ্জীখনে অভিনৱত্ব ফুটাই তুলিবলৈ সক্ষম হৈছে। *দেওধাই অসম বুৰঞ্জীয়ে* মধ্যযুগৰ অসমীয়া কথা সাহিত্যৰ উজ্জ্বল চানেকিৰূপে অসমীয়া ভাষা-

সাহিত্যৰ ভঁৰাললৈ অনেক মূল্যবান সম্ভাৰৰ যোগান ধৰিছে বুলি ক'ব পৰা যায়। ঠায়ে ঠায়ে আলৌকিক ঘটনা, আখ্যান আদিৰ সংযোজন বুৰঞ্জীখনৰ আন এক বিশেষ আকৰ্ষণ।

### ৩.৭.২ *দেওধাই অসম বুৰঞ্জীৰ* ভাষা

*দেওধাই অসম বুৰঞ্জীৰ* গদ্যশৈলীয়ে সমগ্ৰ বুৰঞ্জীৰ (গদ্যত ৰচনা কৰা) ভিতৰত কেতবোৰ বিশেষ বিশেষত্ব বহন কৰিবলৈ সমৰ্থবান হৈছে। ইয়াৰ গদ্যশৈলীৰ এটি সংক্ষিপ্ত পৰিচয় তলত দাঙি ধৰা হ'ল—

(১) চুটি চুটি বাক্যৰীতি *দেওধাই অসম বুৰঞ্জীৰ* গদ্যৰ এটি অন্যতম প্ৰধান বৈশিষ্ট্য। অন্যান্য বুৰঞ্জীৰ দৰে এই বুৰঞ্জীৰ ভাষাও সহজ, সৰল আৰু পোনপটীয়া। ঠাই বিশেষে আহোম শব্দৰ প্ৰাচুৰ্য আছে যদিও সি বক্তব্য বিষয়ক দুৰ্বোধ্য কৰি তোলা নাই। ঘৰুৱা তথা তত্ত্বৱ শব্দৰ লগত সংগতি ৰাখি আহোম শব্দ ব্যৱহাৰ কৰা হেতুকে সিবোৰৰ অৰ্থ অনুধাৱন কৰাত বিশেষ অসুবিধা নহয়। আহোম শব্দৰ উপৰি আৰবী, ফাৰ্চীমূলীয় আৰু নব্য ভাৰতীয় অন্যান্য প্ৰাদেশিক ভাষাৰ শব্দও বুৰঞ্জীখনত ব্যৱহৃত হৈছে, কিন্তু তেনে শব্দ সৰহ নহয়। মুঠতে অসমীয়া ভাষাৰ জতুৱা ৰূপটো বুৰঞ্জীখনৰ গদ্যৰীতিয়ে স্পষ্ট আৰু প্ৰাঞ্জল ৰূপত তুলি ধৰিছে। *দেওধাই অসম বুৰঞ্জীখনত* ব্যৱহৃত হোৱা বাক্যবোৰে ইয়াৰ ভাষাটো কথ্যৰূপৰ কাষ চপাই নিছে বুলি ক'ব পৰা যায়। উদাহৰণস্বৰূপে—

(ক) *তাতে জয়ন্তা দেশৰ স্ত্ৰী এটি পালে।* (পৃষ্ঠা ১৩৭)

(খ) *বাব নাই, খাটনি নাই।*

(২) বৰ্ণনামূলক, প্ৰশ্নসূচক, উপদেশমূলক বাক্য, তৰ্কসুলভ আৰু কথোপকথনৰ বাক্যৰীতি বুৰঞ্জীখনৰ গদ্যৰীতিৰ আন এক উল্লেখনীয় বৈশিষ্ট্য। যেনে ঃ

(ক) *তই কোন? তোৰ মাৰ বাপেৰ বা কোন?* (পৃষ্ঠা ১২১)

(খ) *স্বৰ্গদেৱক মৰম বেথা কৰিবা* (পৃষ্ঠা ১৪৮)

(৩) প্ৰাচীন অসমীয়া ভাষাৰ বাক্যৰ ঠাঁচ মাজে মাজে ইয়াত লক্ষ্য কৰা যায়। যেনে-

*পূৰ্বেই যি কন্যা দি থাপিছে সেইসকলক সাক্ষিত থাপিত বোলে, এতিয়াও বুলিবাক পায়, যেমন যাৰ পত্ৰৰ নাম কাৰণ নঘটে, ............আপোনাৰ বচন ৰাখি আমালৈ কন্যা দিয়া হওক।* (পৃষ্ঠা ৯৩)

সংস্কৃত শব্দ আৰু সংস্কৃতীয়া ঠাঁচ এই বুৰঞ্জীখনৰ বিশেষ বৈশিষ্ট্য। শাস্ত্ৰীয় কথা আদিৰ উত্থাপনত এনেধৰণৰ ঠাঁচ ব্যৱহাৰ কৰা দেখা যায়।

(৪) *দেওধাই অসম বুৰঞ্জীৰ* গদ্যৰীতিৰ আন এক বিশেষ বৈশিষ্ট্য হ'ল বাক্য আৰম্ভ কৰোঁতে পাচে, বোলে, আতপাচে, তবে আদি শব্দেৰে বাক্য আৰম্ভ কৰা ৰীতি। কেতিয়াবা খাচ ঘৰুৱা শব্দৰ দ্বাৰা গঠিত বাক্যৰীতি ইয়াত পোৱা যায়। ঘৰুৱা শব্দৰ পয়োভৰে বুৰঞ্জীৰ ভাষাক ঘৰুৱা ৰূপ প্ৰদান কৰিছে।

(৫) দাঁতিয়লীয়া বা দোৰুনীয়া অসমীয়া ভাষাৰ নমুনাৰে প্ৰয়োগ হোৱা বাক্যবোৰ বুৰঞ্জীখনৰ অন্যতম আকৰ্ষণীয় দিশ। দাঁতিয়লীয়া ৰজা বা কটকীৰ মুখৰ ভাষা বিশুদ্ধ অসমীয়া নহয়; ভঙা ভঙা অসমীয়া বঙলা বা থলুৱা ভাষাৰ শব্দ আৰু ব্যাকৰণৰ ঠাঁচৰ সংমিশ্ৰণ ঘটাই এই ভাষাই বঙলুৱা ঠাঁচ লৈছে। ড° সূৰ্য্যকুমাৰ ভূঞাই বুৰঞ্জীখনৰ এনে বিকৃত ৰূপৰ ভাষাক চাহ বাগিচাৰ বনুৱাৰ লগত ভঙা অসমীয়াত কথা পতাৰ লগত তুলনা কৰিছে। উদাহৰণস্বৰূপে—

(ক) *অচমৰ খেদত যে তোমি ভাগিছা কিছু ভয় নকৰিবা। তুমি একত্ৰ হুয়া থাকিলে কিছো ভয় নকৰিবা।* (পৃষ্ঠা ১৩৫)

খণ্ডবাক্য, জতুৱা ঠাঁচ, ফকৰা-যোজনা, প্ৰবাদ বাক্য, অলংকাৰ আদি *দেওধাই অসম বুৰঞ্জীত* যথেষ্ট পৰিমাণে লাভ কৰিব পৰা যায়। উদাহৰণস্বৰূপে—

**খণ্ডবাক্য, জতুৱা ঠাঁচ :** *উবুৰি খাই, হাট-বাট কৰোঁ, থাপি-সাক্ষি, মুণ্ডমালা পিন্ধি, কাপোৰ-কানি মাৰিলি আদি।*

**ফকৰা-যোজনা :** *বেজী হ'লে বটীয়া, ম'ৰা হ'লেহে চালি, গজদণ্ডৰ মুকুতা পালেহে পালি।*

**প্ৰবাদ বাক্য :** *পুত্ৰ হ'লে পিতৃৰ বচন কৰিব লাগে।*

**অলংকাৰ :**

(ক) *লাউ তল যাব, শিল ওপঙিব, কোৱা বগা হ'ব, বগ ক'লা হ'ব আৰু ব্ৰহ্মপুত্ৰে উভতি গতি কৰিব, তেবে কি মোৰ কবুল চাৰিবে?*

(খ) *মউ বৰষা মাত, আনন্দৰ ঢউ, মুখ শুকাই, আমঠু যেন ক'লা হ'ল* আদি অলংকাৰৰ প্ৰয়োগ মন কৰিবলগীয়া।

*দেওধাই অসম বুৰঞ্জীখনৰ* গদ্যৰীতিৰ ক্ষেত্ৰত ইয়াত প্ৰয়োগ হোৱা ধ্বনিসমূহৰ কথাও উল্লেখ কৰিব লাগিব। স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ প্ৰয়োগৰ বিশেষত্ব তলত উল্লেখ কৰা হ'ল :

**স্বৰধ্বনি :** *আসামক, বাবেহাত, গেল, ৰাজকুমৰ, ইতিয়া, সন্য, তোমি, অপগ্ৰব, বপাই আদি।*

**ব্যঞ্জনধ্বনি :** *খালি বচন, খোটাচেৰেক, হিপাৰে, ইভোৰ, নাউ, দেশ আদি।*

সর্বনামৰ ক্ষেত্ৰত *মঞি, তঞি, কতোদিন, তৎকাল, তেওঁৰ, তোমাৰ, কেমন, তেমন* আদি প্ৰয়োগ হৈছে।

আকৌ অব্যয় শব্দৰ ভিতৰত সৈতে, লগত, যদি আৰু ইত্যাদি শব্দ ব্যৱহৃত হৈছে।

*দেওধাই অসম বুৰঞ্জী*খনৰ ভাষাত ব্যৱহাৰ হোৱা ক্ৰিয়াৰ প্ৰয়োগ মনকৰিবলগীয়া দিশ। মুখ্য আৰু গৌণ এই দুয়োবিধ ধাতুৱে ইয়াত প্ৰয়োগ হৈছে। নামধাতুৰ ক্ষেত্ৰত *কৰীয়া, গুনীয়া, টঙ্গনীয়া, গদিয়া* আদি বিশেষ ধাতুৰ প্ৰয়োগ হৈছে। *কটোৱা, বক্ষোৱা, জনোৱা, আওঁতোৱা* আদি পাঁচনী ধাতু, *ঠন-ঠন, হাওৰিয়া* আদি ধ্বন্যাত্মক ধাতুৰ বিশেষধৰণৰ ৰূপ মন কৰিবলগীয়া। ক্ৰিয়াৰূপৰ ক্ষেত্ৰত আসিলা, হৈলা, পৌছিলাস, হৈনি আদিৰ প্ৰয়োগ হৈছে। নঞৰ্থক ক্ৰিয়াৰূপ— *আছেলা, নাইকিছিল নাকৰিবে*, কৃদন্ত ৰূপ- *যাএতে, আছোঁতে, মৰিলত* আদিৰ প্ৰয়োগ বিশেষ লক্ষ্য কৰিবলগীয়া। হি, - গৈ আদি ক্ৰিয়াবাচক পৰসৰ্গৰ বহুল প্ৰয়োগে ইয়াৰ গদ্যশৈলীক বিশেষধৰণে ৰূপ দিছে। উদাহৰণস্বৰূপে : *ভেটালেহি, থাকাগৈ, ঠেকালেনি* আদি। প্ৰকৃততে *দেওধাই অসম বুৰঞ্জী*ত ক্ৰিয়াৰূপৰ বিশেষধৰণৰ প্ৰয়োগ হৈছে— যিবোৰে ইয়াৰ ভাষা আৰু গদ্যৰীতিক আকৰ্ষণীয় কৰি তুলিছে।

বহুবচনৰ প্ৰয়োগত *-বোৰ, -ভোৰ, -ভুৰ, -গিল, -বিলাক, -বোলাক, -হঁত, -হেত, -সকল* আদিৰ প্ৰয়োগ হৈছে। যেনে : ইহেত, ইভোৰ, ইবোলাক ডাঙৰীয়াসকল।

নিৰ্দেশাত্মক প্ৰত্যয়ৰ ক্ষেত্ৰত *-জনী, -জনা, -খান, -খনি, -টা, -টো, -মোৰ, -ধাৰ, -সাজ* আদিৰ ব্যৱহাৰ হৈছে। যেনে— *কুঁৱৰীজনী, সৰুজনা গোহাঁই, কাপোৰ দুসাজ* ইত্যাদি।

লিংগ নিৰূপণৰ ক্ষেত্ৰত *-ঈ, -নী, -অনী, -ইনী* প্ৰত্যয়ৰ প্ৰয়োগ এনেদৰে হৈছে— *জহৰা, -জহৰী, গোসাঁই -গোসাঁনী, -নাগিনী, মিকিৰণী* আদি।

কাৰক আৰু শব্দ বিভক্তিৰ ক্ষেত্ৰত সাধাৰণতে অসমীয়াৰ লগত বহু সাদৃশ্য থাকিলেও কিছু বিশেষত্ব মনকৰিবলগীয়া। গাঁৱেদি বাটি বুজিলে, কলঙ্গে ভটিয়াই গ'ল, যুদ্ধে নোবাৰি, হাবি সোমাই, পুতায়েকৰ ঘৰৰ আদি প্ৰয়োগত কাৰক শব্দ বিভক্তিৰ কেনে প্ৰয়োগ হৈছে সহজে বুজিব পৰা যায়।

*দেওধাই অসম বুৰঞ্জী*খনৰ গদ্যশৈলীত বিশেষভাৱে ইন্ধন যোগাইছে ইয়াত ব্যৱহাৰ হোৱা বিভিন্ন শব্দৰাজিয়ে। কাৰণ তৎসম, অৰ্দ্ধতৎসম, তদ্ভৱ, বিভিন্ন আৰ্যভাষাৰ শব্দ, দেশী-বিদেশী শব্দৰ অধিক প্ৰয়োগ ইয়াত দেখা গৈছে।

তৎসম শব্দ : *মনুষ্য, গৰ্ত, কায়স্থ।*

অৰ্দ্ধতৎসম শব্দ : *মুকুতা, কিৰিবি, যুগুতি, বৰিষণ।*

তদ্ভৱ শব্দ : *মই, হাতী, সাপ, হাঁহ* ইত্যাদি শব্দ ব্যৱহৃত হৈছে।

আৰ্যভিন্ন শব্দৰ ভিতৰত : আহোম, বড়ো, অষ্ট্ৰিক আদি শব্দ আছে। বৰলা, বুন্দা, হাজো আদি বড়ো শব্দ; গংগা, কামৰূপ, চামতা আদি অষ্ট্ৰিক শব্দই বুৰঞ্জীখনৰ ভাষাক সুন্দৰ কৰি তুলিছে। আহোম ভাষাৰ শব্দৰ ক্ষেত্ৰত ৰজা, ডা-ডাঙৰীয়াৰ নাম; জীৱ-জন্তুৰ নাম, উৎসৱ-পাৰ্বণৰ নাম, অলংকাৰৰ নাম—পাইজাৰ, তাওকিন আদি, পৰ্বতৰ নাম—দুইখাম, থাউকাং আদি; নদীৰ নাম—নামটি, চাফ্ৰাই আদি, ঠাইৰ নাম—মুংলুং, মুংৰি, মুংৰাম আদি বিভিন্ন আহোম ভাষাৰ শব্দৰ পয়োভৰ ঘটিছে যিবোৰে বুৰঞ্জীখনক বিশেষত্ব প্ৰদান কৰিছে।

ভাৰতীয় আৰ্যভাষাৰ বাংলা শব্দ কেতবোৰ, যেনে— তেখনো, কুশল, পৰিবেনা আদি; হিন্দী শব্দ— তুম, নহি, অচম আদিও ইয়াত ব্যৱহৃত হৈছে। তদুপৰি পাৰ্চী শব্দ— নবাব, উকিল, চাকৰ, দলিচা আদি আৰু বিভিন্ন ইংৰাজী শব্দ আদিৰো বুৰঞ্জীখনত সমাবেশ ঘটিছে। প্ৰাচীন অসমীয়া, কামৰূপী আদি শব্দ ইয়াত যথেষ্ট পৰিমাণে ব্যৱহৃত হৈছে। যথাৰ্থতে ক'বলৈ হ'লে *দেওধাই অসম বুৰঞ্জী*খনত বিভিন্ন শব্দৰ যি প্ৰয়োগ ঘটিছে সি বুৰঞ্জীখনৰ সৌষ্ঠৱ বৃদ্ধিত সহায় কৰিছে আৰু গদ্যশৈলীক শক্তিশালী কৰি তুলিছে। ইয়াৰ গদ্যশৈলীয়ে প্ৰাচীন গদ্যৰ ৰীতি পৰিহাৰ কৰি অসমীয়া গদ্যক আধুনিক ৰূপৰ ফালে ঢাল খুৱাই লৈ গৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

*দেওধাই অসম বুৰঞ্জী*ৰ ভাষা অন্যান্য বুৰঞ্জীৰ ভাষাতকৈ কি দিশত পৃথক? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

## ৩.৮ সাৰাংশ (Summing Up)

অসমীয়া বুৰঞ্জী সাহিত্যৰ পৰিধি আৰু পৰিসৰ অতি বিস্তৃত। এই বুৰঞ্জী সাহিত্য অসমীয়া সাহিত্যলৈ আহোম ৰজাসকলৰ বিশেষ অৱদান। টাইবংশীয় চুকাফাই অসমত যি আহোম ৰাজত্বৰ পাতনি মেলিলে সেই বংশৰ ৰজাই অসমৰ মাটি-পানী-বায়ুক আপোন কৰি ছশ বছৰীয়া ৰাজত্বৰে যুগমীয়া কীৰ্তি ৰাখি থৈ গ'ল। আহোম প্ৰশাসনৰ এটা গুৰুত্বপূৰ্ণ বিষয় আছিল 'বুৰঞ্জী প্ৰণয়ন'। বুৰঞ্জী সাহিত্যৰ মাজেৰে সাহিত্যিক সৌন্দৰ্য ফুটি উঠাৰ

উপৰি অসমীয়া গদ্যৰীতি আৰু ভাষাৰো ই উৎকৃষ্ট চানেকি দাঙি ধৰিবলৈ সক্ষম হৈছে। গদ্য আৰু পদ্য উভয় মাধ্যমতে বুৰঞ্জী সাহিত্যসমূহ ৰচিত হৈছিল। অৱশ্যে গদ্যত ৰচনা কৰা বুৰঞ্জীসমূহে অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত এক উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে।

অসমীয়া বুৰঞ্জী সাহিত্য তথা অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা বুৰঞ্জীসমূহৰ ভিতৰত *দেওধাই অসম বুৰঞ্জী* একক আৰু অনন্য। এই বুৰঞ্জীখনৰ মাজেৰে অসমৰ সাংস্কৃতিক আৰু সামাজিক দিশৰ প্ৰতিচ্ছবি অতি সুন্দৰভাৱে প্ৰতিভাত হৈ উঠিছে।

*দেওধাই অসম বুৰঞ্জী*য়ে সামগ্ৰিকভাৱে অসমীয়া বুৰঞ্জী সাহিত্যলৈ বিশেষ অৱদান আগবঢ়োৱাৰ লগতে ভাষা, গদ্যশৈলীৰ ক্ষেত্ৰতো নতুনত্ব আনিবলৈ সক্ষম হৈছে। আহোম যুগৰ প্ৰশাসন, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক বাতাবৰণ এই সকলো ইয়াৰ মাজেৰে প্ৰতিফলিত হৈছে। খাচ ঘৰুৱা ভাষাৰ প্ৰয়োগে গ্ৰন্থখনিৰ আবেদন দুগুণে বৃদ্ধি কৰিছে। বুৰঞ্জী সাহিত্যৰ মাজেৰে আহোম প্ৰশাসনৰ সময়ৰ অসমৰ সমাজখনৰ স্পষ্ট ছবি এখনি সুন্দৰভাৱে প্ৰতিফলিত হৈ উঠিছে। প্ৰকৃততে আমি ক'ব পাৰোঁ যে *দেওধাই অসম বুৰঞ্জী* বুৰঞ্জী সাহিত্যৰ এক অন্যতম নিদৰ্শন।

## ৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions) ঃ

(১) 'অসমীয়া বুৰঞ্জী সাহিত্যৰ ইতিহাস' —এই সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(২) 'দেওধাই অসম বুৰঞ্জী'য়ে অসমীয়া বুৰঞ্জী সাহিত্যত উল্লেখযোগ্য স্থান লাভ কৰিছে— কথাষাৰৰ যুক্তিযুক্ততা নিৰূপণ কৰি এটি আলোচনা আগবঢ়াওক।

(৩) দেওধাই অসম বুৰঞ্জীৰ গদ্যশৈলীৰ বিষয়ে ফঁহিয়াই আলোচনা কৰক।

(৪) দেওধাই অসম বুৰঞ্জীৰ মাজেৰে সেই সময়ৰ অসমৰ সামাজিক আৰু সাংস্কৃতিক দিশৰ বেঙণি কেনেদৰে প্ৰতিভাত হৈছে আলোচনা কৰক।

(৫) গুৰুচৰিত কথা আৰু দেওধাই অসম বুৰঞ্জীৰ গদ্যশৈলীৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

(৬) দেওধাই অসম বুৰঞ্জীৰ আধাৰত আহোম ৰজা চুচেংফা প্ৰতাপ সিংহৰ ৰাজত্বকালৰ আহোম-বঙ্গাল যুদ্ধৰ এটি বিৱৰণ দাঙি ধৰি তাৰ ফলাফল নিৰূপণ কৰক।

(৮) আহোম ৰজাসকলৰ শাসন কালৰ অসমৰ ৰাজনৈতিক দিশৰ প্ৰতিচ্ছবি 'দেওধাই অসম বুৰঞ্জী'ৰ মাজেৰে কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰক।

(৯) চমুটোকা লিখক : (ক) বামুণীকোঁৱৰ, (খ) নাংবক্ৰ গাভৰু, (গ) খোৰা ৰজা, (ঘ) প্ৰতাপ সিংহ, (ঙ) শেন-কনুৱাৰ খেল, (চ) তুৰ্বক, (ছ) নৰিয়া ৰজা, (জ) আহোমৰ বিবাহ পদ্ধতি, (ঝ) আগিয়াঠুটিৰ ৰণ, (ঞ) কীৰ্তিচন্দ্ৰ বৰুৱা।

### ৩.১০ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings) :


ডিম্বেশ্বৰ নেওগ : *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*

ত্ৰৈলোক্য নাথ গোস্বামী : *আলোচনা সাহিত্য*

প্ৰফুল্ল কটকী : *ক্ৰমবিকাশত অসমীয়া কথাশৈলী*

প্ৰফুল্লদত্ত গোস্বামী : *বুৰঞ্জী আৰু সংস্কৃতি*

বসন্ত কুমাৰ ভট্টাচাৰ্য : *মধ্যযুগৰ সাহিত্য*

মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

লীলা গগৈ : *বুৰঞ্জী সাহিত্য*

(—) : *আহোম জাতি আৰু সংস্কৃতি*

(—) : *অসমৰ সংস্কৃতি*

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*

হৰিনাথ শৰ্মাদলৈ : *অসমীয়া গদ্য সাহিত্যৰ গতিপথ*

হেমন্ত কুমাৰ শৰ্মা : *অসমীয়া সাহিত্যত দৃষ্টিপাত*


●●●

## চতুৰ্থ বিভাগ

# চৰিত পুথি

বিভাগৰ গঠন :

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ চৰিতভোলা পৰম্পৰা
৪.৪ চৰিত পুথি বনাম জীৱনী সাহিত্য
৪.৫ চৰিত পুথিৰ বিষয়বস্তু আৰু প্ৰকাৰ
৪.৬ চৰিত পুথিৰ বৈশিষ্ট্য
৪.৭ চৰিত পুথিৰ সাহিত্যিক গুণ আৰু দোষ
৪.৮ গুৰুচৰিত কথা
৪.৮.১ গুৰুচৰিত কথাৰ ৰচক আৰু ৰচনা কাল
৪.৮.২ গুৰুচৰিত কথাত প্ৰতিফলিত সমাজৰ চিত্ৰ
৪.৮.৩ গুৰুচৰিত কথাৰ ভাষা
৪.৯ সাৰাংশ (Summing Up)
৪.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.১১ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)

## ৪.১ ভূমিকা (Introduction)

অসমীয়া সাহিত্যৰ ইতিহাসত উল্লেখযোগ্য স্থান অধিকাৰ কৰি থকা শঙ্কৰোত্তৰ যুগৰ বহুমূলীয়া সম্পদবিধেই হৈছে চৰিত সাহিত্য বা চৰিত পুথি। বৈষ্ণৱ ধৰ্মগুৰুসকলৰ দ্বাৰা সৃষ্ট পবিত্ৰ সত্ৰ-অনুষ্ঠানসমূহৰ মজিয়াতে চৰিত পুথিসমূহৰ বীজ অংকুৰিত হয়। সাধাৰণ ভাবাত ক'বলৈ হ'লে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱৰ জীৱন চৰিত্ৰক কেন্দ্ৰ কৰি সংশ্লিষ্ট শিষ্য-প্ৰশিষ্যৰে জীৱন বৃত্তান্তমূলক ৰচনা পুথিসমূহকে চৰিত বুলি বুজা যায়। বৈষ্ণৱ সত্ৰবোৰত ৰচিত চৰিত পুথিসমূহত যিদৰে মহাপুৰুষসকলৰ জীৱন চিত্ৰ পোৱা যায়, ঠিক সেইদৰে মধ্যযুগৰ অসমীয়া জাতীয় সমাজৰ ছবিও এই পুথিসমূহৰ মাজেৰে সুন্দৰ ৰূপত পৰিস্ফুট হৈ উঠা দেখিবলৈ পোৱা যায়। অসমীয়া সাহিত্য বিশেষকৈ গদ্য সাহিত্যলৈও চৰিত পুথিসমূহে প্ৰভূত সমল আগবঢ়াই থৈ যোৱা বুলি ক'ব পৰা যায়। চৰিত পুথি সম্পৰ্কত এষাৰ কথা স্পষ্টভাৱে ক'ব পৰা যায় যে এই পুথিসমূহ হৈছে অসমীয়া সাহিত্যৰ ভঁৰালত নিয়াৰিকৈ সাঁচি ৰখা মুকুতা স্বৰূপ।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- চৰিত তোলা পৰম্পৰাৰ বিষয়ে বৰ্ণনা আগবঢ়াব পাৰিব।
- চৰিত পুথি আৰু জীৱনী সাহিত্যৰ পাৰ্থক্য অনুধাৱন কৰি সেই পাৰ্থক্য দেখুৱাই দিব পাৰিব।
- চৰিত পুথিৰ বিষয়বস্তুৰ প্ৰকাৰ আৰু বৈশিষ্ট্যৰ সম্পৰ্কে ধাৰণা কৰি ব্যাখ্যা কৰিব পাৰিব।
- চৰিত পুথিৰ সাহিত্যিক মূল্যৰ পৰ্যালোচনা আগবঢ়াব পাৰিব।
- গুৰুচৰিতৰ সাধাৰণ পৰিচয়ৰ লগতে ইয়াৰ বিষয়বস্তু, ভাষা আৰু ইয়াত প্ৰতিফলিত সমাজ জীৱনৰ চিত্ৰ সম্পৰ্কে জানিব পাৰিব আৰু এইবোৰ বিশ্লেষণ কৰিব পাৰিব ।

## ৪.৩ চৰিত তোলা পৰম্পৰা

বৈষ্ণৱ গুৰু, যুগস্ৰষ্টা কলাকাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱ প্ৰমুখ্যে বিশিষ্ট সন্ত-মহন্তসকলৰ তিৰোধানৰ পাছত অৰ্থাৎ তেওঁলোকৰ জীৱনকথাক সামৰি লৈ চৰিত পুথিসমূহ ৰচনা কৰা হয়। সপ্তদশ শতিকাৰ আৰম্ভণিৰে পৰা সপ্তদশ শতিকাৰ শেষলৈকে এই সময়খিনিয়েই চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশৰ সময়। মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষসকলৰ মৃত্যুৰ পিছত তেওঁলোকৰ কাৰ্য আৰু গুণাৱলী কীৰ্তন কৰাটো সত্ৰীয়া ভকতসকলৰ এটা প্ৰধান ধৰ্মকাৰ্যৰূপে পৰিগণিত হৈছিল। শিষ্যসকলক আগত লৈ সত্ৰাধিকাৰে যেনেকৈ ধৰ্মবিষয়ক কথা আলোচনা কৰিছিল, তেনেকৈ সময়ে সময়ে মহাপুৰুষসকলৰ জীৱন-কাহিনীও বৰ্ণনা কৰিছিল আৰু শিষ্যসকলেও ধৰ্মগ্ৰন্থৰ দৰেই সেই কাহিনীবোৰ ভক্তিভাৱে শ্ৰৱণ কৰিছিল। মহাপুৰুষসকলৰ জীৱন-কাহিনীসমূহ পোনতে লিপিবদ্ধ হোৱা নাছিল; নাইবা শিষ্যসকলেও লিপিবদ্ধ কৰাৰ কথা ভৱা নাছিল, কিন্তু কিছুকাল যোৱাৰ পাছত কিছুমান শিষ্যই গুৰুপৰম্পৰাত বাগৰি অহা কাহিনীবোৰ লিপিবদ্ধ কৰিবলৈ ধৰিলে। এনেদৰে লিপিবদ্ধ কৰা গ্ৰন্থসমূহেই হ'ল চৰিত পুথি। বৈষ্ণৱ গুৰুসকলৰ জীৱন চৰিত অৰ্থাৎ গুণ-গৰিমা জনসাধাৰণৰ আগত ব্যক্ত বা প্ৰকাশ কৰাৰ উদ্দেশ্যৰে চৰিত পুথিসমূহ ৰচনা কৰা হৈছিল বুলি ক'ব পৰা যায়।

অসমীয়া সাহিত্য-সংস্কৃতি আৰু ইতিহাসৰ লগত সত্ৰ-নামঘৰৰ ভূমিকা অতি নিবিড়। মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে মহাপুৰুষসকলৰ উত্তৰকালত অসমৰ ইমুৰৰপৰা সিমুৰলৈকে যিদৰে সত্ৰায়ন পৰ্বৰ সূচনা হৈছিল, একেদৰে সত্ৰসমূহৰ প্ৰভাৱপুষ্ট হৈ গাঁৱে-ভূঞে মহাপুৰুষ শঙ্কৰদেৱৰ জীৱিত

কালছোৱাতেই থান-সত্ৰসমূহত বৈষ্ণৱ ভক্ত সমাজৰ উপাস্য দেৱতাৰ চৰিত্ৰ কীৰ্তন কৰা হৈছিল। কিন্তু শঙ্কৰদেৱৰ প্ৰয়াণৰ পাছত অসমৰ বৈষ্ণৱ সত্ৰসমূহ একাধিক অন্তৰ্লীন কাৰণত ব্ৰহ্ম, পুৰুষ, নিকা আৰু কাল সংহতিৰূপে চাৰিটা থুলত বিভক্ত হৈ পৰিল। এই চাৰিওটা সংহতিতে নাট, গীত, বোৰা ৰচনা কৰাটো সত্ৰীয়া গুৰুসকলৰ প্ৰধান কৰ্তব্যৰূপে পৰিগণিত হৈছিল। শঙ্কৰদেৱৰ তিৰোধানৰ পাছত মাধৱদেৱে গুৰুবাক্য সাৰোগত কৰি গুৰুজনৰ সদাসৰ্বদা চৰিত্ৰ কীৰ্তন কৰিবলৈ লৈছিল। সত্ৰস্থ ভকতসকলে পোনপ্ৰথমতে মাধৱদেৱৰপৰাই গুৰুকথা শুনিবলৈ সুযোগ পাইছিল। মাধৱদেৱৰ দৃষ্টিত শঙ্কৰদেৱ মহাপুৰুষ জগদীশ্বৰ, জগতগুৰু; অকল ইমানেই নহয়-

*ত্ৰিভুৱন বন্দন দৈৱকী নন্দন যো হৰি মাৰল কংস।*
*জগতজন তাৰণ দেৱ নাৰায়ণ শংকৰ তাহেৰি অংশ।।*

শঙ্কৰদেৱ ঈশ্বৰ পুৰুষ, হৰিভকতৰ কল্পতৰু, সৰ্বত্ৰৰে গুৰু বুলি মাধৱদেৱে *নামঘোষাৰ* বিভিন্ন স্তবকত উল্লেখ কৰিছে। মাধৱদেৱৰ লেখনিতে শঙ্কৰ বন্দনা নাইবা লীলা চৰিত বৰ্ণনাৰ পোনপ্ৰথম আভাস পৰিলক্ষিত হয়। মাধৱদেৱৰ চৰিততোলা প্ৰথা, নামঘোষাৰ স্তবকত বৰ্ণনা কৰা গুৰুৰ গুণ, গৰিমা আৰু বন্দনাৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁৰ পৰৱৰ্তী ভক্তসকলে চৰিত ৰচনা কৰাৰ আদৰ্শ লাভ কৰিছিল বুলি ক'ব পৰা যায়। মাধৱদেৱৰ বাহিৰেও শঙ্কৰদেৱৰ সমসাময়িক শাস্ত্ৰজ্ঞ বা পণ্ডিত আচাৰ্যসকলেও শঙ্কৰদেৱক গুৰু, পৰমপুৰুষ, ভগবানৰ অংশ বা কলা অৱতাৰ বুলি স্বীকাৰ কৰি গৈছে। এই বৃন্দৰ ভিতৰত ৰামসৰস্বতী, অনন্ত কন্দলি, শ্ৰীধৰ কন্দলি, সুকবি শেখৰ, নাৰায়ণ ঠাকুৰ আদিৰ নাম উল্লেখযোগ্য। মহাপুৰুষ মাধৱদেৱ প্ৰভৃতি সন্ত-মহন্তসকলৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতি থকা প্ৰগাঢ় ভকতি আৰু অপৰিসীম শ্ৰদ্ধাৰ হেতুকেই যে অসমীয়া সাহিত্যৰ মধ্যযুগত চৰিত সাহিত্যৰ সৃষ্টি হৈছিল এই কথাটো সুস্পষ্ট।

অসমীয়া বৈষ্ণৱ সমাজত, বিশেষকৈ সত্ৰীয়া সংস্কৃতিত এইধৰণৰ চৰিত চৰ্চা কৰা প্ৰথাটোকে 'চৰিত তোলা' প্ৰথা বুলি কোৱা হয়। ইয়াত ভক্তবৰ্গই ভক্ত সমাজত খাপ খোৱা সাধু ভাষাত নিজৰ অনুভূতি মিশ্ৰিত কথন ভংগীমাত গুৰুলীলা ব্যক্ত কৰে। কিবা সন্দেহ বা আঁসোৱাহ পালে আন ভক্তই তাক তুলি ধৰে; সেই মৰ্মে পুনঃ কথন আৰম্ভ হয়।এইধৰণৰ ভকতীয়া সাধু ভাষা আৰু ৰীতিত গুৰুৰ জীৱন চৰিত কথন-মথন হোৱা দস্তুৰৰপৰাই চৰিত পুথিৰ উদ্ভৱ হোৱা বুলি ধৰিব পৰা যায়।

অসমীয়া সাহিত্যৰ মধ্যযুগত বিশেষকৈ শঙ্কৰ গুৰুৰ পৰৱৰ্তী কালছোৱাত চৰিত সাহিত্যই গা কৰি উঠে। মহাপুৰুষ শঙ্কৰদেৱৰ লীলা-চৰিত্ৰক কেন্দ্ৰ কৰিয়েই অসমীয়া চৰিত পুথিৰ উদ্ভৱ হয়।অৱশ্যে পাছলৈ বিভিন্ন গুৰুৰ চৰিত্ৰ বিষয়ক, যেনে— মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, বৈকুণ্ঠনাথ প্ৰভৃতি গুৰুৰ বিষয়ে শিষ্য-প্ৰশিষ্যসকলে অনেক চৰিতপুথি ৰচনা কৰি অসমীয়া চৰিত সাহিত্যক বিস্তৃত মৰ্যাদাৰ আসনত বহুৱাইছে বুলি ক'ব পৰা যায়।

কালক্ৰমত এই চৰিত-তোলা প্ৰথাই বিস্তাৰ লাভ কৰে সত্ৰ আৰু ভক্ত সমাজৰ মাজত। পৰৱৰ্তীকালত আনকি এই প্ৰথা সত্ৰসমূহৰ দৈনন্দিন ধৰ্মীয় কাৰ্যক্ৰমণিকাৰ অন্তৰ্ভুক্ত হৈ পৰে। গুৰুসকলৰ জীৱন-বৃত্তান্ত কেতিয়াবা সত্ৰৰ বাহিৰতো চৰ্চা কৰা হৈছিল। কোনো এজন ভকতত আন এজন ভকতৰ ঘৰলৈ আহিলে এছোৱা চৰিতকথন কৰা প্ৰথা কোনো কোনো অঞ্চল বিশেষে এতিয়াও আছে। অতিথিয়েও চৰিত কোৱা সময়খিনি আঁঠুকাঢ়ি থাকি চৰিত-চৰ্চনৰ মাধুৰ্য উপভোগ কৰে। গুৰুসকলৰ চৰিত-চৰ্চাৰ অনেক কথা বহুকাল ধৰি ভক্তবৃন্দৰ মাজত শিলৰ ৰেখাৰ দৰে মুখে মুখে চলি আহিছিল। শঙ্কৰদেৱৰ লগত সকলো সময়তে লাগি থকা মাধৱদেৱেই হ'ল এই প্ৰথাৰ প্ৰথম বক্তা। পিছলৈ নাৰায়ণ দাস ঠাকুৰ আতা, মথুৰাদাস বুঢ়াআতা আদিয়েই এই পৰম্পৰা অব্যাহত ৰাখি মাধৱদেৱৰ প্ৰয়াণৰ পাছত 'চৰিত-চৰ্চা' প্ৰথা আৰু সবল কৰি তোলে।

ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে, চৰিত পুথিৰ উদ্ভৱ আৰু গঠনপ্ৰণালীৰ লগত বুদ্ধদেৱৰ চৰিতাৱলীৰ সাদৃশ্য আছে। বৌদ্ধ সাহিত্যত বুদ্ধদেৱৰ পূৰ্বজন্মৰ কাৰ্যকলাপ লৈ অসংখ্য জাতকৰ গল্প আছে, এই প্ৰসংগত মহাবস্তু, ললিত বিস্তৰ আৰু অশ্বঘোষৰ *বুদ্ধচৰিত* উল্লেখনীয়। জৈন ধৰ্মৰ সাহিত্যতো তেষষ্ঠিজন মহাপুৰুষৰ জীৱনী আছে। সংস্কৃত সাহিত্যত বাণভট্টৰ (৭ম খৃষ্টাব্দ) *হৰ্ষচৰিত* এখনি উল্লেখযোগ্য জীৱনীগ্ৰন্থ। এই গ্ৰন্থসমূহ ৰচনাৰ বহুকাল পাছত অৰ্থাৎ সোতৰশ আৰু ওঠৰশ শতিকাত অসমীয়া বৈষ্ণৱ লেখকসকলে গুৰুচৰিত লেখিবলৈ ধৰে। অকল অসমীয়া বুলিয়েই নহয়, বাংলা আদি আন আন আধুনিক ভাৰতীয় সাহিত্যতো বৈষ্ণৱ মহাজনসকলৰ জীৱনচৰিত ৰচিত হৈছে। বঙালী কবিসকলে অকল চৈতন্যদেৱৰ জীৱনীলৈয়ে *চৈতন্য চৰিতামৃত, চৈতন্য মংগল, চৈতন্য-চন্দ্ৰোদয় কৌমুদী, চৈতন্য সাহিত্য* আদি কাব্য আৰু *চৈতন্য-চন্দ্ৰোদয়* নামৰ নাট ৰচনা কৰিছে। ইয়াৰ উপৰি অন্যান্য বৈষ্ণৱ সাধকসকলক লৈও *প্ৰেমবিলাস, প্ৰেমামৃত, বীৰ-ৰত্নাৱলী* আদি জীৱনীমূলক গ্ৰন্থ ৰচিত হৈছে। এই আটাইবোৰ অসমীয়া চৰিত পুথিৰ লেখীয়া গ্ৰন্থ।

**আত্মমূল্যায়ন প্ৰশ্ন**

চৰিত তোলা পৰম্পৰা কেনেদৰে আৰম্ভ হয়? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

## ৪.৪ চৰিত পুথি বনাম জীৱনী সাহিত্য

অসমীয়া চৰিতকাৰসকলে তেওঁলোকৰ গুৰুসকলক অৱতাৰী পুৰুষ হিচাপে মানি লৈছিল। সেইবাবে চৰিতকাৰসকলে চৰিতবোৰত সন্ত-মহন্তসকলৰ ব্যক্তিগত জীৱনৰ ওপৰত বিশেষ গুৰুত্ব নিদি তেওঁলোকৰ অলৌকিকতা আৰু অতি প্ৰাকৃত সম্পন্ন জীৱন বৃত্তৰ ওপৰতহে গুৰুত্ব দি এই পুথিসমূহ ৰচনা কৰিছিল। সেয়েহে আধুনিক জীৱনীৰ সংজ্ঞা বিচাৰৰ জোখ-মাপত চৰিতকাৰসকল দোষমুক্ত হ'ব পৰা নাই। কিয়নো জীৱনী সাহিত্যত চৰিতকাৰে কোনো ব্যক্তিৰ চৰিত্ৰক মুখ্য হিচাপে গ্ৰহণ কৰি লয় যদিও চৰিত্ৰটিৰ বিভিন্ন দিশৰ পৰ্যালোচনা কৰে। 'মুনীনাঞ্চ মতিভ্ৰম' অৰ্থাৎ মহান লোকৰো ভুল হয়। গতিকে জীৱনী লেখকে যিমান শ্ৰেষ্ঠ গুণসম্পন্ন ব্যক্তিৰ জীৱনী নেলেখক কিয় নিশ্চয় সেই চৰিত্ৰটিৰ দোষবো বৰ্ণনা কৰিব লাগিব। আধুনিক জীৱনী লেখকসকলে ব্যক্তিৰ দোষ-গুণ উভয় দিশক চৰিত সাহিত্যত প্ৰকট কৰি দেখুৱায়। কিন্তু বৈষ্ণৱ চৰিতকাৰৰ চৰিতত এনে কথা প্ৰযোজ্য নহয়। সেইবাবে তেওঁলোকৰ চৰিতপুথিসমূহক প্ৰকৃত জীৱনী কাব্য বুলি আখ্যা দিব পৰা নাযায়। কাৰণ শ্ৰদ্ধা ভক্তিত মূৰ দোঁৱাই বৈষ্ণৱ গুৰুৰ চৰিত্ৰ বৰ্ণনা কৰিবলৈ যোৱাত চৰিতকাৰসকলে গুৰুসকলৰ গাত মাথোন ঐশ্বৰিক গুণ সন্নিবিষ্ট হৈ থকাহে দেখিবলৈ পালে। সেয়েহে অলৌকিকতাৰে চৰিত্ৰসমূহ মহিমামণ্ডিত কৰি ভক্ত সমাজৰ আগত গুৰুৰ মাহাত্ম্য প্ৰকাশ কৰিবলৈ যোৱাৰ বাবে চৰিত পুথিসমূহে আধুনিক জীৱনী কাব্যৰ শাৰীলৈ উন্নীত হ'ব নোৱাৰিলে।

ইউৰোপৰ মধ্যযুগৰ বেছিভাগ জীৱনীৰেই নায়ক আছিল খ্ৰীষ্টধৰ্মৰ সন্তসকল। এই সন্তসকলৰ অলৌকিক অতিৰঞ্জিত গুণাগুণ এই কাহিনীসমূহত বৰ্ণোৱা হৈছিল। সেইবাবে মধ্যযুগত ইউৰোপত ৰচিত এই জীৱনীবোৰক প্ৰকৃত জীৱন চৰিত নুবুলি হেগিওগ্ৰাফী (Hagiography) বুলিহে অভিহিত কৰা হৈছিল। সেই দিশৰপৰা চাবলৈ গ'লে অসমৰ চৰিত পুথিসমূহ যিহেতু গুৰুসকলৰ মহিমা প্ৰকাশ কৰিবৰ বাবে ঠায়ে ঠায়ে অলৌকিক ঘটনা আৰু ঐশ্বৰিক কাৰ্যকলাপ গুৰুসকলৰ চৰিত্ৰত আৰোপ কৰা হৈছে সেইবাবে চৰিতপুথিসমূহক প্ৰকৃত জীৱনী সাহিত্য নুবুলি হেগিওগ্ৰাফী বুলি কোৱাহে উচিত হ'ব। কিন্তু অসমীয়া সাহিত্যত জীৱনী সাহিত্যৰ প্ৰাচীন ৰূপ বৈষ্ণৱ সাহিত্যৰ অন্তৰ্গত চৰিত পুথিসমূহৰ মাজেৰে লাভ কৰিব পৰা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

চৰিত পুথিক কিয় প্ৰকৃত জীৱনী সাহিত্য বুলিব নোৱাৰি? (২০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

### ৪.৫ চৰিত পুথিৰ বিষয়বস্তু আৰু প্ৰকাৰ

চৰিত পুথিসমূহত ধৰ্ম অনুষ্ঠানৰ প্ৰসাৰৰ ইতিহাস, গুৰুসকলৰ ধৰ্মীয় জীৱনৰ সকলোবোৰ অনুকূল-প্ৰতিকূল অৱস্থা, সত্ৰ অনুষ্ঠানসমূহৰ বিকাশ, বৈষ্ণৱ আচাৰ-নীতিৰ আৰ্হিকে আদি কৰি বহুতো সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ সমল পোৱা যায়। মহাপুৰুষসকলৰ দৈনন্দিন জীৱনৰ পুংখানুপুংখ বিৱৰণ দাঙি ধৰি তেওঁলোকৰ ব্যক্তিত্বৰ স্বৰূপ প্ৰতিফলন কৰাত চৰিত পুথিসমূহ দিনলিপি হিচাপেও চিত্ৰিত হৈছে। আনহাতে চৰিত পুথিসমূহ বুৰঞ্জীৰো পৰিপূৰক। বুৰঞ্জীসমূহত ৰাজনৈতিক ঘটনা, ৰজাসকলৰ কাৰ্যকলাপ আদিৰ বৰ্ণনাহে বিস্তৃত আকাৰত পোৱা যায়। কিন্তু চৰিত পুথিসমূহত জনসাধাৰণৰ সাংস্কৃতিক, অৰ্থনৈতিক আদি বহু চিত্ৰই পোৱা যায়। সেইবাবে চৰিত পুথিসমূহক মধ্যযুগৰ অসমৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ দলিলস্বৰূপ বুলি অভিহিত কৰিব পৰা যায়।

বৈষ্ণৱ ধৰ্মগুৰুসকলৰ আদৰ্শ আৰু কাৰ্যাৱলী জীয়াই ৰখাৰ পবিত্ৰ দায়িত্বৰ অনুপ্ৰেৰণাতে জন্ম হোৱা চৰিত সাহিত্যৰ মূল্য অসমীয়া সাহিত্যত অপৰিসীম। ইয়াক অসমীয়া বৈষ্ণৱ সাহিত্যৰ এটা প্ৰধান শাখা বুলি অভিহিত কৰিব পৰা যায়। ৰচনাৰ ধৰণ অনুসৰি চৰিত পুথিসমূহক দুই ভাগত ভাগ কৰিব পৰা যায়। এই ভাগ দুটা হ'ল— (ক) পদ্য চৰিত আৰু (খ) গদ্য চৰিত।

সাধাৰণতে প্ৰথমতে ৰচনা কৰা চৰিত পুথিসমূহ পদ্যত ৰচিত আৰু পৰৱৰ্তীবোৰ গদ্যত ৰচিত বুলি ক'ব পৰা যায়। কিন্তু গদ্যৰ মাধ্যমত চৰ্চিত জীৱন কথা মনত ৰাখিবলৈ সহজ নোহোৱাত পদ্যতে জীৱন চৰিত ৰচিত হ'বলৈ ধৰিলে। কাব্য বা পদছন্দৰ ৰচনা সেই সময়ৰ সাহিত্যৰ এক জনপ্ৰিয় শৈলী আছিল। কিন্তু সময়ৰ ব্যৱধানৰ পৰিপ্ৰেক্ষিতত সেইবোৰৰ কিছু গড়মিলো হৈছিল—

*শুনা কথা কতো পৰে নপৰে মনত।*
*হোৱে আগ-পাচ মোৰ বুদ্ধিৰ দোষত।।*

ছন্দত ৰচিত চৰিত পুথিবোৰক বৈষ্ণৱ জীৱনীকাব্য বুলি আখ্যা দিব পৰা যায়, কিয়নো সেইবোৰত আন আন বৈষ্ণৱ কাব্যৰ সকলো লক্ষণ বিদ্যমান। এতিয়ালৈকে

পোহৰলৈ অহা এই চৰিত পুথিৰ সংখ্যা ডেৰকুৰিখনমান হ'ব। ইয়াৰ ভিতৰত অকল শঙ্কৰদেৱ-মাধৱদেৱৰ জীৱন চৰিতেই পাঁচ-ছখনমান।

পোনপ্ৰথমে মহাপুৰুষ মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰে *শঙ্কৰ চৰিত* নামৰ চৰিত পুথি এখন প্ৰণয়ন কৰে বুলি কোনো কোনো পণ্ডিতে অভিমত দিয়ে। সেই হিচাপে পুথিখন খৃষ্টাব্দ ষোড়শ শতিকাৰ শেষ নাইবা সোতৰশ শতিকাৰ আদিভাগত ৰচিত বুলি অনুমান কৰা যায়। পুথিখনত বহু অলৌকিক কথা থাকিলেও শঙ্কৰদেৱৰ গোটেই বিস্তৃত বিৱৰণ পোৱা যায়। ৰামচৰণৰ পুতেক দৈত্যাৰি ঠাকুৰেও *শঙ্কৰদেৱ-মাধৱদেৱ চৰিত* নামৰ চৰিত পুথি এখন প্ৰণয়ন কৰে। এইখনত অৱশ্যে শঙ্কৰদেৱতকৈ মাধৱদেৱৰ জীৱন কাহিনীহে বিশেষভাৱে বৰ্ণনা কৰা হৈছে। প্ৰকৃতপক্ষে এইখনকে প্ৰথম চৰিত পুথি বুলি ড° মহেশ্বৰ নেওগ প্ৰমুখ্যে সৰহভাগ পণ্ডিতে মত দিয়ে। দৈত্যাৰি ঠাকুৰেও পিতৃ ৰামচৰণ ঠাকুৰ ৰচিত কোনো ৰচিত পুথিৰ কথা উল্লেখ কৰা নাই। সেয়েহে ৰামচৰণ ঠাকুৰৰ ৰচিত পুথি প্ৰক্ষিপ্ত বুলি অনুমান কৰা হয়। দৈত্যাৰি ঠাকুৰৰ সমসাময়িক ভূষণ দ্বিজেও *শঙ্কৰ-চৰিত* ৰচনা কৰে। শ্ৰীৰাম আতাৰ পুত্ৰ ৰামানন্দ দ্বিজে *গুৰুচৰিত*ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱনীৰ উপৰি *ভৱানীপুৰীয়া গোপাল আতাৰ চৰিত্ৰ*ত প্ৰণয়ন কৰে বুলি পোৱা যায়। এই সময়ৰে লেখক কৃষ্ণ-ভাৰতীয়ে *সন্ত নিৰ্ণয়* নামৰ এখন গদ্য পুথিত বৈষ্ণৱ প্ৰচাৰকসকলৰ জীৱন কাহিনী চমুকৈ বৰ্ণনা কৰিছে। কৃষ্ণাচাৰ্য নামৰ আন এজন লোকেও *সন্ত চৰিত* নামৰ পদ-পুথি এখন বৈষ্ণৱ সন্তসকলৰ বিৱৰণ দাঙি ধৰিছে। দামোদৰদেৱৰ প্ৰধান শিষ্য ৰামৰায় দ্বিজে দামোদৰদেৱ আৰু ভট্টদেৱৰ জীৱনীক লৈ *গুৰু-লীলা* নামৰ চৰিত পুথি এখন ৰচনা কৰে। খৃষ্টাব্দ সোতৰশ শতিকাৰ মাজভাগত ৰামানন্দই তেওঁৰ গুৰুৰ জীৱনক লৈ *বংশীগোপালদেৱৰ চৰিত* ৰচনা কৰে। এইবোৰৰ উপৰি ভৱানন্দ দ্বিজৰ *গোবিন্দ চৰিত*, ৰমাকান্তৰ *বনমালীদেৱৰ চৰিত্ৰ* আৰু বিদ্যানন্দ ওজাৰ *ঠাকুৰ চৰিত* এই শতিকাৰ উল্লেখযোগ্য চৰিত পুথি।

অষ্টাদশ শতিকাতো চৰিত সাহিত্যই বিশেষভাৱে বিকাশ লাভ কৰে। সপ্তদশ শতিকাৰ দৰে এই যুগতো সৰহভাগ চৰিত পুথি ছন্দত ৰচিত হ'লেও গদ্যত ৰচা চৰিত পুথিকেইখনহে এই যুগৰ উল্লেখযোগ্য দান। সেই পুথিকেইখন অকল কলেৱৰতেই বৃহৎ নহয়, সেই যুগৰ গদ্য সাহিত্যৰ নিদৰ্শন স্বৰূপেও তাৰ মূল্য অধিক। গদ্যত ৰচিত এনে উল্লেখযোগ্য চৰিত পুথি হ'ল— উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱৰ সম্পাদিত *কথা-গুৰু চৰিত* আৰু লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ *বাঁহীত* প্ৰকাশিত আৰু বৰ্তমানে ড° মহেশ্বৰ নেওগদেৱৰ দ্বাৰা সম্পাদিত *বৰদোৱা* গুৰুচৰিত। ইয়াৰ উপৰি গোবিন্দ দাসৰ *সন্ত সম্প্ৰদায়* আৰু ভট্টদেৱৰ নামত প্ৰচলিত *সৎ সম্প্ৰদায় কথা* নামৰ গদ্যত ৰচিত পুথি দুখনো এই শতিকাৰে ৰচনা। পদত ৰচিত পুথিসমূহৰ ভিতৰত নীলকণ্ঠ দাসৰ *দামোদৰ চৰিত*, কৃষ্ণ মিশ্ৰৰ *দামোদৰ চৰিত* দ্বিজ দিবাকৰ আৰু বাণেশ্বৰৰ *হৰিদেৱ চৰিত*, জয় নাৰায়ণৰ *লক্ষ্মীপতি চৰিত* আৰু *ৰামগোপাল চৰিত*, পূৰ্ণানন্দৰ *গোপালদেৱ চৰিত*, ৰমাকান্তৰ *বনমালীদেৱ*

চৰিত, অম্বৰীশ দ্বিজৰ *কেশদেৱ চৰিত*, ভদ্ৰচাৰু দাসৰ *অনন্ত ৰায় চৰিত*, দ্বিজ ভবানন্দ মিশ্ৰৰ *গোবিন্দ চৰিত*, বাসুদেৱ দ্বিজ ৰচিত *শ্ৰীশ্ৰীৰামদেৱ চৰিত*, বিদ্যানন্দ ওজাৰ *ঠাকুৰ চৰিত*, ৰামনাথ মহন্তৰ *সন্ত মুক্তাৱলী*, বিভুনাথৰ *এটকা মহন্তৰ ঝুনা* আদি উল্লেখযোগ্য।

চৰিত পুথিসমূহৰ বেছিভাগেই পদ্যত ৰচনা কৰা হৈছিল। সেয়ে পদ্যত ৰচিত চৰিত পুথিসমূহত ব্যৱহৃত পদ, দুলড়ী, ছবি, ঝুমুৰী আদি ছন্দৰ প্ৰয়োগ, বিবিধ অলংকাৰৰ ব্যঞ্জনা আৰু বৰ্ণনা শক্তিয়েই চৰিত পুথিসমূহক কাব্যিক মাধুৰ্য দান কৰিছে। পদ্যত ৰচনা কৰা চৰিত পুথিতকৈ গদ্যত ৰচিত চৰিত পুথিৰ সংখ্যা কম। কথাত লেখা চৰিত পুথিসমূহৰ প্ৰকাশভংগী ঘৰুৱা, ভকতীয়া ঠাঁচৰ আৰু প্ৰাঞ্জল ভাবৰ। কথাৰ লাচত ব্যৱহাৰ কৰা ফকৰা-যোজনা, খণ্ডবাক্য, চিত্ৰ, উদ্ধৃতি (প্ৰয়োজনবোধে ব্যৱহাৰ কৰা), প্ৰাসংগিকতা, থান-সত্ৰৰ বৰ্ণনা, তীৰ্থ ভ্ৰমণৰ খণ্ড খণ্ড ঘটনা, ঠাইৰ নাম, নদীৰ নাম, ৰাজবিষয়াৰ কাৰ্যকলাপ, বস্ত্ৰ-বাহানি, যান-বাহন, মুদ্ৰা আৰু সাজপাৰৰ ব্যৱহাৰ আদিয়ে গদ্য চৰিত পুথিসমূহক ভূগোল-বুৰঞ্জীৰ দৰেই মূল্যবান কৰি তুলিছে। কথা বা গদ্যত ৰচিত চৰিত পুথিসমূহ সত্ৰীয়া চৰিত তোলা ঐতিহ্যৰ ঘাই সুঁতি, পদ্য চৰিতবোৰ সেই ঐতিহ্যৰ সুঁতিৰ পৰা তুলি আনি ঘটত থোৱা তীৰ্থজল বুলি অভিহিত কৰিব পৰা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

চৰিত পুথিৰ মূল বিষয়বস্তু কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ৪.৬ চৰিত পুথিৰ বৈশিষ্ট্য

চৰিত পুথিসমূহৰপৰা মহাপুৰুষ আৰু সন্ত-মহন্তসকলৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন-কাহিনীৰ উপৰি দেশৰ সমসাময়িক বিভিন্ন অৱস্থাৰ কথা জানিব পৰা যায়। সেই হিচাপে চৰিত পুথিসমূহে একপ্ৰকাৰ বুৰঞ্জীৰ কামেই কৰিছে। বুৰঞ্জী ৰচিত হয় ৰজা-মহাৰজাৰ জীৱন আৰু তেওঁলোকৰ বংশাৱলীক কেন্দ্ৰ কৰি। চৰিত পুথিসমূহ ৰচিত হৈছে বৈষ্ণৱ মহাপুৰুষ আৰু তেওঁলোকৰ শিষ্য-প্ৰশিষ্যৰ জীৱনক কেন্দ্ৰ কৰি। ভক্তি ভাবত ৰচিত হ'লেও চৰিত

পুথিসমূহতো বুৰঞ্জীৰ দৰেই সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধাৰ্মিক, সাংস্কৃতিক আদি বিভিন্ন অৱস্থাৰ চিত্ৰ পোৱা যায়। সেই কালৰপৰা চৰিত পুথি অসম বুৰঞ্জীৰ পৰিপূৰক। অসম তথা ভাৰত বুৰঞ্জীৰ সমল চৰিত পুথিয়েও আংশিক পৰিমাণে যোগাব পাৰে। এই সম্পৰ্কে ড° বাণীকান্ত কাকতি আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱাই যথোপযুক্ত অভিমত দিছে—

*Written from a devotional point of view and recording the day to day experiences and incidents of the saints' lives personally witnessed by the authors or handed down by sacred traditions, the Charit-Puthis may be considered to be the most human and realistic documents of early Assamese literature. They further possess immense historical value or the light they throw upon contemporary social life, manners, vaishnavite movements and institutions.*

চৰিত পুথিসমূহত মহাপুৰুষসকলৰ জীৱনৰ কাৰ্যাৱলী লাইৰা দেশৰ বিভিন্ন অৱস্থাৰ কথা বৰ্ণিত হৈছে, তথাপি সেইবোৰ সম্পূৰ্ণ বাস্তৱতাৰ ভেটিত প্ৰতিষ্ঠিত বুলি ক'ব নোৱাৰি। চৰিত পুথিৰ ৰচকসকলে শঙ্কৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষক ঈশ্বৰৰ অৱতাৰ বুলি ধৰি লৈছিল। সেয়েহে তেওঁলোকৰ কাৰ্যকলাপত ঐশ্বৰিক শক্তি, অলৌকিক মহিমা নিহিত হৈ থকা বুলি বৰ্ণনা কৰিছে। আনকি শঙ্কৰদেৱৰ জন্ম-বৃত্তান্তত ভাগৱতত বৰ্ণিত শ্ৰীকৃষ্ণৰ অলৌকিক মহিমাৰ কথাকে আৰোপ কৰিছে ঃ শঙ্কৰদেৱৰ ওপজাৰ দ্বিতীয় দিনা সাপে মূৰত ফেঁট তুলি ধৰা, চতুৰ্দশ দিনা শঙ্কৰদেৱৰ মুখত মাকে পুৰ, বাৰী, গো-মহিষ, বৃক্ষলতা আদি দেখা কাৰ্যই এই কথাৰ প্ৰমাণ দিয়ে। শঙ্কৰদেৱৰ ভায়েক বনগঞাগিৰিক হলধৰ বুলিহে *শ্ৰীগুৰু-চৰিতত* কৈছে। ডেকা কালত শঙ্কৰদেৱে চতুৰ্ভুজ মূৰ্তি ধৰি ষাড় এটা ঠেলি বগৰাই দিয়া বুলি ৰামচৰণ ঠাকুৰৰ *শঙ্কৰ-চৰিতত* উল্লেখ আছে—

*দিব্য চতুৰ্ভুজ ৰূপ তেখনে ধৰিল।*
*শঙ্খ-চক্ৰ-গদা-পদ্ম আছে তাৰ হাতে।।*
*চাৰিও বাহুৰে তাৰ শৃঙ্গ কাণে ধৰি। ...*

*শ্ৰীগুৰু-চৰিতত* কোৱা হৈছে—

*কামৰূপ স্নেহ দেখে শঙ্কৰস্বৰূপে কৃষ্ণ*
*আসিলন্ত আপুনি ইবাৰ।*
*অন্য দেৱ উপাসনা কৰিলন্ত নিবাৰণ*
*নামধৰ্ম কৰিলা বিস্তাৰ।।*

*শ্ৰীগুৰু চৰিতত* শঙ্কৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱক ঈশ্বৰৰ ক্ৰমিক অভিব্যক্তি বোলা হৈছে। *গুৰু-লীলাত* আকৌ শঙ্কৰদেৱক মহাদেৱৰ অন্য অৱতাৰ বুলি মানি লৈছে।

চৰিত পুথিসমূহত সন্তসকলৰ গোটেই জীৱনৰ কাৰ্যাৱলীৰ উপৰি তেওঁলোকৰ পুৱাৰ পৰা গধূলিলৈ দৈনিক জীৱন-কাৰ্যৰ তালিকাও পোৱা যায়। সেই হিচাপে ই একপ্ৰকাৰ দিনলিপি (diary) ৰেই কাম কৰিছে আৰু পৰোক্ষভাৱে শিষ্যসকলক সেইদৰে চলিবলৈ উদ্‌গনিও দিছিল। *শ্ৰীবনমালীদেৱ চৰিতত*—

*প্ৰভাতে উঠি বনমালি সন্ত।*
*শিঘ্ৰে মুখ হস্ত পখালিলন্ত।।*
*দিলন্ত তৈল আনি নিজ দাসে।*
*হাতে লাঠি ধৰি উঠন্ত লাসে।।*

বুলি আৰম্ভ কৰি তেৰাৰ দৈনন্দিন জীৱনৰ কাৰ্যসূচীৰ এটি সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। সেইদৰে ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰত মহাপুৰুষ আৰু সন্ত-মহন্তসকলৰ মাজত কেনেদৰে মণিকাঞ্চন সংযোগ বা মিলন ঘটিছিল তাৰো মনোৰম বৰ্ণনা চৰিত পুথিসমূহত পোৱা যায়। উদাহৰণস্বৰূপে—

> *শংকৰদেৱৰ প্ৰিয়তম শিষ্য আৰু বান্ধৱ মাধৱদেৱ আগেয়ে ঘোৰ শাক্ত আছিল। আনকি এবাৰ মাকৰ বেমাৰত তেওঁ দুৰ্গাদেৱীৰ নামত এটা পঠা ছাগলী আগ কৰিছিল; কিন্তু ঘটনাক্ৰমে শঙ্কৰদেৱৰ লগত ধৰ্মমত হৈ প্ৰথমে বাদ-বিসম্বাদ হৈছিল আৰু শেষত পৰাজিত হৈহে শঙ্কৰদেৱক গুৰু হিচাপে মানি লৈছিল।*

চৰিত পুথিসমূহত সন্ত-মহন্তসকলৰ মিলন, ধৰ্ম সম্পৰ্কীয় বাদ-বিসম্বাদ নাইবা ভ্ৰমণ প্ৰসংগৰো আভাস ইয়াৰ মাজেৰে লাভ কৰিব পৰা যায়। এই আখ্যানবোৰে এহাতে যেনেকৈ বৰ্ণনাৰ গতানুগতিকতা ভাঙি সজীৱতা প্ৰদান কৰিছে, ঠিক তেনেদৰে চৰিত পুথিসমূহক আকৰ্ষণীয় কৰিও তুলিছে। আনকি কিছুমান আখ্যান, লোকবিশ্বাসৰ কথাও চৰিত পুথিসমূহত দাঙি ধৰিছে। *কথা-গুৰু চৰিতত* থকা ৰাধিকা শান্তিৰ আখ্যানে সতীত্বৰ মহিমা দেখুৱাইছে। কলিংগ দেশৰ ৰজাৰ মুখত বেথা ৰোগ হোৱা আখ্যানটোত অসতী এগৰাকীৰ কথা উল্লেখ কৰা আছে। ইয়াৰ উপৰি খহটা সন্ন্যাসী, খৰ্গেশ্বৰ সন্ন্যাসী, ভকতচিলা আদিৰো অতি মনোৰঞ্জক আখ্যান পোৱা যায়। আকৌ 'গুৰুৰ ছাত্ৰ ভোজন' নামৰ আখ্যানটিত আমোদজনকভাৱে ছাত্ৰৰ গুৰু-ভক্তিৰ নিদৰ্শন দাঙি ধৰিছে।

বৈষ্ণৱ কৱিসকলে ধৰ্ম-প্ৰচাৰৰ কাৰণে যিবোৰ গ্ৰন্থ ৰচনা কৰিছিল তাৰ বিতং বিৱৰণ চৰিত পুথিসমূহৰ মাজেৰেই লাভ কৰিব পৰা যায়। কিয়নো বৈষ্ণৱ কৱিসকলে গ্ৰন্থবোৰ ৰচনাৰ স্থান, কাল নাইবা পৰিৱেশৰ বিষয়ে বিশেষ বৰ্ণনা দিয়া নাছিল। কিন্তু চৰিত পুথিয়ে আমাক এইবোৰ জনাত বিশেষভাৱে সহায় কৰিছে। যেনে— কি পৰিস্থিতিত

মাধৱ কন্দলিৰ *ৰামায়ণ* সম্পূৰ্ণ কৰিবলৈ শঙ্কৰদেৱে উত্তৰাকাণ্ড আৰু মাধৱদেৱে আদিকাণ্ড ৰচনা কৰিলে, শঙ্কৰদেৱৰ ৰচিত বাৰকুৰি বৰগীত পুৰি যোৱাৰ পাছত তেওঁৰ আদেশমতে কেনেকৈ মাধৱদেৱে বৰগীত ৰচনা কৰিলে, চিলাৰায়ৰ অনুৰোধক্ৰমে শঙ্কৰদেৱে *ৰামবিজয় নাট* ৰচনা কৰাৰ কথা, শঙ্কৰদেৱৰ পৰামৰ্শক্ৰমে অনন্ত কন্দলিয়ে মধ্য আৰু শেষ দশম পদানুবাদ কৰাৰ বৰ্ণনা চৰিত পুথিয়ে আমাক সুন্দৰভাৱে জানিবলৈ দিয়ে। আকৌ বৈষ্ণৱ কবিসকলে ৰচনা কৰা গীত-পদবোৰ যে জনসাধাৰণে আগ্ৰহ কৰি মনত ৰাখিছিল বা আবৃত্তি কৰিছিল তাৰো উদাহৰণ চৰিত পুথিসমূহৰ মাজেৰে লাভ কৰিব পৰা যায়। নাৰায়ণ ঠাকুৰে শঙ্কৰদেৱৰ ওচৰত ধৰ্ম কৰিবলৈ যাওঁতে বাটত খাগৰিকটীয়া ভকতৰ মুখত শঙ্কৰদেৱে ৰচা 'মন মেৰি ৰাম-চৰণহি লাগু' বৰগীতটি; শঙ্কৰদেৱে নাৰায়ণ দাসৰ মুখত শুনা পীতাম্বৰ কবিৰ 'বিলাপ কৰিয়া কান্দে দেৱী ৰুকমিনী। কোন অংগে খুন দেখি নাইলা যদুমণি' নামৰ পদফাকি আৰু লক্ষ্মু ওজাই একাদশ স্কন্ধ ভাগৱত মুখস্থ কৰা কথাই ইয়াৰ প্ৰমাণ দাঙি ধৰে।

চৰিত পুথিসমূহৰ মাজেৰে ধৰ্মপ্ৰচাৰৰ কাৰণে মহাপুৰুষসকলে দেশৰ বিভিন্ন ঠাইত সত্ৰ-নামঘৰ স্থাপন কৰাৰ বৰ্ণনাও পোৱা যায়। মহাপুৰুষসকলে বাট-পথৰ বিশেষ সুবিধা নথকাৰ বাবে নৈ বা জলাশয়ৰ ওচৰত সত্ৰ স্থাপন কৰিছিল, যাতে তেওঁলোকে নাৱেৰে চলাচল কৰিব পাৰে। সত্ৰ আৰু নামঘৰত হৰিনামৰ চৰ্চা আৰু অংকীয়া নাটবোৰৰ ভাওনা হৈছিল। আকৌ সত্ৰ স্থাপন কৰোঁতে মহাপুৰুষসকলে কিদৰে কিমান কষ্ট ভোগ কৰিবলগা হৈছিল; বৰপেটা, সুন্দৰীদিয়া, আউনীআটী, গড়মূৰ, কুৰুৱাবাহী আদি অসংখ্য সত্ৰ আৰু নামঘৰ কোন কোন সময়ত প্ৰতিষ্ঠা কৰা হৈছিল, তাৰো বিশদ বিৱৰণ এই পুথিসমূহৰ মাজেৰে লাভ কৰিব পৰা যায়। চৰিত পুথিসমূহৰপৰা বিভিন্ন ঠাইৰ নামৰ অৰ্থও পোৱা যায়। ইয়াৰ উপৰি প্ৰতিখন সত্ৰৰে সত্ৰাধিকাৰসকলৰ শিষ্য-পৰম্পৰা, সত্ৰাধিকাৰৰ আসন গ্ৰহণ কৰাৰ কথাও চৰিত পুথিৰপৰা জানিব পৰা যায়।

ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰত প্ৰচাৰকসকলে যে ৰজা আৰু বিৰোধী লোকৰপৰা নানা বাধা আৰু নিৰ্যাতন ভুগিব লগা হৈছিল তাৰো বিভিন্ন ঘটনা চৰিত পুথিত সন্নিবিষ্ট হৈ আছে। কিয়নো সেই সময়ত অসম দেশখন চুতীয়া, কছাৰী, আহোম, বাৰভূঞা আৰু কোচ ৰজাসকলৰ অধীনত বিভক্ত আছিল। *কথা-গুৰু চৰিত*ত পোৱা যায় যে এই ৰাজ্যবোৰৰ উপৰি অসমৰ একেবাৰে উত্তৰ-পূব কোণত কলিতা দেশ বুলি আন এখন ৰাজ্য আছিল। ৰাজ্যৰ ৰজাবোৰৰ মাজত ঘটা আদান-প্ৰদান নাইবা কামেশ্বৰ-গৌড়েশ্বৰ, ভূঞা-কছাৰী, কোচ-আহোম আদি ৰজাসকলৰ যুদ্ধৰ বৰ্ণনাও চৰিত পুথিৰপৰা পোৱা যায়। আকৌ ৰজাসকলৰ শাসন পদ্ধতি আৰু দণ্ডৰ কথাও জানিব পৰা যায়।

খৃষ্টাব্দ ষোড়শ-সপ্তদশ শতিকাৰ সময়ত অসমত শাক্ত ধৰ্মহি বিশেষভাৱে গা কৰি উঠিছিল। সেই সময়ৰ ৰজা-প্ৰজা সৰহভাগ লোক শাক্তধৰ্মী হোৱাত বৈষ্ণৱ ধৰ্ম প্ৰচাৰকসকলে প্ৰচাৰ কাৰ্যত নানা বিপদৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। আনকি স্বয়ং শঙ্কৰদেৱেই নিজৰ ভূঞা ৰাজ্যত বা আহোম ৰাজ্যত ধৰ্ম প্ৰচাৰ কৰিব নোৱাৰি শেষত কামৰূপতহে ধৰ্মৰ ভেটি স্থাপন কৰিছিল।

চৰিত পুথিৰ ৰচকসকল বৈষ্ণৱধৰ্মী হোৱাত তেওঁলোকে পুথিবোৰৰ মাজে মাজে বৈষ্ণৱ ধৰ্মৰ মূল মত আৰু তত্ত্বো ব্যাখ্যা দাঙি ধৰিছে। প্ৰবৃত্তি-নিবৃত্তি, মাৰ্গীয় তৰ্ক, অন্তৰংগা, নিৰ্গুনা, ভাগৱতী, কেৱলা আদি ভক্তিবিভাগ, আকাৰ-নিৰাকাৰ ভেদ, আন দেৱ-দেৱীৰ পূজা-নিষেধ, ভক্তৰ সংগ-মাহাত্ম্য, পশু-পক্ষীলৈ দয়া আদিৰ বিষয়ে বিস্তৃত বৰ্ণনা আছে। তীৰ্থতকৈ যে হৰিনাম শ্ৰেষ্ঠ তাকো চৰিত পুথিত কোৱা হৈছে–

*এতেকে তীৰ্থত কৰি নাম শ্ৰেষ্ঠ হয়।*
*কলিত বিশেষ আৰ জানিবা নিশ্চয়।।*

চৰিত পুথিত অন্য দেৱ-দেৱীৰ পূজা-নিষেধ সম্পৰ্কে ব্যাখ্যা কৰি আৱশ্যক মতে আন গ্ৰন্থৰ পৰা উদ্ধৃতিও দিছে—

*অন্য দেৱী-দেৱ নকৰিবা সেৱ*
*মূৰ্তিকো নচাইবা তাৰ।*
*গৃহ নপশিবা প্ৰসাদো নখাইবা*
*ভক্তি হৈব ব্যভিচাৰ।।*

হিন্দু ধৰ্মৰ মাজত জাতিভেদ প্ৰথা থাকিলেও মহাপুৰুষসকলে উচ্চ-নীচ সকলো জাতিৰ মাজতে ভাগৱতী ধৰ্ম প্ৰচাৰ কৰিছিল। এই ক্ষেত্ৰত কালসংহতিৰ প্ৰৱৰ্তক ভৱানীপুৰীয়া গোপাল আতা অগ্ৰণী আছিল। এওঁৰ সংহতিয়ে ভৈয়ামবাসীৰ উপৰি নগা, মিচিং, ডফলা আদিৰ মাজতো ধৰ্ম প্ৰচাৰ কৰাৰ কথা চৰিত পুথিত পোৱা যায়।

ধৰ্ম সম্পৰ্কীয় বিভিন্ন দিশৰ বৰ্ণনা চৰিত পুথিত পোৱা যায় যদিও ইয়াৰ মাজেৰে দেশৰ সামাজিক, অৰ্থনৈতিক আদি অৱস্থাৰ বিষয়েও জানিব পৰা যায়। সেই সময়ত ধন নিদিলে যে ছোৱালী বিয়া কৰোৱা কঠিন কাম আছিল তাৰ উদাহৰণ *বংশীগোপালদেৱৰ চৰিতত* পোৱা যায়। কিয়নো স্বয়ং বংশীগোপালদেৱেই এই উদ্দেশ্যে ধন ঘটিবলৈ মুদৈৰ লগত নাৱত উঠি ভটিয়াই যায়; কিন্তু পাটবাউসীত শঙ্কৰদেৱক লগ পোৱাত বিয়াৰ কথা এৰি তেওঁৰ ওচৰত শৰণ লয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

**চৰিত পুথিসমূহৰ মূল উদ্দেশ্য কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)**

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ৪.৭ চৰিত পুথিৰ সাহিত্যিক মূল্য

সাহিত্যিক গুণৰাজিৰ ফালৰপৰা চৰিত পুথিসমূহৰ মূল্য অসমীয়া সাহিত্যত অতি উচ্চ। কিয়নো বৈষ্ণৱ কাব্যৰ দৰে চৰিত পুথিতো আৰম্ভণি আৰু প্ৰতি অধ্যায়ৰ শেষত ভগৱানৰ স্তুতি আৰু গ্ৰন্থকাৰৰ সংক্ষিপ্ত পৰিচয় পোৱা যায়। প্ৰায়বোৰ অধ্যায় 'ডাকি বোলা ৰাম ৰাম' বা 'ডাক বোলা হৰি হৰি' বুলি শেষ কৰিছে। কাব্যৰ দৰে চৰিত পুথিৰো উপযুক্ত ঠাইত পদ, দুলড়ী, ছবি, লেছাৰী, ঝুনা, ঝুমুৰী আদি ছন্দৰ প্ৰয়োগ ঘটিছে। সাধাৰণতে বৰ্ণনাৰ ক্ষেত্ৰত পদ বা দুলড়ী আৰু করুণ ৰসাত্মক বৰ্ণনাত ছবি বা লেছাৰী ছন্দৰ ব্যৱহাৰ দেখা যায়। যেনে— *শ্ৰীবনমালীদেৱৰ চৰিতত* বনমালীদেৱ আৰু *গুৰু-লীলাত* ভট্টদেৱৰ তিৰোধানৰ বৰ্ণনা লেছাৰী ছন্দত আছে। *গুৰু-লীলাত* দামোদৰদেৱৰ তিথি উৎসৱৰ বৰ্ণনা ঝুমুৰী ছন্দত দিয়া হৈছে।

সাহিত্যিক মূল্যৰ ফালৰপৰা যিদৰে চৰিতপুথিসমূহ সমুজ্বল ঠিক সেইদৰে গদ্যৰ ফালৰপৰাও অতুলনীয়। গদ্য সাহিত্যৰ ফালৰপৰা *কথা-গুৰু চৰিত*, *বৰদোৱা চৰিত*, *সন্ত-সম্প্ৰদায়* আদিৰ মূল্য অধিক। এইবোৰ অসমীয়া মধ্যযুগৰ গদ্য সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন। চৰিত পুথিৰ গদ্য সমসাময়িক বুৰঞ্জীৰ গদ্য নাইবা ভট্টদেৱৰ গদ্য আৰু *কথা-ৰামায়ণৰ* গদ্যতকৈ কিছু পৃথক হ'লেও কথিত ভাষাৰ এটি মাৰ্জিত ৰূপ এই গদ্যত পোৱা যায়। এই গদ্য সত্ৰীয়া ভকতসকলৰ কথিত ভাষাক ভেটি কৰি ৰচিত। ইয়াৰ উপৰি উপমা, ৰূপক, ফকৰা-যোজনা, খণ্ডবাক্য, দৃষ্টান্ত, পদ-পুথিৰ উদ্ধৃতি আদিৰ ব্যৱহাৰে পুথিকেইখন বেছি ৰসাল কৰি তুলিছে। পুথিসমূহত ব্যৱহৃত চুটি চুটি বাক্য আৰু প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰে নাটকীয় গুণ বৃদ্ধি কৰিছে। আকৌ কেতিয়াবা একোটা চুটি বাক্যৰ যোগেদি গভীৰ অৰ্থব্যঞ্জক ভাব প্ৰকাশ কৰিছে। যেনে—

*নিশ্চয়ে পাৰ অনিশ্চয়ে সংসাৰ।*
*ভাও পৰশি লৰগু থৰা, শিষ্য পৰশি তত্ত্ব কৰা।*

**প্ৰত্যক্ষ উক্তি :** "পত্নীয়ে বোলে, ক'ৰ লোকটি, কি লাগে? আতা বোলে, অথিত, কেওঁ কিছু নাই, লাল্টা, ফুৰিছোঁ এনেকৈ; যাত পাওঁ তাতে থাকোঁ। বোলে আমাৰ বাৰীৰে থকা যক, অন্ন বস্ত্ৰ দিম আমি। আতা বোলে, সজ পালে ৰওঁ।"

**ফকৰা-যোজনাৰ ব্যৱহাৰ :** *গাও ভাই গাও,*
*আনে খায় ডাব নাৰিকল*
*মাধএ খায় লাও।*

**ৰূপকৰ ব্যৱহাৰ :** *কাঠৰ মালা ফাটে ফুটে*
*মনৰ মালা কাহা চুটে?*

**উপমা :** *পৰম শ্ৰদ্ধায়ে ভক্তে সবে থাকে সুনি।*
*গোসাঞিৰ বনমালী কন্ত জেন শুকমণি।।*

**অনুপ্ৰাস :** *এদিন দিনটো ঘুৰি কনটো নাপালে।*

এইদৰে চৰিত পুথিসমূহ সাহিত্যিক গুণৰাজিৰে সমৃদ্ধ। এই গুণবোৰৰ বাবেই চৰিত পুথিসমূহে অসমীয়া বৈষ্ণৱ সাহিত্যত এখনি বিশিষ্ট আসন দখল কৰিবলৈ সমৰ্থবান হৈছে।

চৰিতকাৰসকলৰ বুৰঞ্জী সম্পৰ্কীয় জ্ঞান নথকাত কোনো ঘটনা চালি-জাৰি চোৱা নাই, য'তে ত'তে সুমুৱাই দিছে। ক'ৰ ঘটনা ক'ত সমাৱেশ কৰিব লাগে তালৈ চকু নিদিয়াৰ ফলত ঘটনাবোৰৰ ধাৰাবাহিকতা ৰক্ষা পৰা নাই। ফলত চৰিত পুথিবোৰে মাজে মাজে ঐতিহাসিক গুণ হেৰুৱাইছে। তদুপৰি চৰিত পুথিৰ প্ৰায়বোৰ কথা শুনি লেখা কাৰণে একেজন মহাপুৰুষৰ জন্ম-মৃত্যুৰ সময় নাইবা জীৱনৰ কাৰ্যাৱলীৰ কথা বিভিন্ন চৰিত পুথিত বেলেগ বেলেগ দেখা যায়। যেনে— সৰহভাগ চৰিত পুথিত শঙ্কৰদেৱৰ জন্ম আহিন মাহত বুলিছে, কিন্তু ৰামানন্দ দ্বিজৰ *শ্ৰীগুৰু চৰিত*ত ফাগুণ বুলিহে ধৰিছে। এনে কিছু ক্ৰটি-বিচ্যুতি সত্ত্বেও চৰিতপুথিসমূহ অসমীয়া সাহিত্যৰ লগত মধ্যযুগৰ অসমৰ সমাজ আৰু সংস্কৃতিৰ অমূল্য সম্পদ।

**আত্মমূল্যায়ন প্ৰশ্ন**

চৰিত পুথিৰ গুণ আৰু দোষ সম্পৰ্কে আলোচনা কৰক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৪.৮ গুৰুচৰিত কথা

*গুৰুচৰিত কথা* অসমৰ সাংস্কৃতিক ইতিহাসৰ এখনি অতি মূল্যবান গ্ৰন্থ। ঘটনা বিস্তাৰৰ ফালৰপৰা এই চৰিত পুথিখনে এক সুদীৰ্ঘ সময়জুৰি অসমৰ সামাজিক, ধাৰ্মিক, আৰ্থিক, ৰাজনৈতিক আদি বিভিন্ন দিশত আলোকপাত কৰিছে। এই চৰিতখন ড° বাণীকান্ত কাকতিদেৱে তেওঁৰ আধ্যাত্মিক গুৰু বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ চতুৰ্ভুজ মিশ্ৰৰপৰা শৰণ ল'বৰ বেলিকা গুৰু নিৰ্মালিৰূপে পাইছিল। কিন্তু এইখনি চৰিত বৰপেটা সত্ৰত সংকলিত নহয়। ক'ত সংকলিত হৈছিল, সি এতিয়াও বিচাৰ্য হৈয়ে আছে। পুথিখনত গ্ৰন্থকৰ্তা হিচাপে কাৰো নাম দিয়া নাই। প্ৰাচীন ধৰ্মগ্ৰন্থবোৰৰ ৰীতিয়েই এনে— তাৰ লেখক নাই, আছে বক্তাহে। কথাচৰিতবিলাকৰ সমসাময়িক অসমৰ কথাবুৰঞ্জীবিলাকৰো একে ৰীতি— তাৰ লেখক নাই, আছে লেখোতাহে। গুৰু চৰিতৰ ঐতিহ্য অনুসাৰে গুৰুজনাৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছতে তেওঁৰ একান্ত বান্ধৱ বা শিষ্য মাধৱদেৱে গুৰুচৰিত তোলা প্ৰথা প্ৰৱৰ্তন কৰে। *গুৰুচৰিত কথা*ৰ মতে, "তেহে মাধৱদেৱেও গুৰুবাক্য শিৰে ধৰি গুৰুজনৰ

সদা সৰ্বদা চৰিত কীৰ্ত্তন কৰিছিল।। আতৈসবে শ্ৰৱণ কৰে।।" মাধৱদেৱে প্ৰৱৰ্তন কৰা চৰিততোলাৰ কথা মুখে মুখে কিছুকাল প্ৰৱৰ্তন থকাৰ পাছত গুৰুবিষয়ক কথাখিনি লিপিবদ্ধ ৰূপ পাবলৈ ধৰে। ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ আদিয়ে পদ্যত চৰিত ৰচনা কৰিছিল। কিন্তু জনসাধাৰণৰ কথিত ভাষাত ৰচনা কৰা গুৰুচৰিতৰ ৰচকৰ নাম পাবলৈ নাই। ইয়াৰ উপৰি গুৰুচৰিত কৈ ফুৰা কিছুমান ভ্ৰাম্যমাণ চৰিত বক্তাৰো উদ্ভৱ হৈছিল বুলি ক'ব পৰা যায়।

চৰিত পুথি হিচাপে গুৰুচৰিত জীৱনীৰেই অন্তৰ্গত। কিন্তু আধুনিক ধাৰণাৰে ইয়াক এখন জীৱনী বুলি কোৱা টান। প্ৰথমতে ই এজন গুৰুৰ জীৱনী নহয়। ইয়াত দুজনা গুৰু, দুজনা ঠাকুৰ, ন জনা আতা আৰু অনেক সন্ত-মহন্তৰ কথা বৰ্ণিত হৈছে। শঙ্কৰদেৱ, মাধৱদেৱৰ পৰৱৰ্তী অন্য ন-দহগৰাকী গুৰুৰ জীৱনী ইয়ালৈ বৈখিক আৰু ধাৰাবাহিকভাৱে আহিছে। আনহাতে অতিৰঞ্জিত আৰু অলৌকিকতাই গুৰুচৰিত কথাক জীৱনীৰ শাৰীৰ পৰা আঁতৰাই আনিছে। গুৰুসকলৰ চৰিত্ৰত অলৌকিক শক্তি আৰোপ কৰি মহৎ হিচাপে দেখুৱাবলৈ চেষ্টা কৰিছে। ইয়াৰ ফলত জীৱনীৰ প্ৰয়োজনীয় গুণ লাঘৱ হৈছে বুলিব পাৰি। সেয়ে গুৰুচৰিত কথাক প্ৰকৃত জীৱনী বুলি ক'ব নোৱাৰি। বৈষ্ণৱ যুগৰ জীৱনীবোৰৰ ক্ষেত্ৰত ইয়াক জীৱনী নুবুলি চৰিত পুথি বা গুৰুচৰিতহে বোলা হয়। ইউৰোপ বা ইংৰাজী সাহিত্যতো গুৰু বা সন্তগৰাকীৰ প্ৰতি অন্ধ ভক্তিভাৱ, অবিমিশ্ৰ প্ৰশংসা আৰু তেওঁক মানুহ জ্ঞান নকৰি দেৱজ্ঞান কৰাৰ বাবে এনে সন্ত চৰিতক জীৱনী নুবুলি হেগিওগ্ৰাফী বোলা হৈছিল।

### ৪.৮.১ গুৰুচৰিত কথাৰ ৰচক আৰু ৰচনা কাল

*গুৰুচৰিত কথা* গ্ৰন্থখনি ছপা আকাৰে ওলোৱাৰ পূৰ্বে সাঁচিপাতত আবদ্ধ আছিল। এই গ্ৰন্থৰ লেখকৰ নাম উল্লেখ কৰিবলৈ হ'লে কোনো এজন বিশেষ লেখকৰ নাম পোৱা নাযায়। কাৰণ ষোড়শ শতিকাৰপৰাই এই পুথি ৰচনাৰ বীজ অংকুৰিত হয় আৰু ৰচনাৰ সঠিক সময় নিৰ্ণয় কৰিব নোৱাৰিলেও সুদীৰ্ঘ এছোৱা কালজুৰি যে ইয়াৰ ৰচনা চলি আছিল সেই কথাটো সত্য। তদুপৰি বহু বছৰ জুৰি ইয়াৰ ৰচনা চলি থকা হেতু আৰু বহুজন সংকলক হোৱা বাবেই হয়তো সংকলকে নিজৰ নাম উল্লেখৰ পৰা বিৰত থাকে। এই গ্ৰন্থত উল্লেখ থকা চৰিতকাৰৰ অন্যতম বিশেষজ্ঞ চক্ৰপাণি বৈৰাগীৰ নাম এইখিনিতেই উল্লেখ কৰিব পাৰি। বৈৰাগীৰ মুখেৰে শুনা গুৰুসকলৰ চৰিতৰ ভেটিতেই এই গ্ৰন্থ ৰচনা কৰা হয় বুলি অনুমান কৰিব পাৰি। তদুপৰি ধনঞ্জয় আতৈ (ধনঞ্জয়) নামৰ আন এজন চৰিতকথা বৰ্ণনা কৰা লোকৰ নামো উল্লেখ কৰিব পাৰি। *গুৰুচৰিত কথা*ৰ চৰিতকাৰৰ ক্ষেত্ৰত বৰদোৱা ডাল আৰু বৰজহা ডাল এই দুটি ডালৰ কথা উনুকিয়াব পৰা যায়। চৰিতখনত উল্লেখ থকা কিছু কথা আৰু অন্যান্য কিছু তথ্যৰ ওপৰত নিৰ্ভৰ কৰি এই চৰিতখন ১৭৫৮ চনৰ পাছত সাঁচিপাতত সংকলিত হোৱা বুলি ক'ব পৰা যায়। গুৰুচৰিত

কথন আদ্য আৰু অন্ত শ্লোক দুটাৰপৰা আৰু প্ৰথম দুটা পাতত সংযোজিত বৰদোৱা-বৰজহা ঐতিহ্যৰ কথাৰপৰা অষ্টাদশ শতিকাৰ শেষভাগত বিভিন্ন সংযোজনাৰে *গুৰুচৰিত কথা* সম্পূৰ্ণ হৈছিল যদিও কুৰি শতিকাৰ প্ৰথম ভাগতেই চক্ৰপাণি বৈৰাগী আৰু ধনঞ্জয় আতৈৰ সময়ত চৰিতখনিৰ ঘাই ৰূপ সম্পূৰ্ণ হৈছিল বুলি অনুমান কৰিব পৰা যায়। *গুৰুচৰিত কথা* গ্ৰন্থৰ সন্দৰ্ভত লেখকৰ নাম উল্লেখ কৰিবলৈ যাওঁতে কোনো এজন বিশেষ লেখকৰ নাম ক'ব নোৱাৰি যদিও চক্ৰপাণি বৈৰাগীৰ দৰে প্ৰসিদ্ধ পণ্ডিতৰ দ্বাৰাই যে এই চৰিত পুথিখনি ব্যক্ত হোৱাৰ সম্ভাৱনা প্ৰবল সেই কথা বিভিন্ন পণ্ডিতৰ মন্তব্যৰপৰা অনুমান কৰিব পৰা যায়। অৱশ্যে বিভিন্ন সময়ত বিভিন্নজনৰ হাতৰ পৰশ ইয়াত অনুভূত হয়। সি যি কি নহওক, এটা কথা স্পষ্ট যে গদ্যত ৰচনা কৰা চৰিত পুথিসমূহৰ ভিতৰত *গুৰুচৰিত কথাই* এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে। তদুপৰি মধ্যযুগৰ অসমীয়া সাহিত্যৰ ইতিহাসত এই গ্ৰন্থই বিশেষ স্থান লাভ কৰিছে।

### ৪.৮.২ গুৰুচৰিত কথাত প্ৰতিফলিত সমাজৰ চিত্ৰ

*গুৰুচৰিত কথা* গ্ৰন্থখনিৰ বিষয়বস্তু হ'ল বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ইতিহাস, শঙ্কৰদেৱ, মাধৱদেৱ আৰু অন্যান্য শিষ্য-প্ৰশিষ্যসকলৰ ধৰ্মীয় জীৱনৰ অনুকূল-প্ৰতিকূল পৰিৱেশ, সত্ৰ অনুষ্ঠান আদিৰ বিকাশ, বৈষ্ণৱ ধৰ্মৰ আচাৰ, ৰীতি-নীতিকে আদি কৰি সামাজিক, সাংস্কৃতিক ইতিহাসৰ লগতে অৰ্থনৈতিক, ৰাজনৈতিক দিশৰ জিলিঙণি। বৈষ্ণৱ গুৰুসকলৰ দৈনন্দিন জীৱনৰ দিনপঞ্জীৰ দৰে ইয়াত সকলো কথাৰ বৰ্ণনা আছে। প্ৰকৃততে ক'বলৈ হ'লে আন চৰিত পুথিৰ দৰে *গুৰুচৰিত কথা* মধ্যযুগৰ অসমৰ ধৰ্মীয়, সামাজিক, ৰাজনৈতিক জীৱনৰ দলিলস্বৰূপ। কলেৱৰত বৃহৎ এই গ্ৰন্থখনি গদ্যত ৰচনা কৰা বাবে ই অসমীয়া গদ্য সাহিত্যৰ বুৰঞ্জীৰ উল্লেখযোগ্য অৱদান। *গুৰুচৰিত কথা* গ্ৰন্থখনিৰ সম্পাদক ড° মহেশ্বৰ নেওগদেৱে উল্লেখ কৰিছে যে ঘটনা বিস্তাৰৰ ক্ষেত্ৰত ই পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা আৰম্ভ কৰি সপ্তদশ শতিকালৈকে স্পৰ্শ কৰিছে আৰু বিষয়ৰ বিস্তাৰত অসমৰ সামাজিক, ধাৰ্মিক, আৰ্থিক, ৰাজনৈতিক, প্ৰশাসনিক, সামৰিক, আৰ্থ-প্ৰশাসনিক, কলাগত আদি সংস্কৃতিৰ বিভিন্ন দিশত গ্ৰন্থখনিয়ে আলোকপাত কৰিছে। প্ৰকৃততে ইয়াত অসমৰ অভূতপূৰ্ব নৱবৈষ্ণৱ ধৰ্মৰ আলোড়নৰ ইতিহাসৰ বৰ্ণনা আছে।

শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰাৰ প্ৰাক্‌মুহূৰ্তত অসমৰ ধৰ্মীয় পৰিৱেশ কেনেধৰণৰ আছিল তাৰ উমান গ্ৰন্থখনিত পোৱা যায়। শাক্ত ধৰ্ম, শৈৱ ধৰ্মৰ প্ৰাধান্য যে অসমত আছিল সেই কথা বিভিন্ন বৰ্ণনাৰ পৰা পোৱা যায়। শঙ্কৰদেৱৰ পূৰ্বপুৰুষে সন্তান লাভৰ বাবে শিৱপূজা কৰা, সন্তানহীন কুসুম্বৰে শিৱক উপাসনা কৰি লাভ কৰা বাবে শঙ্কৰদেৱৰ নাম শঙ্কৰ ৰখা, পিতৃ কুসুম্বৰৰ কপিলী গায়ে গোপেশ্বৰ শিৱক দুগ্ধেৰে স্নান কৰোৱা, বিশ্বসিংহক শিৱৰ ঔৰস প্ৰসূত বুলি বংশটোক শৈৱবংশৰূপে ব্ৰাহ্মণ্য ধৰ্মৰ লোকে শৈৱ সম্প্ৰদায়ভুক্ত কৰাৰ প্ৰয়াস, ব্যাসকলাই নামৰ বৈষ্ণৱৰ পত্নীয়ে শিৱথানলৈ

পাৰ উৰুৱা আদি বৰ্ণনাত শৈৱধৰ্মৰ প্ৰাধান্য লক্ষ্য কৰা যায়। তদুপৰি চণ্ডীপূজাৰ প্ৰতি থকা গভীৰ আস্থাৰ কথাও ইয়াত পোৱা যায়। শৈৱধৰ্মৰ লগে লগে অসমত শাক্ত ধৰ্মৰ প্ৰভাৱো যে আছিল তাৰ উমানো চৰিত পুথিৰ পৰা পোৱা যায়। মাধৱদেৱৰ শাক্ত ধৰ্মৰ প্ৰতি থকা অনুৰক্তি (শঙ্কৰৰ লগত মণিকাঞ্চন সংযোগৰ পূৰ্বে), বিশ্বসিংহই গৰু ৰখি থাকোঁতে দুৰ্গা মূৰ্তি সাজি ৰুবিং কাটি বলি দিয়া, গোবিন্দ গৰমিলৰ দেৱীপূজা উপাসনা আদিত শাক্ত ধৰ্মৰ প্ৰাবল্যৰ সুঁতিৰ উমান পোৱা যায়।

শঙ্কৰদেৱৰ কালছোৱাত চৈতন্যপন্থী লোকৰ অসমলৈ আগমন, বিভিন্ন প্ৰতিক্ৰিয়াশীল শক্তিৰ বিৰুদ্ধে শঙ্কৰে কিদৰে ভক্তিধৰ্মৰ নিৰ্মালি তত্ত্ব প্ৰদান কৰিছিল, কোচৰাজ নৰনাৰায়ণ, চিলাৰায়ৰ পৃষ্ঠপোষকতা আদিৰ কথা গুৰুচৰিত কথাত বৰ্ণিত হৈছে। শঙ্কৰ-মাধৱৰ প্ৰগতিবাদী ধৰ্মৰ আদৰ্শই অসমৰ ধৰ্মীয় পৰম্পৰাত বিশেষ পৰিৱৰ্তন সাধন কৰিছিল। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ফলত সত্ৰ, কীৰ্তনঘৰ আদি প্ৰতিষ্ঠা হয়। হাটী, অৰ্থাৎ ভকতৰ বহা, নাম-প্ৰসংগৰ ক্ৰম আদি বৈষ্ণৱ ধৰ্মৰে প্ৰভাৱৰ ফল। ধৰ্মীয় অনুষ্ঠানসমূহৰ মনোৰম বৰ্ণনা এই গ্ৰন্থত মনোৰমভাৱে চিত্ৰিত হৈছে। প্ৰকৃতাৰ্থত ক'বলৈ হ'লে— গুৰুচৰিত কথাত শঙ্কৰদেৱৰ পূৰ্বৰ, শঙ্কৰদেৱৰ সমসাময়িক আৰু শঙ্কৰোত্তৰ কাল— এই তিনিওছোৱা কালৰে এটি প্ৰতিচ্ছবি পোৱা যায়।

গুৰুচৰিত কথাত মধ্যযুগৰ অসমৰ সামাজিক চিত্ৰৰ ছবি সুন্দৰ ৰূপত ফুটি উঠিছে। সেই সময়ৰ অসমৰ সমাজত প্ৰচলিত ৰীতি-নীতি, লৌকিক আচাৰ-ব্যৱহাৰ আদিৰ বৰ্ণনা পোৱা যায়। অসম-কামৰূপ বেহাৰত অৰ্থাৎ ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলত মিৰি, নগা, গাৰো, ভোট, ডফলা, অকা, নগা আদি মংগোলীয় জনগোষ্ঠীৰ লোকসকলে বসবাস কৰাৰ কথা উল্লেখ আছে। জাতি-বৰ্ণ অনুসৰি উচ্চ-নীচৰ প্ৰভেদৰ কথাও ইয়াত পোৱা যায়। ব্ৰাহ্মণ, শূদ্ৰ, কপিল, ধোবা, নাপিত, কৈৱৰ্ত, যবন, হাৰি, চণ্ডাল আদি বিভিন্ন শ্ৰেণীৰ লোকৰ বাসস্থানৰ কথা উল্লেখ আছে। বাৰভূঞাসকলে শাসনকাৰ্য চলাইছিল, ব্ৰাহ্মণসকলে উচ্চ আসন লভি সমাজৰ ধৰ্ম-কৰ্মৰ গুৰি ধৰিছিল। উপনয়ন, অন্নপ্ৰাশন, চূড়াকৰণ, কৰ্ণবিন্ধন, বিবাহ আদি লৌকিক আচাৰ-নীতিৰ কথা বিভিন্ন ঠাইত উল্লেখ পোৱা যায়। চন্দৰী (দাসী) আই, গোদা-গকুলা আদি লোক দাস আছিল যদিও তেওঁলোকক শঙ্কৰদেৱে উপযুক্ত মৰ্যাদা প্ৰদান কৰাৰ কথা পোৱা যায়। লোকবিশ্বাস, জ্যোতিষচৰ্চা আদি প্ৰথাৰ প্ৰচলনৰ কথাও গুৰুচৰিত কথাত পোৱা যায়।

মধ্যযুগৰ অসমৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশৰো আভাস গুৰুচৰিত কথাৰ মাজেৰে লাভ কৰিব পৰা যায়। কৃষিকৰ্মৰ ভিতৰত মাহ, সৰিয়হ, শাক-পাচলিৰ খেতিৰ উপৰি জনজাতীয় লোকৰ ঝুম খেতিৰ কথাও আছে। বেহা-বেপাৰৰ ক্ষেত্ৰত সৰিয়হ, তামোল-পাণ, হুগলীৰ বেহাৰ উপৰি সোণ-ৰূপ, পাটবস্ত্ৰ, কপাহ, হাতীৰ দাঁত, মুগাৰ বেহাৰ কথা পোৱা যায়। বাঁহ, কাঠ, খেৰ আদিৰ বৰ্ণনাও আছে, যত ঘৰ সাজোঁতে ব্যৱহাৰ হোৱা খুঁটা, চ'তি আদি বস্তুৰ উল্লেখ আছে। এই গ্ৰন্থত উল্লেখ থকা কেতবোৰ বৰ্ণনাৰপৰা সাধাৰণ লোকৰ জীৱন-যাপনৰ প্ৰণালী অতি সৰল, অনাড়ম্বৰ আছিল বুলি

অনুমান কৰিব পাৰি। অভাৱৰ বাবে ভিক্ষা মাগি ফুৰা অৱস্থাই সেই সময়ৰ অৰ্থনৈতিক দিশৰ প্ৰতিচ্ছবি সুন্দৰ ৰূপত পৰিস্ফুট কৰিছে বুলি ক'ব পৰা যায়।

গুৰুচৰিত কথা গ্ৰন্থৰ মুখ্য উদ্দেশ্য ৰাজনৈতিক দিশৰ প্ৰকাশ নহ'লেও ইয়াত পঞ্চদশ, ষোড়শ শতিকাৰ অসমৰ ৰাজনৈতিক বাতাবৰণৰ এটি আভাস পৰিলক্ষিত হোৱা দেখিবলৈ পোৱা যায়। অসমত আহোম, কামৰূপ আৰু বেহাৰত কোচসকলে শাসন কৰাৰ উপৰি পূব অঞ্চলত চুতীয়া আৰু দক্ষিণ-পূব অঞ্চলত কছাৰীৰ ৰাজত্বৰ কথা পোৱা যায়। ৰজাসকলৰ শাসন-ব্যৱস্থা, সামৰিক ক্ষেত্ৰত প্ৰয়োগ হোৱা বিভিন্ন সা-সৰঞ্জামৰ উপৰি অন্যান্য খেল-ধেমালি আদিৰো বৰ্ণনা ইয়াত পোৱা যায়। শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰ কৰোঁতে সন্মুখীন হোৱা বিভিন্ন অনুকূল-প্ৰতিকূল পৰিৱেশৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দিশৰ কথাও ঠায়ে ঠায়ে উল্লেখ কৰা হৈছে।

গুৰুচৰিত কথাৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰোঁতে এটা কথা স্পষ্ট ৰূপত প্ৰতীয়মান হয় যে শঙ্কৰদেৱ-মাধৱদেৱ আৰু অন্যান্য বৈষ্ণৱ গুৰুসকলৰ চৰিত বৰ্ণনা কৰোঁতে সামগ্ৰিকভাৱে অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ ইতিকথাই পৰিস্ফুট হৈছে। ভক্তি আন্দোলনৰ এই মনোৰম অভিলেখত শঙ্কৰদেৱৰ সময়ছোৱাৰ সামাজিক-সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক দিশৰ প্ৰতিফলন ঘটিছে। লগতে শঙ্কৰদেৱৰ পূৰ্বৰ আৰু পৰৱৰ্তী কালৰ জীৱন প্ৰবাহৰ বেঙনিও ফুটি উঠিছে। মধ্যযুগৰ অসমীয়া সাহিত্য, অসমৰ বুৰঞ্জী, অসমৰ জাতীয় ইতিহাসৰ পূৰ্ণ প্ৰতিফলন ঘটা এই গ্ৰন্থখনিৰ বিষয়বস্তুৱে সকলোকে আকৰ্ষিত কৰে বুলি ক'ব পৰা যায়।

### ৪.৮.৩ গুৰুচৰিত কথাৰ ভাষা

গুৰুচৰিত কথা গ্ৰন্থখনিৰ গদ্যৰীতি আৰু ভাষাৰীতি এক অন্যতম আকৰ্ষণীয় বিষয়। ইয়াৰ ভাষাৰ এক সুকীয়া বৈশিষ্ট্য আৰু গুৰুত্ব আছে। গ্ৰন্থখনৰ ভাষাই ঠায়ে ঠায়ে পুৰণি অসমীয়া ভাষাৰ চানেকি দাঙি ধৰে আৰু আধুনিক অসমীয়া ভাষাৰ আৰম্ভণিৰ কথাও ঘোষণা কৰে। অৰ্থাৎ আধুনিক অসমীয়া ভাষা আৰু প্ৰাচীন অসমীয়া ভাষাৰ মাজত গুৰুচৰিত কথা ভাষা এখন সাঁকোৰ দৰে। ইয়াৰ গাম্ভীৰ্যপূৰ্ণ গদ্যৰীতিয়ে অসমীয়া গদ্য সাহিত্যৰ বুৰঞ্জীত বিশেষ স্থান লাভ কৰিছে। পৰিমাৰ্জিত কথিত ৰূপ, অৰ্থৰ বোধগম্যতা, সুৰময় কাব্যিক ৰূপ, সানমিহলি কথনভংগী, ঘৰুৱা বাক্যভংগী, চুটি চুটি বাক্য প্ৰয়োগ, সংস্কৃত তত্ত্বৰ থলুৱা শব্দৰ প্ৰয়োগ গুৰুচৰিত কথাৰ গদ্যৰ বিশেষ বৈশিষ্ট্য। চিত্ৰধৰ্মীতা ইয়াৰ গদ্যৰ আন এক বৈশিষ্ট্য। জতুৱা ঠাঁচ, খণ্ডবাক্য, ফকৰা-যোজনাই ইয়াৰ ভাষাক অনন্য কৰি তুলিছে। সাহিত্যিক সৌন্দৰ্য বৃদ্ধিত ইবোৰৰ বিশেষ মূল্য নিহিত হৈ আছে। শাস্ত্ৰীয় পদ আদিৰ উদ্ধৃতিয়ে ইয়াৰ ভাষাক মধুৰ আৰু গম্ভীৰ কৰাৰ লগতে সাহিত্যিক সৌন্দৰ্য বঢ়াইছে।

গুৰুচৰিত কথাৰ ভাষাতাত্ত্বিক দিশত অৰ্থাৎ ইয়াৰ ধ্বনি, ৰূপ, শব্দ, বাক্য এই সকলোতে বিশেষ বৈশিষ্ট্য ফুটি উঠিছে। প্ৰাচীন সংস্কৃত ভাষা, পুৰণি অসমীয়া ভাষা, কামৰূপী ভাষা (নামনি অসমৰ ভাষা), বাংলা, হিন্দী, উড়িয়া আদি ভাষাৰ ছিটিকনিৰ উপৰি ইয়াত বিদেশী ভাষাৰ শব্দৰো প্ৰয়োগ ঘটা দেখিবলৈ পোৱা যায়। প্ৰকৃততে এই গ্ৰন্থৰ ভাষাক সমন্বয়ৰ ভাষা আখ্যাৰে আখ্যায়িত কৰিব পৰা যায়। গুৰুচৰিত কথা গ্ৰন্থখনিত ব্যৱহৃত স্বৰ ব্যঞ্জনৰ ক্ষেত্ৰত কেতবোৰ পৰিবৰ্তন (সংস্কৃত স্বৰ আৰু ব্যঞ্জনৰ); চ, ছৰ উচ্চাৰণৰ পাৰ্থক্যহীনতা, ষত্ব-ণত্ব বিধি, শ, স, ষৰ উচ্চাৰণৰ পাৰ্থক্যহীনতা, জ, য-ৰ উচ্চাৰণৰ পাৰ্থক্যহীনতা, সন্ধি নিয়ম আদিত শিথিলতা, বচন, লিংগ, বিভক্তি, সৰ্বনাম, ক্ৰিয়া, প্ৰত্যয়, পৰসৰ্গ আদিৰ প্ৰয়োগত বিশেষ বৈশিষ্ট্য থকা দেখিবলৈ পোৱা যায়।এই গ্ৰন্থখনিত ব্যৱহৃত অনুৰূপ আৰু যুৰীয়া শব্দৰ প্ৰয়োগে ইয়াৰ গদ্যক কথ্যৰীতিৰ অধিক কাষ চপাই আনিছে বুলি ক'ব পৰা যায়। উদাহৰণস্বৰূপে— গীত-ৰাগ, খেতি-কৃষি, হোম-আহুতি, বিবাদ-সংগ্ৰাম আদি শব্দলৈ আঙুলিয়াব পাৰি।

বিভিন্ন কাহিনী বা আখ্যান, উপাখ্যান আদিৰ বৰ্ণনা গুৰুচৰিত কথাৰ গদ্যৰ অন্যতম বৈশিষ্ট্য। এনেধৰণৰ বৰ্ণনাত ধৰ্মীয় আদৰ্শৰ প্ৰতি জনগণক আকৰ্ষণ কৰাৰ প্ৰৱণতা নিহিত হৈ আছে। উদাহৰণস্বৰূপে— লীলাৱতীৰ দৃষ্টান্ত (পৃ. ২৪৯), শিয়ালৰ দৃষ্টান্ত (পৃ. ৪৮৩), এটি ছাগলীৰ কাহিনী (পৃ. ৭৩) আদিলৈ আঙুলিয়াব পাৰোঁ।

ভকতীয়া ঠাঁচৰ অনুপম ব্যৱহাৰ ইয়াৰ গদ্যৰ আন এক বৈশিষ্ট্য। ভকতীয়া ঠাঁচৰ গদ্যৰীতিয়ে ইয়াৰ গদ্যক এক অদ্ভুতীয়া ৰূপ দান কৰিছে। যেনে—

> (ক) *আৰু একদিনা বোলে ৰবাপো এটি গীত কৰা; বোলে কেনেকৈ; বোলে পাৰিবা কৰা আমি কৰিছো দহো। বোলে আপুনি বাৰে ঈশ্বৰ শক্তি; বোলে তোমাৰ জানো নহই কৰা।* (পৃ. ১৭৫)

আকৌ চিত্ৰপ্ৰধান ভাষায়ো গুৰুচৰিত কথাৰ গদ্যক অনন্য আৰু আকৰ্ষণীয় কৰি তুলিছে। যেনে—

> *আন্ধাৰ দুপৰ নিশা বৃষ্টি এবুকু একষাল জল ঠাই ঠাই হাবি জঙ্গল বোকা সহ বাগ হাতি।। গা উৰু কাটি জঙ্ঘা কাটি এবালি সিঙ্গৰিও জাকে পাকে মহে জকে খাই কেৱৰা বঙ্গা কৈলে সব শৰীৰ।* (পৃ. ১২১)

গুৰুচৰিত কথাৰ বাক্যৰীতিৰ বিশেষত্বই ইয়াৰ গদ্যৰীতিক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। সাধাৰণতে চুটি চুটি বাক্য, কেতিয়াবা দীঘল বাক্য, বৰ্ণনামূলক বাক্য, প্ৰশ্নসূচক বাক্য, উপদেশমূলক বাক্য আদি বিভিন্নধৰণৰ বাক্যৰ ব্যৱহাৰ চৰিত পুথিখনত পোৱা যায়। কথোপকথন, বাক্যালাপৰ ৰীতিয়ে ইয়াৰ গদ্যৰ জেউতি চৰাইছে। বহু বাক্য অসমাপিকা ক্ৰিয়াৰে শেষ হৈছে।

জতুৱা ঠাঁচ, খণ্ডবাক্য, ফকৰা-যোজনা আদিৰ প্ৰয়োগো গুৰুচৰিত কথাৰ গদ্যক আকৰ্ষণীয় কৰি তুলিছে। উদাহৰণস্বৰূপে—

জতুৱা ঠাঁচ, খণ্ডবাক্য ঃ

(ক) ফুট অহা চক্ৰ (পৃ. ১১৭)
(খ) কটাৰ পো কটাহত (পৃ. ৮৪)
(গ) গন্ধে আমোদিত ফুল (পৃ. ১৮২)
(ঘ) নিগুণত গুণ দিব খোজো (পৃ. ৬০)

ফকৰা-যোজনা ঃ

এই গ্ৰন্থত ধৰ্মীয় তত্ত্ব পোনপটীয়াকৈ নকৈ আঁৰ-বেৰৰ মাজেৰে ক'বলৈ প্ৰয়াস কৰাৰ কাৰণে ফকৰা-যোজনাৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে—

(ক) *আগে উপজিল ছোট ভাই*
*পাছে উপজিল কাকা।*
*কেৱমেৰকৈ মাক উপজিল*
*তেহে উপজিল বাপা।।* (পৃ. ২৯৫)

(খ) *পশু নকৰিবা শৰ;*
*মৰাও নানিবা জিয়াও নানিবা*
*সুখা হাতে নপসিবা ঘৰ।।* (পৃ. ৮৯)

এইধৰণৰ জতুৱা ঠাঁচ, ফকৰা-যোজনা আদিৰ প্ৰয়োগ কৰি চৰিত পুথিখনিক ঘৰুৱা কথ্যৰীতিৰ কাষ চপাই নিছে আৰু সাধাৰণ জন-জীৱনৰ অপৰিহাৰ্য অংগ এনে ভাষাৰীতিত থলুৱা জীৱনযাত্ৰাৰ এটি ৰেঙণি পৰিস্ফুট হৈছে।

ভাষাৰ গাম্ভীৰ্য ৰূপ প্ৰকাশ কৰাত ইয়াত প্ৰয়োগ হোৱা শাস্ত্ৰীয় পদৰ উদ্ধৃতিয়েও বিশেষ সহায় কৰিছে। উদাহৰণস্বৰূপে—

(ক) *অবশ্যত মৃত্যু নাই ৰাখন্ত ঈশ্বৰে*
*হৰি নাৰখিলে মিলে গৰ্তৰ ভিতৰে।* (পৃ. ৩৫৬)

(খ) *জাতক কহিলা মানে পণ্ডিতৰ মত।*
*আপুন কাৰ্য কেনে ভৈলা বুদ্ধিহত।।* (পৃ. ৭৬)

আকৌ মাজে মাজে গীত, ভটিমা, কীৰ্ত্তন-ঘোষাৰ লগতে সংস্কৃত আৰু অৰ্দ্ধ-সংস্কৃত শাৰীৰ উদ্ধৃতিও ইয়াত পোৱা যায়। এই উদ্ধৃতিয়ে বৰ্ণনীয় বিষয়ক সৰস কৰি তোলে আৰু ভক্ত হৃদয়ৰ আকুলতাকো প্ৰকাশ কৰে বুলি ক'ব পৰা যায়। তল.ত দুটামান উদ্ধৃতি উল্লেখ কৰা হ'ল ঃ

(ক) *নাৰায়ণ কাহে ভকতি কৰো তেৰা* (পৃ. ১১৫)
(খ) *নামে পৰম ধন চিন্তহ মন ভাই* (পৃ. ২৬৪)
(গ) *মধু দানৱ দাৰুন।* (পৃ. ১৫৪)

ভাষাৰ মৃদুভাৱ গুৰুচৰিত কথাৰ গদ্যৰ আন এটা বিশেষ আকৰ্ষণ। বুৰঞ্জীৰ গদ্য বা আন সমসাময়িক গদ্যৰ লগত ইয়াৰ কোনো কোনো ক্ষেত্ৰত সাদৃশ্য লক্ষ্য কৰা যায়। ব্যাকৰণৰ দিশত প্ৰচলিত ভাষাৰ উচ্চাৰণৰ নিদৰ্শন আছে। প্ৰাচীন অসমীয়া ভাষাৰ ৰূপ গুৰুচৰিত কথাত সংৰক্ষিত হৈছে। উদাহৰণস্বৰূপে— তাসম্বাৰ, তেৰেসে, মৈসানি, কি কহুৱ, জাইবে আদি ৰূপলৈ আঙুলিয়াব পৰা যায়।

*গুৰুচৰিত কথা* গ্ৰন্থখনিৰ গদ্যৰীতিত আছে প্ৰাচীন অসমীয়া গদ্যৰ ৰূপ, আধুনিক অসমীয়া গদ্যৰ প্ৰত্নৰূপ। ইয়াৰ গদ্যশৈলীয়ে যথাৰ্থতে অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত একক আৰু অনন্য স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ধৰ্মীয় আদৰ্শ আৰু পৰম্পৰা অনুসৰি সৃষ্টি হোৱা সাহিত্যই সমগ্ৰ জাতীয় সাহিত্যত বিশেষ স্থান অধিকাৰ কৰি গদ্যৰীতিৰ অনুপম চানেকি দাঙি ধৰাৰ নিদৰ্শন সকলো সাহিত্যতে পোৱা নাযায়। এইক্ষেত্ৰত অসমীয়া সাহিত্যৰ বুৰঞ্জীত মধ্যযুগৰ সাহিত্যৰাজিৰ ভিতৰত *গুৰুচৰিত কথা* গ্ৰন্থখনিৰ অৱদান অনবদ্য।

| আত্মমূল্যায়ন প্ৰশ্ন |
|---|
| গুৰুচৰিতৰ গদ্যক কিয় আধুনিক অসমীয়া গদ্যৰ প্ৰত্নৰূপ বুলি কোৱা হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) |
| ........................................................................................................ |
| ........................................................................................................ |
| ........................................................................................................ |
| ........................................................................................................ |

### ৪.৯ সাৰাংশ (Summing up)

ওপৰৰ আলোচনাৰপৰা গম পোৱা যায় যে অসমীয়া চৰিত সাহিত্যৰ ইতিহাস অতি বিস্তৃত। চৰিতপুথি প্ৰকৃততে অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ ফলস্বৰূপে সৃষ্টি হোৱা। বৈষ্ণৱ গুৰু শঙ্কৰ-মাধৱৰ জীৱন-কথা অৰ্চনা কৰাৰপৰাহি চৰিত সাহিত্যৰ জন্ম হোৱা বুলি ক'ব পৰা যায়। চৰিত পুথিসমূহৰ মাজেৰে গুৰুসকলৰ ধৰ্ম-জীৱনৰ সকলোবোৰ খুঁটি-নাটি, অনুকূল-প্ৰতিকূল অৱস্থা, বৈষ্ণৱ অনুষ্ঠানৰ প্ৰসাৰৰ ইতিহাস, সামাজিক অৱস্থা, ৰজাসকলৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া, সত্ৰানুষ্ঠানৰ বিকাশ, বিভিন্ন গ্ৰন্থৰ উৎপত্তি আৰু বৈষ্ণৱ আচাৰ-নীতিৰ আৰ্হিকে আদি কৰি বহুতো সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ উপাদান লাভ কৰিব পৰা যায়। মহাপুৰুষ আৰু গুৰুসকলৰ দৈনন্দিন জীৱনৰ পুংখানুপুংখ বিৱৰণ দাঙি ধৰি তেওঁলোকৰ ব্যক্তিত্বৰ স্বৰূপ প্ৰতিফলন কৰাত চৰিত লেখকসকলে বিশেষ সফলতা লাভ কৰিছে বুলি ক'ব পৰা যায়।

অসমীয়া চৰিত সাহিত্যৰ ইতিহাসত বিশেষভাৱে উল্লেখনীয় গ্ৰন্থখনিয়ে হ'ল *গুৰুচৰিত কথা*। এই গ্ৰন্থখনিয়ে অসমীয়া চৰিত সাহিত্যৰ ইতিহাসলৈ আগবঢ়োৱা অৱদান অনবদ্য। *গুৰুচৰিত কথা* গ্ৰন্থখনিত বহুকেইজন বৈষ্ণৱ ধৰ্মগুৰুৰ জীৱন-চৰিত বৰ্ণিত হৈছে

আৰু চৰিতখনিৰ বৰ্ণনা কৰা ৰীতি অতি অভিনৱ—য'ত বক্তা আৰু শ্ৰোতা উভয়ে অংশগ্ৰহণ কৰিছে। জীৱন-চৰিত কোৱাৰ মাধ্যমেৰে এই গ্ৰন্থখনিৰ মাজেৰে মধ্যযুগৰ অসমৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক জীৱন কথা এনেদৰে বৰ্ণনা কৰা হৈছে য'ৰ পৰা অসম বুৰঞ্জীৰ যথেষ্ট আভাস পাব পাৰি। তদুপৰি ভাষা আৰু গদ্যৰীতিৰ বৈশিষ্ট্যই সেই সময়ৰ অসমৰ কথিত ভাষাৰ স্পষ্ট আভাস এটি দাঙি ধৰে বুলি ক'ব পৰা যায়। গুৰুচৰিত কথা গ্ৰন্থখনিৰ মাজেৰে ধৰ্মগুৰুৰ জীৱন চৰিতৰ আভাস দিবলৈ গৈ সমগ্ৰ দেশ তথা জাতিৰ মনোৰম জীৱন কথা প্ৰকাশ কৰিব পৰাটো চৰিতকাৰৰ কম কৃতিত্ব নহয়। এটা বিশেষ যুগৰ বৰ্ণনা দিওঁতে পূৰ্বকাল আৰু পৰৱৰ্তী কালৰ ঘটনা প্ৰৱাহৰ প্ৰতিচ্ছবিও ইয়াত প্ৰতিফলিত হৈছে। গদ্য-সাহিত্যৰূপে এইখনি গ্ৰন্থৰ মূল্য অপৰিসীম আৰু অসমীয়া সাহিত্যৰ সুদীৰ্ঘ পৰিক্ৰমাতো এই গুৰুচৰিত কথাৰ বিশেষ ভূমিকা আছে। আকৌ এই গ্ৰন্থৰ জৰিয়তে শঙ্কৰদেৱৰ কালছোৱাৰ অসম-কামৰূপৰ বৌদ্ধিক প্ৰসাৰণৰ কথাও গম পাব পাৰি। তদুপৰি সৰ্বভাৰতীয় আধ্যাত্মিক আন্দোলনৰ এক অংশৰূপে অসমৰ বৈষ্ণৱ আন্দোলনৰ ভূমিকা সম্পৰ্কেও অৱগত হ'ব পাৰি। ভাৰতীয় চিন্তা নায়কৰ চিন্তাৰ চৌৱে অসম-কামৰূপৰ চিন্তা মনীষাকো স্পৰ্শ কৰাৰ কথা এই গ্ৰন্থত পোৱা যায়।

গুৰুচৰিত কথা গ্ৰন্থখনিৰ সাহিত্যিক মূল্য অপৰিসীম। প্ৰচলিত কথ্যৰীতি, অসমীয়া গদ্যৰ বিশেষ চানেকি বহন কৰাৰ লগতে এই গ্ৰন্থখনিয়ে বিভিন্ন দিশ আলোকপাত কৰিছে। মুঠৰ ওপৰত ক'ব পৰা যায় যে অসমীয়া চৰিত সাহিত্যৰ ইতিহাসত গুৰুচৰিত কথা গ্ৰন্থখনিৰ মূল্য অপৰিসীম তথা তুলনাবিহীন।

## ৪.১০ আৰ্হি প্ৰশ্ন (Sample Questions) :

১) চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

২) অসমীয়া চৰিত সাহিত্যৰ ইতিহাসত 'গুৰুচৰিত কথা'ৰ স্থান —শীৰ্ষক এটি আলোচনা আগবঢ়াওক।

৩) 'গুৰুচৰিত কথা' গ্ৰন্থত বৰ্ণিত মধ্যযুগৰ অসমৰ ধৰ্মীয় আৰু সামাজিক ছবিৰ এটি আভাস দাঙি ধৰক।

৪) 'গুৰুচৰিত কথা'ৰ গদ্যশৈলী সম্পৰ্কে এটি আলোচনা আগ বঢ়াওক।

৫) 'গুৰুচৰিত কথা'ক মধ্যযুগৰ অসমৰ মনোৰম ঐতিহাসিক দলিল বোলাৰ কাৰণসমূহ দৰ্শাই আলোচনা আগবঢ়াওক।

৬) 'গুৰুচৰিত কথা' আৰু 'দেওধাই অসম বুৰঞ্জী'ৰ গদ্যৰীতিৰ এক তুলনামূলক আলোচনা দাঙি ধৰক।

৭) শংকৰ-মাধৱৰ মণিকাঞ্চন সংযোগ কিদৰে ঘটিছে 'গুৰুচৰিত কথা'ৰ আলমত আলোচনা কৰক।

৮) গুৰুচৰিত কথাত কাল্পনিক, অতিৰঞ্জিত আৰু অলৌকিক ঘটনাৰ সংযোজন কিদৰে কৰা হৈছে উপযুক্ত উদাহৰণৰ দ্বাৰা বুজাই লিখক।

৯) 'গুৰুচৰিত কথা' গ্ৰন্থখনি অসমৰ অভূতপূৰ্ব নৱবৈষ্ণৱ আন্দোলনৰ ইতিকথাৰে কিদৰে পৰিপুষ্ট যুক্তি প্ৰদৰ্শন কৰি চমু আলোচনা দাঙি ধৰক।

১০) সমন্বয়ৰ ভাষা ৰূপে 'গুৰুচৰিত কথা'ৰ ভাষাৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

**১১) চমু পৰিচয় দিয়ক :**

বিষ্ণুপুৰী, ৰামৰাম গুৰু, জয়ন্তীৰ সধহি, নাৰায়ণ দাস, ঠাকুৰ আতা, চন্দৰী দাসী, গোদা-গধুলা, চন্দন আতৈ, বৃন্দাবনীয়া বস্ত্ৰ, জটিৰাম আতৈ, গোবিন্দ গৰখীয়া, ৰূপ-সনাতন, চক্ৰপাণি দ্বিজ ভট্টাচাৰ্য, খগেশ্বৰ সন্ন্যাসী, খেৰসুঁতি আই, মহেন্দ্ৰ কন্দলি, মনোৰমা আই।

## ৪.১১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings) :


| | | |
|---|---|---|
| কেশৱানন্দ দেৱগোস্বামী | : | *সত্ৰ সংস্কৃতিৰ পৰম্পৰা* |
| গোবিন্দ প্ৰসাদ শৰ্মা | : | *জীৱনী আৰু অসমীয়া জীৱনী* |
| দীপ্তি ফুকন পাটগিৰি | : | *মধ্যযুগৰ অসমীয়া সাহিত্যৰ বেঙুনি* |
| পদ্মৰাম শইলে | : | *ভক্তিধৰ্ম আৰু ভক্তি কাব্যত এভুমুকি* |
| পৰীক্ষিত হাজৰিকা | : | *আলোচনা সাহিত্য* |
| বাণীকান্ত কাকতি | : | *পুৰণি অসমীয়া সাহিত্য* |
| ৰাণচন্দ্ৰ মহন্ত | : | *ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ* |
| মহেশ্বৰ নেওগ | : | *অসমীয়া সাহিত্যৰ ৰূপৰেখা* |
| (——) | : | *গুৰুচৰিতৰ ইতিকথা* |
| (——) | : | *গুৰুচৰিত কথা* |
| লীলাৱতী শইকীয়া বৰা | : | *ভাষা সাহিত্যৰ সুবাস* |
| সত্যেন্দ্ৰনাথ শৰ্মা | : | *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* |
| হেমন্ত কুমাৰ শৰ্মা | : | *অসমীয়া সাহিত্যত দৃষ্টিপাত* |


•••